# কটনিয়ান

৮৪সংখ্যক প্ৰকাশ/২০০৯-১০

# COTTONIAN

সম্পাদক

ভাৰ্গৱ জ্যোতি কছাৰী

কটনিয়ান ঃ কটন কলেজৰ বাৰ্ষিক মুখপত্ৰ

কটন কলেজ একতা সভা, কটন কলেজ, গুৱাহাটী-১ৰ দ্বাৰা প্ৰকাশিত আৰু সৰ্বস্বত্ব সংৰক্ষিত
COTTONIAN : The Annual Journal of Cotton College. published by Cotton College Union Society, Cotton College, Guwahati - 1

**৮৪সংখ্যক কটনিয়ানৰ প্ৰকাশৰ নেপথ্যত ঃ**

**উপদেষ্টা ঃ** ড° ইন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য, অধ্যক্ষ
ড° সুদৰ্শন বৰুৱা, উপাধ্যক্ষ
**তত্ত্বাৱধায়ক ঃ** ড° মহেশ্বৰ কলিতা
**শিক্ষক সদস্য ঃ** ড° দিলীপ কুমাৰ শৰ্মা
সুৰেশ কুমাৰ নাথ
ড° মেৰী বৰুৱা
দিলীপ গগৈ
**সম্পাদক ঃ** ভাৰ্গৱ জ্যোতি কছাৰী
**ছাত্ৰ সদস্য ঃ** পাৰ্থপ্ৰতীম গগৈ
ৰাজতৰংগিনী
অঞ্জন কলিতা
ৰীমা গগৈ
ত্ৰিবেদী চুতীয়া
মনোৰঞ্জন দত্ত
আমিনুল ইছলাম হাজৰিকা

**প্ৰচ্ছদ ঃ** সম্পাদক
**পুচ্ছ পট ঃ** সংগীতা দাস

**ডি টি পি আৰু মুদ্ৰণ ঃ**
আঙ্গিক প্ৰকাশন
গোপীনাথ বৰদলৈ পথ, পাণবজাৰ, গুৱাহাটী-১
ফোন নং-৯৮৬৪০-৩২৮২৯

# উছৰ্গা

সত্যানুসন্ধানী সমূহ কটনিয়ানৰ হাতত
এই সংখ্যা 'কটনিয়ান' উছৰ্গা কৰা হ'ল...

## কৃতজ্ঞতাৰ সুৱাগুৰি

ড° ইন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য, ড° সুদৰ্শন বৰুৱা, ড° সীতানাথ লহকৰ, ড° ভবেন কলিতা, ড° মহেশ্বৰ কলিতা, ড° প্ৰদীপ শৰ্মা, ড° যমুনা শৰ্মা চৌধুৰী, নাৰায়ণ তালুকদাৰ, ড° দিলীপ শৰ্মা, ড° অৰূপ কুমাৰ হাজৰিকা, সুৰেশ কুমাৰ নাথ, ড° গৰিমা কলিতা, ড° ভগৱান গোস্বামী, বুদ্ধদেৱ মহন্ত, দিলীপ গগৈ, মঞ্জু দেৱী পেগু, লুটফা হানুম ছেলিমা বেগম, ধ্ৰুৱজ্যোতি নাথ, বাৰ্বী হাজৰিকা, অভিজ্ঞান দাস, অৰ্পণ শৰ্মা, ক্ষিপ্ৰক্ষেত্ৰ নেওগ, হিমাংশু দাস, জ্যোতিষ দত্ত, বিকাশ পাংগিং, ধৰ্মেন্দ্ৰ ডেকা, আকাশ দাস, দীপজ্যোতি সৰকাৰ, আঙ্গিক প্ৰেছৰ দিবাকৰ হাজৰিকা, অশোক শৰ্মা আৰু বিকাশজ্যোতি বৰুৱালৈ।

*Dr. Indra Kr. Bhattacharyya*
Principal, Cotton College
Guwahati - 781 001
Assam.

Tel No. : 2540715 (O),
2737138 (R),
94351-95807 (M),
Fax No. : 0361 - 2540715



# Message

I am happy to learn that the Cotton College Union Society (CCUS) is going to bring out the 84th issue of the COTTONIAN. With a heritage that goes back to nearly a hundred years the COTTONIAN is not only the mouth piece of students prosecuting their studies in Cotton College but it has also been responsible for producing literary luminaries from the entire North Eastern region of the country throughout the decades. In the process, it has been contributing significantly to the academic and cultural life of the region by providing a veritable platform to its budding writers with a penchant for creativity. I hope the present issue of the COTTONIAN too would be able to keep up to the standard and expectation characteristic of the magazine since the time of its inception. I also take this opportunity to congratulate the members of the editorial team especially, the editor, Shri Bhargob Jyoti Kachari for their untiring and sincere efforts in bringing out the same.

**Dr. I.K. Bhattacharyya**
Principal
Cotton College, Guwahati

# সম্পাদনা সমিতি
## কটনিয়ান, ২০০৯-১০ বৰ্ষ



ড॰ মহেশ্বৰ কলিতা
শিক্ষক তত্ত্বাৱধায়ক



ভাৰ্গৱজ্যোতি কছাৰী
সম্পাদক



পাৰ্থপ্ৰতীম গগৈ
ছাত্ৰ সদস্য



মনোৰঞ্জন দত্ত
ছাত্ৰ সদস্য



ত্ৰিবেদী চুতীয়া
ছাত্ৰ সদস্য



ড॰ দিলীপ কুমাৰ শৰ্মা
শিক্ষক সদস্য



সুৰেশ কুমাৰ নাথ
শিক্ষক সদস্য



ৰীমা গগৈ
ছাত্ৰী সদস্য



ৰাজতৰংগিনী
ছাত্ৰী সদস্য



দিলীপ গগৈ
শিক্ষক সদস্য



ড॰ মেৰী বৰুৱা
শিক্ষক সদস্য



আমিনুল ইছলাম হাজৰিকা
ছাত্ৰ সদস্য



অঞ্জন কলিতা
ছাত্ৰ সদস্য



# সম্পাদকৰ প্ৰাসংগিক চিন্তা

বিংশ শতিকাৰ শেষৰ ভাগত ভাৰতৰ আগন্তুক একবিংশ শতিকাৰ ভৱিষ্যতক লৈ বৌদ্ধিক, বৈজ্ঞানিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক মহলত তুমূল চৰ্চা চলিছিল। প্ৰাচীন ভাৰতীয় জ্ঞান চৰ্চাৰ ক্ৰমবিকাশ বা পুৰণি আৰু নতুন চিন্তাধাৰাৰ এক মিশ্ৰিত বিজ্ঞানৰ বিকাশেই হওক, একবিংশ শতিকাৰ প্ৰথম দশকটোক ভাৰতৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ নতুন অধ্যায়ৰ আৰম্ভণি বুলিব পাৰি। বিশ্বৰ অৰ্থনীতি, ৰাজনীতি বা সাহিত্য জগতখনতো ভাৰতীয়ৰ প্ৰভাৱ বহুলাংশে বৃদ্ধি পাইছে। কেইখনমান আন্তঃৰাষ্ট্ৰীয় আলোচনীয়ে প্ৰকাশ কৰা তথ্য অনুসৰি ঐশ্বৰ্যশালী ভাৰতীয়ৰ ধনৰাশি দক্ষিণ এছিয়াৰ সমস্ত ৰাষ্ট্ৰৰ একত্ৰিত মুঠ ঘৰুৱা উৎপাদনতকৈ অধিক। আনফালে, অন্ন-বস্ত্ৰ আৰু বাসস্থানৰ বাবে হাহাকাৰ কৰা ভাৰতীয়, কৃষক বিদ্ৰোহী বা নিবনুৱাৰ সংখ্যাও কম নহয়। ভাৰতৰ ঐশ্বৰ্যশালীসকলক তৰ্জুৰ এফালে আৰু মধ্য-নিম্নবিত্ত নাইবা দুখীয়া শ্ৰেণীটোক আনফালে বহুৱাই দিলে দেখা যায় আন এখন বিকশিত ভাৰতৰ ছবি, যি ছবিয়ে ভাৰতৰ সমাজবাদ আৰু পুঁজিবাদৰ মিশ্ৰ অৰ্থনীতিৰ কোঁপোলা স্বৰূপটো উদঙাই দেখুৱাইছে। এনে পৰিস্থিতিত, ভাৰতীয়ৰ শিক্ষা, সংস্কৃতি, সমাজ ব্যৱস্থা, সামাজিক পৰিৱেশক বা প্ৰাকৃতিক দুৰ্যোগক দোষ দি হাত সাবটি বহি থাকিলে ভাৰতীয় ঐতিহাসিক মানৱীয় মূল্যবোধক যে ক'লা ডাৱৰে আৱৰি নধৰিব তাক নুই কৰিব নোৱাৰি, বৰঞ্চ এনে পৰিস্থিতিত বৌদ্ধিক মহলে, পীড়িত মহলে অন্ধৰ দৰে আনে পোনাই দিয়া বাটেৰে খোজ নিদি ফঁহিয়াই চাব লাগিব প্ৰতিটো স্থিতি।

আন্তৰ্জাতিক পৰিসংখ্যা মতে বহু বছৰৰ আগতে ভাৰত আছিল পৃথিৱীৰ দ্বিতীয়খন ধনী দেশ (চীন প্ৰথম আৰু সংযুক্ত পশ্চিম ইউৰোপীয় দেশ তৃতীয়)। ১৬০০ চনত ভাৰতত ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰতিষ্ঠা আৰু পিছৰ কেইবা দশকজোৰা শোষণ, মহামাৰী আদিৰ প্ৰকোপত ভাৰতৰ অৰ্থনীতি আৰু মানৱ সম্পদৰ অৱনতি ঘটে। স্বাধীনতাৰ পিছত ভাৰতৰ আৰ্থিক অৱস্থা অতি দুৰ্বল হৈ পৰে যদিও একবিংশ শতিকাৰ প্ৰথম দশকত ভাৰতৰ অৰ্থনীতিৰ স্থান চতুৰ্থ (আমেৰিকা, চীন আৰু জাপানৰ পিছত) হৈছেগৈ। কোটিপতি আৰু দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ লক্ষাধিক জনসাধাৰণৰে ভাৰতৰ সমাজ আৰু অৰ্থনীতিৰ এই ব্যৱস্থা এক চিন্তনীয় বিষয়লৈ পৰিৱৰ্তিত হৈছে।

আনফালে সমগ্ৰ বিশ্বই গোলকীয় মন্দাৱস্থাৰ পৰা পৰিত্ৰাণ পোৱাৰ বাবে হাহাকাৰ কৰাৰ বিপৰীতে ভাৰততকৈ অধিক জনবহুল দেশ চীনে নিজৰ বিকাশৰ গতি অব্যাহত ৰাখিবলৈ সক্ষম হোৱাটো নিঃসন্দেহে এক বিৰাট সাফল্য। সম্পদৰ প্ৰকৃত ব্যৱহাৰ, সমবিতৰণ, ভূমি সংস্কাৰ আৰু মানৱ সম্পদ বিকাশৰ প্ৰতি গুৰুত্ব ইত্যাদি পৰিকল্পিত মোকাবিলাই ইয়াৰ প্ৰধান কাৰণ।

সম্পদৰ প্ৰকৃত ব্যৱহাৰৰ ক্ষেত্ৰত ভাৰতীয় মানুহৰ এক বিৰল দৃশ্য দৃষ্টিগোচৰ হয়, সেয়া পৰিৱেশ সম্বন্ধীয়েই হওক বা চৰকাৰী লেনদেনৰ ক্ষেত্ৰতে হওক। অতি সাধাৰণ ভাৱাত যিটো বস্তুৰ উপযোগিতা বেছ কিছুদিনলৈ আশা কৰিব পাৰি, সেয়া ভাৰতীয় মানুহৰ অধিকসংখ্যকেই কিছুদিনহে ব্যৱহাৰ কৰা পৰিলক্ষিত হয়, নাইবা যিমানখিনি সম্পদ উন্নতিৰ বাবে ব্যৱহাৰ কৰিব লাগিছিল তাৰ আধা বা তাতকৈ কম সম্পদ ব্যৱহাৰ আৰু বাকীখিনিৰ অপব্যৱহাৰ কৰাটো, যি সামাজিক আৰু ব্যক্তিগত কৰ্ম, দুয়োটা ক্ষেত্ৰতে দেখিবলৈ পোৱা যায়। অতি সাধাৰণ উদাহৰণ হিচাপে, পলিথিনৰ ব্যৱহাৰলৈকে উনুকিয়াব পাৰি, যাক এবাৰ ব্যৱহাৰ কৰাৰ পিছত পুনৰ ব্যৱহাৰ কৰা নহয় আৰু পেলাই দিয়াৰ ফলত প্ৰদূষণৰ সৃষ্টি কৰে। পৰিৱেশ সম্বন্ধীয় মোকাবিলাৰ ক্ষেত্ৰত ভাৰতৰ অন্য প্ৰান্ততকৈ দক্ষিণ ভাৰত আগবঢ়া আৰু চকুত লগা। ইয়াৰ কাৰণ, নিশ্চয় শিক্ষা আৰু মানুহৰ সমাজ আৰু পৰিৱেশৰ প্ৰতি সজাগতা।

সমবিতৰণ, ভূমি সংস্কাৰ বা মানৱ সম্পদ বিকাশৰ ক্ষেত্ৰতো একেখন ছবিয়েই পৰিলক্ষিত হয়। শোষণ, ভ্ৰষ্টাচাৰ, অসমবিতৰণ, অৰ্থনৈতিক মুনাফাৰ বাবে কৰা ৰাজনীতিৰ উদাহৰণো কম নহ'ব। যিবোৰৰ কাৰণেও বিভিন্ন সময়ত, বিভিন্ন প্ৰান্তত গোষ্ঠীগত সংঘৰ্ষ বা ধৰ্মগত সংঘৰ্যই মূৰ তুলি উঠিছে, যি ভাৰতীয় ঐতিহাসিক মূল্যবোধ আৰু মানৱ সম্পদ বিকাশৰ হেঙাৰ স্বৰূপ।

'মানুহে আটাইতকৈ নিষ্ঠুৰ আৰু নীচ কামবোৰ কৰে ঈশ্বৰ আৰু ধৰ্মৰ নামত।' —হুমাৰছেট মমৰ এই কথাষাৰে ভাৰতৰ নৈতিক আৰু মূল্যবোধৰ ক্ষেত্ৰত তাৎপৰ্য বহন কৰিছে। শান্তি বিচাৰি আমি বহুকেইটা যুগ পাৰ কৰিলোঁ, শান্তিৰ নামত হেজাৰজন শ্বহীদক হেৰুৱালোঁ। স্বাধীনতাৰ পিছৰ খণ্ডিত ভাৰত আৰু ইয়াৰ অংশবিশেষৰ আশাৰ দীঘলীয়া বাট এতিয়াও বহুদূৰ, যি বাটেৰে পোনাই গ'লে এটি আস্থানত উপনীত হ'ব পাৰি, যিটো আস্থানত এতিটো পোন বাটেই শেষ হৈছেগৈ। ধৰ্মনিৰপেক্ষ দেশত নিৰপেক্ষতাৰ মুখা পিন্ধি প্ৰতিখন পথাৰতে নিগনিৰ দৌৰ দিছোঁ। আনহাতে নিৰপেক্ষতাৰ বান্ধোনটোক বাৰে-বাৰে আঘাত কৰিবলৈ চেষ্টা কৰিছে এনো একোটা বহিৰাগত অপশক্তিয়ে। এনে পৰিস্থিতিতে বিভিন্ন সময়ত সংঘৰ্যই গা কৰি উঠা দেখা যায়। 'আপোন ভালেই জগত ভাল' বোলা প্ৰাসংগিক কথাষাৰিৰ লগত সংগতি ৰাখি ক'ব পাৰি যে আমি ফঁহিয়াই চাব লাগিব আমাৰ মাজত উদ্ভৱ হোৱা বৈষম্যক, যিয়ে সমাজ আৰু দেশৰ উন্নতি আৰু ঐক্যত হানি কৰে। প্ৰাথমিক পৰ্যায়ৰ পৰাই ভাৰতৰ জনসাধাৰণৰ মাজত এক অদৃশ্য বিভাজনৰ ৰেখা অংকিত হোৱা পৰিলক্ষিত হয়। ধৰ্ম বা জাতিৰ নামত, কৰ্মসংস্থাপন আৰু শিক্ষাৰ ক্ষেত্ৰত যি সংৰক্ষণৰ ব্যৱস্থা কৰিছিল, সেয়া এক ৰাজনৈতিক বিষয়লৈ

পৰিৱৰ্তিত হৈছেগৈ, যি সুদূৰ ভাৰতত আৰু অধিক বিভাজনৰ বীজ সিঁচি দিয়াত সহায় কৰিব পাৰে।

তৃণমূল পৰ্যায়লৈ গ'লে লক্ষ্য কৰিব পাৰি যে মানসিক সুখ বা শান্তিৰ বিষয়টো মানসিক সহনশীলতাৰ ওপৰত নিৰ্ভৰ কৰে। আনফালে 'আমি শান্তি বিচাৰোঁ' ধৰণৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ চিন্তাধাৰাই এক বাণিজ্যিক দৌৰৰ সৃষ্টি কৰিছে। যিটো প্ৰতিষ্ঠান বা অনুষ্ঠানে অধিক শান্তি বিচাৰে, সেইটোৱেহে আচলতে নিৰ্ভৰযোগ্য প্ৰতিষ্ঠানৰ দৰ্জা পাব পাৰে, সেয়া ব্যক্তিগত অৰ্থতো হ'ব পাৰে। ৰাজনৈতিক মহলেও তেনেকুৱা দৌৰত সহায়-সহযোগ কৰাটো একেবাৰে নুই কৰিব নোৱাৰি। দেখা যায়, শান্তিৰ বাবে কৰা এনে কৰ্মই প্ৰত্যক্ষভাৱে সমাজত কোনো প্ৰভাৱ পেলাব নোৱাৰে যদিও ই এক চিন্তনীয় বিষয়। সেয়া যিয়েই নহওক, এজন ভাগৰুৱা কৃষকৰ বাবে এমুঠি অন্নৰ দৰে শান্তিৰ বাবে দৌৰা আমি দৌৰবিদসকলে শান্তিক উৰি ফুৰা কঁহুৱাৰ মাজত নিবিচাৰি নিজৰ মাজতে বিচাৰ কৰিব লাগিব।

বিশ্বৰ বিভিন্ন প্ৰান্তৰ এনে দৌৰে পৃথিৱীখনক সংকুচিত কৰি আহিছে। প্ৰতিখন দেশৰ এক নিজা বৈশিষ্ট্য আছে, সেয়া ধনী দেশেই হওক বা দুখীয়া দেশেই হওক। এখন দেশৰ চৰিত্ৰ সেই দেশৰ নাগৰিকৰ চৰিত্ৰই নিৰ্ণয় কৰে। আন্তঃৰাষ্ট্ৰীয় দৌৰত পৃথিৱীৰ শ্ৰমজীৱী মানুহ এখন পৃথিৱীৰ বাসিন্দা হৈ পৰিছে যদিও চৰিত্ৰৰ বৈষম্যই বিভিন্ন সময়ত মানৱীয় মূল্যৰ ভাৱধাৰাত আৰু 'এক দেৱ-এক সেৱ' চিন্তাধাৰাত হানি কৰিছে। সমাজৰ এই বিশৃংখলিত প্ৰক্ৰিয়াটোক যদি খাদ্য শৃংখলৰ লগত ৰিজাই চোৱা হয়, এটি শক্তিশালী ধৰ্মই এটি দুৰ্বল ধৰ্মক (অথচ সকলো ধৰ্মৰ মূলমন্ত্ৰ শান্তি), এটি শক্তিশালী জাতিয়ে এটি দুৰ্বল জাতিক নাইবা এজন শক্তিশালী মানুহে এজন দুৰ্বল মানুহক গ্ৰাস কৰা পৰিলক্ষিত হয়, যি প্ৰক্ৰিয়াৰ দ্বাৰা দুৰ্বল প্ৰজাতিটোৰ শান্তিত ব্যাঘাত জন্মে। খাদ্য শৃংখল প্ৰক্ৰিয়াত দেখা যায় সৰু মাছটোৱেও নিজৰ প্ৰাণৰক্ষাৰ অৰ্থে বিপদমুক্ত স্থানৰ সন্ধান কৰে।

অসমতো এনেধৰণৰ এটা চাপে অশান্তিৰ সৃষ্টি কৰাটো নুই কৰিব নোৱাৰি। অসমৰ সংস্কৃতি, ভাষা বা সাহিত্য আদি প্ৰতিটো বিভাগতে এনে এক আতংক আৰু বিতৰ্ক সৃষ্টি হোৱা পৰিলক্ষিত হয়। অসমীয়া বোলছবিৰ ক্ষেত্ৰখনক লক্ষ্য কৰিলে, ইয়াৰ সংকটৰ ৰূপটো জল্‌জল্-পট্‌পট্‌কৈ দেখা দিয়ে। পুৰণি অসমীয়া বোলছবিৰ অনেক উদাহৰণ আছে, যাক আজিও অসমীয়া সমাজে আদৰি লয়। অথচ বৰ্তমানৰ অসমীয়া চলচ্চিত্ৰৰ বজাৰখনৰ শোচনীয় অৱস্থাই চিন্তিত কৰি তুলিছে চলচ্চিত্ৰ নিৰ্মাতা তথা চলচ্চিত্ৰ জগতখনক। দক্ষিণৰ চলচ্চিত্ৰত সমাজৰ বাবে থকা যিটো বাৰ্তা দৰ্শকৰ আগত স্পষ্ট ৰূপত ধৰা দিয়ে, তাৰ বিপৰীতে সমসাময়িক বৰ্তমানৰ অসমীয়া ছবিবোৰত ইয়াৰ ওলোটাটোহে পৰিলক্ষিত হয়। ইয়াৰ উপৰি বৰ্তমানৰ অসমীয়া ছবিবোৰত দৰ্শকৰ ৰুচিবোধৰ দিশটোৰ প্ৰতি পৰিচালকৰ গুৰুত্ব বহু পৰিমাণে কম দেখা যায়। আনহাতে হিন্দী, দক্ষিণ ভাৰতীয় ছবিবোৰত নিৰ্মাতাজনে দৰ্শকৰ ৰুচি আৰু ব্যৱসায়িক দুয়োটা দিশতে গুৰুত্ব দিয়া দেখা যায় যদিও বিগ বাজেটৰ ছবিক অসমীয়া ছবিৰ লগত তুলনা কৰাটো সমীচীন নহ'ব। অসমীয়া চলচ্চিত্ৰ উদ্যোগটো বিভিন্ন অৰ্থনৈতিক আৰু প্ৰযুক্তিকৰণত পিছপৰি আছে যদিও প্ৰতিভাৱান অভিনেতা-অভিনেত্ৰীৰ অভাৱ দেখা নাযায়। এনে ক্ষেত্ৰটো দৰ্শকে ৰুচিবোধক ছবি উপভোগ কৰিবলৈ নোপোৱাটো চলচ্চিত্ৰ পৰিচালক আৰু অভিনয় শিল্পীৰো ভুল থকা বুলি ক'ব নোৱাৰিনে? আনহাতে অসমীয়া ছবিজগতত অভিনয়কে জীৱন বুলি উছৰ্গা কৰিব পৰা এখন ক্ষেত্ৰৰ অভাৱ তথা প্ৰতিভাৰ অভিনয় জ্ঞান আহৰণৰ প্ৰতি কষ্টৰ অভাৱ। প্ৰচাৰ মাধ্যমৰ ভূমিকায়ো এখন ছবিৰ সফলতা আৰু বিফলতাত প্ৰত্যক্ষভাৱে প্ৰভাৱ পেলায়। চলচ্চিত্ৰ এটা জাতিৰ সংস্কৃতি, আচাৰ-ব্যৱহাৰ, ভুল-ত্ৰুটি বা এটা জাতিৰ অনুভূতিৰ প্ৰতিফলক, যি পৃথিৱীৰ প্ৰতিটো প্ৰান্তৰ মানুহৰ ইজনে সিজনক বুজাৰ মাধ্যম হ'ব পাৰে। এনে ক্ষেত্ৰত অসমীয়া জাতিয়ে বহুতো হেৰুৱালোঁ। আমাৰ অনীহা আৰু অসতৰ্কতাৰ বাবে আৰু বহুতো হেৰুৱাব লগা হ'ব পাৰে।

প্ৰশ্ন হয়, Darwinৰ Survival of the fittestৰ সূত্ৰ অনুসৰি আমি দুৰ্বল হৈ পৰিছোঁ নেকি? যাৰ বাবে আমি প্ৰতিটো খোজতে, প্ৰতিখন ক্ষেত্ৰতে সংগ্ৰাম কৰিব লগা হৈছে! আমাৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰখনে বিশ্বৰ লগত ফেৰ মাৰিবলৈ সক্ষমনে! নে আমি অৰ্থনৈতিকভাৱে চতুৰ্থখন উন্নত দেশ ভাৰতৰ স্বতন্ত্ৰ আৰু স্বাৱলম্বী লোক! অৰ্থনৈতিক অনগ্ৰসৰতা, নিম্নগামী শস্য উৎপাদন, কম শিক্ষিতৰ হাৰ, নিম্ন ঔদ্যোগীকৰণ আদিয়ে অসমক জুৰুলা কৰিছে। অসম পৃথিৱীৰ আটাইতকৈ অধিক চাহ উৎপাদন হোৱা কেন্দ্ৰ হিচাপে পৰিচিত যদিও চাহ উদ্যোগে অসমৰ আৰ্থ-সামাজিক ক্ষেত্ৰখনত কোনো বিশেষ প্ৰভাৱ পেলাব পৰা নাই। মূলতঃ শিক্ষা, অভিজ্ঞতা আৰু দক্ষ শ্ৰমিক আৰু দক্ষ জনসাধাৰণৰ অভাৱেই ইয়াৰ প্ৰধান কাৰণ যদিও জনসংখ্যা বৃদ্ধিয়েও অৰ্থনীতিৰ ক্ষেত্ৰখনত বাৰুকৈ প্ৰভাৱ পেলাইছে। ২০০১ চনৰ লোকপিয়ল অনুসৰি অসমৰ শিক্ষিত হাৰ ৬৩.৩ শতাংশ। ভাৰতৰ মুঠ ৩৫খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ১৩খনহে শিক্ষিত হাৰ দেশৰ গড় শিক্ষিত হাৰৰ (৬৪.৮ শতাংশ) তলত। এই ১৩খন ৰাজ্যৰ ভিতৰত অসমো এখন।

ৰাষ্ট্ৰীয় ছাত্ৰ সংগঠন, ৰাজ্যিক ছাত্ৰ সংগঠনকে ধৰি অসমৰ প্ৰতিটো জাতি-জনগোষ্ঠী কিম্বা ধৰ্মৰ ভিত্তিত গঢ় লৈ উঠা বিভিন্ন ছাত্ৰ সংগঠনৰ কাৰ্যই ছাত্ৰ সমাজৰ শৈক্ষিক তথা সামাজিক দায়বদ্ধতাৰ ইংগিত দিয়ে যদিও বাস্তৱ ক্ষেত্ৰত তেনে হোৱাৰ বিপৰীতে শিক্ষাৰ মূল উদ্দেশ্যৰ প্ৰতি ছাত্ৰৰ সচেতনতাৰ ম্লান ৰূপটোহে দেখা যায়। ছাত্ৰৰ অধিকাৰৰ প্ৰতি সচেতন অসমীয়া ছাত্ৰই ৰাজনৈতিকভাৱে ছাত্ৰসকলৰ সমস্যাৰ বাট বিচাৰিলেও ছাত্ৰৰ মাজত উদ্ভৱ হোৱা সামাজিক তথা মানসিক সমস্যাৰ সমাধানৰ ক্ষেত্ৰত দেখা দিয়া অনগ্ৰসৰতা চিন্তনীয় বিষয় হৈ পৰিছে। ৰাজনৈতিক মহলেও ছাত্ৰসকলৰ সমস্যাক বহুক্ষেত্ৰত সমাধান কৰিবলৈ আগবাঢ়ি আহিছে যদিও বিশ্ববজাৰত দক্ষ ছাত্ৰৰ চাহিদাই Brain Drainত সহায় কৰিছে। মানুহ গঢ়াৰ যি সচেতনতা আমাৰ মাজত গঢ়ি উঠিছে, সেয়া ব্যক্তিগত আৰু চৰকাৰী খণ্ডৰ বিদ্যালয় বা গাঁও আৰু চহৰৰ বিদ্যালয়ৰ মাজত অসমতা দূৰীকৰণৰ হকেই হওক বা বিদ্যাৰ প্ৰতি সচেতনতা তথা দেশৰ হকে কাম কৰিবলৈ অনুপ্ৰাণিত কৰাৰ তীব্ৰ অভিযান গঢ়ি তোলাতেই হওক, ৰাজনৈতিক লাভৰ বাবে ছাত্ৰ সংগঠনত যোগদান কৰা সদস্যৰ উদাহৰণো কম নহ'ব। অতীত আৰু বৰ্তমানত ছাত্ৰগণৰ মাজত সিঁচৰতি হোৱা ছাত্ৰ সংগঠনৰ বিভাজিত বীজে অসমক কোন দিশে লৈ যায় সময়েহে ক'ব। কাৰণ আজিৰ ছাত্ৰই কাইলৈ দেশৰ নাগৰিক।

অৰ্থনৈতিকভাৱে চহকী দেশ এখনৰ এনে দুৰৱস্থাই চিন্তাৰ খোৰাক যোগায়। পৃথিৱীৰ বাসিন্দা হৈ ভৱিষ্যতৰ পৃথিৱীক লৈ টনা-আঁজোৰা কৰি থকাৰ সময়তে নতুন পৃথিৱীৰ সন্ধানে এক নতুন মোৰ ল'লে। তথাপি মানুহৰ চাৰিত্ৰিক বৈশিষ্ট্যই বাৰে বাৰে 'এখন পৃথিৱী এখন গাঁও' হ'বলৈ ধৰা পৃথিৱীৰ বাসিন্দাক বাৰে বাৰে পিছল খুৱায়। চহকীয়ে দুখীয়াক, চতুৰে মূৰ্খক, শক্তিশালীয়ে দুৰ্বলীক শোষণ কৰা ভাৰতৰ দৰে চহকী দেশ এখনে পৃথিৱীক এখন গাঁৱলৈ পৰিৱৰ্তিত কৰাত কি অৱদান থাকিব পাৰে, সেয়া চিৰচিন্তনীয়।

**ভাৰ্গৱজ্যোতি কছাৰী**

# সূচীপত্ৰ

## অসমীয়া বিভাগ

### প্ৰবন্ধ চ'ৰা


বিষ্ণু ৰাভা আজিও অস্পৃশ্য — *ড° সীতানাথ লহকৰ* ১
শিক্ষা আৰু নৈতিকতা — *কুমাৰী উন্মেষা কোঁৱৰ* ৬
একবিংশ শতিকাৰ প্ৰথম দশকৰ অসমীয়া কবিতা — *ড° মহেশ্বৰ কলিতা* ১০
দৰঙৰ লোক উৎসৱ ঃ এক সমীক্ষা — *অৰ্চনা নন্দিতা শৰ্মা* ২০
লীলাৱতীত সমাজ-জীৱনৰ চিত্ৰ — *ড° দিলীপ কুমাৰ শৰ্মা* ২৪
ধৰ্ম, ধৰ্মৰ প্ৰাসংগিকতা আৰু কিছু চিন্তা — *জাহ্নু ভৰদ্বাজ* ২৬
বৃহৎ নদীবান্ধ ঃ কিছু প্ৰাসংগিক চিন্তা — *পাৰ্থপ্ৰতীম গগৈ* ২৮
দেৱকান্ত বৰুৱাৰ কবিতা ঃ এটি আলোচনা — *কৃষ্ণা বৰুৱা* ৩২
হালধীয়া সাংবাদিকতা ঃ এটি অৱলোকন — *মনজিৎ কলিতা* ৩৫
মানৱ অধিকাৰ ঃ এক অৱলোকন — *অঞ্জন কলিতা* ৩৭
অসমত যুৱশক্তিৰ সাম্প্ৰতিক অৱস্থান — *ক্ৰান্তি বৰুৱা* ৩৯
অসমীয়া সমাজ গঠনত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ভূমিকা ঃ এটি আলোকপাত — *ছায়া গোস্বামী* ৪২
অস্তিত্ব ৰক্ষাৰ যুঁজত আমাৰ অসজাগতা — *মুকুট শৰ্মা* ৫৪
বেজবৰুৱাৰ চুটিগল্পৰ কেইটামান বিশিষ্ট দিশ — *বেদব্ৰত গগৈ* ৪৫
বিশ্বায়নৰ জগতত ভাৰত তথা অসমৰ প্ৰভাৱ — *মনোৰঞ্জন দত্ত* ৪৭
গ্ৰন্থ আৰু মানৱীয় মূল্যবোধৰ চেতনা — *ঋষিৰাজ ভৰদ্বাজ* ৫৩
অসমত বিদেশী ক'ত আছে, কেনেকৈ আছে? — *অৰূপ কলিতা* ৫৫


### কবিতা কানন


কবিতা — *লুটফা হানুম ছেলিমা বেগম* ৫৭
হে মহানগৰ — *পূৰ্ণিমা বৰুৱা* ৫৮
এখন মৃত নদী — *শেখ মুস্তাফা বাদিউল* ৫৯
আচ্ছাদন — *ভাস্বতী দাস* ৫৯
আত্মকথনত নিশিগন্ধাৰ কাব্য — *প্ৰীতমজিৎ বৰ্মন* ৬০
গতি — *শিল্পীশিখা শৰ্মা* ৬১
দ্বন্দ্ব — *ৰীমা গগৈ* ৬১
মৃত পথাৰৰ মানুহ — *নীলোৎপল মহন্ত* ৬২
শিয়ালী এ নাহিবি ৰাতি... — *ৰিংকু বেজবৰুৱা* ৬২
মাৰফৎ ঃ জীৱন — *অভিজ্ঞান দাস* ৬৩
গীৰ্জাৰ মজিয়া — *বুদ্ধদেৱ মহন্ত* ৬৩
প্ৰেৰণা — *জিতু কলিতা* ৬৪
নৱ প্ৰভাতৰ ৰেঙনি — *ছন্দাশী চৌধুৰী* ৬৪
প্ৰতীক্ষা — *প্ৰীতিৰেখা ভূঞা* ৬৫
বিপ্লৱী — *বাপুকণ শইকীয়া* ৬৫
জীৱন — *ভাৰ্গৱ জ্যোতি কছাৰী* ৬৬
মানুহ — *জিতুমণি ডেকা* ৬৭
আকাশ আৰু এক ভাবনা — *ফ্ৰেংকী বড়ো* ৬৮

## গল্প গুঞ্জন


অতীত, বৰ্তমান আৰু আমি — ড° যমুনা শৰ্মা চৌধুৰী ৬৯
ব্ৰাণ্ডা — কমল ডেকা ৭২
কুটুকাৰ ফেন — নাৰায়ণ তালুকদাৰ ৭৮
অপৰাজিত — কাকলি গগৈ ৮১
মুখা — মহেন্দ্ৰ মোহন দাস ৯৩
পদাতিক... জীৱন-বাটৰ — ভায়লেট হাজৰিকা ৮৬
ভোক — জুৰি বৰুৱা ৮৮


## English Section


Globalization and Its Challenges in Higher Education *-Dr. Phunu Das* 91
Need for Counselling in Colleges *-Dr. Parijat Borgohain* 95
Value Oriented Education *–Geetamani Deka* 97
Poetry of Rabindranath Tagore : A Balanced Pursuit of
Eastern and Western Values *–Dhrubajyoti Das* 100
Duthie Park and David Welch winter Garden in Aberdeen :
The Heaven in the Earth *- Dr. Arup k. Hazarika* 102
The Power of Concentration *–Bandana Choudhury* 104
Why Assam is lagging behind? *–Biswadeep Gogoi* 106
Contribution of Sufistic literature in respect of Communal harmony in Assam
with reference to the works of some eminent Sufis *–Dr. Fazlur Rahman* 108
Muslim Immigrants and Their Contributions to the Language and
Culture of Assam *- Dr. Abu Bakkar Siddique* 112
Ghiyasuddin Auliya : A Profile *–Dr. Painuruddin Ahmed* 115
The Hubble Space Telescope (HST) *–Oleg Pratim Bordoloi* 120
Beyond the Horizon (Story) *–Ritashree Sonowal* 122
The Obsolete (Story) *–Snigdhendu Das* 124
Beating Light (Story) *–Sailen Patel* 127
A Lingering Regret (Poetry) *–Jyotirmoi Borah* 131
Ultimatum (Poetry) *–Swapnalika Bhuyan* 131
What Lies Beneath (Poetry) *–Soma Chakraborty* 132
A Dream (Poetry) *–Hirok Nayan Bhuyan* 132


## ভিন্ন শিল্প


তোৰে মোৰে আলোকৰে যাত্ৰা... (সংগীতালেখ্য) — উৎপল নাৰায়ণ গোস্বামী ১৩৩
আইনৰ সন্মুখত (অনুবাদ গল্প) — আৰোহণ কৌশিক ডেকা ১৩৬
লেবাননৰ মাৰতা (অনুবাদ গল্প) — আমিনুল ইছলাম হাজৰিকা ১৩৮
কল্পবিজ্ঞান সাহিত্য আৰু ড° লক্ষ্মীনন্দন বৰাৰ 'কায়কল্প' (গ্ৰন্থ সমালোচনা) — চয়নিকা বৰুৱা ১৪৪
নোগোৰমা — বিৰুপাক্ষ গিৰি বসুমাতাৰী ১৪৬
প্ৰাচীৰৰ বেঙনি ১৪৭

কটন কলেজ ছাত্ৰ একতা সভাৰ প্ৰতিনিধিসকলৰ প্ৰতিবেদন ১৫২

**প্ৰবন্ধ চ'ৰা**

# বিষ্ণু ৰাভা আজিও অস্পৃশ্য

ড° সীতানাথ লহকৰ

এই বছৰটো অসমৰ প্ৰবাদপুৰুষত পৰিণত হোৱা সৈনিক শিল্পী বিষ্ণুপ্ৰসাদ ৰাভাৰ জন্ম শতবৰ্ষ। সেয়ে ৰাজ্যখনৰ কেউদিশে উলহ-মালহ, হৈ-চৈ, শতবৰ্ষ উদ্‌যাপনক কেন্দ্ৰ কৰি। অ-বামপন্থীসকলৰ মাজত একোব চৰা। ৰাভাৰ মূৰটোৰ (জীৱিত বা মৃত) দাম দহ হেজাৰ টকা ঘোষণা কৰাসকলৰ পুত্ৰ-পৌত্ৰাদিৰ পৰা আৰম্ভ কৰি সৌ সিদিনাখন ৰাভাৰ আদৰ্শ ভাল পোৱা ছাত্ৰ-ছাত্ৰীৰ কাপোৰ-কানি, কিতাপ-কাগজ পুৰি ৰাভাৰ অনুগামীক হত্যা কৰি, জীয়াই জীয়াই পুতি থৈ 'শাস্তি' দিয়া জাতিপ্ৰেমীসকলেও বৰ উলহ-মালহেৰে ৰাভা দিৱস পাতে আজিকালি। গতিকে শতবৰ্ষ উদ্‌যাপন সমিতিবোৰত 'এনেয়ে বুঢ়ী নাচনী, তাতে আকৌ নাতিনীয়েকৰ বিয়া'ৰ লেখীয়া পৰিস্থিতি— নগৰে-চহৰে, গাঁৱে-ভূঞে সকলোতে। এক উছৱমুখৰ পৰিৱেশ। ভাবিলেই বিস্ময় জাগে মনত। একালৰ 'নষ্ট ল'ৰা', 'দেশদ্ৰোহী' বিষ্ণু ৰাভা কমিউনিষ্ট হোৱাৰ 'অপৰাধ'ত স্বাধীন দেশৰ চৰকাৰৰ পুলিচৰ হাত সাৰি থাকিবলৈ প্ৰায় চাৰি বছৰ কাল অসমৰ দুখীয়া কৃষকৰ বাৰীত, খেৰৰ পুঁজিত ৰাতি বঞ্চিব লগা হোৱা বিষ্ণু ৰাভা, কংগ্ৰেছ চৰকাৰৰ দহ হেজাৰ টকাৰ ফতোৱা মূৰত লৈ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ কৃষক-বনুৱাৰ মুক্তিৰ গান গোৱা বিষ্ণু ৰাভা আজি ইমান জনপ্ৰিয়, ইমান আদৰৰ! ইমান শ্ৰদ্ধাৰ! পিছ মুহূৰ্ততে ভাবনাৰ ওলোটা খৰ। ৰাভা দিৱস বা শতবৰ্ষ উদ্‌যাপনৰ এই উৎসাহ-উদ্দীপনা বিষ্ণু ৰাভাৰ প্ৰতি থকা শ্ৰদ্ধা, ভালপোৱাৰ নমুনা নে তেৰাক শিখণ্ডী কৰি উদ্দেশ্যপ্ৰণোদিত 'উৎসৱ' পতাৰ অত্যুৎসাহ? মানুহ এজনক ভাল পোৱা বা শ্ৰদ্ধা কৰা মানেই কিন্তু তেৰাৰ আদৰ্শক, জীৱন দৰ্শনক ভাল পোৱা বা শ্ৰদ্ধা কৰা, তেখেতৰ কৰ্মৰ প্ৰকৃতি আৰু ব্যাপ্তি, দৰ্শনৰ প্ৰচাৰ-প্ৰসাৰ ব[illegible]না কৰা। গতিকে ৰাভা জন্ম শতবৰ্ষ উদ্‌যাপনৰ ধামখুমীয়াৰ মাজত সমুচিতভাৱে উত্থাপিত হ'ব লগা প্ৰশ্নটো হৈছে উদ্‌যাপনৰ মাজেদি তেখেতৰ আদৰ্শৰ প্ৰচাৰ-প্ৰসাৰৰ প্ৰয়াস হৈছে নে ৰং-ৰহইচ, উৎসৱ-তামাচাৰে সেই আদৰ্শক পৰিকল্পিতভাৱে ঢাকি ৰাখি জনগণৰ মাজৰ পৰা প্ৰকৃত বিষ্ণু ৰাভাক অপহৰণ কৰাৰ চেষ্টা চলিছে? প্ৰশ্নটোৰ একেবাৰে গাণিতিক উত্তৰ সম্ভৱ নহ'লেও এটা কথা ঠিক যে যিমানসংখ্যক ৰাভা দিৱস পালিত হৈ আহিছে বা শতবৰ্ষ উদ্‌যাপিত হ'ব লাগিছে, সেই সকলোবোৰেই যদি ৰাভা মানুহজন তথা তেৰাৰ আদৰ্শৰ প্ৰতি শ্ৰদ্ধাৰ চানেকি হ'লহেঁতেন, তেন্তে বৰ্তমান অসমৰ কমেও ৬০% মানুহ ৰাভাৰ আদৰ্শত দীক্ষিত হ'লহেঁতেন। কিন্তু বাস্তৱত সি হৈছে জানো? নাই হোৱা! তেন্তে ৰাভাপ্ৰীতি? একাংশ ৰাভাপ্ৰেমিক তথা উদ্‌যাপনৰ উদ্যোক্তা হয়তো জাঙুৰ খাই উঠিব। সেইবোৰ কিয়? ৰাভাক লৈ পলিটিক্স কিয়? ৰাভাতো কলাগুৰু আছিল। ফুটবল খেলুৱে আছিল, ক্ৰিকেট কেপ্টেইন আছিল। শিল্পী আছিল, নৃত্যবিশাৰদ, গায়ক, উৎকৃষ্ট বাদক —সব আছিল। আৰু



*...সহযোদ্ধাইহে পাৰে যুঁজাৰু নেতাৰ খোজত খোজ মিলাব, শত্ৰু বেষ্টিত নেতাক উদ্ধাৰ কৰিব। সেয়ে আজিৰ সংকটপূৰ্ণ কালত ৰাভাৰ আদৰ্শৰ উত্তৰাধিকাৰ বৈপ্লৱিক আৱেগ আৰু পবিত্ৰতাৰে সংৰক্ষণ আৰু লালন কৰাৰ ঐতিহাসিক দায়িত্ব বিষ্ণু ৰাভাৰ আদৰ্শানুপ্ৰাণিত সকলোৰে কান্ধতেই...*

কি আছিল ৰাভা? কমিউনিষ্ট নাছিল? ৰাভা কমিউনিষ্ট আছিল বুলি কোনোসতে উচ্চাৰণ নকৰে এওঁলোকে। ওলোটাই যৎপৰোনাস্তি চেষ্টা কৰে ৰাভা যে কমিউনিষ্ট নাছিল তাক প্ৰমাণ কৰিবলৈ। তাৰ পক্ষে যুক্তি-তথ্য দাঙি ধৰিবলৈ। ইয়াতে লুকাই আছে বিষ্ণু ৰাভাক লৈ ৰাজনীতি কৰিব নোখোজাসকলৰ পৰিকল্পিত তথা সুদূৰপ্ৰসাৰী ৰাজনীতি। কমিউনিজমৰ প্ৰতি বিদ্বেষ, বিৰোধিতা। এয়ে গুৰিৰ কথা। কমিউনিজমক সমাজত প্ৰতিষ্ঠিত হ'বলৈ দিব নোৱাৰি। জনসাধাৰণৰ মনোজগতলৈ প্ৰসাৰিত হ'বলৈ দিব নোৱাৰি। অথচ বিষ্ণুপ্ৰসাদ ৰাভাই কমিউনিজমকে সমগ্ৰ বিশ্বৰ লগতে অসমৰ কৃষক-বনুৱাৰো মুক্তিৰ একমাত্ৰ পথ বুলি বিশ্বাস কৰিছিল। সেই বিশ্বাসৰ ডেউকাত উঠিয়েই ৰাভাই পৰ্বত-ভৈয়াম একাকাৰ কৰি, দিন-ৰাতি সমান কৰি অসমৰ ইমূৰৰ পৰা সিমূৰলৈ দৌৰি ফুৰিছিল অনাহাৰী, অৰ্ধাহাৰী কৃষক-বনুৱাক মুক্তিমন্ত্ৰত দীক্ষিত কৰিবলৈ। যোৱা শতিকাৰ চাৰিৰ দশকৰ পৰা জীৱনৰ অন্তিম নিশ্বাস পেলোৱালৈকে ৰাভাৰ ৰাজনৈতিক, শৈল্পিক, বৈপ্লৱিক সকলো কৰ্ম-কাণ্ডৰে ভিত্তি আছিল কমিউনিজম। অৱশ্যে চাৰিৰ দশকৰ প্ৰথমৰ ফালে তেখেতে এখন শান্তি-সম্প্ৰীতিৰ সুসমন্বিত অসম গঢ়াৰ বাবে শংকৰী সংস্কৃতিকে হাতিয়াৰ হিচাপে বাছি লৈছিল। তাৰ প্ৰমাণ তেখেতৰ এই গীত—

'কীৰ্তন দশম নামঘোষা
হওক আমাৰ শৌৰ্য
নাট গীত নাম বৰগীত
হওক আমাৰ তুৰ্য
আহিঁ তেওঁৰ এই অসমৰ
হওক অসীম বীৰ্য
অসমীয়া সমনীয়া আগবাঢ়ি যাওঁ ব'ল...'

বিষ্ণু ৰাভাৰ ভুল ভাগিবলৈ সৰহ দিন নালাগিল। ১৯৩৫ চনত কমিউনিষ্ট লীগৰ প্ৰতিষ্ঠাতা সৌমেন্দ্ৰনাথ ঠাকুৰে গঠন কৰা ৰেডিকেল ইনষ্টিটিউট আৰু ১৯৩৯ চনত কমিউনিষ্ট নেতা সুধাময় দাশগুপ্তই গঠন কৰা প্ৰগতিশীল যুৱক সঙ্ঘৰ লগত সংশ্ৰৱ হোৱাৰ পিছত ৰাভাই বুজি পালে শংকৰী সংস্কৃতিৰ দুৰ্বলতা ক'ত। জাত-পাতৰ সামন্তবাদী ভেদাভেদ বা উচ্চ-নীচৰ বিৰোধিতা কৰিলেও এই সংস্কৃতিয়ে শোষণ-বঞ্চনাৰ বিৰুদ্ধে যুঁজিব নোৱাৰে। যুঁজিব পাৰে মাৰ্ক্সবাদৰ ভিত্তিত সৃষ্ট সংস্কৃতিয়েহে। মাৰ্ক্সবাদৰ সংস্পৰ্শই ৰাভাৰ জীৱনলৈ আনিলে নতুন পথৰ ঊষা-কিৰণ। সেই আলোকসজ্জাৰ পথেৰে ৰাভা নামি গ'ল অসমৰ কৃষক-বনুৱাৰ মাজলৈ। ১৯৪০ চনত কমিউনিষ্ট লীগৰ নেতৃত্বত গঢ়ি উঠা 'কৃষক বনুৱা পঞ্চায়ত'ৰ গোৱালপাৰা, কণিহা, নামতি দ'ল আদিৰ সভাবোৰত তেখেতে কেদাৰনাথ গোস্বামীৰ লগত ভাষণ দি ফুৰিলে। এই পঞ্চায়তৰ বওৰা আৰু ভাঙুৰিপাৰাৰ (দুয়োখন দক্ষিণ কামৰূপত) অধিৱেশনত কমিউনিষ্ট লীগৰ নেতা সিবনলাল ছাক্সেনা আৰু চৌকত ওছমানিয়ে দিয়া হিন্দী আৰু উৰ্দু ভাষণৰ অসমীয়া ভাঙনি কৰিছিল বিষ্ণুপ্ৰসাদ ৰাভাই ('সৈনিক শিল্পী বিষ্ণু ৰাভা' গ্ৰন্থৰ 'কমৰেড ৰাভা— অসমৰ বামপন্থী আন্দোলনৰ এটি অসমাপ্ত পৰ্ব' শীৰ্ষক প্ৰবন্ধ, প্ৰবীণ বৈশ্য, পৃষ্ঠা ১০৬)।

উল্লেখযোগ্য যে এই সময়ৰ পৰাই অসমত আধিয়াৰ আন্দোলন (ৰায়তে জমিদাৰক মাটিৰ বাবে দিব লগা আধি-ঠিকাৰ ধান বন্ধ কৰা আন্দোলন) আৰম্ভ হয়। 'নাঙল যাৰ মাটি তাৰ' ধ্বনিৰে ৰঙা পতাকাৰ তলত গঢ়ি উঠা এই আন্দোলনৰ সাংস্কৃতিক ৰূপ দিছিল কমৰেড বিষ্ণুপ্ৰসাদ ৰাভাই এনেবোৰ গীতেৰে—

'আমাৰ দেশৰ আমাৰ মাটি
ৰোৱা আমাৰ ধান ঐ
ৰোৱা আমাৰ ধান।
জান গ'লেও প্ৰাণ গ'লেও
ধান নিদিওঁ ধান নিদিওঁ
নিদিওঁ আমাৰ ধান।' (ওপৰোক্ত প্ৰবন্ধ, পৃঃ ১০৬)

ইতিমধ্যে 'কমিউনিষ্ট লীগ' নাম সলনি কৰি ১৯৪৩ চনত প্ৰতিষ্ঠিত হয় বিপ্লৱী কমিউনিষ্ট পাৰ্টি (RCPI)। ১৯৪৫ চনত বিষ্ণুপ্ৰসাদ ৰাভা এই দলৰ সদস্য হয়। মাৰ্ক্সবাদী দৰ্শনে ৰাভাৰ দৃষ্টিভংগী সলনি কৰিলে। সমাজ সত্যৰ নতুন ৰূপ দেখা পালে, সংস্কৃতিৰ নতুন অৰ্থ বিচাৰি পালে। জীৱনৰ অৰ্থই যেন ধৰা দিলে এক নতুন ৰূপত। ৰাভাৰ উত্তৰণ হ'ল। ভাববাদী শিল্পীৰ পৰা মাৰ্ক্সবাদী শিল্পীলৈ। বিমূৰ্ত মানৱতাবাদীৰ পৰা শ্ৰেণী চেতনাৰে ঋদ্ধ মানৱতাবাদীলৈ। মাৰ্ক্সবাদত দীক্ষিত হোৱাৰ পিছত ৰাভাই নিজেই ব্যক্ত কৰিছে নিজৰ প্ৰতিক্ৰিয়া যে মাৰ্ক্সবাদ-লেনিনবাদে তেখেতৰ চঞ্চল, অস্থিৰ শিল্পী জীৱনলৈ আনিছে সাগৰ সংগমৰ পূৰ্ণতা আৰু গভীৰতা। বাকীটো জীৱন এই গভীৰতাৰ মাজত থাকি পূৰ্ণতাৰ সাধনা কৰি গ'ল কিংবদন্তি বিষ্ণু ৰাভাই।

কিন্তু ইয়াৰ পিছতো ৰাভা কমিউনিষ্ট নাছিল বুলি দেখুওৱাৰ বা তেখেতৰ ৰাজনৈতিক আদৰ্শ জনসাধাৰণৰ পৰা লুকুৱাই ৰখাৰ এক সুপৰিকল্পিত প্ৰয়াস আজিও অব্যাহত আছে। কিয় এই প্ৰয়াস? অসমৰ বি বিপুলসংখ্যক জনসাধাৰণ, বিশেষকৈ ডেকা-গাভৰুৰ অন্তৰত ৰাভাই এক বিশেষ আসন দখল কৰি বহিছে, সেই সকলোৱে যাতে ৰাভাৰ ৰাজনৈতিক দৰ্শনকো আঁকোৱালি নলয়, ৰাভাৰ পথৰ পথিক নহয়, তাৰ বাবে। সেইবাবেই চৰকাৰী বা বহুজাতিকীমুখী ৰাভা দিৱস বা শতবৰ্ষ উদযাপন অনুষ্ঠানবোৰৰ

ঢাক-ঢোল, উলহ-মালহৰ মাজত ৰাভা 'কলাগুৰু', ৰাভা 'শিল্পী'। কিন্তু 'শিল্পী বা 'কলাগুৰু' হিচাপে তেখেতৰ আদৰ্শ আছিল কি? কিহৰ ভিত্তিত সমস্ত সৃষ্টি? কেৱল গাবৰ বাবেই গান গাইছিলনে? তেনেহ'লে ৰাভাই প্ৰায় দীৰ্ঘ চাৰি বছৰ কাল অজ্ঞাতবাস খাটিব লগা হৈছিল কিয়? কলা-সাধনাতে যদি মত্ত আছিল, তেন্তে 'কলাগুৰু'জনাৰ কোন 'অপৰাধ'ৰ বাবে মূৰটোৰ দাম দহ হেজাৰ টকা ঘোষণা কৰা হৈছিল? ভগা জুপুৰি, খেৰৰ পুঁজিত যে বিনীত্ৰ ৰজনী পাৰ কৰিব লগা হৈছিল? নৃত্যবিশাৰদগৰাকীৰ নৃত্যৰ দপদপনি বেছি হোৱা বাবেই ১৯৬২ চনৰ মাতৃহীনা ল'ৰা দুটাক বুকুত লৈ শুই থকা অৱস্থাৰ পৰা কঁকালত ৰছী লগাই চোৰ-ডকাইতৰ দৰে তেজপুৰৰ মাজেদি টানি লৈ যোৱা হৈছিল নেকি? সকলোৱে জানে এই আটাইবোৰ 'অপৰাধ'ৰ কাৰণ এটাই। ৰাভা কমিউনিষ্ট আছিল। তেখেতৰ এই পৰিচয়টো নাইকিয়া কৰাৰ বাবেই এই লৰা-ঢপৰা, চেষ্টা-প্ৰচেষ্টা। এনে বহু প্ৰচেষ্টাৰ ভিতৰত এটা হ'ল এফালৰ পৰা 'বিলতে হালিছে...', 'সুৰৰে দেউলৰে...', 'বিশ্বৰ ছন্দে ছন্দে...' 'পৰজনমৰ...' ইত্যাদি তেখেতৰ সুৰ-সৌন্দৰ্য আৰু প্ৰেম-বিৰহৰ গানৰ প্ৰচাৰ আৰু পৰিৱেশনা। এইসকলে ভুলতেও ৰাভাৰ শ্ৰেণী চেতনাবদ্ধ বৈপ্লৱিক গান 'ব'ল ব'ল ব'ল ব'ল...' 'শেষ যুদ্ধৰ আমি বণুৱা...', 'স্বাধীন চিতীয়া...' আদিৰ ফালে মুখ নুঘূৰায়। হিচাপ কৰি কৰা হয় এই কাম। কমিউনিষ্ট ৰাভা হেৰাই যাওক। প্ৰেম-বিৰহ, সুৰ-সৌন্দৰ্যৰ মাজতে আবদ্ধ থাকক ৰাভা। কিন্তু প্ৰণিধানযোগ্য কথাটো এয়ে যে কমিউনিষ্টসকলেও সুৰ, সৌন্দৰ্য, কোমলতাক লৈ চিন্তা কৰে। প্ৰেম-বিৰহে তেখেতসকলকো ভবাই তোলে। কুৰি শতিকাৰ দুজন অতুলনীয় বিপ্লৱীৰ দুটা কথাই ইয়াক প্ৰমাণ কৰে। মাও চে তুঙে ২৫,০০০ কিলোমিটাৰজোৰা লং মাৰ্চত যাওঁতে লগত বহুতো ৰঙা গোলাপৰ টাব লৈ গৈছিল নিতান্তই প্ৰতীকী অৰ্থত। আকৌ কুৰি শতিকাৰ শ্ৰেণী বিপ্লৱী চে গুৱেভাৰাই কৈছিল— 'Let me say at the risk of seeming rediculous that the true revolutionary is guided by great feelings of love.'

ৰাভাও আছিল আপদমস্তক এক বিপ্লৱী, এক কমিউনিষ্ট শিল্পী। মানুহৰ আৱেগ-অনুভূতি, সুৰ-সৌন্দৰ্য, প্ৰেম-বিৰহ, আনন্দ-যন্ত্ৰণাৰ অনুভৱৰ লগত তেখেততকৈ কোন বেছি সুপৰিচিত হ'ব? কোনে বেছি সৃষ্টি কৰিব সেইবোৰ মন্থন কৰি? সেয়ে ৰাভাই সৌন্দৰ্যৰ পূজা কৰে, সুৰৰ দেউলত হেৰাই যায়, প্ৰেয়সীৰ বিৰহত বেদনাবিধুৰ হৈ লোকালয়ৰ সীমা চেৰায়, আৰু এই একেজন ৰাভাই জাতিৰ নামত চুৰি-ডকাইতিৰ মেল পতা বজ্জাতৰ দলক, গৰিব-দুখীয়াৰ তেজ পিয়া ধনী জমিদাৰক ধ্বংস কৰাৰ বাবে কৃষক-বনুৱাক আহ্বান দিয়ে হাল, কোৰ, দা লৈ ওলাই আহিবলৈ। চিন্তা তথা কৰ্মৰ এই বিশাল ব্যাপ্তি সম্ভৱ হয় এজন প্ৰকৃত বিপ্লৱীৰ জীৱনতহে।

১৯৬৭ চনৰ ৮ মে'ত তেজপুৰ চহৰত আইন-শৃংখলাৰ পৰিস্থিতি উত্তৰ হোৱাত পুলিচৰ গুলীত এজন লোকৰ প্ৰাণহানি হয়। ৰাভাই উপায়ুক্তৰ লগত কথা পাতি থাকোঁতে গৈ পৰিস্থিতি শান্ত কৰিবলৈ চেষ্টা কৰে যদিও পুলিচে এনেভাৱে গোচৰ সজাইছিল যেন সেইদিনাৰ ঘটনাৰ বাবে ৰাভাই জগৰীয়া। পুলিচ পক্ষৰ উকীল প্ৰয়াত মইনুল হক চৌধুৰীৰ প্ৰশ্নৰ উত্তৰত ৰাভাই তদন্ত কমিছনক তলৰ কথাখিনি ক'লে—

'I was a member of the RCPI from 1947. I was connected with the party up to the year 1953. This party believes in violence.'

'...then I joined the Communist Party of India. I am in the party since 1953. Now I am not an active member of the Communist Party but I have got connection with the Communist Party?' ইয়াৰ পিছত বিষ্ণুপ্ৰসাদ ৰাভা কমিউনিষ্ট বা মাৰ্ক্সবাদী আছিল নে নাই তাক কোৱাৰ প্ৰয়োজন আছে নেকি? এই প্ৰশ্নৰো উত্তৰ ৰাভাই নিজেই দিছে। অধিক স্পষ্ট আৰু সন্দেহাতীতভাৱে মৃত্যুৰ প্ৰায় এমাহ পূৰ্বে ১৫ মে'ত নিজৰ সাধনাৰ ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰে ৰূপালী জয়ন্তী উপলক্ষে পঠিওৱা শুভেচ্ছাবাণীৰ মাজেদি— 'আজি মই ৰোগশয্যাত। মোক অসীম প্ৰেৰণা যোগোৱা পাৰ্টি আৰু জনসাধাৰণৰ পৰা মই আঁতৰত থাকিব লগা হৈছে। তথাপি মোৰ মন ৰাইজৰ মাজত। যি আদৰ্শৰ সাধনাত জীৱনৰ সকলো সামৰ্থ্য আগবঢ়াইছিলো, সেই আদৰ্শৰ পাৰ্টিৰ অসময়ত ৰূপালী জয়ন্তী উপলক্ষে ৰোগশয্যাৰ পৰাই অভিনন্দন জনাইছোঁ।'

তথাপি কিন্তু চেষ্টা এৰি দিয়া নাই সেই কমিউনিজমবিদ্বেষী চক্ৰটোৱে। ৰাভা কমিউনিষ্ট নহয় বুলি প্ৰমাণ কৰাৰ চেষ্টা। এইসকলে তেখেতসকলৰ চেষ্টা ফলৱতী কৰাৰ বাবে ১৯৬৭ চনত ৰাভাই একেই তদন্ত কমিছনক কোৱা আন কেইআষাৰমান কথালৈ আঙুলিয়ায়। ৰাভাই অৱশ্যে এটা প্ৰসংগত কৈছিল—
'I am an artist, I am a happy go lucky type of man. I live more in imagination than in reality. I am more an artist than a communist. I always want to see everything nice and beautiful. I want to make everything beautiful.' [Commissions Paper Book Party, pages 202 to 204].

কথাখিনিৰ দ্বাৰা ৰাভা কমিউনিষ্ট নাছিল বুলি প্ৰমাণ হয় জানো? আলোচনাৰ সুবিধাৰ বাবে কথাখিনি অসমীয়াত লিখিলে হ'ব— 'মই এজন শিল্পী, মই সন্তোষৰ মাজত থাকোঁ। মই বাস্তৱতকৈ কল্পৰাজ্যত বেছিকৈ থাকোঁ। মই এজন কমিউনিষ্টতকৈ বেছি শিল্পীহে। মই সকলো বস্তু ধুনীয়া আৰু সৌন্দৰ্যময় হোৱাটো বিচাৰোঁ। মই সকলো বস্তু সৌন্দৰ্যময় কৰিব বিচাৰোঁ।'

সন্তোষৰ মাজত থকা কথাটো অন্য ভাবাত ক'ব লাগিলে

বাস্তৱকে মানি লোৱাটো। গোটেই সমস্যা আৰু ব্যৱস্থাটোকে সলনি কৰাৰ ক্ষেত্ৰত যি ব্ৰতী, তেখেতে বাস্তৱক মানি নোলোৱাকৈ সেই কাৰ্যত অগ্ৰসৰ হোৱাটো সম্ভৱ জানো? কোনো বস্তুৰ ধ্বংস সাধনৰ আগতে তাৰ অস্তিত্ব স্বীকাৰ অৱশ্যাম্ভাৱী।

বিপ্লৱী মাত্ৰেই স্বপ্নচাৰী। সুন্দৰ ভৱিষ্যতৰ ব্লু-প্ৰিণ্ট তৈয়াৰ কৰাৰ বাবেই বিপ্লৱীজনে কল্পৰাজ্যত বিচৰণ কৰে সপোনৰ ডেউকাত উঠি। চকুত সপোন সনা নাথাকিলে বিপ্লৱী হ'ব নোৱাৰে। বিপ্লৱৰ কথা ভাবিব নোৱাৰে। ৰাভা বিপ্লৱী আছিল বাবেই স্বপ্নচাৰী। তাতে তেখেত স্ৰষ্টা। প্ৰতিমুহূৰ্ততে সৃষ্টিৰ আবেগৰ টগ্‌বগনি তেখেতৰ ধমনীয়ে ধমনীয়ে। মহাসাগৰৰ উত্তাল ঢৌৰ পিঠিত উঠি বিচৰণ কৰে তীক্ষ্ণধী ৰাভাই। সেয়ে তেখেতৰ শিল্পী সত্তাই অতিক্ৰম কৰে নিজৰ কমিউনিষ্ট সত্তাকো। তাৰ বাবে নিজৰ ভাবাদৰ্শ বা জীৱন দৰ্শন নাইকিয়া হোৱাৰ বা বাদ দিয়াৰ প্ৰশ্ন উঠে ক'ৰ পৰা? মানুহৰ আবেগ, অনুভৱৰ কিমান যে উত্থান-পতন! কত যে ৰাসায়নিক ক্ৰিয়া-প্ৰতিক্ৰিয়া আমাৰ অন্তৰ্জগতত! কিন্তু ভাবাদৰ্শ? সাগৰতলিৰ শিলৰ দৰেই অলৰ-অচৰ, লাগিলে যিমান ঢৌ, সোঁতেই তাৰ ওপৰেৰে পাৰ হৈ নাযাওক কিয়? ৰাভাৰ ভাবাদৰ্শৰ ক্ষেত্ৰতো কথা একেটাই। নাইকিয়া হোৱাৰ বা তাতে আশা কৰাৰ প্ৰশ্ন অবান্তৰ। কমিউনিষ্ট হৈ থাকিয়েই ৰাভা শিল্পী। তেখেতৰ নিজৰ কথাই তাৰ অকাট্য প্ৰমাণ। অসমৰ প্ৰসিদ্ধ ভাস্কৰ শোভা ব্ৰহ্মাৰ আগত বিষ্ণু ৰাভাই একেবাৰে অন্তৰংগ পৰিৱেশত কৈছিল— 'তুমি যদি শিল্পী হোৱা কমিউনিষ্ট নহৈ নোৱাৰা।' (সৈনিক শিল্পী বিষ্ণু ৰাভা, পৃঃ ২৭)

ইয়াৰ পিছতো কমিউনিজমক ৰাভাৰ জীৱন-চৰ্যাৰ পৰা বিচ্ছিন্ন কৰিব পৰা যায়নে? তেখেতৰ সৃষ্টিৰাজিয়েও তো সন্দেহাতীতভাৱে প্ৰমাণ কৰে তেখেত কোন আদৰ্শত জিজ্ঞাসী, কোন আদৰ্শৰ বাবে জীৱন পাত কৰিলে। গীত, কবিতা, গল্প, উপন্যাস, নাটক সকলোতেতো শ্ৰেণী সংগ্ৰাম ত্বৰান্বিত কৰাৰ উপাদান। সকলোতেতো কৃষক-বনুৱা, লগৰীয়া-সমনীয়াক একত্ৰিত কৰি অন্যায়, অমানৱীয়তা, দুৰ্নীতি, জালিয়াতি তথা শোষণ-বঞ্চনাৰে ভৰা সমাজ ব্যৱস্থাৰ বিৰুদ্ধে বিদ্ৰোহ কৰাৰ উদাত্ত আহ্বান। শেষত সাধাৰণ কথা এটা— 'মই এজন ভাৰতীয়তকৈ এজন বেছি অসমীয়া' বোলা কথাষাৰে কোনোটোৱে নোহোৱা নুবুজায়। ভাৰতীয়ও, অসমীয়াও।

...আচলতে এইসকল 'ৰাভা-পূজাৰী'য়ে একধৰণৰ ৰাভা-পূজা সৃষ্টি কৰি তাৰ ধূপ, ধুনা, ফুলৰ দমৰ তলত কমিউনিষ্ট ৰাভাক চিৰদিনৰ বাবে পুতি থ'ব বিচাৰিছে। আন এক হুলৌচোলা পিন্ধাই দি প্ৰকৃত ৰাভাক ঢাকি থোৱাৰ চেষ্টাও কৰিছে এই একেটা দল বা শ্ৰেণীয়ে। ঐক্য আৰু সংহতিৰ চোলা...

সকলো বস্তুকে ধুনীয়া আৰু সৌন্দৰ্যময় কৰাটোতে কমিউনিজমৰ একেবাৰে গুৰিৰ কথা। বঞ্চনাই বিধ্বস্ত কৰা জীৱনক সুন্দৰ কৰাৰ বাসনা, শোষণ-নিপীড়নে কদৰ্যময় কৰি তোলা সমাজ ব্যৱস্থা শেষ কৰি সমাজক মানৱিক সৌন্দৰ্যৰে ভৰাই দিয়াৰ বাসনাৰ তীব্ৰতাইতো এজন সৎ স্বাৰ্থত্যাগী মানুহক কমিউনিষ্ট কৰে। গতিকে ৰাভাই সকলো বস্তুকে ধুনীয়া দেখিব খোজাটো, সকলো বস্তুকে সৌন্দৰ্যময় কৰিব খোজাটো তেখেতে আপদমস্তক অৱগাহন কৰা কমিউনিজমৰে মানৱিক অভিমুখ।

শ্ৰেণী অৱস্থানে গঢ়ে মানুহৰ শ্ৰেণী চৰিত্ৰ। সকলো কোৱা বা লিখাত প্ৰকাশ পায় কওঁতা বা লিখোঁতাজনৰ শ্ৰেণী চৰিত্ৰ বা শ্ৰেণী স্বাৰ্থ। কোনো বিষয় বা বস্তুৰ প্ৰতি সমৰ্থন বা বিৰোধিতাও নিৰ্ভৰ কৰে শ্ৰেণী অৱস্থানৰ ওপৰত। কমিউনিজম বিদ্বেষ শ্ৰেণীস্বাৰ্থ বা শ্ৰেণী দৃষ্টিভংগীৰেই প্ৰকাশ। এই শ্ৰেণী দৃষ্টিভংগীৰ পৰাই চলিছে ৰাভাক কমিউনিষ্ট নহয় বুলি প্ৰমাণ কৰাৰ চেষ্টা। দৰাচলতে কমিউনিষ্ট ৰাভা তেওঁলোকৰ বাবে গ্ৰহণযোগ্য নহয়। জীৱনকালত যিদৰে 'অস্পৃশ্য' আছিল কমিউনিষ্ট ৰাভা, আজিও সেই একেই 'অস্পৃশ্য' তেখেত। এটা সৰু অথচ গুৰুত্বপূৰ্ণ ঘটনা। গুৱাহাটীৰ এটা অভিজাত পৰিয়ালত গান-বাজনা কৰাৰ পিছত খোৱাৰ সময়ত এজনে বিষ্ণুপ্ৰসাদক ক'লে— 'দাদা, আপুনি কমিউনিষ্ট পাৰ্টি এৰক।' বিষ্ণুপ্ৰসাদে তৎক্ষণাত হাত ধুই ওলাই আহি ক'লে— 'তোমালোকৰ লগত বহি ভোজ খালোঁ বুলিয়ে উপদেশ ল'বলৈ অহা নাই।' (বিষ্ণুপ্ৰসাদৰ মূল্যায়নৰ প্ৰয়োজনীয়তা আৰু সমস্যা ঃ প্ৰসেনজিৎ চৌধুৰী, 'সৈনিক শিল্পী বিষ্ণু ৰাভা', পৃঃ ১২৬-১২৭)

যতমানে লেঠা কমিউনিজমক লৈ। সেই একেটা শ্ৰেণীয়েই আজি চেষ্টা কৰিছে ৰাভাৰ জীৱনৰ পৰা কমিউনিজমক বাদ দিবলৈ বা কমিউনিষ্ট ৰাভাক নিৰুদ্দিষ্ট কৰাবলৈ। আজিতো ৰাভাক অস্বীকাৰ কৰাৰ বা তেখেতৰ কৰ্মৰাজিক অৱহেলা কৰাৰ সাহস নাই কাৰো। সেয়ে সঁচা মিছা স্বীকৃতি। সেয়ে সৎ, নিষ্ঠাবান ৰাভাপ্ৰেমিকৰ মাজত ভণ্ড 'ৰাভা-পূজাৰী'ৰ দল। এই দলেই ৰাভা দিৱস, জন্ম শতবৰ্ষৰ অনুষ্ঠান পাতি ৰাভাদেৱক প্ৰক্ষেপ কৰিব লাগিছে কবি, গায়ক হিচাপে, বাদক, নৃত্যবিশাৰদ হিচাপে, বক্তা হিচাপে, শিল্পী হিচাপে, কলাগুৰু হিচাপে। কিন্তু কমিউনিষ্ট হিচাপে? নৈৰ নৈৰ চ। আচলতে এইসকল ৰাভা-'পূজাৰী'য়ে

একধৰণৰ ৰাভা-পূজা সৃষ্টি কৰি তাৰ ধূপ, ধুনা, ফুলৰ দ'মৰ তলত কমিউনিষ্ট ৰাভাক চিৰদিনৰ বাবে পুতি থ'ব বিচাৰিছে। আন এক হলৌচোলা পিন্ধাই দি প্ৰকৃত ৰাভাক ঢাকি থোৱাৰ চেষ্টাও কৰিছে এই একেটা দল বা শ্ৰেণীয়ে। ঐক্য আৰু সংহতিৰ চোলা। প্ৰশ্ন হোৱা উচিত বিষ্ণুপ্ৰসাদৰ উপাধিটো ৰাভা নহৈ বৰুৱা, গোস্বামী বা চলিহা হোৱা হ'লে এই চোলাটো পিন্ধোৱাৰ আঁহফলা খেলা খেলিলেহেঁতেন নে কোনোবাই? কোনবিধ ঐক্য-সংহতি বিচাৰিছিল ৰাভাই? অসমৰ ৰাইজে প্ৰশ্ন কৰা উচিত সেই ভণ্ড 'ৰাভা-পূজাৰী'ৰ দলক। এইখিনিতে ৰাভাৰ জীৱনৰ আন এটা ঘটনা উল্লেখনীয়। 'বিষ্ণুপ্ৰসাদে তেতিয়া সশস্ত্ৰ সংগ্ৰামত যোগ দিবলৈ প্ৰস্তুত হৈছে। তাকে জানি তেওঁৰ সম্ভ্ৰান্ত বংশীয় বন্ধু কেইজনমানে বিষ্ণুপ্ৰসাদক ক'লে যে তেওঁ ৰাজনীতিলৈ যাব নালাগিছিল, কাৰণ অসমৰ ৰাইজে তেওঁক আন ক্ষেত্ৰতহে পাবলৈ বিচাৰে। এই অযাচিত পৰামৰ্শ শুনি বিষ্ণুপ্ৰসাদে ক্ষুব্ধ আৰু বিৰক্ত হৈ হেনো ক'লে— অসমৰ ৰাইজ মানে তোমালোকেইনে?' (ওপৰোক্ত প্ৰবন্ধ, পৃঃ ১২৭) প্ৰশ্নটো আজিও সমানেই তাৎপৰ্যপূৰ্ণ। ৰাভাক খণ্ডিত, বিকৃত কৰি জনসাধাৰণৰ মাজত প্ৰক্ষেপ কৰিব খোজা বড়যন্ত্ৰকাৰীসকলেই অসমৰ ৰাইজ নহয়।

বিষ্ণুপ্ৰসাদ ৰাভাৰ সমগ্ৰতা (Rava in totality) বক্ষাৰ ভাৰ তথা অধিকাৰ প্ৰকৃত ৰাভাপ্ৰেমিকৰ লগতে অসমৰ সেইসকল দৰিদ্ৰ জনগণৰ, যাৰ মুক্তিৰ বাবে সব্যসাচী ৰাভাই সৃষ্টি কৰিছিল কলম আৰু ষ্টেনগানৰ যুগলবন্দী, সৃষ্টি আৰু প্ৰতীকী ধ্বংসৰ (ৰাভাৰ ষ্টেনগানৰ পৰা হেনো এটা গুলীও ফুটা নাছিল) বিস্ময়কৰ সমাহাৰ। স্বনামধন্য শিল্পী শোভা ব্ৰহ্মাই তেখেতৰ নিবন্ধ 'অন্ধগলি ঃ জ্যোতিৰেখা'ত আক্ষেপেৰে লিখিছে— "অসম মৰুভূমিত 'ৰাভা কুসুম' আঘাতৰ পিছত আঘাত সহ্য কৰি নিঃশেষ হৈ গ'ল" (সৈনিক শিল্পী বিষ্ণু ৰাভা, পৃঃ ৩০)। সঁচা কথা। অস্বীকৃতি 'অস্পৃশ্যতা'ৰ আঘাত। পিছে জৈৱিক ৰাভা নিঃশেষ হৈ গ'লেও বাছি আছে তেখেতৰ স্বপ্ন, বৰ্তি আছে তেখেতৰ সকলো বস্তুকে ধুনীয়া, সৌন্দৰ্যময় কৰাৰ আদৰ্শ কমিউনিজম। সেই স্বপ্নক আৰু অধিকাৰসহ সংবহন তথা লালন কৰাই হ'ব বিষ্ণু ৰাভাৰ প্ৰতি উৎকৃষ্ট শ্ৰদ্ধা প্ৰদৰ্শন।

বিশ্বৰ অন্যতম শ্ৰেষ্ঠ বিপ্লৱী চে গুৱেভাৰাক সাম্ৰাজ্যবাদী আমেৰিকাই কাপুৰুষোচিত বৰ্বৰতাৰে বলিভিয়াত হত্যা কৰিছিল ১৯৬৭ চনৰ ৯ অক্টোবৰত। ১৯ অক্টোবৰত অত্যন্ত চুপে-চাপে চে আৰু ছজনৰ মৃতদেহ পুতি দিয়া হৈছিল বলিভিয়াৰ ভেলিগ্ৰান্দে বিমানবন্দৰৰ ওচৰত। মৃত্যুৰ ত্ৰিশ বছৰৰ পিছত ১৯৯৭ চনত সেই কবৰ আৱিষ্কৃত হোৱাত চেৰ দেহাৱশেষ কিউবাৰ জাতীয় পতাকাৰে মেৰিয়াই উৰুৱাই অনা হয় ৰাজধানী হাভানালৈ। তাৰ পৰা যাত্ৰাৰম্ভ কৰি নিয়া হয় ১৮০ মাইল দূৰৰ ছান্তাক্লাৰা চহৰলৈ, য'ত ১৯৫৮ চনৰ কিউবা বিপ্লৱৰ এক নিৰ্ণায়ক যুদ্ধৰ মৰণবিজয়ী চিত্ৰনাট্য লিখিছিল চে গুৱেভাৰাই। ছান্তাক্লাৰাত গঢ়ি উঠে মুছোলিয়াম। সমাধিৰ ওপৰত নিৰ্মাণ হয় ১৮ ফুট ওখ মৃত্যুবিজয়ী চেৰ ব্ৰ'ঞ্জৰ প্ৰতিমূৰ্তি, যাৰ তলত থিয় হৈ প্ৰতিবছৰ ৯ অক্টোবৰৰ দিনা চেৰ লক্ষ লক্ষ অনুগামীয়ে যাচে তেওঁলোকৰ প্ৰিয় বীৰক লাল চালাম।

এই সমগ্ৰ কাৰ্য এখন দেশ বা এটা জাতিৰ গৰ্বিত ঐতিহ্যৰ খনিকৰক বুকুভৰা শ্ৰদ্ধাৰে মহীয়ান কৰি তুলি ধৰাৰ এক অতুলনীয় নজিৰ। এই কাৰ্য এক জগত জিনা, মৃত্যুঞ্জয়ী বীৰৰ আদৰ্শৰ উত্তৰাধিকাৰ বৈপ্লৱিক আবেগ আৰু পৱিত্ৰতাৰে সংৰক্ষণ আৰু লালন কৰাৰ এক ঐতিহাসিক মহাযজ্ঞ। গৰ্বিত ঐতিহ্যৰ বোধন আৰু আদৰ্শৰ সংস্কৰণে ভৱিষ্যতৰ বুকুত সৈনিকৰ গতি কৰি তোলে দুৰ্বাৰ।

চেৰ সমান নহ'লেও অসমৰ গণমুক্তি আন্দোলনৰ এক মচিব নোৱৰা ঐতিহ্যৰ অন্যতম ৰূপকাৰ বিষ্ণুপ্ৰসাদ ৰাভা। এই ঐতিহ্যৰ অনুভৱ প্ৰোজ্জ্বল হয় মানেই ৰাভা নিৰ্দেশিত পথৰ ধূলি-মাকটি আঁতৰিব। সহযোদ্ধাইহে পাৰে যুঁজাৰু নেতাৰ খোজত খোজ মিলাব, শত্ৰুবেষ্টিত নেতাক উদ্ধাৰ কৰিব। সেয়ে আজিৰ সংকটপূৰ্ণ কালত ৰাভাৰ আদৰ্শৰ উত্তৰাধিকাৰ বৈপ্লৱিক আবেগ আৰু পৱিত্ৰতাৰে সংৰক্ষণ আৰু লালন কৰাৰ ঐতিহাসিক দায়িত্ব বিষ্ণু ৰাভাৰ আদৰ্শানুপ্ৰাণিত সকলোৰে কান্ধতেই। □

● *প্ৰবন্ধকাৰ কটন কলেজৰ গণিত বিভাগৰ মুৰব্বী অধ্যাপক।*

# শিক্ষা আৰু নৈতিকতা

কুমাৰী উন্মেষা কোঁৱৰ

**উপযুক্ত** শিক্ষা ব্যৱস্থা বুলি ক'বলৈ গ'লে 'শিক্ষা' শব্দটোৰ এটা নিৰ্দিষ্ট সংজ্ঞা নিৰ্ধাৰণ কৰাটো কঠিন কাম। কাৰণ বেলেগ বেলেগ শ্ৰেণীৰ মানুহৰ বাবে শিক্ষাৰ ধাৰণাও বেলেগ বেলেগ। কিন্তু শিক্ষা সাৰ্বজনীন। শিক্ষা কেৱল পুথিগত সংজ্ঞাবদ্ধ নহয়। কথাতে কয় বোলে 'খেনোৱে শিকে দেখি, খেনোৱে শিকে ঠেকি।' অৰ্থাৎ দেখি বা পঢ়ি শিকাও শিক্ষা আৰু কৰ্ম অভিজ্ঞতাৰ পৰা লাভ কৰা জ্ঞানো শিক্ষা। শিক্ষা বুলি ক'লে সকলো শ্ৰেণীৰ মানুহেই এনে শিক্ষাকহে পোষকতা কৰে যি শিক্ষা সততা আৰু পবিত্ৰতাৰ ভেটিত গঢ় লৈ উঠে আৰু পূৰ্ণাংগভাৱেই হওঁক নাইবা আংশিকভাৱেই হওঁক, জীৱনৰ ব্যৱহাৰিক দিশটোৰ আৱশ্যকতাৰ পোষকতা কৰে। ইয়াৰ অন্যথা শিক্ষা অসম্পূৰ্ণ হৈ ৰয় আৰু এনে শিক্ষা মূল্যহীন শিক্ষা হিচাপে পৰিগণিত হয়।

শিশুৱে জন্মৰ পাছত লাহে-ধীৰে সামাজিকীকৰণৰ যোগেদি মানসিক সবলতা লাভ কৰে। সুস্থ সমাজ গঢ়াৰ ই বুনিয়াদী অৱস্থা। সুস্থ মানসিকতাৰেহে সুস্থ সমাজ গঢ়া সম্ভৱ। সেয়ে ইয়াৰ বাবে দৰকাৰ উপযুক্ত শিক্ষাৰ। এজন ব্যক্তিয়ে ভালদৰে পঢ়িব, লিখিব আৰু কথা ক'ব পৰা তথা গভীৰভাৱে চিন্তা কৰিব পৰা হোৱাটোৱেই শিক্ষাৰ মূল উদ্দেশ্য। কিন্তু এই কথাও বৰ্তমান সত্য যে আমাৰ দেশ বা ৰাজ্যৰ প্ৰগতিৰ দলিল যেন শিক্ষাৰ্থীসকলৰ উচ্চ শতকৰা নম্বৰ! প্ৰকৃততে কোনো দেশৰ প্ৰগতিৰ দলিল হ'ব পাৰে সেই মহানুভৱ ব্যক্তিসকলহে, যিয়ে নিজৰ শিক্ষাক উপযুক্ত অৰ্থত অনুধাৱন কৰি স্ব-প্ৰতিভাক দেশৰ উন্নতি আৰু প্ৰগতিৰ কামত ব্যৱহাৰ কৰিব পাৰে। প্ৰকৃত মনীষীৰ স্বীকৃতি পাবলৈ ব্যক্তি এজন নৈতিকভাৱে শক্তিশালী হোৱাটো অত্যাৱশ্যকীয়। নৈতিকভাৱে স্খলিত কোনো মানুহ কাৰো আদৰ্শ হ'ব নোৱাৰে। কিন্তু দুৰ্ভাগ্যজনকভাৱে আমাৰ শিক্ষা ব্যৱস্থাক যিমানেই সময়ৰ লগত খাপ খাব পৰাকৈ উপযুক্ত, শৃংখলিত কৰি তুলিব বিচৰা হৈছে সিমানেই ছাত্ৰ সমাজ অনৈতিকতা আৰু উচ্ছৃংখলতাৰ ফালে ঢাল খাইছে। ইয়াৰ প্ৰমাণস্বৰূপে আমি সাম্প্ৰতিক সময়ৰ আমাৰ সামাজিক পাৰিপাৰ্শ্বিকতালৈ লক্ষ্য কৰিলেই হ'ল। বৰ্তমান আমাৰ সমাজখন নিষ্ঠা, সংযম, আত্মবিশ্বাস, কষ্টসহিষ্ণুতা, উদ্যম তথা দেশপ্ৰেম আদি মহান গুণবোৰৰ অভাৱত অলেখ সমস্যাৰ সমুদ্ৰত ডুবিব ধৰিছে। এই গুণসমূহৰ অভাৱত সমাজখনৰ মেৰুদণ্ড বেঁকা হোৱাৰ উপক্ৰম ঘটিছে।



এই কথা সৰ্বজনবিদিত যে প্ৰগতিশীল ভাৰতৰ সমাজেই পৰম্পৰাবাদী সমাজ। পৰম্পৰাবাদী সামাজিক ব্যৱস্থাই পৰম্পৰাক সমৰ্থন কৰাৰ লগতে শিক্ষা ব্যৱস্থাকো ভাববাদী আদৰ্শৰে গঢ়ি তুলিছে। ভাৰতৰ শিক্ষাৰ মূলতে আছে বেদসমূহ। বেদসমূহ মূলতঃ ভাববাদী চিন্তাধাৰাৰে পৰিপুষ্ট আৰু এই চিন্তাৰ মূল মৰ্ম হৈছে 'পৰমব্ৰহ্ম সত্য, জগত মিথ্যা।' লক্ষ্যণীয়ভাৱে বৰ্তমান চৰকাৰেও প্ৰাথমিক পৰ্যায়ৰ পৰা আৰম্ভ কৰি উচ্চতৰ পৰ্যায়লৈকে সমূহ

পাঠ্যপুথিত এনেধৰণৰ চিন্তাৰেই আমদানি কৰিছে। বেছিভাগ শিক্ষিত লোকৰে মূল শিক্ষা 'ৰাখে হৰি মাৰে কোনে? মাৰে হৰি ৰাখে কোনে?' জাতীয় কথাৰেই আৰম্ভ বুলি ক'ব পাৰি। গতিকে এনে নীতি-আদৰ্শক ভেটি কৰি যি শিক্ষাৰ প্ৰচলন কৰা হয়, সেই শিক্ষাৰে শিক্ষিত লোকসকল চিন্তাবিমুখ, এলেহুৱা বিধৰ হোৱাটো কোনো আচৰিত কথা নহয়। বৰং এনে শিক্ষাই মানুহক জীৱনবিমুখ তথা উদ্যমহীন কৰি তোলাটোহে নিতান্ত স্বাভাৱিক কথা।

যিসকল ব্যক্তিয়ে জীৱন সম্পৰ্কে এটি নিৰ্দিষ্ট মূল্যবোধত উপস্থিত হ'ব পাৰে, জীৱিকাৰ খুটি-নাটি সম্পৰ্কে সুস্পষ্টভাৱে চিন্তা কৰাৰ উপৰি জীৱনৰো চিন্তা কৰিব পাৰে, তেনে ব্যক্তিৰে গঠিত সমাজহে অলেখ তৰাৰ মাজতো ধ্ৰুৱতৰা জিলিকাদি জিলিকিব পাৰে। কিন্তু আজি আমাৰ সন্মুখত মূৰ দাঙি উঠা প্ৰশ্নটো হৈছে উপযুক্ত শিক্ষাৰ। আমাৰ শিক্ষা ব্যৱস্থা এনে ব্যক্তি সৃষ্টি কৰিব পৰাকৈ সুস্থ তথা উপযুক্তনে? নৈতিকভাৱে আমাৰ শিক্ষক সমাজ আৰু ছাত্ৰ সমাজ সবলনে? আমাৰ সমাজত এটা সময় আছিল যেতিয়া গুৰুক ভগৱানৰ আসনত প্ৰতিষ্ঠা কৰা হৈছিল। বিশ্বাস কৰা হৈছিল—

'গুৰু ব্ৰহ্মা, গুৰু বিষ্ণু, গুৰু মহেশ্বৰঃ।
গুৰু সাক্ষাৎ পৰমব্ৰহ্ম, তস্মৈ শ্ৰীগুৰুৱে নমঃ।'

সেই অনুসৰি গুৰুসকলো আছিল পৰম নৈষ্ঠিক। তেওঁলোক আছিল জ্ঞানৰ সাধক। ছাত্ৰসকল আছিল জ্ঞানপিপাসু। গুৰু-শিষ্যই নিকট সম্বন্ধ বজাই ৰাখিছিল, যি সম্বন্ধ বৰ্তমান বিৰল। এইক্ষেত্ৰত মহান শিক্ষাবিদ তথা দাৰ্শনিক ড° সৰ্বেপল্লী ৰাধাকৃষ্ণনদেৱে এষাৰ অতি মূল্যৱান কথা কৈ গৈছে— 'There is nothing wrong with our students, what is wrong is the system. Respect for teachers cannot be ordered. It must be Earned.'

আমাৰ শিক্ষা ব্যৱস্থাৰ আমূল পৰিৱৰ্তন সাধি সমাজখনক সঠিক মাপকাঠীৰে জুখি-মাখি আগুৱাই নিয়াৰ প্ৰচেষ্টা অহৰহ চলি আছে। শিক্ষা খণ্ডৰ সৰ্বাংগীণ উন্নতিৰ হেতু চৰকাৰে ন ন আঁচনি প্ৰস্তুত কৰিয়ে আছে। কিন্তু ই ছাত্ৰ তথা শিক্ষক সমাজৰ বাবে সৌভাগ্যজনক নে দুৰ্ভাগ্যজনক, সেয়া ঠাৱৰ কৰাহে কঠিন হৈ পৰিছে। আমাৰ শিক্ষা ব্যৱস্থা মূলতঃ পৰীক্ষাভিত্তিক আৰু নম্বৰভিত্তিক। কেইটামান নম্বৰ লাভ কৰি নম্বৰৰ শতকৰা হাৰ বৃদ্ধি কৰাটোৱে ছাত্ৰ-ছাত্ৰীসকলৰ মূল লক্ষ্য। কাৰণ সেই নম্বৰৰ মাপকাঠীৰে তেওঁলোকৰ যোগ্যতা নিৰ্ণয় কৰা হয়। বহু কম ক্ষেত্ৰতহে ব্যক্তিৰ গুণ, প্ৰতিভাৰ ভিত্তিত যোগ্যতা নিৰ্ণয় কৰা হয়। ফলত মূল লক্ষ্য পূৰণৰ হেতু ছাত্ৰ-ছাত্ৰীসকল অধিক পাঠ্যপুথিমুখী হৈ পৰে। বাহিৰৰ পৃথিৱীখনৰ সমস্যাসমূহ চালি-জাৰি চোৱাৰ মানসিকতাক তেওঁলোকে ছাত্ৰাৱস্থাত অপ্ৰয়োজনীয় বুলি ভাবে। ইয়াৰ কাৰণে অৱশ্যে ছাত্ৰ, শিক্ষক আৰু অভিভাৱক তিনিও দায়ী। বৰ্তমানৰ পৰীক্ষা ব্যৱস্থাত বিদ্যাৰ্থীৰ নিজস্ব চিন্তাতকৈ মুখস্থ বিদ্যাইহে অধিক গুৰুত্ব লাভ কৰিছে। সেয়ে মুখস্থ কৰিব নোৱাৰিলেও অসৎ উপায় অৱলম্বনেৰে হ'লেও বেছি নম্বৰ লাভ কৰাৰ প্ৰৱণতা বৃদ্ধি পাইছে। লগতে বৃদ্ধি পাইছে নিজে কষ্ট নকৰাকৈ অ'ৰ-ত'ৰ পৰা সংগ্ৰহ কৰা সহজ নোট্‌ছৰ ব্যৱহাৰ। ইয়ে ছাত্ৰ-ছাত্ৰীসকলক মানসিকভাৱে দুৰ্বল কৰি তোলাত অৰিহণা যোগাইছে। এই সকলোৰে ফলত এই কথা দৃষ্টিগোচৰ হৈছে যে অসমৰ উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শেষান্ত পৰীক্ষাত নৱৈ শতাংশ বা ততোধিক নম্বৰ লাভ কৰিও অধিকসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে পিছৰ পৰ্যায়ত সেই মান বৰ্তাই ৰাখিব নোৱাৰে। এনে হোৱাৰ কাৰণ হৈছে উচ্চতৰ পৰীক্ষাসমূহত মুখস্থ বিদ্যাৰ স্থান ক্ৰমে চিন্তন তথা স্বাভাৱিক জ্ঞানে অধিগ্ৰহণ কৰে।

সেয়ে আজি আমি মেধাৱী বুলি অভিনন্দন জনোৱা ছাত্ৰ-ছাত্ৰীসকল প্ৰকৃতাৰ্থত মেধাৱীনে সেয়া সন্দেহৰ আৱৰ্তত। এইখিনিতে আহি পৰে শিক্ষকৰ দায়িত্ব। ছাত্ৰসকলক চিন্তা কৰিবলৈ শিকোৱাৰ ভাৰ শিক্ষকৰ হাতত। শিক্ষক এগৰাকীয়ে ছাত্ৰ-ছাত্ৰীৰ মনত এনে মানসিকতাৰ সৃষ্টি কৰিব লাগিব যাতে ছাত্ৰ-ছাত্ৰীসকলে সূক্ষ্ম পৰ্যবেক্ষণেৰে হাতত পোৱা তথ্যসমূহৰ বাছ-বিচাৰ কৰাৰ ক্ষমতা লাভ কৰে। তেনেদৰে ছাত্ৰসকলেও শিক্ষকে দিয়া যিকোনো সিদ্ধান্তকে শেষ সিদ্ধান্ত বুলি গ্ৰহণ কৰিব নালাগে। বৰং এই বিষয়ে নিজাববীয়াকৈ অনুসন্ধান চলাবলৈ শিক্ষকসকলে ছাত্ৰসকলক উৎসাহহে যোগাব লাগে।

আজিকালি আমাৰ ছাত্ৰ-ছাত্ৰীসকলে অসমৰ স্কুল-কলেজ পৰিত্যাগ কৰি উচ্চ শতাংশৰ নম্বৰ লৈ বিদেশলৈ পঢ়িবলৈ যোৱাৰ এক ধাৰা গঢ়ি উঠিছে। আমাৰ অসমৰ পাঠ্যপুথিগত শিক্ষাই বিদ্বান সমাজখনক হতাশ কৰিছে। তাৰ ওপৰতে চৰকাৰী বিদ্যালয়সমূহৰ দুৰৱস্থা। ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহে দেখাত বহুসংখ্যক ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ শিক্ষাৰ অভাৱ কিছুদূৰ হ'লেও পূৰণ কৰিছে। কিন্তু এই বিদ্যালয়সমূহো দোষমুক্ত নহয়। কিন্তু আজি এই কথা ভাবি চাবলগীয়া যে চৰকাৰী খণ্ডৰ বিদ্যালয়সমূহে ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহৰ লগত ফেৰ মাৰিব পৰা নাই কিয়? বৰং পৰিস্থিতি এনে হৈছে যে বেছিভাগ চৰকাৰী স্কুল-কলেজৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে নিজৰ সন্তানক ব্যক্তিগত

পৰ্যায়ৰ স্কুল-কলেজতহে পঢ়িবলৈ পঠিয়ায়। লাগিলে সেয়া অসমৰ ভিতৰতে হওক নাইবা বাহিৰতে হওক। বৰ্তমান বিদ্যালয়সমূহত চৰকাৰে প্ৰচলন কৰা মধ্যাহ্ন ভোজন ব্যৱস্থাই দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰা পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীক কিছু পৰিমাণে হ'লেও আকৃষ্ট কৰিছে সঁচা। কিন্তু তাকে কৰিবলৈ যাওঁতে মধ্যবিত্ত তথা আৰ্থিকভাৱে সচ্ছল অভিভাৱকসকলক ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহলৈ ঠেলি পঠিয়াইছে নেকি সেয়াও ভাবি চাবলগীয়া। কাৰণ এই ভোজন ব্যৱস্থা কিমান স্বাস্থ্যকৰ আৰু শিক্ষকক ৰান্ধনিলৈ অৱতীৰ্ণ কৰা এই ব্যৱস্থাই শিক্ষাৰ কিমানদূৰ উপকাৰ সাধিব সেয়া সন্দেহৰ আৱৰ্তত। শেহতীয়াকৈ 'চেকনিৰ আগত বিদ্যা' শীৰ্ষক আপ্তবাক্যশাৰী সমূলঞ্চে নিৰ্মূল কৰি সৰ্বশিক্ষা অভিযানে শিক্ষকসকলক নতুন নীতি নিৰ্ধাৰণ কৰি দিছে। যেনে কোনো বিদ্যাৰ্থী অনুত্তীৰ্ণ হ'ব নোৱাৰিব, শিক্ষকে ছাত্ৰৰ গাত হাত দিব নাইবা টান কথা ক'ব নোৱাৰিব আদি। ই আমাৰ ছাত্ৰ সমাজ আৰু শিক্ষক সমাজ উভয়ৰে ক্ষতিহে কৰিছে নেকি সেয়াও পৰ্যবেক্ষণীয়। কাৰণ এনেবোৰ নীতি-নিয়মে ছাত্ৰসকলৰ মনত প্ৰভাৱ বিস্তাৰ কৰি থাকিলে তেওঁলোক বেপৰোৱা হৈ উঠা স্বাভাৱিক। লগতে শিক্ষকেও পুৰণি সহজ সম্বন্ধ এৰি নতুন নীতিত অভ্যস্ত হ'ব লাগিব। আমাৰ শিক্ষা ব্যৱস্থাত এনেবোৰ নীতি-নিয়ম প্ৰয়োগেৰে পাশ্চাত্য শিক্ষা ব্যৱস্থাৰ লগত খোজ মিলাব বিচৰা হৈছে নেকি বাৰু? কিন্তু ভাৰতীয় সমাজ আৰু পাশ্চাত্য সমাজ দুয়োৰে চৰিত্ৰ বেলেগ বেলেগ। প্ৰায় বিপৰীত। গতিকে এনে ৰীতি-নীতিৰ প্ৰয়োগে আমাৰ শিক্ষাক উপযুক্ত নে অনুপযুক্ত কৰি তুলিব সেয়া বিচাৰ্য বিষয়।

অসমৰ উচ্চতৰ শিক্ষাব্যৱস্থাও যথেষ্ট আসোঁৱাহপূৰ্ণ। এই শিক্ষা ব্যৱস্থাও মূলতঃ পুথিগত। প্ৰতিবছৰে আমাৰ বিশ্ববিদ্যালয়সমূহৰ পৰা ডক্টৰেট উপাধিধাৰী, বি এ, এম এ ডিগ্ৰীধাৰী অনেক ছাত্ৰ-ছাত্ৰী ওলাব ধৰিছে। কিন্তু এই ডিগ্ৰীসমূহৰ পৰা ৰাজ্যখন কিদৰে লাভৱান হৈছে? তেওঁলোকৰ জ্ঞানৰ প্ৰয়োগ ক্ষেত্ৰ কোনখিনিত? যিদৰে আগতেই উল্লেখ কৰা হৈছে দেশ বা ৰাজ্য এখনৰ প্ৰগতিৰ দলিল সেই দেশ বা ৰাজ্যৰ বিদ্বানসকলৰ প্ৰতিভাৰেহে নিৰ্ণয় হয়, যদিহে সেই প্ৰতিভা দেশৰ উন্নতিৰ স্বাৰ্থত ব্যৱহাৰ হয়। বাহিৰৰ বিশ্ববিদ্যালয়সমূহত নম্বৰভিত্তিক শিক্ষা ব্যৱস্থা কেতিয়াবাই পৰিত্যাগ কৰা হৈছে। উন্নত দেশৰ বিশ্ববিদ্যালয়সমূহে হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰাপ্ত নম্বৰৰ ভিত্তিত নামভৰ্তি নকৰে। তেওঁলোকে ছাত্ৰ-ছাত্ৰীৰ মৌলিক চিন্তা, কৰ্মক্ষমতা, জৰুৰীকালীন পৰিস্থিতিৰ জ্ঞান, দলবদ্ধভাৱে কাম কৰাৰ প্ৰৱণতা আদিতো শিক্ষাৰ সমানেই গুৰুত্ব প্ৰদান কৰে। উদাহৰণস্বৰূপে, ভাৰতীয় ছাত্ৰসকলে আমেৰিকান বিশ্ববিদ্যালয়ত নামভৰ্তি কৰিবলৈ হ'লে G.R.E. নামৰ এটা পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগে। কিন্তু এই পৰীক্ষাত শতকৰা ৯৯ পোৱা ভাৰতীয় ছাত্ৰও উত্তীৰ্ণ হ'ব নোৱাৰে। ইয়াৰ কাৰণ এটাই। আমাৰ শিক্ষা ব্যৱস্থাত বাহিৰা কথা চিন্তা কৰাৰ অৱকাশো নাই, বাধ্যবাধকতাও নাই।

ৰাজ্য বা দেশৰ প্ৰগতিৰ বাবে উচ্চশিক্ষা চলনশীল হোৱা আৱশ্যকীয়। আনহাতে আমাৰ দেশৰ উচ্চ শিক্ষা প্ৰসংগত ৰঙা ফিটাৰ মেৰপাক বেছি। আনকি বিশ্ববিদ্যালয়ৰ সৰ্বোচ্চ পদত আমাৰ দেশত ৰাজ্যপালগৰাকীকহে নিযুক্ত কৰা হয়। এই কথাত পছিমীয়া বিদ্বানসকলৰ চকু কপালত উঠে। কাৰণ ৰাজ্যপালগৰাকী সাধাৰণতে ৰাজনৈতিক ব্যক্তি।



*...আজি আমি ছাত্ৰসকলে বিদ্যালয়ক মন্দিৰ বুলি গণ্য কৰাটো দূৰৰ কথা ৰংগথলীতহে পৰিণত কৰি পেলাইছোঁ। আজি ছাত্ৰ-শিক্ষকৰ নানা কাৰ্যকলাপে বিদ্যালয়ৰ সৌষ্ঠৱ হানি কৰিছে। ৰাজনীতিৰ অবাধ অনুপ্ৰৱেশ, স্বাৰ্থপৰতাই বিদ্যাৰ আলয়সমূহৰ অৱস্থা অধোগামী কৰি তুলিছে। উপযুক্ত শিক্ষাৰ প্ৰৱৰ্তনেহে আমাৰ ছাত্ৰ সমাজক অনৈতিকতাৰ কৰাল গ্ৰাসৰ পৰা উদ্ধাৰ কৰিব। সমাজমুখী শিক্ষাৰ প্ৰৱৰ্তনে ছাত্ৰ-ছাত্ৰীসকলক আদৰ্শৱান হোৱাত সহায় কৰিব...*

ৰাজনীতিৰ লগতহে মূলতঃ তেওঁ জড়িত হৈ থাকে। আমাৰ উচ্চতৰ শিক্ষাক উন্নত কৰিবলৈ হ'লে এই শিক্ষাক সময়ৰ গতিৰে চালিত কৰিব লাগিব। কাৰিকৰী ব্যৱস্থাৰ প্ৰয়োগ অবিহনে একৈছ শতিকাৰ শিক্ষা আহৰণ অসম্ভৱ। আমাৰ শিক্ষা ব্যৱস্থাক উপযুক্ত কৰি তুলিবলৈ ইয়াক নমনীয় কৰি তুলিব লাগিব। পাঠ্যক্ৰম হ'ব লাগিব ভিন্ন স্বাদযুক্ত আৰু ব্যৱহাৰিক প্ৰয়োগৰ উপযোগী। শ্ৰমমুখী, আন্তৰ্জাতিক কৃষ্টি-সংস্কৃতি বুজিব তথা একাত্ম কৰি তুলিব পৰাবিধৰ হ'ব লাগিব। লগতে শিক্ষকসকলকো শিক্ষাৰ বিকাশ আৰু প্ৰগতি সম্পৰ্কে সচেতন কৰিবলৈ প্ৰয়োজনীয় কাৰ্যপন্থা হাতত ল'ব লাগিব।

এইখিনিতে এটা কথা মন কৰিবলগীয়া যে উপযুক্ত শিক্ষা প্ৰসংগত এটা বহুজনস্বীকৃত মতামত হৈছে শ্ৰম আৰু শিক্ষাৰ সমন্বয় সাধন। বৰ্তমানৰ নিবনুৱা সমস্যা সমাধানৰ বাবে ই উচিত বুলি বহুতো নেতা তথা পণ্ডিতে মতপ্ৰকাশ কৰে। কিন্তু তেওঁলোকে নিশ্চয় এই কথা ভাবি নাচায় যে প্ৰচলিত শিক্ষা পদ্ধতিত কলেজ কৰি, ছাত্ৰাবাসত থাকি শ্ৰমৰ লগত প্ৰত্যক্ষ সম্বন্ধ ৰখা কঠিন কাম। পশ্চিমৰ উন্নত দেশসমূহত এনে ব্যৱস্থাৰ প্ৰচলন থাকিলেও ভাৰতীয় পৰম্পৰাবাদী সমাজ ব্যৱস্থাত এনে কাৰ্য কষ্টসাধ্য। মুষ্টিমেয় ছাত্ৰ-ছাত্ৰীয়েহে এনে ব্যৱস্থাত সফল হোৱা সম্ভৱপৰ।

আমাৰ ছাত্ৰ সমাজৰ মাজত আজি নৈতিক পৱিত্ৰতাৰ অভাৱ। তাৰ কাৰণ সমাজ ব্যৱস্থাৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ আছে। সমাজত যদি কেউফালে সন্ত্ৰাস, ঠগবাজি, স্বাৰ্থপৰতাই বিৰাজ কৰে, শিক্ষা ব্যৱস্থা এইবোৰৰ পৰা প্ৰভাৱৰহিত হৈ ৰোৱা অসম্ভৱ। অসমৰ এখন প্ৰতিষ্ঠিত ঐতিহাসিক বিদ্যালয় শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়। বহুতো গৌৰৱৰ অধিকাৰী এই বিদ্যালয়ৰে ছাত্ৰী হিচাপে বিদ্যালয়ৰ ইতিহাস অধ্যয়ন কৰোঁতে এই কথা জানিব পাৰিছিলো যে এটা সময় আছিল যেতিয়া বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে জোতা-চেণ্ডেল বাহিৰত খুলি থৈহে ভিতৰত প্ৰৱেশ কৰিছিল। অৰ্থাৎ ছাত্ৰ-ছাত্ৰীসকলৰ মনত বিদ্যালয়খন মন্দিৰৰ দৰেই পৱিত্ৰ আছিল। কালক্ৰমত এই বিদ্যালয়ৰ পৰাই সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱকে ধৰি তেৰজন সাহিত্যিকে আত্মপ্ৰকাশ কৰিছিল। কিন্তু আজি আৰু সেই ছাত্ৰও নাই, সেই সমাজো নাই। অতীতক স্মৰণ কৰাৰ বাহিৰে আন কিবা কৰিবলৈ আমি আজি অক্ষম। আজি আমি ছাত্ৰসকলে বিদ্যালয়ক মন্দিৰ বুলি গণ্য কৰাটো দূৰৰ কথা ৰংগথলীতহে পৰিণত কৰি পেলাইছোঁ। আজি ছাত্ৰ-শিক্ষকৰ নানা কাৰ্যকলাপে বিদ্যালয়ৰ সৌষ্ঠৱ হানি কৰিছে। ৰাজনীতিৰ অবাধ অনুপ্ৰৱেশ, স্বাৰ্থপৰতাই বিদ্যাৰ আলয়সমূহৰ অৱস্থা অধোগামী কৰি তুলিছে।

উপযুক্ত শিক্ষাৰ প্ৰৱৰ্তনেহে আমাৰ ছাত্ৰ সমাজক অনৈতিকতাৰ কৰাল গ্ৰাসৰ পৰা উদ্ধাৰ কৰিব। সমাজমুখী শিক্ষাৰ প্ৰৱৰ্তনে ছাত্ৰ-ছাত্ৰীসকলক আদৰ্শৱান হোৱাত সহায় কৰিব। আদৰ্শগত শূন্যতাই ছাত্ৰ-ছাত্ৰীসকলক নৈতিকভাৱে দুৰ্বল কৰি তুলিছে। জীৱনৰ এছোৱা গুৰুত্বপূৰ্ণ কাল বিদ্যাৰ্থীসকলে উচ্চতৰৰ পৰা উচ্চতম নম্বৰ লাভৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হৈ অত্যন্ত মানসিক চাপৰ মাজেৰে কটায়। গতিকে এনে বিষয়সমূহৰ ওপৰত গুৰুত্ব প্ৰদান কৰা অত্যন্ত জৰুৰী হৈ পৰিছে। কেৱল পৰম্পৰাবাদী শিক্ষা নাইবা আনে উদ্ভাৱন কৰা তথ্য তথা জ্ঞানৰ ব্যৱহাৰতেই সন্তুষ্ট নাথাকি নতুন জ্ঞান আহৰণ কৰিবলৈ চেষ্টা কৰাৰ সময় সমাগত। শিক্ষকসকলেই ছাত্ৰসকলৰ মূল পথ-প্ৰদৰ্শক। গতিকে ছাত্ৰসকলে কেনেদৰে জ্ঞান, গুণ আৰু দক্ষতা আহৰণ কৰিলে নিজৰ কৰ্মক্ষেত্ৰত প্ৰতিষ্ঠা লাভ কৰিব, সেই কথালৈ গুৰুত্ব দি শিক্ষা দান কৰিব লাগিব।

গতিকে উপযুক্ত শিক্ষাৰে নৈতিকভাৱে সুস্থ-সবল মানুহ গঢ়িবলৈ আৰু সেই মানুহেৰে অসমৰ সমাজ গঢ়িবলৈ ছাত্ৰ সমাজ তথা শিক্ষক সমাজ উভয়েই স্ব-কাৰ্যদক্ষতাৰে আগবাঢ়ি যাব লাগিব। নিজৰ প্ৰয়োজনীয় কাম সুচাৰুৰূপে সম্পন্ন কৰাও এক মহান গুণ। এই মহান গুণক আমি আমাৰ সুন্দৰ ভৱিষ্যৎ গঢ়িবলৈ আয়ত্ত কৰিবই লাগিব। দেশে-বিদেশে সমাদৃত আমাৰ দৰ্শন শাস্ত্ৰ 'শ্ৰীমদ্ভগৱতগীতা'তো এই কথাৰেই উল্লেখ আছে—

'শ্ৰেয়ান স্ব ধৰ্মো বিগুণঃ পৰধৰ্মাৎ স্বনুষ্ঠিতাৎ।
স্বধৰ্মে নিধনং শ্ৰেয়ঃ পৰধৰ্মো ভয়াৱহঃ।।'

অৰ্থাৎ আমি প্ৰত্যেকে আমাৰ কৰিবলগীয়া কামখিনি নিকৃষ্ট বা বিগুণ হ'লেও তাক সম্পাদন কৰা উচিত। এইক্ষেত্ৰত আমাৰ যদি মৃত্যুও হয়, সেই মৃত্যুও পৰধৰ্ম আচৰণ কৰাতকৈ শ্ৰেয়। □

● *প্ৰবন্ধকাৰ হিন্দী বিভাগৰ স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰী।*

# একবিংশ শতিকাৰ প্ৰথম দশকৰ অসমীয়া কবিতা

ড° মহেশ্বৰ কলিতা

**অসমীয়া**

সাহিত্যৰ বুৰঞ্জী অধ্যয়ন কৰিলে এইটো অনুভৱ হয় যে কুৰি শতিকা আৰম্ভ হৈছিল প্ৰত্যাশাৰ সোপান বুকুত সাবটি। ঊনবিংশ শতিকাৰ একেবাৰে শেষভাগত প্ৰকাশ পোৱা 'জোনাকী' আলোচনীৰ প্ৰথমটো সম্পাদকীয়ত চন্দ্ৰকুমাৰ আগৰৱালাই দেশৰ উন্নতিৰ নিমিত্তে যুঁজ কৰাৰ সংকল্পৰ কথা দোহাৰিছিল[১]। প্ৰকৃততে এই 'যুঁজে'ৰে আৰম্ভ হৈছিল বিংশ শতিকা। শিক্ষিত ডেকা লেখকসকলে অনুভৱ কৰিছিল যে চুবুৰীয়া বাংলা, হিন্দী আদি সাহিত্যৰ তুলনাত অসমীয়া সাহিত্য পিছপৰি আছে। গতিকে তাৰ উন্নতিৰ নিমিত্তে তেওঁলোকে চেষ্টা চলাইছিল। 'হেমকোষ'ৰ প্ৰকাশ (১৯০০) আৰু কটন কলেজ স্থাপনৰ (১৯০১) দৰে যুগান্তকাৰী শুভ কাৰ্যই লেখকসকলক বাৰুকৈয়ে উৎসাহিত কৰিছিল। কবিসকল উৎসাহিত হৈ পৰিছিল 'জোনাকী'য়ে দেখুওৱা পথেৰে ৰোমাণ্টিক ভাবনাৰ বিস্তৃতি ঘটোৱাত। ইংৰাজী ৰোমাণ্টিক কবিতাক আৰ্হি হিচাপে লৈ কবিতাৰ ভাববস্তু আৰু শৈলী গঠন কৰিছিল যদিও কবিসকলে কবিতা ৰচনাৰ সমল অসমৰ সমাজ আৰু প্ৰকৃতিৰ পৰাই বুটলিছিল। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ কবিতায়ো তেওঁলোকক প্ৰভাৱিত কৰিছিল।



একবিংশ শতিকাটিৰ 'প্ৰত্যাশা'ৰে আৰম্ভণি ঘটিছিল বুলি ক'ব পৰা নাযায়। ভাষা-সাহিত্য-সংস্কৃতিৰ সমৃদ্ধিৰ নিমিত্তে'যুঁজ' দিয়াৰ প্ৰয়োজন হয়তো আছিল; কিন্তু সবল নেতৃত্ব দিবলৈ কোনো আদৰ্শবাদী সাহিত্যিক-গোষ্ঠী বা সাহিত্যিকৰ অভাৱ পৰিলক্ষিত হৈছিল। শক্তিশালী আলোচনী-পত্ৰিকা আছিল যদিও 'জোনাকী', 'আৱাহন', 'জয়ন্তী' আৰু 'ৰামধেনু'ৰ দৰে প্ৰভাৱশালী নাছিল। অৱশ্যে সময়ৰ গতিয়ে বিশ্বৰ অন্য ক্ষুদ্ৰ জাতিসমূহৰ দৰে অসমীয়া বিজ্ঞ সমাজৰ বহুতকে অতিমাত্ৰা বস্তুবাদী কৰি তোলাত সাহিত্য-সংস্কৃতিকো ব্যক্তিগত লাভ-লোকচানৰ তুলাচনীৰে জুখিবলৈ ল'লে। বজাৰ-অৰ্থনীতিৰে বিশ্বত প্ৰভুত্ব চলাবলৈ উঠি-পৰি লগা পছিমীয়া পুঁজিবাদী শক্তিবোৰে প্ৰত্যক্ষভাৱে ইংৰাজী ভাষাত পাকৈত বিশ্ব-নাগৰিক সৃষ্টিৰ অভিযান আৰম্ভ কৰিলে। আমাৰ বহু পণ্ডিতে এই অভিযানক তথাকথিত বিশ্বায়নৰ অংশ বুলি অভিহিত কৰিছে। বিংশ শতিকাৰ আশীৰ দশকৰ পৰা আৰম্ভ হোৱা এই অভিযানে সম্প্ৰতি তীব্ৰ ৰূপ ধাৰণ কৰিছে। ক্ষমতাৰ ৰাগীত মতলীয়া শাসকগোষ্ঠীয়ে স্বাৰ্থৰক্ষাৰ নিমিত্তে তাত সহযোগিতাহে আগবঢ়াইছে। এনে অৱস্থাত সময়ৰ সোঁতত উটি যাবলৈ অনিচ্ছুক, আদৰ্শবাদী কবি-সাহিত্যিক চিন্তিত আৰু হতাশগ্ৰস্ত হৈ পৰাটো পৰিলক্ষিত হৈছে। জ্যেষ্ঠ কবি নলিনীধৰ ভট্টাচাৰ্যই অলপতে প্ৰকাশ কৰা কবিতা এটিত তেনে

---

১. কলিকতাত অধ্যয়নৰত লক্ষ্মীনাথ বেজবৰুৱা (১৮৬৪-১৯৩৮), চন্দ্ৰকুমাৰ আগৰৱালা (১৮৬৭-১৯৩৮) আৰু হেমচন্দ্ৰ গোস্বামীৰ (১৮৭২-১৯২৮) প্ৰচেষ্টাত 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ মাহেকীয়া মুখপত্ৰ 'জোনাকী' প্ৰকাশ পায় ১৮৮৯ চনত। আলোচনীখনৰ প্ৰথম সম্পাদক চন্দ্ৰকুমাৰ আগৰৱালাই 'আত্মকথা' শীৰ্ষক সম্পাদকীয়ত লিখিছিল— 'আমি জানো আমাৰ দেশ শিক্ষাত পাছ, জ্ঞানত ভিক্ষাৰী, ধনত দুখীয়া, সংখ্যাবলত শক্তিহীন, স্বাস্থ্যত ৰুগীয়া, কামত এলেহুৱা ও পৰাধীন— কিন্তু আমি নিজ শক্তি অনুযায়ী হইতে কামত হাত দিব পাৰোঁ। আমি যুঁজিবলৈ ওলাইছোঁ আন্ধাৰৰ বিপক্ষে— উদ্দেশ্য দেশৰ উন্নতি, জোনাক।'

চিন্তা আৰু হতাশা স্পষ্ট ৰূপত প্ৰকাশ পাইছে—

'মই হিয়া উবুৰিয়াই দেশখনক ভাল পাইছিলো
মানুহবোৰে চিনি পাইছিল শিপা গছ
অ'ত-ত'ত ডাবৰ আছিল যদিও
আকাশত নক্ষত্ৰই তিৰবিৰাইছিল
তাৰ সুগন্ধত দেশৰ মুখ পোহৰ হৈছিল

মোৰ দেশত দেশ নাই
শিপা এৰি গুচি যায় বিদেশ বিচাৰি
তাত বৰ বেছি পায় সুখৰ এসাঁজ
মন তেজাৰতিত অন্ধ, প্ৰাণ-শ্যামলিমা হেৰাই যায়
গ্লোবেল মাৰ্কেট উঠি আহে বহে শিখৰত
মন্ত্ৰমুগ্ধ দেশ, লয় বিকৰুৱা বেশ

('মোৰ দেশ', গৰীয়সী, অক্টোবৰ, ২০১০)

যোৱা দহ বছৰ (২০০১-১০) অৰ্থাৎ একবিংশ শতিকাৰ প্ৰথম দশকটোত অসমীয়া কবিসকলে বুজন পৰিমাণৰ কবিতা ৰচনা কৰিছে। লব্ধপ্ৰতিষ্ঠিত কবিসকলৰ লগতে তৰুণ আৰু সম্ভৱনাময় কবিসকলৰো কাব্য সংকলন প্ৰকাশ হৈছে। আলোচনী আৰু ক্ষুদ্ৰ পত্ৰিকাৰ সংখ্যাও তুলনামূলকভাৱে বৃদ্ধি হৈছে। বৰ্তমান ১২খনমান অসমীয়া দৈনিক বাতৰিকাকত প্ৰকাশ হৈ আছে। এই কাকতবোৰেও 'সাহিত্য পৃষ্ঠা'ত অনেক কবিতা ছপাইছে। যোৱা দহ বছৰত প্ৰকাশিত সকলো কবিতা পঢ়াৰ সৌভাগ্য আমাৰ হোৱা নাই। এনে অৱস্থাত 'যোৱা দহ বছৰৰ অসমীয়া কবিতা' শীৰ্ষক আমাৰ এই অধ্যয়ন পূৰ্ণাংগ অধ্যয়ন নোহোৱাই স্বাভাৱিক। অৱশ্যে প্ৰতিষ্ঠিত আৰু উজ্জ্বল সম্ভাৱনাময় কবিসকলৰ কিছুসংখ্যক কবিতা আমি অধ্যয়ন কৰিছোঁ। ইয়াকে সম্বল হিচাপে লৈ এই আলোচনা যুগুত কৰিব বিচৰা হৈছে।

বৰ্তমান দশকটোত জ্যেষ্ঠ কবি নলিনীধৰ ভট্টাচাৰ্য, হীৰেন্দ্ৰনাথ দত্ত, হীৰেন ভট্টাচাৰ্য, ড° নগেন শইকীয়া, আনিছ উজ জামান, হৰেকৃষ্ণ ডেকা, ৰবীন্দ্ৰ সৰকাৰ, ৰবীন্দ্ৰ বৰা, দীনেশ গোস্বামী, বিজনলাল চৌধুৰী আদিয়েও কাব্য-চৰ্চা অব্যাহত ৰাখিছে। তেখেতসকলৰ প্ৰায় আটাইকেইগৰাকীয়ে নিজস্ব শৈলীৰ অধিকাৰী। 'জয়ন্তী' (১৯৪৩-৪৬), 'পছোৱা' (১৯৪৮-৪৯) আৰু 'ৰামধেনু' (১৯৫১-৬০)[২] আলোচনীয়ে পৰিপুষ্ট কৰা আধুনিক অসমীয়া কাব্যধাৰাৰ তেখেতসকল যোগ্য ধাৰক আৰু বাহক। অৱশ্যে, 'ৰামধেনু'ৰ সময়ত সৃষ্টি হোৱা দেশৰ স্বাধীনতাজনিত আশা আৰু আশাভংগৰ সাক্ষীস্বৰূপ এই কবিসকল। কবিতাসৃষ্টিৰ প্ৰধান আহিলা 'শব্দ'ৰ শক্তি সম্পৰ্কে তেওঁলোক সচেতন। শব্দ-শক্তিয়ে অশান্তি দূৰ কৰিব বুলি ভবা হৈছিল; কিন্তু বাস্তৱত সেয়া হৈ নুঠিল। এনে অৱস্থাত, আমাৰ কেবাগৰাকী জ্যেষ্ঠ আদৰ্শবাদী কবি চিন্তাগ্ৰস্ত। আন দুগৰাকীমানে অৱশ্যে শব্দৰ মাজেৰে নিজৰ অন্তৰৰ গভীৰ কোণৰ অনুভূতি প্ৰকাশ কৰিবলৈ ধৰিলে। শব্দৰ যাদুৰ পৰশত তেওঁলোকে নতুন ৰূপত ব্যক্তিগত ভাবানুভূতি প্ৰকাশ কৰিবলৈ ল'লে। পৰিমিত শব্দসজ্জাৰে নিৰ্মিত এই ধাৰাৰ কবিতাবোৰৰ মূল আকৰ্ষণ তাত আৰোপিত সাংগীতিক ধ্বনি। কবিতা সৃষ্টিৰ প্ৰথম উদ্দেশ্য ৰস সৃষ্টি কৰা। এই দৃষ্টিকোণৰ পৰা বিচাৰ কৰিলে ইবোৰ সাৰ্থক কবিতা। আনিছ উজ জামানৰ এই পংক্তি দুটালৈ মন কৰক—

'আমি আহিবলৈ বিচাৰিলে
চেতাৰৰ আঙুলিবোৰে
সময়বোৰ বান্ধি থ'বলৈ বিচাৰে।

আহোঁতে আমি
হাতত ধৰাধৰিকৈয়েই আহিছিলো
চকুৰ পচাৰত ইমান যোজন পথ
ইমান সময়
মোক মোৰ নিজৰ যেন লগা নাই

তোমাৰ বুকুৰ মাতত
মই জানো সাৰ পোৱা নাছিলো
আৰু একো নোকোৱাকৈয়েই...।

('এটা কবিতা', গৰীয়সী, মাৰ্চ, ২০১০)

কবি হীৰেন্দ্ৰনাথ দত্তৰ কবিতাৰ বিশেষ আবেদন আছে। প্ৰায় পোনপটীয়াভাৱে তেখেতে ভাব প্ৰকাশ কৰে। ব্যক্তিগত প্ৰতীক আৰু জটিল আৱৰণেৰে ভাববস্তু ধূঁৱলী-কুঁৱলী কৰাৰ পক্ষপাতী তেখেত নহয়। অৱশ্যে বক্তব্য প্ৰকাশে প্ৰাধান্য পোৱা কাৰণে তেখেতৰ কবিতাত সাংগীতিক ব্যঞ্জনাৰ সোঁতটি কেতিয়াবা ব্যাহত হোৱা যেন অনুভৱ হয়। আনহাতে কোনো কাব্যিক তত্ত্বৰ প্ৰতিও তেখেতৰ কবি-মন দুৰ্বল বুলি ক'ব নোৱাৰি।

---

২. দ্বিতীয় মহাযুদ্ধৰ ধামখুমীয়াৰ মাজতে প্ৰকাশ পোৱা কমলনাৰায়ণ দেৱ আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্যৰ দ্বাৰা সম্পাদিত মাহেকীয়া 'জয়ন্তী'য়ে অসমীয়া কবিতাক ৰোমাণ্টিকতাৰ গাঢ় বান্ধোনৰ পৰা মুক্ত কৰি প্ৰকৃতাৰ্থত আধুনিক আৰু প্ৰগতিশীল ৰূপত আগবঢ়াই নিয়ে। হেম বৰুৱা সম্পাদিত 'পছোৱা'ত প্ৰগতিশীল ধাৰাটিৰ উপৰি টি এছ এলিয়টে জনপ্ৰিয় কৰি তোলা প্ৰতীকবাদী ধাৰাৰ কবিতাও প্ৰকাশ পায়। 'জয়ন্তী'ৰ কবিসকলৰ ভিতৰত উল্লেখযোগ্য হ'ল ভবানন্দ দত্ত, অমূল্য বৰুৱা, হেম বৰুৱা, কেশৱ মহন্ত আদি। 'পছোৱা'ত নৱকান্ত বৰুৱা, নলিনীধৰ ভট্টাচাৰ্য, হেম বৰুৱা আদি কবিয়ে কবিতা লিখিছিল। বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ দ্বাৰা সম্পাদিত 'ৰামধেনু' প্ৰধানতঃ প্ৰতীকবাদী কবিতা প্ৰকাশত উৎসাহিত হৈ পৰিছিল। 'জয়ন্তী' আৰু 'পছোৱা'ৰ কবিতা সম্পৰ্কে অধিক জানিবৰ বাবে আগ্ৰহী পাঠকে আমাৰ গ্ৰন্থ 'চল্লিছৰ দশকৰ অসমীয়া কবিতা ঃ এটি সমীক্ষা' (২০০২) চাব পাৰে।

ইংৰাজী সাহিত্যৰ অধ্যাপক দত্তদেৱে টি এছ এলিয়ট, এজ্ৰা পাউণ্ড আদি বিখ্যাত কবিৰ কবিতা অধ্যয়ন কৰিছে। কিন্তু সেই কবিসকলৰ শৈলীৰ দ্বাৰা প্ৰভাৱান্বিত হোৱা বুলিও ক'ব নোৱাৰি। তেখেতে যি লিখিছে তাৰ মাজেৰে তেখেতৰ মৌলিক প্ৰতিভাৰ কিৰণ বিৰিঙি উঠিছে। বিংশ শতিকাৰ শেষৰ দশক দুটাত ৰচিত 'মানুহ অনুকূলে' (২০০০) গ্ৰন্থত সংকলিত কবিতাবোৰ আৰু বৰ্তমান দশকত ৰচিত কবিতালানি অধ্যয়ন কৰিলে তেনে সিদ্ধান্তত উপনীত হ'ব পৰা যায়। তলৰ কবিতাফাকিলৈ মন কৰক—

'বুকুৰ ভিতৰত জ্বলা বনজুই একুৰাই
শত্ৰু-মিত্ৰৰ ভেদাভেদ ছাই কৰি
আগুৰাই আহি আছে

যাক এদিন শত্ৰু ৰূপত পাইছিলো
আজি বহু বছৰৰ ছাঁ-পোহৰৰ পাছত
তেওঁ কুটুমৰ ৰূপত উভতি আহিছেঃ
সঁচ', বন্ধুত্ব জীৱনৰ অমিয়া
কিন্তু বিষ-পানৰ চোক নেপালে
জীয়াই থকাৰ মজা ক'ত?
বোধৰ অভ্যন্তৰ সুৰাসুৰৰ ৰণথলী...'

('শত্ৰু-মিত্ৰ', গৰীয়সী, জুলাই, ২০০২)

সমসাময়িক কালৰ নিষ্ঠুৰতাৰ ছবি কবি দত্তই সহজ-সৰল শব্দৰে 'অকস্মাতে' শীৰ্ষক কবিতাটিত অংকন কৰিছে। কবিৰ বক্তব্যই সহৃদয়জনৰ হৃদয় তোলপাৰ কৰে—

'এতিয়া আলি-দাঁতিত অকস্মাৎ দেখা
এই মৰাশটোৰ মুখখন কেতিয়াবা ক'ৰবাত
যেন দেখিছিলো,
ক'ত্ত বাৰু ক'ত হ'ব পাৰে?
... ... ... ... ... ... ... ... ...
মানুহটো বাৰু এলাপাকত মৰিল
নে দোষৰ ঠিক সাজা পালে
সি কি ভয়ানক দোষ কৰিছিল বুলি
কোনে কিয় কেনেকৈ ঠিক কৰিলে,
ঠিক কৰোঁতাজন ঠিক-ঠাক আছিল বুলি
কোনোবাই কাহানিবা নিশ্চিত কৰিবনে?'

('অকস্মাতে', গৰীয়সী, ডিচেম্বৰ, ২০০৩)

ৰামধেনু যুগক আধুনিক অসমীয়া কবিতাৰ স্বৰ্ণযুগ বুলি কোৱা হয়। কিয় স্বৰ্ণযুগ বুলি অভিহিত কৰা হৈছে, সচেতন পাঠকমাত্ৰৰে অৱগত। এই 'স্বৰ্ণযুগ'ৰ কবিতাৰ বিৰুদ্ধে এটা গুৰুতৰ অভিযোগ হ'ল বেছিভাগ কবিৰ কবিতা দুৰ্বোধ্য।[৩] কবিতা পাঠক বস্তু। কোনো পাঠকে কবিতা পাঠৰ সময়ত অভিধান মেলি নলয়। সেইবুলি কবিতা আ-অলংকাৰহীন গদ্যও নহয়। কাব্যিক সৌন্দৰ্য সৃষ্টিৰ বাবে প্ৰতীক, চিত্ৰকল্প আৰু ছন্দ- অলংকাৰৰ প্ৰয়োজন আছে। কথা হ'ল কবিয়ে এই উপকৰণবোৰ কিদৰে কি ৰূপত প্ৰয়োগ কৰি 'ৰস-বস্তু' কবিতা পাঠকৰ ওচৰ চপাই নিয়ে। সুখৰ কথা, ৰামধেনুৰ পৰৱৰ্তী কালত কেইবা-গৰাকীও প্ৰতিভাৱান কবিয়ে তেখেতসকলৰ মনোৰম কাব্যশৈলীৰ সহায়ত, শব্দ নিৰ্বাচনত বিশেষ গুৰুত্ব দি কবিতা লিখিছে, যিবোৰ দুৰ্বোধ্যতাৰ অভিযোগৰ পৰা মুক্ত। এই ধাৰাৰ দুগৰাকী উল্লেখযোগ্য কবি হ'ল হীৰেন ভট্টাচাৰ্য আৰু হৰেকৃষ্ণ ডেকা। দুয়োগৰাকী কবিয়ে যোৱা দহ বছৰত বুজন পৰিমাণৰ কবিতা লিখিছে, সংকলনো প্ৰকাশ কৰিছে।

কবি হীৰেন ভট্টাচাৰ্যই যোৱা শতিকাৰ নব্বৈৰ দশকৰ আৰম্ভণিৰে (১৯৯২) পৰা বৰ্তমান শতিকাৰ প্ৰথম দশকটোত লিখা কবিতাবোৰ 'কবিতাৰ ডালপাত' (২০০৮) আৰু 'শিপাৰ পৰা পাতলৈ' (২০০৯) শীৰ্ষক সংকলন দুখনত অন্তৰ্ভুক্ত হৈছে। প্ৰথম সংকলনৰ কবিতাবোৰ আকৌ দ্বিতীয়খনত ছপোৱা হৈছে। দ্বিতীয় সংকলনখন মুঠ ১০৭টা কবিতা আছে। ইয়াৰে ৮৩টা কবিতা বৰ্তমান দশকটিত ৰচিত। সামাজিক চেতনা তথা সামাজিক বাস্তৱতাৰ প্ৰকাশ ভট্টাচাৰ্যৰ কবিতাৰ অন্যতম বৈশিষ্ট্য। ইয়াৰ উপৰি প্ৰেম, প্ৰকৃতি আৰু শস্যশ্যামলা, সোণোৱালী গাঁৱৰ চিত্ৰও তেখেতে মনোৰম শব্দসজ্জাৰে প্ৰকাশ কৰিছে। ভট্টাচাৰ্য জনমুখী আৰু জনপ্ৰিয় কবি। জনপ্ৰিয়তাৰ অন্যতম কাৰণ হ'ল— তেখেতৰ কবিতাত আৰোপিত মধুৰ সংগীত। তলত পংক্তিটোলৈ চাওক—

'তৰাৰে ভৰি পৰিছে আকাশ
এচপৰা ধূলিয়ৰি ডাৱৰে
তাৰ কামিজটো সলাই নতুন চাই এটা পিন্ধি ল'লে
আৰু বুকুৰ চিক্‌চিকীয়া বুটামৰ পাঁচোটা ঘৰত আঙুলি বুলাই
গুণ্‌গুণাই গান গাবলৈ ধৰিলে—
ঢাপৰ চতিয়নাৰ গোন্ধে গোটেই বাটটো আৱৰি ধৰিছে'

('গানৰ পাঁচোটা ঘৰ', শিপাৰ পৰা পাতলৈ)

ভট্টাচাৰ্য সমাজসচেতন কবি। জনতাৰ সুখ-দুখৰ তেওঁ সমভাগী। কৃষকে শস্য চপাব পৰা নাই। চপাবলৈ পথাৰত শস্য উৎপাদন হোৱা নাই। শস্য উৎপাদন নোহোৱা মানে কৃষকৰ ঘোৰ বিপদ। কৃষকৰ বিপদৰ কথা ভাবি কবি দুখিত। এই দুখবোধ স্পন্দিত গদ্যত, শব্দ নিয়ন্ত্ৰণত পাকৈত কবিয়ে কিদৰে প্ৰকাশ কৰিছে চাওক—

'এইবাৰ ধানৰ বিয়ন নহ'ল। শোকে খুন্দা মাৰি ধৰিছে।

৩. চৈয়দ আব্দুল মালিকে 'ৰামধেনু'ত এটি কবিতা লিখিছিল— আমাৰ কবিতা কোনেও নুবুজে।

বতাহে ৰি-ৰিয়াই থকা নাই ধাননিৰ সেমেকা বুকু। আঁঠুৰনি নৈখনো আমন-জিমনকৈ পৰি আছে। কল্‌কলনি নাই। জাৰৰ চৰাইজাক পথাৰমুৱা নহ'ল।

ভালপোৱাৰ সাঁকোখন জুৰি ধানৰ পথাৰে বিনাইছে—
উজাই অহা নাই পকাধানৰ গোন্ধ, অঘৰী বতাহে এবাৰো চুয়েই
নেচালে ধানৰ সেউজীয়া ওঁঠ, জঁয় পৰি আছে ধানবোৰ...'

('এটা আধৰুৱা কবিতা', 'শিপাৰ পৰা পাতলৈ')

হৰেকৃষ্ণ ডেকা এগৰাকী শব্দসচেতন শক্তিশালী কবি। যোৱা দহ বছৰত তেখেতেও ভালেমান কবিতা ৰচনা কৰিছে। এইবোৰৰ কেইটিমান ২০০৩ চনত প্ৰকাশ পোৱা 'ভালপোৱাৰ বাবে এষাৰ' আৰু ২০১০ চনত প্ৰকাশ পোৱা 'সানমিহলি বৰ্ণমালা' শীৰ্ষক সংকলনত অন্তৰ্ভুক্ত হৈছে। আলোচনীৰ পাতত তেখেতৰ কেইবাটাও ভাল কবিতা পঢ়িছোঁ। ডেকাৰ 'স্বৰবোৰ' (১৯৭৩), 'আন এজন' (১৯৮৬) আদি সংকলনৰ কবিতাৰ শৈলী বৰ্তমানৰ কবিতাত পোৱা নাযায়। ৰামধেনুৰ কবিসকলৰ প্ৰভাৱতে তেখেতে প্ৰতীকধৰ্মী কবিতা লিখিবলৈ লৈছিল। গতিকে ব্যক্তিগত প্ৰতীকৰ ব্যৱহাৰ তেখেতৰ কবিতাৰ এটা বৈশিষ্ট্য আছিল। অৱশ্যে সোনকালে আৰু সচেতনভাৱে[৪] তেখেতে কবিতাৰ শৈলীলৈ পৰিৱৰ্তন আনিছে। প্ৰতীকৰ পৰিৱৰ্তে নিৰ্বাচিত শব্দৰ ব্যঞ্জনাকে সম্বল হিচাপে লৈ সম্প্ৰতি তেখেতে কাব্য-চৰ্চা অব্যাহত ৰাখিছে। এই পৰিৱৰ্তনে তেখেতৰ কবিতাৰ 'মান' বঢ়াইছে, কিয়নো কবিৰ কল্পনাশক্তিয়ে পাঠকৰ মনত সহজে তৃপ্তি যোগাবলৈ সক্ষম হৈছে। কল্পনাৰ মৌলিক ৰূপটিয়ে আন কবিকো প্ৰভাৱিত কৰিছে। সমসাময়িক সমাজৰ নিষ্ঠুৰ কাহিনী তেখেতে সহজ শব্দসজ্জাৰে কিদৰে প্ৰকাশ কৰিছে চাওক—

'জুইকুৰা ডাঙৰকৈ জ্বলিছিল।
ম্ৰিয়মাণ মানুহখিনি কাষত বৈ আছিল।
স্তব্ধ শোকত নে অসহায় দুখত
জনাৰ উপায় নাছিল।

জুইৰ মাজৰ পৰা কিশোৰ চকু দুটাই
সিহঁতলৈ চাইছিলনে?
ভয়াতুৰ বুলি কৈছিল নে?
দূৰত ক'ৰবাত জুপুৰি এটাত
মানুহ এজনী উচুপি আছিল।'

('শিখাৰ আঙুলিবোৰ', প্ৰান্তিক, ১ নৱেম্বৰ, ২০০৮)

ঊনবিংশ শতিকাৰ তৃতীয় দশকত ইংৰাজী সাহিত্যত শক্তিশালী কবি হিচাপে আত্মপ্ৰকাশ কৰা টি এছ এলিয়টে প্ৰতীকৰ সহায়ত মহাযুদ্ধবিধ্বস্ত ইউৰোপৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক ক্ষয়িষ্ণুতাৰ ছবি আঁকি বিশ্ব সাহিত্যত খলকনি তুলিবলৈ সক্ষম হৈছিল। তেওঁৰ 'দ্য ৱেষ্ট লেণ্ড' শীৰ্ষক কাব্যপুথিখনে নোবেল পুৰস্কাৰ পোৱাৰ (১৯২৫) পিছতে বিভিন্ন দেশৰ কবিসকলৰ কাৰণে তেওঁ আদৰ্শ কবিত পৰিণত হৈছিল। আধুনিক নাগৰিক জীৱনৰ পৰা অস্থিৰতা আৰু মানসিক অশান্তি আঁতৰোৱাত ধৰ্ম সহায়ক হ'ব পাৰে বুলি তেওঁ বিশ্বাস কৰিছিল। আধুনিক জ্ঞান-বিজ্ঞানৰ ওপৰত তেওঁৰ যেন বিশ্বাস হ্ৰাস পাইছিল। এলিয়টৰ কাব্য-ভাবনা আৰু শৈলীৰ দ্বাৰা অসমীয়া সাহিত্যৰ ৰামধেনু যুগৰ কেইবাগৰাকীও কবি কম-বেছি পৰিমাণে প্ৰভাৱিত হৈছিল। হেম বৰুৱা, নৱকান্ত বৰুৱা, অজিৎ বৰুৱা, নীলমণি ফুকন, হৰি বৰকাকতি আদি কবিৰ কবিতাত এই কথাৰ প্ৰমাণ পোৱা যায়। ড° নগেন শইকীয়াৰ 'মিত-ভাষ' শীৰ্ষক কবিতামালাত আমি তেনে কাব্য-ভাবনাৰ প্ৰভাৱ অনুভৱ কৰোঁ। অৱশ্যে কৰিয়ে কাব্য-ভাবনা প্ৰকাশৰ নিমিত্তে নিজস্ব শৈলী সৃষ্টি কৰিবলৈ সক্ষম হৈছে। তলত ড° শইকীয়াৰ এফাকি কবিতা উদ্ধৃত কৰা হ'ল—

'শুকাই যোৱা জুৰিৰ দৰে পৰি আছে নগৰখন— পাত সৰি যোৱা গছৰ দৰে থিয় দি আছে প্ৰাসাদবোৰ। এখন মৃত নগৰ শ্মশানৰ ধোঁৱাও নাই— আছে কেৱল চেঁচা ছাই আৰু এঙাৰৰ টুকুৰা। তাৰ মাজত অকলশৰে উৰি ফুৰিছে এটা হালধীয়া পখিলা— পিছে পিছে তাক খেদি আহিছে শ্মশানৰ ক'লা ছাই।'

('মিত-ভাষ', গৰীয়সী, অক্টোবৰ, ২০০৭)

প্ৰগতিশীল কবি ৰবীন্দ্ৰ সৰকাৰ আৰু বিজনলাল চৌধুৰীয়ে যোৱা দহ বছৰত কেইবাটাও সাৰ্থক কবিতা ৰচনা কৰিছে। মাটি আৰু মানুহৰ গান গাবলৈ আগ্ৰহী সৰকাৰৰ শব্দসজ্জা সৰল, পোনপটীয়া। নিষ্ঠুৰ সময়ৰ তিক্ত অভিজ্ঞতাই যেন কবিক বিৰক্ত কৰিছে। তথাপি কবি হতাশ হোৱা নাই। বিবৰ্ণ, অক্ষম শৰীৰতো সন্ধান কৰে সেউজীয়া প্ৰাণৰ। 'গৰীয়সী'ত প্ৰকাশিত 'মুমূৰ্ষু সেই মানুহজনৰ কথাৰে', 'দিনৰ শেষত' আৰু 'নিৰৱধি সেউজীয়া প্ৰাণ' তিনিটা ভাল কবিতা।

'তোমাৰ শৰীৰ স্বপ্নৰ পৰা
খহি পৰিছে মাটিৰ গোন্ধ
মুখৰ হেঙুলীয়া আঁতৰাই
বেলি পোহৰে কিয় আঁকি দিয়ে আন্ধাৰৰ ছবি

.......................................................

এনেকৈয়ে তেজত থকা প্ৰিয় শব্দবোৰ
কবিতাৰ পৰা হেৰাই যায় বিবৰ্ণ
অক্ষম শৰীৰৰ পৰা খহি পৰে স্বপ্নৰ সন্ধান
গানহীন এই জীৱনত ভোক শোক
জিভা মেলি খেদি আহে খৰাঙৰ জুইয়ে

৪. ভালপোৱাৰ বাবে এষাৰ (২০০৩) নামৰ সংকলনখনিৰ আগকথাত কবিয়ে নিজেও, এই কথা প্ৰকাশ কৰিছে।

ভেলেঙী চকুৰে গাঁওবোৰ গাঁৱতেই থাকে..
তোমাৰ শৰীৰ স্বপ্নত আজিও বিচাৰি ফুৰোঁ
নিৰৱধি সেউজীয়া প্ৰাণ।

('নিৰৱধি সেউজীয়া প্ৰাণ', গৰীয়সী, নৱেম্বৰ, ২০০৪)

অসমীয়া প্ৰগতিশীল কাব্য আন্দোলনৰ কৰ্মী কবি বিজনলাল চৌধুৰীৰ কবিতাত বিদ্ৰোহৰ সুৰ স্পষ্ট। বিশ্ব-শান্তি আৰু সমৃদ্ধিৰ হেঙাৰ স্বৰূপ পুঁজিবাদী শাসক-শক্তিৰ বিৰুদ্ধেই কবিৰ বিদ্ৰোহ। অৱশ্যে কবিৰ কবিতা বক্তৃতাধৰ্মী হৈ পৰাত প্ৰয়োজনীয় কাব্যিক ব্যঞ্জনা আকৰ্ষণীয় ৰূপত প্ৰকাশিত হোৱা নাই। 'গৰীয়সী'ত প্ৰকাশিত 'দুটা প্ৰস্তাৱ ঃ এটি শোকৰ এটি গৰিহণাৰ' আৰু 'আপত্তি' শীৰ্ষক কবিতা দুটিতো সেই কথাৰ প্ৰমাণ পোৱা যায়। তলত চৌধুৰীৰ কবিতাৰ একাংশ উদ্ধৃত কৰা হ'ল—

'হেৰা শ্বেতবৰ্ণ মহানায়কবৰ্গ
পৃথিৱীৰ সম্পদ ভাণ্ডাৰ কাঢ়ি লৈ
মুনাফাৰ পৰ্বত শৃঙ্গত থিয় দিছা!
ধূলিৰ মানুহক তোমালোকে অকণো চিনা নাই।

..............................................................

তোমালোকেই মেলি দিছা
পুঁজিৰ অজগৰ
সেউজীয়া প্ৰান্তে প্ৰান্তে।

..............................................................

হেৰা বিশ্বত্ৰাসৰ মহানায়কবৰ্গ!
আহে নে মনত জাগ্ৰত ভিয়েটনাম?

('দুটা প্ৰস্তাৱ ঃ এটি শোকৰ এটি গৰিহণাৰ',
গৰীয়সী, অক্টোবৰ, ২০০১)

কবি দীনেশ গোস্বামী আৰু কবি ৰবীন্দ্ৰ বৰাই নিৰৱচ্ছিন্নভাৱে কবিতা ৰচনা কৰি আছে। গোস্বামীয়ে শব্দ-শক্তিৰে নগৰীয়া জীৱনৰ খলা-বমাবোৰ পৰীক্ষা কৰি চায়। কেতিয়াবা মনৰ গভীৰত অনুভূত হোৱা দুঃস্বপ্নৰ জাল ফালি সুখৰ সন্ধান কৰে। অন্তৰ্মুখী কবিয়ে নিজৰ অন্তৰতে ঠন ধৰা শস্যৰ সুবাস লাভ কৰে। সেই সুবাসে কবিক কেতিয়াবা আনন্দিত কৰে, কেতিয়াবা দুখত নিমজ্জিত কৰে।

'মইতো নহওঁ বনকুঁৱৰীৰ
মায়ামুগ্ধ কবি
মই অবৈধ খেলাৰ প্ৰতাৰক প্ৰেমিক
যাৰ হৃদয়ত ছায়া কেৱল ছায়া
আৰু বধ্যভূমিৰ দুঃস্বপ্ন
চাৰি দেৱালৰ মাজৰ হাহাকাৰ
ম্লান অন্ধকাৰৰ মায়া
যদিও অদ্ভুত আলোকত
মনৰ মাজত জাগি উঠে
অলৌকিক বনস্থলী
আৰু ঠনধৰা শস্যৰ সুবাস।'

('বিচ্ছিন্ন দৃশ্যাৱলী', গৰীয়সী, অক্টোবৰ, ২০০৭)

ৰবীন্দ্ৰ বৰা সমাজসচেতন কবি। সময়ৰ কুটিল গতিয়ে মানুহৰ জীৱনলৈ যন্ত্ৰণা কঢ়িয়াই আনিছে। বৰ্তমান সময়ত সকলো স্বাভাৱিক অস্বাভাৱিক ৰূপে দেখা দিছে। কবিয়ে লক্ষ্য কৰিছে ভাল বা সুন্দৰ শব্দবোৰৰ শক্তি আৰু সৌন্দৰ্য বিলোপ পাইছে। তাৰ বিপৰীতে ক্ষোভ ঘৃণা আদি অসুন্দৰ শব্দবোৰ কুৎসিত ৰূপেৰে উপচি পৰিছে। আটিল শব্দসজ্জাৰে ৰচিত একে ভাবৰ 'সকলো অস্বাভাৱিক' আৰু 'অনিয়ন্ত্ৰিত দিনটো' শীৰ্ষক কবিতা দুটি 'গৰীয়সী'ত প্ৰকাশ পাইছিল। তলত তাৰে এফাকি উদ্ধৃত কৰা হ'ল—

'দিনৰ পোহৰখিনিৰ
কোনো নিয়ন্ত্ৰণ নাই
হেৰুৱাইছে শুভ্ৰ বৰণ
অৰ্থও প্ৰায় সংকুচিত হৈ পৰিছে
অসমত পোহৰৰ ৰং
অতিপাত ক'লা হৈ পৰে ভয় লগাকৈ
তুমৰলি সাজত দিনটোৰ দেহত
ক্ষোভ ঘৃণা আদি বিৰক্তিকৰ শব্দবোৰ
উপচি পৰে'

কীৰ্তিমান কাব্য-সমালোচক কবীন ফুকনৰ কবিতাত আধুনিক মানুহৰ অসহায়, অস্থিৰতাৰ ছবি অংকিত হৈছে। শব্দ প্ৰয়োগত তেখেত সচেতন। কিন্তু পুৰণি, অপ্ৰচলিত শব্দৰ প্ৰতি থকা আকৰ্ষণে তেখেতৰ পংক্তিসমূহলৈ কেতিয়াবা জড়তা ননাকৈ থকা নাই। শব্দ আৰু প্ৰতীকৰ উচিত ব্যৱহাৰেৰে তেখেতে কেতবোৰ আকৰ্ষণীয়, ব্যঞ্জনাময় কাব্য-চিত্ৰও অংকন কৰিছে। তলৰ কবিতা দুফাকি 'দেউকি' নামৰ কবিতাটিৰ পৰা উদ্ধৃত। ইয়াৰ মাজৰে ফুকনৰ কবিতাৰ বৈশিষ্ট্যৰ উমান পাব পাৰি।

(ক) শুংশুঙাই থাকে এটা নিৰন্তৰ অনুভৱ।
সময়ত দেউকি খাই উঠে দিক্‌বিদিক্‌।
একোটি চিকেহি আহি যায় গুচি
দেহ মন জঠঙা কৰি,
সানি সানি আটি দিয়ে জড়পুৰ জড়িমা।

(খ) বুকুখনৰ গুমগুমনি এটাই কাণত বজাই থাকে বেসুৰা সংগীত
এতিয়া
হৃদয় আটাইৰে হেনো এটি এটি দ্বীপ।
কি দুৰ্গম দ্বীপান্তৰ। কি দুৰ্জয় জলধৰ।
কি নিৰ্মম নিৰ্বাসন নিৰন্তৰ নৰকত।
সখী নাই হায় সখী নাই,
সাঁকো নাই হায় সাঁকো নাই।

('দেউকি', গৰীয়সী, ফেব্ৰুৱাৰী, ২০০১)

কবি-সমালোচক হৰেকৃষ্ণ ডেকাই উচিতভাৱে পৰ্যবেক্ষণ কৰিছে যে ষাঠিৰ দশকতে ৰামধেনু যুগৰ শক্তিশালী কবিসকলে মুকলি কৰা পথেৰে আগবাঢ়ি অসমীয়া 'আধুনিকতাবাদী' কবিতাৰ ভাষা-শৈলী আয়ত্ত কৰিছিল কবি আনিছ উজ জামানে[৫]। জামান সাম্প্ৰতিক অসমীয়া কাব্য-ক্ষেত্ৰৰ এগৰাকী গুৰুত্বপূৰ্ণ কবি। অসমীয়া আধুনিক কবিতাৰ শব্দসজ্জাৰে সৰলতা আনি কবিতাৰ পাঠকৰ ওচৰ চপাই নিয়াত জামানৰ অৱদান আছে।

সেই সময়তে আনিছ উজ জামানে নিজা শৈলীৰ সন্ধান কৰিছিল। যোৱা দহ বছৰত জামানে লিখা আৰু আমি পঢ়ি চোৱা কবিতাবোৰত সময়ৰ উত্থান-পতনৰ হিচাপ লোৱাৰ প্ৰৱণতা এটি ফুটি উঠাটো লক্ষ্য কৰিছোঁ। অলপতে প্ৰকাশ পোৱা কবিতা এটিত সময়ৰ গতিত সৃষ্টি হোৱা 'গান' আৰু 'উচুপনি'ৰ গুৰুত্ব-লঘুত্ব জুখি তেখেতে অশান্ত মনক প্ৰবোধ দিছে।

'কেনেকৈ যে পোহৰ আহি বুকুখন ভৰাই দিয়ে
কেনেকৈ যে বতাহে শুহি নিয়ে পানী
অকলশৰীয়া নাবিকজনে পিছে পালতৰা নাছিল
গভীৰ সুঁতিত হেৰাই যাব বুলিয়েই
এতিয়া লাহে লাহে পানীৰ গতি বুজা হ'ল, বতাহৰো
সেয়েহে পালখন আন এখন নাৱত গাঠি দিলে
দুখন নাও আহি লগ লাগিল
এখনত গান আৰু আনখনত উচুপনি
লাহে লাহে গানবোৰ গভীৰ হ'বলৈ ধৰিলে
উচুপনিবোৰ ক্ৰমে মাৰ গ'ল
..............................

('আন্ধাৰ খান্দি পোহৰ অনাজন...', গৰীয়সী, অক্টোবৰ, ২০১০)

কবি সমীৰ তাঁতীৰ কবিতাত সামাজিক বাস্তৱতাৰ চিত্ৰ আকৰ্ষণীয় ৰূপত প্ৰকাশ হৈছে। শব্দ নিয়ন্ত্ৰণত কবিয়ে কৃতিত্ব দাবী কৰিব পাৰে। ২০০৪ চনত প্ৰকাশিত কবিৰ 'বিষাদ সংগীত' নামৰ সংকলনটিৰ কবিতাবোৰ পঢ়িলে অনুভৱ হয় কুৰি শতিকাৰ আশী আৰু নৱৈৰ দশকত তেওঁৰ কবিতাত ফুটি উঠা আবেগপূৰ্ণ উক্তি-প্ৰত্যুক্তিৰ পৰা তেওঁৰ কবিতা মুক্ত হৈছে। নিষ্পাপ শিশুৰ প্ৰাণ কাঢ়ি নিয়া ভয়ংকৰ বোমা বিস্ফোৰণৰ কাহিনীও নিয়ন্ত্ৰিত শব্দসজ্জাৰে কবিয়ে কেনে মনোগ্ৰাহী আৰু ব্যঞ্জনাময়ী কৰি তুলিব পাৰে, সেয়া তলৰ উদ্ধৃতিটো পঢ়িলে বুজা যায়—

'ক'লৈ যাওঁ এই ৰাতি অকলশৰে নদীক কন্দুৱায় বালিত।
কোনো নাই পৃথিৱীত ইমান ব্যাকুল হ'বলৈ শিশুবোৰৰ দৰে। নিজান কেউফাল নিজান। নিজান বাট নিৰ্জন আকাশ নিজান গাঁও-ভূঁই চহৰ। চৰাইবোৰ আন্ধাৰতে বিনায়। কাৰ শোকৰ মালিতা এই চৰাই। কেৱল নিচুকায় আন্ধাৰতে'

('ধেমাজি, ১৫ আগষ্ট, ২০০৪', বিষাদ সংগীত)

সনন্ত তাঁতীৰ কবিতাও মূলতঃ সামাজিক বাস্তৱতাৰ ভেটিতে নিৰ্মিত। সমীৰ তাঁতীৰ দৰে তেওঁৰো জন্ম চাহ বাগিচাত। বাগিচাৰ বনুৱাৰ সংগ্ৰামী জীৱন তেওঁ ওচৰৰ পৰা লক্ষ্য কৰিছে। সেইবাবে তেওঁৰ কবিতাত আমি বিদ্ৰোহী সত্তাৰ উপস্থিতি অনুভৱ কৰোঁ। কবিয়ে স্পষ্টভাৱেই কৈছে— 'কবিতাৰ শাখা-প্ৰশাখাত বাগৰি পৰে জুই। জুইৰ পৰা আমি জন্ম হওঁ।' নিয়ন্ত্ৰিত শব্দসজ্জাৰে তেওঁ ক্ষয়িষ্ণু সময়ৰ চিত্ৰ আঁকিব জানে। সেইবাবে তেওঁৰ কাব্য-পংক্তিবোৰ ব্যঞ্জনাময়। নিষ্ঠুৰ সময়ৰ ছবি ব্যঞ্জনাময়ী, সৰল শব্দৰে কবিয়ে কিদৰে অংকন কৰে, তলৰ কবিতাফাকি পঢ়িলে বুজি পোৱা যায়—

'বৰ ভয়ংকৰ আছিল ৰাতিবোৰ।
জোনাক নাছিল।
তৰা নাছিল আকাশত।
সুগন্ধ নাছিল আন্ধাৰত।
শংকা আৰু কান্দোনৰ শব্দবোৰ মাথোঁ
বিয়পি আছিল
চৌদিশে'

('ৰাতিবোৰ হত্যাকাৰী আছিল', জয়-জয়ন্তী, নিৰ্বাচিত কবিৰ কবিতা, ২০০১)

অনুভৱ তুলসী বৰ্তমান সময়ৰ এগৰাকী সফল কবি। ব্যঞ্জনাময় শব্দসজ্জাৰে চিত্ৰকল্প নিৰ্মাণ কৰাত তেওঁ সিদ্ধহস্ত। অনুভৱ তুলসী অধ্যয়নশীল কবি। দেশ-বিদেশৰ বিখ্যাত কবিসকলৰ কবিতা তেওঁ অধ্যয়ন কৰিছে। কেইগৰাকীমানৰ নিৰ্বাচিত কবিতা অনুবাদ কৰি আলোচনীত প্ৰকাশ কৰিছে। এই অধ্যয়ন আৰু অনুবাদ কৰ্মই কবিৰ নিজৰ কাব্য-ভাবনা আৰু শৈলী পৰিপুষ্ট হোৱাত সহায়ক হৈ পৰিছে বুলি অনুমান কৰিব পাৰি। নিয়ন্ত্ৰিত শব্দসজ্জাৰে কবিয়ে ব্যঞ্জনা কিদৰে সৃষ্টি কৰে, তলৰ উদ্ধৃতিলৈ চালে বুজিব পৰা যায়—

'আছেনে আপোনাৰ চিনা-জনা
বাৰিষা মেঘৰ এহাল চকুৰে

কাকো নক'ব কাকো নক'ব

আমাৰ এক চুবুৰীয়াৰ চকু
চকু নহয়
জীয়নীয়া মেঘ'

('বৰ ভয় বৰষুণলৈ', প্ৰান্তিক, ১ ছেপ্টেম্বৰ, ২০০৬)

পৰীক্ষা-নিৰীক্ষা চলাই নিজস্ব শৈলীৰ অধিকাৰী হ'বলৈ সক্ষম হোৱা অন্য এগৰাকী সফল কবি হ'ল নীলিম কুমাৰ। নীলিম কুমাৰৰ ভাষাত দখল আছে। অসমীয়া ভাষাৰ কালিকাৰ

৫. দ্ৰষ্টব্য ঃ তৰুণ প্ৰজন্মৰ কবিতা, সম্পাদনা—হৰেকৃষ্ণ ডেকা, পৃষ্ঠা— ০.১৯

সহায়তো তেওঁ কেতিয়াবা কবিতা-লেখাৰ পৰীক্ষা চলাইছে। কবি হিচাপে তেওঁ বিশেষ স্বাধীনতাও বিচাৰে যেন অনুভৱ হয়। যাৰ বাবে তেওঁ মাজতে বিতৰ্কৰ আৱৰ্তত সোমাই পৰিছিল। 'বেয়া কবিতা' লিখিছে বুলি তেওঁলৈ সতীৰ্থ কবিয়ে আঙুলি টোঁৱাইছিল। পৰীক্ষা-নিৰীক্ষাৰ স্বাৰ্থতে নীলিম কুমাৰে কিছুসংখ্যক বৰ্ণনামূলক কবিতা লিখিছে। এইলানি কবিতা বক্তব্যপ্ৰধান হোৱা বাবে ব্যঞ্জনা কিছু পৰিমাণে ব্যাহত হোৱা যেন অনুভৱ হয়। ২০০১ চনত ৰচিত আৰু 'জোনাক ভালপোৱা তিৰোতাজনী' নামৰ সংকলনটিত কেইটিমান বৰ্ণনামূলক কবিতা অন্তৰ্ভুক্ত হৈছে। নীলিম কুমাৰ সহজ-সৰল শব্দৰে কাব্যিক ব্যঞ্জনা সৃষ্টি কৰাত সিদ্ধহস্ত। তলৰ কবিতাফাকিলৈ মন কৰক—

'আহা এই ধুনীয়া আৰু
ভয়ংকৰ ভাঁজটোতে
নামো
এই ভাঁজটোৰ পৰা চোৱা
পৃথিৱীখন আলিংগন কৰিবৰ মন যায়
এই ভাজটোৰ পৰা চোৱা
জঁপিয়াই দিবলৈ মন যায়
সেউজীয়া মৃত্যুলৈ'

('ধুনীয়া ভাজত', প্ৰান্তিক, ১৬ এপ্ৰিল, ২০০৮)

কবি মনজিৎ সিঙৰ কবিতাত অংকিত হৈছে সমসাময়িক সমাজ জীৱনৰ ছবি। এই ছবি আশা আৰু নিৰাশাৰ। এওঁৰ কবিতা বক্তব্যপ্ৰধান। কবি সিঙৰ শব্দ নিয়ন্ত্ৰণৰ ক্ষমতা আছে। তেওঁ মুখ্যতঃ আশাবাদী কবি। কিন্তু আধুনিক কালৰ ক্ষয়িষ্ণুতাই কবি-মনক এনেকৈ আমনি কৰে যে ভাব প্ৰকাশ তেওঁৰ কাৰণে মুখ্য হৈ পৰে, আংগিকে পাবলগীয়া গুৰুত্ব নাপায়। এই সমস্যাটো দ্বিতীয় মহাযুদ্ধৰ সময়ৰ প্ৰগতিশীল কবিসকলৰ ক্ষেত্ৰতো দেখা গৈছিল। কেতিয়াবা নৱকান্ত বৰুৱা আদি কবিৰ কবিতাৰ প্ৰতিধ্বনি শুনা গ'লেও কবিৰ শব্দসজ্জা শক্তিশালী বুলি ক'ব পৰা যায়। সেইবাবে সেইবোৰ পঢ়ি ভাল লাগে। তলৰ পংক্তিটো 'চিলনী' নামৰ কবিতাটিৰ পৰা উদ্ধৃত কৰা হৈছে—

'তইতো দেখিছ
গছৰ ফেৰেঙনিত অথবা পাহাৰৰ দাঁতিত
সাপে কিদৰে সলাই তাৰ মোট
ৰ'দে কিদৰে ধৰ্ষণ কৰে যৌৱনা পথাৰক
কিদৰে বৰষুণে আলিংগন কৰে সেউজীয়াক
অথবা গৰ্ভৱতী কৰি তোলে নদীক'

('চিলনী', জয়-জয়ন্তী, নিৰ্বাচিত কবিৰ কবিতা)

লোক-সংস্কৃতি অধ্যয়নত ৰাপ থকা কবি জীৱন নৰহে লোক-জীৱনৰ পৰা সমল লৈ কেতবোৰ ভাল কবিতা ৰচনা কৰি কবি হিচাপে প্ৰতিষ্ঠিত হৈছে। অসমীয়া আৰু মিচিং ভাষাত দখল থকা কবিয়ে নিয়ন্ত্ৰিত শব্দসজ্জাৰে কাব্য-চিত্ৰ নিৰ্মাণ কৰিছে আৰু নিজস্ব শৈলীৰো অধিকাৰী হৈছে। ব্যক্তি হিচাপে নৰহ কেইটিমান বিশেষ গুণৰ অধিকাৰী। তেওঁ ধৈৰ্যশীল, সমালোচনাৰ পৰা তেওঁ শিকিবলৈ আগ্ৰহী। সংগীত আৰু নাটকৰ প্ৰতি তেওঁৰ বিশেষ আকৰ্ষণ আছে; এসময়ত তেওঁ অপেছাদাৰী নাট্যদল গঠন কৰি অভিনয়ৰ ব্যৱস্থা কৰিছিল। ঠিক সেইদৰে লোকচক্ষুৰ আঁতৰত থকা শিল্পীক নিমন্ত্ৰণ কৰি সংগীতানুষ্ঠানৰো আয়োজন কৰিছিল। এই কথাবোৰ প্ৰকাশ কৰাৰ কাৰণ হ'ল, আমাৰ বোধেৰে এই গুণবোৰে তেওঁৰ নিজস্ব শৈলী নিৰ্মাণত অনুঘটকৰ কাম কৰিছে। কবিতাত তেওঁ যি কৈছে অন্তৰৰ গভীৰ প্ৰদেশৰ পৰা কৈছে, কণ্ঠ বা ওঁঠৰ পৰা কোৱা নাই। অৱশ্যে চহৰীয়া জীৱনৰ কৃত্ৰিমতাই কেতিয়াবা তেওঁকো আমনি নকৰাকৈ থকা নাই; যাৰ ফলত তেওঁৰ কবিতাতো কেতিয়াবা বালিচন্দাৰ চমকনি দেখা যায়। অৱশ্যে সামগ্ৰিক বিচাৰত তেওঁ সফল কবি। তেওঁ নিৰ্মাণ কৰা পংক্তিবোৰৰ ব্যঞ্জনাই সহৃদয়জনৰ হৃদয়ত ৰসানুভূতি জাগ্ৰত কৰে। তলৰ কবিতাফাকি 'নিনামৰ সপোন' শীৰ্ষক কবিতাটিৰ পৰা লোৱা হৈছে—

'আবুতানিয়ে আমালৈ সিঁচা ধান
কপৌ চৰায়ে টোঁটোলা ভৰাই খায়

নাখাবি নাখাবি টোঁটোলা ভৰাই
নিনামৰ ভাঙিব সপোন

।। ধায়ে কয়।।
। তোৰ আয়েৰ ঢুকাল।
এইমাত্ৰ দুদু খাই উঠিছোঁ, মিছলীয়া— তাই হাঁহে।'

(প্ৰান্তিক, ১৬ মাৰ্চ, ২০০৭)

যোৱা দহ বছৰত কেইবাগৰাকী মহিলা কবিয়েও কবিতা ৰচনা কৰি আমাৰ সাহিত্যৰ ভঁৰাল চহকী কৰাত অৰিহণা যোগাইছে। এই কবিসকলৰ ভিতৰত উল্লেখযোগ্য হ'ল কৰবী ডেকা হাজৰিকা, লুৎফা হানুম ছেলিমা বেগম, অৰ্চনা পূজাৰী, সুমিত্ৰা গোস্বামী, অনুপমা বসুমতাৰী আৰু নীলিমা ঠাকুৰীয়া হক। কৰবী ডেকা হাজৰিকাৰ কবিতাত চিনাকি শব্দৰে চিত্ৰকল্প গঢ়াৰ প্ৰয়াস দেখা যায়। ব্যক্তিগত সুখ-দুখৰ লগতে সামাজিক সমস্যাতো আলোকপাত কৰাৰ প্ৰয়াস দেখা যায়। কবি চৌপাশৰ প্ৰকৃতি সম্পৰ্কেও সচেতন। অৱশ্যে বক্তব্য প্ৰকাশ মুখ্য হৈ পৰা কাৰণে কাব্যিক ব্যঞ্জনা বহু সময়ত ক্ষীণ ৰূপত প্ৰবাহিত হোৱা দেখা যায়। 'বৰষুণ শিল্প', 'ব্ৰহ্মপুত্ৰ' আদি কবিতা পঢ়িলে তেনে অনুভৱ হয়।

'বৰষুণক নানাভাৱে গঢ় দিব পৰাটোও এটা কলা।

বৰষুণবোৰক সূতাৰ দৰে চপাই আনিব পাৰি
আৰু ওৰে ৰাতি উজাগৰে থাকি
বৈ উলিয়াব পাৰি ৰূপালী সাজ

('বৰষুণ শিল্প', প্ৰান্তিক)

প্ৰাঞ্জল শব্দসজ্জাৰে ব্যঞ্জনা সৃষ্টিৰ প্ৰয়াস দেখা যায় লুট্‌ফা হানুম ছেলিমা বেগমৰ কবিতাত। শব্দ ব্যৱহাৰত তেওঁ সাৱধান যদিও শব্দবিশেষৰ প্ৰতি থকা মোহে কবি-মনক আমনি কৰে যেন অনুভৱ হয়। ব্যক্তিগত সুখ-দুখৰ হিচাপ-নিকাচৰ আৱৰ্তত থাকি হয়তো কবিৰ হাত সৃষ্টিৰ প্ৰতি ধাৱিত হয়। অৱশ্যে বাহিৰৰ জগতৰ সমস্যাই তেওঁক সচেতন কৰি তোলা নাই, এনেও নহয়। তেওঁৰ কবিতাত সাংগীতিক ব্যঞ্জনা অনুভৱ কৰা যায়, যিয়ে কেতিয়াবা নীলমণি ফুকনৰ বিখ্যাত পংক্তিবোৰৰ স্মৃতি জাগ্ৰত কৰে। 'হে বিৰ্কমাই বুকু ফালি চোৱাহি মোৰ' নামৰ সংকলনখনৰ পৰা দুফাকি কবিতা তলত উদ্ধৃত কৰা হ'ল—

'মৃত্যুৱে চুব পাৰেনে আকাশ
মৃত্যুৱে সৰুৱাইনে গছৰ পাত
মানুহৰ চকুলৈ নামি আহিলে নদী এখন
নদীত হঠাত বালিচৰ পৰা দেখিলে
ভাবানে তুমি
কিমান বাৰ বালিঘৰ সাজিলো মই
কিমান বাৰ সাজিলা তুমি'

(২৩ নং কবিতা)

অৰ্চনা পূজাৰীৰ কবিতাত প্ৰধানতঃ ব্যক্তিগত জীৱন-অনুভূতিৰ প্ৰকাশ ঘটিছে। সহজ শব্দসজ্জাৰে ব্যঞ্জনা সৃষ্টিৰ প্ৰয়াস তেওঁৰ কৱিতাৰ বৈশিষ্ট্য। 'জি এন আৰ চিত হৃদয় বিচাৰি', 'দৈয়াং গেষ্ট হাউছ', 'নুমলী কুঁৱৰী আৰু মই' আদি কবিতাত অতিৰিক্ত বা অপ্ৰয়োজনীয় শব্দৰ উপস্থিতিয়ে ব্যঞ্জনাৰ সুঁতি খীণ কৰি পেলাইছে যেন অনুভৱ হয়। দুই-এটা কবিতাত প্ৰকাশ হোৱা ৰোমাণ্টিক ভাব-ব্যঞ্জনাই পাঠকৰ মনত তৃপ্তি যোগায়।

(ক) 'বহু কথা পাতিলোঁ
বহু ৰৈ গ'ল
বন্ধুৰ বাটকুৰি ৰাই অহাৰ পিছত
পানীপিয়াৰ আজিও পিয়াহ'

('কেনে আছা তুমি', গৰীয়সী, ফেব্ৰুৱাৰী, ২০০৭)

(খ) 'মেঘৰ ঘৰ, মেঘৰ চোতাল
ওঁঠত মেঘৰ আলাপ
মেঘে মৰমেৰে কৈছে— কপছুৱা এই
বিছনাতে
খন্তেক জিৰোৱা
অপ্সৰাবোৰ আহিলে পলুৱাই লৈ যাব'

('মেঘৰ বুকুত এটা আবেলি', প্ৰান্তিক, ১ নৱেম্বৰ, ২০০৮)

সহজ শব্দসজ্জাৰে ব্যক্তিগত জীৱন-অনুভূতিৰ প্ৰকাশ ঘটাইছে কবি অনুপমা বসুমতাৰীয়ে। সহজ শব্দৰে ব্যঞ্জনা সৃষ্টিৰ তেওঁ প্ৰয়াস কৰে। কিন্তু পোনপটীয়া বক্তব্যই কেতিয়াবা ব্যঞ্জনাৰ সুঁতিক যেন ঢাকি ধৰে। 'তোমাৰ শুভ কামনাৰে' শীৰ্ষক সংকলনখনত অন্তৰ্ভুক্ত কবিতাবোৰত মূলত প্ৰেমানুভূতি প্ৰকাশ হৈছে। অৱশ্যে গাঁৱলীয়া জীৱনগাঁথাৰ ছবিও তেওঁ সুন্দৰকৈ অংকন কৰিছে।

'সংগীতৰ দৰে গুণগুণ বতাহৰ মাত
বাঁহীৰ দৰে তীব্ৰ জিলি, উঁইচিৰিঙাৰ মাত
আমে মলিওৱাৰ বতৰত
ডাললত বিনাই থকা কুলিৰ মাতত
বসন্তৰ আগমন হোৱাৰ
এটা অনুভূতিৰ প্ৰান্তৰ আমাৰ গাঁও'

('জীৱনৰ সিপাৰেও', তোমাৰ শুভ কামনাৰে)

কুৰি শতিকাৰ চল্লিছৰ দশকত 'জয়ন্তী'য়ে আৰম্ভ কৰা প্ৰগতিশীল কাব্যধাৰাটি বিভিন্ন কবিয়ে প্ৰৱাহিত কৰি ৰাখিছে। বৰ্তমান সেই ধাৰাৰ দুগৰাকী কবি হ'ল সমীৰ হুজুৰি আৰু ইছমাইল হোছেইন। সামাজিক বাস্তৱতা দুয়োগৰাকী কবিৰ কবিতাৰ প্ৰধান বৈশিষ্ট্য। হুজুৰিৰ 'পৃথিৱীৰ প্ৰথম প্ৰেমিক' নামৰ সংকলনটিত তেওঁৰ প্ৰগতিশীল চিন্তাৰ প্ৰকাশ ঘটিছে। অৱশ্যে বক্তব্যপ্ৰধান হৈ পৰাত হুজুৰীৰ কিছুসংখ্যক কবিতাত ব্যঞ্জনা ব্যাহত হোৱা যেন বোধ হয়। অলপতে প্ৰকাশিত কবিতা এটিত তেওঁ দৰিদ্ৰ জনতাৰ দুখৰ ছবি এইদৰে অংকন কৰিছে—

'পঞ্চাশ টকীয়া কেৰাচিন সুলভ যদিও
খাইতেলৰ বটল উদং
উদং গাৰেই জাৰ জহ
পা-পোৱালিৰ মাকে
ভাত নাপাই খাইছে বিহ
..........................
কাৰ বাৰটিমাহ নুপুৰায় ৰাতি
জীৱিকাৰ যৱনিকা তৰা
বিশ্বায়নী বিকাশৰ ছুনামিত
উটি গ'লে দেশবাসী
কাৰ বাবে দেশ
দেশৰ প্ৰাচুৰ্য:

('কাৰ বাৰটিমাহ', গৰীয়সী, অক্টোবৰ, ২০১০)

সমাজৰ নিঃস্ব আৰু বিপদগ্ৰস্তজনৰ হৈ সাহসেৰে মাত মাতিবলৈ আগ্ৰহেৰে আগবাঢ়ে ইছমাইল হোছেইনে। অৱশ্যে একাণপতীয়া চৰ্চাৰ অভাৱৰ ফলতে নেকি তেওঁৰ কিছুমান পংক্তিৰ ব্যঞ্জনাৰ সুঁতি ক্ষীণ। তীব্ৰ সমাজ-চেতনাৰ কাৰণে সেইবোৰ বক্তব্যধৰ্মী হৈ পৰিছে। অৱশ্যে শব্দ নিয়ন্ত্ৰণৰ শক্তি তেওঁৰ আছে। 'মাজুলীৰ বিপদ-গাথা' শীৰ্ষক কবিতাটিৰ পৰা তলত এটি ফাকি উদ্ধৃত কৰা হ'ল—

'নৈৰ পৰা উঠি আহিছে মাছবোৰ; ছটফটাইছে শুকান বালিত।
কি আচৰিত! নৈ আছে পানী নাই, পানী আছে নৈ নাই;

চকুলোৰ নৈ, উৰুখা চালত, কেৱল চকুলোৰ
বৰষুণ; তিতিছেনে বাৰু যন্ত্ৰণাক্লিষ্ট মানুহবোৰ!

('মাজুলীৰ বিষাদ-গাথা', গৰীয়সী, জানুৱাৰী, ২০০৮)

পূৰ্ণ ভট্টাচাৰ্যৰ ব্যঞ্জনা সৃষ্টিৰ দক্ষতা আছে, কিন্তু শব্দ প্ৰয়োগত যথোচিত সাৱধান নোহোৱাৰ ফলত কেতিয়াবা কিছুমান পংক্তিয়ে পাঠকৰ হৃদয়ত কাব্য-ৰস উচিতভাৱে উদ্ৰেক নকৰে যেন অনুভৱ হয়। অৱশ্যে পাৰ হৈ যোৱা আৰু বৰ্তমান সময়ৰ গাঁৱলীয়া আৰু নগৰীয়া জীৱনৰ খণ্ডচিত্ৰবিশেষ তেওঁ কৃতিত্বৰে অংকন কৰিছে দুটামান কবিতাত। 'পলসুৱা পথাৰত' তেনে এটি কবিতা।

'পানী বাঢ়িছে
চল্‌চলীয়া চকুৰে সোমাইছে বাঢ়নী পানী

পথাৰৰ ধানৰ থোকতো পানী
খেতিয়কৰ কলিজাতো পানী
মৰা ভৰলুৰেও চহৰত সোমাইছে জীয়া পানী

.... .... .... .... .... ... ...

ধেৎ ..............
পানীৰে যে গঢ়িব পাৰি চিত্ৰকলা
মানুহৰ হৃদয়ৰ অজন্তা-ইলোৰা
পানীৰ এইবোৰ লোক-কথা
ইহঁতে একোকে নাজানে'

(গৰীয়সী, ছেপ্টেম্বৰ, ২০০৭)

সহজ শব্দসজ্জাৰে ব্যঞ্জনা সৃষ্টিৰ প্ৰয়াস কৰা পৰিলক্ষিত হয় এম কামালুদ্দিন আহমেদৰ কবিতাত। আহমেদ অসমীয়া সাহিত্যৰ এগৰাকী ছিৰিয়াছ পাঠক আৰু গৱেষক। পঠন আৰু গৱেষণালব্ধ আনন্দ-নিৰানন্দয়ো তেওঁক কবিতা লিখিবলৈ প্ৰেৰণা যোগায় যেন অনুভৱ হয়। শব্দ নিৰ্বাচনত তেওঁ সচেতন। ব্যঞ্জনা সৃষ্টিৰে পংক্তিবোৰ মনোৰম কৰি তুলিবলৈ হয়তো অধিকতৰ সচেতন হোৱাৰ প্ৰয়োজন আছে; 'এদিন দিল্লীৰ পদপথেৰে', 'ভয়', 'পাণবজাৰত এটা ধেকুৰা কুকুৰৰ দৰে', 'ভিৰৰ মাজত ফুলি উঠা ফুল', 'যাত্ৰা', 'কুঁৱলী' আদি কবিতা পঢ়িলে এনে অনুভৱ হয়। 'কুঁৱলী' কবিতাৰ এফাকি তলত উদ্ধৃত কৰা হ'ল—

'আজিও মনৰ ৰন্ধ্ৰেৰে
নিজৰি নিজৰি আহে কুঁৱলী
জুলীয়াৰ এখন প্ৰাচীৰ থিয় দি ৰয়
ৰ'দৰ তৰংগক বাধা দি
ঃ বেঙুনীয়া এমুঠি জলছবি
ৰ'দ আৰু কুঁৱলীৰ সংঘাতৰ পৰিণতি'

(গৰীয়সী, জানুৱাৰী, ২০০৯)

* * *

ওপৰত আলোচনা কৰা কবিসকলৰ উপৰি আৰু কেইবাগৰাকীও কবি আছে, যিসকলে বৰ্তমান কবিতা ৰচনা কৰি আছে। জ্ঞান পূজাৰী, ৰাজেন্দ্ৰনাথ বৰদলৈ, ফণীভূষণ দাস, ৰফিকুল হোছেইন, কৌস্তুভমণি শইকীয়া, আব্দুল হালিম, বিজয় ৰবিদাস, প্ৰয়াগ শইকীয়া, চেনিৰাম গগৈ, নীলকান্ত শইকীয়া, নীলিমা ঠাকুৰীয়া হক, প্ৰদীপ শৰ্মা, প্ৰদীপ শইকীয়া, মনোজ বৰপূজাৰী, ভূপেন দাস, সুমিত্ৰা গোস্বামী, দিলীপ ফুকন, উদয় কুমাৰ শৰ্মা, দিলীপ তালুকদাৰ, ৰাজীৱ ভট্টাচাৰ্য, প্ৰেমনাৰায়ণ নাথ, অনুপম কুমাৰ, ৰাজীৱ বৰুৱা, ভূপেন দাস, প্ৰাণজিৎ মহন্ত, অতনু ভট্টাচাৰ্য, অজিৎ গগৈ, যোগেন টাইদ, গংগামোহন মিলি, নন্দ সিং, হৰেন গগৈ, হেমাংগ কুমাৰ দত্ত, কমল কুমাৰ মেধি, মৃণাল কুমাৰ গগৈ, বিমান কুমাৰ দলে, কুশল দত্ত, প্ৰাণজিৎ বৰা, প্ৰাঞ্জল শৰ্মা বশিষ্ঠ, সৌৰভ শইকীয়া, প্ৰণৱ কুমাৰ বৰ্মন আদি।

এইসকল কবিৰ বিষয়ে বহলাই লিখিবলৈ এই প্ৰবন্ধত ঠাইৰ অভাৱ। পিছত এওঁলোকৰ কবিতা সম্পৰ্কে কিছু কথা লিখিবলৈ চেষ্টা কৰিম। ইয়াত মাত্ৰ শেষত উল্লেখ কৰা কবি দুগৰাকী অৰ্থাৎ সৌৰভ শইকীয়া আৰু প্ৰণৱ কুমাৰ বৰ্মনৰ কবিতা সম্পৰ্কে আলোচনা কৰি এই আলোচনা সমাপ্ত কৰিব বিচাৰিছোঁ।

সৌৰভ শইকীয়া আৰু প্ৰণৱ কুমাৰ বৰ্মন দুয়োগৰাকী বয়সত নবীন। দুয়োগৰাকীয়েই তুলনামূলকভাৱে জনপ্ৰিয় কবি। দুয়োগৰাকীৰ নিজস্ব সংকলনো প্ৰকাশ হৈছে। সৌৰভ শইকীয়াই শব্দ ব্যৱহাৰত নতুনত্ব আনিবলৈ প্ৰশংসনীয় প্ৰচেষ্টা চলাইছে। এই প্ৰচেষ্টাই তেওঁৰ কবিতাৰ ভাষাক এক মাত্ৰা প্ৰদান কৰিছে। 'শুভকামনা' (২০০৬) নামৰ সংকলনটিৰ কবিতাবোৰ পঢ়িলে এনে অনুভৱ হয়। তলত তেওঁৰ এফাকি কবিতা উদ্ধৃত কৰা হ'ল—

'তোমাতকৈও ওখ ধানবোৰ
ধানবোৰ হ'ল শালি
সোণালী ৰিহাখনি খেলে মলয়াত দুলি দুলি
ঢৌ ফালি ফালি কোন ঢপলিয়াই গ'ল
তাইকো উকিয়াই মাতি থৈ গ'ল
পকিবৰ হ'ল
পকিবৰ হ'ল'

('চম্পাৱতী গাঁৱলৈ লাহে লাহে আঘোণ মাহ নামিছে', শুভকামনা)

প্ৰণৱ কুমাৰ বৰ্মন বিশেষকৈ কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ প্ৰিয় কবি। ইয়াৰ কাৰণ হ'ল ডেকা-গাভৰুৰ মনত ৰসৰ সঞ্চাৰ কৰিব পৰা দুটামান কবিতা তেওঁ ৰচনা কৰিছে। অৱশ্যে বৰ্তমান তেওঁৰ কবিতাৰ ভাষাৰ ক্ৰমে পৰিৱৰ্তন হৈছে। অধ্যয়ন আৰু একাণপতীয়া চৰ্চাই তেওঁৰ কবিতাৰ শৈলীৰো পৰিৱৰ্তন ঘটাবলৈ লৈছে যেন অনুমান হৈছে। চমক সৃষ্টিৰ পৰিৱৰ্তে হৃদয়ৰ গভীৰ অনুভৱ নিৰ্বাচিত শব্দৰে প্ৰকাশত তেওঁ গুৰুত্ব দিছে যেন অনুভৱ

হয় 'গৰীয়সী'ত প্ৰকাশিত 'সাপ', 'ফুটগধূলিৰ তোৰণ' আদি কবিতা পঢ়িলে। তলত তেওঁৰ কবিতা এফাকি উদ্ধৃত কৰা হ'ল—

'ফুট গধূলিৰ তোৰণ
তাৰ তলত থিয় দি জলহীন ঘঁৰিয়ালৰ ছাঁ
হিড়িম্বা বিষাদৰ হিৰণ্ময়ী নক্ষত্ৰ
পানশালাত আমি তুলি লওঁ
মৃত্যুৰ মদিৰা পাত্ৰ

('ফুটগধূলিৰ তোৰণ', গৰীয়সী, অক্টোবৰ, ২০০৭)

* * *

ওপৰত আমি আলোচনা কৰা আৰু নাম উল্লেখ কৰা কবিসকলে বৰ্তমান দশকটোত বুজন পৰিমাণৰ কবিতা ৰচনা কৰিছে। সিংহভাগৰে ব্যক্তিগত সংকলনো প্ৰকাশ হৈছে। উক্ত কবিসকলৰ যিসকল স্বাধীনোত্তৰ কালত জন্মিছে, তেওঁলোকক যশস্বী কবি-সমালোচক হৰেকৃষ্ণ ডেকাই তৰুণ প্ৰজন্মৰ কবি বুলি অভিহিত কৰিছে। মানবিশিষ্ট আলোচনী 'গৰীয়সী' আৰু 'প্ৰান্তিক'ৰ আমি নিয়মীয়া পাঠক। থূলমূল হিচাপ কৰি দেখিছোঁ যে যোৱা দহ বছৰত (২০০১-১০) এই আলোচনী দুখনতে তৰুণ প্ৰজন্মৰ কবিসকলে ৰচনা কৰা প্ৰায় এহাজাৰ কবিতা ছপা হৈছে। এই কবিতাবোৰ পুনৰ অধ্যয়ন কৰি আমি এনে এটি সিদ্ধান্তত উপনীত হৈছোঁ যে উক্ত কবিসকলৰ বেছিভাগৰে কাব্যচৰ্চাই গভীৰতা লাভ কৰা নাই। কাব্যানুভূতি যেন অন্তৰৰ পৰা নিগৰা নাই, ওঁঠ আৰু কণ্ঠৰ পৰাহে বাহিৰ হৈছে। এইখিনিতে এগৰাকী কবিৰ কথা উল্লেখ কৰিবৰ মন গ'ল। তেওঁ বিপুলজ্যোতি শইকীয়া। আশীৰ দশকত কলেজীয়া ছাত্ৰাৱস্থাতে বহু সম্ভাৱনা লৈ কবি হিচাপে তেওঁ আত্মপ্ৰকাশ কৰিছিল। তেওঁৰ কাব্য সংকলন 'মহাকাব্যৰ প্ৰথম পাত'ত (১৯৮৯) তেওঁৰ নিজস্ব শৈলীৰ উমান পোৱা গৈছিল। কিন্তু পৰৱৰ্তী কালত গৱেষণা আদি কাৰ্যত জড়িত হৈ পৰা কাৰণে সম্ভৱতঃ তেওঁৰ সৃষ্টিৰ সংখ্যা চকুত পৰাকৈ কমি গ'ল। তৰুণ প্ৰজন্মৰ কবিসকলৰ কেইবাগৰাকীও পেছাত কলেজ আৰু বিশ্ববিদ্যালয়ৰ শিক্ষক। বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিৰ্দেশনা অনুযায়ী শিক্ষকসকলে গৱেষণা কৰা উচিত। সেই হিচাপে শিক্ষক-কবিসকলৰ কেইবাগৰাকীও গৱেষণাত জড়িত। আমি অনুভৱ কৰোঁ যে গৱেষণা কাৰ্যই কবিৰ কাব্যানুভূতিত আঘাত হানে। ব্যতিক্ৰম থাকিব পাৰে। আমি ভাবোঁ, সাম্প্ৰতিক কালৰ কেইবাগৰাকীও গৱেষক-কবিৰ কাব্য-ব্যঞ্জনাৰ সুঁতি তৰাং হোৱাৰ ই এটি কাৰণ।

দ্বিতীয়তে কবিসকলে যি লিখে, সিয়ে বিশেষ পৰীক্ষা বা সম্পাদনা নোহোৱাকৈয়ে আলোচনীত প্ৰকাশ হয়। 'জোনাকী', 'জয়ন্তী', 'পছোৱা', 'ৰামধেনু' আদি কাকতে বিশেষ পৰ্যালোচনা-সম্পাদনা কৰি কবিতা ছপাইছিল বুলি জনা যায়। এইখিনিতে 'জয়ন্তী'ৰ সম্পাদক আৰু বিশিষ্ট কবিৰ কাজিয়াৰ কাহিনী এটি উল্লেখ কৰোঁ। পযেকীয়া 'জয়ন্তী'ৰ সম্পাদক ৰঘুনাথ চৌধুৰীয়ে প্ৰতিষ্ঠিত কবি ৰত্নকান্ত বৰকাকতীৰ উষা-অনিৰুদ্ধৰ প্ৰেম- বিষয়ক কবিতা এটি 'সৌন্দৰ্য্য বিশ্লেষণ'ৰ সলনি 'সৌন্দৰ্য্যৰ স্বৰূপ' শিৰোনামেৰে 'জয়ন্তী'ত ছপোৱাত কবি বৰকাকতী খড়্গহস্ত হৈ পৰে। তেওঁ সেই সময়ৰ (১৯৪০) 'বাঁহী'ৰ সম্পাদককলৈ (মাধৱ বেজবৰুৱা) 'জয়ন্তী'ৰ সম্পাদকৰ কাৰ্যক তীব্ৰ ভাষাত গৰিহণা দি এখন চিঠি লিখে। 'সম্পাদকৰ দৌৰাত্ম্য' শিৰোনামাৰে চিঠিখন 'বাঁহী'ত (ভাদ-আহিন, বিশেষ সংখ্যা, ১৯৪০) প্ৰকাশ পায়। চিঠি পঢ়ি সহজে ক'ব পাৰি সম্পাদক আৰু কবিৰ সেইখন কাজিয়া এলাপেচাবিধৰ নাছিল। সম্প্ৰতি আমাৰ কোনো সম্পাদক আৰু কবিৰ এনে বিদ্যায়তনিক 'কাজিয়া'ৰ সৃষ্টি হৈছেনে? নে 'ভাল কবিতা' নাই যেতিয়া যিহকে পাইছে তাকে ছপাইছে?

পৃথিৱীবিখ্যাত কবি টি এছ এলিয়টে 'দ্য ৱেষ্ট লেণ্ড'ৰ পাণ্ডুলিপিটো ছিনিয়ৰ কবি এজ্ৰা পাউণ্ডক দেখুৱাইছিল বুলি জনা যায়। পাউণ্ডে পাণ্ডুলিপিত থকা ভুল শুধৰাই দিছিল বুলিও জনা যায়। অসমীয়া সাহিত্যৰ বিখ্যাত কবিসকলৰ কবিতাৰ একাধিক খচৰা আছিল বুলি আমি জানো। নীলমণি ফুকনদেৱৰ সম্ভৱতঃ 'টোপনিতো তেওঁ মোক খেদি ফুৰিছিল' শীৰ্ষক প্ৰখ্যাত কবিতাটিৰ খচৰাবোৰ বোধহয় ভবেন বৰুৱা সম্পাদিত 'সংলাপ' আলোচনীত প্ৰকাশ হৈছিল। আমাৰ তৰুণ প্ৰজন্মৰ কবিসকলে নিজৰ সৃষ্টিক এনেদৰে finishing দিয়েনে? আমি অনুমান কৰোঁ, তৰুণ প্ৰজন্মৰ বহু কবিয়ে প্ৰথম বৈঠকতে যি লিখে তাকে প্ৰকাশৰ নিমিত্তে পঠিয়াই দিয়ে। সেইবাবে ত্ৰিশ বছৰীয়া কবিতা লিখা যুৱকজনেও গৰ্বেৰে ক'ব পাৰে— এইখন মোৰ পঞ্চম কাব্য সংকলন!

তৃতীয়তে, বৰ্তমান কবিতাৰ সমালোচনা সমীক্ষাত পৰিণত হৈছে। প্ৰখ্যাত আলোচনীবোৰত প্ৰকাশ পোৱা গ্ৰন্থ- সমালোচনাবোৰ পঢ়ি আমাৰ তেনে অনুভৱ হৈছে। সম্প্ৰতি তৰুণ প্ৰজন্মৰ বহু কবিয়ে নিজৰ সংকলনবোৰত বিশিষ্ট সমালোচকে লিখা পাতনি ছপাবলৈ বাদ দিছে। অৱশ্যে, পাতনি লিখিবলৈ সমালোচকৰো অভাৱ হৈছে বুলি অনুভৱ হয়।

তৰুণ প্ৰজন্মৰ কবিতাক লৈ আমি আশাবাদী। কাৰণ উক্ত কবিসকলৰ মাজত কেইবাগৰাকীও প্ৰতিভাৱান কবি আছে, যিসকলে অধ্যয়ন, চৰ্চা আৰু সমালোচনামূলক দৃষ্টিৰে কবিতা লিখিছে। স্বৰূপাৰ্থত তেওঁলোকে 'ভাল কবিতা' লিখিবলৈ লৈছে। এইসকল কবিয়ে অসমীয়া কবিতাৰ সাম্প্ৰতিক ধাৰাটো উজ্জ্বল কৰি তুলিছে। □

*প্ৰবন্ধকাৰ কটন কলেজৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক।*

# দৰঙৰ লোক উৎসৱ

## এক সমীক্ষা

অৰ্চনা নন্দিতা শৰ্মা

বৰলুইতৰ বিস্তীৰ্ণ ভূখণ্ডৰ দুয়োপাৰে যুগ যুগ ধৰি বাস কৰি অহা বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত বিভিন্ন ধৰ্মানুষ্ঠান, পূজা-পাৰ্বন, আচাৰ-বিচাৰ, লোকবিশ্বাস আৰু ধৰ্মীয় অনুভূতিত গঢ়ি উঠিছে অসমীয়া সাংস্কৃতিক ক্ষেত্ৰখন। নানা ভাব-ভাবা নানা সৃষ্টিৰ সমাহাৰত অসমীয়া সংস্কৃতিৰ ভঁৰাল চহকী হৈছে। ব্ৰহ্মপুত্ৰ-বৰাকৰ দুয়োপাৰে জিলিকি থকা এই বিশাল অনুষ্ঠানবোৰৰ কিছু পাৰ্থক্য আছে যদিও বিশ্বদৰবাৰত ইয়াৰ এক সুকীয়া মৰ্যাদা আছে। অসমীয়া সংস্কৃতিৰ পথাৰৰ অভিনৱ সংযোজন 'অসমীয়া লোক-উৎসৱ'সমূহৰো এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য চকুত পৰে। তাৰে বহুখিনি তাত্ত্বিক, বহুখিনি নান্দনিক, বহুখিনি ধৰ্মীয় অনুভূতিৰে বিশেষভাৱে জড়িত।

অসমৰ জিলাসমূহৰ ভিতৰত আকৌ বিশেষভাৱে দৰঙত পালিত লোক-উৎসৱসমূহৰ এক সুকীয়া আৰু অসাধাৰণ মৰ্যাদা আছে। তাৰে ভিতৰত দৰঙৰ দেউল উৎসৱ, মথেনী উৎসৱ, পাচেতি উৎসৱ, মাঁৰে পূজা, জাগাৰ পূজা, বাসুদেৱ পূজা আদি অন্যতম উৎসৱ। তাৰে কেইটামান বিশেষ উৎসৱৰ বিষয়ে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ল।

### দৰঙৰ দেউল উৎসৱ

দৰঙৰ দেউল উৎসৱ এই অঞ্চলৰ এক সুকীয়া আৰু অসাধাৰণ উৎসৱ। ব'হাগৰ মাদকতাৰে ৰাঙলী হোৱা দৰঙী ৰাইজে ৰঙালী বিহুৰ লগে লগে অতি উলহ-মালহেৰে গোটেই ব'হাগ মাহতে দেউল উৎসৱ পালন কৰে। ব'হাগ মাহত উদ্‌যাপিত এই দেউল উৎসৱক এফালৰ পৰা চালে একধৰণৰ বসন্ত উৎসৱ বুলি ভাবিবৰ থল আছে। শীত-গ্ৰীষ্মৰ সমতাই মানুহৰ মনলৈ নাতিশীতোষ্ণ ভাবৰ এক উৎসাহ আনে এই ব'হাগ মাহতে। ন কুঁহিপাত, ন চিন্তাধাৰাই, শালিখেতিৰ বাবে সাজু হোৱা দৰঙী কৃষকৰ ন উৎসাহে দেউল উৎসৱক সোণত সুৱগা চৰায়, দৰঙৰ সেই উৎসৱৰ লগত ভঠেলি, সুঁৱৰি, বাঁহ পূজা আদিৰ লগত কিছু পৰিমাণে সাদৃশ্য থকা বুলি অনুমান কৰিব পাৰি। কিছুমান পণ্ডিতে বাঁহৰ লগত জড়িত কৃত্যৰ পৰা এই দেউল উৎসৱৰ উৎপত্তি বুলি ক'ব খোজে। অতীজৰে পৰা এই দেউল উৎসৱে দৰঙৰ আবাল-বৃদ্ধ-বনিতাৰ মাজত এক হেন্দোলনিৰ সৃষ্টি কৰি আহিছে। বহু লোকে এই দেউল উৎসৱৰ উৎপত্তি ইতিহাসে ঢুকি নোপোৱা কালতে হোৱা বুলি ক'ব খোজে। আৱহমান কালৰে পৰা চলি অহা এই দেউল উৎসৱক দৰঙী ৰজাসকলে ৰজাঘৰীয়া উৎসৱ ৰূপে স্বীকৃতি প্ৰদান কৰিছিল। 'শিয়াল বৈষ্ণৱ চৰিত্ৰ'ত উল্লেখ পোৱা মতে একাদশ শতিকাতে ধৰ্মদেৱ বিপ্ৰ ভূঞাই ছিপাঝাৰৰ একেবাৰে ওচৰতে পোনপ্ৰথমে 'বৰ দেউল'ৰ তোৰণ স্থাপন কৰি দেউল উৎসৱৰ পাতনি মেলিছিল। সেই দেউল উৎসৱৰ ভেটিৰ আশে-পাশে থকা অঞ্চলটোক বৰ্তমান বৰদেউলগুৰি (বৰদৌলগুৰি) নামেৰে জনা যায়। এই সম্পৰ্কে উল্লেখ আছে এনেদৰে—

> 'কামৰূপ অন্তৰ্গত দৰং ৰাজ্যত।
> আছিলেক বৰভূঞা বিপ্ৰৰ মাজত।।
> ..............................................
> তাহাৰ ঈশানে এক দৌলক বান্ধিলা।
> বৰদৌল নাম হৈ অদ্যাপিও ৰৈলা।'



পোনপ্ৰথমে এনেদৰে দৌল স্থাপন কৰি 'বিষ্ণুৰূপী গোবিন্দ'ৰ পূজাৰ আৰম্ভণি কৰিছিল বুলি অনুমান কৰা হয়। পৰৱৰ্তী কালত ই দৰঙৰ চুকে-কোণে সম্প্ৰসাৰিত হৈ গোটেই ব'হাগ মাহতে চাৰিওফালে বিয়পি পৰিল। দেউলৰ থলীত মাটিৰে এটা ওখ দৌল বন্ধা হয় আৰু তাত বিষ্ণুৰ বিগ্ৰহ প্ৰতিষ্ঠা কৰা হয়। বিগ্ৰহৰ ওপৰত এখন চন্দ্ৰতাপ থাকে। দেউলৰ মাটিৰ টিপৰ ওপৰভাগ, য'ত বিষ্ণুৰ বিগ্ৰহ প্ৰতিষ্ঠা কৰা হয়, তাৰ পৰা তললৈ সাতটা খলপ থাকে। জনশ্ৰুতি মতে এই সাতটা খলপক সপ্ত স্বৰ্গৰ প্ৰতীক বুলি ধৰা হয়। গোটেই দেউলৰ টিপটোৰ চাৰিওফালে বাঁহৰ জেওঁনি কাটি ডালে-পাতে কলপুলিৰ সৈতে পোতা হয়। আকৌ বিষ্ণু বিগ্ৰহৰ দুয়োকাষে মৎস্যসহ দুটা মগৰসংযুক্ত সিংহাসন স্থাপন কৰা হয়। এই মগৰ কাঠেৰে ফুলামকৈ সাজি আটকধুনীয়াকৈ সজোৱা হয়। লোকশ্ৰুতি মতে মগৰৰ ভাস্কৰ্যই সাত সাগৰক বুজায়। সচৰাচৰ দেউল পূজা শাস্ত্ৰ মতে উত্তৰ মুখে কৰাৰ বিধান আছে, কিয়নো দেউল পূজা কৃষ্ণৰূপী বিষ্ণু পূজাৰ লগত বিশেষভাৱে জড়িত আৰু বিষ্ণু যেতিয়া অনন্ত শয্যাত আছিল তেতিয়া উত্তৰমুৱাকৈ আছিল বুলি পোৱা যায়। দেউল পূজাত মগৰৰ প্ৰতিমূৰ্তি স্থাপন কৰি মানুহৰ মনত মৎস্যৰূপী অৰ্থাৎ জলৰূপী নাৰায়ণৰ কথা সুদৃঢ় কৰিবৰ চেষ্টা কৰা হয় বুলি অনুমান কৰিব পাৰি (মগৰ শব্দই সাগৰত থকা মাছৰ দৰে এবিধ জীৱক নিৰ্দেশ কৰে)। বিষ্ণু পূজা কৰাৰ উপৰি পুৰোহিতে সিংহাসন মূৰত লৈ সাতটা খলপ প্ৰদক্ষিণ কৰে। ধূপ, ধূনা, দীপ, নৈবেদ্য ষোড়শোপচাৰেৰে শোভিত কৰি ওজাপালিৰ বৰ্ণনা, আয়তীৰ মাংগলিক জোকাৰ, শঙ্খ-ঘণ্টা ধ্বনিৰে গোটেইখিনি কাৰ্য সুকলমে কৰে। জনমানসত দেউল পবিত্ৰ উৎসৱ আৰু ইয়াৰ প্ৰতি ৰাইজৰ বিশ্বাস অপৰিসীম। দৰঙী ৰাইজে বিশ্বাস কৰে যে দেউলৰ ভেটিৰ চাৰিওফালে ঘূৰিলে পূৰ্বজ কৃত পাপ দূৰীভূত হয়। দেউলত সেৱা ল'লে নানাধৰণৰ অপায়-অমংগল, বসন্ত, কলেৰা আদি বেমাৰ নহয় বুলি জনবিশ্বাস আছে। উল্লেখনীয় যে দেউল পূজাৰ আগদিনা দেউলৰ কাষতে কলচোচনিৰে এটা ঘৰ সাজি তাত ভোবোৰা (ভোবোলা) ছাগলীৰ দাড়ি পোৰা অনুষ্ঠান হয়। ইয়াক 'মেষ দাহন' বোলা হয়। এই কাৰ্যসূচীৰ প্ৰভাৱ আজিকালি পৰিলক্ষিত হোৱা দেখা নাযায়। পৰিৱৰ্তনশীল মানুহে দেউল উৎসৱৰ লগত সংগতি ৰাখি সৰু-ডাঙৰ মেলাৰ আয়োজন কৰিবলৈ আৰম্ভ কৰিলে। এনেধৰণৰ মেলাত বিভিন্ন ধৰণৰ বস্তু বেচা-কিনা হয়। এই ক্ষেত্ৰত ছিপাঝাৰৰ ওচৰৰ ঘোৰাবন্ধাৰ দেউল অন্যতম। ইয়াত কাঁহ-পিতলৰ বাচন-বৰ্তনো কিনা-বেচা হয়।

তদুপৰি যি অঞ্চলত দেউল উৎসৱ হয়, সেই অঞ্চলৰ ৰাইজৰ তৎপৰতাত বিভিন্ন কলা-কৃষ্টি প্ৰদৰ্শনেৰে দেউলৰ দিনাখনৰ আবেলিটো সজীৱ কৰি তোলে। ইয়াৰ ভিতৰত থিয়নাম, খুলীয়া ভাৱৰীয়া, বৰ ঢুলীয়া আদিৰ প্ৰদৰ্শন উল্লেখযোগ্য। দেউল হ'বলগীয়া অঞ্চলবোৰৰ লোকসকলে নিৰ্দিষ্ট দিনটোৰ আগতে কাপোৰ-কানি ধুই চাফ-চিকুণ কৰে আৰু পিঠা-পনা যোগাৰ কৰে। আলহী-অতিথিৰ আগমনেও অঞ্চলটোত উখল-মাখলৰ সৃষ্টি কৰে। এনেদৰে দৰঙত গোটেই ব'হাগ মাহতে উলহ-মালহেৰে দেউল উৎসৱ পালন কৰা হয়। আজিকালি জেঠ মাহৰ দুই-এদিনলৈও কোনো কোনো অঞ্চলত এই উৎসৱৰ সম্প্ৰসাৰণ হ'বলৈ আৰম্ভ কৰিছে।

## পাচেতি উৎসৱ

পচতি (দৰঙত পাচেতি বুলি কোৱা হয়) উৎসৱৰ পম খেদিলে ইয়াক জন্ম কৃত্যৰে সম্পৰ্কযুক্ত উৎসৱ বুলিব পাৰি। ই প্ৰধানতঃ কৃষ্ণৰ জন্মৰ লগত সম্বন্ধ থকা এটি উৎসৱ। কৃষ্ণৰ জন্মৰ পঞ্চম দিনত কংস ৰজাই খবৰ নোপোৱাকৈ গোপনে নন্দ ৰজাই পালন কৰা উৎসৱকে পঞ্চতি বা পচতি বুলি কোৱা হৈছিল।

অসমৰ বিভিন্ন ঠাইত পালিত 'পচতি' উৎসৱৰ পৰম্পৰা আৰু ধৰ্মীয় অনুভূতিৰে দৰঙৰ খটৰা সত্ৰতো জন্মাষ্টমীৰ পঞ্চম দিনত পচতি অৰ্থাৎ পাচেতি নামৰ এই অনুপম ধৰ্মীয় অনুষ্ঠানটিৰ পালন কৰিছিল। খটৰা সত্ৰত পোনপ্ৰথমে ভাদৰ জন্মাষ্টমীৰ পঞ্চম দিনা পাচেতি উৎসৱ পালিত হৈছিল যদিও পিছলৈ আন ঠাইত ভাদ-আহিনৰ দোমাহীত এই উৎসৱ পালনৰ পৰম্পৰা পালিত হয়। ইয়াৰ কাৰণ সম্পৰ্কে চালিজাৰি চালে অনুমান কৰিব পাৰি যে খটৰা সত্ৰৰ পাৰ্শ্বৱৰ্তী অঞ্চলৰ লোকসকল কৃষক হোৱা হেতুকে জন্মাষ্টমীৰ পিছৰ সময়খিনি তেওঁলোকে খেতিৰ কামত ব্যস্ত থাকে। সেয়ে খেতিৰ কাম সামৰি ভাদ-আহিনৰ দোমাহীত এই উৎসৱটি মুকলিমূৰীয়াকৈ পালনৰ পৰম্পৰা আৰম্ভ হয়।

দৰঙৰ খটৰা সত্ৰ প্ৰতিষ্ঠা কৰিছিল সুন্দৰীদিয়া সত্ৰৰ আজ্ঞাপৰ শিষ্য গোবিন্দ আতৈয়ে। সত্ৰৰ পাচেতি উৎসৱৰ মুখ্য অনুষ্ঠান হৈছে দধিমন্থন। উল্লেখনীয় যে ৰজা নৰনাৰায়ণৰ ওচৰত গোবিন্দ আতৈয়ে যি নিয়মানুসাৰে দধিমন্থন যাত্ৰাৰ অভিনয় কৰি দেখুৱাইছিল, অনুৰূপ ধৰণে বৰ্তমানো পাচেতি উৎসৱৰ দধিমন্থন কাৰ্যসূচী ৰূপায়িত হয়। খটৰা সত্ৰৰ মুখ্য আকৰ্ষণ ৰাম-লক্ষ্মণ, সীতা, হনুমান আৰু লৱ-কুশৰ মূৰ্তিক পাচেতিৰ দিনা আনদিনাৰ দৰেই উপাসনা কৰা হয়। পাচেতি উৎসৱৰ আগদিনা ৰাতি অধিবাস অৰ্থাৎ গন্ধ পালন কৰা হয়। সেইদিনাই পাচেতি উৎসৱৰ 'দধিমন্থন' ভাওনা প্ৰদৰ্শন হয়। এই দধিমন্থন কাৰ্যসূচীৰ বাবে সত্ৰৰ মুকলি ঠাইত এখন কাৰুকাৰ্যখচিত শাল স্থাপন কৰা হয়। এডাল কাঠৰ ওপৰত সমান সমান দূৰত পাঁচটা ফুটা কৰি তলে-ওপৰে কাঠৰ বাতাম

সংযোগ কৰা হয়। কাঠৰ বাতামত আকৌ পাঁচডোখৰ ধনুযুক্ত বাঁহ সমান দূৰত সুমুৱাই গুৰিৰ ফালে একোটাকৈ কাঠৰ চকা খুৱাই দিয়া হয়, যাতে বাঁহকেইডাল ঘূৰিব পাৰে। বাঁহকেইডালত সৰু টান জৰী দুডাল এনেদৰে লগাই দিয়া হয়, যাতে জৰীৰ মূৰত ধৰি ঘূৰালে এফালে ঘূৰে আৰু আনফালে ঘূৰালে বিপৰীত ফালে ঘূৰে। ভাওনা আৰম্ভ হোৱাৰ আগেয়ে 'গন্ধ'ৰ গীত-মাতেৰে নামঘৰ মুখৰ হৈ থাকে। নাম-প্ৰসংগৰ পিছে পিছে নামঘৰৰ পৰা ভাগৱত পুথি আনি ৰভাৰ তলত স্থাপন কৰা হয়। তাৰ পিছত পৰম্পৰাগত প্ৰথাৰে সুভদ্ৰাৰূপী দেউৰী এগৰাকীয়ে সত্ৰৰ বৰপুখুৰীৰ পৰা বিবাহ কাৰ্যত পানী তোলাৰ অনুপম ধৰণে উৰুলী জোকাৰেৰে পানী তোলে। পানী ভৰাই তিনিবাৰ সত্ৰৰ নামঘৰ প্ৰদক্ষিণ কৰি দধি মথিবলৈ থৈ দিয়া দধিভাণ্ডৰূপী কলসীত পানীখিনি চালি দিয়ে। সুভদ্ৰাৰূপী দেউৰীয়ে গায়ন-বায়ন সমন্বিতে উক্ত স্থানত প্ৰৱেশ কৰাৰ লগে লগে মথনিশালত যশোদা, গোপিনী, শিশু কৃষ্ণৰূপী ভাৱৰীয়াসকলে প্ৰৱেশ কৰে। সূত্ৰধাৰে দধিমথনৰ গীত গোৱাৰ লগে লগে গীতত উল্লেখ থকা মতে ভাও দিবলৈ আৰম্ভ কৰে। খোলৰ বাজনাৰ লগে লগে সূত্ৰধাৰৰ গীত আৰু নৃত্যৰ ভংগীও খৰতকীয়া হয়। এনেদৰেই দধিমথনৰ অভিনয় ৰূপায়ণ কৰি যোৱা হয়। দধিমথনত ব্যৱহৃত গীতসমূহ এনেধৰণৰ—

'ঘিউৰ বাতি লৈ কৃষ্ণক মাতোগৈ
আহা সখী আহা বাই দধি মথোগৈ।'

আকৌ,

'হৰিহে নন্দেৰ জায়া যশোদা
ৰোহিণী বৰ নাৰী,
মথেনীৰ কলসী বসাইলা শাৰী শাৰী।'

দধিমথনৰ ভাওনাৰ শেষত যশোদাই মথন কাৰ্য সামৰি কৃষ্ণক কোলাত লোৱাৰ ভাৱেৰে দধিমন্থন ভাওনাৰ সামৰণি পৰে আৰু সূত্ৰধাৰে গায়ন-বায়ন সমন্বিতে অপৰাধ ক্ষমা কৰি ঘোষা গায়। পাচেতিৰ দিনাখনো এই ভাওনা দুপৰীয়া অনুষ্ঠিত হয়। পাচেতিৰ এই দধিমন্থন কাৰ্যসূচীৰ লগত সংগতি ৰাখি সেইদিনা তাত ডাঙৰ মেলাৰ আয়োজন হয়। দধিমন্থন দৰ্শন কৰিলে পুণ্য সিজে বুলি যাত্ৰীবোৰে বিশ্বাস কৰে আৰু দৰঙৰ বাহিৰেও আন আন ঠাইৰ পৰা জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সকলোৱে এই উৎসৱত ভাগ লয়। পাচেতিৰ পিছদিনাও আকৌ বাহী পাচেতি অনুষ্ঠিত হয়। সেইদিনা আবেলি দধিমন্থন কাৰ্যসূচী অনুষ্ঠিত হয়। এনেদৰে দুদিনীয়া কাৰ্যসূচীৰে অতি উলহ-মালহেৰে পাচেতি উৎসৱ খটৰা সত্ৰত উদ্‌যাপন হয়। খটৰা সত্ৰৰ এই পাচেতি উৎসৱৰ দিনাখনেই ৪০ বছৰমানৰ আগতে দৰঙৰ দেৱানন্দ সত্ৰতো কুমাৰী ছোৱালীবোৰে লাডু ভাৰ নিয়া কাৰ্যসূচীৰে এই উৎসৱ পালন কৰিছিল বুলি পোৱা যায় যদিও ইয়াৰ বৰ্তমান প্ৰভাৱ পৰিলক্ষিত নহয়। তথাপি বৰ্তমানো দেৱানন্দ সত্ৰত সেইদিনা নাম-প্ৰসংগ অনুষ্ঠিত হয়। আকৌ আঘোণৰ দোমাহীত দৰঙৰ বৰঔতলা সত্ৰতো বাসুদেৱ পূজাৰ মাধ্যমত পাচেতি উৎসৱ অনুষ্ঠিত হয়। ইয়াত পাচেতিৰ আগদিনা শাস্ত্ৰীয় ৰীতি মতে গন্ধ-চাপৰি হয় আৰু দৰঙৰ বিখ্যাত বিয়াহ গোৱা ওজাপালি উঠে। পাচেতিৰ উৎসৱৰ দিনাও পুৱাৰে পৰা গন্ধ-চাপৰিৰ সৈতে বাসুদেৱ পূজা হয় আৰু পূজাৰ শেষত হোম হয়।

## মথেনী উৎসৱ

দৰং জিলাৰ ইতিহাসপ্ৰসিদ্ধ দেৱানন্দ সত্ৰত কাতি বিহুৰ দিনাখন পৰম শ্ৰদ্ধাৰে মথেনী উৎসৱ পালন কৰা হয়। এই উৎসৱত দেৱতা-দানৱৰ সাগৰ মন্থনৰ পৌৰাণিক কাহিনীৰ ভিত্তিত সেই দৃশ্য অভিনয় কৰা হয়। এই উৎসৱ ৩০০ বছৰমান পুৰণি বুলি অনুমান কৰিব পাৰি। শালিখেতি কৰাৰ আগমুহূৰ্তত উলহ-মালহেৰে দেউল উৎসৱ পালন কৰি আকৌ শালিখেতি চপোৱাৰ আগমুহূৰ্তত কাতি বিহুৰ লগত সংগতি ৰাখি দৰঙী ৰাইজে আধ্যাত্মিকভাৱে মথেনী উৎসৱ পালন কৰে। এইফালৰ পৰা মথেনীক কৃষিভিত্তিক এক লোক-উৎসৱ বুলি ভাবিবৰ থল আছে। ঐশ্বৰ্য-বিভূতিৰ দেৱী লক্ষ্মীয়ে অমৃত খুৱাই দেৱতাসকলক সকাহ দিয়াৰ দৰে আগন্তুক পথাৰৰ লক্ষ্মীয়ে গৃহস্থৰ অভাৱ-অনাটন দূৰ কৰি ৰাইজক সুখ দিয়ে —ইয়েই মথেনীৰ সাগৰ মন্থনৰ দৃশ্যৰ অন্তৰালৰ তাৎপৰ্য।

উৎসৱৰ দিনা পুৱা সত্ৰত বিষ্ণু পূজা আৰু হোম হয়। সত্ৰৰ সমীপৰ মুকলি ঠাইত ৰভা আৰু তাৰ পূবফালে সাগৰ মন্থনৰ অভিনয় অনুষ্ঠিত হয়। ৰভাতলীৰ সোঁমাজত ডাঙৰ গাঁত এটা খান্দি তাত কলহ এটা পুতি তাৰ মাজত এটা চক্ৰ স্থাপন কৰি তাত মথনীৰ দণ্ড প্ৰতিষ্ঠা কৰা হয়। মথনীৰ দণ্ডডালৰ ওপৰত চাৰিখন ৰংচঙীয়া ধনু আঁৰি দিয়া হয়। দণ্ডত শকত জৰী এডাল এনেদৰে লগাই দিয়া হয়, যাতে সেইডালৰ এটা মূৰত ধৰিলে দণ্ডডাল টানকৈ ঘূৰে। আকৌ মথনী দণ্ডৰ ওপৰত পঞ্চামৃত মিশ্ৰিত পিঠাগুড়ি অমৃত ৰূপে আঁৰি থোৱা হয়। উক্ত কাৰ্যৰ প্ৰতীকী ৰূপবোৰ এনে ধৰণৰ— দ গাঁতটো ক্ষীৰ সাগৰ, চক্ৰটো কূৰ্মৰূপী বিষ্ণু, দণ্ডডাল মন্দৰ পৰ্বত আৰু জৰিডাল বাসুকী নাগৰ প্ৰতীক। মথেনী উৎসৱৰ আগদিনা ৮-৩০মান বজাত নামতীসকলে বিয়াত পানী তোলাৰ ধৰণে পানী তুলি মথনীৰ দণ্ডৰ তলত থকা কলহত বাকি দিয়ে। তামোল-পাণ যাচি সেৱা-সৎকাৰেৰে আগ ঘট লোৱা তিৰোতাগৰাকীয়ে মথনীৰ দণ্ডত সংযোজিত জৰীত ধৰি তিনিবাৰ দধিমথনৰ অভিনয় কৰি গুচি যায়। তাৰ পিছত সমবয়সীয়া চাৰিজন ল'ৰা সাজি-কাছি নাম গোৱা দল এটাৰ লগত প্ৰৱেশ কৰি দধিমথনৰ গীত আৰু তালৰ সৈতে সামঞ্জস্য ৰাখি দধিমথনৰ অভিনয় প্ৰদৰ্শন কৰে। মথনীৰ দিনাখনো



মথেনীৰ সাগৰ মন্থনৰ দৃশ্য

আবেলি পূৰ্বৰ চাৰিজন ল'ৰাই স্ত্ৰীবেশে আহি আনদিনাৰ দৰে দধিমথনৰ অভিনয় কৰে।

মথনীৰ মূল আকৰ্ষণ সাগৰ মন্থনৰ অভিনয় হয় উৎসৱৰ দিনা ৰাতি। তাত পোনপ্ৰথমে নাম ধৰা দলে পদ গায়, সত্ৰৰ বয়োজ্যেষ্ঠসকলে সুন্দৰ সাজপাৰেৰে তাত প্ৰৱেশ কৰে আৰু এগৰাকী সত্ৰীয়াই হাতত চোৰৰ লৈ সূত্ৰধাৰৰ ৰূপত দলটোৰ আগত স্থান পায়। সূত্ৰধাৰে গীত, কথাৰে বিষ্ণুৰ বৰ্ণনা, সাগৰ মন্থনৰ কাৰণ বৰ্ণনা কৰি যায় আৰু সত্ৰৰে কিছুমান লোকে গা-মূৰ ঢাকি দেৱতা আৰু অসুৰৰ অভিনয় কৰে। এনেদৰে সূত্ৰধাৰৰ দিহা-পদৰ মাজেৰে অসুৰ আৰু দেৱতাৰূপী ভাৱৰীয়াই অতি ৰং-ৰহইচৰে সাগৰ মন্থনৰ কাৰ্যসূচী পালন কৰে। মথনীৰ জৰীডাল একেবাৰে চিগি যোৱাৰ পিছত সাগৰ মন্থনৰ অভিনয়ৰ পৰিসমাপ্তি ঘটে। সদৌ শেষত দণ্ডৰ ওপৰত পঞ্চামৃতৰ ভাণ্ডটো আনি সকলোৱে আনন্দেৰে মিলি খায়।

কল্যাণকামিতাই মথনীৰ মুখ্য উদ্দেশ্য বুলিব পাৰি। সাগৰ মন্থনৰ জৰিয়তে যেনেদৰে দেৱতাৰ অভাৱ দূৰীভূত হৈছিল, ঠিক তেনেদৰে মথনী উৎসৱৰ দৃশ্যাভিনয় দৰ্শন কৰিলে দৰঙৰ ৰাইজৰ দুখ-কষ্ট, দুৰ্ভিক্ষ আঁতৰ হয় বুলি বিশ্বাস কৰে। তদুপৰি মথনীত ছিগি যোৱা জৰী এডোখৰ ঘৰলৈ নিব পাৰিলে সৌভাগ্য লাভ হয় বুলি বিশ্বাস কৰে। কাৰণ মথনীৰ ছিগা জৰী যাৰ ঘৰত থাকে তেওঁৰ ঘৰত চোৰ-চাতুৰী, অপায়-অমংগল নহয় বুলি এক বিশ্বাস আছে। মথনী উৎসৱৰ লগত সংগতি ৰাখি সেইদিনাখনো তাত পাচেতী বা দেউল উৎসৱৰ দৰে মেলাৰ আয়োজন হয় আৰু অতি হৰিষ মনেৰে দৰঙী প্ৰজাই দহোবন কাটি কৰি এই মথনী উৎসৱৰ উপভোগ কৰে।

সমগ্ৰ অসমবাসীৰ বাপতিসাহোন বিহুৰ লগতে এই উৎসৱসমূহো দৰঙী ৰাইজে অতি আনন্দেৰে পালন কৰে। উৎসৱসমূহৰ লগত সংগতি ৰাখি ওজাপালি, খুলীয়া ভাৱৰীয়া, বৰঢুলীয়া, মুকলি বিহু আদিৰ চৰ্চাও হয়।

* * *

ওপৰত উল্লেখ কৰা দৰঙী লোক-উৎসৱৰ তিনিটা আৰু আন কলা-সংস্কৃতি অধ্যয়ন কৰি আমি অনুধাৱন কৰিব পাৰোঁ যে উক্ত উৎসৱসমূহৰ সৃষ্টি আৰু চৰ্চাৰ অন্তৰালত দৰঙৰ ভৌগোলিক অৱস্থিতি, ঐতিহাসিক, ৰাজনৈতিক গুৰুত্বই বিশেষভাৱে অৰিহণা যোগাইছে। ভূটানৰ পাদদেশত অৱস্থিত এই দৰঙী ৰাজ্যই পূবৰ মৰাণ, বৰাহী আদি জনগোষ্ঠী আৰু পশ্চিমৰ কোচ ৰাজ্যৰ সংস্কৃতিৰ মিলন ঘটাইছিল। পশ্চিমৰ আৰ্যসম্ভূত লোকাচাৰ আৰু পূবৰ তথা দক্ষিণৰ অনাৰ্য সভ্যতাৰ সংমিশ্ৰণত সুকীয়া দৰঙী কলা-কৃষ্টিৰ উদ্ভৱ হোৱা বুলি ঠাৱৰ কৰিব পাৰি। ইয়াৰে লোক-উৎসৱসমূহত ওচৰ-পাঁজৰৰ ভুটীয়া, বড়ো, কছাৰী আদি লোকসকলৰ অংশগ্ৰহণ লেখত ল'বলগীয়া। উদাহৰণস্বৰূপে, পাচেতি উৎসৱত জনজাতি, অজনজাতি তিৰোতাসকলে পৰম্পৰাগত পোছাকেৰে অংশগ্ৰহণ কৰে। এই উৎসৱসমূহ কালক্ৰমত জাতি-ধৰ্ম নিৰ্বিশেষে সকলো দৰঙী ৰাইজৰ বুকুৰ আপোন হৈ পৰিছিল। এইক্ষেত্ৰত দৰঙৰ মাৰৈ গাঁৱৰ তাহানিৰ পৰশু আলী ওজাৰ কথা উল্লেখ কৰিব পাৰি। তেওঁ মুছলমান সম্প্ৰদায়ৰ লোক হৈও সুকন্নানী ওজাৰ পদ গাইছিল আৰু নিজেও মাৰৈ পূজা কৰাৰ প্ৰমাণ পোৱা যায়। এই দিশৰ পৰা এই লোক-উৎসৱসমূহৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক বিশেষত্বও আছে। সুখৰ কথা যে ৰাজনৈতিকভাৱে দৰঙী ৰাজ্য বিভক্ত হৈ পৰিলেও আজি নতুন প্ৰজন্মই লোক-উৎসৱসমূহক আঁকোৱালি লৈ ন ন ৰূপেৰে গঢ় দিয়াৰ প্ৰয়াস কৰিছে। □

**সহায়ক গ্ৰন্থ ঃ**

'অসমীয়া লোকসংস্কৃতিৰ আভাস'— ড° নবীন চন্দ্ৰ শৰ্মা

'দৰঙী কলা-কৃষ্টিৰ চমু কথা' —ৰজনীকান্ত বৰুৱা

'অসমৰ সত্ৰ সংস্কৃতি আৰু খটৰা সত্ৰ' —সংকলক কমলাকান্ত ডেকা

'বৰকাকত' —খটৰা সত্ৰৰ দ্বি-বাৰ্ষিক মুখপত্ৰ

● *প্ৰবন্ধকাৰ সংস্কৃত বিভাগৰ স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰী।*

# লীলাৱতীত সমাজ-জীৱনৰ চিত্ৰ

(২০০৭ চনৰ ৫ ছেপ্টেম্বৰত গুৱাহাটীৰ প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয় শিক্ষক গোটৰ দ্বাৰা আয়োজিত একাদশ পণ্ডিত তীৰ্থনাথ শৰ্মা সোঁৱৰণী বক্তৃতাৰ অংশবিশেষ)

ড° দিলীপ কুমাৰ শৰ্মা

**মনীষী** আনন্দৰাম বৰুৱাই (১৮৫০ খ্ৰীষ্টাব্দ-১৮৮৯ খ্ৰীষ্টাব্দ) তেখেতৰ 'প্ৰাচীন ভাৰতৰ ভূগোল'ত কৈছে যে সংস্কৃতত ৰচিত গণিতৰ পুথিসমূহৰ ভিতৰত 'লীলাৱতী'ৰ প্ৰসিদ্ধি সবাতোকৈ বেছি, আনকি সংস্কৃত নজনা মানুহো কিতাপখনৰ প্ৰতি আকৰ্ষিত হৈছে। (The Lilavati is unquestionable the best know of Sanskrit mathematical work. It finds a place in the Encyclopaedia Britannica. Its name is familiar to people who do not know a word of Sanskrit)। লীলাৱতীৰ ৰচক ভাস্কৰাচাৰ্য। গণিতত ভাস্কৰাচাৰ্যৰ অসাধাৰণ ব্যুৎপত্তি আছিল। তেওঁ আছিল সুধী, প্ৰধী, শুদ্ধধী।

দক্ষিণ ভাৰতৰ বিজ্জৰবিৰত (আজিকালি বিজাপুৰ) ভাস্কৰাচাৰ্যৰ জন্ম হয় ১১১৪ খ্ৰীষ্টাব্দত। তেওঁৰ পিতৃ আছিল শাণ্ডিল্য গোত্ৰসম্ভূত মহেশ্বৰ। তেওঁ আছিল এজন প্ৰসিদ্ধ পণ্ডিত আৰু জ্যোতিৰ্বিদ। পিতৃৰ ওচৰত তেওঁ প্ৰথমে শিক্ষা লাভ কৰে আৰু তাৰ পিছত উজ্জয়িনীতো শিক্ষা গ্ৰহণ কৰে।

'সিদ্ধান্ত শিৰোমণি' ভাস্কৰাচাৰ্যৰ অনিৰ্বচনীয় সৃষ্টি। 'বাসনাভাষ্য' তেওঁৰ আন এখন পুথি। ই 'সিদ্ধান্ত শিৰোমণি'ৰ ভাষ্য ৰূপ। 'কৰণকুতূহল'ত গ্ৰহ-গতি সম্বন্ধীয় কথা সন্নিৱিষ্ট কৰা হৈছে। 'সৰ্বতোভদ্ৰযন্ত্ৰ' নামে কাল-পৰিমাণ বিষয়ক আন এখন গ্ৰন্থ তেওঁ ৰচনা কৰে। 'সিদ্ধান্ত শিৰোমণি'ত ভাস্কৰাচাৰ্যই নিজৰ পৰিচয় এইদৰে দিছে— 'ৰসগুণ পূৰ্ণমহীসমশকনৃপসময়ে অভবন্মমোৎপত্তি ঃ/ ৰসগুণৱৰ্ষেণ সিদ্ধান্ত শিৰোমণি ৰচিতঃ।' (১০৩৬ শকাব্দত মোৰ জন্ম আৰু ৩৬ বছৰ বয়সত মই 'সিদ্ধান্ত শিৰোমণি' ৰচনা কৰোঁ।) ভাস্কৰাচাৰ্যৰ অনিৰ্বচনীয় নিৰ্মিত 'সিদ্ধান্ত শিৰোমণি' সংস্কৃত ভাষাত ৰচিত। ই চাৰিটা খণ্ডত বিভক্ত— 'লীলাৱতী', 'বীজগণিত', 'গোলাধ্যায়', 'গ্ৰহগণিত'। 'লীলাৱতী'ত মূলতঃ পাটীগণিতৰ বিষয়ে আলোচনা কৰা হৈছে।

'লীলাৱতী'য়ে সুধীমহলত বিপুল জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হয়। মোগল সম্ৰাট জালালউদ্দিন মহম্মদ আকবৰৰ (১৫৪২—১৬০৫ খ্ৰীষ্টাব্দ) নিৰ্দেশত ফৈজীয়ে ১৫৮৭ খ্ৰীষ্টাব্দত 'লীলাৱতী' ফাৰ্ছী ভাষালৈ অনুবাদ কৰে। ইংৰাজী ভাষালৈ হেন্‌ৰী টমাছ ক'লব্ৰুকে (১৭৬৫—১৮৩৭ খ্ৰীষ্টাব্দ) 'লীলাৱতী' অনুবাদ কৰে। হাৰাণচন্দ্ৰ বন্দ্যোপাধ্যায়ে টোকাসহ এইখন পিছত প্ৰকাশ কৰে, Colebrooke's translation of the Lilavati with notes by Haran Chandra Banerjee, M.A., B.L. ( Thacker, Spink and Co. Calcutta, 1893) নামকৰেণেৰে। ইয়াত মূল সংস্কৃত পাঠ সন্নিৱিষ্ট কৰা হৈছে।

'লীলাৱতী' কেইবাটাও অধ্যায়ত বিভক্ত। অৱশ্যে এই বিভাজন ভাস্কৰাচাৰ্যই কৰা নাই, উত্তৰ কালৰ টীকাকাৰসকলেহে কৰিছে। কিছুমান সংস্কৰণত অধ্যায় বিভাজন নায়েই। শ্লোকৰ সংখ্যাও সংস্কৰণভেদে বেলেগ বেলেগ। ক'লব্ৰুকৰ সংস্কৰণত ২৭৭টা শ্লোক আছে।

অভীষ্ট দেৱতা গণেশক প্ৰণাম জনাই লেখকে পুথিখন আৰম্ভ কৰিছে— 'যাৰ মূৰ হাতীৰ দৰে, যাৰ চৰণযুগল দেৱতাসকলে পূজা কৰে, স্মৰণ কৰাৰ লগে লগে যিজনাই প্ৰাৰ্থকৰ অপায়-অমঙ্গল দূৰ কৰে আৰু ভক্তসকলক সুখ প্ৰদান কৰে, সেইজনা দেৱতাক (গণেশক) প্ৰণিপাত জনাই মই গণনাৰ এই সহজ উপায়ৰ অৱতাৰণা কৰিলোঁ, আপোন মাধুৰ্যৰ ই আনন্দদায়ক, চুটি, মধুৰ আৰু শুদ্ধ শব্দেৰে ই সুস্পষ্ট আৰু বিদ্বজ্জনৰ বাবে সন্তোষদায়ক।'

ইয়াৰ পিছত মুদ্ৰাৰ একক, ভাৰৰ একক, দৈৰ্ঘ্যৰ একক আদিৰ সংজ্ঞা দিয়া হৈছে। পৰিভাষাসমূহৰ সংজ্ঞাৰ পিছত লেখকে পুনৰ গণেশক প্ৰণিপাত জনাইছে। ইয়াৰ পিছত লেখকে কিতাপখনত ব্যৱহাৰ কৰা সংখ্যাপদ্ধতিৰ বিষয়ে উল্লেখ কৰিছে। দশমিক স্থানীয় মান পদ্ধতিৰ সহায়ত সংখ্যাসমূহ প্ৰকাশ কৰা হৈছে— এক (১), দহ (১০), শত (১০$^{২}$), সহস্ৰ (১০$^{৩}$), অযুত (১০$^{৪}$), লক্ষ (১০$^{৫}$), প্ৰযুত (১০$^{৬}$), কোটি (১০$^{৭}$), অৰ্বুদ (১০$^{৮}$), অব্জ (১০$^{৯}$), খৰ্ব (১০$^{১০}$), নিখৰ্ব (১০$^{১১}$), মহাপদ্ম (১০$^{১২}$), শংকু (১০$^{১৩}$), জলধি (১০$^{১৪}$), অন্ত্য (১০$^{১৫}$), মধ্য (১০$^{১৬}$), পৰাৰ্ধ (১০$^{১৭}$)।

স্বাভাৱিক সংখ্যা আৰু ভগ্নাংশৰ যোগ, বিয়োগ, পূৰণ, হৰণ, বৰ্গ, বৰ্গমূল, ঘন, ঘনমূল— এই আঠোটা প্ৰক্ৰিয়াৰ (পৰিকৰ্মাষ্টকম্) বিষয়ে উদাহৰণসহ পুথিখনত আলোচনা কৰা হৈছে। আঠোটা পাটীগণিতীয় প্ৰক্ৰিয়াৰ উপৰি 'লীলাৱতী'ত সন্নিৱিষ্ট বিষয়সমূহ হ'ল ত্ৰৈৰাশিক, মিশ্ৰণ, সুতকছা, শ্ৰেণী

(সমান্তৰ আৰু গুণোত্তৰ), বিন্যাস।

ইয়াৰ উপৰি জ্যামিতি আৰু পৰিমিতিৰ বিষয়েও (যথা— বৃত্তৰ কালি, গোলকৰ পৃষ্ঠকালি, গোলকৰ আয়তন, শংকুৰ আয়তন) আলোচনা কৰা হৈছে। এইখিনিতে উনুকিয়াই থোৱা ভাল হ'ব যে অনির্ণেয় সমীকৰণৰ সমাধান নির্ণয়ত প্ৰাচীন ভাৰতীয় গণিতজ্ঞসকলে দেখুওৱা উৎকৃষ্ট পাৰদৰ্শিতাক গণিতৰ ইতিহাসবেত্তাসকলে মুক্তকণ্ঠে প্ৰশংসা কৰিছে।

'লীলাৱতী' গণিতৰ পুথি। এই গণিতৰ পুথিখনতো তদানীন্তন সমাজৰ ছবি ছয়ামযাকৈ দেখিবলৈ পোৱা যায়।

মানুহৰ আৰ্থিক অৱস্থা সম্ভৱতঃ তেতিয়া ভাল নাছিল। কেইবাটাও অংকত মগনীয়াৰ উল্লেখ দেখা যায়—

*১) এজন মগনিয়াৰে এজন কৃপণৰ ওচৰত হাত পাতিলত মানুহজনে মগনিয়াৰজনৰ এক দ্ৰম্মৰ আধাৰ দুই-তৃতীয়াংশৰ তিনি-চতুৰ্থাংশৰ এক-পঞ্চমাংশৰ এক-ষোড়শাংশৰ চাৰি ভাগৰ এভাগ দিলে। হে বৎস, তুমি যদি ভগ্নাংশৰ বিভাজনৰ লঘুকৰণত পাৰদৰ্শী হোৱা, তেনেহ'লে কৃপণজনে মগনিয়াৰজনক কেই কড়ি দিলে কোৱা। (মুদ্ৰা ঃ ২০ কড়ি = ১ কাকিনী, ৪ কাকিনী = ১ পন, ১৬ পন = ১ দ্ৰম্ম, ১৬ দ্ৰম্ম = ১ নিষ্ক।)*

*২) এজন মানুহে এজন মগনিয়াৰক প্ৰথমদিনা দুই কড়ি দিলে আৰু দিনে দুগুণকৈ ভিক্ষা বঢ়াই দিয়াৰ প্ৰতিশ্ৰুতি দিলে। এমাহত তেওঁ কিমান নিষ্ক দিলে?*

দুখীয়া আছিল। ধনী ধনী ব্যৱসায়ীও আছিল—

*চাৰিজন ৰত্ন ব্যৱসায়ীৰ এজনৰ হাতত আঠটা মাণিক, দ্বিতীয়জনৰ হাতত দহটা নীলমণি, তৃতীয়জনৰ হাতত এশ মুদ্ৰা আৰু চতুৰ্থজনৰ হাতত পাঁচটা হীৰা আছে। চাৰিও একেলগে থকাৰ বাবে প্ৰীতিৰ চিনস্বৰূপে ইজনে সিজনক একোটাকৈ ৰত্ন উপহাৰ দিলে। তেতিয়া তেওঁলোক সমপৰিমাণৰ ধনৰ গৰাকী হ'লগৈ। হে বন্ধু, ৰত্নবোৰৰ দাম বেলেগে বেলেগে কি হ'ব কোৱা।*

মানুহে খেতি-বাতি কৰিছিল। বলদ কিনা-বেচাৰ প্ৰচলন আছিল। বলদৰ বয়স বাঢ়িলে দামো কমে—

*দুই বছৰ কাম কৰা এটা বলদৰ দাম যদি চাৰি নিষ্ক হয়, তেনেহ'লে ছয় বছৰ কাম কৰা এটা বলদৰ দাম কিমান হ'ব?*

বিনিময় প্ৰথা প্ৰচলিত আছিল—

*হে বন্ধু, বজাৰত এক দ্ৰম্মত তিনিশ আম পোৱা যায়। আৰু এক পনত ত্ৰিশটা পকা ডালিম পোৱা যায়। দহটা আমৰ সলনি কেইটা ডালিম পোৱা যাব, ততালিকে কোৱা।*

শিক্ষকক যথোচিত সন্মান জনোৱা হৈছিল—

*এখৰাহি নিৰ্মল পদুম ফুলৰ এক-তৃতীয়াংশ, এক-পঞ্চমাংশ আৰু এক-ষষ্ঠাংশ ক্ৰমে শিৱ, বিষ্ণু আৰু সূৰ্য দেৱতাৰ চৰণত দিয়া হ'ল। আই ভৱানীৰ পাদপদ্মত এক-চতুৰ্থাংশ দিয়া হ'ল। বাকী ছটা পদুম পূজনীয় গুৰুদেৱক দিয়া হ'ল, পদুমৰ সংখ্যা কিমান ততালিকে কোৱা।*

নাৰীয়ে বিদ্যা-চৰ্চা কৰিছিল—

*হে বুদ্ধিমতী বালিকা লীলাৱতী, যদি তুমি যোগ আৰু বিয়োগত পাৰদৰ্শী হোৱা, তেনেহ'লে দুই, পাঁচ, বত্ৰিশ, এশ তিৰান্নবৈ, ওঠৰ, দহ আৰু এশৰ যোগফলটো কোৱা। আৰু এই যোগফলটো এক অযুতৰ পৰা বিয়োগ কৰিলে যি ফল পোৱা যায় সেইটো কোৱা।*

নাৰীয়ে বিদ্যা-চৰ্চাত অংশগ্ৰহণ কৰিছিল সঁচা, পিছে নাৰীক দাসী হিচাপে বিক্ৰী কৰাও হৈছিল, পণ্য হিচাপে গণ্য কৰা হৈছিল।

অথৰ্ব বেদৰ যুগতো নাৰীক দাস হিচাপে ৰখাৰ উল্লেখ আছে। সপ্তম শতিকাৰ জয়াদিত্য আৰু বামনৰ দ্বাৰা ৰচিত 'কালিকাবৃত্তি', পাণিনিৰ 'অষ্টাধ্যায়ী'ৰ এক মনোৰম ভাষ্য। ব্যাকৰণৰ ভাষ্য যদিও 'কালিকাবৃত্তি'তো তদানীন্তন সমাজ ব্যৱস্থাৰ এক নিখুঁত ছবি আমি দেখিবলৈ পাওঁ। ড° অপূৰ্বচন্দ্ৰ বৰঠাকুৰীয়াই 'India in the age of the Kasikavirtti' (2000) নামৰ পুথিখনত লিখিছে— 'There were many female slaves in the society. Some of them were a source of attraction for their masters. Sometimes even a few Brahmanas were attracted by them. The slave maidans naturally did not enjoy a respectable position in the society.'

দ্বাদশ শতিকাৰ ভাৰতবৰ্ষতো নাৰী পদানত। 'লীলাৱতী'ৰ মাত্ৰ এটা অংকৰ দ্বাৰাই নাৰীৰ কণ্টকপূৰ্ণ জীৱনৰ ইংগিত পোৱা যায়।

*ষোড়শী এগৰাকী বত্ৰিশ নিষ্কত পোৱা যায়। কুৰি বছৰীয়া এগৰাকী তিৰোতা পাবলৈ কিমান ধন লাগিব?*

বয়স বঢ়াৰ লগে লগে বলদ গৰুৰ দামো কমে। নাৰীৰ মূল্যও বয়স বৃদ্ধিৰ লগে লগে কমে। ব্যস্ত সমানুপাতিক। যুগে যুগে নাৰী নিপীড়িতা, অৱহেলিতা।

এইদৰে 'লীলাৱতী'ৰ অংকসমূহৰ জৰিয়তে সেই সময়ৰ ভাৰতবৰ্ষৰ সমাজ জীৱনৰ এখন চিত্ৰ দেখিবলৈ পোৱা যায়।

বীজগণিতৰ প্ৰশংসা কৰি সপ্তম শতিকাৰ ভাৰতীয় গণিতজ্ঞ ব্ৰহ্মগুপ্তই কৈছিল— 'যেনেদৰে সূৰ্যৰ দীপ্তিয়ে তৰাবোৰক গ্ৰাস কৰে, সেইদৰে জ্ঞানীজনে আনৰ প্ৰতিভাক গ্ৰাস কৰিব পাৰে যদিহে তেওঁ বীজগণিতীয় সমস্যা উত্থাপন কৰে আৰু বিশেষকৈ যদিহে তেওঁ সেইবোৰ সমাধান কৰে।' 'লীলাৱতী'ৰ দীপ্তিয়েও যেন তদানীন্তন গণিতৰ পুথিসমূহ গ্ৰাস কৰি পেলাইছিল। □

● *প্ৰবন্ধকাৰ কটন কলেজৰ গণিত বিভাগৰ অধ্যাপক।*

# ধৰ্ম, ধৰ্মৰ প্ৰাসংগিকতা আৰু কিছু চিন্তা

**জান্নু ভৰদ্বাজ**

ধৰ্ম কি? অতি সাধাৰণভাৱে ক'বলৈ হ'লে ধৰ্ম হ'ল সৰ্ব-শক্তিমানজনৰ সৈতে সনাতন আধ্যাত্মিক সংযোগৰ এক প্ৰক্ৰিয়া বা মাধ্যম। পাৰ্থিৱ সংকীৰ্ণতা নেওচি ভূমিৰ ক্ষুদ্ৰত্বৰ পৰা মুক্তি লাভ কৰি ভূমাৰ স্পৰ্শ লাভ কৰাৰ মহত্তম বাসনাৰ ফলশ্ৰুতিতেই মানুহ কোনো বিশেষ ধৰ্মাৱলম্বী হৈ পৰে। এই মহত্তম সনাতন প্ৰক্ৰিয়াই অতীজৰে পৰাই পৃথিৱীৰ সভ্যতাত এক বিশেষ স্থান অধিকাৰ কৰি আহিছে। মানৱৰ মানসিক তথা সভ্যতাৰ বিকাশৰ বিভিন্ন স্তৰত ধৰ্মই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

প্ৰাচীন আৰু মধ্যযুগৰ পৃথিৱীৰ ইতিহাসলৈ চালে খ্ৰীষ্টধৰ্ম আৰু ইছলাম ধৰ্মৰ জন্ম আৰু বিকাশৰ বিৱৰণ পোৱা যায়। যদিও চিৰন্তন মানৱীয় আদৰ্শ আৰু গভীৰ আধ্যাত্মিক লক্ষ্যৰে এই ধৰ্মৰ জন্ম আৰু বিকাশ হৈছিল। কিন্তু সভ্যতাৰ ইতিহাসত ইছলাম আৰু খ্ৰীষ্টধৰ্ম লগতে অন্যান্য প্ৰায় সকলো ধৰ্ম মূলতঃ ৰাজনৈতিক তথা সামাজিক ক্ষমতা আৰু কৰ্তৃত্ব বিস্তাৰৰ প্ৰচেষ্টাৰ অংশ হৈ আহিছে। সনাতন হিন্দু ধৰ্মও এইক্ষেত্ৰত সময়ৰ মাপকাঠীৰ ব্যতিক্ৰম হিচাপে চিহ্নিত হোৱা নাই। এক শ্ৰেণীৰ তথাকথিত উচ্চস্তৰৰ লোকৰ সামাজিক প্ৰতিষ্ঠা আৰু কৰ্তৃত্ব বিস্তাৰৰ প্ৰচেষ্টাৰ সৈতে হিন্দু ধৰ্মও অতীজৰে পৰা সাঙোৰ খাই আহিছে।

পৃথিৱীৰ মুখ্য প্ৰাচীন ধৰ্মসমূহৰ বিষয়ে আধ্যাত্মিক আৰু ঐতিহাসিক চিন্তা-আলোচনা এই নিৱন্ধৰ প্ৰতিপাদ্য বিষয় নহয়। কিন্তু বৰ্তমানৰ পৃথিৱী তথা মুখ্যতঃ ভাৰতত ধৰ্মৰ প্ৰাসংগিকতাৰ বিষয়ে আলোচনা কৰিব খুজিলে উপযুক্ত প্ৰসংগ আহি পৰাৰ লগতে কিছুমান প্ৰশ্ন উত্থাপন হয়। প্ৰথম, ধৰ্মৰ উদ্দেশ্য কি? মানৱ জীৱনত ধৰ্মৰ প্ৰাসংগিকতা কি? বৰ্তমান মানৱৰ সামাজিক জীৱনত এই প্ৰাসংগিকতাৰ বিকল্প নাই নেকি। সহিষ্ণুতা আৰু শান্তপ্ৰায় প্ৰত্যেকটো ধৰ্মৰে মূলমন্ত্ৰ বা আদৰ্শ হোৱা সত্বেও বৰ্তমানে ধৰ্মীয় অসহিষ্ণুতাই ইমান ভীষণ ভয়ংকৰ ৰূপ লোৱাৰ কাৰণ কি?

এই গুৰুত্বপূৰ্ণ প্ৰশ্নকেইটাৰ উত্তৰ দিয়াৰ আগতে আলোচনাৰ সৰলীকৰণ এইদৰে কৰিব পাৰি, ধৰ্ম হ'ল এক সাৰ্বজনীন সৰ্বশক্তিমান অস্তিত্বৰ ওপৰত মহত্তম আধ্যাত্মিক বিশ্বাসৰ ফল। ইয়াত মূলতে আধ্যাত্মিক চিন্তা আৰু ধাৰণাৰ গুৰুত্ব সৰ্বাধিক হয় যদিও আৰোপিত ধাৰণা আৰু বিশ্বাসহে ধৰ্মৰ মূল ভেটি ৰূপে সাধাৰণভাৱে পৰিগণিত হৈ আহিছে। সাধাৰণভাৱে এক সামূহিক ধাৰণা আৰু বিশ্বাসৰ ওপৰত ভিত্তি কৰিয়ে (পোনতে নিশ্চয়কৈ উদ্ভাৱকজনৰ নিজস্ব, কিন্তু সামাজিক ক্ষেত্ৰত সময়ৰ লগে লগে সামূহিক) ধৰ্মই গঢ় লৈ উঠে। য'তেই সামূহিক বিশ্বাসৰ কথা আহে তাতেই ব্যক্তিবিশেষৰ স্বাধীন চিন্তা, মতামত, যুক্তি, বিতৰ্ক তথা কাৰণ সন্ধানৰ অস্তিত্ব ন্যূনতম হ'লেও সি হৈ পৰে বহুলাংশে নিৰ্দেশিত আৰু নিয়ন্ত্ৰিত। প্ৰায়বোৰ ধৰ্মৰে উদ্দেশ্য আৰু



...মানুহৰ চিন্তা-চৰ্চা আৰু মানসিকতাৰ বৈপ্লৱিক উত্তৰণত আমি ভাৰতীয় সমাজ জীৱনত ধৰ্মৰ প্ৰাসংগিকতা আৰু আৱশ্যকতা অস্বীকাৰ কৰোঁ। ধৰ্মীয় চেতনা-ধাৰণাৰ প্ৰাসংগিকতাৰ বিকল্প হিচাপে নহয়, বৰং যথোচিত আৰু শ্ৰেষ্ঠ হিচাপে আমি প্ৰত্যেক ব্যক্তিৰ নিজস্ব জ্ঞান, চিন্তা-চৰ্চা, চেতনা আদিক আগস্থান দিওঁ। অৱশ্যে নিঃসন্দেহে ই হ'ব লাগিব সামূহিক কল্যাণকাৰী আৰু উৎকৰ্ষমূলক...

আদৰ্শ মহান হোৱা সত্ত্বেও সেয়ে সময়ে সময়ে ধৰ্মসমূহ হৈ আহিছে এচাম ক্ষমতাশালী, উচ্চস্তৰীয় আৰু আধ্যাত্মিকভাৱে প্ৰভাৱশালী লোকৰ দ্বাৰা সাধাৰণ মানুহৰ মনৰ পৰা যুক্তি, বিতৰ্ক, স্বাধীন চিন্তাৰ অৱকাশ আধ্যাত্মিকতাৰ নামত নিয়ন্ত্ৰণ কৰি একপ্ৰকাৰৰ সামাজিক কৰ্তৃত্ব উপভোগ কৰাৰ মাধ্যম। বৰ্তমান এই বিষয়টোৱে এক কৌশলী আৰু বহুল ৰূপ ধাৰণ কৰিছে। সেয়ে উপযুক্ত প্ৰশ্নকেইটাৰ উত্তৰৰ লগতে বৰ্তমান প্ৰেক্ষাপটৰ অৱতাৰণাও অৱধাৰিত।

খাদ্য-বস্ত্ৰ-বাসস্থানৰ বাবে সংগ্ৰাম আৰু জীৱন ধাৰণৰ গতানুগতিক প্ৰক্ৰিয়াৰ মাজতো সত্যানুসন্ধান, বৌদ্ধিক-আধ্যাত্মিক উৎকৰ্ষ সাধন, সমাজিক মানসিক আচাৰ-ধাৰণা নিয়ন্ত্ৰণ আৰু সুন্দৰ-শৃংখলিত আৰু উচিত ৰূপ প্ৰদান তথা সৰ্বশক্তিমানজনৰ আৰাধনাৰে মানৱ জীৱনক পাৰ্থিৱ সংকীৰ্ণতাৰ পৰা মুক্তি দি ভূমাৰ স্পৰ্শৰে মহত্ত্ব প্ৰদান কৰাই ধৰ্মৰ উদ্দেশ্য। একে পটভূমিতে ধৰ্মৰ আৱশ্যকতাও বিবেচনা কৰিব পাৰি। আদৰ্শ আৰু বিশ্বাসৰ নামত মানুহৰ চিন্তাৰ স্বাধীনতা খৰ্ব কৰা কোনো ধৰ্মৰে প্ৰকৃত উদ্দেশ্য হ'ব নোৱাৰে। কিন্তু যেতিয়াৰ পৰাই মানুহৰ চিন্তা-চৰ্চা আৰু ধাৰণা-বিশ্বাসক ধৰ্মৰ লগত সংপৃক্ত কৰি মানৱ মনৰ চিৰন্তন উৎসুকতা, কৌতূহল, যুক্তি আৰু চিন্তাৰ পথ ৰুদ্ধ কৰি কিছুমান নিয়ন্ত্ৰিত ধ্যান-ধাৰণা আৰু আৰোপিত বিশ্বাসক অতি কৌশলেৰে মহৎ, পৱিত্ৰ আৰু ধাৰ্মিক আখ্যা দিয়া হৈছে আৰু ইয়াৰ অন্যথা বিধৰ্মী অথবা অপৱিত্ৰ বুলি আখ্যা দিয়া হ'ল, তেতিয়াৰ পৰাই প্ৰকৃততে ধৰ্মৰ প্ৰকৃত উদ্দেশ্য আৰু আৱশ্যকতাৰ পৰা ফালৰি কাটি অহা হ'ল। এই প্ৰক্ৰিয়া নিতান্তই চিন্তাপ্ৰসূত, পৰিকল্পিত আৰু স্বাৰ্থান্বেষী আৰু এই প্ৰক্ৰিয়াত সময়ে সময়ে হোৱা অবিৰত কৌশলী উপস্থাপন আৰু অৱধাৰিত ফল লক্ষ্যণীয়। ধৰ্মীয় অনুভূতি এটা অতি স্পৰ্শকাতৰ বিষয়। সভ্যতাৰ আৰম্ভণিৰ পৰাই ধৰ্মীয় অনুভূতি বেছিভাগ ক্ষেত্ৰতে নিৰ্দেশিত আৰু ৰাজনৈতিক বা অন্যান্য প্ৰকাৰৰ কৰ্তৃত্ব প্ৰসাৰৰ মাধ্যম হিচাপে ব্যৱহৃত হৈ আহিছে। পৃথিৱীৰ সকলো সভ্যতা আৰু সমাজৰ ক্ষেত্ৰতে ই বহুলাংশে সত্য।

এই প্ৰেক্ষাপটত ভাৰতবৰ্ষত ধৰ্মৰ প্ৰাসংগিকতা আৰু আৱশ্যকতা তথা ভূমিকাৰ বিষয়ে আলোচনা সাম্প্ৰতিক সময়ত একান্তই প্ৰয়োজনীয় হৈ পৰিছে। এইখিনিতে উল্লেখযোগ্য যে ভাৰতীয় লোকৰ প্ৰকৃত মানসিক উত্তৰণত স্বাভাৱিকভাৱেই অনুভূতিয়ে বাধাৰ সৃষ্টি কৰি আহিছে। প্ৰায় ৮০ শতাংশ ভাৰতীয়কে জীৱন-জগত তথা সামাজিক ব্যৱহাৰ সম্পৰ্কে নৱ চিন্তা, ধাৰণা, যুক্তি-বিতৰ্ক-কাৰণ আৰু সত্যানুসন্ধানৰ পৰা বিৰত ৰাখি ধাৰ্মিক প্ৰকৃতপক্ষে পৰমুখাপেক্ষী আৰু স্ব-চিন্তা আৰু স্বাধীন মনোবৃত্তি ৰহিত কৰি তুলিছে। তদুপৰি ধৰ্মীয় ধাৰণা আমাৰ ভাৰতীয় লোকৰ সামাজিক জীৱনৰ সৈতে ইমান এৰাব নোৱাৰা ধৰণে সংপৃক্ত হৈ পৰিছে যে বহুক্ষেত্ৰত আমি ধৰ্মৰ ভিত্তিত সমাজকো ভাগ কৰি পেলাইছোঁ। বহুতো ক্ষেত্ৰত ধৰ্মই নিৰ্দেশ কৰিছে আমাৰ জীৱনধাৰণ প্ৰণালী, খাদ্যাভাস, সামাজিক আৰু সাংস্কৃতিক আচাৰ। আমাৰ মানসিকতা, ধ্যান-ধাৰণা, চিন্তা-চৰ্চা আদিও ধৰ্মই নিৰ্দেশ কৰাটো নিশ্চয় অতিশয় অশুভ লক্ষণ। ভাৰতৰ পটভূমিতে এইখিনিতে ক'ব পাৰি যে মানুহৰ নিজস্ব চিন্তা-চৰ্চাক ধৰ্মীয় ধাৰণাই সীমাৱদ্ধ কৰি তোলাত আৰু সেই ধৰ্মীয় ধ্যান-ধাৰণা যুগোপযোগী নোহোৱাৰ লগতে তাৰ বিকৃত ব্যাখ্যা আৰু অনুকৰণেই আজিৰ পৃথিৱীত ধৰ্মীয় অসহিষ্ণুতাই ভয়ংকৰ ৰূপ লোৱাৰ মুখ্য কাৰণ।

একবিংশ শতিকাৰ দ্বিতীয় দশকৰ আৰম্ভণিতো ভাৰতবৰ্ষত ধৰ্মীয় অথবা সাম্প্ৰদায়িক দল-নেতাৰ সৰৱ আৰু প্ৰভাৱশালী অস্তিত্ব, ধৰ্মীয় আৰু সাম্প্ৰদায়িক কাৰ্যকলাপ তথা ৰাজনীতিৰ পয়োভৰ আদিয়ে আমাক চিন্তিত কৰি তোলে। আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক আৰু ৰাজনীতিৰ ক্ষেত্ৰত ধৰ্মীয় ধাৰণা আৰু চেতনাই প্ৰভাৱ বিস্তাৰ কৰি আহিছে। ইছলামিক দেশ কিছুমানত চলা ধৰ্মীয় গোড়ামি, ধৰ্মৰ নামত চলা অত্যাচাৰ-উৎপীড়ন আৰু দমন ইত্যাদিও নিশ্চয়কৈ জটিল আৰু চিন্তনীয় দিশ। আকৌ, শান্তি আৰু সহিষ্ণুতাৰ দেশ ভাৰতবৰ্ষতো সংঘটিত নানা সাম্প্ৰদায়িক, ধাৰ্মিক সংঘৰ্ষ, ক্ৰমবৰ্ধমান অসহিষ্ণুতা আৰু গোড়ামি আদিও অশুভ সংকেত। এইবাবেই একবিংশ শতিকাত মানুহৰ চিন্তা-চৰ্চা আৰু মানসিকতাৰ বৈপ্লৱিক উত্তৰণত আমি ভাৰতীয় সমাজ জীৱনত ধৰ্মৰ প্ৰাসংগিকতা আৰু আৱশ্যকতা অস্বীকাৰ কৰো। ধৰ্মীয় চেতনা-ধাৰণাৰ প্ৰাসংগিকতাৰ বিকল্প হিচাপে নহয়, বৰং যথোচিত আৰু শ্ৰেষ্ঠ হিচাপে আমি প্ৰত্যেক ব্যক্তিবিশেষৰ নিজস্ব জ্ঞান, চিন্তা-চৰ্চা, চেতনা আদিক আগস্থান দিওঁ। অৱশ্যে নিঃসন্দেহে ই হ'ব লাগিব সামূহিক কল্যাণকাৰী আৰু উৎকৰ্ষমূলক। প্ৰচলিত ধাৰণাৰ দৰে ধৰ্মীয় চেতনা আৰু ধাৰণাই ভাৰতীয় লোকক জ্ঞানী আৰু উদাৰ কৰি তোলাৰ বিপৰীতে ৰক্ষণশীল আৰু মানসিকভাৱে অনগ্ৰসৰ কৰি তুলিছে আৰু ইয়াৰ উচিত বিকল্প হিচাপে প্ৰত্যেকৰে স্বাধীন উৎকৰ্ষকামী চিন্তা-চৰ্চা, প্ৰকৃত জ্ঞান আৰু সত্যানুসন্ধান তথা স্বাধীন মানসিকতাহে প্ৰয়োজনীয়। প্ৰত্যেক ব্যক্তিসত্বাৰে স্বাধীন চিন্তা-চৰ্চা, কল্যাণকামী মানসিকতা আৰু সামাজিক ধাৰণা তথা দায়িত্ববোধে আমাক সভ্যতাৰ জখলাত এঢাপ আগুৱাই লৈ যাব। □

কৃতজ্ঞতা ঃ উদয়াদিত্য ভৰালী, প্ৰাক্তন অধ্যক্ষ, কটন কলেজ
সঞ্জয় সুবোধ, হায়দৰাবাদ বিশ্ববিদ্যালয়।

● *প্ৰবন্ধকাৰ ইতিহাস বিভাগৰ স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ।*

# বৃহৎ নদীবান্ধ

## কিছু প্ৰাসংগিক চিন্তা

পাৰ্থপ্ৰতীম গগৈ

**তৃতীয় বিশ্বৰ**

*...ভূগৰ্ভস্থ পানীয়ে শিলৰ আকৃতিত সাংঘাতিক ধৰণে সালসলনি ঘটাব পাৰে। ই বান্ধটোলৈ বিপদ কঢ়িয়াই অনাটো স্বাভাৱিক। আকৌ ভেদ্যতা বেছি হ'লে ওপৰৰ পানী সোমাই শিলৰ কঠিনতা খৰ্ব কৰিব, যাৰ ফলত বান্ধৰ কাৰিকৰিতো সাংঘাতিক ব্যাঘাত জন্মিব। আকৌ নিৰ্মাণৰ সামগ্ৰীৰ উচ্চ মানৰ হোৱাটো অতি আৱশ্যক। আনহাতে অসম-অৰুণাচল ভূমিকম্পপ্ৰৱণ এলেকা। ইয়াৰ উপৰি যদি বৃহৎ বান্ধৰ ভৰৰ ফলত ভূতাত্ত্বিক উৎসবোৰে উক দিয়ে; ই সমস্ত ৰাজ্যখনলৈ দুৰ্যোগ কঢ়িয়াই অনাটো খাটাং...*

দেশত আন্দোলনৰ মাজেৰে সকলো কাম সিদ্ধি হোৱাৰ প্ৰৱণতা কেতিয়াৰ পৰা আৰম্ভ হ'ল সেয়া সঠিককৈ কোৱা টান। কিন্তু এই প্ৰতিবাদবোৰৰ প্ৰভাৱ আৰু সফলতা-বিফলতাই সাধাৰণ জনমানসত কি প্ৰভাৱ বিস্তাৰ কৰি আহিছে, সেয়া সকলোৰে জ্ঞাত। পৃথিৱীত এনে বহুত বিপ্লৱৰ উদাহৰণ আছে যি মানৱ জাতিক এক শৃংখলাকৃত জীৱন যাপন কৰিবলৈ শিকাইছে। 'পায়খানা বিপ্লৱ' এক সঠিক উদাহৰণ। আনহাতে কিছুমান আন্দোলনে সমগ্ৰ সমাজখনক ৰাজনৈতিক আৰু সমাজিক অস্থিৰতাত এৰি থৈ যোৱা পৰিলক্ষিত হৈছে। সেইবাবেই আজিকালি আন্দোলনবোৰৰ প্ৰতি মানুহৰ মোহভংগ ঘটিছে। ইয়াৰ বাবে আন্দোলনত জড়িত আৰু পিছলৈ বাঘজৰী ধৰা নেতা-পালিনেতাবোৰৰ কাণ্ডজ্ঞানহীনতা, দুৰ্নীতিপ্ৰৱণতা, অদায়বদ্ধতা, অজ্ঞতা ইত্যাদি পোনপটীয়াভাৱে দায়ী।

এই লেখাটিত নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ বিষয়ে কিছু কথা চমুকৈ আলচ কৰাৰ চেষ্টা কৰা হৈছে। ইতিমধ্যে অনেক বাতৰিকাকত আৰু আলোচনীত যিদৰে নামনি সোৱণশিৰিৰ বৃহৎ নদীবান্ধৰ বিষয়টো উপস্থাপন কৰা হৈছে, তাৰ পৰা এইটো কথা স্পষ্ট যে নামনি সোৱণশিৰি অঞ্চল বৃহৎ প্ৰযুক্তিবিদ্যাৰ বাবে একেবাৰে উপযোগী নহয়। ভূতাত্ত্বিক দৃষ্টিভংগীৰে এই বিষয়ে আলোচনা কৰা হ'ব। কিন্তু কথা হ'ল এইধৰণৰ সমস্যাবোৰ এখন দেশৰ উন্নতিত একোখন হেঙাৰ। এনেবোৰ সমস্যা বৈজ্ঞানিকভাৱে অতিক্ৰম কৰিব পাৰিলেই এখন দেশৰ উন্নতি ঘটে।

কিন্তু প্ৰশ্ন হ'ল, জনসাধাৰণৰ জীৱনৰ বিনিময়ত দেশৰ উন্নতি বিচৰাটো জানো ন্যায়? আনহাতে আকৌ জাপানৰ দৰে অতি ভূমিকম্পপ্ৰৱণ দেশ এখনে যদি এনেবোৰ সমস্যা অতিক্ৰম কৰি আগবাঢ়ি যাব পাৰিছে, ভাৰতে নোৱাৰাৰ কি কাৰণ থাকিব পাৰে!

অসমৰ বৰ্তমান নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ নিৰ্মাণৰ বিৰুদ্ধে যেনেদৰে তীব্ৰ প্ৰতিবাদৰ সূচনা হৈছে, ঠিক ইয়াৰ বিপৰীতে জনসাধাৰণে বিষয়টো বৈজ্ঞানিকভাৱে কিমানে জানে, সেয়া সন্দেহজনক। প্ৰতিবাদ উন্নয়নমুখী হ'লে উদ্দেশ্যবোৰ সুস্থিৰ হয়।



পৃথিৱীৰ বিভিন্ন দেশৰ লগতে ভাৰততো বিভিন্ন সময়ত, বিভিন্ন কাৰণত বৃহৎ নদীবান্ধ Decommissioned কৰি দিয়াৰ উদাহৰণ আছে। কিন্তু ভাৰতৰ দৰে অৰ্থনৈতিকভাৱে অস্থিৰ দেশত এনেবোৰ কাণ্ডই অৰ্থনৈতিক বাধাৰ সৃষ্টি কৰে। যাৰ ফলত ভৱিষ্যতেও সেই ঠাইখনৰ উন্নতি স্থবিৰ হৈ পৰে।

আন শক্তি উৎসবোৰৰ তুলনাত জলবিদ্যুৎ শক্তি হৈছে সুলভ আৰু প্ৰদুষণমুক্ত। গতিকে জলবিদ্যুৎ আৰু উন্নয়ন হৈছে এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। কৃষি আৰু উদ্যোগীকৰণ প্ৰত্যক্ষভাৱে বিদ্যুৎ শক্তিৰ ওপৰত নিৰ্ভৰশীল। গতিকে জলবিদ্যুৎ অৰ্থাৎ নদীবান্ধ আমাক লাগিবই। ইয়াৰ বাবে সকলো সমস্যা অতিক্ৰম কৰি বৈজ্ঞানিক দৃষ্টিভংগীৰে বৃহৎ নদীবান্ধৰ সমস্যা সমাধান আৰু উন্নয়নেই আমাৰ উদ্দেশ্য।

## ভূতাত্ত্বিক দৃষ্টিভংগীৰে নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ বিষয়ে কিছু কথা

নিৰ্মীয়মাণ নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্প এটা concrete gravity dam. ইয়াৰ উচ্চতা ১১৬ মিটাৰ। ২০০৫ চনৰ জানুৱাৰীত ইয়াৰ নিৰ্মাণকাৰ্য National Hydroelectric Power Corporation, চমুকৈ NHPC-য়ে আৰম্ভ কৰিছিল। বান্ধটো নিৰ্মাণৰ পূৰ্বে সকলোধৰণৰ Survey যুটীয়াভাৱে Brahmaputra Board আৰু Geological Survay of India-ই কৰিছিল। নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্প উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতেই এক বৃহৎ নদীবান্ধ আৰু ইয়াৰ লক্ষ্য প্ৰতিবছৰে ৭৪২১ মেগাৱাট বিদ্যুৎ উৎপাদন কৰা।

Concrete gravity damৰ আৰ্হিচিত্ৰ এনেধৰণৰ—




বান্ধ নিৰ্মাণৰ পূৰ্বে কৰিবলগীয়া আটাইতকৈ গুৰুত্বপূৰ্ণ কামটো হৈছে প্ৰকল্প নিৰ্মাণৰ বাবে স্থান নিৰীক্ষণ। এইক্ষেত্ৰত তলত উল্লেখিত বিষয়বোৰ গুৰুত্বপূৰ্ণ—

1. Lithology and structure (শিলাশক্তি আৰু গঠন)

2. Strength of the soil (মাটিৰ কঠিনতা)

3. Ground water (ভূগৰ্ভীয় পানী)

4. Porosity and permeability (ভেদ্যতা)

5. Weathering of rocks (শৈল সম্পদত বতৰৰ প্ৰতিক্ৰিয়া)

6. Quality of the building material (নিৰ্মাণত ব্যৱহৃত সামগ্ৰীৰ মান)

ভূগৰ্ভস্থ পানীয়ে শিলৰ আকৃতিত সাংঘাতিক ধৰণে সালসলনি ঘটাব পাৰে। ই বান্ধটোলৈ বিপদ কঢ়িয়াই অনাটো স্বাভাৱিক। আকৌ ভেদ্যতা বেছি হ'লে ওপৰৰ পানী সোমাই শিলৰ কঠিনতা খৰ্ব কৰিব, যাৰ ফলত বান্ধৰ কাৰিকৰীতো সাংঘাতিক ব্যাঘাত জন্মিব। আকৌ নিৰ্মাণৰ সামগ্ৰী উচ্চ মানৰ হোৱাটো অতি আৱশ্যক। আনহাতে অসম-অৰুণাচল ভূমিকম্পপ্ৰৱণ এলেকা। ইয়াৰ উপৰি যদি বৃহৎ বান্ধৰ ভৰৰ ফলত ভূতাত্ত্বিক উৎসবোৰে উক দিয়ে; ই সমস্ত ৰাজ্যখনলৈ দুৰ্যোগ কঢ়িয়াই অনাটো খাটাং।

ভূতত্ত্ববিদসকলৰ অধ্যয়ন অনুসৰি এইটো খাটাংভাৱে নিশ্চিত যে অৰুণাচলৰ পাহাৰ বালিশিলিৰে নিৰ্মিত। এনে শিলৰ কঠিনতা নাই। আকৌ গেৰুকামুখ, য'ত নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণ কৰি থকা হৈছে, তাত ১৫-২০ কিলোমিটাৰ পৰিসৰৰ এটা বৃষ্টিপাত মণ্ডল আছে। এই বৰষুণে পাহাৰৰ বালিশিল ক্ষয় নিয়াই নৈলৈ গেদ কঢ়িয়াই আনে। ইয়াৰ বাবেই হয়তো নিৰ্মীয়মাণ প্ৰকল্পই বান্ধৰোধত কোনো ভূমিকা ল'ব নোৱাৰে।

আকৌ অভিযোগ আহিছে বান্ধ নিৰ্মাণৰ সময়ত NHPCৰ হাতত ভূতত্ত্ব সম্পৰ্কীয় মানচিত্ৰ নাছিল। NHPC-য়ে প্ৰত্নতাত্ত্বিক ভূকম্পীয় অধ্যয়ন (Palaeo-seismicity survey) আৰু দ্বি-বিমীয় ভূঁইকঁপ জৰীপ (2D seismic survey) সম্পূৰ্ণ কৰা নাছিল বুলিও প্ৰমাণ হৈছে।

যিহেতু গেৰুকামুখৰ শিলাস্তৰ গ্ৰেনাইট আদি কঠিন শিলেৰে গঠিত নহয় আৰু ঠুনুকা আৰু কোমল গেদীয় শিলেৰে (Sedimentary rock) গঠিত; ইয়াৰ অধিক ভৰ সহ্য কৰিব পৰা ক্ষমতা নাই। কোমল আৰু ঠুনুকা হোৱা হেতুকে সেই শিলাস্তৰত 'চ্যুতি' (Fault) সৃষ্টি হোৱাটো ভূতত্ত্বীয় বৈশিষ্ট্য। এনে ফাটি থকা আৰু অলপ তল-ওপৰ হৈ থকা শিলাস্তৰৰ মাজত মাজে-সময়ে ঘৰ্ষণ হোৱাটোও স্বাভাৱিক। আৰু ইয়াৰ ফলত সেই অঞ্চলত ভূমিকম্পৰ সৃষ্টি হ'ব। এই তল-ওপৰ বা

ঘৰ্ষণৰ বাবে সেই শিলাস্তৰত জলবিদ্যুৎ প্ৰকল্পটোৰ বৃহৎ ভৰেই দায়ী। গতিকে গেৰুকামুখৰ সেই শিলাস্তৰ কেৱল বৃহৎ নদীবান্ধেই নহয়, কোনো ধৰণৰ বৃহৎ কাৰিকৰী প্ৰকল্পৰ বাবে যোগ্য নহয়।

তলত চমুকৈ আৰ্হিচিত্ৰৰ সৈতে তিনিপ্ৰকাৰৰ চ্যুতিৰ সম্ভাব্যতাৰ বিষয়ে উল্লেখ কৰা হ'ল—




যদি চ্যুতিবোৰ (Fault) বান্ধটোৰ উলম্বভাৱে (pupendicularly) থকে, তেতিয়া Resultant force-এ হেলনীয়াকৈ শিলৰ ওপৰত আঘাত হানিব। যাৰ ফলত ভূমি তল-ওপৰ হোৱাৰ সম্ভাৱনা থাকিব।




যদি চ্যুতিবোৰ (Fault) বান্ধটোৰ সৰ্বমুঠ ভেক্টৰৰ (R) সমান্তৰালভাৱে থাকে, ছবিত দেখুওৱাৰ দৰে ভূমি তল-ওপৰ হোৱাৰ সম্ভাৱনা আগতকৈও অধিক হ'ব।




ভূমি তল-ওপৰ হোৱাৰ সম্ভাৱনা কমিব, যদিহে চ্যুতিবোৰ সৰ্বমুঠ বলৰ (R) লগত ৯০° কোণ কৰি ভেজা দি থাকে (ওপৰৰ চিত্ৰত দেখুওৱাৰ দৰে)।

ভূতত্ত্ববিদসকলৰ অনুসন্ধান অনুসৰি বান্ধৰ অৱস্থানৰ এক কিলোমিটাৰ দক্ষিণে আৰু পাঁচ কিলোমিটাৰ পশ্চিমে দুটা ডাঙৰ চ্যুতিৰ (Fault) অৱস্থিতি শিলাস্তৰত অনুমান কৰা হৈছে।

## পৰিৱেশৰ ওপৰত নদীবান্ধৰ প্ৰভাৱ

খৰালি নৈত পানী কমে। গতিকে বিদ্যুৎ উৎপাদনৰ হেতুকে দৈনিক প্ৰায় ১৮ৰ পৰা ২০ ঘণ্টাপৰ্যন্ত নৈখনৰ পানী বন্ধ কৰি জমা কৰা হ'ব। ইয়াৰ ফলত উক্ত সময়ছোৱাত নৈখন একেবাৰে শুকাই যাব। প্ৰাথমিক জ্ঞান-বুদ্ধি থকা সকলো মানুহেই বুজিব পাৰিব যে ২০ ঘণ্টা যদি এখন নৈ শুকাই থাকে, তেতিয়া নৈত থকা জীৱ-অনুজীৱবোৰৰ কি দশা হ'ব। সমগ্ৰ পৰিৱেশতন্ত্ৰতে তেতিয়া সাংঘাতিকভাৱে বিজুতি ঘটিব।

আকৌ বিদ্যুৎ উৎপাদন কৰিবলৈ দৈনিক সন্ধিয়া মজুত কৰি ৰখা পানীৰ ২,৫০০ ঘনমিটাৰ প্ৰতিচেকেণ্ডত এৰি দিয়া হ'ব। ইয়াৰ ফলত নৈখনৰ নামনি অঞ্চলত ভয়াৱহ বানপানীৰ সৃষ্টি হ'ব।

বান্ধটোৰ ৰিজাৰ্ভাৰটো তুলনামূলকভাৱে সৰু হোৱাৰ হেতুকে সোনকালেই গেদ পৰিব আৰু সঘনাই পৰিষ্কাৰ কৰি

থাকিব লাগিব। ২০০৫-২০০৬ চনত নৈখনে গঢ়ে ৭০ হেজাৰ টন গেদ পৰিবহণ কৰিছিল যদিও সম্প্ৰতি নৈখনৰ গেদ পৰিবহণ মাত্ৰা ৬ লাখ টনলৈ বৃদ্ধি পাইছে বুলি বিশেষজ্ঞসকলে মন্তব্য কৰিছে। এই গেদবোৰে কৃষি মাটি নষ্ট কৰে। ইয়াৰ ফলত নামনি অঞ্চলৰ জনসাধাৰণ বাৰুকৈয়ে ক্ষতিগ্ৰস্ত হ'ব।

সমীক্ষা মতে নামনি সোৱণশিৰি নৈত ১৩৮বিধ মাছৰ প্ৰজাতি আছে। ইয়াতকৈও ডাঙৰ আৰু গুৰুত্বপূৰ্ণ কথা এইটো যে সোৱণশিৰি নৈত ৩০টা শিহুৱে (আনুমানিক তথ্য অনুসৰি) বাস কৰে। শিহু (River dolfin) সমগ্ৰ বিশ্বতে এবিধ দুষ্প্ৰাপ্য প্ৰাণী। ইয়াৰ সংৰক্ষণ অতি আৱশ্যক।

নৈখন আকস্মিক মৃত্যুমুখী হোৱাৰ ফলত নৈত বাস কৰা ১৩৮বিধ মাছ, শিহু, অন্য জীৱ-অনুজীৱ, গছ-লতাৰ আকস্মিক মৃত্যু ঘটিব, যাৰ ফলত ধেমাজি আৰু লখিমপুৰ জিলাৰ প্ৰায় ৩৯ লাখ মাছমৰীয়াৰ জীৱিকাৰ পথ বন্ধ হৈ যাব।

ইয়াৰ উপৰি ধেমাজি আৰু লখিমপুৰ জিলাত বানে কিমান ভয়াৱহ ৰূপ লয়, সেয়া কেৱল আখৰেৰে প্ৰকাশ কৰাটো টান। গতিকে এইক্ষেত্ৰত বৃহৎ নদীবান্ধে ধেমাজি আৰু লখিমপুৰৰ জনসাধাৰণৰ জীৱনৰ বিপৰীতে থিয় দিয়াটো নিশ্চিত।

কিন্তু আটাইতকৈ ডাঙৰ কথা হৈছে যে আমি এই সমস্যাবোৰৰ পৰা কেনেকৈ হাত সাৰিম। অসমত ভৱিষ্যতে কেতিয়াও বৃহৎ নদীবান্ধ নিৰ্মাণ নহ'বই নেকি?

অসম উদ্যোগীকৰণত পিছপৰা। তাতে NHPCক নিৰ্মাণৰ সমগ্ৰ দায়িত্ব অৰ্পণ কৰাৰ পিছত হঠাতে যদি ৪,৫০০ কোটি টকা খৰচ কৰাৰ পিছত বিভিন্ন প্ৰতিবাদৰ অন্তত নিৰ্মাণকাৰ্য সামৰিবলগীয়া হয়, তেন্তে NHPC-এ আৰ্থিকভাৱে ঘাটি খাব। ই আমাৰ চিন্তাৰ বিষয় নহয়; কিন্তু কথা হ'ল যদিহে NHPCৰ দৰে আগশাৰীৰ কোম্পানীয়েই এনে পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হয়, তেন্তে ভৱিষ্যতে অসমত উদ্যোগীকৰণৰ ক্ষেত্ৰখনলৈ কোনো ৰাষ্ট্ৰীয় বা বহুজাতিক কোম্পানী আগবাঢ়ি নাহিব। ইয়াৰ উপৰি সন্ত্ৰাসবাদৰ সমস্যাটোতো আছেই। গতিকে জনসাধাৰণৰ ক্ষতি নোহোৱাকৈ বৈজ্ঞানিকভাৱে নদীবান্ধৰ নিৰ্মাণেই সমগ্ৰ জটিলতা আঁতৰাব বুলি অনুমান কৰিব পৰা যায়।

অভিযোগ আহিছে যে বান্ধ নিৰ্মাণৰ পূৰ্বে বতৰ বিজ্ঞানীৰ অধ্যয়ন অবিহনেই নিৰ্মাণকাৰ্য আৰম্ভ কৰা হৈছিল। ইয়াৰ উপৰি আজিকোপতি বান্ধৰ ওচৰত বতৰ বিজ্ঞান কেন্দ্ৰ স্থাপন নোহোৱাটোও এটা পৰিতাপৰ বিষয়। প্ৰতিবাদ হৈছে যে বান্ধটোৰ



পৰা অধিক পানী মুকলি কৰি দিয়াৰ ফলত ভয়াৱহ বানৰ সৃষ্টি হ'ব আৰু বিদ্যুৎ উৎপাদনৰ বাবে পানী বন্ধ কৰি ৰাখিলে নৈখন অকালতে মৰি যাব। কিন্তু যদিহে নৈখনৰ প্ৰাকৃতিক জলধাৰা ব্যাহত নোহোৱাকৈ সকলো কাৰিকৰী কাম কৰাৰ উপায় উলিয়াব পৰা যায়, তেন্তে উক্ত আসোঁৱাহসমূহ দূৰ হ'ব বুলি অনুমান কৰিব পৰা যায়। আকৌ বান্ধটোৰ উচ্চতা যদি কিছু কমাব পৰা যায়, তেন্তে ই অধিক বিপদমুক্ত হ'ব। যিহেতু গেৰুকামুখৰ শিলাস্তৰ ঠুনুকা বালিশিলেৰে নিৰ্মিত আৰু এইবিধ শিলৰ অধিক ভৰ সহ্য কৰিব পৰা ক্ষমতা নাই। আনহাতে বান্ধটো জলসিঞ্চন আৰু বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সহায়ক বা ব্যৱহাৰ কৰিব পৰাকৈ যদিহে নতুনকৈ আৰ্হি প্ৰস্তুত কৰি নিৰ্মাণ কৰিব পৰা যায় (Redesign), তেন্তে ই সকলো সমস্যাৰে ওৰ পেলাব বুলি বিশেষজ্ঞসকলে দাবী কৰিছে।

শেষত এইটো কোৱা নিতান্তই প্ৰয়োজন যে প্ৰতিবাদী কাৰ্যসমূহৰ দ্বাৰা ১২%ৰ সলনি এক বৃহৎ পৰিমাণৰ বিদ্যুৎ অসমৰ বাবে (উৎপাদিত ঃ নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ পৰা) দাবী কৰি আৰু সমগ্ৰ প্ৰক্ৰিয়াটোত সম্পূৰ্ণ থলুৱা নিযুক্তি প্ৰদান কৰাৰ প্ৰস্তাৱ অন্তৰ্ভুক্ত কৰালেহে উদ্দেশ্যসমূহ উন্নয়নমুখী আৰু সাৰ্থক হ'ব। যিহেতু অসমত বৰ্তমান ১০খনৰো অধিক কাৰিকৰী শিক্ষা প্ৰতিষ্ঠান আছে আৰু প্ৰতিবছৰেই অসমৰ পৰা প্ৰতিভাৰ নিঃসৰণ (Brain drain) ঘটি আছে।□

(বিভিন্ন আলোচনী আৰু বাতৰিকাকতৰ সহায় লোৱা হৈছে।

● *প্ৰবন্ধকাৰ ভূতত্ত্ব বিভাগৰ স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ।*

# দেৱকান্ত বৰুৱাৰ কবিতা
## এটি আলোচনা

কৃষ্ণা বৰুৱা



**অসমীয়া** কবিতাৰ ৰোমাণ্টিক স্তৰৰ অন্তিম তৰংগৰ সফল আৰু সবাতোকৈ জনপ্ৰিয় কবিগৰাকী হ'ল দেৱকান্ত বৰুৱা। খুব কমসংখ্যক কবিতা ৰচনাৰে অসমীয়া কাব্য সাহিত্যত চিৰযুগমীয়া হৈ ৰোৱা কবি দেৱকান্ত বৰুৱাৰ একমাত্ৰ কাব্য সংকলন 'সাগৰ দেখিছা' এক অন্যধৰ্মী সাহিত্য ৰচনা।

ৰোমাণ্টিক কবিসকলৰ ভিতৰত সম্পূৰ্ণ সুকীয়া দৃষ্টিভংগী আৰু কৌশলেৰে কবিতা ৰচনা কৰি কবি দেৱকান্ত বৰুৱাই অসমীয়া কাব্যসাহিত্যলৈ যৌৱনসুলভ তেজ আৰু সৌন্দৰ্য কঢ়িয়াই আনিলে। অসমীয়া কাব্য সাহিত্যলৈ এক অন্য বাতাৱৰণ বোৱাই অনা এইজনা কবি মুখ্যতঃ প্ৰেমৰ কবি। তেওঁৰ কবিতাই হৃদয় আৰু মস্তিষ্ক উভয়কে সমানে উদ্বেলিত কৰে। ড° মহেশ্বৰ নেওগে দেৱকান্ত বৰুৱাক 'আৱাহন যুগৰ শ্ৰেষ্ঠ কবি আৰু এওঁতে ৰোমাণ্টিক কৰিতাই ভাবঘন পৰিণতি লাভ কৰিছে' বুলি মন্তব্য কৰিছে।

অসমীয়া কাব্য-সাহিত্যত দেৱকান্ত বৰুৱাৰ সবাতোকৈ অভিনৱত্বপূৰ্ণ অৱদান হ'ল নাটকীয় স্বগতোক্তিৰ প্ৰয়োগ। ভিক্টোৰীয় যুগৰ উল্লেখযোগ্য কবি ৰবাৰ্ট ব্ৰাউনিঙৰ আদৰ্শত অসমীয়া খণ্ডকবিতাতো সেই ৰীতিৰ সফল প্ৰয়োগ কৰি কবি দেৱকান্ত বৰুৱাই অসমীয়া কাব্যশৈলীলৈ যুগান্তৰ আনে।

ব্ৰাউনিং যিদৰে প্ৰেম আৰু যৌৱনৰ কবি আছিল, যিদৰে তেওঁ বিশ্বাস কৰিছিল 'Love is best', ঠিক সেইদৰে দেৱকান্ত বৰুৱাৰ মতে, 'প্ৰেমেই সৰ্বোত্তম। প্ৰেম মিলনৰ আনন্দ অথবা বিৰহৰ মাজত পৰ্যবসিত হ'লেও ই সদায় অজৰ-অমৰ।'

মুখ্যতঃ প্ৰেমৰ কবি দেৱকান্ত বৰুৱাৰ বাবে প্ৰেম কেৱল আত্মাৰ সঁহাৰিয়েই নহয়; প্ৰেয়সীৰ দেহ আৰু মন দুয়োটাই তেওঁৰ বাবে সঁচা। কেৱল কল্পনা জগতত সপোনৰ ডেউকা মেলি প্ৰিয়াৰ প্ৰেমৰ আকাশত তেওঁ বিচৰণ কৰি ফুৰা নাই। প্ৰিয়াৰ শৰীৰকো তেওঁ অস্বীকাৰ কৰা নাই। শাৰীৰিক সৌন্দৰ্যৰ সৈতে যোগ হৈহে প্ৰেমিকাৰ হিয়াৰ সৌন্দৰ্যই তেওঁৰ মৰু জীৱনলৈ ৰস আনিছে। কবিৰ অকপট অনুভৱ—

'নিপোটল বুকু লাটুমণি ওঁঠ
দুয়োপাৰি দাঁত ডালিমগুটি,
মৰুময় মোৰ জীৱনত সখী
তুমি কবিতাৰ একোটি সুঁতি।' (মনোৰমা)

ৰোমাণ্টিক ভাববিলাসিতা সম্পূৰ্ণৰূপে পৰিত্যাগ কৰা নাছিল যদিও তেওঁৰ প্ৰেম-চিন্তা আছিল আধুনিকতাৰ প্ৰথম সোপানত। প্ৰেম তেওঁৰ বাবে থুনুকা আৱেগেই কেৱল নহয়, এক প্ৰয়োজনো। 'কলংপাৰত মাজনিশা' কবিতাটোৰ মাজত আছে প্ৰেয়সীৰ লগত বিদায় মুহূৰ্তৰ ছবি। কিন্তু এই ছবি অশ্ৰুসিক্ত নহয়, প্ৰাপ্তিৰ গৌৰৱেৰে দীপ্তিমান। আনৰ বাগদত্তা হৈ পৰা প্ৰেয়সীক বিয়ালৈ মাথোঁ দহ দিন থকাৰ সময়তো মাজনিশা কলঙৰ পাৰত গোপনে লগ ধৰি কৰিয়ে দীপ্তকণ্ঠে ঘোষণা কৰিছে—

'তুমি গোলাপৰ আজি লভিছোঁ পৰশ প্ৰিয়া!
কাঁইটৰ শংকা মোৰ নাই।' (কলংপাৰত মাজনিশা)

যতীন্দ্ৰনাথ দুৱৰা বা গণেশ গগৈৰ দৰে ব্যৰ্থ প্ৰেমৰ আঘাতত তেওঁৰ মন ভাঙি পৰা নাই। দুৱৰা বা

গণেশ গগৈৰ প্ৰেমৰ চিন্তাত থকা ব্যৰ্থতাৰ বিষাদ বৰুৱাৰ কবিতাত পোৱা নাযায়। তেওঁৰ ভালপোৱাই প্ৰেয়সীক ধৰি ৰাখিব নোৱাৰিলে জীৱনৰ বাবে; অথচ তাৰ বাবে তেওঁৰ খেদ নাই, আছে এক অহংকাৰ। চিৰদিনৰ বাবে আনৰ হ'বলৈ ওলোৱা মৰমী প্ৰেয়সীক কলংপাৰতে শেষ বিদায় দিও কবিৰ বুকু গৌৰৱতে ওফন্দি উঠা দেখা গৈছে এষাৰি কথা সুঁৱৰি—

'প্ৰথম জগালোঁ ময়ে তন্দ্ৰালসা গাভৰুক মনোৰমা!
হিয়াৰ তোমাৰ। (কলংপাৰত মাজনিশা)

প্ৰেম যৌৱনৰ স্বাভাৱিক ধৰ্ম। ক্ষণস্থায়ী যৌৱনৰ সোণালী দিন দুদিনতে মৰহি গ'লেও কবিয়ে এই দুদিনীয়া যৌৱনৰ মাজতে বিচাৰি প'ইছে প্ৰেমৰ সাৰ্থকতা। আনৰ দৃষ্টিত এই প্ৰেম পাপ হ'লেও কবিৰ বাবে এয়েই স্বৰ্গ। এই দুদিনৰ মাজত কোনো পাপ-পুণ্যৰ হিচাপ কৰিবলৈ কবি অনিচ্ছুক—

'আমিও মৰহি যাম? অসাৰ্থক প্ৰেম মোৰ? পাপ মাথোঁ
এই চুমাচুমি?
কি কৰিম? হক পাপ ক্ষতি নাই, মই পাম স্বৰ্গ তাতে
তুমি ৰ'বা তুমি!' (অসাৰ্থক)

দেৱকান্ত বৰুৱাৰ কবিতাত প্ৰেমৰ ব্যৰ্থতা আছে, বিৰহৰ অনুৰাগ আছে আৰু বেদনাৰ নীলা ৰং আছে। কিন্তু তাক কৰুণ কৰাৰ কামনা তেওঁৰ নাই। নশ্বৰ যৌৱনৰ ফেনিল সাগৰত প্ৰেমৰ ঢৌৰ খলকনিৰ যি জিলিমিলি তাকে তেওঁ ৰঙীন কৰি তুলিবৰ প্ৰয়াস কৰিছে। পাৰ্থিৱ প্ৰেমৰ স্পৃহা, দেহৰ সৌন্দৰ্যই কবিক উতলা কৰে। অৱশ্যে তেওঁৰ প্ৰেমৰ কবিতাই কেতিয়াবা আধ্যাত্মিকতাৰ স্তৰ লাভ কৰিছে যদিও সিও পাৰ্থিৱ প্ৰেমৰ মাজেদিহে।

কবিয়ে এঠাইত লিখিছে— 'প্ৰেমিকাই মোৰ কবিতাৰ মূল উৎস। প্ৰেম আৰু প্ৰেমিকাৰ বিনে মোৰ কবিতা অসাৰ্থক প্ৰকাশ।' প্ৰিয়াৰ ৰূপ-গুণ বৰ্ণনা কৰাত কবি পাকৈত। কোনো এগৰাকী নাৰী দেৱকান্ত বৰুৱাৰ কবিতাৰ মূল আধাৰ। সখী, লাহৰী, প্ৰিয়া, মনোৰমা ইত্যাদি নানা নামেৰে কবিয়ে তেওঁক সম্বোধন কৰিছে।

নাৰীৰ প্ৰতি থকা তেওঁৰ বিচিত্ৰ ধাৰণাৰ উমান পাব পাৰি 'সাগৰ দেখিছা'ৰ মাজত। সপোনৰ মায়াসনা চকুৰে মনোৰমা তেওঁৰ সপোনৰ ৰাণী। কিন্তু এই ৰাণীৰ মাজত কবিয়ে প্ৰত্যক্ষ কৰে অমৃত আৰু গৰল দুয়োটাৰে তীব্ৰতা। নাৰীৰ মাজত অনাঘ্ৰাতা ৰূপ আছে, অথচ মাটিৰ গোন্ধো আছে। বিষ্ণু দে' আৰু বুদ্ধদেৱ বসুৰ দৰে নাৰীৰ লাৱণী দেহৰ মাজতে 'কংকাল' আৰু 'অস্থি'ৰ উপস্থিতি নিৰ্মমভাৱে অনুভূত নকৰিলেও তেওঁ কৈছে—

'তেজ মঙহৰ তুমি সামান্য পুতলা এটি
মৃত্যুশীল ফুল মৰতৰ।'

'তিলোত্তমা' নামৰ কবিতাটিৰ মাজত নাৰীৰ যি ছবি তেওঁ প্ৰকাশ কৰিছে, সি প্ৰচলিত পূৰ্বাপৰ ধাৰণাৰ বিপৰীত। নাৰীৰ বাবে 'ভায়ে ভায়ে কৰিছে সংগ্ৰাম'। নাৰী ইমানেই ভয়ংকৰ যে তেওঁ হিংসাতুৰা বাঘিনীৰ বুকুৰ পোৱালি কাঢ়ি' হেলাৰঙে ধেমালি কৰিব পাৰে। কেৱল সেয়েই নহয়; নাৰী হৈছে উৎপীড়ন আৰু শোষণৰ বিৰুদ্ধে মূৰ্তিমতী প্ৰতিবাদ—

'দৃপ্তফণা কালনাগ, বিহ উগাৰত যাৰ নীলকণ্ঠ ভোলানাথ
তুমি তাৰ মণি;
উৎপীড়িত বেদনাৰ চিৰন্তন বিদ্ৰোহৰ গগণ উতলা কৰা
তুমি তূৰ্য্যধ্বনি।' (তিলোত্তমা)

অথচ সন্ধ্যাৰ কোমল ছাঁত প্ৰিয়াৰ হাতৰ চেতাৰৰ মধুৰ গুঞ্জনৰ দৰে তেওঁ শান্তিদায়িনী। তেওঁ কঠোৰতা আৰু কোমলতাৰ অপূৰ্ব সংমিশ্ৰণ, তেওঁ কৈছে—

'হৰিণ চকুত জ্বলে বন্ধুৰ মৰণ, চৰণত
নিৰ্ভয় শৰণ!'

তেওঁৰ বাবে, নাৰীৰ দেহ-ভংগীত আছে বিশ্ব অবৰুদ্ধ যৌৱনৰ প্ৰকাশ, যাৰ নিশাহত বিহ মেটেকাই পাহি মেলে। তথাপি জীৱনৰ চৰম সত্যৰূপে নাৰীক তেওঁ কামনা কৰিছে—

'মৰণ যাঁচো ৰাণী তোমাৰ
কমল-চৰণ চুমি।'

নাৰীৰ প্ৰতি থকা এই প্ৰেম তেওঁৰ বাবে জানি-শুনি কৰা মধুৰ ভুল, যাক তেওঁ বুলিছে 'বেজাৰ-দুখৰ তেজেৰে ৰাঙলী হেজাৰ ফুল।' ভগ্ন হৃদয়ক লৈ গৌৰৱ কৰাৰ ক্ষমতা খুব কম কবিৰহে থাকে। সেই ক্ষমতা আছে দেৱকান্ত বৰুৱাৰ—

**...দেৱকান্ত বৰুৱাৰ কবিতাৰ আন এটি বৈশিষ্ট্য হ'ল নাটকীয় একোক্তিৰ প্ৰয়োগ। অসমীয়া কাব্য সাহিত্যত দেৱকান্ত বৰুৱাৰ এই নাটকীয় একোক্তিৰ কবিতাই এক অভিনৱত্বৰ সৃষ্টি কৰিলে। ইংৰাজ কবি ৰবাৰ্ট ব্ৰাউনিঙৰ 'Dramatic monologue'ৰ পৰা সেই টেক্‌নিক গ্ৰহণ কৰি অসমীয়া কাব্য সাহিত্যত প্ৰয়োগ কৰি তেওঁ অসমীয়া কবিতালৈ নতুনত্ব আনিছিল...**

'হিয়া নিয়া আমাৰ ধেমালি মাথোঁ, ভগা হিয়া মানুহৰ
নিজস্ব গৌৰৱ
বিৰহৰ চকুপানী মৰমৰ মন্দাকিনী, প্ৰেম তাৰ
মন্দাৰ সৌৰভ।'

এই অনুভূতি পৌৰুষদীপ্ত প্ৰাণৰ চানেকি। নাৰীৰ ৰূপৰ জুইত আৰু মনৰ সৰোবৰত তেওঁ জানি-শুনি ডুব গৈছে। নাৰী তেওঁৰ কবিতাৰ সুখ আৰু আনন্দৰ উৎস। নাৰীৰ পৰা পোৱা জ্বালা আৰু বেদনাও তেওঁৰ মধুৰ ঐশ্বৰ্য।

কবিজনাৰ 'সাগৰ দেখিছা'ৰ প্ৰায়বিলাক কবিতাতে ফুটি উঠিছে গভীৰ ভালপোৱাৰ ভাবাবেগ। নিজৰ অন্তৰৰ কোনো কথাকে প্ৰাণ খুলি ক'বলৈ সংকোচ কৰা নাই। 'সাগৰ দেখিছা' কবিতাটিৰ মাজতে প্ৰকাশ পাইছে মানুহৰ চিৰকলীয়া পূৰ্ণতাৰ তৃষ্ণা।

প্ৰেম সৌন্দৰ্যবোধৰ যোগেদি কবিসত্বাৰ পৰিচয় দাঙি ধৰা কবি দেৱকান্ত বৰুৱাৰ কাব্যত জাতীয় চেতনা আৰু সংস্কাৰকামী মনোভাৱৰো প্ৰকাশ ঘটিছে। 'লাচিত বৰফুকন' কবিতাৰ মাধ্যমেৰে কবিয়ে জাতীয় জীৱনৰ স্বৰূপটো ফঁহিয়াই চাই অসমীয়া মানুহৰ স্বাৰ্থপৰতা, নীচতা, হীনতাৰ প্ৰতি তীব্ৰ সমালোচনা কৰিছে। মানুহৰ অধঃপতনে তেওঁক সুঁৱৰিবলৈ বাধ্য কৰিছে লাচিত বৰফুকনলৈ। বাহিৰৰ জগতত পৰিৱৰ্তনৰ ঢল নমাৰ সময়তো অসম ঢাক খাই আছে কু-সংস্কাৰৰ অন্ধকাৰত। কবিৰ আক্ষেপ—

'শাস্ত্ৰৰ তলি উদি হৈ গ'ল, নেলাগিল মাথোঁ থিত
মৰ আঁউসীত হাল বালে লাগে কেই ধেনু পৰাচিত।'

তেওঁৰ কবিতাত ফুটি উঠিছে সমাজৰ কঠুৱা ৰীতি আৰু পাপৰ ধাৰণাৰ প্ৰতি প্ৰতিবাদৰ কণ্ঠস্বৰ। কিন্তু এই প্ৰতিবাদৰ ভাষা অভিনৱভাৱে কাব্যধৰ্মী।

কবি দেৱকান্তই সমাজ সংস্কাৰৰ বাবে নানা যুদ্ধ বিদ্ৰোহৰ ঘোষণা কৰিছিল। বহু দেশ-বিদেশ ঘূৰি কবিয়ে যাত্ৰাপথত এখনি মুকলি দুৱাৰ বিচাৰি হাবাথুৰি খাইছে। কিন্তু শেষত দুৱাৰ মুকলি ক'ত বুলি উচপ খাইছে আৰু ঠিক পিছতে কবিয়ে উত্তৰ দিছে—

'বন্ধ দেখোঁ সকলো দুৱাৰ
দুৱাৰ মুকলি মাথোঁ অচল ছবিৰ,
কিতাপ দ'মত থকা নিকোলাছ ৰ'ৰিকৰ।
এখনি ছবিৰ।' (আমি দুৱাৰ মুকলি কৰোঁ)

এই কবিতাটি দেৱকান্ত বৰুৱাৰ কবিতাসমূহৰ ভিতৰত আটাইতকৈ মননশীল, ভাবগধুৰ আৰু সংগীতময় কবিতা। কবিতাটিত প্ৰথম অৱস্থাত নাটকীয় আকৰ্ষণ (মোৰ মেজৰ ওপৰত এখন ছবি আছে...) পৰিলক্ষিত হয়। কিছু পিছলৈ কবিতাটি ভাবগধুৰ অৱস্থালৈ আহিছে।

দেৱকান্ত বৰুৱাৰ কবিতাৰ ভাব আৰু প্ৰকাশভংগী আন কবিৰ পৰা সম্পূৰ্ণ পৃথক। ছন্দৰ সাৱলীলতা তেওঁৰ কবিতাৰ অন্যতম বৈশিষ্ট্য। শব্দ চয়ন আৰু কথনভংগী অপূৰ্ব। তেওঁৰ কবিতাৰ চিত্ৰকল্পসমূহ নিমজ আৰু হৃদয়স্পৰ্শী। মূখ্যতঃ প্ৰেমৰ কবি হ'লেও দেৱকান্ত বৰুৱাৰ কবিতাত প্ৰেমৰ মূৰ্চ্ছনাই এটি স্বকীয় ভংগী লাভ কৰিছে। বৰুৱাৰ কবিতাৰ ভাষা গদ্যৰ ওচৰ চপা। ড° মহেন্দ্ৰ বৰাই সেয়ে কৈছে— 'এওঁৰ কবিতাৰ স্বকীয় বৈশিষ্ট্যৰ আভাস পোৱা যায় প্ৰকাশভংগীৰ অভিনৱত্বত। যতি আৰু গতিৰ চিৰাচৰিত নিৰূপিত ৰূপক নতুন ছন্দৰ সৃষ্টি কৰাতেই তেওঁৰ প্ৰকাশভংগীৰ অভিনৱত্ব। মুঠতে দেৱকান্তৰ কবিতা অসমীয়া কাব্য-সাহিত্যৰ এক অপৰূপ বিস্ময়।'

দেৱকান্ত বৰুৱাৰ কবিতাৰ আন এটি বৈশিষ্ট্য হ'ল নাটকীয় একোক্তিৰ প্ৰয়োগ। অসমীয়া কাব্য সাহিত্যত দেৱকান্ত বৰুৱাৰ এই নাটকীয় একোক্তিৰ কবিতাই এক অভিনৱত্বৰ সৃষ্টি কৰিলে। ইংৰাজ কবি ৰবাৰ্ট ব্ৰাউনিঙৰ 'Dramatic monologue'ৰ পৰা সেই টেক্নিক গ্ৰহণ কৰি অসমীয়া কাব্য সাহিত্যত প্ৰয়োগ কৰি তেওঁ অসমীয়া কবিতালৈ নতুনত্ব আনিছিল। দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা', 'কলংপাৰত মাজনিশা' আদি কবিতাত এই নাটকীয় একোক্তিৰ সাৰ্থক প্ৰয়োগ লক্ষ্য কৰা যায়—

'সাগৰ দেখিছা? দেখা নাই কেতিয়াও?ময়ো দেখা নাই।
শুনিছো তথাপি
নীলিম সলিলৰাশি বাধাহীন উৰ্মিমালা আছে দূৰ
দিগন্ত বিয়পি।' (সাগৰ দেখিছা)

মুঠতে ক'ব পাৰি যে দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা' এখনি অনুপম কাব্যপুথি। মাথোঁ এখন কাব্য সংকলন সৃষ্টিৰে অসমীয়া কাব্য সাহিত্যত চিৰযুগমীয়া হৈ ৰোৱা কবি দেৱকান্ত বৰুৱা আমাৰ মাজত এগৰাকী জনপ্ৰিয় কবিৰূপে সদায়ে জিলিকি থাকিব। অসমীয়া কাব্য সাহিত্যত বৰুৱাৰ কাব্যিক প্ৰতিভা অজৰ-অমৰ হৈ ৰ'ব। □

**সহায়ক গ্ৰন্থ ঃ**

ড° মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা
নন্দ তালুকদাৰ ঃ কবি আৰু কবিতা
ড° কৰবী ডেকা হাজৰিকা ঃ অসমীয়া কবি আৰু কবিতা

*প্ৰবন্ধকাৰ অসমীয়া বিভাগৰ স্নাতকোত্তৰ প্ৰথম ষান্মাসিকৰ ছাত্ৰী।*

# হালধীয়া সাংবাদিকতা

## এটি অৱলোকন

**মনজিৎ কলিতা**

**সভ্যতাৰ** প্ৰতিটো স্তৰতে নতুন নতুন বিৱৰ্তন সংঘটিত হয়। আদিম মানৱে চকা আৰু জুই আৱিষ্কাৰ কৰি সভ্যতাক নতুন গতি প্ৰদান কৰাৰে পৰা সভ্যতাই দ্ৰুততাৰে উন্নত স্তৰলৈ গতি কৰিবলৈ সক্ষম হৈছে। সভ্যতা তথা সমাজ ব্যৱস্থাৰ এক বৈশিষ্ট্য হৈছে যে ভাল আৰু বেয়া দুইধৰণৰ বিৱৰ্তনৰ মাজৰ পৰা সভ্যতাই কেৱল ভাল বা প্ৰয়োজনীয়টোহে গ্ৰহণ কৰে। অপ্ৰয়োজনীয়বোৰ সময়ৰ সোঁতত উটি গুচি যায়।

আদিম সভ্যতাত আমি এক উল্লেখযোগ্য বিৱৰ্তন হিচাপে উল্লেখ কৰিব পাৰোঁ ভাব ৱিনিময়ক। ভাব বিনিময় প্ৰথাৰ পৰাই এজনৰ পৰা বহুজনলৈ বাৰ্তা বিয়পি যাব পৰা হ'ল। বিভিন্ন উপায়েৰে ভাব বিনিময় কৰাৰ পিছত যেতিয়া এজনে আনজনলৈ প্ৰতীকধৰ্মীভাৱে বা নিৰ্দিষ্ট ভাষাৰ জৰিয়তে বাৰ্তা বিনিময় কৰিব পৰা হ'ল তেতিয়াৰ পৰাই আৰম্ভ হ'ল সাংবাদিকতাৰ। বিভিন্ন সময়ত পৌৰাণিক সভ্যতাত আমি সাংবাদিকতাৰ নিদৰ্শন দেখিবলৈ পাওঁ। সাধাৰণভাৱে বাৰ্তা বিনিময়ৰ মাধ্যমেৰে আৰম্ভ হোৱা সাংবাদিকতাৰো ক্ৰমবিকাশ ঘটিল। নতুন ধাৰণাৰ আগমন ঘটিল। বিভিন্ন স্তৰ অতিক্ৰমি অহাৰ পাছত সাংবাদিকতাৰ জগতখন এটা স্তৰত উপনীত হ'ল। এই স্তৰত উপনীত হোৱাৰ লগে লগে সাংবাদিকতাৰ জগতখনতো কিছুমান ব্যাধি বিয়পি পৰিল। তাৰ ভিতৰৰ প্ৰধান হ'ল হালধীয়া সাংবাদিকতা।



প্ৰাথমিকভাৱে ক'বলৈ গ'লে হালধীয়া সাংবাদিকতা হ'ল অসত্য বা অৰ্ধসত্য খবৰ প্ৰকাশৰ জৰিয়তে কোনো সংবাদ প্ৰতিষ্ঠানে নিজকে জনপ্ৰিয় কৰাৰ অপচেষ্টা। আকৌ হালধীয়া সাংবাদিকতা কাৰোবাক অপমানিত কৰাৰ উদ্দেশ্যতো ব্যৱহাৰ কৰা হয়। মূলতঃ সাংবাদিকতাত চমক সৃষ্টি কৰা, ব্যৱসায়িক স্বাৰ্থ পূৰণ কৰাৰ উদ্দেশ্যে অৰ্ধসত্য, অলীক আৰু ভিত্তিহীন খবৰ প্ৰকাশ কৰাকে হালধীয়া সাংবাদিকতা বোলে।

হালধীয়া সাংবাদিকতাৰ ইতিহাসৰ আঁৰৰ দুজন প্ৰধান ব্যক্তি হ'ল যোছেফ পুলিৎজাৰ আৰু উইলিয়াম ৰেডলফ হাৰ্ষ্ট। পুলিৎজাৰ মাত্ৰ ১৭ বছৰ বয়সতে নিজৰ দেশ ত্যাগ কৰি আমেৰিকালৈ আহে আৰু ১৮৮৩ চনত 'নিউয়ৰ্ক ৱৰ্ল্ড' নামৰ এখন কাকত ক্ৰয় কৰে। সেই সময়ত খুব কম প্ৰচলিত কাকতখনত তেওঁ চাঞ্চল্যকৰ বাতৰিক স্থান দিয়া হ'ব বুলি প্ৰকাশ্যে ঘোষণা

...বৰ্তমানৰ বাতৰি চেনেলবিলাকৰ মাজত চলি থকা প্ৰতিযোগিতাত দৃষ্টিপাত কৰিলে দেখিম যে কেতিয়াবা কোনো কোনো নিউজ চেনেলৰ ধাৰাভাষ্যকাৰজনে উত্তেজিত সুৰত কথা কৈ দৰ্শকক উত্তেজিত কৰাৰ প্ৰয়াস কৰে। কেতিয়াবা আকৌ একেটা বাতৰিকে বাৰে বাৰে দেখুৱাই দৰ্শকৰ 'ব্ৰেইন ৱাছ' কৰাৰ চেষ্টাও কৰে। ইও হালধীয়া সাংবাদিকতা। একেদৰে প্ৰিন্ট মিডিয়াত এটা বাতৰি নিৰ্দিষ্ট আকাৰতকৈ ডাঙৰকৈ প্ৰকাশ কৰা, উত্তেজনামূলকভাৱে বাতৰি লিখনো একপ্ৰকাৰ হালধীয়া সাংবাদিকতা...



কৰে। পিছত দেখা গ'ল যে কাকতখনে ২.৬ লক্ষ্য গ্ৰাহক লাভ কৰিছে। আকৌ সেই সময়তে উলিয়াম ৰেডলফ হাৰ্ষ্ট নামৰ এজন ব্যক্তিয়েও 'মৰ্ণিং জাৰ্ণেল' নামৰ এখন কাকত ক্ৰয় কৰি পুলিৎজাৰৰ পথকে অনুসৰণ কৰিলে। দুয়োখন কাকতে 'Yellow kid' নামৰ কাৰ্টুন প্ৰকাশ হৈছিল। ইয়াৰ ফলতে চাঞ্চল্যকৰ সাংবাদিকতা 'হালধীয়া সাংবাদিকতা' (yellow journalism) হিচাপে নামকৰণ হয়। সেই সময়ত এই কাকত দুখনৰ খবৰে ৰুচিবোধৰ সীমা পাৰ কৰিছিল।

চাঞ্চল্যকৰ খবৰৰ ক্ষেত্ৰত হাৰ্ষ্ট আছিল আকৌ পুলিৎজাৰতকৈও এখোপ আগবঢ়া। তেওঁ প্ৰকাশ কৰিবলৈ চাঞ্চল্যকৰ খবৰ নাথাকিলে নিজেই খবৰ সৃষ্টি কৰিছিল। যেনে এবাৰ তেওঁ এদল অভিযাত্ৰীক ভালুক ধৰাৰ অভিযানত পঠিয়াই সেই কাহিনী ধাৰাবাহিকভাৱে প্ৰকাশ কৰিছিল। এইদৰেই পুৰণি সময়তে সংবাদ জগতত হালধীয়া সাংবাদিকতাৰ জন্ম হয়। হালধীয়া সাংবাদিকতা সংবাদ জগতৰ বাবে কিমানখিনি ক্ষতিকাৰক সেয়া বিচাৰ্য বিষয়। সাংবাদিকতাক গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ হিচাপে গণ্য কৰা হয়। সেই সাংবাদিকতাৰ এই নিকৃষ্ট ৰূপ সকলো দেশতে নিকৃষ্ট। বৰ্তমানৰ বিশ্বায়নৰ যুগত হালধীয়া সাংবাদিকতাই আন্তঃৰাষ্ট্ৰীয় কূটনীতিতো সময়ে সময়ে ধুমুহাৰ সৃষ্টি কৰি আহিছে।

হালধীয়া সাংবাদিকতাৰ বৰ্তমানৰ পৰিস্থিতিৰ বিষয়ে যদি ক'বলৈ যাওঁ তেন্তে দেখিম হাৰ্ষ্ট, পুলিৎজাৰৰ দিনৰ সেই ধাৰণাকে মূল হিচাপে লৈ ই নতুন ৰূপলৈ অগ্ৰসৰ হৈছে। বৰ্তমানৰ বাতৰি চেনেলবিলাকৰ মাজত চলি থকা প্ৰতিযোগিতাৰ ওপৰত দৃষ্টিপাত কৰিলে দেখিম যে কেতিয়াবা কোনো কোনো নিউজ চেনেলৰ ধাৰাভাষ্যকাৰজনে উত্তেজিত সুৰত কথা কৈ দৰ্শকক উত্তেজিত কৰাৰ প্ৰয়াস কৰে। কেতিয়াবা আকৌ একেটা বাতৰিকে বাৰে বাৰে দেখুৱাই দৰ্শকৰ 'ব্ৰেইনৱাছ' কৰাৰ চেষ্টাও কৰে। এয়াও হালধীয়া সাংবাদিকতা। একেদৰে প্ৰিন্ট মিডিয়াত এটা বাতৰি নিৰ্দিষ্ট আকাৰতকৈ ডাঙৰকৈ প্ৰকাশ কৰা, উত্তেজনামূলকভাৱে বাতৰি লিখনো একপ্ৰকাৰ হালধীয়া সাংবাদিকতা।

সংবাদ জগতৰ ক্ৰমবিকাশৰ লগে লগে সংবাদ মাধ্যমসমূহ সাধাৰণ ৰাইজৰ ওচৰলৈ অতি সোনকালেই যাব পৰা হৈছে। বৰ্তমান ই-প্ৰযুক্তিৰ সহায়ত পৃথিৱীখন এখন সৰু গোলকীয় গাঁৱলৈ ৰূপান্তৰিত হৈছে। ইয়াৰ উপৰি আধুনিক জগতত নতুনকৈ উদ্ভাৱন হোৱা উত্তৰ আধুনিকতাৰ (Post-modernism) ধাৰণাৰ সহায় লৈ সংবাদ জগতো এখন অত্যাধুনিক পৃথিৱীত প্ৰৱেশ কৰিছে। আকৌ সংবাদ মাধ্যমসমূহৰ মাজত সৃষ্টি হোৱা ব্যৱসায়িক সংঘাতৰ ফলত দিনে দিনে নতুন হালধীয়া সাংবাদিকতাৰ পদ্ধতিও উদ্ভৱ হৈছে। সংবাদ মাধ্যম সমাজৰ তৃণমূলৰ মাধ্যম। গতিকে সংবাদ মাধ্যমৰ এই ভুল দিশবিলাকে সাধাৰণ মানুহৰ ক্ষতি কৰিব। ইয়াৰ ফলত সমাজ ভুল দিশে পৰিচালিত হ'ব। আকৌ ক'ব পাৰো যে হালধীয়া সাংবাদিকতাৰ জনক পুলিৎজাৰৰ সাহিত্যলৈ যোগাত্মক অৱদানৰ বাবে ১৯১০ চনৰ পৰা প্ৰদান কৰা পুলিৎজাৰ বঁটা পৃথিৱীৰ ভিতৰতে অতি সন্মানীয় বঁটা। প্ৰসংগৰ সংগতি ৰাখি ক'ব পাৰোঁ যে সভ্যতাৰ চিৰাচৰিত নিয়মানুযায়ী সংবাদ মাধ্যমৰো সঁচা আৰু প্ৰয়োজনীয় উপাদানবোৰহে ভৱিষ্যতলৈ সঞ্চিত হ'ব। □

*প্ৰবন্ধকাৰ গণসংযোগ আৰু সাংবাদিকতা বিভাগৰ ছাত্ৰ।*

# মানৱ অধিকাৰ ঃ এক অৱলোকন

**অঞ্জন কলিতা**

**মানৱ** অধিকাৰৰ ধাৰণাটো মানৱ সভ্যতাৰ সমানেই পুৰণি। মানৱ ইতিহাস হৈছে মানুহৰ মৰ্যাদা ৰক্ষাৰ এক দলিল। মানৱ অধিকাৰ সংক্ষেপতে হ'ল সেই অধিকাৰ, যাৰ দ্বাৰা জাতি-বৰ্ণ-ভাষা-ধৰ্ম নিৰ্বিশেষে সকলো মানুহে নিজৰ প্ৰকৃতিজাত অধিকাৰ ভোগ কৰিবলৈ সুবিধা পায় আৰু এইবোৰ আইনগতভাৱে সুৰক্ষিত হয়। সমাজৰ ৰাজনীতি, অৰ্থনীতি, সাংস্কৃতিক অন্যায় আৰু অসমতাৰ বিৰুদ্ধে সংগ্ৰাম মানৱ ইতিহাসৰ এক অপৰিহাৰ্য অংশ।

বৰ্তমানৰ মানৱ অধিকাৰৰ ধাৰণাটো নৱজাগৰণ (Renaissance) আৰু বৌদ্ধিক বিকাশৰ (Enlightement) আপুৰুগীয়া ফচল। সেই সময়ত মানৱতাবাদৰ (Humanism) সপক্ষে হোৱা সংগ্ৰামে মানুহৰ হৃত মৰ্যাদা আৰু মানৱ মূল্য ঘূৰাই আনিছিল আৰু লগতে ব্যক্তি স্বাধীনতাও সুৰক্ষিত কৰিছিল। ওঠৰ শতিকাৰ শেষ দশক দুটাৰ স্বৈৰতন্ত্ৰ (Despotism) আৰু কৰ্তৃত্ববাদৰ (Authoritarianism) বিৰুদ্ধে আৰম্ভ হোৱা সংগ্ৰামে 'মানৱ অধিকাৰ'ৰ ধাৰণাটো সৰ্বসাধাৰণৰ মাজত বদ্ধমূল কৰি তোলে। সমসাময়িকভাৱে আমেৰিকাত ঘোষিত 'স্বাধীনতা ঘোষণা' (১৭৭৬ চন) আৰু ফ্ৰান্সত ঘোষিত 'মানৱ আৰু নাগৰিক অধিকাৰ ঘোষণা'ই (১৭৮৯ চন) মানৱ অধিকাৰৰ ধাৰণাটো বিশ্বব্যাপী প্ৰতিষ্ঠা কৰে। কিন্তু মানৱ অধিকাৰৰ ধাৰণাই বিশ্বজনীন স্বীকৃতি লাভ কৰে বিংশ শতিকাত সৃষ্টি হোৱা বিশ্বযুদ্ধ দুখনৰ (১৯১৪-১৮ আৰু ১৯৩৯-৪৫ চন) পিছতহে। ১৯৪১ চনত আমেৰিকাৰ ৰাষ্ট্ৰপতি ৰুজভেল্টে ঘোষণা কৰা 'চাৰিটা স্বাধীনতা' (বাক্ স্বাধীনতা আৰু মত প্ৰকাশৰ স্বাধীনতা, বিশ্বাসৰ স্বাধীনতা, ভয়ৰ পৰা মুক্তি পোৱাৰ স্বাধীনতা, যিকোনো বস্তু বিচাৰৰ স্বাধীনতা) ৰাষ্ট্ৰসংঘই বৰ্ধিত ৰূপত প্ৰকাশ কৰে আৰু পৃথিৱীৰ প্ৰায় সকলো ৰাষ্ট্ৰই ইয়াক অনুমোদন কৰে। ইয়াৰ পিছতে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত হিটলাৰৰ নাজীবাহিনী আৰু মুছ'লিনীৰ নেতৃত্বত ফেচিষ্ট বাহিনীয়ে জনসাধাৰণৰ ওপৰত যি অত্যাচাৰ চলাইছিল, তাৰ পৰিণতিত মানুহৰ মৌলিক অধিকাৰসমূহ আন্তঃৰাষ্ট্ৰীয়ভাৱে সুৰক্ষা দিবৰ বাবে সৃষ্টি হোৱা ৰাষ্ট্ৰসংঘ (১৯৪৫ চন) নামৰ বিশ্ব সংস্থাটোৱে ১৯৪৮ চনৰ ১০ ডিচেম্বৰত মানৱ অধিকাৰক বিশ্বজনীনভাৱে প্ৰতিষ্ঠা কৰে।

### সাৰ্বজনীন মানৱ অধিকাৰ ঘোষণা আৰু ৰাষ্ট্ৰসংঘ

১৯৪৮ চনৰ ১০ ডিচেম্বৰত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ঘোষণা কৰা সাৰ্বজনীন মানৱ অধিকাৰ চনদখনত ৩০টা বিষয়েৰে মানৱ অধিকাৰক স্বীকৃতি দিয়া হয়। এই বিষয়কেইটা তিনিটা প্ৰাজন্মিক ধাৰণাৰে প্ৰতিষ্ঠিত - (ক) ব্যক্তি বিশেষৰ ন্যায়িক আৰু ৰাজনৈতিক অধিকাৰ, (খ) ব্যক্তিবিশেষৰ সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক অধিকাৰ আৰু (গ) ব্যক্তিবিশেষৰ পৰিৱেশ, সাংস্কৃতিক আৰু উন্নয়নমূলক অধিকাৰ। ইয়াৰ লগতে ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ বিষয়ক দুখন আন্তৰ্জাতিক প্ৰতিজ্ঞা-পত্ৰৰ দ্বাৰা মানৱ অধিকাৰক শ্ৰেণীভুক্ত কৰা হৈছে। ইয়াৰ উপৰি টেহ্‌ৰান সন্মিলন, ভিয়েনা সন্মিলন, চতুৰ্থ বিশ্বৰ নাৰী সন্মিলন আদিয়ে বিধি-বিধানৰ দ্বাৰা মানৱ অধিকাৰৰ বিকাশ আৰু সংৰক্ষণ সুনিশ্চিত কৰিছে। ১৯৬৬ চনত অনুষ্ঠিত আন্তৰ্জাতিক সন্মিলনত বৰ্ণ বৈষম্যৰ অৱসান ঘটোৱাৰ সিদ্ধান্তই মানৱ অধিকাৰৰ উন্নয়ন আৰু অধিক খৰতকীয়া কৰিছে।



ৰাষ্ট্ৰসংঘৰ চনদৰ চুক্তিয়ে মানৱ অধিকাৰৰ ধাৰণাটোক আন্তঃৰাষ্ট্ৰীয় বিষয় হিচাপে আনুষ্ঠানিক স্বীকৃতি প্ৰদান কৰে। চনদৰ বিভিন্ন অনুচ্ছেদত মানুহৰ মৌলিক অধিকাৰৰ বিষয়ে আলোচনা কৰা হৈছে। ৰাষ্ট্ৰসংঘৰ প্ৰস্তাৱনা, ইয়াৰ উদ্দেশ্য আৰু লক্ষ্য, সাধাৰণ পৰিষদৰ দায়িত্ব আৰু কৰ্তব্য, আন্তৰ্জাতিক আৰু সামাজিক পৰিষদৰ কামৰ পৰিসৰ, আন্তৰ্জাতিক অৰ্থনৈতিক আৰু সামাজিক পৰিষদে মানৱ অধিকাৰ বিকাশৰ বাবে গঠন

া আয়োগৰ কাৰ্যাৱলী, ন্যাসৰক্ষী পৰিষদৰ উদ্দেশ্য আৰু লক্ষ্য-দিত মানৱ অধিকাৰ বিকাশ আৰু সুৰক্ষাৰ আভাস পোৱা। ৰাষ্ট্ৰসংঘৰ চনদে মানৱ অধিকাৰ সুৰক্ষাৰ বাবে কিছুমান ইনগত নিয়মো প্ৰৱৰ্তন কৰিছে।

### ভাৰত আৰু মানৱ অধিকাৰ

বৰ্তমান সময়ত মানৱ অধিকাৰৰ ধাৰণাটোক বিশ্বৰ প্ৰায় কলো ৰাষ্ট্ৰই নিজৰ নিজৰ সংবিধানত স্থান দিছে। ভাৰতেও ৱ অধিকাৰৰ সাৰ্বজনীন দিশবোৰক ইয়াৰ সংবিধানত স্থান ছ আৰু বৈধভাৱে কাৰ্যকৰী কৰি আছে। সংক্ষেপতে ৰতীয় সংবিধানপ্ৰদত্ত মানৱ অধিকাৰবোৰ হ'ল— সমতাৰ ধিকাৰ, বিভিন্ন সা-সুবিধাৰ অধিকাৰ, বাক্ স্বাধীনতা আৰু প্ৰকাশৰ অধিকাৰ, শান্তিপূৰ্ণ সহাৱস্থানৰ অধিকাৰ, বৈষম্যৰ ৰুদ্ধে বাধা আৰোপ, অপৰাধৰ শাস্তিৰ পৰা সুৰক্ষাৰ অধিকাৰ, ত্ব আৰু বাধ্যতামূলক শ্ৰমৰ পৰা সুৰক্ষা, বিবেক আৰু ধৰ্মীয় ধীনতাৰ অধিকাৰ, প্ৰতিকাৰৰ অধিকাৰ ইত্যাদি। এই ধিকাৰসমূহৰ বিস্তৃত আলোচনা সংবিধানৰ ১৪ৰ পৰা ৩২নং চ্ছেদলৈ কৰা হৈছে।

সংবিধানত উল্লেখ কৰা মানৱ অধিকাৰসমূহ শাবেক্ষণৰ বাবে ভাৰত চৰকাৰে ১৯৯৩ চনত প্ৰণয়ন কৰা ৱ অধিকাৰ সুৰক্ষা আইনৰ অধীনত 'ৰাষ্ট্ৰীয় মানৱ অধিকাৰ য়োগ' গঠন কৰে। এই আয়োগে মানৱ অধিকাৰ সুৰক্ষাৰ ব বিভিন্ন ধৰণে কাম কৰি আছে। ইয়াৰোপৰি ভাৰত কাৰে বৰ্তমান সময়লৈকে মানৱ অধিকাৰ প্ৰসাৰ আৰু ক্ষণৰ বাবে কেইবাটাও আয়োগ আৰু বহুতো আইন প্ৰণয়ন ছে। এইবোৰৰ প্ৰধানকেইখন হ'ল— অনুসূচিত জাতি আৰু জাতি সম্পৰ্কীয় ৰাষ্ট্ৰীয় আয়োগ (৩৩৮নং অনুচ্ছেদ), ্য বিবাহ নিষেধ অধিনিয়ম (১৯২৯ চন), যৌতুক নিষেধ ধিনিয়ম (১৯৬১ চন), মাতৃত্ব সাহায্য অধিনিয়ম (১৯৮৭ ), ৰাষ্ট্ৰীয় সংখ্যালঘু আয়োগ অধিনিয়ম, ৰাষ্ট্ৰীয় মহিলা য়োগ, ৰাষ্ট্ৰীয় পিছপৰা শ্ৰেণী আয়োগ (১৯৯৩ চন)। ইয়াৰ তে ভাৰতীয় সংবিধানৰ কেতবোৰ মৌলিক কৰ্তব্য আৰু ৰিকসকলে যাতে সমান সামৰিক আৰু অৰ্থনৈতিক অধিকাৰ গ কৰিব পাৰে, তালৈ লক্ষ্য ৰাখি কেতবোৰ ৰাষ্ট্ৰৰ নিৰ্দেশক তি সন্নিৱিষ্ট কৰা হৈছে।

### মানৱ অধিকাৰ আৰু সমস্যাবোৰ

নিৰীক্ষণৰ পৰা দেখা যায় যে সমৃদ্ধিশালী, বিকশিত ন্তৰ্জাতিক মানৱ অধিকাৰ আইনে সকলোকে সমানে উপকৃত ব পৰা নাই। নিৰৱচ্ছিন্নভাৱে পৃথিৱীৰ বিভিন্ন অঞ্চলত মানৱ ধিকাৰ খৰ্ব হৈ আহিছে। মানৱ অধিকাৰ ৰক্ষণাবেক্ষণৰ গতিশীলতা বিভিন্ন কাৰকৰ ওপৰত নিৰ্ভৰশীল। এই কাৰকবো এনেধৰণৰ—

ক) নতুন উপনিৱেশবাদক দমন কৰিব লাগিব,

খ) এক অভিনৱ আন্তৰ্জাতিক অৰ্থনৈতিক নীতি প্ৰৱ কৰিব লাগিব।

গ) উন্নত দেশবোৰৰ নীতি-নিয়ম আৰু অধিকাৰবোৰ তৃত বিশ্বৰ দেশবোৰৰ ওপৰত জাপি দিয়াৰ পৰা বিৰত থাকিব লাগি

ঘ) তৃতীয় বিশ্বৰ দেশসমূহক সম-মৰ্যাদা আৰু পৃথি গতিশীল অংশ হিচাপে গঢ়ি তুলিবলৈ এইবোৰৰ নিৰৱচি ঔদ্যোগিক বিকাশ আৰু কাৰিকৰী দিশত উন্নত কৰিব লাগি যিবোৰে দেশৰ স্বাধীনতাক অধিক সুৰক্ষিত কৰিব।

ঙ) মানৱ অধিকাৰৰ ধাৰণা আৰু ইয়াৰ অন্তৰ্ভুক্ত বিষয় বিশ্বৰ সকলো ধৰণৰ মানুহে জানিব লাগিব আৰু বুজিব লাগি সমাজৰ সকলো শ্ৰেণীৰ মানুহে যাতে মানৱ অধিকাৰৰ ধাৰণা বুজি পায়, তাৰ বাবে শৈক্ষিক ব্যৱস্থা ল'ব লাগিব।

মানৱ অধিকাৰৰ উদ্দেশ্য আৰু লক্ষ্য সংৰক্ষিত হ'বলৈ হ' জাতি-ধৰ্ম-বৰ্ণ-ভাষা-সংস্কৃতি-আৱাসিক স্থান-নাগৰিক নিৰ্বিশেষে সকলোৰে মাজত স্বাধীনতা সুৰক্ষা কৰিবলৈ হ 'সাৰ্বভৌম একক ৰাষ্ট্ৰ'বোৰৰ মাজত থকা প্ৰকৃতিগত পাথ নিঃশেষ কৰিব লাগিব আৰু শৈক্ষিক পৰিৱেশেৰে মা অধিকাৰৰ সাৰ্বজনীনতা আৰু অধিক দৃঢ় কৰি গঢ়ি তুলিব লাগি

মানৱ অধিকাৰ ৰক্ষণাবেক্ষণৰ মূল লক্ষ্য আৰু উদ্দেশ্য হৈ ব্যক্তিৰ সৰ্বস্তৰৰ উন্নতি আৰু বিকাশ সাধন কৰা। বৰ্তম উদাৰনৈতিক গণতান্ত্ৰিক চৰকাৰ ব্যৱস্থাই মানৱ অধিকা ধাৰণাটো অধিক গতিশীল কৰি তুলিছে। সম্প্ৰতি বিশ্বৰ সকল ৰাষ্ট্ৰই ৰাষ্ট্ৰসংঘৰ বিশ্বজনীন মানৱ অধিকাৰ ঘোষণাৰ প্ৰতি সম আগবঢ়াই মানৱ অধিকাৰ উন্নয়ন আৰু সুৰক্ষাৰ বাবে বিভি বিধিগত ব্যৱস্থা গ্ৰহণ কৰিছে। নাৰীৰ সমতা, শিশুৰ অধিক শিক্ষাৰ বিকাশ, সংখ্যালঘুৰ সমস্যা সমাধান, খিলঞ্জীয়া লো অধিকাৰ, ভগনীয়া আৰু দৰিদ্ৰজনৰ অধিকাৰ আৰু সমস্যা আ সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ অধিকাৰ আৰু সমস্যাবোৰৰ প্ৰ বিশ্বৰ সকলো ৰাষ্ট্ৰই দায়বদ্ধ হৈ পৰিছে। বৰ্তমান ৰাজনৈতি অৰ্থনৈতিক, সামাজিক তথা সাংস্কৃতিক পৰিপ্ৰেক্ষিতত মা অধিকাৰৰ ধাৰণাই সমাজৰ সকলো শ্ৰেণীৰ মানুহলৈ স্বাধীন সমতা, একতা, ভ্ৰাতৃত্ববোধৰ ভাব কঢ়িয়াই আনি মানুহ জীৱশ্ৰেষ্ঠ প্ৰাণী হিচাপে সকলোধৰণৰ পূৰ্ণতা প্ৰদান কৰি বৰ্তমানে যি হাৰত মানৱ অধিকাৰৰ ধাৰণা বিশ্বৰ সকল কোণলৈ আৰু দিশলৈ সম্প্ৰসাৰ হ'বলৈ ধৰিছে, ভৱিষ্যতে ই সুপ্ৰভাৱ আৰু ফলপ্ৰসূ কাৰ্যকাৰিতা নিশ্চয় সুদূৰপ্ৰসাৰী হ'ব।

● *প্ৰবন্ধকাৰ ৰাজনীতি বিজ্ঞান বিভাগৰ স্নাতক তৃতীয় বৰ্ষৰ ছ*

# অসমত যুৱশক্তিৰ সাম্প্ৰতিক অৱস্থান

**ক্ৰান্তি বৰুৱা**

'অসমীয়া ডেকা শক্তি' —অতীজৰে পৰাই শুনিলে গৰ্বত বুকু ওফন্দি উঠা দুটা শব্দ, য'ত জড়িত হৈ আছে অসম মাতৃৰ গৰ্ব, ঐতিহ্য আৰু শৌৰ্য। যিকোনো এখন দেশ বা সমাজৰ সৰ্বতোপ্ৰকাৰ উন্নয়নৰ ক্ষেত্ৰত যুৱচামৰ এক গঠনমূলক ভূমিকা থাকে। অসমৰ ক্ষেত্ৰত এই কথা যে সম্পূৰ্ণৰূপে প্ৰযোজ্য, তাৰ প্ৰমাণ বুৰঞ্জীয়ে দাঙি ধৰে। কিন্তু সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আদি সকলো ক্ষেত্ৰতে হাজাৰটা সমস্যাৰে বিপৰ্যস্ত অসমত বৰ্তমান যুৱপ্ৰজন্মই প্ৰকৃতাৰ্থত অতীতৰ সেই গৌৰৱৰ ধ্বজা বহন কৰেনে? যুগধৰ্মত ভ্ৰষ্টপ্ৰায় সাম্প্ৰতিক অসমীয়া সমাজত যুৱচামৰ মাজত জাতীয় সত্তাৰ বীজ কি ধৰণে আৰু কিমান দলৈ শিপাইছে, সেয়া নিতান্তই চিন্তনীয় বিষয়।

অসমত বৰ্তমান যুৱশক্তিৰ ভূমিকা প্ৰসংগত প্ৰথমেই উত্থাপন হয় 'যুৱ উচ্ছৃংখলতা'ৰ সমস্যাটো। যুৱপ্ৰজন্মৰ এই নৈতিক স্খলনৰ মূল কাৰণ হ'ল আত্মনিয়ন্ত্ৰণৰ মানসিকতাৰ অভাৱ, অভিভাৱকৰ ভুল মনোবৃত্তি আৰু প্ৰতিকূল সামাজিক পৰিৱেশ। এটি বিলাসিতাপূৰ্ণ জীৱনৰ মৰীচিকাত বন্দী হৈ উঠি অহা প্ৰজন্মৰ বহুতেই আদৰ্শচ্যুত হৈছে। জীৱন গঢ়াৰ আটাইতকৈ মূল্যৱান এই সময়ছোৱা নিচাযুক্ত দ্ৰব্য সেৱন, অপৰাধমূলক কাৰ্য, পাশ্চাত্য সভ্যতাৰ অন্ধ অনুকৰণ, অশালীন আচৰণ আদি নানা কু-কৰ্মৰে লাহে লাহে ধ্বংস কৰি পেলাইছে। যুৱ-উচ্ছৃংখলতাৰ কু-পৰিণতিৰ এক জ্বলন্ত উদাহৰণ হ'ল প্ৰায়ে ঘটি থকা 'ব্ৰহ্মপুত্ৰত গা ধুবলৈ গৈ মৃত্যুক সাবটি লোৱা'ৰ ঘটনা। সততে হৈ থকা মটৰ চাইকেল দুৰ্ঘটনাও যুৱ উচ্ছৃংখলতাৰ এক মাৰাত্মক পৰিণতি। ইয়াৰ উপৰি বছৰৰ বিভিন্ন পূজা উৎসৱ অথবা অনুষ্ঠানৰ সময়ত এচাম যুৱকে কৰা বিভিন্ন দৃষ্টিকটু তথা অবিবেকী আচৰণ সঁচাকৈয়ে লজ্জাজনক।

যুৱ প্ৰজন্মৰ আন এটা মন কৰিবলগীয়া দিশ হ'ল যুৱচামৰ সামাজিক মানসিকতা। দুখৰ বিষয় যে নৱপ্ৰজন্মৰ ৬০ শতাংশৰেই নৈতিক তথা সামাজিক মূল্যবোধৰ মান নিচেই কম। প্ৰতিযোগিতাৰ ভুল ধাৰণা, পিতৃ-মাতৃৰ ভুল শিক্ষা, মানসিক হেঁচা আদি বহুতো নেতিবাচক ধাৰণাৰ মাজত ডাঙৰ হোৱা যুৱ প্ৰজন্মৰ মাজত দেশ অথবা সমাজ সম্পৰ্কে ভাবিব পৰা অথবা কিবা এটা কৰিব পৰাৰ সামৰ্থ্যইবা ক'ত? যুৱপ্ৰজন্মক দেশ এখনৰ ভৱিষ্যৎ আখ্যা দিয়া হয়। সুস্থ-সবল, সুসংগঠিত ছাত্ৰ শক্তিয়ে সমাজক এক নতুন দিগন্তৰ পিনে আগুৱাই নিব পাৰে। কিন্তু সৰুৰে পৰা পিতৃ-মাতৃৰ অধীনত কেৱল মাথোঁ competitionৰ পিছত দৌৰা এজন ছাত্ৰৰ বাবে শিক্ষাৰ প্ৰকৃত মূল্য বুজাটোৱেই কঠিন হৈ পৰে। ডাক্তৰী পঢ়া প্ৰত্যেকজন



**...প্ৰগতিশীল অসমৰ ধাৰণা আৰম্ভ হোৱাৰে পৰা অসমত শক্তিশালী ৰূপত প্ৰবাহিত হৈ থকা এটি ধাৰা হৈছে 'ছাত্ৰ ৰাজনীতি'। ৰাজনীতি অবিহনে সমাজ অসম্পূৰ্ণ আৰু অসমৰ দৰে ৰাজ্য এখনত ৰাজনীতিৰ গুৰুত্ব অসীম। কিন্তু স্বাধীনতাৰ পিছৰে পৰা অসমত 'ৰাজনীতি'ৰ যি অৱস্থান, সেয়া এখন অনুন্নত ৰাজ্যৰ বাবে কেতিয়াও কাম্য হ'ব নোৱাৰে...**

ত্ৰৰ মনত মানৱ সেৱাৰ আদৰ্শ নিহিত থাকেনে? ইঞ্জিনীয়াৰিং
া কেইজন ছাত্ৰৰনো আশা নতুন সমাজ গঠন কৰা? আইনত
মিছুন লোৱা কেইজন ছাত্ৰইনো ভৱিষ্যতে ন্যায়ৰ ৰাস্তাত
াৰ সপোন দেখে? উৎকোচ দি উচ্চশিক্ষাৰ বাবে বাহিৰলৈ
ৰা এজন ছাত্ৰই সমাজক কি দিব পাৰে, সেয়া সকলোৱে
জ পায়। অধিকসংখ্যক ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ আশা জড়িত
থাকে নিৰ্দিষ্ট পদবীৰ 'Reputation' আৰু সংশ্লিষ্ট আৰ্থিক
ভৰ সৈতেহে। এটা কথা অনস্বীকাৰ্য যে সাম্প্ৰতিক বিশ্বায়নৰ
ত টকা-পইচা আৰু 'মৰ্যাদা'ৰ যথেষ্ট ভিত্তি আছে। কিন্তু
ক্তিগত আৰ্থিক সচ্ছলতা আৰু মৰ্যাদাই ছাত্ৰ-ছাত্ৰী তথা
ভিভাৱকৰ শেষ তথা একমাত্ৰ লক্ষ্য হোৱা অনুচিত। কিন্তু
প্ৰজন্মৰ অধিকাংশৰে বৰ্তমান আশা— সমাজত প্ৰতিষ্ঠিত
ৱাৰ; সমাজ প্ৰতিষ্ঠা আৰু বিকশিত কৰাৰ নহয়।

প্ৰগতিশীল অসমৰ ধাৰণা আৰম্ভ হোৱাৰে পৰা অসমত
ক্তিশালী ৰূপত প্ৰবাহিত হৈ থকা এটি ধাৰা হৈছে 'ছাত্ৰ
জনীতি'। ৰাজনীতি অবিহনে সমাজ অসম্পূৰ্ণ আৰু অসমৰ
ৰ ৰাজ্য এখনত ৰাজনীতিৰ গুৰুত্ব অসীম। কিন্তু স্বাধীনতাৰ
ছৰে পৰা অসমত 'ৰাজনীতি'ৰ যি অৱস্থান, সেয়া এখন
ন্নত ৰাজ্যৰ বাবে কেতিয়াও কাম্য হ'ব নোৱাৰে। এইক্ষেত্ৰত
ন্তনীয় বিষয় এয়ে যে প্ৰায় ৬০ শতাংশ অসমীয়া যুৱক-
তীয়ে ঋণাত্মক ৰাজনীতিৰ প্ৰতি সমৰ্থন আগবঢ়াইছে। বহুতেই
কৰ্ষিত হৈছে ভণ্ড, প্ৰাচুৰ্যৰে ভৰা ৰাজনৈতিক পথৰ প্ৰতি।
প্ৰজন্মৰ এই মানসিকতাই স্বাভাৱিকতে অসমৰ সাম্প্ৰতিক
া ভৱিষ্যতৰ প্ৰেক্ষাপটত ভয়াৱহ দিশৰ সূচনা কৰিছে। কাৰণ
শক্তি হ'ল সেই শক্তি, যিয়ে যিকোনো এটা ধাৰাত আমূল
ৱৰ্তন আনি দিব পাৰে। পিছে হতাশাৰ বিষয় এই যে বৰ্তমান
শক্তিৰ অপপ্ৰয়োগ ঘটি আছে। এইক্ষেত্ৰত এটি মূল উপপাদ্য
ল তথাকথিত বিভিন্ন সংগঠনসমূহ যিবোৰে সমাজৰ উপকাৰ
ৰিব বিচাৰে একমাত্ৰ ধৰ্ণা, অনশন, বন্ধ ঘোষণা আদি মাজেৰে।
হসংখ্যক শিক্ষানুষ্ঠানৰে ভিতৰুৱা পৰিৱেশত এই সাংগঠনিক
জনীতি এনেভাৱে সোমাই পৰিছে যে প্ৰায়ভাগ ছাত্ৰ-ছাত্ৰীয়ে
হৰি গৈছে নিজস্ব আদৰ্শৰ দ্বাৰা পৰিচালিত হোৱাৰ ক্ষমতা।
জনীতিক যে এক নতুন ৰূপত নিজৰ মতাদৰ্শেৰে সজাই
াজত পৰিৱৰ্তন আনিব পাৰি, সেয়া যুৱ প্ৰজন্মই পাহৰি গৈছে।
নমৰ কোনো সংগঠন বা ৰাজনৈতিক শক্তি অসমৰ সুন্দৰ
ৱিষ্যতৰ কাৰণ হ'ব নোৱাৰে। এই ভৱিষ্যৎ গঢ়িব পাৰে একমাত্ৰ
ত্ৰ শক্তিয়েহে। এই কথাৰ প্ৰমাণ দাঙি ধৰে অতীত অসমৰ
ায়ে। ব্ৰিটিছৰ যুগৰে পৰা আৰম্ভ হোৱা অসমীয়া ভাষা, সংস্কৃতি
া সমাজৰ উন্নতিৰ সুঁতিটোৰ আঁত ধৰিছিল সেই সময়ৰ ছাত্ৰ
ক্তিয়ে। এই ছাত্ৰ শক্তিয়ে লুইতৰ দুয়োপাৰে যি বিপ্লৱৰ সূচনা
কৰিছিল, তাৰেই পৰিণতিত অসমীয়া সমাজ আৰু সংস্কৃতি
লৈ আজি সকলোৱে গৌৰৱান্বিত হোৱাৰ থল আছে। আ
অসমত প্ৰতিভাশীল ছাত্ৰ-ছাত্ৰী বহুত আছে। কিন্তু তথাক
ৰাজনীতি, সমাজনীতি আৰু বিভিন্ন নেতাৰ শ্ল'গানৰ মেৰপা
সোমাই ছাত্ৰ শক্তিৰ শিক্ষা তথা প্ৰতিভাৰ অপপ্ৰয়োগ ঘটি
এই কথা দেখদেখকৈ ওলাই পৰে ছাত্ৰজনিত বিভিন্ন ৰাজনৈ
কেলেংকাৰিৰ মাজেৰে। লাচিতৰ দিনত অসমীয়া ডেক
ৰাজনীতি কৰিছিল বহিঃশত্ৰুৰ পৰা দেশ উদ্ধাৰৰ বাবে অ
এইক্ষেত্ৰত কোনো অসমীয়া ডেকায়েই নিজৰ জীৱন আ
দিবলৈও কুণ্ঠাবোধ কৰা নাছিল। স্বাধীনতাৰ সময়ৰ ছ
ৰাজনীতিৰ ৰূপ আৰু তাৰ ফলশ্ৰুতিৰ কথা হয়তো কে
অসমীয়াকে বহলাই কোৱাৰ প্ৰয়োজন নাই। কিয়নো সেই সম
শত শত যুৱক-যুৱতীৰ সংগ্ৰামী তেজেৰে দেশ ৰাঙলী হো
ফলতহে আজি আমি নিজকে স্বাধীন দেশৰ নাগৰিক বুলি পৰি
দিবলৈ সমৰ্থ হৈছোঁ। পিছে পৰিতাপৰ বিষয় এয়ে যে সম্প
অসমীয়া যুৱক স্বাধীনতা, দেশপ্ৰেম, জাতীয়ত্ববোধ ইত্যাদি শ
ভুল অৰ্থৰ দ্বাৰা পৰিচালিত হৈছে, যাৰ ফলত অসমত
ৰাজনীতিৰ যোগাত্মক ৰূপ প্ৰকট হৈ উঠিব পৰা নাই।

সম্প্ৰতি যুৱপ্ৰজন্মক জুৰুলা কৰা এটি ভয়ানক সমস্যা হৈ
নিৱনুৱা সমস্যা। নিৱনুৱা সমস্যাত মূলতঃ জড়িত হৈ অ
অসমৰ সমাজ ব্যৱস্থা, শিক্ষা ব্যৱস্থা, চৰকাৰী অনিয়ম, ছ
ছাত্ৰী তথা অভিভাৱকৰ কেতবোৰ ভুল ধাৰণা ইত্যাদি। অস
শিক্ষা ব্যৱস্থা প্ৰকৃতাৰ্থত বহুমুখী নহয়। উচ্চতৰ মাধ্যমিক পৰ্য
পৰা স্নাতকোত্তৰ পৰ্যায়লৈ, শিক্ষাৰ যি পদ্ধতি বা যি পাঠ্য
তাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ আশাপ্ৰদ গুণগত উন্নয়ন হোৱা নাই। ই
মাজতো অৱশ্যে কিছুসংখ্যক ছাত্ৰ-ছাত্ৰী নিজৰ প্ৰতিভাৰ ব
তথা উপযুক্ত guidanceৰ সহায়ত স্বাৱলম্বী হৈ সঠিক প
আগবাঢ়িছে। কিন্তু বৰ্তমান বহুত ছাত্ৰ-ছাত্ৰী তথা অভিভাৱ
শিক্ষাৰ প্ৰকৃত মূল্য বিচাৰ কৰিব নাজানে। ফলস্বৰূপে বা
ৰাজ্যত বিভিন্ন ডিগ্ৰী, যোগ্যতা লোৱা এচাম ছাত্ৰ-ছাত্ৰীৰ প্ৰ
গুণগত মান নোহোৱা বাবেই ডিগ্ৰী লাভৰ অন্ততো নিবনুৱা
বহি থাকিব লগা হয়। ইয়াৰ উপৰি দুৰ্নীতিৰে ভৰি পৰা অস
বহুতো শিক্ষানুষ্ঠানত এজন ছাত্ৰৰ বাবে ডিগ্ৰী এটা লাভ কৰ
তেনেই সাধাৰণ কথা। ফলত যোগ্যতাৰ ভিত্তিত ডিগ্ৰী
নকৰাৰ কাৰণেই একাংশ যুৱকে বিনা উপাৰ্জনেৰে বহি থা
লগা হয়। নিবনুৱা সমস্যাৰ ক্ষেত্ৰত উপযুক্ত বিনিয়োগৰ অ
এক মূল কাৰক। অসমত কৰ্মসংস্থাপনৰ বহুতো সুবিধা আ
কিন্তু সেইবোৰ খণ্ডত উপযুক্ত বিনিয়োগ নোহোৱা বাবেই
হ'ব পৰা কৰ্মসংস্থানৰ পৰা বহুত যুৱক-যুৱতী বঞ্চিত হৈছে।
ৰাজ্যত উদ্যোগ এটা প্ৰতিষ্ঠা কৰিবলৈ মূলধনৰ অভাৱ,

**...সাম্প্ৰতিক অসমত যুৱচামৰ মাজলৈ কৰ্মসংস্কৃতিৰ এটি ধাৰা আহিছে। সম্পূৰ্ণৰূপে এই ধাৰাই সকলোকে সামৰি ল'ব পৰা নাই যদিও গৰিষ্ঠসংখ্যকেই এই আদৰ্শক হাতে-কামে প্ৰয়োগ কৰিছে। স্বনিৰ্ভৰশীলতাৰ বিভিন্ন আদৰ্শ সফল হৈছে একমাত্ৰ যুৱ মানসিকতাৰ পৰিৱৰ্তনৰ বাবেহে...**



বৰ্ণাঢ্য অনুষ্ঠান এটা আয়োজনৰ ক্ষেত্ৰত (পূজা-পাৰ্বণেই হওক অথবা চৰকাৰী কোনো সভা-সমিতি) ব্যক্তিগত তথা চৰকাৰী- এই দুয়োক্ষেত্ৰতে মূলধনৰ অভাৱ নঘটে। চাকৰিৰ ক্ষেত্ৰত 'সংৰক্ষিত আসন'ৰ পদ্ধতিয়েও কিছু পৰিমাণে একাংশ যুৱক-যুৱতীৰ ক্ষেত্ৰত সংস্থাপনৰ সমস্যাৰ সৃষ্টি কৰিছে। প্ৰতিভা আৰু যোগ্যতা থকা সত্ত্বেও কেৱল মাত্ৰ সংৰক্ষিত আৰু সাধাৰণ শ্ৰেণীৰ তুলনামূলক মাপকাঠীত পিছপৰি ৰয় বহুতো যুৱক-যুৱতী। আকৌ ব্যক্তিগত তথা সামাজিক কোনো ক্ষেত্ৰতে পৰিপক্ক তথা সুস্থ আদৰ্শৰ দ্বাৰা পৰিচালিত নোহোৱা উতনুৱা এচাম নৱপ্ৰজন্মই নিজৰ স্বভাৱৰ ভিত্তিতেই 'নিবনুৱা' শ্ৰেণীৰ অন্তৰ্গত হৈছে। যদিও নিবনুৱা সমস্যাৰ উৎস বা কাৰণ বহুতো আছে, তথাপি উল্লিখিত কাৰণকেইটা যুৱপ্ৰজন্ম তথা যুৱ মানসিকতাৰ সৈতে প্ৰত্যক্ষ তথা পৰোক্ষভাৱে ওচৰ সম্পৰ্কিত।

যুৱপ্ৰজন্মৰ অৱস্থান সম্পৰ্কীয় আলোচনাৰ ক্ষেত্ৰত অকল যুৱপ্ৰজন্মৰ সমস্যা অথবা নেতিবাচক দিশেই শেষ প্ৰসংগ নহয়। উঠি অহা চামৰ ইতিবাচক দিশলৈ চকু দিলে দেখা যায় যে সাম্প্ৰতিক অসম যুৱ সম্পদত যথেষ্ট চহকী (সংখ্যাগত আৰু গুণগত উভয় দিশতে)। এইক্ষেত্ৰত প্ৰমাণ অথবা যুক্তি হিচাপে উল্লেখ কৰিব পাৰি ৩০ অক্টোবৰৰ বোমা বিস্ফোৰণৰ কথা। কিয়নো এই ঘটনাৰ পিছত দুৰ্গতসকলক জীৱন ৰক্ষাৰ বাবে প্ৰয়োজনীয় তেজৰ অধিকাংশ দান কৰিছিল যুৱক-যুৱতীসকলে। তদুপৰি, অসমত সন্ত্ৰাসবাদৰ বিৰুদ্ধে বৰ্তমান যুৱপ্ৰজন্ম একগোট হোৱা বুলি ক'ব পাৰি। কাৰণ আজিৰ পৰা ১০ বছৰমানৰ আগতে যুৱচামৰ মাজত উগ্ৰপন্থী সংগঠনত যোগ দিয়াৰ যি উগ্ৰ মানসিকতা গঢ় লৈছিল, সেয়া বৰ্তমান প্ৰায় নাইকিয়া হৈছে বুলিয়েই ক'ব পাৰি। ই নিঃসন্দেহে এটা ভাল দিশ। আকৌ, সাম্প্ৰতিক অসমত যুৱচামৰ মাজলৈ কৰ্মসংস্কৃতিৰ এটি ধাৰা আহিছে। সম্পূৰ্ণৰূপে এই ধাৰাই সকলোকে সামৰি ল'ব পৰা নাই যদিও গৰিষ্ঠসংখ্যকেই এই আদৰ্শক হাতে-কামে প্ৰয়োগ কৰিছে। স্বনিৰ্ভৰশীলতাৰ বিভিন্ন আদৰ্শ সফল হৈছে একমাত্ৰ যুৱ মানসিকতাৰ পৰিৱৰ্তনৰ বাবেহে। যুৱ প্ৰজন্মৰ দক্ষতা অকল সংস্থাপনৰ ক্ষেত্ৰতেই জড়িত নহয়, এই দক্ষতা ফুটি উঠে কলা-সংস্কৃতি, সাহিত্য, ক্ৰীড়া তথা শৈক্ষিক ক্ষেত্ৰকে আদি কৰি অন্যান্য সকলো ক্ষেত্ৰতে আগবঢ়োৱা অৱিহণাত। এইবোৰ ক্ষেত্ৰত অসমীয়া জগতখনত জিলিকি উঠা ব্যক্তিত্বৰ অধিকাংশই যুৱপ্ৰজন্মৰ প্ৰতিনিধি। প্ৰচুৰ সম্ভাৱনাপূৰ্ণ এইসকল প্ৰতিনিধিয়ে নিজৰ প্ৰতিভা, বুদ্ধি-বিবেক তথা সামৰ্থ্যৰ সঠিক প্ৰয়োগৰ মাজেৰে মানসিক তথা সামাজিক উত্তৰণৰ পৰিচয় দিছে।

ভূতপূৰ্ব ৰাষ্ট্ৰপতি ড° এ পি জে আব্দুল কালামে ভাৰতক 'যৌৱনৰ দেশ' আখ্যা দি যুৱপ্ৰজন্মৰ পৰা এক নতুন দিগন্ত আশা কৰিছিল। অংগৰাজ্য হিচাপে অসমতো এই কথাৰ প্ৰভাৱ বাৰুকৈয়ে পৰে। গতিকে অসম দেশৰ সৰ্বাংগীণ বিকাশৰ বাবে নৱপ্ৰজন্মৰ মাজত জাতীয় সত্তাৰ প্ৰকাশ অপৰিহাৰ্য। কিন্তু এই ক্ষেত্ৰত মূলতঃ প্ৰভাৱ পেলায় পাৰিপাৰ্শ্বিকতাই। পাৰিপাৰ্শ্বিক অৱস্থা অৰ্থাৎ ঘৰুৱা, সামাজিক, নৈতিক অথবা আন যিকোনো পৰিৱেশে ব্যক্তিৰ ব্যক্তিত্বও সলনি কৰি দিব পাৰে। গতিকে এইবোৰ ক্ষেত্ৰত যুৱপ্ৰজন্মক সঠিক নিৰ্দেশনা বা পথ-প্ৰদৰ্শকৰ প্ৰয়োজন। ইয়াৰ বাবে সমাজৰ জ্যেষ্ঠসকল সচেতন হ'ব লাগিব। কাৰণ অসমীয়া সমাজখনত দুৰ্নীতি, ব্যভিচাৰ, হত্যা-হিংসা আদিৰে ভৰাই তোলাত সমাজৰ জ্যেষ্ঠসকলৰ অৱদান বেছি। এইবোৰ দূৰ কৰিবলৈ প্ৰয়োজন লাচিতৰ দিনৰ বীৰ-বীৰাংগণাৰ, প্ৰয়োজন ৰুছ বিপ্লৱৰ বাটকটীয়া যুৱবাহিনীৰ দৰে উৎসাহী ডেকা শক্তিৰ। এই প্ৰয়োজন নিমিষতে পূৰণ হ'ব যদিহে অগ্ৰজসকলে সচেতন হৈ অনুজসকলক সম্পূৰ্ণ সহযোগিতা আগবঢ়ায়। দেশৰ এই প্ৰত্যাহ্বানপূৰ্ণ অৱস্থাত বৃহৎ যুৱশক্তিয়ে নিজৰ শক্তিক সৃষ্টিশীল কৰ্মত নিয়োজিত কৰিব পাৰিলে শান্তিৰ অসমৰ স্বপ্ন হয়তো বৈচিত্ৰ্যময় অসমৰ দৰেই সুন্দৰ আৰু বাস্তৱায়িত হ'ব। □

● *প্ৰবন্ধকাৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰী।*



...এটা জাতিৰ বাবে জ্ঞান-বিজ্ঞান, কলা-সংস্কৃতি, সমাজনীতি বা পৰমাৰ্থ জ্ঞান সাধনাৰ পদানুসৰণ কৰিব পৰা এজন পদদ্ৰষ্টা, পিতৃ-পুৰুষৰ অতীৱ প্ৰয়োজন। নিঃসন্দেহে সেইজনাই অসমীয়াৰ প্ৰাণ প্ৰতিষ্ঠাতা শ্ৰীমন্ত শংকৰদেৱ...

# অসমীয়া সমাজ গঠনত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ভূমিকা

## এটি আলোকপাত

ছায়া গোস্বামী

'ত্ৰিভুবন বন্দন দৈৱকীনন্দন
যো হৰি মাৰল কংস।
জগজন তাৰণ দেৱ নাৰায়ণ
শংকৰ তাকেৰি অংশ।।' — মহাপুৰুষ মাধৱদেৱ

অসমীয়া জাতীয় জীৱনৰ ঘাই শিপাস্বৰূপ, বিশাল ব্যক্তিত্বৰ অধিকাৰী মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ পুৰুষ। কেৱল ধৰ্মপ্ৰচাৰক আৰু জাতীয় সাহিত্যিক হিচাপেই নহয়; পৰ্বত-ভৈয়ামৰ জাতি-জনজাতিৰ মাজত জাতি-ধৰ্ম নিৰ্বিশেষে সমন্বয় গঢ়োঁতা, সমাজ-সংস্কাৰক, গীতিকাৰ, সুৰকাৰ, নৃত্যবিশাৰদ, চিত্ৰকৰ, শংকৰদেৱে নিজস্ব প্ৰতিভাৰে অসমৰ ইতিহাসত যুগমীয়া কীৰ্তিৰ স্বাক্ষৰ ৰাখি থৈ গৈছে। তেওঁৰ ধৰ্ম, শিক্ষা, সাহিত্য, সংস্কৃতিৰ প্ৰতিভাৰ ছত্ৰছায়াত অসমীয়া জাতিয়ে ঐক্যৰ ডোলেৰে বান্ধ খাই, অসমৰ বুকুত এক মহান সমাজ প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। জগতগুৰু শংকৰদেৱে সৰ্বসাধাৰণৰ তাৰণৰ অৰ্থে সৰ্ব উপনিষদ মথি সৃষ্টি কৰা মহাশাস্ত্ৰ 'শ্ৰীমদ্ভাগৱত'ৰ মূল তত্ত্বক সাৰোগত কৰি একশৰণ ভাগৱতী বৈষ্ণৱ ধৰ্ম উদ্ভাৱন কৰি প্ৰচাৰ কৰিলে। একান্ত ভক্তিভাবেৰে হৰিত শৰণ লৈ তেওঁৰ নাম শ্ৰৱণ-কীৰ্তন কৰি সংসাৰৰ পাপ, তাপ, জৰা, ব্যাধিৰ পৰা মুক্ত পৰমপদ অৰ্জন কৰিবলৈ সক্ষম হ'ব পাৰি। 'গীতা'ত ভগৱান শ্ৰীকৃষ্ণই কৈছে—

'সৰ্ব ধৰ্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
অহং ত্বম সৰ্বপাপেভ্যঃ মুক্ষায়িশ্যামিমা সুচঃ।'

নৱবৈষ্ণৱ ধৰ্মৰো এয়ে মত— 'এক দেৱ এক সেৱ, একত বিনে নাই কেৱ।'

মহাপুৰুষজনাৰ মতে—

'কুক্কুৰ শৃগাল, গৰ্দ্দভৰো আত্মাৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।'

সেয়েহে তেওঁৰ ধৰ্মত অস্পৃশ্যতা, জাতিভেদ, জীৱহিংসাৰ স্থান নাই। তেওঁৰ ধৰ্মত সাম্যৰ আদৰ্শ নিহিত হৈ আছে। নগা, মিৰি, খাছী, গাৰো, যৱন সকলোৱে গুৰুজনাৰ ধৰ্মৰ প্ৰতি আকৃষ্ট হৈ তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিছিল। এনেদৰেই শ্ৰীমন্ত শংকৰে হৰিভক্তিৰ কল্পতৰুসদৃশ নামধৰ্মৰ প্ৰেম অমৃতৰ নদীৰে অসমভূমি প্লাৱিত কৰি আমাৰ হৃদয়ৰ ৰন্ধ্ৰে-ৰন্ধ্ৰে হৰিনামৰ মহিমাৰ স্ৰোত বোৱাই দিছিল। মহাপুৰুষজনাৰ পৰম ভকত মাধৱদেৱৰ ভাষাত—

'হৰিনাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শংকৰে পাৰ ভাঙি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি।'

'বৰ অসমৰ খনিকৰ' শংকৰদেৱৰ 'গীত' আৰু 'নাট' এই দুটি অতি হৃদয়গ্ৰাহী আৰু মনোৰঞ্জনৰ সবাতোকৈ শক্তিশালী সমল। এই সমল ধৰ্ম প্ৰচাৰৰ মাধ্যম হিচাপে পৰিগণিত হৈছিল। 'গীত-নাট'

পৰিৱেশনৰ অংগস্বৰূপ খোল, তাল, ডবা, কাঁহ, শংখ, মৃদংগ আদিৰ বাজনা সৃষ্টিৰে সংস্কৃতিৰ ভঁৰালো চহকী কৰি গৈছে। গুৰুজনাৰ ৰচিত 'কীৰ্ত্তন'ত সৃষ্টিৰ তত্ত্ব, ভক্তিৰ তত্ত্ব, মুক্তিৰ বাণী, সামাজিক জীৱনধাৰাৰ মূৰ্তমান ছবি নিহিত হৈ আছে।

'নামঘৰ'সমূহ এক জাতীয় ৰংগশালা। জনসমাৱেশ ঘটাই সামূহিকভাৱে হৰিনাম কীৰ্তন কৰা, গীত-মাত, ভাওনা আদি পৰিবেশন কৰা, মিলিজুলি একতাৰে কাম সম্পাদন কৰা ইত্যাদি ক্ষেত্ৰত নামঘৰ আৰু সত্ৰসমূহৰ প্ৰতিষ্ঠাপন গুৰুজনাৰ অন্য এক বিশিষ্ট অৱদান।

নামঘৰত ৰাইজৰ আদালত প্ৰতিষ্ঠা কৰি জগতগুৰু শংকৰদেৱে এক বিৰল প্ৰতিভাৰ পৰিচয় দিছিল। এই আদালতৰ বিচাৰক হৈছে ৰাইজ। বিভিন্ন অসামাজিক কাৰ্যৰ বিবাদ এই ৰাইজৰ আদালততে ৰাইজে নিষ্পত্তি কৰিছিল। সৰহসংখ্যক লোকেই ধৰ্মপৰায়ণ আৰু তেওঁলোকে বিশ্বাস কৰিছিল যে নামঘৰত ৰাইজে কৰা বিচাৰ সত্য আধাৰিত আৰু শুদ্ধ বিচাৰ। শ্ৰীমন্ত শংকৰদেৱৰ দ্বাৰা গঠন হোৱা সমাজত 'ভকত' বা ৰাইজক বিশেষ গুৰুত্ব দিয়া হয়। এই ৰাইজেই গাঁৱৰ সমাজখন সুচাৰুৰূপে পৰিচালনা কৰাৰ অৰ্থে গাঁওবুঢ়া, দেউৰী, নামঘৰীয়া, গায়ন, বায়ন, মেধি, সাতোলা আদি নিৰ্বাচিত কৰে। অসমীয়া জাতি গঠন আৰু সমাজ সংগঠনৰ ক্ষেত্ৰত নামঘৰসমূহৰ অৱদান অনস্বীকাৰ্য।

শংকৰ গুৰুৱে আজিৰ পৰা ৫৬০ বছৰৰ পূৰ্বে প্ৰচলন কৰি যোৱা 'মাহ-প্ৰসাদ'ৰ ব্যৱস্থাই আজিও জন-জীৱনত এক সুকীয়া স্থান দখল কৰি আছে। সমূহীয়াকৈ আৰু সহজ প্ৰণালীৰে প্ৰস্তুত কৰিব পৰা মাহ-প্ৰসাদত স্বাস্থ্যৰক্ষাৰ বাবে প্ৰয়োজনীয় সকলো উপাদান পোৱা যায়। এখন কু-সংস্কাৰপূৰ্ণ সমাজত, মহাপুৰুষজনাই বিজ্ঞানসন্মত গুণেৰে পৰিপুষ্ট এই মাহ-প্ৰসাদ তেতিয়াই সৃষ্টি কৰি যায়। তেওঁৰ এই সৃষ্টিৰ অন্তৰালত আছিল মানৱৰ ভৱিষ্যৎ কল্যাণ।

মুঠতে জগতগুৰুজনাই ছকুৰি বছৰীয়া মানৱী লীলাৰ কালছোৱাত অসমীয়া সমাজৰ আন্তঃগাঁথনি সুদৃঢ় কৰি তুলিলে। বৈষ্ণৱ ধৰ্মৰ মহিমাৰে পৱিত্ৰ কৰি; ভাষা-সংস্কৃতিৰ ৰহঘৰ শুৱনি কৰি অসমীৰ বক্ষত গৌৰৱৰ জয়মাল্য পিন্ধাই থৈ গ'ল। শ্ৰীমন্ত শংকৰদেৱৰ অসমীয়া জাতিটোৰ প্ৰতি অৱদান কৈ অন্ত কৰিব নোৱাৰা পৰ্যায়ৰ। নিৰ্মোহ, নিৰপেক্ষ আৰু নিৰাসক্ত ৰিচাৰেৰে এই মহান পুৰুষগৰাকীৰ কৰ্মাৱলী আৰু আদৰ্শক বিচাৰ কৰিলে নিঃসন্দেহে এটা সিদ্ধান্তত উপনীত হ'ব পৰা যায় যে সমগ্ৰ বিশ্বতে বিভিন্ন সময়ত যিসকল মহামানৱে নিজৰ মহত্ত্বৰ স্বাক্ষৰ এৰি গৈছে, সেইসকলৰ মাজত সগৌৰৱে শ্ৰীমন্ত শংকৰদেৱক স্থান দিব পাৰি।

কেইবাশ বছৰো হ'ল, মহাপুৰুষ শ্ৰীশংকৰদেৱক আমি সৰ্বভাৰতীয় দৰবাৰতে নহয়, বিশ্বদৰবাৰত তুলিব পাৰিব লাগিছিল। কিয়নো গুৰুজনাক 'জগতগুৰু' আখ্যাৰে বিভূষিত কৰো হক। কিন্তু প্ৰকৃতাৰ্থত আমি একোকে কৰা নাই। এই কাৰ্যৰ বাটকটীয়া হ'ব লাগিছিল গুৰুজনাৰ সৃষ্ট 'সত্ৰ'সমূহ। শ্ৰীমন্ত শংকৰদেৱক বিশ্বৰ বহল পৰিসৰলৈ বিস্তাৰিত কৰাৰ পূৰ্বে লক্ষ্য কৰিব লাগিব আমাৰ সমাজতো মহাপুৰুষগৰাকী শুদ্ধ ৰূপত কিমান পৰ্যায়লৈকে পৰিচিত। বহু ক্ষেত্ৰত এনে ভাব হয় যেন 'অন্ধৰ হস্তী দৰ্শন'ৰ দৰে নিজৰ অবোধতাৰ বাবে তেৰাৰ প্ৰকৃত স্বৰূপ উপলব্ধি কৰিবলৈ আমি সমৰ্থ হোৱা নাই।

মুঠতে মহাপুৰুষজনাৰ আদৰ্শক বিশ্বত প্ৰতিষ্ঠা কৰিবলৈ হ'লে আমি সৱে প্ৰথমে ঘৰে-ঘৰে, পদূলিয়ে-পদূলিয়ে মহাপুৰুষজনাক আদৰি ল'ব লাগিব। আমাৰ হৃদয়ৰ সিংহাসনত তেৰাক অধিষ্ঠিত কৰি আধ্যাত্ম সাধনাৰ হেতু মংগল অভিষেকৰ আয়োজন কৰিলেহে জগতগুৰুজনাৰ গুণানুকীৰ্তনৰ যথাৰ্থতা ৰক্ষা হ'ব। গুৰুজনাৰ নিভাঁজ বৈষ্ণৱী দাৰ্শনিক মতবাদ বিশ্বত নহ'লেও ভাৰত দৰবাৰত অচিৰে প্ৰতিষ্ঠা হোৱাৰ পথত লাগে মাথোঁ সামাজিক ঐক্য। আমাৰ মগজুৰ শক্তি যিমানেই প্ৰখৰ নহওক; তথাকথিত আধুনিক সভ্যতাৰ জয়ঢোল যিমানেই নাবাজক; তথাপি আমাৰ জীৱনবাটত সন্মুখীন হোৱা সাংসাৰিক দুখ-তাপ, প্ৰাত্যহিক ঘাত-প্ৰতিঘাত, বিঘিনি-বিপদ আদিৰ পৰা পৰিত্ৰাণৰ উপায় কেৱল ধন-সম্পত্তি অথবা বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ উদ্ভাৱনে প্ৰদান কৰিব নোৱাৰে। গতিকে, মগজু বা ইন্দ্ৰিয় শক্তিৰে যিবোৰ সাধন নহয়, তাতে প্ৰয়োজন হয় হৃদয়ৰ সাধনাৰ, ভগৱৎ প্ৰেম সাধনাৰ। এটা জাতিৰ বাবে জ্ঞান-বিজ্ঞান, কলা-সংস্কৃতি, সমাজনীতি বা পৰমাৰ্থ জ্ঞান সাধনাৰ পদানুসৰণ কৰিব পৰা এজন পদদ্ৰষ্টা, পিতৃপুৰুষৰ অতীৱ প্ৰয়োজন। নিঃসন্দেহে সেইজনাই অসমীয়াৰ প্ৰাণ প্ৰতিষ্ঠাতা শংকৰদেৱ। মহাপুৰুষৰ মহা গৌৰৱময় জ্যোতিৰে বিমণ্ডিত এয়া পুণ্য অসমভূমি।

যিজনা মহাপুৰুষৰ সৃষ্টিৰ মংগলময় ধ্বনি-প্ৰতিধ্বনিয়ে আমাৰ হৃদয় জাগৰিত কৰে, যাৰ প্ৰেম বিগলিত অমৃত ৰাগীয়ে প্ৰতিনিতে জীৱনক প্ৰাণোচ্ছল কৰি মৃত্যুকো মহীয়ান কৰিবলৈ সঞ্জীৱনী সুধাৰ সন্ধান দিয়ে, সেইজনা পৰম গুৰুৰ অভয় চৰণত কায়-মনো-বাক্য সুদৃঢ় বিশ্বাসেৰে আমি 'ভকত'গণে আত্মসমৰ্পণ কৰিব লাগিব। সশ্ৰদ্ধ ভাবনাৰে আমাৰ মন, বুদ্ধি, চিত্ত, অহংকাৰ সমস্ত ঈশ্বৰত অৰ্পিত হ'লেহে আধ্যাত্ম সাধনাৰ পথ মুকলি হ'ব।

'জয় গুৰু শংকৰ সৰ্ব গুণাকৰ
যাকেৰি নাহিকে উপাম।
তোহাৰি চৰণ ৰেণু শতকোটি
বাৰেক কৰোহো প্ৰণাম।।' □

● *প্ৰবন্ধকাৰ অসমীয়া বিভাগৰ স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰী।*

# অস্তিত্ব ৰক্ষাৰ যুঁজত আমাৰ অসজাগতা

মুকুট শৰ্মা

**এহেজাৰ** খ্ৰীষ্টাব্দৰ আশে-পাশে আৰু নব্য ভাৰতীয় আৰ্য ভাষাৰ উৎপত্তিৰ সমসাময়িক কালছোৱাতে প্ৰাচীন কামৰূপত অসমীয়া ভাষাই গা কৰি উঠে যদিও চতুৰ্দশ শতিকাৰ পৰাহে অসমীয়া সাহিত্যৰ মূল ধাৰা আৰম্ভ হয় বুলি কোৱা হয়। তাৰ পিছত পৰ্যায়ক্ৰমে মাধৱ কন্দলি, হেম সৰস্বতী, শংকৰদেৱ, মাধৱদেৱ, মনবৰ, পীতাম্বৰ আদিৰ দৰে মনিষীসকলে নানা অনুপম সৃষ্টিৰাজিৰে অসমীয়া ভাষা-সাহিত্যক এক টনকিয়াল ৰূপ দিয়ে। প্ৰায় এহেজাৰ বছৰ গৰকা এই অসমীয়া ভাষাৰ প্ৰৱাহমান নিৰৱচ্ছিন্ন ধাৰাই প্ৰথমবাৰৰ বাবে বাধাৰ সন্মুখীন হৈছিল ভাৰতবৰ্ষলৈ ব্ৰিটিছসকল অহাৰ সময়ছোৱাত। তেওঁলোকে অসমৰ বিদ্যালয়, আদালত আৰু সকলো চৰকাৰী কামত বঙালী ভাষাৰ প্ৰচলন ঘটাই সুপ্ৰতিষ্ঠিত প্ৰাচীন অসমীয়া ভাষাৰ অস্তিত্ব বিপন্ন কৰি তোলে। পৰৱৰ্তী সময়ছোৱাত আনন্দৰাম ঢেকিয়াল ফুকনৰ দৰে নব্য শিক্ষাৰে সুশিক্ষিত কিছুসংখ্যক অসমীয়া যুৱকৰ প্ৰচেষ্টাত ১৮৭৩ চনত কামৰূপ, দৰং, নগাঁও, শিৱসাগৰ আৰু লখিমপুৰ জিলাৰ আদালত আৰু পঢ়াশালিত অসমীয়া ভাষাই পুনৰ নিজৰ আসনত প্ৰতিষ্ঠা লাভ কৰে। মাতৃভাষাক পুনৰুদ্ধাৰ কৰাৰ সেই সময়ৰ পৰা স্বাধীনতা লাভ কৰাৰ সময়লৈকে এই চৌসত্তৰ বছৰৰ ভিতৰত আৰু তাৰ পৰৱৰ্তী পৰ্যায়ত অসমীয়া ভাষা-সংস্কৃতি ভালেমান ক্ষেত্ৰত বিকশিত আৰু চহকী হৈছে যদিও বৰ্তমান ৰাজ্যখনত ইয়াৰ সঠিক প্ৰয়োগ জানো আমি দেখিবলৈ পাইছোঁ? মাতৃভাষাই নিজ মাতৃভূমিত পাবলগীয়া এই স্বীকৃতিৰ বাবে কৰা 'ভাষা আন্দোলন'ত ৰঞ্জিৎ বৰপূজাৰী, মোজাম্মিল হক, অনিল বৰা, সূৰ্য বৰাৰ দৰে বহুতো ডেকাই অকালতে প্ৰাণ আহুতিৰে কৰা চৰম ত্যাগক আমি অসমীয়াই উচিত শ্ৰদ্ধা জনাব পাৰিছোঁনে? ইয়াৰ বাবে আমাৰ অসচেতনতা আৰু অমনোযোগিতাক আওকাণ কৰি অকল ৰজাঘৰক দায়ী সজাই হাত সাবটি লৈ জাতিৰ অস্তিত্ব ৰক্ষাৰ যুঁজত অসমীয়াসকলে টালি-টোপোলা বান্ধিবলগীয়া অৱস্থা এটা হ'বলৈ নিশ্চয় বেছিদিন নালাগিব।

ড° বাণীকান্ত কাকতিয়ে ভাষাৰ গুৰুত্ব সম্পৰ্কে কৈছিল— 'ভাষাৰ বান্ধেই সমাজ আৰু ৰাষ্ট্ৰৰ বান্ধ।' আধুনিক ভাৰতীয় সাহিত্যৰ জনপ্ৰিয় লেখক চেতন ভগতেও নিজৰ মাতৃভাষা হিন্দী সম্পৰ্কে দুবছৰমান আগতে কৈছিল— 'হিন্দী মোৰ মা আৰু ইংৰাজী মোৰ পত্নী।' কিন্তু আজিৰ অসমীয়াই বহুক্ষেত্ৰত নিজৰ ভাষাক পাহৰি আন ভাষাক সহজে আঁকোৱালি ল'বলৈ কুণ্ঠাবোধ নকৰে। কৰ্মক্ষেত্ৰৰ সূত্ৰেই হওক নাইবা আন কিবা কাৰণৰ বাবেই হওক অনা-অসমীয়াভাষী বহুজনক আমি প্ৰতিদিনে লগ পাওঁ। অনা-অসমীয়া হিন্দীভাষী বা বঙালীভাষী লোক এজনে নিজৰ জাতিৰ অস্তিত্ব ধৰি ৰাখি মাতৃভাষা কৈ গৈ থাকে আৰু আমি অসমীয়াসকলে কথা ক'ব জনা হোৱাৰে পৰা কৈ অহা নিজৰ মাতৃভাষাটোক মুহূৰ্ততে জলাঞ্জলি দি অনা অসমীয়াজনৰ মুখৰ ভাষাটোৰ সৈতে সুৰ মিলাবলৈ আৰম্ভ কৰোঁ। এইখিনিতে আনৰ ভাষাটোৰ ওচৰত আমাৰ নিজৰ অসমীয়া ভাষাটো পৰাজিত হোৱা যেন অনুভৱ নহয়নে বাৰু? আনৰ ভাষাটো ক'ব নোৱৰাটো অসমীয়াসকলৰ বাবে লজ্জাজনক, মানহানিকাৰক অথবা অবিচক্ষণতাৰ পৰিচায়ক বুলি আমি ভাবোঁ। কিন্তু আমি এবাৰো ভাবি নাচাওঁ সেই কথা— যেতিয়া আমি অসমীয়াভাষীসকল অসমৰ বাহিৰত বাংগালুৰু, চেন্নাই, পশ্চিম বংগ, কেৰালা আদিলৈ যাওঁ, তেতিয়া তেওঁলোকৰ নিজৰ মাতৃভাষাত কোৱা কথাবোৰৰ বাবে আমি যে কিমান আহুকালত ভোগোঁ। ঠাইবিশেষে আনকি তেওঁলোকে নিজৰ ভাষাটো এৰি ৰাষ্ট্ৰীয় ভাষা হিন্দীতো আনৰ লগত কথা পাতিবলৈ প্ৰস্তুত নহয়।

গোলকীকৰণৰ কক্ষপথত সুচাৰুৰূপে প্ৰদক্ষিণ কৰি থাকিবলৈ অৰ্থাৎ সমগ্ৰ বিশ্বৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি চলিবলৈ হ'লে আমাৰ ভাষাৰ জ্ঞান নিতান্তই প্ৰয়োজনীয়। তথাপি, কিন্তু নিজৰ ভাষা-সাহিত্যক দুভৰিৰে গচকি তথাকথিত শিক্ষিত বিচক্ষণ ভদ্ৰলোক হোৱাৰ যি মানসিকতা আমাৰ অসমীয়াৰ মাজত গঢ় লৈ উঠিছে, সেয়া কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। কাৰণ, আমাৰ চুবুৰীয়া ৰাজ্য পশ্চিম বংগৰ ডেকা-গাভৰুৱে ইংৰাজী মাধ্যমৰ 'গিলবাৰ্ট', 'এলিট' জাতীয় বিদ্যালয়বোৰত অধ্যয়ন কৰে যদিও পাহৰি যোৱা নাই ৰবীন্দ্ৰনাথ, বংকিমচন্দ্ৰ চেটাৰ্জী, ৰাজা ৰামমোহন ৰায় অথবা স্বামী বিবেকানন্দক। নাট, সভা আদিত এতিয়াও তেওঁলোকে এইসকল মহান পুৰুষৰ ভাও দিয়ে অথবা তেওঁলোকৰ জীৱনাদৰ্শ আলোচনা কৰে। ঠিক একে সময়তে আমি অসমীয়াই অধিক আধুনিক তথা 'আপ্ টু ডেট' হ'বলৈ গৈ গাঁৱে-ভূঞে অনুষ্ঠিত বিহু সন্মিলত হিন্দী ছবিৰ উচ্চ স্বৰৰ গীতৰ তালে তালে কোনোবা আৱেদনময় আৰু কোনোবা আৱেদনময়ী হৈ ৰাতিপুৱালৈকে নৃত্য কৰি আছোঁ। আমাৰোতো আছে জ্যোতি সংগীত, বিষ্ণু ৰাভা সংগীত, বৰগীত, লোকগীত, ভূপেন্দ্ৰ সংগীত বা বিয়ানাম। ইয়াৰ উচিত মূল্য জানো আমি অসমীয়াই দিব পাৰিছোঁ?

আমি প্ৰতিজন অসমীয়াই এইক্ষেত্ৰত শীঘ্ৰে সজাগ হ'বৰ সময় আহি পৰিছে; অন্যথা অগ্নিকবিৰ 'অসম শ্মশান নোহে কোনে কয়' পংক্তিটোৰ সত্যতা পুনৰ প্ৰতিষ্ঠা হ'বলৈ বেছি পৰ নালাগিব। □

● *প্ৰবন্ধকাৰ গণসংযোগ আৰু সাংবাদিকতা বিভাগৰ ছাত্ৰ।*



# বেজবৰুৱাৰ চুটিগল্পৰ কেইটামান বিশিষ্ট দিশ

বেদব্ৰত গগৈ

আধুনিক অসমীয়া সাহিত্যৰ ভেটি নিৰ্মাণ কৰোঁতাসকলৰ অন্যতম লক্ষ্মীনাথ বেজবৰুৱাই 'জোনাকী'ৰ জৰিয়তে অসমীয়া সাহিত্যলৈ নৱন্যাসিক ভাবধাৰা প্ৰবাহিত কৰাৰ লগতে অসমীয়া চুটিগল্পৰো শুভাৰম্ভ কৰিলে। অৱশ্যে ভাৰতীয় সাহিত্যৰ প্ৰথমটো চুটিগল্প উনবিংশ শতিকাৰ সপ্তম দশকতে সৃষ্টি হৈছিল উড়িয়া সাহিত্যিক ফকীৰ সেনাপতিৰ হাতত। তাৰ পিছত বাংলা সাহিত্যত ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু হিন্দী সাহিত্যত প্ৰেমচান্দে চুটিগল্প ৰচনা কৰি ভাৰতীয় সাহিত্যত চুটিগল্পক জনপ্ৰিয় কৰি তোলে।

অসমীয়া সাহিত্যত বেজবৰুৱাৰ প্ৰথমটো চুটিগল্প 'সেউতী' প্ৰকাশ হৈছিল 'জোনাকী'ৰ চতুৰ্থ বছৰ, চতুৰ্থ সংখ্যাত। ইয়াৰ পিছত বিভিন্ন সময়ত ৰচনা কৰা গল্পখিনিৰ চাৰিটা সংকলন পোৱা যায়। সেয়া হৈছে 'সুৰভি' (১৯১০), 'সাধুকথাৰ কুঁকি' (১৯১০), 'জোনবিৰি' (১৯১৩) আৰু 'কেঁহোকলি' (মৰণোত্তৰ প্ৰকাশ)। কেউখন গল্পপুথিত মুঠ উনসত্তৰটা গল্প সন্নিৱিষ্ট হৈছে। সংখ্যাৰ জোখেৰে যথেষ্ট হ'লেও তেওঁৰ আটাইখিনি গল্পৰ মান একে পৰ্যায়ৰ নহয়। বৰং এনে বহু গল্প আছে, যিখিনিৰ সাধুকথা আৰু চুটিগল্পৰ মাজৰ পাৰ্থক্য নিৰ্ণয় কৰাই অসুবিধা। অৱশ্যে বেজবৰুৱাই তেওঁৰ গল্পসমূহৰ নিজে ক'তো চুটিগল্প বুলি অভিহিত কৰা নাই। গতিকে বেজবৰুৱাৰ গল্প-চুটিগল্পৰ কলা-কৌশল বা শিল্পৰূপৰ বিচাৰেৰে বিচাৰ নকৰাই সমীচীন হ'ব। তৎসত্ত্বেও বেজবৰুৱাৰ গল্পত কেতবোৰ বিশিষ্ট দিশৰ প্ৰতিফলন দেখা যায়।

বেজবৰুৱা যি সময়ত গল্প ৰচনাত প্ৰবৃত্ত হৈছিল, সেইছোৱা সময় আছিল অসমত ইংৰাজ শাসনৰ সময়। সেই সময়ৰ অসমীয়া সমাজৰ একাংশ লোক নিজৰ ঐতিহ্য পাহৰি ইংৰাজক অনুকৰণ কৰি ঘৰচিৰিকাই ৰাজহংসৰ খোজ দিবলৈ যোৱাৰ দৰে আচহুৱা আদব-কায়দাৰে পৰিচালিত হৈছিল। এনে লোক কিছুমানৰ দুৰ্নীতি, মিথ্যাচাৰ, ফোঁপোলা স্বৰূপ বা ভণ্ডামিক বেজবৰুৱাই গল্পৰ জৰিয়তে ব্যংগ কৰিছে। তেওঁৰ 'মলক গুইন গুইন', 'ভোকেন্দ্ৰ বৰুৱা', 'ঘণ্টাকৰ্ণ শৰ্মা', 'জাতিৰামৰ জাত', 'ভেমপুৰীয়া মৌজাদাৰ' আজি গল্পত এনে দৃষ্টিভংগীৰ প্ৰকাশ ঘটা দেখা যায়। অৱশ্যে বেজবৰুৱাৰ কৃপাবৰী ৰূপটো গল্পৰ মাজেদিও প্ৰতিভাত নোহোৱাকৈ নাথাকে। সমাজৰ যিবোৰ ক্ষেত্ৰত তেওঁ কু-সংস্কাৰ ভণ্ডামি, ভেম আদি প্ৰত্যক্ষ কৰিছে, তাতেই তেওঁৰ কৃপাবৰী ৰূপ প্ৰকাশ পাইছে। সেইদৰে স্বভাৱ ৰসিক বেজবৰুৱাৰ সৰহসংখ্যক গল্পতেই হাস্যৰসৰো চিটিকনি পৰা দেখা যায়। ড° প্ৰহ্লাদ কুমাৰ বৰুৱাই বেজবৰুৱাৰ ব্যংগ গল্পসমূহত তেওঁৰ পূৰ্বসূৰী লিখক হেমচন্দ্ৰ বৰুৱাৰ ব্যংগ ভাবৰ বিস্তাৰিত ৰূপ এটিহে লক্ষ্য কৰিছে।

বাস্তৱৰ সমাজখনৰ লগত বেজবৰুৱাৰ পৰিচয় আছিল অতি নিবিড়। পৰিচিত সমাজখনৰ মাজৰ পৰাই চৰিত্ৰ আৰু বিষয়বস্তু সংগ্ৰহ কৰি সেইবোৰক প্ৰয়োজন অনুসৰি গঢ় দি তেওঁৰ গল্পত উপস্থাপন কৰে। সেয়ে তেওঁৰ গল্পসমূহৰ মাজেৰে ভুমুকি মৰা চৰিত্ৰবোৰ অতিশয় জীৱন্ত বাস্তৱৰ সঁচা মানুহৰ দৰেই সঁচা আৰু বিশ্বাসযোগ্য। তেওঁৰ গল্পৰ চৰিত্ৰই সমাজৰ একোটা বিশেষ শ্ৰেণীক প্ৰতিনিধিত্ব কৰা দেখা যায়। এক অৰ্থত সমাজৰ সৰু-বৰ সকলো চৰিত্ৰই বেজবৰুৱাৰ কলমত ধৰা দিছে। গতিকে চৰিত্ৰবোৰৰ একোটা নিজস্ব জীৱন আছে আৰু সেই জীৱন লিখকে অদৃশ্য হৈ থাকি অংকন কৰিছে যদিও তাৰ এক নিয়ন্ত্ৰণ আছে। তদুপৰি সময় আৰু সমাজসচেতনতাই চৰিত্ৰবোৰক উপযুক্ত ইন্ধন যোগাইছে। বেজবৰুৱাৰ গল্পৰ চৰিত্ৰসমূহে সেয়ে পাঠকৰ মনত দোলা দি যায়। তেওঁৰ গল্পৰ এনে কেইটিমান চৰিত্ৰ হৈছে ভদৰী, পাতমুগী, বাপিৰাম, সেউতী, মালতী আদি।

লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা সৃষ্ট সাহিত্যসমূহৰ অধিকাংশই উদ্দেশ্যধৰ্মী। শংকৰদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে গীত, পদ, নাট আদি সৃষ্টি কৰাৰ দৰেই বেজবৰুৱায়ো তদানীন্তন সমাজৰ কু-সংস্কাৰ, জাতকুলৰ ভেদাভেদ, ধৰ্ম বিচ্ছেদ, ভণ্ডামি আদি দূৰ কৰিবলৈ সাহিত্যকেই উপায় হিচাপে গ্ৰহণ কৰিছিল। গতিকে বেজবৰুৱাৰ ব্যংগাত্মক গল্পসমূহৰ হাস্যৰসৰ আঁৰত সমাজ সংস্কাৰধৰ্মী মনোভাবৰো প্ৰতিফলন ঘটা দেখা যায়। জাত্যাভিমান বা জাতিগত বৈষম্যই সমাজত কেনে বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পাৰে তাৰ একোখনি সুন্দৰ চিত্ৰ বেজবৰুৱাই তেওঁৰ 'লম্বোদৰ ডেকা', 'জাতিৰামৰ জাত' আদি গল্পত দাঙি ধৰিছে। তেনেদৰে প্ৰাচীন ঐতিহ্য বা বংশ গৌৰৱৰ অন্তঃসাৰশূন্যতাক তেওঁ

'ঘিলাৰামৰ আত্মজীৱনী,' 'ধোঁৱাখোৱা' আদি গল্পত উদঙাই দেখুৱাইছে। ধৰ্মীয় সংকীৰ্ণতাই সমাজত সৃষ্টি কৰা বিভেদৰ প্ৰকাশ ঘটিছে তেওঁৰ 'ধৰ্মধ্বজ ফয়চলা নবিচ' গল্পত।

সবল নাৰী চৰিত্ৰ সৃষ্টিও বেজবৰুৱাৰ গল্পৰ অন্যতম বৈশিষ্ট্য। তেওঁৰ গল্পৰ পুৰুষ চৰিত্ৰসমূহৰ তুলনাত নাৰী চৰিত্ৰসমূহ অধিক উজ্জ্বল। তদুপৰি পুৰুষশাসিত সমাজত পুৰুষৰ তুলনাত নাৰীৰ অৱস্থা যে অতি দুখলগা সেই সত্যও গল্পকাৰে কেতবোৰ গল্পৰ জৰিয়তে পোহৰলৈ আনিছে। এইক্ষেত্ৰত তেওঁৰ 'লাওখোলা' গল্পটো উল্লেখযোগ্য। গল্পটোত পুখুৰী এটাত জাল বাওঁতে উঠি অহা মানুহৰ লাওখোলা এটাৰ মুখেৰে এগৰাকী নিৰ্যাতিতা নাৰীৰ কৰুণ কাহিনী বৰ্ণিত হৈছে। তেনেদৰে 'আমালৈ নেপাহৰিব', 'সেউতী', 'ভদৰী', 'কাশিবাসী' আদি গল্পতো নাৰীৰ কৰুণ দশাৰেই প্ৰতিফলন ঘটাইছে।

মানৱীয় দিশৰ উন্মোচন বেজবৰুৱাৰ গল্পৰ মূল আদৰ্শ। সমস্যাবহুল সমাজ-জীৱনত অনেক খলাবমা অতিক্ৰম কৰিও তেওঁৰ গল্পৰ চৰিত্ৰসমূহে মানৱীয়তা বিসৰ্জন দিয়া নাই। ব্যক্তিগতভাৱেও বেজবৰুৱা মানৱতাবাদত বিশ্বাসী। গতিকে তেওঁৰ দ্বাৰা সৃষ্ট গল্পসমূহৰো এনে বহু চৰিত্ৰৰ সমাৱেশ ঘটিছে, যিবোৰৰ জৰিয়তে তেওঁ মানৱতাবাদৰ এখন চিৰায়ত চিত্ৰ দাঙি ধৰিবলৈ সক্ষম হৈছে। তেওঁৰ 'লম্বোদৰ ডেকা', 'মাউৰা', 'মাল বুঢ়া' আদি গল্পত মানৱীয় দৃষ্টিভংগীৰ প্ৰকাশ ঘটিছে।

ৰমন্যাসিক সাহিত্যৰ অধিকাংশই নৰ-নাৰীৰ প্ৰেমৰ ৰসেৰে সিক্ত। বেজবৰুৱাৰ সাহিত্যতো নৰ-নাৰীৰ প্ৰেমৰ একোখনি স্নিগ্ধ চিত্ৰ পোৱা যায়। অৱশ্যে বেজবৰুৱাৰ গল্পত প্ৰেমৰ কৰুণ পৰিণতিৰ চিত্ৰ সমান দক্ষতাৰেই চিত্ৰিত হৈছে। তেওঁৰ 'কন্যা', 'নকওঁ', 'ৰতন মুণ্ডা', 'মাধৈ-মালতী' আদি গল্পত নাৰী পুৰুষৰ প্ৰেমৰ বিচিত্ৰ ৰূপৰ উমান পোৱা যায়। সেইদৰে 'জয়ন্তী', 'ভদৰী' আদি গল্পত দাম্পত্য প্ৰেমৰ মনোৰম বৰ্ণনা পোৱা যায়।

বেজবৰুৱাৰ গল্পত মনস্তাত্ত্বিক দৃষ্টিভংগীৰ প্ৰতিফলন ঘটা দেখা যায়। অসমীয়া চুটিগল্পত আৰম্ভণি কালতে মনস্তত্ত্বৰ প্ৰতিফলন ঘটাতো মন কৰিবলগীয়া বিষয়। তেওঁৰ 'মুক্তি' গল্পত শিশু মনস্তত্ত্ব আৰু 'পাতমুগী,' 'সেউতী' গল্পত নাৰী মনস্তত্ত্বৰ সাৰ্থক প্ৰকাশ ঘটিছে। নাৰীৰ স্বাভাৱিক দুৰ্বলতা আৰু এই দুৰ্বলতাৰ সুযোগ লৈ পুৰুষ-তান্ত্ৰিক সমাজ ব্যৱস্থাই জাপি দিয়া নিৰ্যাতনৰ বোজা বহন কৰি নাৰীয়ে পুৰুষৰ চাৰিত্ৰিক দুৰ্বলতা চিনি পাবলৈ সক্ষম হয়। এই দুৰ্বলতাৰ সুযোগ নাৰীয়েও ল'ব খোজে। 'পাতমুগী' গল্পত পাতমুগীয়ে তাইৰ দদায়েকৰ আগত অকণো লুকঢাক নকৰাকৈ স্বীকাৰ কৰিছে— 'পুৰুষক হাতৰ মুঠিত ল'বলৈ পোৱাটো তিৰোতাৰ ডাঙৰ আশা।'


বেজবৰুৱাৰ সৃষ্টি ঃ
কৃপাবৰ বৰবৰুৱা আৰু ঢোকাৰাম শৰ্মা

মুঠতে বেজবৰুৱাৰ তীক্ষ্ণ দৃষ্টিত সমাজৰ কোনোটো দিশেই বাদ পৰি যোৱা নাছিল। সেয়ে মানৱ চৰিত্ৰৰো অতি গভীৰতালৈ তেওঁ প্ৰৱেশ কৰিব পাৰিছিল আৰু সেইবাবেই নাৰী-পুৰুষ উভয়ৰে মনস্তত্ত্বৰ সফল প্ৰকাশ ঘটাবলৈ সক্ষম হৈছিল।

ইয়াৰ উপৰি বেজবৰুৱাৰ গল্পত একাধিক আদৰ্শ নাৰী চৰিত্ৰ অংকিত হৈছে। যদিও চুটিগল্পত আচলতে চৰিত্ৰ চিত্ৰণৰ বিশেষ সুবিধা নাই; তথাপি বেজবৰুৱাই গল্পসমূহত একোটা সুসংযত কাহিনী প্ৰকাশ কৰিছিল আৰু তাৰ মাজতে একোটা পৰিপূৰ্ণ চৰিত্ৰও অংকন কৰিছিল।

বেজবৰুৱাৰ হাততে অসমীয়া ভাষাৰ পূৰ্ণতা প্ৰাপ্তি ঘটিছিল। বাছকবনীয়া শব্দ তথা জঁতুৱা ঠাচ, ফকৰা-যোজনাৰ প্ৰয়োগেৰে বেজবৰুৱাই গল্পৰ ভাষাক এক বিশেষ মাত্ৰা প্ৰদান কৰিছিল। তেওঁৰ যাদুকৰী ভাষাই অসমীয়া সাহিত্যৰ প্ৰতিজন পাঠকক তেওঁৰ ৰচনাৰ মাজলৈ টানি নিয়ে।

বেজবৰুৱাৰ গল্পত ব্যংগাত্মক দৃষ্টিভংগীৰ উপৰি বিমল হাস্যৰসৰো প্ৰকাশ ঘটা দেখা যায়। গল্পৰ মাজেৰে প্ৰকাশ লাভ কৰা নিৰ্দোষ হাস্যৰসে পাঠকক আপ্লুত নকৰাকৈ নাথাকে। উদাহৰণস্বৰূপে, বেজবৰুৱাৰ 'আমাৰ সংসাৰ', 'কেকো ককা', 'জগৰু মণ্ডলৰ প্ৰেমাভিনয়' আদি গল্পত এনে ৰসৰ প্ৰাধান্য আছে। এইক্ষেত্ৰত বেজবৰুৱা সমগ্ৰ অসমীয়া সাহিত্যত অদ্বিতীয় বুলি ক'ব পাৰি।

ভাৰতীয় সাহিত্যত চুটিগল্পৰ সৃষ্টি হৈছে পাশ্চাত্যৰ অনুকৰণত। অসমীয়া সাহিত্যতো এই প্ৰভাৱ বিদ্যমান। গতিকে বেজবৰুৱাৰ গল্পত দেশী-বিদেশী অনেক গল্পকাৰৰ প্ৰভাৱ পৰিলক্ষিত হয়। এই ক্ষেত্ৰত ড° প্ৰহ্লাদ কুমাৰ বৰুৱাৰ মন্তব্য প্ৰণিধানযোগ্য। তেওঁ কৈছে— 'বেজবৰুৱাৰ হাস্যৰসাত্মক গল্পত পূৰ্বসূৰী হেমচন্দ্ৰ বৰুৱাৰ ব্যংগ সাহিত্যৰ প্ৰভাৱৰ উপৰি অন্যান্য দিশত দেশী-বিদেশী অনেক লেখকৰ প্ৰভাৱ লক্ষ্য কৰা যায়। বঙালী গল্প লেখক ত্ৰৈলোক্যনাথ মুখাৰ্জীৰ 'বাঙালী নিধিৰাম' গল্পৰ ভাববস্তুৰ সৈতে বেজবৰুৱাৰ 'নিধিৰাম চৰ্দাৰ' গল্পৰ ভাববস্তু প্ৰায় একে। সেইদৰে প্যাৰীচান্দ মিত্ৰ, কালীপ্ৰসন্ন সিংহ, দীনবন্ধু মিত্ৰ, বংকিমচন্দ্ৰ আদি বঙালী ব্যংগ লেখকসকলৰ প্ৰভাৱো বেজবৰুৱাৰ ব্যংগ গল্পত লক্ষ্য কৰা যায়। তদুপৰি বাঙালী গল্পৰ জৰিয়তে মোপাচাঁ, চেখভ, এমিলজোলা আদি বিদেশী গল্পকাৰসকলৰ গল্পৰ দ্বাৰাও বেজবৰুৱা নিশ্চয় আকৃষ্ট হৈছিল। কিন্তু এইসকল বিশ্ববিখ্যাত গল্পকাৰৰ গল্পৰ আৰ্ট সম্পূৰ্ণৰূপে তেওঁ হয়তো আয়ত্ত কৰিব নোৱাৰিলে; যাৰ ফলত এইসকল গল্পকাৰৰ গল্পত অনুভূত হোৱা জীৱনৰ গভীৰতম দিশটোৰ সফল ৰূপায়ণ বেজবৰুৱাৰ গল্পত অনুভূত নহয়। অৱশ্যে আটাইবোৰ নহ'লেও আৰম্ভণি কালৰ ৰচনা হিচাপে বেজবৰুৱাৰ কেইবাটাও গল্প যে উৎকৃষ্ট মানৰ তাত সন্দেহ নাই। □

*প্ৰবন্ধকাৰ ইতিহাস বিভাগৰ স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ।*

# বিশ্বায়নৰ জগতত ভাৰত তথা অসমৰ প্ৰভাৱ

মনোৰঞ্জন দত্ত

**সাম্প্ৰতিক**

বিশ্বৰ আটাইতকৈ বহুলভাৱে চৰ্চিত তথা বিতৰ্কিত বিষয়টোৱেই হৈছে বিশ্বায়ন বা গোলকীকৰণ (Globalization)। অভিধান অনুসৰি Globalization শব্দৰ অৰ্থ হৈছে The process by which business start operating on a global scale. অৰ্থাৎ বিশ্বায়ন হৈছে এনে এটা প্ৰক্ৰিয়া, যাৰ দ্বাৰা বাণিজ্য আৰম্ভ হৈ বিশ্বীয় মাত্ৰাত কাৰ্যকৰী হয়। এই কথাষাৰৰ পৰাই বিশ্বায়নৰ বাণিজ্যৰ লগত থকা সম্পৰ্কৰ কথা অনুমান কৰিব পাৰি। প্ৰায়ভাগ ক্ষেত্ৰতে বিশ্বায়ন বুলিলে সাধাৰণতে অৰ্থনৈতিক গোলকীকৰণকে (economical globalization) বুজা যায়। পৃথিৱীৰ বিভিন্ন দেশৰ ৰাষ্ট্ৰীয় অৰ্থনৈতিক ব্যৱস্থাসমূহ, যেনে— বাণিজ্য, প্ৰত্যক্ষ বিদেশী বিনিয়োগ, আন্তঃৰাষ্ট্ৰীয় আমদানি-ৰপ্তানি, প্ৰব্ৰজন, তথ্য-প্ৰযুক্তি, উন্নত যোগাযোগ ব্যৱস্থা আদিৰে একত্ৰিত হৈ সামূহিকভাৱে বিশ্বৰ অৰ্থনীতি গঢ়ি তোলাটোকে গোলকীকৰণ বোলা হৈছে। এই বাণিজ্যৰ বিশ্বীয় মাত্ৰাত কাৰ্যকৰী হোৱা কাৰণেই যিকোনো ঠাইৰ সম্পদ পৃথিৱীৰ যিকোনো ঠাইত উপলব্ধ হোৱাৰ এটা প্ৰক্ৰিয়া হৈ পৰিছে গোলকীকৰণ। সম্পদ বুলি কওঁতে ই কেৱল উৎপাদিত বয়বস্তুকে সামৰি নলৈ বিজ্ঞান-প্ৰযুক্তি, ৰীতি-নীতি, ভাষা-সাহিত্য-সংস্কৃতি আৰু আনকি মানৱ সম্পদকো সামৰি লৈছে। সি যি কি নহওক, গোলকীকৰণ প্ৰযুক্তি, অৰ্থনীতি, সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক তথা জৈৱবৈচিত্ৰ্যৰ ওপৰতো নিৰ্ভৰ কৰে।

এই বিশ্বায়নৰ আৰম্ভণি কিদৰে? দেখা যায় যে আজিৰ দশকত বিশ্বায়নৰ বিষয়ে যি চৰ্চা, সেয়া আনকি আগৰ দশকটোতো বৰ এটা বহুলভাৱে হোৱা নাছিল। বৰ্তমান বিশ্লেষণৰ দ্বাৰা ঠাৱৰ হৈছে যে বিশ্বায়ন এক স্বতঃস্ফূৰ্ত তথা অৱধাৰিত পৰিঘটনা। প্ৰকৃততে মানুহৰ অস্তিত্বই ইয়াৰ সৃষ্টিৰ মূল। ইয়াৰ লগত প্ৰব্ৰজনৰ সম্পৰ্ক আছে। পৃথিৱীত ইমান ডাঙৰ নেটৱৰ্ক এটা মুহূৰ্তত অথবা অতি কম সময়ত গঢ়ি উঠাটো সম্ভৱ নহয়। প্ৰব্ৰজন কৰা লোকসকলে নতুন ঠাইলৈ কঢ়িয়াই আনিছিল তেওঁলোকৰ নিজৰ সংস্কৃতিক। লগতে মুখামুখিও হৈছিল এক নতুন বাতাৱৰণৰ। কিন্তু কেৱল প্ৰব্ৰজনৰ পৰা বিশ্বায়ন সৃষ্টি হ'ব নোৱাৰে। কাৰণ ইয়াৰ বাবে প্ৰয়োজন বিনিময়ৰ। মানুহৰ সন্ধানী সত্বাটোৰ বাবেই ইউৰোপৰ লোকসকলৰ বাবে ভাস্ক'-ডা-গামাই দিছিল ভাৰত উপমহাদেশৰ সন্ধান, কলম্বাছে দিছিল অন্য এক পৃথিৱী আমেৰিকাৰ সন্ধান। কলম্বাছৰ সময়ৰ পৰা ইউৰোপীয়সকলে সমগ্ৰ আমেৰিকাক তেওঁলোকৰ অধীন কৰিবলৈ চেষ্টা কৰিছিল। তাৰ পিছতে আহিল ঔপনিৱেশিকতাবাদ। ইয়াৰ ফলতে পৃথিৱীৰ বহু দেশ ইউৰোপৰ দেশসমূহৰ সাম্ৰাজ্যবাদী শক্তিৰ অধীন হৈছিল। উপনিৱেশসমূহৰ পৰা কেঁচা মাল সৰবৰাহ কৰি নিজৰ দেশত বস্তু উৎপাদন কৰি উপনিৱেশসমূহত বজাৰ মেলি দি মুনাফা লুটিছিল। এইদৰে উপনিৱেশিক দেশসমূহৰ কৃষিভিত্তিক অৰ্থনীতিৰ ৰাজহাঁড় ভাগি পৰিছিল। কিন্তু একে সময়তে বিজ্ঞান আৰু তথ্য-প্ৰযুক্তিত আগবঢ়া পছিমীয়া দেশসমূহৰ শাসনত, যদিও তেওঁলোকে নিজৰ সুবিধাৰ বাবেই সেই কামসমূহ হাতত লৈছিল, তথাপি সেই কামসমূহ পৰাধীন দেশসমূহৰ বাবে লাভদায়ক হিচাপে পৰিগণিত হৈছিল। নহ'লে হয়তো বিজ্ঞান-প্ৰযুক্তি, যাতায়াত-যোগাযোগৰ ক্ষেত্ৰত ভাৰতৰ দৰে দেশসমূহ আৰু ৫০ বছৰ পিছ পৰি থাকিলহেঁতেন। এইদৰে দেখা যায় যে গোলকীকৰণ এটা নতুন পৰিঘটনা নহয়। ইয়াৰ আৰম্ভণি বিগত

উনৈশ শতিকাতে। কিন্তু প্ৰথম বিশ্বযুদ্ধৰ পৰা বিংশ শতিকাৰ তৃতীয়াৰ্ধলৈকে ইয়াৰ প্ৰসাৰ কমি আহিছিল। ইয়াৰ কাৰণ হিচাপে বিশ্বৰ কেইবাখনো দেশে তেওঁলোকৰ দেশীয় উদ্যোগসমূহক ৰক্ষা কৰিবলৈ গ্ৰহণ কৰা Inward looking Policyক আঙুলিয়াব পাৰোঁ। যি কি নহওক, বিংশ শতিকাৰ চতুৰ্থাৰ্ধৰ পৰা পুনৰ এই প্ৰক্ৰিয়া তীব্ৰবেগী হৈ পৰে।

দ্বিতীয় বিশ্বযুদ্ধৰ পিছৰ পৰা সমগ্ৰ বিশ্বত পট পৰিৱৰ্তন হয়। ষাঠিৰ দশকৰ আগতেই প্ৰায় সকলো দেশে স্বাধীনতা লাভ কৰে আৰু তাৰ পিছৰে পৰা দেশসমূহে উন্নতি অৰ্থে বিভিন্ন আঁচনি গ্ৰহণ কৰিবলৈ ধৰিলে। বিশ্বায়নৰ সমালোচকসকলে কোৱা মতে, বৰ্তমান বিশ্বত যিহেতু সামৰিক শক্তিৰে বা সাম্ৰাজ্যবাদেৰে শাসন চলোৱাটো বাস্তৱিকতে অসম্ভৱ, সেয়েহে বৰ্তমান যুগত বিশ্বৰ ধনী দেশসমূহে অনুন্নত আৰু উন্নয়নশীল দেশসমূহৰ অৰ্থনীতিটোক গ্ৰাস কৰি দেশসমূহ অধীন কৰিব বিচাৰিছে। আৰু এই কামটোকে তেওঁলোকে কৰিছে বিশ্বায়নৰ জৰিয়তে। তেওঁলোকে ঘেষণা কৰে যে বিশ্বখনক এখন গাঁৱত পৰিণত কৰাত তেওঁলোকে যি দৌৰত নামিছে, সেই প্ৰতিযোগিতাত পৃথিৱীৰ সকলো দেশ চামিল হ'ব পাৰে। সকলো দেশেই নিজৰ বস্তুবোৰ বাহিৰলৈ দিব লাগে। কিন্তু, যদিও অতি প্ৰাচীন কালত হিন্দু সভ্যতাৰ জন্ম হৈছিল, তথাপি কালক্ৰমত ইংৰাজসকলে শাসন-শোষণ কৰি মষিমূৰ কৰা সেই সময়ৰ গাঁওকেন্দ্ৰিক সমাজৰ বস্তু-সংস্কৃতিয়ে পুনৰ ঠন ধৰি উঠিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত সেই বস্তু সংস্কৃতিয়ে ইতিমধ্যে উন্নতিৰ শিখৰত থকা পাশ্চাত্য সংস্কৃতিৰ লগত ফেৰ মাৰিবলৈ ব্যৰ্থ হৈছিল আৰু আজিও সমানে ফেৰ মাৰিব পৰা নাই সেইবাবেই আজি প্ৰায়ভাগ অনুন্নত তথা উন্নয়নশীল দেশ পাশ্চাত্যৰ আমেৰিকাৰ দৰে ৰাষ্ট্ৰৰ ওপৰত অৰ্থনৈতিক, ৰাজনৈতিক, কূটনৈতিক দিশত নিৰ্ভৰশীল হ'ব লগা হৈছে। কথাখিনি নিতান্তই যুক্তিপূৰ্ণ। কিন্তু পৃথিৱীৰ কোনো কথাই চিৰস্থায়ী নহয়। পট পৰিৱৰ্তন 'বিশ্ব-ইতিহাস'ৰ নিয়ম। বিশ্বৰ কেইবাখনো দেশৰ উদাহৰণ দি ক'ব পাৰি যে বছৰ বছৰ ধৰি ক্ৰমবিকাশৰ ফলত গঢ়ি উঠা কোনো জাতিৰ সংস্কৃতিৰো বিশেষ পৰিস্থিতিত প্ৰভাৱশালী বিদেশীৰ সংস্কৃতিৰ প্ৰভাৱত পৰি সংকুচিত বা একেবাৰে ধ্বংসও হ'ব পাৰে। সেয়েহে বৰ্তমান আমেৰিকাৰ দৰে পাশ্চাত্য ৰাষ্ট্ৰৰ গোলকীয় সাম্ৰাজ্যবাদৰো হয়তো এদিন শেষ হ'ব। কিছুদিনৰ আগেয়ে আমেৰিকাত হোৱা আৰ্থিক মন্দাৱস্থা, তাৰ ফলত হোৱা বাণিজ্যৰ অৱনতি আদি ঘটনাসমূহে ইয়াকে ইংগিত দিয়ে যে সকলো দেশেই পৰোক্ষভাৱে হ'লেও প্ৰভাৱিত বা নিৰ্ভৰশীল হোৱা আমেৰিকা যুক্তৰাষ্ট্ৰৰ অৰ্থনীতিও খহি পৰাটো একো অসম্ভৱ নহয়। তেন্তে আমি কিয় ভাবিবলৈ ধৰিছোঁ যে আমাক গ্ৰাস কৰিব ধৰিছে পছিমীয়া সভ্যতাই?

একোখন সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ আচৰণ চিন্তা-চৰ্চাৰ মূল ভেটি হৈছে তেওঁলোকৰ সংস্কৃতি। বাণিজ্যিকীকৰণৰ এই যুগত পৃথিৱীৰ অনুন্নত দেশসমূহক অৰ্থনৈতিকভাৱে তলতীয়া কৰাটো আপেক্ষিকভাৱে উজু। কিন্তু বেলেগৰ সংস্কৃতিটোক গ্ৰাস কৰা যথেষ্ট কঠিন। কিন্তু, যিহেতু সমাজ এখনৰ মূল ভেঁটি হৈছে সংস্কৃতি, সেয়ে বিশ্বায়নৰ সমালোচকসকলে ক'ব খোজে যে সাম্ৰাজ্যবাদীসকলে প্ৰথমেই আঘাত কৰিব খোজে তেওঁলোকৰ সংস্কৃতিৰ ওপৰত। কাৰণ যেতিয়ালৈ সংস্কৃতিৰ ক্ষেত্ৰত পৰিৱৰ্তন আনিব নোৱাৰি,তেতিয়ালৈ মানুহৰ চিন্তাধাৰাৰ পৰিৱৰ্তন কৰিব নোৱাৰি।

কিন্তু, এইখিনিতে প্ৰশ্ন হয়, বিশ্বায়ন একপক্ষীয় নেকি? যদি পৃথিৱীৰ কোনো এঠাইৰ সম্পদ আন এঠাইত উপলব্ধ হোৱাটোৱেই বিশ্বায়ন হয়, তেন্তে আমাৰ আলোচকবৃন্দই কিয় কেৱল প্ৰাচ্যৰ ওপৰত পাশ্চাত্যৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰাতেই সীমাবদ্ধ থাকে? এইটো নিশ্চয়কৈ সত্য যে বিশ্বৰ নাগৰিকসকলে উৎপাদিত বয়-বস্তু, তথ্যপাতি, জ্ঞান-বিজ্ঞান, সংস্কৃতি বিনিময় নকৰাকৈ থাকিব নোৱাৰে। ক্ৰমবিকাশৰ যাত্ৰাত যেতিয়া মৌলিক উপাদানসমূহৰ বাহিৰেও বেলেগ কিছুমান বস্তুৰ প্ৰয়োজন হৈছিল যিবোৰ নিজেই সকলোৱে সকলো ঠাইতে প্ৰস্তুত কৰিব পৰা নাছিল, তেতিয়াই বিনিময়ৰ আৰম্ভ, বাণিজ্যৰ আগমন। তাৰেই বহুমাত্ৰিক প্ৰতিফলন বিশ্বায়ন। এতিয়া আমাৰ আলোচ্য বিষয় হৈছে কেৱল মাৰ্কিন যুক্তৰাষ্ট্ৰইহে তৃতীয় বিশ্বৰ দেশসমূহৰ মাজত প্ৰভাৱ পেলাইছেনে? তাৰ ওলোটাতো একেবাৰেই হোৱা নাই নেকি? এই কথাখিনিকে ভাৰত তথা অসমৰ পটভূমিত আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

প্ৰথমেই এইটো কথা উল্লেখ কৰা ভাল হ'ব যে প্ৰকৃততে ভাৰতীয় সংস্কৃতিৰ গোলকীকৰণ বহু বছৰৰ পূৰ্বেই আৰম্ভ হৈছিল। আমি বৰ্তমান যি দেখিছোঁ সেয়া আধুনিক প্ৰযুক্তিৰ ফলত সংকুচিত হৈ পৰা পৃথিৱীৰ প্ৰভাৱ মাত্ৰ। খ্ৰীষ্টীয় যুগৰ আৰম্ভণিৰ লগে লগেই ভাৰতীয় সভ্যতা আৰু সংস্কৃতিও দক্ষিণ-পূব এছিয়াকে ধৰি পৃথিৱীৰ অন্যান্য অংশলৈ বিয়পি গৈছিল। খ্ৰীষ্টপূৰ্ব ৩য় শতিকাৰ পৰাই বহুতো ভাৰতীয় লোক মধ্য এছিয়াৰ বহু প্ৰান্তত নিগাজী হৈ পৰিছিল। ইতিহাসবিদ ফাহিয়ানৰ (Fa-Hein) মতে খ্ৰীষ্টীয় ৫ম শতিকাৰ আৰম্ভণিৰ পৰা সম্পূৰ্ণ মধ্য এছিয়া ভাৰতীয় কৰ্ম সংস্কৃতিৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। সংস্কৃত প্ৰাকৃতৰ লগতে অন্যান্য থলুৱা ভাষাও মধ্য এছিয়াত বিয়পি পৰিছিল। প্ৰকৃততে গ্ৰীক, তুৰ্কী আদি দেশসমূহৰ দৰে ভাৰতীয় সংস্কৃতিয়েও এটা বৈশিষ্ট্যপূৰ্ণ প্ৰভাৱ পেলাইছিল। আনকি ভাৰতীয় সভ্যতাৰ দৰেই পুৰণি চীনা সভ্যতায়ো বহু কথা ভাৰতৰ

**...ভাৰতীয় অৰ্থনীতি বৰ্তমান সময়ত বিশ্বৰ অন্যতম শক্তিশালী অৰ্থনীতি। অতীজৰে পৰা বিজ্ঞানৰ জগতখনত ভাৰতীয় সভ্যতাৰ অৱদান বহুত। গণিত শাস্ত্ৰৰ অগ্ৰগতিৰ মূল ভেটি শূন্য ভাৰতবাসীৰ অৱদান। প্ৰাক-ঐতিহাসিক তথা মধ্যযুগৰ পৰাই বীজ গণিত, হস্তশিল্প, ৰসায়ন বিজ্ঞান, চিকিৎসা বিজ্ঞান, ধাতু বিদ্যা, জ্যোতিষ শাস্ত্ৰ আদিলৈ অৱদান প্ৰভূত। কিন্তু ১৬শ-১৭শ শতিকাত ভাৰতকে ধৰি অন্যান্য প্ৰাচ্যৰ দেশসমূহে এই ধাৰাবাহিকতা হেৰুৱাবলৈ ধৰিছিল...**



পৰা অনুকৰণ কৰা বুলি Leofy Davisonৰ লেখনিৰ পৰা জানিব পৰা যায়। 'বৃহত্তৰ বিশ্ব সভ্যতালৈ' ভাৰতীয় সভ্যতাৰ অৱদান সন্দৰ্ভত উইল ডুৰাণ্টে (*Will Durant*) কৈছে— India was the motherland of our race and Sanskrit was the mother of Europe's languages. She was the mother of our philosophy, mother, through the Arabs, of our mothermatios, mother through the Buddha of ideals inbodied in christrianity, mother through the village community of self governs and democracy. Mother India is in many ways the mother of us all."

ভাৰতীয় সভ্যতা হৈছে অদমনীয়তাৰ নিদৰ্শন। ভাৰতীয় সংস্কৃতিৰ বৈশিষ্ট্য এইটোৱেই যে জন্মৰে পৰা ইয়াৰ দীঘলীয়া সময়ৰ পৰিক্ৰমাত বিভিন্ন জনগোষ্ঠীৰ জনসংখ্যা বৃদ্ধি আৰু অসংখ্য বহিৰাগত সংস্কৃতিৰ প্ৰৱেশক নেওচা দি নিজৰ সংস্কৃতিৰ ধাৰা অটুট ৰাখিছে। Prof. Brasham-এ তেখেতৰ বিখ্যাত A Cultural History of India গ্ৰন্থত উল্লেখ কৰা মতে, No land on earth has such a long cultural continuity as India, though there were more ancient civilizations, notabely in Egypt and Iraq that were virtually forgotten by the inhabitants of those lands and were overlaid by new instrusive culture. লক্ষণীয় কথাটো হ'ল যিটো সময়ত ইজিপ্তীয়-মিছৰীয় সভ্যতা আধুনিক বস্তু সংস্কৃতিৰ প্ৰভাৱত সংকুচিত হৈ পৰিল, সেই সময়তো ভাৰতীয় ব্ৰাহ্মণসকলে তেওঁলোকৰ বৈদিক তন্ত্ৰ-মন্ত্ৰ আজিও অব্যাহত ৰাখিছে; যিবোৰ আজিৰ পৰা প্ৰায় তিনি হেজাৰ বছৰৰ পূৰ্বেই ৰচনা কৰা হৈছিল। এই পৌৰাণিক কাৰুকাৰ্যবোৰে আজিও তেওঁলোকৰ বীৰত্বপূৰ্ণ ৰাজকতা আৰু বহিৰাগতৰ বিপক্ষে অৱতীৰ্ণ হোৱা সংগ্ৰামৰ কথা সোঁৱৰাই আছে। ভাৰতীয় সভ্যতাৰ এই পৰিক্ৰমাৰ মূলতে হৈছে মুক্ত তথা স্বাধীন মানসিকতাৰ ভাৰতীয় আদৰ্শ। কিন্তু এইটো কথা একো আশ্চৰ্যজনক নহয় যে ভাৰতবাসীয়ে জ্ঞান তথা প্ৰেৰণাৰ উৎস হিচাপে কেৱল বুদ্ধ, গান্ধী অথবা ৰবীন্দ্ৰনাথকে গ্ৰহণ নকৰি শ্বেক্সপীয়েৰ, বিথোভেন, টলষ্টয় আদি অন্যান্য লেখক, চিন্তাবিদ তথা শিল্পীকো গ্ৰহণ কৰিছে।

ঠিক সেইদৰে ভাৰতৰ ঐতিহ্যমণ্ডিত শিল্প-ভাস্কৰ্য, ভাব-ভাষা, সাহিত্য, সংগীত, নৃত্য, দৰ্শন, ব্যৱহাৰিক জীৱন-ৰীতি আদিয়ে কেৱল ভাৰতবাসীকে নহয় সমগ্ৰ বিশ্বকে প্ৰভাৱান্বিত কৰিছে। এইক্ষেত্ৰত বিশেষকৈ বিগত ৫০ তথা ১০০ বছৰত প্ৰব্ৰজনেও এক বিশেষ ভূমিকা গ্ৰহণ কৰিছে। প্ৰকৃতাৰ্থত আজিৰ যুগত ব্যৱহাৰ কৰা বিশ্বায়ন শব্দটো এটি পুনৰ আৱিষ্কাৰৰ বাদে আন একো নহয়। পাশ্চাত্য তথা প্ৰৱাসী ভাৰতীয়সকলে আমাৰ সংস্কৃতিৰ বহুদিশ পুনৰ মূল্যায়ন কৰিছে। উদাহৰণস্বৰূপে, ভাৰতীয় শাস্ত্ৰীয় সংগীতে বৰ্তমান এক বিশ্বমাত্ৰা লাভ কৰিছে। ৰবিশংকৰ, আলী আকবৰ খানৰ দৰে বিখ্যাত সংগীতজ্ঞসকলে ভাৰতীয় শাস্ত্ৰীয় সংগীতক এক উচ্চ স্থানলৈ লৈ গৈছে। বৰ্তমান বিশ্বৰ বহুতো দেশৰ লোক ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ শিষ্য। ভাৰতীয় যোগ-ব্যায়াম, প্ৰাণায়াম আদিৰ বিষয়ে অধ্যয়ন কৰিবলৈ পাশ্চাত্য দেশবোৰৰ পৰা অহা হেজাৰ হেজাৰ লোকে ভাৰতীয় সংস্কৃতিৰ মহানতাৰ কথা স্বীকাৰ কৰিছে।

ভাৰতীয় সংস্কৃতিৰ আন এটা ইতিবাচক দিশ হৈছে যোৱা কেইবছৰ মানত সমগ্ৰ বিশ্বতে ভাৰতৰ বলীউডী চিনেমা উদ্যোগৰ প্ৰভাৱ। ভাষিক পাৰ্থক্য নেওচি বলীউডী চিনেমাই দেশৰ বাহিৰতো জনপ্ৰিয়তা লাভ কৰিছে। ভাৰতৰ চলচ্চিত্ৰসমূহ বৰ্তমান পূব-মধ্য এছিয়া, ছোভিয়েট ইউনিয়ন, মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু আন দেশতো অতি জনপ্ৰিয়। যিবোৰৰ দৰ্শক মাত্ৰ প্ৰৱাসী ভাৰতীয়-

সকলেই নহয়, তাৰ থলুৱা লোকসকলো। আজি কেইদিনমানৰ আগেয়ে ইংলেণ্ডত থকা ভাৰতীয়সকলে ভাৰতীয় ভাংগ্ৰা (Bhangra), হিপ-পপ আৰু অন্যান্য পাচাত্য সংগীত লগ লগাই এক নতুন Fussion Musicৰ সৃষ্টি কৰিছে। আজি আমি লণ্ডনৰ যিকোনো ঠাইত সেই একেদৰে ভাৰত নাট্যম অথবা ওড়িচী নৃত্য শিকিব পাৰোঁ, যিদৰে পাৰোঁ বাংগালুৰু অথবা লক্ষ্ণৌ চহৰ ত। মুঠতে এতিয়া ভাৰতীয় সংস্কৃতিয়ে এক উচ্চ স্থান দখল কৰিছে। আমি যিমানেই এই দেশীয় সীমাহীন পৃথিৱীত খোজ নেপেলাওঁ কিয়, ইয়াক পাশ্চাত্য সংস্কৃতিয়ে উৰুৱাই নিব নোৱাৰে।

একেদৰে ভাৰতীয় অৰ্থনীতি বৰ্তমান সময়ত বিশ্বৰ অন্যতম শক্তিশালী অৰ্থনীতি। অতীজৰে পৰা বিজ্ঞানৰ জগতখনত ভাৰতীয় সভ্যতাৰ অৱদান বহুত। গণিত শাস্ত্ৰৰ অগ্ৰগতিৰ মূল ভেটি শূন্য ভাৰতবাসীৰ অৱদান। প্ৰাক-ঐতিহাসিক তথা মধ্যযুগৰ পৰাই বীজগণিত, হস্তশিল্প, ৰসায়ন বিজ্ঞান, চিকিৎসা বিজ্ঞান, ধাতুবিদ্যা, জ্যোতিষ শাস্ত্ৰ আদিলৈ অৱদান প্ৰভূত। কিন্তু ১৬শ-১৭শ শতিকাত ভাৰতকে ধৰি প্ৰাচ্যৰ অন্যান্য দেশসমূহে এই ধাৰাবাহিকতা হেৰুৱাবলৈ ধৰিছিল। ইয়াৰ কাৰণ আছিল সেই সময়ত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ মূল কেন্দ্ৰ ইউৰোপলৈ স্থানান্তৰ হৈছিল। প্ৰাচ্যৰ প্ৰায়বোৰ দেশ ইউৰোপৰ শক্তিসমূহৰ অধীন হৈছিল আৰু সেই বিদেশী শাসকসকলে পৰাধীন দেশবোৰক নিজা শিল্প সংস্কৃতিৰ বিকাশত উৎসাহ দিয়া নাছিল। যি কি নহওক, স্বাধীনতাৰ পিছৰে পৰা ভাৰতবৰ্ষত অৰ্থনৈতিক উন্নতিকল্পে বহুতো আঁচনি হাতত লোৱা হ'ল। ১৯৮০ চনমানৰ পৰা ভাৰতবৰ্ষই ইয়াৰ বাণিজ্যিক দুৱাৰ বাহিৰৰ দেশবোৰৰ বাবে মেলি দিবলৈ লয়। প্ৰায় পঞ্চাশৰ দশকতেই আৰম্ভ হোৱা বিজ্ঞান-প্ৰযুক্তিৰ প্ৰসাৰৰ যুগটো ভাৰতত আশীৰ দশকতহে সোমাবলৈ সুবিধা পায়। সেই সময়তে IBM, Coca-cola আদি কোম্পানীবোৰৰ খণ্ড ভাৰতত স্থাপন হৈছিল। ভাৰত বৰ্তমান তথ্য-প্ৰযুক্তিৰ ক্ষেত্ৰত শক্তিশালী। বিশ্বৰ সকলো দেশৰ বাবে বৰ্তমান ভাৰত IT outsourcingৰ কেন্দ্ৰ। সমগ্ৰ IT খণ্ডটোত ভাৰতৰ ক্ৰমবৰ্ধমান শক্তি আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাবে ভাবুকিস্বৰূপ হৈ পৰিছে। Software প্ৰযুক্তিত বৰ্তমান ভাৰতৰ স্থান পৃথিৱীৰ ভিতৰতে প্ৰথম। বৰ্তমান ভাৰতৰ HSBC Global Centre-এ বিশ্বৰ সৰ্ববৃহৎ বেংক HSBCৰ বিশ্বৰ সকলো শাখাৰ বাবে Software নিৰ্মাণ কৰে।

R & D বিনিয়োগৰ ক্ষেত্ৰতো ভাৰতে বিভিন্ন কোম্পানীক বাৰুকৈ আকৰ্ষিত কৰিছে। এটা উচ্চ প্ৰযুক্তিৰ বিদেশী কোম্পানীয়ে এজন অভিযন্তাক উত্তৰ আমেৰিকাৰ এখন চহৰত ৰখাতকৈ ভাৰতৰ এখন চহৰত চাৰি ভাগৰ এভাগ খৰচতে ৰাখিব পাৰে। ব্যৱসায়ৰ এনে সুচল বাতাবৰণ চীন আৰু ভাৰত দুয়োখন দেশত অনাগত বছৰবোৰত আৰু বৃদ্ধি পাব বুলি আশা কৰা হৈছে। বহুদেশীয় বিনিয়োগৰ ক্ষেত্ৰত ভাৰতৰ স্থান বিশ্বৰ ভিতৰতে চতুৰ্থ তথা ৰাষ্ট্ৰীয় ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰত বিশ্বৰ ভিতৰতে দ্বাদশ। তদুপৰি ভাৰতৰ বজাৰৰ গ্ৰাহক প্ৰায় তিনিশ পঞ্চাশ মিলিয়ন, যিটো সমগ্ৰ ইউৰোপৰ জনসংখ্যাতকৈও বেছি। ভাৰতৰ বাবে আৰু এটা আশাপ্ৰদ কথা আছে। সমীক্ষাৰ পৰা জনা গৈছে যে প্ৰত্যেক বছৰে ভাৰত আৰু চীন দেশে বিজ্ঞানী তথা অভিযন্তাৰ জন্ম দিছে ক্ৰমে গড়ে ১,০৩,০০০জন আৰু ২,৯২,৫৯৪জনকৈ, যাৰ তুলনাত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ৮৪,৮৯৮জন তেনেই কম। বিগত দুটা বৰ্ষত আমেৰিকাৰ দৰে ৰাষ্ট্ৰত ব্যাপক আৰ্থিক মন্দাৱস্থাৰ সময়ত বিভিন্ন খণ্ডত লাখৰো অধিক লোকৰ নিযুক্তি বাতিল কৰাৰ পিছতো 'জব মাৰ্কেট'ত আজিও ভাৰতবৰ্ষ বিশ্বৰ প্ৰথম স্থানৰ দেশ। সেয়েহে যিকোনো ধৰণৰ আন্তৰ্জাতিক সন্মিলনত ভাৰতে সদায় আগস্থান পাব ধৰিছে। শেহতীয়াকৈ বিশ্ব পৰিৱেশ প্ৰদূষণ ৰোধ কৰাৰ বাবে বিশ্বৰ ধনী দেশসমূহৰ যি বৈঠক গঠন কৰা হৈছে, তাত ভাৰতক অতি গুৰুত্বপূৰ্ণ স্থানত ৰখা হৈছে। অলপতে কৰা এটা সমীক্ষাৰ দ্বাৰা এইটো কথা প্ৰতীয়মান হৈছে যে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ সংসদৰ সৰহসংখ্যক ছিনেটৰ ভাৰতীয় মূলৰ। মুঠতে পাশ্চাত্যৰ ভালেসংখ্যক বিত্তীয় তথা ব্যৱসায়িক প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰী ভাৰতীয়। কাৰিকৰী শিক্ষানুষ্ঠানসমূহত চলোৱা সমীক্ষাৰ পৰা দেখা যায় মাৰ্কিন যুক্তৰাষ্ট্ৰ, দক্ষিণ আফ্ৰিকা আদি দেশৰ মূল পৰিচালনা শক্তিটোৰ মুষ্টিমেয় অংশ ভাৰতীয়। ঔদ্যোগিক ক্ষেত্ৰত দেখা যায় বিশ্বৰ কেইবাজনো শ্ৰেষ্ঠ উদ্যোগপতি ভাৰতৰ। টাটা, পেপ্‌ছি, ৰিলায়েঞ্চ আদি কোম্পানীৰ বিশ্বৰ বাণিজ্য জগতত প্ৰভাৱ বহুত। অলপতে মাৰ্কিন যুক্তৰাষ্ট্ৰত কেইবাটাও কোম্পানীয়ে সহযোগিতাৰ চুক্তিপত্ৰত স্বাক্ষৰ কৰি গঠন কৰা গ্ৰুপৰ মুৰব্বীৰ দায়িত্ব টাটা কোম্পানীৰ মুৰব্বী ৰতন টাটাৰ হাতত অৰ্পণ কৰিছে। ভাৰতৰ ছখন আই আই টিত প্ৰতিবছৰে নতুন নতুন প্ৰযুক্তিৰ উদ্ভাৱন হ'ব ধৰিছে। তদুপৰি অতীজৰে পৰা ধাৰাবাহিকতা ৰক্ষা কৰি ভাৰতীয় আয়ুৰ্বেদ শাস্ত্ৰ, জ্যোতিষ শাস্ত্ৰৰ প্ৰভাৱ পাশ্চাত্যৰ ওপৰত আজিও বিদ্যমান। এয়া ভাৰতৰ বাবে সুখৰ খবৰ। পাশ্চাত্য বিশ্বৰ ওপৰত ভাৰতৰ প্ৰভাৱ বুলিলে নাম ল'ব লাগিব ভাৰতীয় দৰ্শনৰ। সাম্প্ৰতিক কালত সমগ্ৰ পাশ্চাত্য বিশ্বৰ লোক আকৰ্ষিত ভাৰতীয় দৰ্শনৰ প্ৰতি। সহিষ্ণুতা আৰু শান্তিপ্ৰিয়তাৰে, ধীৰে-সুস্থিৰে সকলো চলিজাৰি চাবলৈ তেওঁলোকে আশ্ৰয় লৈছে ভাৰতীয় দৰ্শনৰ। আনকি মাৰ্কিন ৰাষ্ট্ৰপতি বাৰাক অ'বামায়ো প্ৰতিটো ভাষণত ভাৰতীয় দৰ্শন, গান্ধীবাদৰ বিষয়ে উচ্চ ধাৰণা পোষণ কৰি বক্তব্য আগবঢ়ায়। নিজৰ শিশু সন্তানক ভাৰতীয় দৰ্শনৰ প্ৰতি আকৰ্ষিত কৰিবলৈ তেওঁলোকে অলপো

কাৰ্পণ্য কৰা নাই।

* * * * * *

এইবাৰ অহা যাওক অসমৰ প্ৰসংগলৈ। বিশ্বায়নৰ জগতত অসম এতিয়াও আগুৱাব পৰা নাই। তথাপি কিছু উদাহৰণ হাতত লোৱা হৈছে। অসমীয়া সংস্কৃতিৰ প্ৰসাৰ আৰু প্ৰচাৰত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে প্ৰবাসী অসমীয়াসকলে। বিশেষকৈ ইংলেণ্ড, আমেৰিকা, জাপান আদি দেশত প্ৰবাসী অসমীয়াসকলে কৃষ্টি-সংস্কৃতিৰ সাধনাৰ বাবে বহুতো প্ৰতিষ্ঠানৰ জন্ম দিছে। কোনো কোনো প্ৰতিষ্ঠানে বহু ঠাইত নামঘৰ আদি স্থাপনৰ দিহা কৰা বুলি বাতৰিকাকতৰ খবৰৰ দ্বাৰা জানিব পাৰিছোঁ। বহুতো অসমীয়া গ্ৰন্থ বিদেশী ভাষালৈ অনূদিত হোৱাৰ লগতে জনপ্ৰিয়তা লাভ কৰিছে। অসমৰ সংগীত জগতক বিশ্বৰ সংগীত জগতৰ লগত পৰিচয় ঘটায় ড° ভূপেন হাজৰিকাদেৱে। শেহতীয়াকৈ বিদেশত বহুতো সংগীতানুষ্ঠান পৰিৱেশন কৰি অসমীয়া লোকসংগীতক জনপ্ৰিয় কৰা অংগৰাগ মহন্ত, বাঁহীবাদক দীপক শৰ্মাৰ দৰে শিল্পীৰ পৰা আমি আৰু বহু আশা কৰিব পাৰোঁ। টেলিভিছন চেনেল তথা সংবাদ মাধ্যমে এইক্ষেত্ৰত এক সবল ভূমিকা গ্ৰহণ কৰিব লাগিব। অসমৰ স্থানীয় এৰী-মুগা কাপোৰৰ চাহিদা বিদেশত যথেষ্ট বৃদ্ধি পাইছে। মাজুলীৰ সত্ৰীয়া সংস্কৃতিৰ প্ৰতি ফ্ৰান্স, জাপান আদি দেশ বিশেষভাৱে আগ্ৰহী। ফ্ৰান্সৰ পৰা অহা দহজনীয়া বিশেষজ্ঞৰ এটা দলে অলপ দিনৰ আগেয়ে মাজুলীত আহি ইয়াৰ সত্ৰীয়া সংস্কৃতি তথা মুখা শিল্পৰ বিষয়ে অধ্যয়ন কৰি যায়।

* * * * * *

বহুতো ভাৰতীয় সমালোচকে পাশ্চাত্য বিশ্বই ভাৰতীয় সাহিত্য-সংস্কৃতিক স্বীকৃতি দিব নোখোজে বুলি সমালোচনা কৰা দেখা যায়। এসময়ত 'লগান' চিনেমাখনে অস্কাৰ নোপোৱাক কেন্দ্ৰ কৰি বহুতো সমালোচকে পক্ষপাতিত্বৰ অভিযোগ আনিছিল। নিঃসন্দেহে 'লগান' এখন শ্ৰেষ্ঠ কথাছবি। কিন্তু অস্কাৰৰ দৌৰত 'লগান'ক পৰাস্ত কৰা 'ন' মেনছ্‌লেণ্ড' কথাছবিখন চোৱাৰ পিছত এইটো কথা ক'ব নোৱাৰি যে এই ছবিখন অস্কাৰৰ বাবে যোগ্য নাছিল। আচলতে আমি আবেগিকভাৱে বিচাৰ নকৰি যুক্তিসহকাৰে সকলো কথা বিবেচনা কৰিব লাগিব। আৱেগিকভাৱে উত্তেজিত হৈ অসমৰো বহুতো সমালোচকে ইতিমধ্যে বিশ্বায়নক বিশ্বগ্ৰাসী মহাত্ৰাস বুলিছে। কিন্তু আমাৰ প্ৰশ্ন হ'ল, একেখন খেলপথাৰত থাকিও আমি কিয় আগবাঢ়িব নোৱাৰোঁ? জাপানৰ ম'ম', চীনৰ ৰোলবোৰে যদি আমাৰ দোকানবোৰত ভিৰ কৰিবহি পাৰে, আমিও আমাৰ পিঠা-পনা, চাহ-জলপানবোৰ বাহিৰলৈ পঠিয়াব কিয় নোৱাৰোঁ? সকলোৱে এইটো কথাকে কৈ আছে যে আজিকালিৰ যুব-প্ৰজন্ম বজৰুৱা চিপ্‌ছ, ম'ম' খাই আমাৰ বৰা চাউলৰ পিঠা, ম'হৰ গাখীৰৰ সোৱাদ নোপোৱা হ'ল। কিন্তু তাৰ পিছৰখিনি কোনেও চিন্তা কৰা নাই। আমাৰ সচেতন নাগৰিকসকলে সভাই-সমিতিয়ে কেৱল এইটো কথাই দোহাৰি থাকিলে সমস্যাৰ সমাধান নিশ্চয় নহয়। আজি অসমৰ শংকৰ-মাধৱৰ বৰগীতৰ বিষয়ে, অসমীয়া সাহিত্য-সংস্কৃতিৰ বিষয়ে জানিবলৈ কোনো ৱেবছাইট নাই। অথচ শ্বেক্সপীয়েৰৰ ৰচনাৱলী বহুদিনৰ পৰাই আমাৰ পাঠ্যপুথিৰ অন্তৰ্গত। এয়া আমাৰেই দুৰ্বলতা নহয় জানো?

আৰু এটা প্ৰধান সমস্যা হ'ল অসমীয়া লোকৰ আনক দোষ দিয়া স্বভাৱ। অলপদিন আগেয়ে আমি এখন কিতাপৰ এটা প্ৰবন্ধত পঢ়িবলৈ পালোঁ যে এজন মানুহৰ কম বয়সীয়া পুত্ৰই দেউতাকক দাবী দি মটৰ বাইক কিনি উচ্ছৃংখল জীৱন যাপন কৰিছে আৰু লেখকজনে ল'ৰাজনৰ এই উচ্ছৃংখল স্বভাৱৰ বাবে বিশ্বায়নৰ গাত দোষ দিছে। ই কেনেকুৱা যুক্তি? আৰু এখোপ চৰাই গৈ তেখেতে এনে মন্তব্য কৰিছে যে ইয়াৰ বাবে জগৰীয়া হিন্দী চিনেমাৰ অভিনেতাসকল। এনেধৰণৰ কথা শুনি আমি বিবুধিত পৰিছোঁ। এজন ল'ৰাই স্বভাৱ-চৰিত্ৰৰ ওপৰত পিতৃ-মাতৃ তথা চৌপাশৰ পৰিৱেশৰ প্ৰভাৱ থাকে। পুত্ৰজনে দেউতাকক ডাবি দিয়া কথাষাৰে বুজায় যে নিশ্চয় বিটো পৰিৱেশত ল'ৰাজন ডাঙৰ হৈছে, সেয়া সঠিক নহয়। আমি পাহৰিলে নহ'ব যে পৃথিৱীত বেছিসংখ্যক মানুহেই এতিয়াও ভাল তথা শান্তিপ্ৰিয়। তাৰ মাজতে মাত্ৰ কিছুসংখ্যক বেয়া আৰু বেয়াসকলৰ কৰ্ম-কাণ্ডই সকলোকে কলুষিত কৰে। ওপৰোক্ত ল'ৰাজনৰ ক্ষেত্ৰতো হয়তো তেনে কিবা কাৰকে ক্ৰিয়া কৰিছে। নিজৰ পুত্ৰৰ ওপৰত নিয়ন্ত্ৰণহীন সেই পিতৃৰ গাতো নিশ্চয় দোষ আছে। এজন যুৱকে মদ-চিগাৰেট খোৱাৰ বাবে, অশ্লীল ভিডিঅ' চোৱাৰ বাবে আমাৰ সমালোচকসকলে আমেৰিকা যুক্তৰাষ্ট্ৰক, বলীউডৰ অভিনেতা অথবা বিশ্বায়নক দায়ী কৰিলে নিশ্চয় নহ'ব। ভাবিলে আচৰিত লাগে, মানুহৰ মানসিকতা আজি এনেকুৱা হৈছেগৈ যে ল'ৰাই কিবা বেয়া কথা শিকিলেই পোনপটীয়াকৈ দায়ী কৰে ম'বাইলটোক, কম্পিউটাৰটোক। এবাৰলৈও কোনেও দোষ নিদিয়ে ব্যৱহাৰ কৰা ল'ৰাজনক, পিতৃ-মাতৃ বা পৰিৱেশক। আন এটা মন কৰিবলগীয়া কথা— আমাৰ বহুতো চিন্তাবিদে পাশ্চাত্যৰ মুক্ত যৌন সংস্কৃতি, চুম্বন আদিক সমালোচনা কৰে; বিটো আমি সঠিক বুলি অনুভৱ নকৰোঁ। আনৰ সংস্কৃতিক সমালোচনা কৰাটো অশোভনীয়। তেওঁলোকৰ বাবে মুকলিকৈ দুজন ব্যক্তিয়ে চুম্বন কৰাটো আমাৰ চিন্তাবিদসকলে কোৱাৰ দৰে বিকৃত মানসিকতা নহয়। কিন্তু, সেই একেটা কামতে অসমত কোনোবাই কৰিলেহে আমি বিকৃত মানসিকতা বুলি ক'ম। এয়াই ঠাইভেদে সংস্কৃতিৰ ভিন্নতা। আমাৰ নিজৰো এনেকুৱা কিছুমান

কলা আছে। উদাহৰণস্বৰূপে সন্মানিত ব্যক্তিক আমিও ফুলাম জাপিৰে সন্মান জনাওঁ, ফুলাম গামোচা দিওঁ। যিহেতুকে তেওঁলোকে আমাৰ সংস্কৃতিৰ বিষয়ে কোনো বিৰূপ মন্তব্য কৰা নাই তেন্তে আমি কিয় কৰোঁ? অৱশ্যে এটা কথা ঠিক, বহুক্ষেত্ৰত আমাৰ যুৱক-যুৱতীসকলৰ এটা চামে সংস্কৃতিৰ খামখুমীয়াত পৰি নিজস্বতা বিসৰ্জন দিছে। কিন্তু আমি এই স্খলনৰ বাবে পোনপটীয়াকৈ পাশ্চাত্য সংস্কৃতিক জগৰীয়া কৰাটো উচিত নহয়। তাতোকৈ ডাঙৰ কথা হ'ল আচলতে যেনেকুৱা ভাব-ভংগিমাৰে আমাৰ যুৱকসকলৰ এটা চামে নিজকে আধুনিক বুলি জাহিৰ কৰিব ধৰিছে, সেয়া আচলতে পাশ্চাত্য সংস্কৃতিৰ অনুকৰণ নহয়েই। আমি পাহৰি গৈছোঁ পাশ্চাত্য সংস্কৃতিৰ মহান গুণবোৰৰ কথা। কথাই কথাই মানুহৰ মুখে মুখে এয়াহে প্ৰকাশ ঘটে যেন পাশ্চাত্য সংস্কৃতি মানেই ডিস্ক' ডেঞ্চ, নাইট ক্লাব... এইবোৰহে। কিন্তু আমি পাহৰিব ধৰিছোঁ পাশ্চাত্য সংস্কৃতি হ'ল পশ্চিমৰ প্ৰচুৰ কৰ্মদক্ষ, কষ্টসহিষ্ণু, অধ্যৱসায়ী জনসমাজৰ সামূহিক আদান-প্ৰদানত গঢ়ি উঠা এক অভিনৱ সংস্কৃতি, য'ত শ্বেক্সপীয়েৰৰ সাহিত্যৰাজি অন্তৰ্ভুক্ত, পল ৰবছনৰ সংগীত, লিঅ'নাৰ্ড'-ডা-ভিঞ্চিৰ চিত্ৰ, সুউচ্চ মাৰ্কিন সভ্যতা, জুল ভাৰ্ন, নেপোলিয়ন হীল আদি হেজাৰ হেজাৰ লেখক, সাহিত্যিক, শিল্পীৰ কৰ্মৰাজি অন্তৰ্ভুক্ত। আনৰ সংস্কৃতিৰ ভালখিনি অনুকৰণ কৰাটো বেয়া নহয়। যিটো যুৱচামে অন্ধ অনুকৰণত লিপ্ত হৈছে তেওঁলোকৰ বাবে তেওঁলোক নিজেই জগৰীয়া আৰু লগতে আমিবোৰো। বিশ্বায়নে সমাজ সাপেক্ষে ভাল-বেয়াৰ বিচাৰ নকৰি সকলোকে আমাৰ কাষ চপাই আনে। আমি মাত্ৰ ভালবোৰ গ্ৰহণ কৰি অলাগতিয়ালবোৰ ত্যাগ কৰিব লাগে। প্ৰেম-যৌনতা সম্পৰ্কীয় ধাৰণা প্ৰাচ্য-পাশ্চাত্যত সম্পূৰ্ণ বিপৰীত। এইক্ষেত্ৰত নতুন ধাৰণা আমি অনুকৰণ কৰাটো বাঞ্ছনীয় নহয়। কিন্তু আমি অনুকৰণ কৰিব লাগে পছিমীয়া সংস্কৃতিৰ মানুহৰ কৰ্মস্পৃহা, উদ্যম, স্বাধীনচিতীয়া মনোভাব। বিশ্বায়নৰ ফলত আজি প্ৰাচ্যৰ সংস্কৃতি আমাৰ ভাৰত তথা অসমৰ সংস্কৃতিৰ লগতো পশ্চিমৰ লোকৰ যিমানদূৰ সম্ভৱ সাক্ষাৎ ঘটিছে। তেওঁলোকে এই সংস্কৃতিবোৰ অৱহেলা নকৰি যথাযোগ্য সন্মান আগবঢ়াইছে। কিন্তু দুয়োটা গোষ্ঠীৰ মাজত পাৰ্থক্য ইয়াতে যে আমাৰ এচাম যুৱক-যুৱতীয়ে তেওঁলোকৰ চমক লগা সংস্কৃতি দেখি নিজৰটো বিসৰ্জন দিবলৈ মন মেলিছে। কিন্তু পাশ্চাত্যৰ দেশসমূহত আনৰ সংস্কৃতিক সন্মান কৰিলেও নিজৰটো কাহানিও এৰি দিয়া নাই। তেওঁলোকৰ এই জাতীয়তাবোধ তেওঁলোকৰ তেজত নিহিত আছে। যিটো সঁচাই সন্মানযোগ্য।

গতিকে যদিহে অসমীয়া সমাজে বিচাৰিছে যে বিশ্বায়নৰ পৰা আমাৰ লাভ হওক, আমাৰ নিজস্ব সংস্কৃতিয়ে প্ৰসাৰতা লাভ কৰক। তেন্তে আমি গভীৰ আত্মসমালোচনাৰে নিজক শুধৰাব লাগিব। মুঠতে এই মুহূৰ্তত আমি প্ৰাচ্যৰ সমাজে যদি পাশ্চাত্যৰ সমাজৰ পৰা কিবা শিকিব লগা আছে, তেন্তে তাৰ ভিতৰত প্ৰথম হ'ব তেওঁলোকৰ আনৰ সংস্কৃতিক চালিজাৰি চাই ভালখিনি আহৰণ কৰি নিজৰ সংস্কৃতিক আৰু অধিক সুদৃঢ় কৰি তোলা মনোভাব, তেওঁলোকৰ স্বাধীনতাপ্ৰিয়, জাতীয়তাবাদী মনোভাব, তেওঁলোকৰ কৰ্মোদ্যম, উৎসাহ তথা কৰ্মদক্ষতা। অসমতো বহুতো সম্ভাৱনা লুকাই আছে। প্ৰাকৃতিক সম্পদত প্ৰচুৰ চহকী হৈও অসমীয়া লোকে এই সম্পদসমূহৰ ব্যৱহাৰ কৰাত আজিও সফল হোৱা নাই। Assam Tea তাৰ এটা সবল উদাহৰণ। শ্ৰীলংকাৰ লোকসকলে যিদৰে Assam Tea বুলি ক'লে চিনি পায়, আন দেশবোৰেও তেনেকৈ চিনি পোৱাৰ ব্যৱস্থা হাতত ল'ব লাগিব। তথাপি শেহতীয়াকৈ এটা জাগৰণ অসমৰ লোকসকলৰ মাজলৈ আহিছে। এয়া আশাপ্ৰদ।

এইটো কথা স্পষ্ট যে মানুহ তথা সমাজৰ উন্নতি হ'বই লাগিব আৰু আধুনিকতাও আমাক লাগিবই। বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে ন ন বস্তু উদ্ভাৱন হয় আৰু মানুহে সেই বস্তুবোৰ ব্যৱহাৰ কৰিবলৈ শিকে। জুইৰ ব্যৱহাৰ যিদৰে আৰম্ভ হৈছিল তেনেকৈ আৰম্ভ হৈছিল চাইকেল, মটৰ চাইকেল, গাড়ীৰ ব্যৱহাৰ। তাতে কোনোবাই বিকৃত মানসিকতাৰে বাইক চলালে বিজ্ঞান নিশ্চয় জগৰীয়া নহয়। এই বিজ্ঞানৰ অগ্ৰগতিৰ বাবেই বিনিময় অপৰিহাৰ্য, যি বিশ্বায়নৰ মাধ্যমেৰে পৃথিৱীবাসীৰ সমস্যাসমূহ সমাধান কৰাত সহায় কৰে। আন্তৰ্জাতিক সন্ত্ৰাসবাদকে ধৰি বিশ্বৰ প্ৰাকৃতিক সমস্যাসমূহ কেতিয়াবা এখন দেশে চম্ভালাটো অসম্ভৱ হৈ পৰে। তেনেস্থলত সমস্যাৰ ভাগ-বাটোৱাৰাৰে সমস্যা লাঘৱ কৰাটো সহজ হৈ পৰে।

গতিকে আমাৰ কৰ্তব্য হ'ল বিশ্বায়নৰ পৃথিৱীখনত আমাৰ খোজ দৃঢ় কৰা। বিশ্বায়নৰ সমালোচনাৰ মাধ্যমেৰে পৃথিৱীখনত কিদৰে নিজৰ খোজ দৃঢ় কৰাৰ লগতে নিজৰ সংস্কৃতিৰ দ্বাৰা বিশ্বক চহকী কৰিব পাৰোঁ, সেয়াহে চিন্তা কৰা উচিত। ভাৰতীয় দৰ্শনৰ ওপৰত পাশ্চাত্যৰ যি ধাৰণা, তাক সবল কৰি ভাৰতৰ কৌটিকলীয়া বাৰেৰহণীয়া সংস্কৃতিৰ প্ৰসাৰ কৰিব লাগিব। তেতিয়াহে বিশ্বায়নৰ পৃথিৱীখনত ভাৰতে মূৰ তুলি থাকিবলৈ সক্ষম হোৱাৰ লগতে উন্নতিৰ পথত আগবাঢ়ি যাব। □

● *প্ৰবন্ধকাৰ উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ ছাত্ৰ।*

# গ্ৰন্থ আৰু মানৱীয় মূল্যবোধৰ চেতনা

ঋষিৰাজ ভৰদ্বাজ

**সাম্প্ৰতিক**

সময়ত আমাৰ সমাজত চৌদিশে মানৱীয় মূল্যবোধৰ দ্ৰুত অৱক্ষয় পৰিলক্ষিত হৈছে। বাতৰিকাকত বা অন্যান্য প্ৰচাৰ মাধ্যমসমূহৰ জৰিয়তে প্ৰতিদিনে বৃদ্ধি পাই অহা এনে খবৰ বোৰে সমাজ সচেতন প্ৰতিজন ব্যক্তিকে উদ্বিগ্ন কৰি তোলাটো স্বাভাৱিক। নিঃসন্দেহে ই এক অতি চিন্তনীয় বিষয়। হত্যা-হিংসা, সন্ত্ৰাসবাদীৰ দ্বাৰা সংঘটিত নৰসংহাৰ, ধৰ্ষণ আদি নৃসংশতাৰ আগত মানুহৰ জীৱনৰ মূল্য পূজাৰ বেলুনৰ দৰে হৈ পৰিছে। আনফালে চৰকাৰী চাকৰিৰ বেচা-কিনা, কাৰ্যালয়ত ভেটি খোৱা কৰ্মচাৰীৰ দপ্‌দপনি, সৰ্বসাধাৰণ ৰাইজৰ উন্নয়নৰ বাবে আবণ্টিত ধনৰ সিংহভাগ মন্ত্ৰী-আমোলাৰ দ্বাৰা আত্মসাৎ আদি এশ এবুৰি ভ্ৰষ্টাচাৰী কাৰ্যই মানৱীয় মূল্যবোধক যেন নিঃচিহ্ন কৰি পেলাইছে।

এনে এক দুঃসময়ৰ অৱসান হোৱাটো প্ৰতিজন লোকে বিচাৰে যদিও এনে অৱক্ষয়ৰ কাৰণৰ নিৰপেক্ষ বিচাৰৰ তথা নিৰাময়ৰ উপায় সম্পৰ্কে সুচিন্তিত আলোচনা বৰ বেছিকৈ হোৱা দেখা নাযায়। ক্ৰমান্বয়ে বৃদ্ধি পাই আহিব ধৰা এইধৰণৰ সামাজিক অস্থিৰ অৱস্থা বা উচ্ছৃংখলতাৰ কাৰণসমূহক ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আদি বিভিন্ন ভাগত ভাগ কৰি ব্যাখ্যা কৰিব পাৰি যদিও, আমাৰ চিন্তাত এইসমূহ কাৰবাৰ মূল উৎস এটাই। সেয়া হৈছে ভোগবাদ।



...অসমীয়া মানুহে যে কিতাপ নপঢ়ে, সেইটো সঁচা কথা। নহ লেনো অসমৰ এজন জনপ্ৰিয় সাহিত্যিকৰ এখন কিতাপৰ প্ৰথম সংস্কৰণ তিনি বছৰতো বিক্ৰী কৰি শেষ নোহোৱা অৱস্থাত একেখন গ্ৰন্থৰে এবছৰত হিন্দীৰ দুটাকৈ সংস্কৰণৰ বিক্ৰী শেষ হোৱাত তৃতীয় সংস্কৰণ ছপাবলগীয়া হয়নে...

বিশ্বায়নৰ প্ৰভাৱ, যোগাযোগ আৰু প্ৰচাৰ মাধ্যমত ই-প্ৰযুক্তিৰ প্ৰয়োগৰ লগে লগেই পৃথিৱীখন এখন গোলকীয় গাঁৱলৈ পৰিৱৰ্তিত হ'ল। ইয়াৰ সুফলসমূহৰ সমান্তৰালকৈ কিছুমান কু-প্ৰভাৱেও মানৱ সমাজত অতি দ্ৰুতভাৱে বিস্তাৰ লাভ কৰিবলৈ সুযোগ পালে। বিশ্বৰ শিক্ষিত অথবা উন্নত ৰাষ্ট্ৰৰ বাসিন্দাসকলৰ লগতে উন্নয়নশীল আৰু অনুন্নত অঞ্চলৰ লোকসকলো ভোগবাদৰ মায়াজালত বন্দী হৈ পৰিল। জ্ঞান আহৰণতকৈ সম্পদ আহৰণৰ প্ৰৱণতা এওঁলোকৰ মাজত বেছি প্ৰবল ৰূপত প্ৰকট হ'বলৈ ধৰিলে। 'যোগ্য ভোগ্য বসুন্ধৰা'ৰ অৰ্থাৎ 'জোৰ যাৰ মুলুক তাৰ' প্ৰবচনফাকিলৈ পৰ্যবসিত হ'ল। ইয়াৰ লগে লগেই ভোগবাদী প্ৰতিযোগিতাৰ নিগনি দৌৰত মানৱতাবাদ অপ্ৰাসংগিক হৈ পৰাৰ উপক্ৰম হ'ল। সম্প্ৰতি নতুন প্ৰজন্মৰো যেন অনুভৱ কৰিবলৈ লৈছে জ্ঞান আহৰণতকৈ দক্ষতা আহৰণহে শিক্ষা গ্ৰহণৰ উদ্দেশ্য। অভিভাৱকসকলেও সন্তানক কোনো নিৰ্দিষ্ট বিষয়ত দক্ষতা আহৰণ কৰিবলৈহে অধিক উৎসাহিত কৰা দেখা যায়। কৰ্মক্ষেত্ৰত দক্ষ বা পাৰদৰ্শী হোৱাটো অতি প্ৰয়োজনীয় কথা। কিন্তু এটা কথা মনত ৰখা উচিত যে শিক্ষাৰ উদ্দেশ্য জ্ঞান আহৰণ কৰাহে, কেৱল দক্ষতা অৰ্জন কৰাই একমাত্ৰ উদ্দেশ্য নহয়। সেয়েহে দক্ষতা আহৰণৰ সমান্তৰালভাৱে মানৱীয় প্ৰমূল্যসমূহৰ প্ৰতিও শ্ৰদ্ধাশীল হ'বলৈ লাভ কৰা শিক্ষাহে প্ৰকৃত শিক্ষা।

'নহি জ্ঞানেন সাদৃশং পবিত্ৰম ইতি বিদ্যতে' —ভাৰতীয় দৰ্শনে শিক্ষা আহৰণৰ জৰিয়তে জ্ঞানী হোৱাটোতহে সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে। মানৱীয় মূল্যবোধৰ চেতনাইহে মানুহক ইতৰ জন্তুৰ পৰা পৃথক কৰিছে। কিন্তু যি সমাজত মানৱীয় প্ৰমূল্যসমূহৰ গুৰুত্বই নাই তেনে সমাজ ইতৰ জন্তুৰ সমাজলৈ অধঃপতিত হোৱাটো স্বাভাৱিক। সেয়েহে মানুহৰ মনৰ পৰা হেৰাই যাব ধৰা মানৱীয় মূল্যবোধৰ চেতনা জাগ্ৰত কৰি তুলিবলৈ মানুহৰ মাজত অধ্যয়নস্পৃহা বৃদ্ধি কৰিব লাগিব। শ্ৰদ্ধেয় হোমেন বৰগোহাঞিয়ে কোৱাৰ দৰে— 'অসমৰ মানুহেও যদি আধুনিক জগতৰ উন্নতিৰ প্ৰতিযোগিতাত সমানে ভাগ ল'ব খোজে, তেন্তে তেওঁলোকে কিতাপ ভাল পাবলৈ শিকিব লাগিব আৰু নিয়মিতভাৱে কিতাপ পঢ়াৰ অভ্যাস কৰিব লাগিব।'

বৰ্তমান অসমত ছাত্ৰ-ছাত্ৰীৰ মাজত গ্ৰন্থ অধ্যয়নৰ প্ৰতি আগ্ৰহ আগৰ তুলনাত বহুখিনি হ্ৰাস পাইছে বুলি সততে অভিযোগ শুনা যায়। কেৱল পাঠ্যপুথি অধ্যয়নেৰে তাকো ভাটৌ শিক্ষা (Parrot learning) পদ্ধতিৰে পৰীক্ষাসমূহত কৃতকাৰ্যতা লাভ কৰিব পৰাটোৱেই বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ লক্ষ্য। ইয়াৰ বাবে আমাৰ শিক্ষা ব্যৱস্থাও নিশ্চয় জগৰীয়া। প্ৰচলিত শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক একোটা জীৱন্ত ৰবট ৰূপেহে গঢ়ি তুলিছে যেন অনুমান হয়। ৰবটৰ মগজুত মানৱীয় মূল্যবোধৰ স্থান নথকাটো স্বাভাৱিক। সেয়েহে পৰিৱৰ্তিত পৰিস্থিতিৰ লগত খাপ খোৱাকৈ পাঠ্যক্ৰম তথা সমগ্ৰ শিক্ষা ব্যৱস্থালৈ কিছু সংস্কাৰ অনাটো অতীৱ প্ৰয়োজনীয়। আজিৰ ছাত্ৰ-ছাত্ৰী তথা নতুন প্ৰজন্মই ভোগবাদে দান কৰা বিভিন্ন উপাদান যেনে— ক্লাব, পাৰ্টি, ডিস্ক', টেলিভিছন আদিক লৈয়েই আজৰি সময়খিনি ব্যস্ত থাকে। গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজন তেওঁলোকে অনুভৱ নকৰা হ'ল। অৱশ্যে তাৰ মাজতো ব্যতিক্ৰম নোহোৱা নহয়। ছাত্ৰ-ছাত্ৰীয়ে কিতাপ পঢ়াৰ আনন্দ তেওঁলোকক স্কুলীয়া জীৱনতে লাভ কৰাৰ সুযোগ পাব লাগিব। সৰু কালতেই কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তুলিবৰ বাবে বিদ্যালয়ত এটা পুথিভঁৰাল থকাটোৱেই যথেষ্ট নহয়। ইয়াৰ বাবে শিক্ষা ব্যৱস্থাত গ্ৰন্থ অধ্যয়নক বাধ্যতামূলক কৰি পাঠ্যক্ৰম যুগুত কৰাৰ প্ৰয়োজন হৈছে।

প্ৰখ্যাত লেখকসকলৰ গ্ৰন্থবোৰ অফুৰন্ত জ্ঞানৰ সম্ভাৰ। মূলতঃ মানৱীয় মূল্যবোধ পাঠকৰ হৃদয়ত জাগ্ৰত কৰি তোলাই এনে গ্ৰন্থসমূহৰ উদ্দেশ্য। সেয়ে গ্ৰন্থ অধ্যয়নেহে আমাৰ হেৰাই যাবলৈ ধৰা মানৱীয় মূল্যবোধৰ চেতনা জাগ্ৰত কৰি তুলিব পাৰে। বহুতে হয়তো ক'ব পাৰে বৰ্তমান তিনি কোটিমান জনসংখ্যা থকা ৰাজ্য অসমৰ ৬৫% লোকহে সাক্ষৰ। অৰ্থাৎ প্ৰায় এক কোটি লোকেই নিৰক্ষৰ লোক। বাকী দুই কোটিৰো অধিকাংশই নিজৰ চহীটো কৰিব পৰা বাবেই সাক্ষৰৰ শাৰীত পৰিল। গতিকে কিতাপ পঢ়া মানুহ অসমত কিমান? আনহাতে, এটা কথা লক্ষ্য কৰিবলগীয়া যে নিৰক্ষৰসকলৰ মাজত মানৱীয় মূল্যবোধৰ অবক্ষয় সাক্ষৰসকলতকৈ বহুগুণে কম হোৱা দেখা যায়। আকৌ সাক্ষৰসকলৰ মাজতো ক্ষমতাশালীসকলৰ দৰে ভ্ৰষ্টাচাৰৰ প্ৰভাৱ আৰু মানৱীয় মূল্যবোধৰ অভাৱ আটাইতকৈ বেছি পৰিলক্ষিত হয়। গতিকে আমাৰ আলোচনাত এই কমসংখ্যক শিক্ষিত লোকৰ কথাহে কোৱা হৈছে— যিসকলে কিতাপ পঢ়িব পাৰে, কিন্তু অধ্যয়নৰ আৱশ্যকতা অনুভৱ নকৰে।

অসমীয়া মানুহে যে কিতাপ নপঢ়ে সেইটো সঁচা কথা। নহ'লেনো অসমৰ এজন জনপ্ৰিয় সাহিত্যিকৰ এখন কিতাপৰ প্ৰথম সংস্কৰণ তিনি বছৰতো বিক্ৰী কৰি শেষ নোহোৱা অৱস্থাত একেখন গ্ৰন্থৰে এবছৰত হিন্দীৰ দুটাকৈ সংস্কৰণৰ বিক্ৰী শেষ হোৱাত তৃতীয় সংস্কৰণ ছপাবলগীয়া হয়নে? উল্লেখ কৰা বিশেষ সাহিত্যিকগৰাকী হৈছে প্ৰয়াত ৰেৱতী মোহন দত্ত চৌধুৰী (শীলভদ্ৰ)। তেখেতৰ এখন গল্প সংকলন সম্পৰ্কে তেখেতে নিজমুখে এই কথা আক্ষেপেৰে প্ৰকাশ কৰাৰ বিষয়ে বাতৰিকাকতত পঢ়িবলৈ পাইছিলো।

বৰ্তমান অসমত হেৰাই যাব খোজা মানৱীয় মূল্যবোধৰ চেতনা জাগ্ৰত কৰি তুলিবলৈ গ্ৰন্থ অধ্যয়নৰ এক বাতাৱৰণ, এক বলিষ্ঠ গ্ৰন্থ আন্দোলন গঢ়ি তোলাৰ সময় আহি পৰিছে। পিছে গুৱাহাটী গ্ৰন্থমেলাৰ স্থানক লৈ চৰকাৰ তথা প্ৰশাসনে যি আচৰণ প্ৰদৰ্শন কৰি আহিছে, তাৰ পৰা এইটো প্ৰতীয়মান হৈছে যে এওঁলোক প্ৰকৃততে গ্ৰন্থবিদ্বেষী। গতিকে এনে অৱস্থাত গ্ৰন্থপ্ৰেমী সমাজসচেতন ৰাইজে মুখ্য ভূমিকা পালন কৰিব লাগিব।

'মা নিষাদ প্ৰতিস্থাং ত্বমাগম শ্বাশ্বতিসমাঃ

যৎ ক্ৰৌঞ্চ মিথুনাদেকম অবধি কাম মোহিতম্।।' —

আদিকবি বাল্মীকিৰ মুখৰ এই প্ৰথম শ্লোকতেই মানৱীয় অনুভূতিক জগাই তোলাৰ যি সুন্দৰ প্ৰয়াস পোৱা যায়, একেদৰে মহৎ গ্ৰন্থবোৰৰ প্ৰতিটো পৃষ্ঠাই পাঠকৰ মনত মানৱীয় মূল্যবোধৰ চেতনা জাগ্ৰত কৰি তুলিব পাৰে। সেয়েহে আমাৰ সমাজৰ প্ৰতিজন শিক্ষিত লোকেই গ্ৰন্থ অধ্যয়নৰ অভ্যাস গঢ়ি তোলা উচিত। হোমেন বৰগোহাঞিদেৱৰ এষাৰ কথাৰেই সামৰণি মাৰিছোঁ— 'আজৰি সময় কটোৱাৰ আটাইতকৈ লাভদায়ক আৰু আনন্দদায়ক উপায় হ'ল কিতাপ পঢ়া। ই কু-কৰ্ম আৰু কু-সংগৰ পৰা ৰক্ষা কৰিব পাৰে।'

কাৰণ কু-কৰ্ম আৰু কু-সংগই মানৱীয় মূল্যবোধৰ চেতনাক বিলুপ্ত কৰে। ☐

● *প্ৰবন্ধকাৰ উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰ।*

# অসমত বিদেশী ক'ত আছে, কেনেকৈ আছে?

অৰূপ কলিতা

**অসমৰ** বিদেশী সমস্যাক প্ৰাচীন সমস্যা বুলি ক'লেও বোধহয় বঢ়াই কোৱা নহ'ব। এই সমস্যা সমাধানৰ দাবীত সুদীৰ্ঘ ছবছৰজোৰা আন্দোলনো হৈ গৈছে। তথাপি আজিলৈকে এই সমস্যাৰ স্থায়ী সমাধানৰ ফলপ্ৰসূ উদ্যোগ দেখা পোৱা নগ'ল। অথচ তাৰ সমাধানৰ নিমিত্তে চুক্তিও সম্পাদিত হৈ গৈছে।

মংগলদৈ লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনত ভোটাৰ তালিকা সংশোধনৰ সময়ত ভালেসংখ্যক সন্দেহজনক নাগৰিকৰ নাম পোহৰলৈ আহিছিল। তেতিয়া নিবাৰণ বৰা, অতুল বৰা আদি নেতাসকলে এই বৃহৎ প্ৰত্যাহ্বান সন্দৰ্ভত অহৰহ মাত মাতিছিল। তেনে সময়তে সদৌ অসম ছাত্ৰ সন্থাই অসমৰ বিপন্ন ভৱিষ্যৎ সন্দৰ্ভত সজাগ হৈ এক গণ আন্দোলনৰ নেতৃত্ব দিবলৈ আগুৱাই আহিল। গণ সংগ্ৰাম পৰিষদো এই প্ৰক্ৰিয়াত চামিল হ'ল। তাৰ পিছত সুদীৰ্ঘ ছবছৰ কাল অসমীয়া জনতাৰ প্ৰতিবাদী ধ্বনিৰে মুখৰ হৈ থাকিল অসমৰ আকাশ-বতাহ। সেই সময়ত সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি প্ৰফুল্ল কুমাৰ মহন্ত আৰু সাধাৰণ সম্পাদক ভৃগুকুমাৰ ফুকনে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসৰ পৰা আন্দোলনৰ নেতৃত্ব দিছিল। বৰাক উপত্যকাক বাদ দি সমগ্ৰ অসমৰ জনসাধাৰণে আন্দোলনৰ প্ৰতি সঁহাৰি জনাইছিল। ছবছৰীয়া এই আন্দোলনত প্ৰায় ৮৫০জন লোক শ্বহীদ হ'ল। ২০০০ৰো অধিক লোক নিৰ্যাতিত হ'ল। ১৯৭০ৰ ভাষা আন্দোলন, ১৯৭৪ৰ খাদ্য আন্দোলনৰ পিছত অসমৰ জনসাধাৰণ এনে এটা আন্দোলনৰ বাবে মানসিকভাৱে প্ৰস্তুত আছিল নে নাই, সেই কথা জনাৰ উপায় নাই যদিও আন্দোলনত জনগণৰ অংশগ্ৰহণ আছিল অভূতপূৰ্ব। পৰৱৰ্তী সময়ত ১৯৮৫ চনৰ ১৪ আগষ্টত এখন চুক্তিৰ দ্বাৰা আন্দোলনৰ সমাপ্তি ঘোষণা কৰা হ'ল। চুক্তিত অসমৰ বিদেশী সমস্যাৰ স্থায়ী সমাধানৰ বিষয়ে আলোকপাত কৰা হৈছিল। কিন্তু অসমৰ ক'ত বিদেশী আছে, কেনেকৈ আছে —সেয়া নিশ্চিত নোহোৱা বাবে আজিকোপতি সমস্যাটোৰ কোনো ফলপ্ৰসূ সমাধান ওলোৱা নাই।

এইখিনিতে অসমৰ বিদেশীৰ পৰিসংখ্যা সন্দৰ্ভত এক চমু অৱলোকন কৰাৰ প্ৰয়োজন আহি পৰিছে। সেই সময়ত আন্দোলনকাৰী নেতাসকলে অসমত ৪০-৫০ লাখ বিদেশী থকা বুলি উল্লেখ কৰিছিল। পৰৱৰ্তী সময়ত অসমৰ ৰাজ্যপাল এছ কে সিন্‌হাই অসমত বাংলাদেশীৰ সংখ্যা ৪০ লাখ বুলি কৈছিল। লগতে ২০০৪ চনৰ ১৪ জুলাইত ইউ পি এ চৰকাৰে সংসদত দাখিল কৰা এখন প্ৰতিবেদনত অসমত থকা বহিৰাগতৰ সংখ্যা ৫০ লাখতকৈ অধিক বুলি উল্লেখ কৰিছিল। এন ডি এ চৰকাৰৰ প্ৰতিৰক্ষা মন্ত্ৰী জৰ্জ ফাৰ্নাণ্ডেজেও প্ৰতিমাহে অসমলৈ এক লাখতকৈও অধিক বহিৰাগতৰ আগমন ঘটে বুলি বুলি উল্লেখ কৰিছিল। এয়া চৰকাৰী হিচাপ। প্ৰকৃত হিচাপৰ লগত নিশ্চয় অমিল হ'ব। আনহাতে অসমত হোৱা জনসংখ্যা বৃদ্ধিৰ অস্বাভাৱিক ছবিখনে প্ৰব্ৰজনৰ ছবিখন বুজাত সহায় কৰিব—

| চন | সৰ্বভাৰতীয় হাৰ | অসমত হাৰ |
|---|---|---|
| ১৯৪১ | ১৪.৪ | ২০.৪ |
| ১৯৫১ | ১৩.৪ | ১৯.৯ |
| ১৯৬১ | ২১.৫ | ৩৫ |
| ১৯৭১ | ২৪.৮ | ৩৫ |
| ১৯৮১ | — | — |
| ১৯৯১ | ২৩.৯ | ২৪.২ |
| ২০০১ | ২১.৫ | ১৮.৯ |

তালিকাত দেখা গৈছে প্ৰতিবাৰেই (২০০১ চনক বাদ দি) সৰ্বভাৰতীয় জনসংখ্যা বৃদ্ধিৰ হাৰতকৈ অসমৰ জনসংখ্যা বৃদ্ধিৰ হাৰ বেছি। ১৯৬১ আৰু ১৯৭১ চনত এই হাৰ তেনেই অস্বাভাৱিক। গতিকে এই তালিকাখনে স্পষ্টভাৱে এই মুলুকৰ জনগাঁথনিৰ বিপদজ্জনক ছবিখন উদঙাই দিয়ে। আনকি ১৯৯৬ চনৰ বিধানসভা নিৰ্বাচনত এগৰাকী বাংলাদেশী লোকে প্ৰতিদ্বন্দ্বিতা কৰিছিল বুলি অভিযোগ উঠিছিল। এনে এক বিদেশী সংক্ৰান্তীয় গোচৰত ৰায়দান কৰি এনেদৰে কোৱা হৈছিল— 'গোচৰৰ আশ্চৰ্যজনক তথ্যবিলাকে বাংলাদেশৰ পৰা ভাৰতলৈ অবাধ অনুপ্ৰৱেশৰ ফলত সমাজৰ জনগাঁথনিৰ পৰিৱৰ্তন আৰু ৰাজ্যখনৰ খিলঞ্জীয়া জনগণৰ অস্তিত্বক লৈ অসমৰ এখন ভয়াৱহ ছবিকে দাঙি ধৰিছে।' এই অনুপ্ৰৱেশে থলুৱাৰ অস্তিত্বলৈ ভাবুকি অনাৰ লগতে প্ৰতিৰক্ষাৰ ক্ষেত্ৰতো ভাবুকিৰ সৃষ্টি কৰিছে।

ইয়াৰ লগতে বিদেশী বহিষ্কৰণৰ ক্ষেত্ৰত ভাৰতৰ স্থিতি সঁচাকৈয়ে পুতৌজনক। এজন অবৈধ অনুপ্ৰৱেশকাৰীয়ে নিজকে ভাৰতীয় নাগৰিক সজোৱা প্ৰক্ৰিয়াত বিশেষ কোনো অসুবিধা নাপায়। সাধাৰণতে আমাৰ চৰাঞ্চল আৰু ভিতৰুৱা গ্ৰাম্য অঞ্চলসমূহত জনসাধাৰণে জন্ম আৰু মৃত্যুৰ পঞ্জীয়ন নকৰায়েই। গতিকে বহিৰাগতসকলে তেনে যিকোনো এটা পৰিয়ালৰ মৃত সদস্য এজনৰ নামেৰে নিজকে পৰিচয়যুক্ত কৰিব পাৰে অথবা যিকোনো অশিক্ষিত অসমীয়া পৰিয়ালৰ লগত নিজকে সংযুক্ত কৰি ভোটাৰ তালিকাত নিজৰ নাম সন্নিৱিষ্ট কৰিব পাৰে। তাতে আকৌ আমাৰ বিদেশী বিতাড়ন আৰু চিনাক্তকৰণ প্ৰক্ৰিয়া কুমজেলেকুৱাতকৈও ধীৰ গতিৰে আগবাঢ়ে। উল্লেখ্য যে পূৰ্বতে মহম্মদ হুছেইন আলী আৰু চুমৰটো বানুক বিদেশী বুলি চিনাক্ত কৰি সীমান্তত এৰি থৈ আহিছিল। পৰৱৰ্তী সময়ত তেওঁলোকেই

ন্যায়ালয়ত আৱেদন জনাইছিল নিজকে ভাৰতীয় নাগৰিক বুলি প্ৰতিপন্ন কৰিবলৈ। ই য়াৰ পিছতো কামালুদ্দিন নামৰ অনুপ্ৰৱেশকাৰীগৰাকীক তিনিবাৰকৈ বহিষ্কাৰ কৰিবলগীয়া হোৱা ঘটনাই সমগ্ৰ প্ৰক্ৰিয়াটোৰ আসোঁৱাহবোৰ ভালকৈয়ে উদঙাই দিছে। বিশেষকৈ বাংলাদেশৰ পৰা হৈ থকা এনে অবাধ প্ৰব্ৰজন ৰোধ কৰিবলৈ অসম চুক্তিৰ ৯নং দফা অনুসৰি অসম-বাংলাদেশ সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ কথা কোৱা হৈছিল। ২০০৭ চনতে কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হ'ব লাগিছিল যদিও ই আজিলৈকে সম্পূৰ্ণ নহ'ল বা হোৱা নাই। অসম আৰু বাংলাদেশৰ সীমান্তৰ মুঠ দৈৰ্ঘ্য হ'ল ২৪৭.৭২ কিলোমিটাৰ। ইয়াৰে ১৩২.৭২ কিলোমিটাৰ ভূমিভাগত আৰু ১১০ কিলোমিটাৰ জলভাগত আছে। পানীৰ অংশততো উপযুক্ত পহৰাৰ ব্যৱস্থা নায়েই, ভূমিভাগতো বেৰ নিৰ্মাণৰ কাম আজিলৈকে সম্পূৰ্ণ নহ'ল। ইয়াতেই ওলাই পৰে বিদেশী সমস্যা সমাধানৰ প্ৰতি চৰকাৰৰ সদিচ্ছাৰ স্বৰূপ। আনহাতে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী প্ৰস্তুতৰ ক্ষেত্ৰতো চৰকাৰৰ হেমাহিৰ কথা ক্ষণে ক্ষণে পোহৰলৈ আহিবলৈ ধৰিছে। শেহতীয়া ত্ৰিপাক্ষিক বৈঠকখনত কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ বাবে পাইলট প্ৰজেক্টৰ কাম ২০১০ চনৰ ১ জুনতে আৰম্ভ কৰাৰ প্ৰস্তাৱ দিছিল। কিন্তু আশ্বাসৰ কথা পাহৰি যোৱাত সদৌ অসম ছাত্ৰ সন্থা জাঙুৰ খাই উঠে আৰু তাৰ পিছতহে কামৰূপ আৰু ডিমৰীয়া খণ্ডত সেই বছৰৰ ৪ জুনৰ পৰা পাইলট প্ৰজেক্টৰ কাম আৰম্ভ কৰে। তেনে সময়তে অতি আশ্চৰ্যজনকভাৱে কেন্দ্ৰীয় গৃহ ৰাজ্য মন্ত্ৰী অজয় মাডেলে ৮ জুনত অসমত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ কাম সম্পূৰ্ণ হোৱা বুলি ঘোষণা কৰে। অথচ তেতিয়ালৈকে অসমত এন আৰ চিৰ কাম আৰম্ভ হোৱাই নাছিল। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ এই বক্তব্যই অসম সন্দৰ্ভত যে তেখেতৰ স্পষ্ট ধাৰণাৰ অভাৱ তাকেই প্ৰমাণ কৰে। ইয়াৰ মাজতে বৰপেটাত সৃষ্টি হোৱা অপ্ৰীতিকৰ পৰিস্থিতিৰ বাবে নাগৰিকপঞ্জীৰ কাম স্থগিত ৰাখে। শেহতীয়াকৈ আৰম্ভ হৈছে জন্মস্থান সন্দৰ্ভত বিতৰ্ক। গতিকে নাগৰিকপঞ্জীৰ কাম কেতিয়া সমাপ্ত হ'বগৈ, সেয়াও অনিশ্চিত হৈ পৰিছে। এনে অনিশ্চয়তাৰ মাজত কেন্দ্ৰীয় চৰকাৰে দেশৰ প্ৰতিগৰাকী নাগৰিককে ইউনিক আইডেনটিটী নাম্বাৰ অৰ্থাৎ অদ্বিতীয় পৰিচয় সংখ্যা প্ৰদানৰ কথা ঘোষণা কৰিছে। পৰিকল্পনা অনুসৰি ইউনিক আইডেনটিটী নাম্বাৰ'ৰ আঁৰতে ব্যক্তিগৰাকীৰ সমস্ত তথ্য লুকাই থাকিব। ব্যক্তি এগৰাকীৰ জন্মস্থান, তাৰিখ, ঠিকনা, অৰ্হতা আদিৰে সম্পূৰ্ণ এখন বায়'ডাটা পৰিচয় সংখ্যাৰ আঁৰত লুকাই থাকিব। টেলিফোন সংযোগ, বিজুলী সংযোজন, বেংক একাউণ্ট আদি খোলাৰ বাবে ইমানদিনে যি প্ৰত্যায়িত নথি-পত্ৰৰ প্ৰয়োজন হৈ আছিল সেইবোৰৰ আৰু প্ৰয়োজন নহ'ব। উপযুক্ত স্থানত পৰিচয় সংখ্যা কম্পিউটাৰত টাইপ কৰিলেই উদ্ভাসিত হৈ পৰিব প্ৰয়োজনীয় সমস্ত তথ্য।

আজি দেশৰ প্ৰতিটো ক্ষেত্ৰতে যি ভুৱা কাৰচাজি চলি আছে, সেইবোৰৰ অৱসান ঘটাবলৈ নিশ্চয় পৰিচয় সংখ্যা প্ৰদান এক ফলপ্ৰসূ ব্যৱস্থা। দেশৰ পৰিস্থিতি সম্প্ৰতি এনেকুৱা যে একোজন চৰকাৰী চাকৰিয়াল একেসময়তে দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ ব্যক্তি বুলিও চিহ্নিত হৈ আছে। লগতে জালিয়াতিৰে জবকাৰ্ডৰো গৰাকী হৈছে। এনেদৰে একোজন ব্যক্তিয়ে জালিয়াতিৰে নানা চৰকাৰী সা-সুবিধা ভোগ কৰি আছে। গতিকে পৰিচয় সংখ্যা প্ৰদানৰ ব্যৱস্থা হ'লে এনে ভুৱা কাৰচাজিবোৰ পোহৰলৈ অহাৰ আশা কৰিব পাৰি। সমান্তৰালভাৱে ৰাজহুৱা প্ৰশাসন ব্যৱস্থাতো সংস্কাৰ সাধন হ'ব। এইখিনিলৈ সকলো ঠিকেই আছিল। ভাৰতৰ অন্যান্য ঠাইৰ নাগৰিকসকল স্বাভাৱিকতে উৎফুল্ল হ'ব। কিন্তু ব্যক্তিগতভাৱে অসম নামৰ ভূখণ্ডৰ বাসিন্দা হোৱা বাবে আমি চৰকাৰৰ এই প্ৰচেষ্টা আৰম্ভ হোৱাৰ লগে লগে আতংকিত হৈছোঁ। চৰকাৰী ঘোষণায়ো আমাক আশ্বস্ত কৰিব পৰা নাই। চৰকাৰীভাৱে কোৱা হৈছে যে এনে পৰিচয় সংখ্যাই নাগৰিকসকলক ভাৰতীয় বুলি নিশ্চিত নকৰিব। অৰ্থাৎ পৰিচয় সংখ্যাৰ দ্বাৰা সন্দেহজনক নাগৰিকসকলক ভাৰতীয় নাগৰিকত্ব প্ৰদান কৰাটো নুবুজায়। এনে চৰকাৰী ঘোষণা চৰম বিভ্ৰান্তিকৰ। স্বাভাৱিকতে প্ৰশ্ন উত্থাপন হৈছে যে কি বিশ্বাসত আমি উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণে এনে চৰকাৰী আশ্বাসৰ চিকাৰ হ'ম? ইউনিক আইডেনটিটী নাম্বাৰ যিহেতু ভাৰতত বাস কৰা প্ৰতিগৰাকী নাগৰিককে দিয়া হ'ব বুলি কোৱা হৈছে, গতিকে ভাৰতত অবৈধভাৱে বাস কৰি থকা নাগৰিক এজনেও অতি সহজে ভাৰতীয় ঠিকনা এটা লাভ কৰিব। তাৰ পিছত যে কেতিয়াবা কাৰোবাৰ দ্বাৰা সেই নাগৰিকজনৰ নাগৰিকত্ব সন্দৰ্ভত প্ৰশ্নৰ অৱতাৰণা হ'ব, তেনে আশা নকৰাই ভাল। হয়তো তেনে এটা পৰিচয় সংখ্যা লাভ কৰাৰ পিছত বিদেশী নাগৰিকসকলে হাততে সৰগ ঢুকি পোৱাৰ নিচিনা হ'ব। তাৰেই সহায়ত অনেক চৰকাৰী সা-সুবিধা আদায় কৰি নিজকে ভাৰতীয় নাগৰিক হিচাপে প্ৰতিষ্ঠা কৰিব। যাৰ বাবে অনুপ্ৰৱেশকাৰীসকলে অহৰহ সুযোগ বিচাৰি থাকে, এতিয়া সেই সুযোগ ভাৰত চৰকাৰে তেওঁলোকক হাততে তুলি দিয়াৰ ব্যৱস্থা কৰিছে। আজি ২৫ বছৰে এখন সুস্থ নাগৰিকপঞ্জীৰ প্ৰতি হেমাহিৰ মনোভাব দেখুৱাই অহা কেন্দ্ৰীয় চৰকাৰখনে হঠাৎ এক নতুন প্ৰক্ৰিয়া উদ্ভাৱনেৰে অসমীয়া থলুৱা লোকসকলৰ অস্তিত্বৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে বুলি তথ্যবিজ্ঞ মহলে মন্তব্য কৰিছে। লগতে এয়াও প্ৰায় স্পষ্ট হৈ পৰিছে যে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ কাম সম্পূৰ্ণ নোহোৱালৈকে অসমৰ বিদেশী সন্দৰ্ভত কিবা এক ফলপ্ৰসূ সমাধান আশা কৰাটো মিছা। কিন্তু এন আৰ চিৰ ক্ষেত্ৰত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে যি দুমুখীয়া স্থিতি গ্ৰহণ কৰিছে, তাৰ পৰা ওলাই পৰিছে যে বিদেশী সমস্যা সমাধানৰ বাবে কোনো এটা পক্ষৰে সদিচ্ছা নাই। এনে পৰিস্থিতিত অসমত প্ৰব্ৰজনৰ সমস্যাটো অধিক জটিল হৈ পৰাৰ সম্ভাৱনাই দেখা দিছে। □

● *প্ৰবন্ধকাৰ অসমীয়া বিভাগৰ স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰ।*



# কবিতা

লুটফা হানুম ছেলিমা বেগম

কবিতাই অনেক কিবাকিবি
কৰিব পাৰে

কবিতাই ভ্ৰমণ কৰিব পাৰে
খোজকাঢ়ি ফুৰিব পাৰে
মন গ'লে উৰিব পাৰে
পৃথিৱীৰ পুৰণি বাটবোৰত
সপোনৰ তোৰণ সাজিব পাৰে

সকলোৱে এটা কথা নাজানিব পাৰে
কবিতাও কেতিয়াবা মাতাল হয়
তেতিয়া সকলো দুৱাৰ-খিৰিকী
বন্ধ কৰি শুই পৰে কবিতা
অনিদ্ৰাৰ অসংখ্য বিহ্বলাত

কবিতাই কৰিব পাৰে
অনেক কিবাকিবি

ভগ্ন হৃদয়তো কবিতাই
ঘৰ সাজিব পাৰে
দুৰ্দশাত পতিত হোৱাজনকো
বা দিব পাৰে অযুত তৰংগৰ
মায়াবী বিচনীৰে

কবিতাই বিদ্ৰোহ কৰিব পাৰে
ঈশ্বৰেও কৰিব নোৱাৰে সেইবোৰ

● *কবি অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা।*

# হে মহানগৰ

পূৰ্ণিমা বৰুৱা

হে মহানগৰ,
মোক ক'চোন
পুৱাৰ সেই বতাহজাক কোনফালেদি যায়?
কোনফালে গ'লে মই পাম সেই বতাহজাকৰ ঠিকনা?
বহুদিন আগতে,
মোৰ নঙলাৰে সোমাই আহিছিল সি।
চকুৰ পতাৰ পৰা তলুৱালৈকে মোক স্পৰ্শ কৰিছিল।
কি যে তাৰ মায়াবী গোন্ধ দোকমোকালি-দোকমোকালি!
মোৰ কাণে কাণে সুহুৰিয়াই পৰাণ জুৰাইছিল।
আৰু সেই পোহৰ—
ক'ত হেৰাই গ'ল?
বেৰৰ জলঙাৰে সোমাই আহি
এদিন সি মোৰ চকুৰ পতাত টুকুৰিয়াইছিল
আৰু মেলিছিল মোৰ তন্দ্ৰালস দুচকু।

আৰু কি আছিল জান?
দুৱৰিৰ দলিছাত নিয়ৰৰ বাখৰ....
য'ত তলুৱা তিয়াই মই ধুইছিলো
চকুৰ পতাত লাগি থকা টোপনিৰ কুটাবোৰ!



আজিতো কোনোৱেই নাই!
না বতাহ, না পোহৰ, না নিয়ৰ
কি বীভৎস এই মহানগৰ!
ছিদ্ৰহীন বাকচ আৰু বাকচ—
কেৱল বাকচ।
কংক্ৰীটৰ অৰণ্য!

একেটা ৰাস্তাৰে আমি অহা-যোৱা কৰো।
সদায় দেখো ইজনে-সিজনক
অথচ আপুনি মোৰ অচিনাকি
মই নিচিনো আপোনাক।
কেনেকৈনো পাম চিনি?
আমি যে মহানাগৰিক!

হে মহানগৰ,
তোৰ বুকুত কুটি কুটি ব্যস্ততাই
নিঃশেষ কৰি দিছে
মোৰ সপোনৰ দিনবোৰ।
যন্ত্ৰৱৎ শব্দৰ বিৰক্তিকৰ আদেশত
মই উঠো, খাওঁ, শোওঁ, কথাপাতো।
মেছেজৰ ওপৰত মেছেজ আহে,
কিন্তু তাত কোনো খবৰ নাহে।

হে মহানগৰ,
মোক ঘূৰাই দে
তাহানিৰ উৰুঙা দুপৰীয়াবোৰ—
যাৰ আঁচলত ধৰি মই
আঁকিছিলো সপোন।
দূৰলৈ খেদি পঠিয়াই দে
মাজনিশাৰ অন্ধকাৰ গলিবোৰ।
বোবা কৰি পেলায়
সকলোবোৰ যন্ত্ৰ।
মানুহৰ বুকুলৈ ওভতাই আন
হৃদয়ৰ ভালপোৱা।
তোৰ বুকুত মেলি দে দলিচা
নিয়ৰে ঘৰ সাজকহি।
ইটাবোৰক ক'
পোহৰক মাতিবলৈ।
হাত-বাউলি মাত
দোকমোকালিৰ সেই বতাহজাকক।
আকৌ এবাৰ উদ্‌যাপন কৰো
জীৱন... ভালপোৱা...।

● *কবি ৰসায়ন বিজ্ঞান বিভাগৰ স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰী। এই কবিতাটি গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত 'মহানাগৰিক জীৱন' বিষয়ক থিতাতে লিখা কবিতা প্ৰতিযোগিতাত সোণৰ পদকপ্ৰাপ্ত।*

# এখন মৃত নদী

শ্বেখ মুস্তাফা ৰাদিউল

সাঁথৰ জীৱনৰ
এখনি মৰানদীৰ পাৰত
তুমি ক'ত পাবা
সোঁতৰ অবিৰাম গতি
মনবোৰ হেৰাই থাকিল
তোমাৰ সেউজীয়াবোৰো তাতেই আছিল
এতিয়া শিল আৰু বালিৰে পোতখাই
পালে এখনি মৃত নদীৰ আখ্যা।

তোমাৰ প্ৰতিচ্ছবিত
অনুভৱৰ বৰষুণে জীপাল কৰি তোলে
এজন কাপুৰুষৰ প্ৰেমৰ শইচ
অঁ
সামাজিক নীতি আৰু আদৰ্শৰ বিকলাংগতা
য'ত নাই প্ৰেমৰ মহত্ত্ব
সঁচা ভালপোৱাৰ শ্ৰদ্ধা আৰু
আছে মাথোঁ এখন মৃত নদী সোঁতহীন
নিমাত নিস্তব্ধতা আৰু নিৰাশা
য'ত বিলীন হয়
মৰহি যোৱা মৰমৰ পাহি।

কেতিয়াবা থকাখিনিও হেৰাই যাব খোজে
বাস্তৱৰ পৰশ নোপোৱা সত্যৰ সন্ধানত
নীৰৱে সময়ৰ গতিত মৰহি যায়
প্ৰতিশ্ৰুতিবোৰ
ওলাব খুজিও ওলাই নাহে
ভাববোৰ
দোমোজা হৃদয়ৰ এটি সঁচা বাক্য...

অনুভৱৰ নিখুঁত যন্ত্ৰণাৰ বলি মই
এজন সামাজিক বিকলাংগ
আৰু এজন প্ৰকৃত প্ৰেমিক।
স্মৃতিবোৰ হেৰাই যায়
সময়ৰ সোঁতত
নিয়ৰবোৰ শুকাই যায় আৰু
আশাবোৰে পায় মাথোঁ
এখন মৃত নদীৰ আখ্যা।

*কবি উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰ।*



# আচ্ছাদন

ভাস্বতী দাস

জোনাকভৰা মুক্ত আকাশৰ তলত,
গৰ্ভৱতী পথাৰৰ ওপৰেৰে
উদ্দাম গতি এদল পথহাৰা যুৱকৰ,
সিহঁতৰ ভৰিৰ গচকত আহত হৈছে
জীৱন-মালিকা সোণগুটিৰ সম্ভাৰ।
কান্ধত সিহঁতৰ বন্দুক,
দুচকুত প্ৰতিহিংসাৰ দাবানল;
ফুলিছে বুকুত অহৰহ বৰ্বৰতাৰ শতদল।
আজিও সিহঁতে খেলা কৰিব কোনো নিৰীহৰ তেজেৰে,
বুলেটেৰে বিদ্ধ কৰিব আপোন ভাইৰ বুকু
কোনো মাতৃৰ বুকু কৰিব শুদা,
প্ৰিয়াৰ দুচকুত সানি দিব অমানিশাৰ ছায়া।
কঙাল দেশৰ জলঙা পঁজাত
লাগি ৰ'ব মাউৰা শিশুৰ বিননি
কলিজাৰ তেজত টগ্‌বগ্ কৰিব আগামী মৃত্যুৰে পদধ্বনি।
অজ্ঞতাৰ কুঁৱলীত আচ্ছাদিত সিহঁতৰ
নাই কোনো বিবেকৰ ভাবা,
স্বদেশৰ স্বাধীনতাৰ নামত
সন্ত্ৰাসেৰে স্বদেশৰ বুকুলৈ নমাই আনে
মৰিশালিৰ ক্লান্ততা
সকলোতে আজি দেখো মাথোঁ
স্বদেশৰ তেজৰ চেঁকুৰা।

*কবি ভূগোল বিভাগৰ স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰী।*



# আত্মকথনত নিশিগন্ধাৰ কাব্য

প্ৰীতমজিৎ বৰ্মন

আকৌ এবাৰ বৈ আহক অলকানন্দা
আকৌ এবাৰ ফুলি উঠক ৰজনীগন্ধা
আকৌ এবাৰ ঘূৰি আহক মোৰ ৰ'দালি
মই আকৌ চাম নদীৰ পাৰত
আছা নেকি তুমি সোণালী চুলি মেলি
লাজ আৰু ওৰণিৰে খেলা খেলি
মই বৈ থাকিম প্ৰতিটো সময়ৰ ঘণ্টা
আকৌ এবাৰ জাগি উঠা মোৰ নিশিগন্ধা।

হঠাৎ তুমি ক'ত লুকাই গ'লা বন-বিৰিণাৰ মাজত...
বৰশীত চকু থোৱা ডেকা ল'ৰা
অ' ডেকা ল'ৰা, ক'ৰ ছোৱালী ক'ত ঘৰ
তই তাইৰ জাননে খবৰ?

তোক কেলৈ?
ক'চোন ভাই, ক'লৈ কি লাগে জগৰ
তাইৰ দেহত আঘাত কৰি যায়
ৰাতিৰ নীলবৰণীয়া চাদৰ
সিপাৰৰ সেউজীয়াত তাইৰ ঘৰ
নদীৰ লগত তাইৰ আদিম শৈশৱ
জলকুঁৱৰীৰ সপোনত দবা-কইনা খেলা
তাইৰ সজীৱ কন্যাকাল

নিশিগন্ধা, তোমাৰ দুখেৰে এবাৰ মোকো উচুপিবলৈ দিয়া
তোমাৰ চকুৰ বৰষুণ আহিবলৈ দিয়া
আহিব দিয়া, দুয়ো তিতিম জুৰুলি-জুপুৰি হৈ
আঁঠুৱনি পানীত জহিবলৈ নিদিম তোমাৰ গোলাপ
কোঁৱা নিশিগন্ধা, কি হৈছে তোমাৰ

ঘৰত তোমাৰ বিয়াৰ আয়োজন, হাঃ হাঃ হাঃ
অইলৰ ইঞ্জিনিয়াৰ, বৰ ভাল হ'ব
নিটোল সপোনৰ এখন ঘৰ হ'ব, বৰ ভাল হ'ব
কোলাত কেঁচুৱালৈ আহিলে ক'বা, এয়া তোমাৰ মামা
মামা!
এহাতত কেড়্‌বেৰিজ লৈ হাতেৰে চুই চাম তাক
তোমাৰ দৰেই গোন্ধাই নে তাৰ শৰীৰ

নিশিগন্ধা, কেনে আছা
ভাগিন-ভাগিনীহালৰ বয়স কিমান হ'ল
কি ক'লা ভাগিনীজনীৰ বিয়া হৈ গ'ল
ক'ৰ দৰা? দাৰ্জিলিঙৰ!
চাবাদেই নিশিগন্ধা, চাহপাতৰ দৰে গোন্ধাব তাৰ গা
যিদৰে বোকা বোকা গোন্ধাইছিল তোমাৰ দেহ
কি ক'লা, অসভ্য, অশ্লীল...

তোমাৰ দৰে মোৰো চুলিৰ বৰণ এতিয়া ৰূপালী
লিখিম বুলি লিখিব নোৱাৰো কবিতা
কঁপা-কঁপা হাত, খালী মগজু, এযোৰ নমনা চকু
সোঁৱৰণীৰ দস্তাবেজৰ প্ৰতিটো পাত লুটিয়াই
মোৰ এতিয়াও কান্দিবৰ মন যায়।

দে সম্পূৰ্ণকৈ বাকি দে
আপত্তি নাই, যদিহে কাইলৈ মোৰ মৃত্যু হয়
হে শাওণৰ বাঢ়নী পানীৰ দৰে দুখৰ প্ৰবাহ
উটুৱাই নিয়া মোক সূৰ্যোদয়ৰ সিপাৰলৈ
মোৰ গামোচাৰ দাঁতিত বান্ধি দিয়া ব'দৰ প্ৰতিটো কণা

শুনিছানে
নিশিগন্ধা মোৰ
অ' মোৰ নিশিগন্ধা...

● *কবি অৰ্থনীতি বিভাগৰ স্নাতকোত্তৰ তৃতীয় ষান্মাসিকৰ ছাত্ৰ।*



# গতি

শিল্পীশিখা শৰ্মা

মই আগবাঢ়িছোঁ।
সূৰ্যোদয়ৰ লগে লগে
খোজ লৈছোঁ মই।

গ্ৰীষ্মকালৰ উত্তাপেৰে উত্তপ্ত মই
বৰ্ষাৰ বৰষুণত তিতি,
শাওণৰ পথাৰৰ বোকা গচকি
শাৰদীয় বকুল শেৰালীৰ
সুবাসেৰে সজীৱ হৈ—
আহিনৰ পথাৰৰ সেউজীয়াক লৈ
হেমন্তৰ হালধীয়া চোলা পিন্ধি
শীতৰ হাঁড় কঁপোৱা জাৰত
কঁপি কঁপি—
বসন্তৰ ৰঙত ৰঙা হৈ
পছোৱাত উৰি উৰি
মই আগবাঢ়িছোঁ।
পশ্চিমৰ আকাশখন হেঙুলীয়া হৈছে।
এয়া সূৰ্যাস্তৰ সময়।

ছেঃ সূৰ্যৰো লাগে ভাগৰ!

কিন্তু মই নাভাগৰোঁ।

অক্লান্ত গতিৰে
মই আগবাঢ়িছোঁ,
মই আগবাঢ়িম।।

● *কবি উচ্চতৰ মাধ্যমিক কলা শাখাৰ প্ৰথম বৰ্ষৰ ছাত্ৰী।*



# দ্বন্দ্ব

ৰীমা গগৈ

আন্ধাৰ,
লাগেনে ভাল?
লাগে!
হয়তো নেলাগে কাৰোবাৰ
পৰিস্থিতি সাপেক্ষে যে এই ভালপোৱা।

আন্ধাৰত,
মুখামুখি নিজৰ সৈতে,
বৈপৰীত্যৰ দ্বন্দ্ব
অথবা
সংঘৰ্ষ
মোৰ সৈতে মোৰ সমাৰ্থকৰ।
সমাৰ্থক, বিপৰীত
বিপৰীত, সমাৰ্থক
মনৰ নিজম দ্বীপত তুমুল যুদ্ধ
কাৰ সৈতে জীৱন-যাপন হৃদয়ৰ?

হৃদয়ৰ ভাবনাৰ
আছেনে অধিকাৰ
আত্মীয়তাৰ, একাত্মতাৰ
মানৱৰ...
মানৱৰ মাজত!!

● *কবি অসমীয়া বিভাগৰ স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিকৰ ছাত্ৰী।*

# মৃত পথাৰৰ মানুহ

নীলোৎপল মহন্ত

ক'লা চাদৰেৰে আবৃত
এখন মুক্ত পথাৰ,
তাত বেমাৰ লাগিছে,
কোনেও খেতি নকৰে, জহ পৰি যোৱা
পোক লগা পথাৰ

দুটিমান পোকে খোৱা ধান?
তথাপি সুখী সি—
চাউল খুন্দা কাৰখানা হ'ব তাত,
চাউল নাপালেও
অলপমান পেলাই দিয়া গুড়ি খাবলৈ পাব।

মাতৃহাৰা এটি কণমানিক
কেনেকৈ দিব পিয়াহৰ
অলপমান দুগ্ধ?
চুৰাপাতনিত যি পায়, তাৰে পিটিকা,
মুখত কণমানিৰ এটি খুদকণ।

কুকুৰ নাহে তাৰ ঘৰলৈ,
কাউৰীৰ জাকে আমনি নকৰে তাক,
পেট আৰু পিঠি এক হোৱা পিতা-পুত্ৰৰ
ঘৰৰ মূধত অহৰহ অহা-যোৱা—
চিলনি-শগুণৰ জাক।

ধনী সমাজৰ দুখীয়া এখন গাঁৱৰ
দৰিদ্ৰ মানুহ—
এনেকৈয়ে শেষ হয়
কেইবাশ পুৰুষীয়া বংশৰ
শেষ পৰিয়াল!!

● *কবি প্ৰাণী বিজ্ঞান বিভাগৰ স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ।*



# শিয়ালী এ নাহিবি ৰাতি...

ৰিংকু বেজবৰুৱা

দিনৰ পাছত দিন... প্ৰতিদিন...
মোক এনে এটি দিন দিয়া
যাৰ বোকোচাত উঠি
মই ওলাও স্মৃতিৰ বাটেৰে
অ' আই...?
কোন বাটে মোৰ শৈশৱ
কোন বাটে মোৰ আইৰ চাদৰ নোলোৱা মেথনীৰ
ভাবাহীন গোন্ধ
আই, বাটে পোৱালি মেলাৰ বতৰ।

মোক এখন কোলা দিয়া
য'ত মূৰ থৈ লেখিব পাৰোঁ তৰা
জোনক সুধিছোঁ...
বুকু সৰকি যোৱাকৈ মোৰ আয়ে হাঁহেনে?
ভৰেনে এতিয়াও আইৰ কোমল মেথনী...?

ক'ত শুনিছিলো...?
সেই গান। তাল-লয়-মানৰ সোৱাদ আইৰ বুকুত
সেউজৰ নাচ আইৰ চকুত
মই যামনে... অ' আই... তোৰ কাষলৈ...?
এবুকু উজাই ল'ম তোৰ গোন্ধ
এঘুমটি তোৰ কোলাত
চুলিত স্পন্দিত তোৰ নিভাঁজ আঙুলি
পাজিসেঁৰীয়া সুৰত নিজম পৰিব
মোৰ বুকুৰ চোতাল
...শিয়ালী এ, নাহিবি ৰাতি...

● *কবি ইংৰাজী বিভাগৰ স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিকত অধ্যয়নৰত।*



# গীৰ্জাৰ মজিয়া

বুদ্ধদেৱ মহন্ত

মজিয়াখনত চিন এটা নিদিয়ানে?
এটা উধনীয়া সৰু দাগ বা
আনক নিৰুত্তৰ কৰা এচটা শিল
যিটো ইমান দৃঢ় আৰু ইমান সবল দেখায়।
'...জলের যতেক মল...'
সেয়া ধৈৰ্য নহয় নে?
আৰু মুদ্ৰাটিৰ ইপিঠি
কলা আৰু খোদন কৰা হৰ্বচিত্ৰটি
যাৰ দ্বাৰা যিলৈ বেলেগ ৰঙেৰে ৰংচঙীয়া
ভাকু খেলা তমসা—
সেয়া বিনয় বা নম্ৰতা নহয় নে?
কিন্তু বিলাতী মাটিৰ দৰে
যিটোৰ নিশ্চিত শিকলিৰে—
গোটেই গাঁথনিটোকে বান্ধি ৰাখিছে—
সেয়া প্ৰেম বা প্ৰেম-হৃদয়ৰ
বদান্যতা নহয় নে?
ইফালে সিফালে মাজে মাজে
পাপী চোৰবোৰ আৰু কলংক,
অন্যহাতে জীৱন মাৰ্বলৰ দৰে চাফা
আৰু কৌতূহলী শিৰা উপশিৰাবোৰ,
কিন্তু সকলোবোৰ বা-মাৰলীৰ দৰে
পৰিষ্কাৰ কৰি যেতিয়া পাথৰটোৱে উচুপে,
কেতিয়াবা মৃত্যু হয় থিতাতে
ধূলিবোৰ উৰি যায় যেনেকৈ
তাই মজিয়াখন চাফা কৰে।
কিন্তু যেতিয়া তেওঁ ভাবে
কোঠাটো ধ্বংস কৰি দিও বুলি
সি উচুপে, সি উচুপে, সি উচুপে...
সেই ৰাজমিস্ত্ৰীজনক কণমান আশীৰ্বাদ দিবানে?
যাৰ কলাই তৈয়াৰ কৰিব পাৰে, ইমান সবলতা
এখন দুৰ্বল হৃদয়ত।
তুমি শিকনি দিলে ভকত কুকুৰে আঁঠু কাঢ়ে।
'গুৰু ভৈলা অতি কৰ্ণ ধাৰ
কৃষ্ণ ভৈলা বায়ু
তথাপি সংসাৰ নতৰয় আত্মঘাতী—।'

*কবি অৰ্থনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক।*

# মাৰফৎ ঃ জীৱন

অভিজ্ঞান দাস

ৰুদ্ধ দুৱাৰ খুলি
আহি থাকা তুমি
অচিন তেজৰ সোঁতত উটি উটি,
প্ৰান্তত অপেক্ষাৰত কোনো অবুজ ক্ষণ
অদেখা মৰম-বিষাদ।

সময় দলিচাত ডুলি ডুলি
অনাগত জীৱন;
ভগ্ন দুৱাৰেদি ৰিব্ৰিব্ পোহৰ
সম্মুখত সমাহিত আকাশ।

অৱসাদৰ দুৱাৰ ঠেলি
কলুষতা খেদি
জাক জাক পক্ষী পূৰ্বৰাগৰ
সেউজী ধৰণীত তেতিয়া
ৰ'দালিৰ হেঁপেহুৱা আলিংগন

*কবি গণিত বিভাগৰ স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ।*

# প্ৰেৰণা

জিতু কলিতা

সৃষ্টিৰ কাৰণেই সূৰ্য্যৰ প্ৰথম হেঙুলীয়া

অপ্ৰতিৰোধ্য বাসনাৰ কোলাত
অংকুৰিত হয় সাধনাৰ শতদল

মৃত্যুৰ সমস্ত ৰজনী নেওচি
সময়ে ওভতাই আনে আলোকময়ী প্ৰভাত

মৰুৰ শুষ্কতাক জীপাল কৰাৰ ব্যৰ্থ প্ৰচেষ্টাৰে
সৰি পৰা প্ৰতিটোপাল চকুপানীৰ পৰা
গজি উঠে কল্পবৃক্ষ
যাৰ ছাঁয়াই আহত আত্মাত বাকি দিয়ে সঞ্জীৱনী

বিশ্বাসৰ বোৱঁতী নৈয়ে
পলস পেলায় হৃদয়ৰ পাৰঘাটত
কাৰোবাৰ আঙুলিৰ পৃথিৱীত উচুপি উঠা
আকাশৰ অকলশৰীয়া নক্ষত্ৰক প্ৰেৰণা যোগাই
মই আৰম্ভ কৰো ধ্ৰুৱতৰাৰ সৈতে শোভাযাত্ৰা

আজি মোৰ হাতত পথাৰৰ সেউজীয়া মন্ত্ৰ... ।

● *কবি ইংৰাজী বিভাগৰ স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰ।*





# নৱ প্ৰভাতৰ ৰেঙনি

ছন্দ্ৰাণী চৌধুৰী

অতীত যায় আঁতৰি
প্ৰতি পলে পলে
পশ্চিম আকাশত অস্তগামী সূৰ্য্যেও
মাগে মাথোঁ শেষৰেই মেলানি।

নীলিম আকাশৰ বিশাল বুকুত
ৰক্তাভ সূৰ্য্যৰ বৰ্ণময় আভাই
নিয়ৰৰ আৱৰণ ফালি
প্ৰভাতৰ প্ৰাক্‌ক্ষণত
জীৱন সাগৰৰ বুকুত মাৰে
নকৈ ভুমুকি।

নৱ প্ৰভাতৰ ৰেঙনিয়ে উজলায়
জীৱন সমুদ্ৰৰ তীৰ।

এৰি অহা দুঃস্বপ্নবোৰে
মনৰ বান্ধোন খুলি
বিলীন হয় পাহৰণিৰ গৰ্ভত
আৰু এতিয়া...

দুচকুত নানা আশাৰে সজ্জিত নানা স্বপ্ন লৈ
জীৱনে উৰা মাৰে সফলতাৰ দিশলৈ
এক নতুনত্বৰ দেশলৈ
এটি মুক্ত মনেৰে....

● *কবি অৰ্থনীতি বিভাগৰ স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰী।*



# প্ৰতীক্ষা

প্ৰীতিৰেখা ভূঞা

(১)
তেওঁ আৰু মই
মাজত অচিনাকি
এডাল দীঘলীয়া সীমা
আগুৰাই দিছোঁ মোৰ খোজ
সীমাডাল এতিয়া বহুত চুটি

(২)
ছাঁ-পোহৰৰ দোমাহীত
মানসপটত কেৱল এখনি
প্ৰতিচ্ছবি
হৃদয়ত গুঞ্জিত
এজাক সদ্যোজাত বিহংগৰ কল্‌কলনি

(৩)
কেনভাছৰ একাংশত এতিয়াও ছাঁ
উজাই গৈ আছোঁ মই
প্ৰতীক্ষাৰ বুকুৰে
হৃদয়ত বাঢ়ি আহিছে
চৰাইজাকৰ কিচিৰ-মিচিৰ

(৪)
সীমাডাল এতিয়াও
মচ খোৱা নাই।

*কবি উচ্চতৰ মাধ্যমিক কলা শাখাৰ প্ৰথম বৰ্ষৰ ছাত্ৰী।*

# বিপ্লৱী

বাপুকণ শইকীয়া

বিপ্লৱ— কোন বৰণৰ তেজীঘোঁৰাত
তোমাৰ আগমনি!
কাৰ বুকুৰ তেজেৰে তুমি কৰা
উত্তাল গতি
তোমাৰ হাতৰ মুঠিতেই সৃষ্টি আৰু ধ্বংসৰ খেলা
সভ্যতাৰ স্তৰে স্তৰে তুমিয়ে আনা লৈ
শোষিতলৈ স্বাধীনতা,
তোমাৰ কঠিন হাতেৰে মৰিমূৰ কৰা
লুণ্ঠনকাৰীৰ ধৃষ্টতা।
সোণোৱালী ৰূপহী মোৰ অসমী আই
আজি শত শত জনৰ সমদল কিহৰ?
নতুন দিনৰ স্বপ্ন দুচকুত লৈ
লাগিলে তেজেৰে আৰতি কৰিম
আমিয়ে ৰচিম আমাৰ স্বপ্ন
বিপ্লৱী জোৱাৰৰ নাই আজি অন্ত।
তাঁতৰ শালত মাকোৰ শব্দ তাক্ তাক্ তাক্ তাক্
পথাৰত সোণোৱালী ধান
চোতালত আমি মৰণা মাৰোঁ হুৰ হুৰ হুৰ হুৰ
আমিয়েই হওঁ বিপ্লৱী দল।
আমি নিবিচাৰোঁ শোকানুভূতিৰ ভৱিষ্যৎ
কবিয়ে কোৱাৰ দৰে
মৃত্যু এটা শিল্প হ'বলৈ দিব
নোৱাৰো কাহানিও,
এই দেশৰ মাটিতেই উদয় হয় ৰঙা সূৰুয
বুৰঞ্জীৰ পাতত আজিও উৰি আছে লাচিতৰ ধ্বজা।
তুমি কঢ়িয়াই আনা আনন্দৰ সুবাস
তোমাৰ নামেৰেই মানুহে ৰচে
সংগ্ৰামৰ এক নৱতম ইতিহাস।
মানৱৰ দুচকুত তুমি দিয়া
উন্নয়নৰ সোপান
চ'তৰ বতাহত বিয়পোৱা
স্বদেশ প্ৰেমৰ ৰাগ।
হে বিপ্লৱী জনতা তোমাৰ ওপৰত
আমাৰ অগাধ আস্থা
অজস্ৰ নিৰীহক পুঁজিবাদৰ হত্যাৰে
তুমিয়েই দিয়া আশ্বাস
তোমাৰ বুকুতেই খোদিত হয়
তেজস্বী বৰ্তমানৰ ভৱিষ্যৎ।

*কবি ৰাজনীতি বিভাগৰ স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰ।*

# জীৱন

ভাৰ্গৱ জ্যোতি কছাৰী

আজি জাৰৰ ৰাতি টোপনি হেৰাল।
ব্যস্ততাৰ মাজত অলপ বিৰতি,
অলপ উশাহ আৰু তুমি।

আকাশে বতাহে প্ৰেমৰ ভীৰ।
পদূলিত শিলগুটি খেলা জনীৰ
চুলিয়ে কঁকালত খেৰাই নাচে।
দূৰৈৰ মাদলৰ গহন শব্দত
বুকু হমহমাই যায়।

বতাহত ভাঁহি আহিছে
হিয়া চিৰাচিৰ কৰা দূৰৈৰ এটি গীত,
এটি চিফুঙৰ ৰিণিকি-ৰিণিকি মাত।
এদিন তুমিও এৰি গুছি যাবাগৈ
এনেদৰেই দোভাগ ৰাতি...
আই-বোপায়ে হিয়া ঢাকুৰি কান্দিব।

নিজম ৰাতিটোত কেতেকী এজনীয়ে বিনাইছে।
এনে ৰাতিবোৰত লিপিট খাই পৰিছিলো
পিতাইৰ বুকুত।
মূধা চালিৰ ঘৰচিৰিকাই খোচ-খোচাব এৰিছিল।
তুমি আইৰ দখনাৰ আঁৰত মুখ গুঁজিছিলা।
এদিন তোমাৰো কোচত
এপাহ কোমল ফুলে টোপনি যাব।

সিজুৰ তলত বাথৌ ঈশ্বৰে
বগা সাজে ভ্ৰমি ফুৰিলে
কুকুৰে ভুকে...
—আইতাই কৈছিল।
ঈশ্বৰক বিচাৰি এতিয়া ভাগৰি পৰিছো
মন্দিৰে-মন্দিৰে, মছজিদে-গীৰ্জাই
তুমিও ক'বা এদিন।
বাথৌ সীজুৰ থানত...
ঈশ্বৰ হৃদয়ত...

এদিন আইতাৰ কপাল উকা কৰি



ক'কা হেৰায় থাকিল অনন্ত তৰাৰ দেশত।
মানুহে কয়
সেয়াই স্বৰ্গ।
আইতাৰ শুকান শৰীৰত
চকুপানীৰ অভাৱ।
তোমাৰ বুকুৰ বগা মেখেলা
আৰু উখহা চকুযুৰি চাবলৈ
হয়তো মই নাথাকিম।

তুমিও আহিবা একেটি বাটেৰে এদিন,
কুঁৱলীয়ে ঢকা আহিনৰ সেউজী পথাৰলৈ।
তাত দেখা হ'ম ঈশ্বৰৰ স'তে।
তোমাৰ...
মোৰ...
আমাৰ...

আজি দোভাগ ৰাতি
সেয়ে অলপ বিৰতি
অনন্ত যাত্ৰাৰ, ভাগৰৰ এঘুমটি।

● *কবি ভূগোল বিভাগৰ স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ।*



*অংকন ঃ সংগীতা দাস*

# মানুহ

জিতুমণি ডেকা

দেহত এটুকুৰা বস্ত্ৰ
অথবা বস্ত্ৰবিহীন
হাতত একোটা পাত্ৰ
এই যে শিশুবোৰ
মহানগৰীৰ অলিয়ে-গলিয়ে
ফুটপাথৰ চুকে-কোণে
সিহঁতো মানুহ।

সিহঁতৰো ইচ্ছা জীয়াই থকাৰ
সপোনৰ সৈতে কথা পতাৰ
দুবেলা দুমুঠি খায়
সোণৰ সজাত ওমলাৰ
জন্ম উৎসৱ আয়োজনৰ
কিয়নো সিহঁতো মানুহ।

সিহঁতে নাজানে
অট্টালিকা আৰু উৰুখা পঁজাৰ
মানুহৰ মিল-অমিল ক'ত?

সিহঁতৰো হেঁপাহ
একেটা জুহালতে
সিদ্ধ খাদ্যৰ জুতি
পৰিয়ালৰ সৈতে লোৱাৰ,
ধনী-মানী-জ্ঞানী হোৱাৰ
বিলাসিতা আঁকোৱালি
শীতল পানীয়ৰ পৰশ লোৱাৰ।

এয়া, সিহঁতৰ জীয়াই থকাৰ
সহজাত ইচ্ছাবোৰ।

আমি ভালপোৱাৰ দৰে
ভাল পায় সিহঁতেও
স্নেহৰ আড়ম্বৰ।
আমাৰ আৰু সিহঁতৰ
পাৰ্থক্য এটাই
সিহঁতৰ জন্ম ফুটপাথত
আৰু আমাৰ
একোখন চালিৰ তলত।
সিহঁতৰ জন্মৰ গৰাকী
আমিয়েই...
হয়তো মই অথবা তুমি
নহ'লে আমি...।

আমিয়েই গঢ়িছোঁ
ফুটপাথৰ আশ্ৰয়
নিৰাপত্তাহীনতাৰ ভয়
বাটৰুৱাৰ কঠুৱা মাত
দয়ালুজনৰ জেপৰ
এটকা বা দুটকাৰ মুদ্ৰা।
সিহঁতে কিৰীলি পাৰে
দুই-চাৰিটা বুটৰ পৰশ,
*সেয়ে শান্তি, ভোকাতুৰ আত্মাৰ*
জীয়াই থকাৰ তীব্ৰ সংগ্ৰাম।

সংঘাতেই জীৱন, জীৱনেই সংঘাত
হাড়ে-হিমজুৰে সত্যতা।

সিহঁতৰো আশা
কাৰোবাক মৰম কৰাৰ
মৰমবোৰ সাঁচি ৰখাৰ
প্ৰয়োজনত আনৰ চকুলো
দুহাতেৰে মচি পেলোৱাৰ
কিয়নো সিহঁতো মানুহ
ঠিক আমাৰ দৰেই

*কবি শিক্ষা বিভাগৰ*
*স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিকৰ ছাত্ৰী।*

# আকাশ আৰু এক ভাবনা

ফ্ৰেংকী বড়ো

শেলুৱৈ গধূলি
বিষণ্ণতাৰ বতাহজাকত
হেৰাই গৈছে
উৰণীয়া ডাৱৰ
মেঘৰঙী দুচকুত
আকাশৰ বালিঘৰ
থন্‌থন্‌কৈ ভাঙি পৰে
দোকমোকালিৰ সপোন
যেন এই পৰোঁ, এই পৰোঁকৈ থকা
বৰষুণৰ কণা;
জলমলকৈ নাচি উঠে
অমানিশাৰ আন্ধাৰ ছাঁ...।
লুণীয়া চকুলোৰ স্বচ্ছ এক পুখুৰী
মোৰ বুকুৰ ভিতৰত
স্বচ্ছ এক দাপোণৰ দৰে
মই দেখা পাওঁ তাত
সমস্ত দুখ আৰু হুমুনিয়াহবোৰৰ প্ৰতিচ্ছবি।
নৈঃশব্দত বিলীন হোৱা
আঁউসীৰ জোনৰ দৰে
ক্ৰমাৎ স্তব্ধ হৈ আহে
আকাশ নমাই অনা উদাত্ত কণ্ঠ
চেতনাৰ ইপাৰে সিপাৰে
জুমুৰি দি ধৰে
মাথোঁ তীব্ৰ ভাবনা...।



● *কবি নৃতত্ত্ব বিভাগৰ স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰী।*

# অতীত, বৰ্তমান আৰু আমি



ড° যমুনা শৰ্মা চৌধুৰী

সামান্য পানীলগা জ্বৰ, কাহ, পেটৰ অসুখ আদিৰ দৰে সৰু-সুৰা অসুখ পিতাৰ মাজে-সময়ে নোহোৱা নহয়। কিন্তু সৰহদিন বিছনাত পেলাই থোৱা অসুখ ঈশ্বৰৰ কৃপাত পিতাৰ সৌ সিদিনালৈকে কোনোদিনে হোৱা নাই। পিতাৰ বয়স বৰ্তমান সত্তৰ। জনা-বুজা হোৱাৰ দিন ধৰি তেওঁক কোনোদিনে শুই-বহি থকা আমি দেখা নাই। কাম কৰি ভাগৰি নপৰা মানুহজনে আমাকো ফূৰ্তিত থাকিবলৈ পৰামৰ্শ দিছিল। সেইবাবেই পিতাক আমি বেয়া পাইছিলো। স্কুললৈ যোৱাৰ মন নাথাকিলেও পিতাৰ অত্যাচাৰত (?) আমি স্কুললৈ যাবলৈ বাধ্য হৈছিলো। স্কুলত অংকৰ ছাৰৰ বেতৰ কোব খোৱাৰ পিছত আমি ঈশ্বৰৰ ওচৰত তেওঁৰ মৃত্যু কামনা কৰি প্ৰাৰ্থনা জনাইছিলো। পিতাৰ ভুল নাছিল। ভুল আমাৰেই হৈছিল। সেইবাবেই আমাৰ প্ৰাৰ্থনা নাকচ কৰি ঈশ্বৰে পিতাক সত্তৰ বছৰৰ এক সুদীৰ্ঘ স্বাস্থ্যময় জীৱন প্ৰদান কৰিছিল।

পিতাৰ বয়স বৰ্তমান এসত্তৰ।

স্বাস্থ্যৱান, ফুৰ্তিবাজ সেইজন মানুহ, আমাৰ পিতা সম্প্ৰতি শয্যাশায়ী।

দুৰাৰোগ্য অসুখত তেওঁ আক্ৰান্ত।

ডাক্তৰে নিজৰ কৰ্তব্য শেষ কৰি বৰ নিষ্ঠুৰভাৱে আমাক শেষ কথা কৈ দিছে।

'বাহিৰলৈ নিব খুজিছে যদি নিব পাৰে। কিন্তু মোৰ কথা শুনে যদি কোনো লাভ নহ'ব। খুব বেছি পোন্ধৰ দিন। তথাপি ভাগ্যৰ জোৰে হয়তো আৰু দহ-বাৰদিন টানি নিব। শেষ অৱস্থা।'

এটা শকত পৰিমাণৰ ফীজ লৈ ডাক্তৰ গুচি গৈছিল। মোৰ বাবে এৰি থৈ গৈছিল চিন্তাৰ এক মেটমৰা ভঁৰাল। মাজ-নদীত নাৱৰীয়াই এৰি থৈ যোৱা নাৱত বহি মই পাৰ বিচাৰি হাবাথুৰি খাইছিলো।

মনে মনে হিচাপে এটা কৰিছিলো। ভেলোৰলৈ নিয়া, হাস্পতালত ভৰ্তি কৰোৱা, তাত থকা, ঔষধ-পাতি, আকৌ উভতি অহা এইবোৰৰ পিছত কিজানি দুই-তিনি লাখ টকা লাগিব। দৰমহাৰ পইচাকেইটাৰ বাবে মাহৰ বিশ তাৰিখৰ পৰাই বৈ থকা এজন মানুহৰ বাবে ইমান টকা যোগাৰ কৰাটো একেবাৰে অসম্ভৱ কথা। সাতমাহমান আগতে শান্তিপুৰৰ পাহাৰৰ মাটি এডোখৰ লৈ তিনিটা কোঠাৰ ঘৰ এটা সাজোতেই জমাৰ নামত থকা টকাকেইটা খৰচ হৈ গ'ল। অৱশ্যে তাৰ বাবে আপচোচ কৰিবলগীয়া একো নাছিল। ল'ৰা-ছোৱালী, সুচিত্ৰা আৰু পিতাক লৈ যে নিজৰ বুলিবলৈ ঘৰ এটাত মূৰ সুমুৱাই থাকিব পৰা হৈছোঁ, সেই লৈয়ে আমাৰ সন্তুষ্টি। পিতাৰো সকাহ। যা হওক শেষত এটা আশ্ৰয় হ'ল। কিন্তু পইচাখিনি হাতত থকাহেঁতেন...। নাই, এইবোৰ কথা ভাবি এতিয়া আৰু একো লাভ নাই।



তথাপি জন্মদাতা পিতৃ। তেওঁৰ প্ৰতি আমাৰ কৰ্তব্য আছে। পইচা নাই বুলি মানুহজনক চকুৰ আগত মৰিবলৈ দিওঁ কেনেকৈ?

দুই চাৰিজনক মোৰ বিপদৰ কথা ক'লো।

উস্-আস্। ইচ্ ইচ্ —সহানুভূতিমূলক এই শব্দকেইটাৰ বাহিৰে তেওঁলোকে মোক আৰ্থিকভাৱে কোনো সহায় কৰিব নোৱাৰিলে।

ইংৰাজীৰ অধ্যাপক দত্তই পৰামৰ্শ দিলে— 'জীয়াই থকাৰ অধিকাৰ সকলোৰে আছে। চাওকচোন চেষ্টা কৰি। ভেলোৰত মোৰ এজন চিনাকি ডাক্তৰ আছে। তেওঁক কৈ দিলে সকলো বন্দোবস্ত কৰি দিব। কেতিয়া যাব মোক আগতীয়াকৈ জনাব।'

ধন্যবাদ এটা দিয়াৰ বাহিৰে তেওঁক মই আন কথা ক'ব নোৱাৰিলো। মানে সুযোগ নিদিলে। সকলোৰে সুবিধা-অসুবিধা থাকে। কাকনো দোষ দিম।

হোমিঅ'পেথী ডাক্তৰ অলক বৰুৱাই বৰ প্ৰেক্টিকেল কথা এবাৰ ক'লে, 'চাওক কলিতা, এইটো ষ্টেজত ৰোগ ভাল হোৱাৰ কোনো আশা নাই। ডেকা মানুহ হ'লেও বেলেগ কথা আছিল। থেৰাপি, অপাৰেশ্যন, বেজী এইবোৰৰ কিল তেওঁ জানো সহিব পাৰিব? পইচা-পাতিৰো কথা আছে নহয়? নিজৰ কথাৰ লগতে তেওঁ চিনাকি মানুহ এজনৰ কথাৰ উদাহৰণ দি ক'লে, আশী বছৰীয়া পিতৃৰ আৰোগ্যৰ বাবে ঘৰ-মাটি বিক্ৰী কৰি এতিয়া তেওঁ ভাৰাঘৰত দিন কটাবলগীয়া হৈছে। পিতাককো জীয়াই ৰাখিব নোৱাৰিলে। এতিয়া ল'ৰা-ছোৱালী পত্নীৰ ভৱিষ্যৎ হাতৰ মুঠিত লৈ মানুহজনে অথাই সাগৰত ভূঁৰ মেলি পাৰ হোৱাৰ চেষ্টা চলাইছে।

ডাক্তৰ বৰুৱাৰ কথাত সত্যতা আছে। শুনিবলৈ ভাল নালাগিলেও সেয়াই জীৱনৰ যথাৰ্থতা। সত্তৰ বছৰ বৰ কম সময় নহয়। সত্তৰ বছৰৰ পিতাই জীৱনৰ সুখ-দুখ, আনন্দ-নিৰানন্দ সকলো দেখিলে, ভোগ কৰিলে। এতিয়া কেৱল পোন্ধৰ বা বিশ দিনৰ বাবে জীয়াই ৰাখিবলৈ গৈ মই মোৰ ল'ৰা-ছোৱালীহালৰ ভৱিষ্যৎ কিয় নষ্ট কৰোঁ? ল'ৰা-ছোৱালীৰ ভৱিষ্যৎ জীৱনৰ মাজেৰে নিজকে জীয়াই ৰখাৰ এক গোপন আকাংক্ষাক মনতে পুহি ৰাখি পিতাৰ মূৰত হাত ফুৰাই সান্ত্বনাৰ সুৰেৰে ক'লোঁ— 'তই চিন্তা নকৰিবি। সকলো ঠিক হৈ যাব। ঈশ্বৰ আছে নহয়।'

মৃত্যুমুখী মানুহজনক জীয়াই ৰখাৰ আশা দেখুৱাই সেইদিনা মই কাপুৰুষৰ দৰে পিতাৰ ওচৰৰ পৰা পলাই আহিছিলো। পিতৃ-ঋণ পৰিশোধ কৰিব নোৱৰাৰ যন্ত্ৰণাত মই ক্ষত-বিক্ষত হৈ পৰিছিলো। সুচিত্ৰাই বুজনিৰ সুৰত কৈছিল— 'তুমি কিয় নিজকে দোষী যেন অনুভৱ কৰিছা। তোমাৰ সামৰ্থ্য অনুসৰি তুমি কৰিছা। আৰু এতিয়াও আমি কৰিম।' সুচিত্ৰাৰ কথাই শৰীৰত বল দিছিল। সকলো পৰিস্থিতিৰ মুখামুখি হ'বলৈ মনত সাহস যোগাইছিল। জীয়াই ৰখাৰ বাহিৰে পিতাৰ সকলো ইচ্ছা পূৰণ কৰাত মোৰ আপত্তি নাছিল। ডাক্তৰৰ কথা মতে পিতাৰ খোৱা-লোৱাৰ ক্ষেত্ৰত থকা বাধা-নিষেধবোৰ উঠাই দিলো। হাঁহৰ মাংস, দেশী ঘিউত ভজা লুচী, মাছৰ দাইলৰ খাৰ, ৰঙালাউৰ বৰ ভাজি... এইবোৰ তেওঁক খাবলৈ দিয়া হ'ল। ফিল্টাৰ উইল্‌ছৰ পেকেট এটা মই নিজে কিনি আনি মনে মনে তেওঁ ঢুকি পোৱা ঠাইত থৈ আহিলোঁ।

দুদিন পিছত সুচিত্ৰাই কন্দনানুৱা হৈ মোৰ আগত যিখিনি কথা ক'লে, তাৰ বাবে মই নিজকে দোষী বুলি ভবাৰ বাহিৰে আন একো কৰিব নোৱাৰিলো— 'মোক তইঁতে সময়তকৈ আগেয়ে মাৰিব বিচাৰিছ নেকি? ইমান সোনকালে মই নমৰোঁ, শুশ্ৰূষা কৰি আমনি লাগিছে যদি হাস্পতালতে পেলাই থৈ আহ।...' ইত্যাদি।

মোৰ দৰেই দৰিদ্ৰ আত্মীয়-স্বজনে উপদেশ দিলে— 'বৰপিতাক/দাদাক/মহাক এবাৰ অমুকক দেখুৱাই আনকচোন। আমি শুনা মতে তেওঁৰ ঔষধ খাই বহুকেইজন ৰোগীয়ে ভাল ফল পাইছে। হোমিঅ'পেথী চিকিৎসা কৰিছেনে? মৰিবতো চবেই লাগিব। কিন্তু জানি-শুনি এজন মানুহক মৃত্যুৰ আগতেই মৃত্যুৰ হাতত এৰি দিয়াটো উচিত নহ'ব।'

মনটো খেলিমেলি হৈ গৈছিল।

সকলোকে ভৱিষ্যতৰ অন্ধকাৰ পথত এৰি দি মৃত্যুমুখী মানুহজনক ধৰি ৰখাৰ চেষ্টাক মই কিয় জানো সমৰ্থন কৰিব পৰা নাছিলো। ইয়াৰ বাবে হয়তো মানুহে মোক স্বাৰ্থপৰ বুলি ভাবিব। কিন্তু মই যে উপায়হীন।

পিতাই মোৰ অসহায় অৱস্থাৰ কথা বুজি পাইছিল। এদিন মোক ওচৰলৈ মাতি নি ক'লে— 'মোৰ কাৰণে চিন্তা কৰিব নালাগে। যিমান দিনৰ আয়ুস আছে, সিমান দিনেই বাচিম। গতিকে চিন্তা কৰিব নালাগে।'

কথাখিনি কোৱাৰ পিছত পিতাৰ দুগালেদি চকুপানী বাগৰি আহিছিল। জীৱনত প্ৰথমবাৰৰ বাবে পিতাক ইমান দুৰ্বল হৈ পৰা দেখিছিলো। উপায় নাপাই কলিকতাৰ সেই কবিৰাজজনৰ ওচৰলৈ লৈ গ'লো। তেওঁ পিতাৰ কোনো চিকিৎসাই নকৰিলে। 'মই মানুহক মিছা আশা নিদিওঁ। এখেতৰ শেষ সময়। পৰিয়াল-পৰিজনৰ লগত এইকেইদিন শান্তিৰে থাকিবলৈ দিয়ক।'

ঘৰলৈ লৈ অহাৰ এসপ্তাহমানৰ পিছত পিতাই সামান্যভাৱে গা দাঙিলে। বয়সতকৈ অধিক বুঢ়া হৈ পৰা মুখখনত হাঁহিৰ দুই-এটা ৰেখা বিৰিঙি উঠিল। লাখুঁটিডাল লৈ অলপ ফুৰা-চকাও কৰিলে। চছমাযোৰৰ গ্লাছ সলনি কৰাৰ কথাও ক'লে। চোতালৰ ৰ'দত বহি নতুন চছমাযোৰ পিন্ধি তেওঁ বাতৰিকাকতো পঢ়িলে। তাৰ পিছত এদিন মোক মাতি ক'লে— 'গাঁৱৰ মাটিডৰাকে বেচি চিকিৎসাৰ খৰচ উলিয়াব পাৰি দেখোন। এইকেইদিন গাটো বেছ

ভাল পাইছোঁ। ভেলোৰলৈ যাব পাৰিলে কিজানি মই ভাল হ'ম।'

মই থৰ হৈ ৰৈ গৈছিলো।

জীয়াই থকাৰ আকাংক্ষাই মানুহক শেষ মুহূৰ্তলৈকে এৰা নিদিয়ে। আচলতে মৰিবলৈ মানুহৰ বৰ ভয়। মৰাৰ পিছত কি হ'ব নহ'ব, তাৰ এটা ধাৰণা যদি মানুহৰ থাকিলেহেঁতেন তেন্তে মৃত্যুভয়ে এনেদৰে বিতত কৰিব নোৱাৰে। পিতাৰ অৱস্থা দেখি মোৰ তেনে এটা ভাব জাগি উঠিছে। ডাক্তৰৰ মতে টকা-পইচা খৰচ কৰি বাহিৰলৈ নিলে তেওঁৰ আয়ুস হয়তো দহ-বাৰ দিন বাঢ়িব, কিন্তু সেই দহ-বাৰ দিনৰ বাবে মই যিখিনি হেৰুৱাম, তাৰ ক্ষতিপূৰণ কোনে দিব? ছোৱালীক ঘৰতে বুঢ়ী কৰি ৰাখি, ল'ৰাক পাণ দোকান এখন দিয়াই হয়তো দুবেলা দুসাঁজ শুদাই-নিকাই খাব পাৰিম, কিন্তু ল'ৰা-ছোৱালীক জন্ম দিয়াটোৱে ডাঙৰ কথা নহয়। ভৱিষ্যতে সিহঁতে নিজৰ ভৰিৰ ওপৰত থিয় দি কিবা কৰি খাব পৰাকৈ গঢ় দিব নোৱাৰিলে পিতৃৰ দায়িত্ব সম্পূৰ্ণ নহয়। পৈতৃক সম্পত্তিৰ নামত থকা গাঁৱৰ সেই মাটিডৰা খেতি কৰি দুমাহলৈ অন্ততঃ চাউল নিকিনাকৈ আমি থাকিব পাৰিছোঁ। ইন্দ্ৰনীল পঢ়াত ভাল। তাক ভাল লাইনত লগাই দিব পাৰিলেহে মোৰ দায়িত্বৰ অন্ত পৰিব। পঢ়ি-শুনি সি কিবা এটা হ'ব —সেই আশাৰে কৃপণৰ ধনৰ দৰে মাটিডৰাত আশ্ৰয় কৰি বহি আছোঁ। মৃত্যুমুখী পিতাৰ জীৱনৰ দহ-বাৰ দিনৰ বিনিময়ত মই মোৰ সন্তানৰ সমুখত অনিশ্চিত ভৱিষ্যৎ জীৱনৰ দুৱাৰ মুকলি কৰি থ'ব নোৱাৰোঁ। অন্ততঃ ইমান স্বাৰ্থপৰ মই হ'ব নোৱাৰোঁ। পিতাই বাৰু এই দিশটোৰ কথা ভাবি চোৱা নাই নেকি?

সেইদিনা পিতাক মই মাটিডৰা বেচাৰ কোনো কথা নক'লোঁ। 'এতিয়াও ভাল গ্ৰাহক পোৱা নাই' জাতীয় কথাৰে মই তেওঁক ফাঁকি দিলোঁ। মোৰ কথা শুনি পিতা নিৰাশ হৈছিল। জোৰ কৰি হাঁহিবলৈ চেষ্টা কৰা পিতাৰ মুখত যন্ত্ৰণাৰ অলেখ ৰেখা স্পষ্ট হৈ উঠিছিল। মোৰ কথাই তেওঁক আঘাত দিছিল। মোৰ দৰে এজন সামৰ্থ্যহীন পুত্ৰই এজন পিতৃক ইয়াতকৈ আৰু কি বেছি দিব? মোৰ দৰে এজন সাধাৰণ কৰ্মচাৰীৰ দুখ আৰু ক্ষোভেৰে ভৰা জীৱনৰ পৰা মোৰ সন্তানক মই মুক্ত কৰিব বিচাৰিছিলো। তাৰ বাবে যদি মই মোৰ জন্মদাতা পিতৃক জীয়াই থকাৰ অধিকাৰৰ পৰা বঞ্চিত কৰিছোঁ, তেন্তে সেই দোষৰ শাস্তি ভোগ কৰিবলৈ মই সাজু আছোঁ। পিতাই কিজানি মোৰ মনৰ কথা বুজি পাইছিল। জীয়াই থকাৰ আশা ভংগ হোৱাৰ যন্ত্ৰণা লৈ ইয়াৰ কেইদিনমানৰ পিছত পিতা ঢুকাল।

পিতাৰ মৃত্যুৱে মোক এটা শিকনি দিছিল।

জীৱনৰ শিকনি।

জীৱনৰ হিচাপ-নিকাচ বৰ জোখমাখৰ। বেপাৰীৰ হেৰা-ফেৰিত নাই। বেজীৰ আগত উঠা সামান্য মাটিও দুৰ্যোধনে পঞ্চপাণ্ডৱক নিদিওঁ বোলা কথাটোৰ দৰেই।

ইন্দ্ৰ জীৱনৰ এই হিচাপ-নিকাচৰ অংকত ব্যস্ত। মোৰ জীৱনৰ সমস্ত সঞ্চিত ধন ব্যয় কৰি সজা তিনিকোঠাৰ সেই ঘৰটোৰ ঠাইত সি তিনিমহলীয়া ঘৰ এটা সজাৰ কথা ভাবিছে। তেতিয়া পিছল মাটিৰ চিৰি বগাই ঘৰলৈ আহিব নালাগে। প্ৰথম মাহৰ দৰমহাৰে ইন্দ্ৰই পকী মজবুত চিৰি বনাই দিছে।

গাঁৱৰ মাটিডৰাত এতিয়াও লহপহকৈ সোণালী শস্যই থোক মেলে। এতিয়াও আমি ছমাহ চাউল কিনি খাব নালাগে। ছোৱালীজনীক বিয়া দিয়াৰ কথাও চিন্তা কৰা হৈছে। তাৰ মাজতেই হঠাৎ সেই আপদীয়া ৰোগটোৱে মোক কাবু কৰি পেলালে। ডাক্তৰে ইন্দ্ৰক কি কৈছে সেয়া মই শুনা নাপালেও, গোটা বস্তুৰ সলনি পনীয়া আহাৰ মোক দিয়াৰ দিন ধৰি মই অনুমান কৰি লৈছিলো— মোৰ আয়ুস টুটি অহাৰ কথা।

সমুখত মৃত্যুদূত দণ্ডায়মান।

কিমানদিন?

ডাক্তৰৰ মতে ঠিক মতে চিকিৎসা কৰিলে এবছৰৰ পৰা ডেৰ বছৰলৈ থাকিব।

এবছৰ বহুদিন। ৰশ্মিৰ বিয়াখন চাই যাব পাৰিম নিশ্চয়। ইন্দ্ৰৰ মুখমণ্ডলত চিন্তাৰ কোনো লেশ নাই। সময়মতে হাস্পতালত ভৰ্তি কৰিছে। সময়ে সময়ে ঔষধ, পথ্য, ডাক্তৰ নাৰ্ছ হাজিৰ। তথাপি কিয় জানো মনত সন্তুষ্টি নাই। ইয়াত এই চিকিৎসাৰে এবছৰ জীয়াই থাকিমনে?

ভগ্ন শৰীৰ। অথচ মনত জীয়াই থকাৰ আশাৰ ৰেঙনি লৈ উজলি উঠা পিতাৰ চকুহাল মোৰ চকুৰ আগত ভাহি উঠিল।

অতীতৰ প্ৰত্যাবৰ্তন ঘটে বৰ্তমানৰ মাজত।

কিবা এক অপৰাধবোধে মনটো জোকাৰি থৈ গ'ল।

'বাহিৰলৈ এবাৰ গৈ আহোঁ নেকি? গাঁৱৰ মাটিডৰা বেচিলে এতিয়া কিজানি ভাল দাম পাম।'—ইন্দ্ৰই হা-না একো নক'লে। সি চকুহাল ডাঙৰকৈ মেলি মোলৈ চালে। নাজানো সি মোৰ চকুহালত কি দেখা পালে? মই কিন্তু তাৰ চকুযোৰসেমেকি উঠা দেখিলোঁ। এই চকুলো কাৰ বাবে? অসহায়তা কাৰ? মোৰ নে তাৰ? ইন্দ্ৰই মোক বাউসীত ধৰি লাহেকৈ বিছনাখনত শুৱাই দিলে।

'আপুনি চিন্তা কৰিব নালাগে। সকলো ঠিক হৈ যাব।'

মই ভালকৈয়ে জানো তাৰ হাতত এতিয়াও ইমান পইচা গোট খোৱা নাই। বিনা চিকিৎসাত সি মোক মৰিবলৈও নিদিয়ে। উপায়? গাঁৱৰ মাটিডৰা!

'সেইবোৰ হ'ব। আপুনি মনটো দৃঢ় কৰি লওক।'

মনটোৱে উৰা মাৰে অতীতলৈ।

মৃত্যুমুখী মানুহ এজনক ফাঁকি দিয়াৰ এটা সহজ উপায়।

হিচাপ বৰাবৰ!! □

● *গল্পকাৰ কটন কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা।*

গল্প গুঞ্জন

# ব্লাণ্ডাৰ

কমল ডেকা

1. d4.

মই মোৰ চিৰাচৰিত, প্ৰিয় মুভটোৱেই দিলো।

কাছপাৰভেও প্ৰত্যাশিত ৰিপ্লাইটোৱেই দিলে।

1........Nf6.

লেখ কাগজত বিন্দু কিছুমানৰ সাম্ভাব্য অৱস্থান অনুমান কৰাৰ নিচিনাকৈ আৰু দুটামান মুভৰ পাছত বৰ্ডৰ পিচ বা মোহৰবোৰৰ অৱস্থান অনুমান কৰি, কিছু পৰিকল্পনা আৰু সম্ভাব্য মুভবোৰৰ ওজন জুখি অৱশেষত সেই 'কুইনছ ইণ্ডিয়ান ডিফেন্স'ৰ কাষ্টমেৰী মুভবোৰেই দি গ'লোঁ।

2. c4............e6
3. Nf3..........b6
4. g3...........Ba6

বিছপ অৰ্থাৎ হাতীটো b7ৰ স্বাভাৱিক স্থানত নেখেলি a6 স্কোৱেৰত খেলাৰ পৰিকল্পনাটো কাছপাৰভৰ নতুন কৌশল— হয়তো মোক কিছু দোমোজা অথবা অপ্ৰস্তুত অৱস্থাৰ মনোবৈজ্ঞানিক চাপত পেলোৱাৰ বাবে।

তথাপি বিশ্বাস আৰু সংশয়বোধৰ এই অপেনিঙৰ— পৰম্পৰা আৰু সংস্কাৰবোধৰ অভিধাৰে সিক্ত এই অপেনিং ছিকুৱেন্সটোৰে খেলখন চলি থাকিল...

5. b3...........Bb4+
6. Bd2...........Be7
7. Bg2...........C6
8. Bc3..........d5
9. Nd2...........Bb7
10.Ne5..........0-0
11. e4...........Na6
12. 0-0..........C5




13. e4xd5...........c6xd5
14. Re1...........c5xd4
15. Bxd4..........Nc5
16. Ng4...........d5xc4
17. Nxc4..........?

ইন্দ্ৰিয়লব্ধ জাগতিক ঘটনাবোৰ পৰ্যায়ক্ৰমে চেতনাপৃষ্ঠত এক সাঁচ বা ইম্প্ৰেচন তাৰ পাছত পৰাম্পৰাপ্ৰদত্ত জ্ঞান আধাৰিত। কিছু কেলকুলেচন কিম্বা প্ৰত্যয়ৰ অনুলেপনৰ এক প্ৰক্ৰিয়াৰেই জীৱনৰ এই অপেনিংবোৰ গঢ় লৈ উঠে। এই অপেনিংবোৰেই সেই প্লেটফৰ্ম য'ৰ পৰা ধাৱমান হয় জীৱনৰ ৰে'লগাড়ী... ঝক্‌ঝক্... ঝক্‌ঝক্... ঝক্‌ঝক্... —প্ৰত্যাশা আৰু প্ৰাপ্তিৰ ষ্টেচন অভিমুখে — ঝক্‌ঝক্... ঝক্‌ঝক্... অবিৰাম গতিত...

'...দাদা চাহ' —ভণ্টীয়ে মেজত চাহকাপ থৈ গ'ল। কিয় জানো ভাব হয় আজিকালি তাই মোৰ লগত পৰিকল্পনা কৰিছে

কথা কয়। কিমানদিন হ'ল তাই মোক নেইল পলিচ বা আইলাইনাৰ এডাল বিচাৰি আব্দাৰ ধৰা নাই। কিমানদিন হ'ল তাই মোৰ এই দীঘল চুলিকোছা টানি বা আউল-বাউল কৰি মোক জোকোৱা নাই।

সন্ধতে যে তাই মা আৰু নিছেছ শুক্লাৰ কথা-বতৰাবোৰ বৰ মনোযোগেৰে শুনি আছিল। তেওঁলোকৰ বাবে আপাত গুৰুত্বহীন সময় আৰু কথাৰ মহলাৰ পৰাই, বুজা-নুবুজা ছাঁ-ধূসৰতাৰ সেই পাৰিপাৰ্শ্বিকতা— ভাব বিনিময়ৰ সেই পৰিৱেশনৰ পৰাই টুকুৰা টুকুৰা উপাদানবোৰ সংগ্ৰহ কৰি হয়তো তাই নিজৰ এখন জগত— একান্তভাৱে নিজৰ মনোজগতখন তৈয়াৰ কৰিছে— তৈয়াৰ কৰিছে নিজা অপেনিং ভেৰিয়েচন— ৰুই ল'পেজ, চিচিলিয়ান অথবা ইভানছ গেমিট।

সোতৰ নম্বৰ মুভটো কাছপাৰভে এতিয়ালৈ দিয়া নাই— বহুসময় লৈছে। হয়তো কাছপাৰভে Bxg2 খেলিব পাৰে— পাছে লাভ নাই। কাৰণ তাৰ পাছতেই (18.Rxe71!....Qxe7 19.Nxf6+...gxf 20.Qg4+....K h8 21 Qf4...Nd7 22.K. xg2) আৰু কেতবোৰ জটিল সম্ভাৱনা। দবাতো আৰু এতিয়া কাপাব্লাংকাৰ দিন নাই যে কেৱল ইন্টিউচনেৰেই...

এতিয়াতো হিচাপ-নিকাচৰহে খেল।

এই কিটিপটো হয়তো ভণ্টীয়ে বুজি উঠিছে। এভ্ৰিথিং ইজ প্ৰগ্ৰামড্— অদৰকাৰী আৱেগৰ বাবে সময় নাই।

এনেদৰেই— এনেদৰেই চেতনাৰ কেনভাছত সংজ্ঞা আৰু অভিধাৰণাৰ মৃদু অথবা ষ্ট্ৰং ব্ৰাছ ষ্ট্ৰেকবোৰৰ বুলনিত —স্পষ্ট-অস্পষ্ট প্ৰতিভাসৰ মাজেৰে প্ৰাণ পাই উঠা এটা নিৰ্দিষ্ট অপেনিঙৰ মুভবোৰেৰে তাই আগবাঢ়ি যাব— প্ৰত্যাশা আৰু প্ৰাপ্তিৰ ষ্টেচন অভিমুখে— আৰু টুকুৰিয়াব মিডলগেমৰ দুৱাৰত— টক্‌টক্ টক্‌টক্...

******

কিন্তু কাছপাৰভে মই ভবা মুভটোৱেই দিলে—

17.....Bxg2

নৌকা বলিদান দিয়াৰ জটিলতাখিনি পৰিহাৰ কৰি ময়ো শান্তভাৱে 'হাতীৰ বিনিময়' গ্ৰহণ কৰিলো— 18.Kxg2.

18........Nxg4

কাছপাৰভে সমতা প্ৰতিষ্ঠা কৰিব বিচাৰিছে। সাধাৰণতে এণ্ডগেমলৈ ব্লেকৰ ষ্ট্ৰেটেজী সেইটোৱেই।

19. Qxg4......Bf6

20. R(a)d1......Bxd4

অইন এটা সম্ভাৱনাও আছিল— যথাক্ৰমে...

(20......h5!

21. Bxf6....hxg

22.Bxd8....Rfxd8)...আৰু কাছপাৰভৰ সুন্দৰ ড্ৰৰ সুযোগ।

23. Rxd4... Qc7.

এটা শান্ত পৰিস্থিতি।

কেনেকৈয়ে আমি পুৰাতন বিশ্বাসৰ শেলুৱৈ ধৰা খটখটিৰে বগুৱা বাই আহি আহি পুনঃ অবিশ্বাস আৰু শংকাবোধৰ সুৰংগতে ভৰি দিওহি! ধূতি-কামিজৰ সেই শুধ বগা 'গেইট আপ'টো জীৱনৰ আখৰাঘৰত কিদৰে যে আমি সলাই লওঁ! কিয় যে এই মেটামৰফ'ছিছ হৈ যায়? অথচ জন্মতে কোনেওতো ৰাৱণৰ নিচিনা হ'ম বুলি নাহে।

দৰাচলতে পৰম্পৰাগত বিশ্বাসৰ স্বতন্ত্ৰ চলকটোৱে আমাৰ গতানুগতিক কেটৰাকৰ ৰেম্পটো তৈয়াৰ কৰি দিয়াৰ পাছত— পৰীক্ষাৰ উত্তৰবহীত, 'দ্যা মেন আই এডমায়াৰ ম'ষ্ট'ৰ ৰচনাত গান্ধী কিম্বা আইনষ্টাইনৰ ৰচনাৰ পৌনঃপৌনিক আবৃত্তিৰে সেই ৰেম্পত খোজকাঢ়ি গৈ থাকোঁতে, হঠাতেই এক মিডলগেমৰ ক্লাইমেক্সত বেতিয়া অকলেই— হৃদয়ৰ সমস্ত নিঃসংগতাৰে পাৰিপাৰ্শ্বিকতাৰ সমুখীন হওঁ— জীৱনৰ প্ৰশ্নপত্ৰত সাঁচায়ে কেতবোৰ 'অকৰার্ড' প্ৰশ্নৰ সমুখীন হওঁ— ইমানদিন গান্ধী-আইনষ্টাইনৰ সমান্তৰালকৈ, অৱধাৰিতভাৱে নিজৰ বাবেও তেনে এটা ব'ল নিৰ্মাণ কৰি গৈ থাকোঁতে জীৱনৰ বি 'দূৰৰ পাহাৰ'ৰ নিচিনা এটা শোভাসৰ্বস্ব ৰূপ গঢ় লৈ উঠে, সেই শোভাসৰ্বস্ব ৰূপটোৰ মোহভংগ ঘটে আৰু অৱধাৰিতভাৱেই সেই চিৰন্তন মেটামৰফ'ছিছ ঘটে।

আচলতে জীৱনৰ ফুটপাথত পল গঁগাৰ অৱহেলিত ন্যুডবোৰ দেখি দেখি— প্ৰচুৰ সম্ভাৱনাময় ভেন গঁগবোৰৰ ডিপ্ৰেছনত আত্মহত্যাৰ খবৰবোৰ শুনি শুনি আমাৰ আগৰ সপোনবোৰৰ মৃত্যু ঘটে— মহা আৰামেৰে চোবাই অহা সপোনৰ ছুইংগাম মুখতেই বিস্বাদ হয়...

দেখা যায় পৰম্পৰাপ্ৰদত্ত চিন্তা-ভাৱনা, সংস্কাৰ-বিশ্বাসৰ এই অপেনিংবোৰৰো পৰিসৰ সীমিত। জীৱনৰ মিডল বা প্ৰি মিডলগেম পৰ্যায়লৈহে এক নিৰাপত্তাবেষ্টিত, একান্ত নিৰ্ভৰতাৰ সাঁকোখনেৰে আগবাঢ়িব পাৰি— অভিভাৱকে পৰীক্ষাগৃহলৈ সন্তানক আগবঢ়াই দিয়াৰ দৰে— বাকীখিনি নিজৰ— up to you.

আনৰ আঙুলিত ধৰি ইমান বাট বুলাৰ পাছত, একান্ত নিৰ্জনতাত স্বাভাৱিকতে প্ৰশ্ন হয়— Where am I going ? which way to go?

সেইদিনা তাপসেও এনে এটা প্ৰশ্নই কৰিছিল। একালে 'এটকাও ঘোচ নিদিওঁ' বুলি বাপেকৰ অৰ্থহীন আৱেগৰ আদৰ্শ— সেই আদৰ্শ সংগত কৰি তাতোধিক অৰ্থহীন হৈ পৰা 'ভাল বিষয়'ৰ ভাল নম্বৰৰ মাৰ্কছিটকেইখন— ঘটনাবিন্যাসৰ ফলশ্ৰুতিত প্ৰায় সমান্তৰালভাৱে নীলাঞ্জনাক— তাৰ নীলাক হেৰুওৱাৰ আশংকা... আৰু অইন এফালে প্ৰাপ্তি আৰু প্ৰাচুৰ্যৰ আকাশলংঘী বেনাৰ— সহজেই বুজা যায় সেয়া মিছা... ৰঙীন— কেৱিকেটেড আৰ্টিফিচিয়েল— বুজা যায় সেয়া কেতবোৰ অদৃশ্য মকৰা জালৰ কম্বিনেশ্বন— মিডলগেম ট্ৰেপ— আৰু এনে কেতবোৰ সুযোগ,

প্ৰতিশ্ৰুতি আৰু সম্ভাৱনাৰ খেলিমেলিৰ মাজত নিজক হেৰুওৱাৰ আশংকা...।

এফালে প্ৰেমিকাক হেৰুওৱাৰ ভয়... অন্যফালে নিজক— নিজৰ ভিতৰৰ একান্ত মানুহটোক কোনটো পথ লোৱা যায়?

******

Which line of play to adopt?

উত্তেজনাপূৰ্ণ মিডলগেমৰ ক্লাইমেক্সত— ব্লেকৰ সুন্দৰ, সাৱধানী কুইন মুভটোৰ পৰিপ্ৰেক্ষিতত ময়ো তাপসৰ প্ৰশ্নটোৱে কৰিছো— কোনটো পথ লম— জিকাৰ, নে এক শান্ত-চাপশূন্য ড্ৰৰ?

ময়ো সেই চিৰন্তন দ্বিধাত ভৰি থৈছো। ...আচলতে মই (21.......Qf6) আশা কৰিছিলো— আশা কৰিছিলো (22.Nd6) খেলিম। কিন্তু....

22.Nd6....Ne6

ব্লেক অৰ্থাৎ কাছপাৰভে ব্লাণ্ডাৰ মাৰিলে?

******

কিল্লাকুটিৰ এক বিশেষ কায়দাৰে সি বটলটোৰ ঢাকনিখন খুলিলে আৰু ডিম্বপ জেবল গ্লাছ দুটাত অসমানুপাতত পানী আৰু ৰঙীন পানীয়ৰ চিৰাচৰিত মিশ্ৰণটো তৈয়াৰ কৰিলে।

তাপস বহুজাতিক কোম্পানী এটাৰ ছেলছ মেনেজাৰ। সপ্তাহৰ অন্তিমটো দিন সি মোৰ লগত এনেদৰেই যাপন কৰে। ৰঙীন পানীয়ৰ পাতল অথবা কাঢ়া পেগবোৰৰ মাজেদিয়েই সি মোক সপ্তাহটোৰ খতিয়ান দিয়ে। ঘটনাৰ কেন্দ্ৰবিন্দুত নিজকে স্থাপন কৰি— ক্ৰমাগত উত্তেজনাৰ নানা মুদ্ৰাৰে, লগতে পানীয়ৰ জৈৱ ৰাসায়নিক উত্তেজনাখিনি আছেই— সি বৰ্ণনা কৰে তাৰ যোৱা সপ্তাহৰ এডভেঞ্চাৰ— কেনেকৈ কোনটো কাষ্টমাৰক 'টুপী' পিন্ধালে— সপ্তাহৰ টাৰ্গেট তিনিটা 'বাক্ৰা' কেনেকৈ যোগাৰ কৰিলে— কেনেদৰে হাতে লিখা ৰচিদেৰেই গাঁৱলীয়া মক্কেলটোক 'পট্টি পঢ়ালে'— কম্পিউটাৰত স্কেন কৰা ভুৱা ৰচিদেৰে কিমান বাহিৰা ইনকাম কৰিলে... আৰু এনে সময়তে মই তাৰ এই 'বাক্ৰা' বা 'মক্কেল'বোৰৰ অৱস্থানত থিয় হৈ ঈছপৰ সাধুটোলৈ মনত পেলাওঁ— দুৰ্বল, বেমাৰী কুকুৰাটোক বুঁজত হৰুৱাই টিলাৰ ওপৰত উঠি বিজয় অস্তিত্ব ঘোষণা কৰা সেই কুকুৰাটোক এটা ঈগলে যে উৰুৱাই লৈ গৈছিল। সুপৰিকল্পিত মকৰাজালৰ গৰাকীও ফান্দত পৰে— অইন সুচতুৰ ফান্দ বা ফান্দৰ গৰাকীৰ হাতত। চব ট্ৰেপিঙৰ খেল।

বিশাল দবা বৰ্ডৰ সিও এটা সামান্য মোহৰহে। চাকৰিটো জীয়াই ৰাখিবলৈ সি কাষ্টমাৰক ঠগে— একেদৰে নিজৰ পদটো জীয়াই ৰাখিবলৈ টীম লীডাৰে তাক ঠগে। টীম লীডাৰক গ্ৰুপ লীডাৰে, গ্ৰুপ লীডাৰক এৰিয়া মেনেজাৰে, এৰিয়া মেনেজাৰক এইচ আৰে, এইচ আৰক হয়তো কোম্পানীৰ মালিকে, কোম্পানীৰ মালিকক আকৌ টকা আৰু ষ্টেটাছৰ দৌৰে— এনেদৰেই অদৃশ্য টনাটনি... ঠগবাজি আৰু অজস্ৰ ট্ৰেপিঙৰ কৌশলী জালবোৰেৰে এই বিশাল দবা বৰ্ড গঠন হয়... আৰু মোহৰবোৰে দৌৰি থাকে— তাপসৰ দৰে। ষ্টেণ্ডাৰ্ড ফৰ্ম, বেংক ড্ৰাফ্‌ট, চালানৰ কিউ— টিউচনৰ এ প্লাছ বি হ'ল স্কোৱেৰৰ দৈনন্দিন আবৃত্তি বনাম এজাক অমনোযোগী ছাত্ৰৰ কোৰ্হাল— নীলাঞ্জনাৰ বিয়াৰ প্ৰস্তুতিৰ টেনছন— দেউতাকৰ সাম্যবাদ আদৰ্শৰ অনৰ্থক— সমূলি অপ্ৰাসংগিক ৰিহাৰ্ছেল— মাক-ভনীয়েকৰ অসহায় শুকান, ৰুগ্ন মুখৰ কৰুণ চাৱনি তথা চকুৰ পতাৰ তলত লুকাই থকা কান্দোনবোৰ— বহুমাত্ৰিক পাৰিপাৰ্শ্বিকতাৰ অলেখ অজস্ৰ এই 'পিন'বোৰেৰে ভাৰাক্ৰান্ত 'পিনড পজিছন'ৰ এই মিডলগেমৰ পৰিমণ্ডলটোত পাৰ চৰায়ে ৰুণ দি দি ঘূৰি থকাৰ নিচিনাকৈ ঘূৰ্মুতিয়াই থাকোঁতে সি যে অত্যন্ত অসহায়ভাৱে ট্ৰেপ্‌ড হৈ পৰিছে।

ট্ৰেপিঙৰ যিবোৰ কৌশলী জাল গুঠি এই বৰ্ডখন প্ৰতিষ্ঠা কৰা হয়, এই জালবোৰৰ বিন্যাসটো লক্ষ্য কৰিলে খুব সহজেই মেট্ৰ' লাইফৰ এটা অবিন্যস্ত ইনছিকিউৰড ৰূপ ধৰা পৰে। সি কাষ্টমাৰক ঠগে। কাৰণ সি সুৰক্ষিত নহয়— একেদৰে টীম লীডাৰেও তাক ঠগে, কাৰণ টীম লীডাৰ নিজেই অসুৰক্ষিত।

'ফাইনেলী কি ভাবিছ?'

'ভাবিবৰ কি আছে— এৰি দিছোঁ— আই হেভ ছাৰেণ্ডাৰ্ড।'

তাপসৰ ব্ৰেক-আপ হৈছে। নীলাঞ্জনা হেনো ফেড-আপ— একেটা ৰিলেশ্যনকে আৰু কিমান ঘেঁহাই ঘেঁহাই...

কিন্তু এয়া ফৰ্মেলিটিহে। আচল কাৰণটো তাপসেও জানে, ময়ো জানো। আনকি আমি জানো বা বুজি পাইছোঁ বুলি হয়তো তাৰো জানে। আস্ অৱশেষত তায়ো গেম খেলিলে। জীৱনৰ দবা বৰ্ডত নীলাঞ্জনা নামৰ 'কুইন'টোৰ সহায়তে সি তাৰ মিডল গেম সজাইছিল। আৰু অৱশেষত 'ষ্টেটাছ মেইণ্টেনেন্স' নামৰ জনা-শুনা মিডলগেম ট্ৰেপিঙৰ জালত, ইঞ্জিনিয়াৰৰ মাধ্যমত অইন এটা শক্তিশালী মোহৰৰ হাতত তাই আত্মসমৰ্পণ কৰিলে।

ইয়েছ, ইয়েছ মই ঠিকেই অনুমান কৰিছোঁ... তাপস মাষ্ট ৰিজাইন নাও, হিজ কুইন বিং ট্ৰেপ্‌ড।

কম্পিত ভাবনাত ৰাতি সপোন এটা দেখো প্লাৱন আহিছে— চাৰিওপিনে। ঘৰ-বাৰী, মানুহ, গৰু-ছাগলী, গছ-বিৰিখ উটুৱাই লৈ যায়। অ'ত-ত'ত এডাল-দুডাল বৃক্ষ থাকি যায়— সোঁতত ভাঁহি নোযোৱাকৈ। মাটিৰ স'তে শেষ সম্পৰ্কক সাব্যস্ত কৰাৰ প্ৰয়াসেৰে এই হালি পৰোঁ, এই হালি পৰোঁ অৱস্থা...

******

মই ৰণক সপোনটোৰ অৰ্থ সুধিলোঁ। সি উৎসাহিত হ'ল— 'বেল, চোৱা এয়া গ্ল'বেলাইজেচনৰ ইংগিত। যি প্লাৱন আহিছে সেয়া হ'ল পুঁজিবাদী নেতৃত্বত চলা ভোগবাদী সংস্কৃতিৰ ঢল।'

'আৰু শিপাক খামুচি ৰাখিব বিচৰা গছকেইডাল?'

'সেয়াই কমিউনিজমৰ প্ৰতীক। সঁচাই— একমাত্ৰ কমিউনিজমেহে সামাজিক স্থিৰতা বৰ্তাই ৰাখিব পাৰিব—

গ্ল'বেলাইজেচনৰ এই ভোগবাদী বন্যাক প্ৰতহিত কৰিব পাৰিব। আৰু চোৱাচোন প্ৰতীকটো কি সুন্দৰ হৈছে মাটিৰ লগত, শিপাৰ লগত সম্পৰ্ক ৰাখিব বিচৰা গছকেইডাল— গছো নহয়, সেইকেইডাল বৃক্ষহে। আকাশ ধিয়াব খুজিও মাটিৰ স'তে সম্পৰ্ক। এৰা... এৰা এয়া কমিউনিজমৰে আদৰ্শ— খাটিখোৱা মেহনতী শ্ৰমিক কৃষকৰ সঁচা তেজ, কেঁচা মাটিৰ গোন্ধ।'

সাম্যবাদক লৈ সি বেছ উৎসাহিত। ষ্টেপ বাই ষ্টেপ কেলকুলেচনৰ নিখুঁত আখৰাৰে পইণ্ট বাই পইণ্ট সি মোক কৈ যায় কেনেকৈ কমিউনিজমে চীনদেশৰ চেহেৰাই সলনি কৰি দিলে— 'লুক হাউ চাইনা হেজ প্ৰগ্ৰেছ্ড।

চাইনা— দ্যা ফাষ্টেষ্ট গ্ৰ'ৱিং ইকন'মি।

চাইনা— দ্যা লাৰ্জেষ্ট মেন্যুফেকচাৰাৰ অব ইলেক্‌ট্ৰিক গুড্‌ছ এণ্ড চাইনা অভাৰ অল ইজ দ্যা মষ্ট ইম্পৰটেণ্ট কাণ্ট্ৰি আফতাৰ এমেৰিকা। অথচ ১৯৪৭-৫০ৰ সময়ছোৱাত চীনৰ অৱস্থা ভাৰতৰ দৰেই আছিল— দৰাচলতে ১৯৭৮লৈ খুব তাৎপৰ্যপূৰ্ণ একো প্ৰগতি নাছিল। কিন্তু তাৰ পাছতেই কমিউনিষ্ট শাসকসকলে...

ইফালে ছোভিয়েট ৰাছিয়ালৈ চোৱা। কমিউনিজম থকালৈ তাত জয়জয়-ময়ময় —সাহিত্য-সংস্কৃতি, খেল-ধেমালি, বিজ্ঞান-প্ৰযুক্তিবিদ্যা সকলো দিশতে। কিন্তু এতিয়া চোৱা, কমিউনিজমৰ পতনৰ লগে লগে দেশো গ'ল— সেই জয়জয়-ময়ময় পৰিৱেশো অন্তৰ্হিত হ'ল।'

ৰংচঙীয়া ফেব্ৰিকেশ্বনেৰে চীনদেশৰ যিটো প্ৰফাইল সি মোৰ আগত দাঙি ধৰিছে, ধাৰণা হয় ই সাৰ্বিক নহয়। ডাটাবেছৰ কৌশলী অভিক্ষেপণেৰে, বাহ্যিকতাসৰ্বস্ব বিজ্ঞাপনৰ এই মেক-আপবোৰে মাত্ৰ মেনুপুলেচনৰ পথহে প্ৰশস্ত কৰে— কাৰোবাৰ ব্যক্তিগত ইচ্ছা-অভিৰুচি, বিশ্বাসৰ সাঁচত ঢাল খোৱাকৈ। বজাৰৰ ভালৰো ভাল বুলি বাছি অনা, স্বাদযুক্ত ব্যঞ্জনৰ প্ৰতিশ্ৰুতি বহন কৰা পাচলিতেচোন পোক ওলায়।

...তাতেওতো ভয়ংকৰ নিবনুৱা সমস্যা আছে— জনমূৰি আয় নগণ্য। সাম্ৰাজ্যবাদৰ নাম শুনিলেই জগতৰ সমস্ত ক্ষোভ তাৰ মুখত পঞ্জীভূত হয়, কিন্তু  সেই সাম্ৰাজ্যবাদৰ জখলাৰে, বজাৰ নীতিৰ ছিৰিবোৰেৰেই জানো চীনে সাফল্যৰ অট্টালিকাৰ চূড়াত আৰোহন কৰা নাই?

নাই. ..নাই তাক এইবোৰ কৈ লাভ নহ'ব। সি ইতিমধ্যেই তথ্যৰ দাস হৈ পৰিছে— ৰূপান্তৰৰ সেই মেটামৰফ'চিছ তাৰ মাধ্যমেদি সম্পন্ন হৈ গৈছে।

তাৰ মতে—

'আচলতে সমাধানটো সহজ, যদিহে প্ৰব্লেমটো কি কাৰণে গা কৰি উঠিছে তাক বুজা যায়। ৰাম মন্দিৰ-বাবৰি মছজিদ বিবাদৰ কথাই ধৰা। তুমি ভাবা নেকি যে সেই ঠাইৰ হিন্দু-মুছলমান এই দুই সম্প্ৰদায়ৰ এই সাধাৰণ মানুহখিনিৰ মন অসূয়া-অপ্ৰীতিৰে ভৰি আছে আৰু তাৰে ফল হ'ল এই দীৰ্ঘকালীন বিবাদ? নহয় শুনা— সাধাৰণ মানুহখিনিয়ে সদায় মিলি থাকিব জানে। চাউলমুঠি যোগাৰ কৰোঁতেই উদয়াস্ত শ্ৰম কৰা মানুহবোৰৰ কূটনৈতিক চিন্তাৰ সময়েবা ক'ত? কিন্তু তথাপি তেওঁলোকে মিলি থাকিব নোৱাৰে। কাৰণ ৰাজনৈতিক নেতা-পালিনেতা, ধৰ্মগুৰুৱে তেওঁলোকক নিয়ন্ত্ৰণ কৰি আছে। যৰৰ আৰামী ছ'ফা-ছেটৰ ওপৰত বহি, ৰিম'ট কণ্ট্ৰলৰ বুটাম টিপি সৰ্বসাধাৰণৰ জেনুইন ছেণ্টিমেণ্টৰ মুনাফা লুটি আছে...'

আৰম্ভ হৈ গ'ল। আৰম্ভ হৈ গ'ল তাৰ পলিটিকেল ফাণ্ডা— হাজাৰ বছৰীয়া নাটক এখনৰ সস্তীয়া অথচ দুৰন্তভাৱে পপুলাৰ সংলাপবোৰৰ উদাত্ত প্ৰক্ষেপণ।

ব্লাণ্ডাৰটো ক'ত পৰিছে সেই কথা মই নিজে বুজি পালেও তাক বুজাব নোৱাৰিম। বুজাব নোৱাৰিম যে প্ৰব্লেমটোৰ উৎস পলিটিচিয়ানকেইটা বা তেওঁলোকৰ মুনাফা নহয়, যদিওবা জনসাধাৰণৰ আৱেগৰ মুনাফা তেওঁলোকে পায়ে আছে বা থাকে। আচলতে তেওঁলোকে ছিষ্টেমটো বৰ্তাইহে ৰাখিব বিচাৰে। ব্লাণ্ডাৰটো অক্ষুণ্ণ ৰাখিব বিচাৰে— যাৰ দ্বাৰা তেওঁলোক লাভৱান হয়। দৰাচলতে, এই কামবোৰ তেওঁলোকে কৰে যান্ত্ৰিকভাৱে, প্ৰায় মুখস্থ কৰাৰ নিচিনাকৈ পৰম্পৰাপ্ৰদত্ত অভিজ্ঞতাৰ ভিত্তিত— সাধাৰণতে বহুতে ভবাৰ দৰে, ৰণহঁতৰ মেনুফেষ্টত চূড়ান্ত সত্যৰ ৰূপত জিলিকি থকাৰ দৰে এই প্ৰক্ৰিয়াটো গ্ৰেণ্ডমাষ্টাৰ গেমৰ কেতবোৰ ছাবটিউল মুভ নহয়।

মই তাক বুজাব নোৱাৰিম যে আপাতদৃষ্টিত জেনুইন যেন লগা ছেণ্টিমেণ্টখিনিয়েই কৃত্ৰিম— চিন্তাবিহীনভাৱে কেৱল অনুকৰণ কৰা। তথাকথিত ছিষ্টেম চেঞ্জৰ বাবে এই 'হোজা' মানুহখিনিয়েই কিছু বুদ্ধিমান হ'ব লাগিব— 'ভগৱান অন্তৰত থাকে'— কিতাপৰ এই কথাষাৰ বাস্তৱতো সমানেই প্ৰযোজ্য বুলি ভাবিব পাৰিব লাগিব। সেই যে কাৰ্টুনটো— 'কিতাপতহে গছ কটা নিষেধ, বাস্তৱত মই তোমাক কাটিবই লাগিব', তাৰ ছাব টেক্সট বুজি পাব লাগিব। মই তাক এই কথাও বুজাব নোৱাৰিম যে চিন্তাহীনভাৱে গঢ়ি তোলা এনে বিশ্বাস-সংস্কাৰ কিছুমানেই, প্ৰথমে এক ব্যক্তিগত ভিত্তিত, পৰ্যায়ক্ৰমে বিস্তাৰৰ এক নিৰৱচ্ছিন্ন প্ৰক্ৰিয়াৰে এক সামাজিক ৰূপ পৰিগ্ৰহণ কৰে আৰু সৰ্বশেষত বিশ্বাসৰ এই সামাজিক ৰূপটোৱেই এক স্বতন্ত্ৰ চলকৰ ভূমিকা লৈ মানুহৰ খোজবোৰ, হৃদ্‌কম্পনবোৰ নিয়ন্ত্ৰণ কৰে। ভাব হয় এইক্ষেত্ৰত নেতা-ধৰ্মনেতাবোৰ ইৰেশ্বনেল প্ৰক্ৰিয়া এটাৰ অবাঞ্চিত, অপ্ৰত্যাশিত উপভোক্তা।

আৰু শেষত যে সি ক'লে কমিউনিজমে এইবোৰ সমস্যা সমাধানৰ একমাত্ৰ উপায়— বাঃ ৰণ বাঃ চাব্বাচ— পক্ষপাতবিহীন ৰাজনৈতিক স্থিতি জাহিৰ কৰিব বিচাৰি তুমি দেখোন নিজেই এটা 'পেৰেডক্স'লৈ সোমাই গ'লা, যিটো 'পেৰেডক্স' মই দেখিছিলো সেইদিনা এটা সপোনত... তুমি এটা ওখ টিলাৰ ওপৰলৈ উঠি গৈছা— হাতত এখন নিচান— তোমাৰ আগে পাছে এটা সমদল — হাতত একেই নিচান...

******

23. Rxe6...........h5
24. Qe4...........fxe6
25. Qxe6+...........Kh7
26. Rd5?...........g6
27. Ne4...........Rd8
28.Ng5+...........kg7
29. Qe4...........Re8
30. Qd4+?

ময়ো ব্লাণ্ডাৰহে মাৰিলো নেকি শেষত? কাৰণ

(30.Ne6+...........Rxe6
31. Qd4+...........Re5
32. Qxe5...........Qxe5
33. Rxe5...........Kf6

আৰু (34.Re2...) এই লাইনটোৰে মই মোৰ অতিৰিক্ত প'নটো মন্ত্ৰীলৈ প্ৰম'ট কৰিব পাৰিলোহেঁতেন।

******

ৰণে কয় জীৱনৰ এক এলগ'ৰিথিম আছে— সঠিকভাৱে জীৱন নিৰ্বাহ কৰাৰ এক পদ্ধতি আৰু সেয়া কমিউনিজম।

নাঃ ভাব নহয়— ভাব নহয় যে জীৱনৰ এক অংকৰ সূত্ৰৰ দৰে এলগ'ৰিথিম আছে— তেনেদৰে সুখী জীৱন বা সুখী সমাজৰ কোনো ফৰ্মুলা আছে বুলিও মই নাভাবো। এনে কোনো অপেনিং নাই যাৰদ্বাৰা জীৱনৰ দবা ব'ৰ্ডত নিশ্চিত জয় সাব্যস্ত কৰিব পাৰি— সকলো নিৰ্ভৰ কৰে জীৱন নামৰ গেমটো কি দৃষ্টিভংগীৰে গ্ৰহণ কৰা হয় তাৰ ওপৰত। এনেদৰেই ৰণে এটা ব্লাণ্ডাৰ মাৰিছে।

নিকিতা ওৰফে নিকিয়েও একেধৰণেই, ভাবাদৰ্শৰ একেৰস্তী নিচান এখনেই উৰুৱাব বিচাৰিছিল। নিশা দেৰিকৈ ঘৰ সোমোৱাৰ কাৰণ দৰ্শাই দেউতাকক কৈছিল— 'হোৱাই আৰ য়ু ছ' পজেচিভ, ডেড— আই এম ন' ম'ৰ আ কিড নাও।'— আলেকজেণ্ডাৰৰ দৰ্পৰে শিখৰ পাইছিলেই চাগৈ— ব্লাণ্ডাৰ মাৰিলে, খহি পৰিল— পপীয়া তৰাৰ দৰে।

'মুঠতে ডাইলেমা'— প্ৰচলিত সমাজ ব্যৱস্থাক গালি পাৰি ৰণ কেতিয়াও নাভাগৰে— 'আমি এডুকেটেড, আধুনিক হ'ব কেতিয়াও শিকা নাই। বাকী দেশবোৰৰ অগ্ৰগতি চোৱাচোন— কিন্তু আমি এলান্ধুকলীয়া গোড়ামি কেতবোৰকে সাবটি, বিশ্বাস আৰু আধ্যাত্মিকতাৰ দোহাই দি, দিনে দিনে আগবাঢ়িম চাৰি পাছ পৰিহে গৈছোঁ। আমি মুক্ত আধুনিক হ'বই শিকা নাই। কেৱল ভণ্ডামি— মোৰ বন্ধু স্বাতীৰ কথা শুনা। সপ্ৰ'তিভ ছোৱালী— কথা-বতৰা, সাজ-পোছাক, ব্যক্তিত্ব সকলো ফালৰ পৰা। অদৰকাৰী শুচিবায়ুগ্ৰস্ততা নাই। তাইৰ এক বা একাধিক বয়ফ্ৰেইণ্ড আছে। খোৱা, পিয়া, মৌজ কৰা— এয়া তাইৰ কথা। দৰাচলতে ভণ্ডামিৰ আঁৰত এয়া আমাৰ সকলোৰে কথা— মাত্ৰ আমি কৃত্ৰিম বিনয়েৰে সেয়া লুকাই ৰাখো, তাই ষ্ট্ৰেইট ফৰৱাৰ্ড কৈছে। যি নহওক, লেটছ কাম ট্যু দা আদাৰ ছাইড অন হাৰ পাৰ্ট— তাই এখন সংস্কৃতিৱান ঘৰৰ ছোৱালী। ফেমিলি আউটিঙত গ'লে তাই ট্ৰেডিচনেল পোছাক পিন্ধিবই লাগিব, ইচ্ছা নগ'লেও। ৰিচুৱেলবোৰো আখৰে আখৰে মানিবই লাগিব। মুঠতে সংস্কৃতিৱান ঘৰৰ ছোৱালী হিচাপে তাই সেইবোৰ আচৰণেই কৰিব লাগিব যিবোৰ আচৰণ এজনী সম্ভ্ৰান্ত ঘৰৰ ছোৱালীৰ চৰিত্ৰত শোভা পায়— অতি কমেও তেনে এটা অভিনয় তাই কৰিবই লাগিব। যদিওবা তাই ভালপোৱা ল'ৰাজন এজন উদীয়মান কবি অথবা গল্পকাৰ, তাই জানে তাই ল'ৰাজনৰ লগত বিয়াত বহিব নোৱাৰে। কাৰণ ইয়াৰ দ্বাৰা গোটেই ঘৰখনতে এটা শ্বক পৰিব। অৰ্থাৎ তাইৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ঘটনাটোও, সাংস্কৃতিক গোড়ামিৰ এই 'বেকৱাৰ্ড পুল'টোৰ বাবেই মাত্ৰ এক কম্প্ৰমাইজ হৈ পৰিব।

চোৱা— সমাজনিৰ্ধাৰিত এক প্ৰি-এছাইনড ৰ'ল কৰিব যাওঁতে— সম্ভ্ৰান্ত, ৰুচিশীল ছোৱালীৰ ছ' কল্ড ইমেজটো চেতনাত কঢ়িয়াই লৈ ফুৰোঁতে ফুৰোঁতে তাইৰ আচল ইমেজটো — ইমেজৰ মেক-আপৰ ভিতৰত লুকাই থকা আচল মানুহজনী কিদৰে হেৰাই থাকিল।

সাংস্কৃতিক গোড়ামিৰ পশ্চাদমুখী টানটোৰ বাবেই হয়তোবা হেৰাই থাকিল— কিন্তু নিকি কিয় হেৰাই থাকিল— তাইতো ওলাই আহিছিল এই ট্ৰেডিচনেল ৰ'লটোৰ পৰা— তাইটো 'হোৱাই চুড্ বয়জ হেভ অল দ্যা ফান' বুলিয়েই মিডলগেমত ভৰি থৈছিল, তেনেস্থলত হঠাতে কিয় তাই ফেড-আপ হ'ল— জীৱনৰ প্ৰতি?

হয়তো এটা ট্ৰেডিচনেল ৰ'ল কৰি তেওঁলোক ভাগৰি পৰিছিল— হয়তো পাকঘৰ, চুৱাপাতনি, গৰ্ভধাৰণ, স্তনপানৰ এই প্ৰাত্যহিক, কাষ্টমেৰী মুভবোৰৰ একঘেয়ামিৰ পৰা অলপ মুক্তি বিচাৰিছিল তেওঁলোকে— হয়তো কিছু থ্ৰিল বিচাৰিছিল তেওঁলোকে।

নিকিয়ে স্বাধীনতা ঘোষণা কৰিছিল— We'rs no more kids now- why possesive?

কিছু গভীৰভাৱে চালে, নিকিৰ বক্তব্যৰ পৰা বিচ্ছুৰিত অনুনাদ এক সামূহিক পৰ্যায়লৈ বিস্তাৰ কৰিলে— ব্যক্তিগত নিকিবোৰৰ পৰা নিকিতাহঁতলৈ সম্প্ৰসাৰিত কৰিলে এয়া এক সামগ্ৰিক কণ্ঠস্বৰ যেন লাগে— এনে লাগে যেন এক মেটামৰফ'ছিছ সংগোপনে হৈ আছিল আৰু এতিয়া নাটকৰ এক ৰোমাঞ্চকৰ ক্লাইমেক্সত ই 'আউটব্ৰেক' হৈছে।

সামাজিক নৈৰাজ্যই, ৰণৰ এবছ'লিউট ফ্ৰীডমৰ কমিউনিষ্ট ধাৰণাৰ বিকাশে নিকিতাৰ মাধ্যমত আধুনিক নিকিহঁতৰ বাবে এক নতুন ৰ'ল নিৰ্ধাৰণ কৰি দিছে। অসময়ত, অস্বাভাৱিকভাৱে ওকালি অহাৰ কাৰণ জনাই তাই ভাবলেশহীনভাৱে মাকক ক'ব পাৰে— 'এক্সুৱেলী ইট ৱাজ আ মিছটেক মম— প্ৰবেব্লী আই হেভ টু এব'ৰ্ট।'—তেওঁলোক লিবাৰেটেড হ'ল। বাহী চোতাল-ঘৰ সৰা মোচা— পতিব্ৰতা ভাবনাৰ ওৰণিখন— চাৰিটা খুঁটাৰ এখন পালেঙত অনিচ্ছাকৃত, অবাঞ্ছিত আৰ্তনাদ কিছুমানৰ অসহায়

বিচ্ছুৰণ— বিয়াৰ বজাৰত সোনকালে বিক্ৰী যাবলৈ পণ্যৰ দৰে, চাকচিক মেক-আপেৰে নিজকে সজাই 'গ্ৰাহক'ৰ দীৰ্ঘকালীন অপেক্ষা— এই পৰম্পৰাগত ৰ'লটোৰ অস্বস্তিকৰ অৱদমনৰ পৰা তেওঁলোক মুক্ত হ'ল সঁচা— কিন্তু জীন্‌ছ টপ, ঘাগড়াৰে এই নতুন ৰ'লটোৰ মেক-আপ মুখত সানোতেই, আগৰ ৰ'লটোৰ এক্সট্ৰা পজেছিভনেছৰ সেই শুচিবায়ুগ্ৰস্ততাখিনি এই নতুন ৰ'লটোৰ এক্সাইটমেণ্টখিনিৰে ক্ষতিপূৰণ কৰিব যাওঁতেই তেওঁলোক খহি পৰিল— পপীয়া তৰাৰ দৰে। টেৰেছাই ঠিকেই কৈছিল— 'Between the opening and endgame, God places the middlegame'— কিবা এটা আশা কৰা যায়, হয়তো অইন কিবা এটা— অপ্ৰত্যাশিত ব্লাণ্ডাৰ।

আৰম্ভণিতে অপেনিঙত বহু কথাই আশা কৰা হয়। পশ্চিমত গৰ্ভনিৰোধক ব্যৱস্থাৰ উন্মেষৰ সময়তো বহু কথাই আশা কৰা হৈছিল। আশা কৰা হৈছিল গৰ্ভপাত-গৰ্ভধাৰণ, পৰিয়াল পৰিকল্পনা সম্পৰ্কীয় বহু সমস্যাৰেই প্ৰত্যক্ষ সমাধান হ'ব। কি দেখা গ'ল— অপৰীক্ষিত ভোগৰ ছেম্পুৰেল লাইচেন্সে ফ্ৰাংকেনষ্টাইনৰ ৰূপ লৈ জীৱনৰ সমস্ত থ্ৰিল-এক্সাইটমেণ্টেই নিঃশেষ কৰি পেলাইছে।

সমস্ত ৰহস্য-উত্তেজনা, আশা আৰু প্ৰাপ্তিৰ শেষত কি থাকে? ... শূন্যতা, ক্লান্তি-বিৰক্তিৰে সংপৃক্ত এক নিৰস এণ্ডগেম।

******

30 .............. Kg8

এক নিৰস পৰিসমাপ্তিৰ ফালে গেমটো ঢাল খাইছে। প্ৰাণ-প্ৰাচুৰ্যৰে ভৰপূৰ 'পিচ'বোৰ বিনিময়ৰ পাছত এই এণ্ডিংটোত কেৱল কেলকুলেটেড কাষ্টমেৰী মুভকেইটামানহে বাকী ৰৈছেগৈ।

চব কেলকুলেটেড। ধৰাবন্ধা। অংকিতাৰ দৈনিক ৰুটিনখনৰ দৰে। মৰমলগা দুটি চকুৰে, ক্লাছ থ্ৰীত পঢ়া অংকিতাই পুৱা মেজত বহে আৰু চাৰে সাত বজাত স্কুলৰ বাবে ৰেডি হৈ আঠ বজাত ওলাই যায়। তাৰ পাছত চাৰে তিনি বজাত ঘৰ আহি পায়— চাৰে চাৰি— আৰ্ট স্কুল, ছুইমিং, সাত— পঢ়া টেবুল হৈ দহ বজাত বিচনা— উঃ কি আচৰিত ট্ৰেপিং।

জীৱনৰ দবা ব'ৰ্ডত অতিমাত্ৰা হিচাপ কৰি কেলকুলেচনৰ জাল গুঠি, অৱশেষত অন্য এক এংগলেৰে আমি নিজেই 'ট্ৰেপ্‌ড' হৈ পৰোঁচোন।

আধুনিক জীৱনৰ কি যে আচৰিত ট্ৰেজেদী। অগতানুগতিক কিবা এটা কৰা বা হোৱাৰ সপোনবোৰ এই জীৱনৰ ঘানীত পিষ্ট হৈ গৈ থাকে— এদিন এদিনকৈ, অলপ অলপকৈ। আৰু তাৰেই কোনোবাদিনা অৱশেষত যেতিয়া ধূসৰতাৰ শেষ প্ৰান্তত এই সপোনবোৰ আমি চিনিব নোৱৰাকৈ ওলমি থাকেগৈ— আমি পুনৰ ভাত-কাপোৰ, স্থূলসৰ্বস্বতাৰ সেই গতানুগতিক চৰিত্ৰটোৰে হৈ পৰোঁ।

কিয়— মিডলগেমত মোৰোতো বহু চান্স আছিল। উদাহৰণ-স্বৰূপে, (26. Rc4!...Qd8, 27. gd5...g6, 28. Q67+ Kg8, 29. Rc7...Qf6, 30. Qd5+...Kh8..., 31. Nf7+...) আৰু এখন উইনিং গেম। কিন্তু একেডেমিক ব্যৰ্থতা, চাকৰিৰ তিক্ততাপূৰ্ণ সন্ধান, অসফল প্ৰেম, ফ্ৰাষ্ট্ৰেচন— লগত ব'নাচৰ দৰে চিগাৰেট-ড্ৰিংকচ— জীৱনৰ এই আন্ধাৰ, কদৰ্যময় গলিবোৰত ঘূৰ্মুটিয়াই ফুৰোতে এনে চমকপ্ৰদ, অগতানুগতিক লাইন এটা খেলাৰ কথা মনলৈ আহিলনে? কেৱল ব্লাণ্ডাৰ কেতবোৰ...

জীৱনৰ এই উপলব্ধি সকলোৰে হয় চাগৈ। অথচ shell এটি নিৰ্মাণ কৰি লোৱাৰ পাছত, পৰম্পৰাগত বিশ্বাসেৰে সিক্ত ভাবাদৰ্শৰ ফ্ৰেমত, গতানুগতিক অপেনিঙৰ চছমাযোৰ পিন্ধি লোৱাৰ পাছত নতুনকৈ, মুক্তভাৱে একো নিৰীক্ষণ কৰাৰ অৱকাশ বা চান্সেই নাথাকে। চশমাৰ সিপাৰৰ পৃথিৱীৰ দৰে সকলো হৈ পৰে ঢেলা-নিৰ্জীৱ, কৃত্ৰিম তথা একমাত্ৰিক— ৰণৰ মেনিপুলেচনৰ আঁহবোৰৰ ক্ৰমাগত সংক্ৰমণেৰে কেষ্ট ইভেণ্টবোৰ হৈ পৰে আৰ্টিফিচিয়েল ইণ্টাৰপ্ৰেটেড...। অৱধাৰিতভাৱে গতানুগতিক জীৱনবোধৰ এই চলংটোত নিজকে কাছৰ দৰে আবদ্ধ কৰি লোৱাৰ পাছত, সেই একেই গেমপ্লেন— সেই একেই কাষ্টমেৰী মুভৰ পৌনঃপুনিকতা— একেই ভাত, কাপোৰ, ঘৰৰ স্থূল সংৰচনাৰ একমাত্ৰিকতা...

...ছুইংগামটোৰ সমস্ত ৰস শেষ হৈ যোৱাৰ পাছতো আমি বহু পৰলৈ— মুখ নিৰিবোৱা পৰ্যন্ত তাক চোবাই থাকোঁ। জীৱনৰ থ্ৰিল আৰু এক্সাইটমেণ্টবোৰ হজম কৰি উঠিও মৃত জীৱন এটাক আমি যাপন কৰি থাকোঁ— উদ্দেশ্যবিহীনভাৱে। আচলতে সকলো মিথ্যা, ফেক— মোৰ লগত যুদ্ধত অৱতীৰ্ণ হোৱা কাছপাৰভ নামৰ ছফ্‌টৱেৰটোৰ দৰে। ....সকলো মিথ্যা— নাই একো অৰ্থ নিবিচাৰোঁ। ৰণৰ লগত সাম্যবাদৰ তৰ্কও নকৰোঁ— তৰ্ক অমীমাংসিত হৈ ৰওক।

কম্পিউটাৰ স্ক্ৰিনত 'Offer a draw' নামৰ অপচনটোত ক্লিক কৰিলোঁ। □

● *গল্পকাৰ গণিত বিভাগৰ স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিকৰ ছাত্ৰ।*

গল্প গুঞ্জন



# ফুটুকাৰ ফেন

নাৰায়ণ তালুকদাৰ

থানাৰ সমুখৰ বাছষ্টেণ্ডত ৰৈ গ'ল বাছখন। সৰু বেগটো কান্ধত লৈ নামি পৰিল নয়ন। আজি প্ৰায় ছমাহৰ মূৰত নিজৰ জন্মঠাইলৈ আহিছে সি। বাছষ্টেণ্ডৰ পৰা কেইখোজমান আঁতৰি আহিল। ঘড়ীলৈ চাই দেখে সময় ১১-৪৫। মে মহীয়া আকাশত সূৰুযৰ দুৰ্দান্ত প্ৰতাপ। ৰ'দে খাওঁ খাওঁ মূৰ্তি ধৰিছে। বাছৰ বাবে ৰৈ থকা মানুহবিলাকে ৰাস্তাৰ দাঁতিৰ গছজোপাৰ তলত নাইবা দোকানসমূহৰ বাৰাণ্ডাত অৱস্থান কৰিছে। দুই এজনে ৰুমাল উলিয়াই কপালৰ ঘাম মচিছে। বজাৰ বাৰ নোহোৱাৰ বাবে মানুহৰ সমাগম কিছু কম। বাছষ্টেণ্ডৰ লগতে চাহ-তামোলৰ দোকান, কাপোৰ তথা অন্য কেইটামান ব্যৱসায় প্ৰতিষ্ঠানত একত্ৰিত হোৱা কিছুসংখ্যক লোকে ঠাইখনৰ অস্তিত্ব প্ৰমাণ কৰিছে। দোকানী কেইজনমানৰ বাহিৰে চিনাকি মানুহ তেনেকৈ চকুত নপৰিল

'হেই নয়ন, কিহে, ক'ৰ পৰা? আজি দেখোন হাইঠা মাটিত পৰিল!' 'মায়া টেণ্ট হাউছ'ৰ পৰা মালিক তথা নয়নৰ বাল্যবন্ধু নবী নে চিঞৰিলে। নয়নেও হাঁহিৰেই প্ৰত্যুত্তৰ দি নবীনৰ ওচৰ পালেগৈ। 'আহা বন্ধু, অলপ বহো মোৰ দোকানৰ গাদীতে। নয়নৰ আপত্তি কৰিবলগীয়া বিশেষ একো নাছিল, কাৰণ সি আজি থকাকৈয়ে আহিছে। বৰমাৰ প্ৰাত্যহিক জীৱনৰ প্ৰতিটো ঘটনাই নবীনে মাজে সময়ে ফোন কৰি নয়নক জনাই থাকে। সময়ৰ সোঁতে এই ক্ষুদ্ৰ চহৰখনৰ জীৱনতো বহু পৰিৱৰ্তন সাধন কৰিছে। আগৰ শান্ত সমাহিত আৰু প্ৰায় স্থবিৰ চহৰখনত নতুনকৈ কেইবাটাও অনুষ্ঠান, শিক্ষা-প্ৰতিষ্ঠান গঢ় লৈ উঠিছে। নবীনৰ 'মায়া টেণ্ট হাউছ'ৰো ৰূপ কিছু সলনি হৈছে।

'নয়ন আজি ইমানদিনৰ মূৰত কি মন কৰি আহিলা? দু'দিনমান থাকিবানে?' 'কাইলৈ যামগৈ। পুৰণা ঘৰকেইটাৰ মেৰামতিৰ ব্যৱস্থা কৰিব পাৰি নেকি, তাৰে অনুসন্ধান কৰিবলৈ আহিলো। চকীদাৰ পুণিৰামে ফোন কৰিছিল।........বাৰু, এইবোৰ বাদ দিয়া....শেহতীয়া খবৰ কিবা আছে নেকি কোৱা।' নয়নৰ কথা শুনি নবীনে গাদীতে ভৰি উঠাই পদ্মাসনত বহি পৰিল। কিছু ৰসিকতা কৰি নবীনে আৰম্ভ কৰিলে ' আকাশবাণী বৰমা, যোৱা মাহৰ বিশেষ বিশেষ বাতৰিসমূহ হ'ল এই যে আমাৰ আন এজন বাল্যবন্ধু শ্ৰীআনন্দমোহন ডেকাই যোৱা ১০ তাৰিখে 'কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰ এটা খুলিলে— নাম ৰাখিছে জীয়েকৰ নামেৰে 'প্ৰতিমা কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰ।' যোৱা ১৩ তাৰিখ শনিবাৰে নীলকান্তৰ জীয়েক কৰবীৰ বিবাহ সম্পন্ন হ'ল তাইৰে প্ৰাক্তন প্ৰেমিক শিশিৰৰ সৈতে। বাপেক-মাকৰ হেজাৰ বাধায়ো সিহঁতক টলাব নোৱাৰিলে। যোৱা পোন্ধৰ তাৰিখে.....'হঠাতে নবীনে 'বাতৰি'ৰ ষ্টাইলত খবৰ শুনোৱা বন্ধ কৰি এটি দীঘল হুমুনিয়াহ কাঢ়ি ক'বলৈ ধৰিলে. 'নয়ন.....এটা বেয়া খবৰ আছে বেলশৰীয়া ঢুকাল দহদিনমানৰ আগেয়ে। আওমৰণে মৰিল তেওঁ।' নয়ন জাঁপ মাৰি উঠিল— 'হে, কি ক'লা? বেলশৰীয়া ঢুকাল?'...স্তব্ধ হৈ গ'ল নয়ন। কথাচহকী



অংকন : সংগীতা দাস

ভলভলীয়া বেলশৰীয়াৰ মুখখন চকুৰ আগত ভাহি উঠিল। ৰাজমিস্ত্ৰীৰ কাম কৰি পুতেক জীয়েকহঁতক মানুহ কৰাৰ সপোন পুহি ৰখা মানুহজনৰ লগত নয়ন আৰু নবীনৰ মধুৰ সম্পৰ্ক আছিল। নবীনৰ 'টেণ্ট হাউছ'লৈ আহি বেঞ্চখনতে বহি বিড়ি হুপি-হুপি বেলশৰীয়াই সোধে— 'নয়নৰ খবৰ কি? বৰমালৈ কেতিয়া আহিব?' কেতিয়াবা আকৌ সোধে, 'প্ৰফেছাৰ কেতিয়া আহিব? কাম এটা আছিল।'.....নয়ন। খুব দুখ পাইছা নহয়... গোটেই কথাখিনি কওঁ শুনা— তুমিতো জানাই বেলশৰীয়াই বৰজীয়ৰীক বৰজাৰলৈ বিয়া দি উলিয়াই দিছিল, ইফালে পুতেকে এম এ পাছ কৰি উঠি ভেন্সাৰ স্কুল এখনত সোমাইছে। টি ভি চেনেল এটাত বোধকৰো তুমিও দেখিবলৈ পাইছিলা ব'ম ব্লাষ্টত চক্ৰধৰ দাস নামৰ বাইশ বছৰীয়া যুৱক এজনৰ মৃতদেহ। চক্ৰধৰৰ মৃত্যুত বেলশৰীয়াৰ জীয়েক বিধৱা হ'ল। জীয়েকৰ খবৰ ল'বলৈ যোৱা বেলশৰীয়া আৰু উভতি নাহিল। ঘৰলৈ ওভতাৰ পথত গধূলি পৰত আন্ধাৰৰ সুযোগ লৈ ডিঙিত প্ৰকাণ্ড শিল এটি বান্ধি পথাৰৰ মাজৰ পুখুৰী এটাত নিজকে সপি দিলে।' ...অলপ ৰৈ নবীনে আকৌ আৰম্ভ কৰিলে— 'নয়ন, তুমি চাগৈ টিভি চেনেল'ত বাতৰিটো পায়ো গম নাপালা বেলশৰীয়াৰ মৃত্যু হোৱা বুলি। কাৰণ তোমাৰ সৈতে ময়ো জনা নাছিলো যে বেলশৰীয়াৰ পোছাকী নামটো আছিল গুৰুপ্ৰসাদ দাস।' নয়নে দীঘলকৈ হুমুনিয়াহ কাঢ়িলে। 'নয়ন, চাহ দুকাপ খোৱা যাওক, নে কি কোৱা? মৰাজন তো মৰিয়েই গ'ল'। নয়নে মৌন সম্মতি জনালে।

নয়নৰ বাবে আন এক দৃশ্যই অপেক্ষা কৰি আছিল। হঠাতে ক'ৰবাৰ পৰা আৱিৰ্ভাৱ হ'ল আন এজন বাল্যবন্ধু শ্ৰীমহেশ বৰ্মনৰ। এওঁ ক্লাছ এইটৰ ডেওনাখন পাৰ কৰিব নোৱাৰিলে। দুবাৰ ফেইল কৰাৰ পাছতো স্কুল ত্যাগ নকৰাৰ বাবে আমি তেওঁৰ ধৈৰ্যৰ শ'লাগ লৈছিলো। কিন্তু এদিন মজুমদাৰ ছাৰৰ ইংৰাজীৰ ক্লাছত তেওঁ শলঠেকত পৰিল। 'মোৰ এটা কলম আছিল— ক।' মহেশে ইংৰাজীলৈ অনুবাদ কৰিলে এনেদৰে— My was a pen. তেওঁৰ উত্তৰ শুনি মজুমদাৰ ছাৰ ইমান মুগ্ধ হ'ল যে বাঁহৰ স্কেল তেওঁৰ পিঠিত ফালি পুৰস্কৃত কৰিলে। এনেদৰে পুৰস্কাৰ লাভ কৰি মহেশে আৰু স্কুললৈ যোৱাৰ প্ৰয়োজন অনুভৱ নকৰা হ'ল। ৰাজমিস্ত্ৰী বাপেকে তেওঁক যোগালী পদত মকৰল কৰিলে।

'হাও পফেছাৰ দেখো, কিন্তে আইহ'লা? থাক্‌বানা দুদিনমান?' 'আজি আহিলো। ৰাতিটো থাকি কাইলৈ যামগৈ। তোমাৰ ভালনে?' 'এ আমাৰ আৰ কি! আছু আৰু কিবা কৰি।' 'মহেশ বহা তুমিও অলপ।' —নবীনে ক'লে। ভৰি কোঁচাই বহি লৈ মহেশে ক'বলৈ ধৰিলে— 'পফেছাৰ, এটা কথা সুধু। যোৱাবাৰ আহোঁতে তোমাৰ পৰা যি টাকা এক হাজাৰ লৈছিলু, মনত আছে না? চলিৰ মাকৰ কম টান গেলনা? তুহঁন সহায় নকল্লি বিপদে হলাক হয়। নবীনৰ পইচাখেনি দিলু যোৱা শুক্ৰবাৰে।' 'হ'ব, হ'ব মই টকাৰ কথা চিন্তা কৰা নাই। পিছে তোমাৰ কাম-কাজ কেনে চলিছে?' এহ্ নকবা... মিস্ত্ৰীৰ কাম নচলা দেখি বজাৰৰ বাৰকেটাত বৰমা, পালমাৰা, মছলপুৰ আদিত চলন্ত মনোহাৰী দোকান দেওঁ। পাছে বেপাৰ বৰ ভাল চলা নাই। ইফলে আপাটুই কলেজ পাছ কৰবা নৰি ঘৰতে বহি আছেই। আপী এবাৰ মেট্ৰিক দিবো। মাকৰটো জানাই— হাপানী, কিন্তে হস্পিতেলক নিবা লাগে ঠিক নাই।' ...অলপ ৰৈ কিবা ভাবি সি আকৌ ক'বলৈ ধৰিলে— 'অলপ ৰ'বা। মই কেইবিধমান বস্তু লৈ লওঁ' ...'অ' নবীন, এই বস্তুখেনি দেআ...'— এখন শ্লিপ নবীনৰ হাতত গুজি দিলে। নবীনে আচৰিত হৈ লিষ্টখন চাবলৈ ধৰিলে।

দুমাহ আগৰ কথা নয়নৰ মনত পৰিল। সেইবাৰ গাঁৱৰ ঘৰলৈ আহি নবীনৰ দোকানত বহি সি মহেশৰ ঘৈণীয়েকৰ সংকটজনক অৱস্থাৰ কথা গম পাইছিল। সেই সময়তে খাৰুৱাৰ ঘৰৰ পৰা এম্বুলেন্সেৰে গুৱাহাটীলৈ নিয়াৰ ৰাস্তাত গাড়ীখন থানাৰ চকতে কিছু সময় ৰখাইছিল। কথাটো গম পাই নবীনৰ সৈতে নয়নেও গাড়ীৰ ভিতৰত থকা মহেশক লগ ধৰিছিল। পুতেকৰ সৈতে শয্যাগত পত্নীৰ কাষত বহি থকা মহেশৰ অৱস্থা দেখি নয়নে সেই মুহূৰ্তত নিজৰ পকেটত থকা এহেজাৰ টকাকে গুজি দিছিল। অত্যন্ত আৱেগৰ সৈতে মহেশে নয়নৰ হাত দুখনত ধৰি যেন একপ্ৰকাৰে কৃতজ্ঞতাহে প্ৰকাশ কৰিছিল। নয়নে মাথোঁ কৈছিল, 'চিন্তা নকৰিবা, তোমাৰ পত্নী সম্পূৰ্ণ সুস্থ হৈ ঘূৰি আহিব, মাথোঁ বৰ বেছি 'টেনছন' নলবা।'

'হেৰা মহেশ, কিবা পাতিছা নেকিহে ঘৰত? বৰ দীঘলীয়া লিষ্ট দেখোন হে? প্লাষ্টিকৰ চকী ৬০খন, টিৰপাল তিনিখন, গিলাচ ২০০ আৰু... কি কাৰবাৰ হে?' নবীনে আশ্চৰ্য প্ৰকাশ কৰিলে। লাজ-লাজকৈ মহেশে ক'বলৈ ধৰিলে— 'এঃ কি ক'ম! আজি গধূলি আপীৰ বাৰ্থডে'। বাকী চব বস্তুৰে যোগাৰ হৈছি, চলিটুই কৈছি যে বাকী যোগাৰ হৈছি— মাত্ৰ এই বস্তুখিনি লাগে। মাইক-চাইক চবৰে যোগাৰ হৈছি।' নবীনে হাঁহিলে, 'হ'ব, হ'ব ঠেলাখন অনালৈকে গোটেই কেইপদ বস্তু গোটোৱা হৈ যাব।'— 'ঐ বিষ্ণু, এই লিষ্ট মতে বস্তুখিনি বেডি কৰি দে।'—নবীনে তাৰ টেণ্ট হাউছৰ কৰ্মচাৰীলৈ লিষ্টখন আগবঢ়াই দিলে।

'পিছে মহেশ, নয়ন আৰু মই নিমন্ত্ৰণ পামনে নাই? নয়নতো আজি থাকিবই... গতিকে...।' 'কিয়া নাম্‌তিম। দুয়ো যাবাই লাগ্‌বো। ...নয়ন আজিত' থাক্‌পায়ে, গতিকে নবীনৰ লগত একোপাক মাৰ্‌বা। আমি চবে বৰ ভাল পাম।' 'কিন্তু!' 'নাই-নাই মই কোনো কথা নুশুনু। তুহঁন দুয়ো গেলি চলিপলিকেটাই

বৰ ভাল পাব।' নয়ন মনে মনে থাকিল। সামগ্ৰী কেইপদ ৰেডি হোৱাত নয়ন আৰু নবীনৰ পৰা যোৱাৰ প্ৰতিশ্ৰুতি আদায় কৰি ঠেলাৱালাৰ সৈতে মহেশ গ'লগৈ। নয়নো বেছি সময় নৰ'ল। 'মহেশ, মই এতিয়ালৈ আহোঁ দিয়া। পুনিৰামৰ সৈতে কামখিনি কৰোঁগৈ। ৰাতি থকাৰ ব্যৱস্থা—মানে কমচে কম মোৰ বিছনাখনৰ ব্যৱস্থাও তাৰ দ্বাৰাই কৰি থ'ব লাগিব। —তুমি স্কুটাৰখন ৰেডি কৰি ৰাখিবা। মই ঠিক চাৰে পাঁচটাত ওলামহি।' 'বাই।' —নবীনে ধেমালিৰে ক'লে। নয়ন বেগাই আগবাঢ়িল ঘৰৰ পিনে।

চাৰে পাঁচ বাজিবলৈ কেইমিনিটমান থাকোতেই নয়ন 'মায়া টেণ্ট হাউছ' পালেহি। নবীন ৰেডি হৈ আছিলেই। নয়নক দেখি সি স্কুটাৰ ষ্টাৰ্ট দিলে, নয়ন পিছত বহিল। পঞ্চায়ত অফিচৰ সন্মুখৰ পৰাই বেয়া ৰাস্তা আৰম্ভ হৈ গ'ল। যোৱা ৰাতিৰ বৰষুণজাকৰ ফলত ঠায়ে ঠায়ে পানীয়ে ডোঙা বান্ধিছিল। নবীনে সাৱধানে স্কুটাৰ চলোৱাত প্ৰবৃত্ত হ'ল। ডেৰ-দুই বছৰ আগেয়ে দেখা আলাগজাৰ নামৰ গাঁওখনৰ বৰ বিশেষ পৰিৱৰ্তন নয়নৰ চকুত নপৰিল।

আলাগজাৰ এল পি স্কুলৰ সন্মুখত নবীনে স্কুটাৰ ৰখালে। 'নয়ন, দুই মিনিটমান ৰ'বা। মই এই মানুহজনক কিবা এটা কথা কৈ আহোঁ।' —নবীন মানুহঘৰলৈ সোমাই যোৱাৰ পাছত নয়নে এনেয়ে ইফালে-সিফালে পায়চাৰি কৰিবলৈ ধৰিলে। গধূলি হৈছিলেই। সৰু সৰু ল'ৰা-ছোৱালীবোৰে অচিনাকি দেখি নয়নক চিৰিয়াখানাৰ জন্তু চোৱাদি চাবলৈ ধৰিলে। সিহঁতৰ মাজত নয়নে দুই-এজনী পাটগাভৰুকো দেখিবলৈ পালে। নয়নৰ চকু স্কুলঘৰটোলৈ গ'ল। স্কুলৰ বাৰাণ্ডাতে গৰু-ছাগলীয়ে ঘাঁহ পাগুলি বহি আছে। নাই, স্কুলঘৰটোৰো কোনো পৰিৱৰ্তন হোৱা নাই। মাথোঁ এটা বৈসাদৃশ্য নয়নৰ চকুত পৰিল। দাৰিদ্ৰ্যপীড়িত সৰু ল'ৰা-ছোৱালীহঁতৰ মাজত পাটগাভৰু কেইগৰাকী। তাইহঁতৰ শৰীৰত কমদামী জীন্‌ছৰ পেণ্ট, ওপৰত খেলুৱৈ বা অভিনেতা আদিৰ চিত্ৰভৰা টি-চাৰ্ট। কাণত ম'বাইল ফোন। জীৰ্ণ-শীৰ্ণ পোছাক আৰু শৰীৰৰ ভায়েক বা ভনীয়েকহঁতৰ সৈতে নাইবা ওচৰে-পাঁজৰে থকা ঘৰকেইটাৰ সৈতে তাইহঁত যেন খাপ নাখায়। যা হওক নবীন আহি ওলাল আৰু সিহঁত আগবাঢ়িল।

কিছু দূৰ আগবাঢ়ি যোৱাৰ পাছত নয়ন আৰু নবীনে অনুভৱ কৰিলে— স্কুটাৰ আৰু আগলৈ নাযাব। ৰাস্তা খুবেই বেয়া। অজস্ৰ গাঁত, পানী আৰু বোকাৰে ভৰা। নবীনে চিনাকি মানুহ এঘৰৰ চোতালত স্কুটাৰখন ৰাখিলে। পুনৰ দুয়ো আগবাঢ়িল। বোকা-পানীয়ে দুয়োৰে লংপেণ্টৰ তলছোৱা লেতেৰা কৰি পেলাইছিল, জোতাৰ অৱস্থাতো ক'বই নালাগে। 'নয়ন, চিন্তা নাই, আমি প্ৰায় পালোঁহিয়েই। মাইকত গান শুনা নাই জানো?' নয়নে মন কৰিলে, হয় কিছু দূৰৈৰ পৰাই জনপ্ৰিয় হিন্দী চিনেমাৰ গীতৰ সুৰ ভাঁহি আহিছে— 'বালক দিখা যা, একবাৰ আজা-আজা-আ....জা'। কোনোবাই মাজতে বন্ধ কৰি অন্য এটা গান লগাই দিছে— 'কজ্‌ৰাৰে, কজ্‌ৰাৰে, তেৰে বাৰে বাৰে নৈইনা...' নয়নৰ ভাল নালাগিল। সি আশাও কৰা নাছিল হিন্দী গীত শুনিবলৈ। অসমীয়া গীত বজালে হয়তো বেয়া নালাগিলহেঁতেন। কিছু সময়ৰ পিছত দুয়ো গৈ গন্তব্যস্থল পালেগৈ। 'নয়ন, হিন্দী গীতৰ তালে-তালে আমাৰ গাঁৱলীয়া ল'ৰা-ছোৱালীৰ নৃত্য দেখিছা? বৰমাত কেইবাখনো নৃত্য শিক্ষাৰ প্ৰতিষ্ঠান হ'ল নহয়! পাছে অসমীয়া নৃত্য-গীতৰ প্ৰতি আকৰ্ষণ একেবাৰে নাই।' নয়নে একো নক'লে। মহেশৰ ছোৱালীৰ জন্মদিনৰ আনন্দ উপভোগ কৰাৰ ইচ্ছা তাৰ সমূলি নোহোৱা হৈ গ'ল। কেৱল যন্ত্ৰৱৎ সকলো কাম কৰি গ'ল। —মহেশে দুয়োকে দেখি বেছ সাদৰে আগবঢ়াই নিলে— সুসজ্জিত 'পেণ্ডেল'ত বহুৱালে। দুই-এজন চিনাকি মানুহৰ সৈতে সামান্য ভাব বিনিময় কৰিলে। পোলাও, চাওচাও আদি খালে— মহেশৰ জীয়েকক (যিয়ে চহৰীয়া ছোৱালীৰ দৰে নিজকে সজোৱাৰ আপ্ৰাণ চেষ্টা চলালে) উপহাৰ দিলে...। কিবা যেন বিসদৃশ... কৃত্ৰিম পৰিৱেশ আৰু আচহুৱা... ইয়াৰ পৰা সোনকালে আঁতৰিব পাৰিলেই যেন ৰক্ষা! নয়নৰ মানসিক অৱস্থাৰ উমান কৰিছিল নবীনে। সেয়েহে মহেশক মাতি আনি ক'লে— 'মহেশ, আমি আহোঁ। নয়ন কাইলৈ পুৱাই যাব নহয়!' মহেশে আপত্তি নকৰিলে। সিও বোধকৰো নয়ন আৰু নবীনৰ মনৰ ভাব বুজি পাইছিল। 'ব'লা, দুয়োকে নাওমান আগবঢ়াই থৈ আহোঁ।' তিনিও আগবাঢ়িল। ৰাস্তাত বৰ বিশেষ কথা-বতৰা নহ'ল। মহেশে মাথোঁ ক'লে— 'অহা কান্নে বৰ ভাল পালু। পাছে ৰাস্তাটু বৰ বয়া কান্নে বয়া লাগ্‌ছি। কি কৰ্‌বা উপায় নাই।' নয়নে একো নামাতিলে। তিনিও লাহে-লাহে আহি স্কুটাৰৰ কাষ পালেহি। নবীনে স্কুটাৰ ষ্টাৰ্ট দিলে। নয়নে আৰু ৰ'ব নোৱাৰিলে। নবীনক এক মুহূৰ্ত ৰ'বলৈ নিৰ্দেশ দি মহেশক সুধিলে— 'মহেশ, তোমাক এটা কথা সোধোঁ, বেয়া নাপাবা। তুমি বাৰে-বাৰে কৈ থাকা যে তোমাৰ অৱস্থা বৰ বেয়া। ল'ৰাটোৰো চাকৰি নাই। ইফালে ঘৈণীয়েৰাৰ বেমাৰতো বহুত টকা গ'ল। পইচাৰ অভাৱত ভালদৰে বেপাৰো কৰিব পৰা নাই। কিন্তু দহ-পোন্ধৰ হেজাৰ টকা খৰচ কৰি বাৰ্থডে' পাতিবলৈ টকা ক'ত পালা বাৰু?' এটি হুমুনিয়াহ কাঢ়ি মহেশে ক'বলৈ ধৰিলে— 'কি কইৰ্বা? চলি-পলি দুটাক কন্ট্ৰ'ল কইবা নৰু। চলিক জোতা কিন্‌বা যাৰশ টাকা লাগে। আপীৰ বাৰ্থডে' পাত্‌বাই লাগবো। তাই নিজৰ বান্ধৱী গিলাখানৰ 'বাৰ্থডে খাই ফুৰে। তাইৰ নাপাতলি হ'বনা?' সেয়া বাৰু বুজিলো। কিন্তু মোৰ প্ৰশ্নটো আছিল তুমি ইমান টকা-পইচা পালা ক'ত?' সেমেনা-সেমেনিকৈ মহেশে উত্তৰ দিলে— 'কি আৰু ক'ম! টাকা যোগাৰ কৰ্‌বা নৰি খেতিৰ মাটি দুইবিঘা বেচি দিলু।' □

● *গল্পকাৰ কটন কলেজৰ হিন্দী বিভাগৰ সহযোগী অধ্যাপক।*

# অপৰাজিত

কাকলি গগৈ

ৰাতি প্ৰায় বাৰ বাজিবৰ হৈছে। পঢ়া সামৰি মই বিছনাত পৰাৰ প্ৰস্তুতি চলাইছো। এটা মেছেজ অহাৰ সংকেত দি মোবাইলটো কঁপি উঠিল। সামান্য আচৰিত হ'লো, সাধাৰণতে এই সময়ত মোলৈ কাৰো মনত পৰাৰ সম্ভাৱনা নাই। তাকো মেছেজেৰে। মেছেজটো খুলি চালো, সম্পূৰ্ণ অসমীয়াত অহা এটা মেছেজ 'মই দিক্‌ভ্ৰান্ত হৈ পৰিছো।' প্ৰেৰকৰ কোনো নাম নাই। নাই কোনো ঠিকনা। মোলৈকে দিছেনে তাকো ধৰিব নোৱাৰিলো। নম্বৰটোও সম্পূৰ্ণ অচিনাকী। ক্ষণিকৰ বাবে মই সকলো পাহৰি সেই অচিনাকী প্ৰেৰকৰ যন্ত্ৰণাৰে পিষ্ট হ'লো। মই বুজি পাওঁ মানুহ কিমান অকলশৰীয়া হৈ পৰিলে কাৰোবাক শুনাবলৈ মন যায় বুকুভঙা হাহাকাৰ। অত্যন্ত দুৰ্বল মুহূৰ্তত ময়ো বহুবাৰ ডায়েল কৰি পেলাওঁ— পাঁচ বছৰৰ পুৰণি চিনাকী নম্বৰ এটা। স্বাভাৱিক অৱস্থাত যিটো নম্বৰত হয়তো মই চকু ফুৰায়ো পোৱা নাই। হঠাতে মোৰ অচিনাকী প্ৰেৰকৰ দুখৰ সমভাগী হ'বলৈ মন গ'ল। বিছনাত বাগৰি নম্বৰটো ডায়েল কৰিলো। ছুইচ অফ। কেইবাবাৰো চেষ্টা কৰিলো। নাই একেই উত্তৰ। ছুইচ অফ। এইবাৰ মোৰ সেই অচিনাকী প্ৰেৰকৰ প্ৰেমিকা হ'বৰ মন গ'ল। জানিবলৈ মন গ'ল কোন সেই স্বাভিমানী। যি সহানুভূতি আশা নকৰে মোৰ দৰে। একেবাৰে মোৰ দৰে। মনলৈ বাৰে বাৰে এটা নাম আহিল আৰু গ'ল। তথাপি অচিনাকীজন যিয়েই নহওক তেওঁ নিজৰ দুখ শ্বেয়াৰ কৰি অলপ হ'লেও পাতলাব পাৰিলে! যিটো মই কোনোদিন পৰা নাই। আজিও পৰা হ'লে!




কলেজৰ গোমোঠা আবেলি। চাহকাপত চুমুক দিছোঁ। আকৌ এটা মেছেজ। একেই নম্বৰ, একেই বিশুদ্ধ অসমীয়াত— 'বাৰিষাৰ ৰাতি তোমাৰ কবিক মনত পৰেনে অৰুন্ধতী?' এইবাৰ মই অস্থিৰ হ'লো। আবেলিৰ ধূলিময় ধুমুহা মোৰ বুকুত বলিবলৈ আৰম্ভ কৰিলে। মৃণ্ময়ী ডিপাৰ্টমেণ্টলৈ সোমাই আহিছে আৰু মই অপৰিসীম যন্ত্ৰণাত শিলৰ মূৰ্তিৰ দৰে বহি আছোঁ। 'জাননে কালি কোনে ফোন কৰিছিল। তোৰ কথা জানিব খুজিছিল।' মৃণ্ময়ীৰ মাতত তন্ময়তা ভাগিল। পলোৱাৰ দৰে ডিপাৰ্টমেণ্টৰ পৰা ওলাই আহিলো।

—'নিজক আৰু কিমান ফাঁকি দিবি পাপৰি।

তোৰ এই স্বাভিমানে তোক শেষ কৰি দিব চাবি। মাবৰ কথা নাভাব কিয়?'

মৃণ্ময়ীৰ কণ্ঠস্বৰ লাহে লাহে মোৰ কাণৰ পৰা হেৰাই গ'ল।

ৰিক্সাত আহি বহিলো। মাৰৈ মনত পৰিল। কি বা কৰি আছে আজলি মাজনীয়ে। ইমান লগ ধৰো মোৰ লগতে আহি থাকিবলৈ কিন্তু দেউতাৰ স্মৃতিজড়িত ভেটিটো এৰি আহিব নোখোজে। বৰ কষ্ট হৈছে মোৰ, এফালে চাকৰি আনফালে ঘৰখন। দুয়োটা জীয়াই থকাৰ স্বাৰ্থত এইকণ দূৰত্ব যে সহিবই লাগিব। অথচ সৌ সিদিনালৈকে কিমান সুখৰ আছিল ঘৰখন। কিন্তু ভাগি থাকিল হুৰমুৰকৈ সকলোবেৰ। প্ৰথমতে দেউতা, তাৰ পাছত.....!

ফোনটো বজাৰ শব্দত বাস্তৱলৈ উভতি আহিলো। মৃণ্ময়ীয়ে খবৰ লৈছে মোৰ। মৃণ্ময়ী মোৰ শৈশৱৰে বন্ধু। অকল তায়েই নহয় ৰিংকু, মামণি, অনুৰাগ, অভীক, উপা, নীল সকলোবোৰেই মোৰ পৰমাত্মিক বন্ধু। আচৰিত হ'লেও সত্য যে ক্লাছ ফাইভৰ পৰা আমি গোটেইকেইটা একেলগেই পঢ়িলো একেখন হাইস্কুল, একেখন কলেজ, একেখন বিশ্ববিদ্যালয় আৰু একে চাকৰিয়ে পালো। আনকি ভাগ্যৰ চকৰিত মৃণ্ময়ী আৰু মই একেখন কলেজত একেটা ডিপাৰ্টমেণ্টতে চাকৰিত সোমালো।

ব্যতিক্ৰম মাথোঁ নীল। আমি ক্লাছ এইটত থাকোঁতে সি আমাৰ স্কুললৈ আহিছিল আৰু গুচিও গ'ল ডিগ্ৰী সাং কৰাৰ পাছতে আৰু বৰ্তমান নিউয়ৰ্কৰ মাল্টিনেচনেল কোম্পানী এটাত ডাঙৰ চাকৰি কৰি আছে। খুব ব্যস্ত।

তাৰ বাহিৰে আমি গোটেইকেইটাই ইয়াত একেলগেই আছো। আজৰিৰ দিনবোৰত সকলো গোট খাওঁ। আড্ডা মাৰোঁ। বহুতৰ সংসাৰো হ'ল। মায়ে ঘৰলৈ গ'লেই মোৰ বিয়াৰ কথা উলিয়ায়। মই নানা কথাৰে এই বিষয়টোৰ মোখনি মাৰো। আমাৰ আড্ডাত প্ৰায়ে পুৰণি দিনৰ কথা ওলায়। নীলৰ কথাও ওলায়। খুব কম। কাৰণ সকলোৱে জানে নীল আৰু মোৰ মাজৰ এটা সম্পৰ্ক হওঁ হওঁ কৈও হৈ নুঠিল। নীলৰ প্ৰসংগ ওলালে হয় মই মনে মনে থাকোঁ, নহ'লে আঁতৰি আহোঁ।

অথচ নীল আৰু মই সকলোতকৈ ভাল বন্ধু আছিলো। আমাৰ আত্মাভিমান আছিল প্ৰবল। প্ৰায়ে আমাৰ মাজত ডাঙৰ তৰ্ক হৈছিল। এমাহ, দুমাহ নমতা-নমতিকৈ থকাও বন্ধুবোৰৰ বাবে বৰ ডাঙৰ কথা নাছিল। কিন্তু কেতিয়াৰ পৰা আমাৰ বন্ধুত্বত ফাঁট মেলিবলৈ লৈছিল মই ক'ব নোৱাৰিম। কিন্তু যিদিনাৰ পৰা আমি সঁচাকৈয়ে ইটোৱে সিটোৰ খবৰ ল'বলৈ এৰি দিছিলো তাৰ আগৰেই পৰাই মই তাৰ প্ৰেমত পৰিছিলো। বোধহয় সিও।

কলেজৰ সময়ৰ পৰাই এই সমাজখনৰ গতানুগতিকতাত বীতশ্ৰদ্ধ হৈ পৰা নীলে বিদেশলৈ যোৱাৰ কথা ক'বলৈ আৰম্ভ কৰিছিল। মই অস্বস্তি পাইছিলো তাৰ মানসিকতাত। এদিন বিৰক্ত হৈ মই তাক বেয়াকৈ কৈছিলো। এখন প্ৰচণ্ড তৰ্কৰ ধুমুহা বৈছিল। মই বুজিছিলো এয়াই হয়তো শেষ। কাৰণ মই স্বাভিমানী নীলৰ ব্যক্তিগত বিষয়ত হস্তক্ষেপ কৰিছিলো। নীল গুচি গ'ল মোৰ তুচ্ছতালৈ আঙুলি টোৱাই, মোৰ লগত কোনোদিন যোগাযোগ নৰখাৰ প্ৰতিজ্ঞা কৰি। একেই স্বাভিমানত ময়ো অন্তৰ খুলি ক'ব নোৱাৰিলো— 'নীল, তোমাৰ অবিহনে আগুৱাই যাবলৈ কষ্ট হ'ব।' কাৰোৰে বাবেই এই কথা বিশেষ ডাঙৰ নাছিল।

সোনকালেই নিজক চম্ভালি ল'লো। মোৰ বিধৱা মা আছে, ভাইটি আছে। মোৰ আটাইতকৈ মৰমৰ ভাইটি। যাক লৈ মই কিমানেই যে সপোন দেখা নাছিলো, পঢ়া-শুনাত অত্যন্ত মেধাৱী ল'ৰাটোৱে গান গাইছিল, কবিতা লিখিছিল, ছবি আঁকিছিল। মৃদুভাষী ল'ৰাটোৱে প্ৰায়ে মোৰ আগত আবৃত্তি কৰিছিল তাৰ প্ৰিয় কবিতা— 'বাৰিবাৰ ৰাতি তোমাৰ কবিক মনত পৰেনে অৰুন্ধতী...'

কলেজত তাৰ ভাল লগা ছোৱালীজনীৰ কথা কৈছিল, সোনকালেই তাৰ এখন ছবি প্ৰদৰ্শনী পতাৰ কথা ভাবিছিল।

এদিন সিও গুচি গ'ল। কলমেৰে কবিতা লিখা ল'ৰাটোৱে বন্দুক লৈ দেশ স্বাধীন কৰিবলৈ গুচি গ'ল। ৰুগীয়া হৈ পৰিল মোৰ মা, বধিৰ হৈ পৰিলো মই। মই তাক পূৰ্ণমাত্ৰাই সমৰ্থন কৰো, সমৰ্থন কৰো সিহঁতৰ সংগঠনৰ প্ৰতেকটো কাম-কাজ। মোৰ ভাইটিয়ে ভুল নকৰে বুলি মই আজিও ভাবোঁ। কিন্তু কেতিয়াবা ভাইটিৰ বাবে বৰ কষ্ট পাওঁ। কাৰণ সি আজিও বুজা নাই এনেদৰে যে স্বাধীনতা অসম্ভৱ। যিদিনা বুজি পাব সেইদিনা বাৰু তাৰ মানসিক অৱস্থা কেনেকুৱা হ'ব, মই ভাবিব নোৱাৰোঁ। মই সদায় কামনা কৰোঁ— এয়া কোনোদিনেই নহওক। সি য'তে আছে তাতে শান্তিৰে থাকক।

অথচ আজি কি হৈ গ'ল। অশান্ত হৈ পৰিছে মন। মোবাইলটো উলিয়াই এটা মেছেজ টাইপ কৰিলো— 'দিক সলনি নহয় ভাইটি। দিক এটাই। সলনি হয় মাথোঁ মন। যেনেকৈ সলনি হৈছিলি তই। উভতি আহ ভাইটি। ঘৰলৈ উভটি অহা বাটটোৱেই যে তোৰ প্ৰকৃত দিক।'

মনটো হঠাতে উৎফুল্ল হৈ পৰিল। বৰষুণ ইতিমধ্যে এটোপাল-দুটোপালকৈ পৰিবলৈ আৰম্ভ কৰিছে। দীঘলকৈ এটা উশাহ ল'লো। কাইলৈ মোক চাবলৈ ল'ৰা এজন অহাৰ কথা। □

● *গল্পকাৰ ভূগোল বিভাগৰ স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী।*

# মুখা

মহেন্দ্ৰ মোহন দাস

'ফুল ছাইজ'ৰ আইনাখনত পুনৰ নিজকে সম্পূৰ্ণৰূপে চাই ল'লোঁ। মেক-আপটো নিখুঁত হৈছে। মাত্ৰ এবাৰ প্ৰমাণ চাই ল'লেই হ'ল। আউল-বাউল অলপ দীঘল চুলিৰ এটা উইগ, দুচকুৰ গুৰিত বুঢ়া মানুহৰ দৰে আঁকি লোৱা দুটা ক'লা দাগ, সহশিল্পী এজনৰ হতুৱাই মগাই অনা ভিক্ষাৰীৰ ফটা-চিটা ৰেডিমেড পোছাক, কান্ধত লোৱা টাপলি মৰা বস্তা এটা —এই গোটেইবোৰ বস্তুৱে মিলি মুঠতে মোক সম্পূৰ্ণ এজন ভিক্ষাৰীৰ ৰূপ প্ৰদান কৰিছে।



লাহেকৈ নিজৰ ৰুমৰ দুৱাৰখন খুলিলোঁ। শ্ৰীমতী বাথৰুমত আছে। মই জোলোঙাটো কান্ধত লৈ সাউৎকৈ ৰুমৰ পৰা ওলালোঁ। বাহিৰ ফালৰ দৰ্জাখন খুলি বাহিৰ ওলাই দুৱাৰখন পুনৰ নিঃশব্দে বন্ধ কৰিলোঁ। দৌৰাদৌৰিকৈ গে'টৰ ওচৰ পাই পুনৰ নিঃশব্দে গে'টখন খুলিলোঁ। গে'টখনৰ বাহিৰ ওলাই এক মিনিটমান ৰ'লোঁ। পত্নী ইতিমধ্যে নিশ্চয় বাথৰুমৰ পৰা ওলাইছে। গে'টখন সজোৰে এটা শব্দ কৰিলোঁ পত্নীয়ে শুনা পোৱাৰ উদ্দেশ্যে। তাৰ পিছত গে'টখন আধা খুলি থৈ লাহে লাহে নিজৰ ঘৰৰ পিনেই ভিক্ষাৰীৰ দৰে আগুৱাবলৈ ধৰিলোঁ।

ঘৰৰ ওচৰ পাই লাহেকৈ মাত লগালোঁ, 'বাইদেউ, অ' বাইদেউ!' ভিতৰত খুটুং-খাটাং শব্দ শুনা গ'ল। প্ৰায় লগে লগে পৰ্দাখন অলপ ফাঁক হোৱা দেখিবলৈ পালোঁ। খন্তেক পাছতে দুৱাৰ খুলি ওলাই আহিল শ্ৰীমতী। হাতত এটকা অথবা দুটকাৰ মুদ্ৰা এটা। শ্ৰীমতীয়ে আগবাঢ়ি আহি মোৰ মেলি থকা হাত দুখনত মুদ্ৰাটো গুঁজি দিলে। এটা

দুটকীয়া মুদ্রা। মই মুদ্রাটো হাতত লৈ কপালত লগালোঁ। শ্ৰীমতীয়ে মোৰ পিনে চাই আছিল। মই তেওঁৰ পিনে সেৱা জনাওঁতেই তেওঁ মাত লগালে, ‘ তোমাক মই আগতেও ক’ৰবাত দেখিছোঁ। তুমি সদায় ইয়াতেই ভিক্ষা মাগা নেকি?’

‘আপুনি মোক সদায় আপোনালোকৰ বেডৰুমত দেখে।’ ভঙা-ভঙা মাতেৰে কথাখিনি কৈ এটি অৰ্থপূৰ্ণ হাঁহি মাৰি পঠিয়ালোঁ।

‘চাল্লা অসভ্য!’ —কথাখিনি তীব্ৰবেগে কৈ শ্ৰীমতী ভিতৰ সোমাবলৈ লৈছিলহে মাত্ৰ, হঠাতে মোৰ জেপত থকা মোবাইল ফোনটো বাজি উঠিল। ‘মোৰ শ্ৰীমতীৰ স্বামী’ৰ মোবাইলৰ বিশেষ ৰিংটনটো ‘এটা ভিক্ষাৰীৰ মোবাইল’ত বাজি উঠাত নিশ্চিতভাৱেই শ্ৰীমতী সচকিত হৈ উঠিল। খৰধৰকৈ জেপত হাত সুমুৱাবলৈ ধৰোঁতেই ৰিংটন বন্ধ হ’ল; নিস্তব্ধ। ইতিমধ্যে শ্ৰীমতীয়ে কিব্য বুজিব পাৰি বিস্ফাৰিত নেত্ৰে মোলৈ চাই আছিল। তেওঁৰ পিনে চাই মিঠা হাঁহি এটা মাৰি কৈ পঠিয়ালোঁ— ‘হে হে, থৰ লাগি ৰ’লা যে! মানে মোৰ কাম অলপ আছে। সেয়েহে....এঃ বাদ দিয়া। মোৰ দেৰি হ’ল, মই যাওঁ।’ পুনৰ এটি হাঁহি মাৰি পঠিয়ালোঁ।

‘তুমি...?’ ইতিমধ্যে শ্ৰীমতীৰ চকু সাধাৰণ অৱস্থালৈ ঘূৰি আহিছিল। ‘হেৰা, দুদিনমান নাটক-চাটক কৰা নাই বুলিয়েই এনেদৰে ভিক্ষাৰীৰ সাজ পিন্ধি ক’তনো ভিক্ষা মাগিবলৈ যোৱা?’

‘এঃ, সেইবোৰ বেলেগ কথা, পিছত ক’ম দিয়া। আগেয়ে কোৱা, ভিক্ষাৰীৰ অভিনয়ত ক’ৰবাত খুঁত থাকিল নেকি? মোবাইলটো বাৰু অফ কৰি থ’ম, বাকীখিনি কোৱা।’

দহ ছেকেণ্ডমান মৌন হৈ থাকি শ্ৰীমতীয়ে ক’লে, ‘অভিনয় ভালেই হৈছে। মাত্ৰ... এটা খুঁত থাকি গ’ল যেন পাইছোঁ। এক মিনিট ৰ’বা।’ কৈয়েই শ্ৰীমতী ভিতৰলৈ সোমাই গ’ল। আধা মিনিটমানৰ পিছতেই চাৰিটামান খুচুৰা পইচা লৈ শ্ৰীমতী ওলাই আহিল। ‘এয়া লোৱা।’

‘কিয়?’ মই বুজিব নোৱাৰিলোঁ।

‘এ, ভালদৰে মন কৰিবাচোন, ভিক্ষাৰীয়ে সাধাৰণতে হাতত দুই-তিনিটামান খুচুৰা পইচা লৈ সেইকেইটা জোকাৰিহে ভিক্ষা খোজে। আৰু শুনা, মোবাইল এতিয়াই ছুইচ অফ কৰা; যদিহে একো দুই নম্বৰী ধান্দাত থকা নাই।’

‘হ’ব দিয়া, ছুইচ অফ নকৰোঁ, চাইলেণ্ট মুডত ৰাখিম। মোবাইলত অলপ কাম আছে। বাৰু আহোঁ দিয়া। ভাত-পানী বান্ধি থ’বা আকৌ দেই! এক-ডেৰ ঘণ্টাৰ ভিতৰতে ঘূৰি আহি পাম।’

শ্ৰীমতীৰ পৰা বিদায় লৈ মই ঘৰৰ বাহিৰ ওলালোঁ। গন্তব্যস্থল প্ৰায় এক কিলোমিটাৰমান দূৰ। কিন্তু ভিক্ষাৰীৰ সাজ পিন্ধি গাড়ী কিম্বা বাইকোতো লৈ যাব নোৱাৰি। গতিকে খোজকাঢ়িয়েই ৰাওনা হ’লোঁ।

অপৰ্ণা হাজৰিকা ‘সহায়’ নামৰ স্বেচ্ছাসেৱী সংগঠনটোৰ সভানেত্ৰী। কথাত যেনে, কামত তাৰ ওলোটা। ‘সহায়’-এ সমাজৰ নিম্নশ্ৰেণীৰ লোকসকলৰ উন্নতিৰ বাবে বিভিন্ন আঁচনি লয়। এসপ্তাহমানৰ আগতে ‘সহায়’ৰ দ্বিবাৰ্ষিক অধিৱেশন এখন অনুষ্ঠিত হৈছিল। স্থানীয় বিখ্যাত ব্যক্তিৰূপে মোকেই বিশিষ্ট অতিথিৰূপে আমন্ত্ৰণ জনোৱা হৈছিল। সেইদিনা সভানেত্ৰীৰ ভাষণত হাজৰিকাই যিহে আৱেগিক ভাষণ দিছিল! তেখেতে ভিক্ষাৰীসকলৰ জীৱনত আলোকপাত কৰি শাৰীৰিকভাৱে অক্ষম ভিক্ষাৰীক সহায় কৰিবলৈ সকলোকে অনুৰোধ জনাইছিল। ‘এটোপ এটোপ কৰি ডাৱৰৰ পানী পৰি ভৰি গ’ল বহল সাগৰ...’ আদি উদাহৰণ দি তেওঁ কৈছিল যে আমি সকলোৱে যদি একোজন ভিক্ষাৰীক এটকাকৈও দিওঁ, প্ৰতিজন মানুহে এনেদৰে সহায় কৰিলে বহু ভিক্ষাৰীৰ হেনো উপকাৰ কৰা হ’ব। তেওঁৰ আৱেগিক ভাষণ শুনি মই ভাবিবলৈ বাধ্য হৈছিলোঁ— এয়াই সেইগৰাকী অপৰ্ণা হাজৰিকানে, যিয়ে মোৰ আগতেই এজন ভিক্ষাৰীক দুৰ্ব্যৱহাৰ কৰি খেদি পঠিয়াইছিল; যিয়ে শুক্ৰেশ্বৰ মন্দিৰৰ সন্মুখৰ ফুটপাথ পাৰ হ’বলৈ হ’লে চকুত ক’লা ছানগ্লাছ এযোৰ পিন্ধি লয়। সেইগৰাকীয়ে ইপিনে মাইকৰ সন্মুখত থিয় হৈ কয় যে সমাজখন বোলে ইমান স্বাৰ্থপৰ হৈছে যে আজিকালি মানুহে ভিক্ষাৰীকো ভণ্ড বুলি খেদি পঠিয়ায়।

মই সভাৰ শেষত উদ্যোক্তাসকলৰ লগত কথা পাতি থাকোঁতে কথাৰ চলতে উলিয়াইছিলোঁ— ‘মিছেছ হাজৰিকা, আপুনি যে কৈছিল মানুহে আজিকালি ভিক্ষাৰীকো ভণ্ড বুলি ভাবি খেদি পঠিয়ায়, আপুনি নিজেই কওকচোন, এদিনতে আপোনাৰ ঘৰলৈ যদি তিনিজনমানকৈ ভিক্ষাৰী আহে, তেন্তে আপোনাৰ ধৈৰ্য্যচ্যুতি ঘটি আপুনি সিহঁতক খেদি নপঠিয়াবনে?’

‘ওঁহো।’ হাজৰিকানীয়ে ক’লে— ‘মই হ’লে সকলোকে এটকাকৈ হ’লেও দিম।’

‘হয় নেকি?’ মই ওভোতাই ধৰিলোঁ— ‘আৰু মই যদি প্ৰমাণ কৰি দেখুৱাওঁ তেতিয়াহ’লে কি কৰিব?’ মই হাঁহি এটি মাৰিলোঁ।

‘ই ঃ, তেতিয়াহ’লে মই সভানেত্ৰীৰ পদৰ পৰা পদত্যাগ কৰিম য’ক।’ —হাজৰিকাই ঠেহ ধৰি দেখুৱাই ক’লে। মোৰ

লগতে আন বিষয়ববীয়াসকলেও হাঁহিলে।

আহি আহি হাজৰিকাইঁতৰ ঘৰ পালোঁহি। অফিচ-কাছাৰী খোলা আছে যেতিয়া হাজৰিকা নিশ্চয় ঘৰত নাই। ল'ৰা-ছোৱালীও স্কুললৈ গৈছে হ'বলা। লাহেকৈ গে'টখন খুলি সোমাই গ'লো। ইতিমধ্যে মোবাইল ফোনটো চাইলেণ্ট মুডত ৰাখি থৈ অন্যান্য ছেটিং কিছুমানো কৰি থৈছোঁ। মাত্ৰ এটা ছুইছ টিপিলেই হ'ল। বাৰাণ্ডালৈ উঠা চিৰিকেইটাৰ তলতে থাকি লাহেকৈ মাত লগালোঁ— 'বাইদেউ, অ' বাইদেউ!'

কোনো সঁহাৰি নাপাই আকৌ এবাৰ মাতিলোঁ। লাহেকৈ দুৱাৰখন খুলি ওলাই আহিল শ্ৰীমতী অপৰ্ণা হাজৰিকা। মই বাওঁহাতখন পেণ্টৰ বাওঁপকেটত ভৰালোঁ। মোবাইলৰ ছুইচ এটা টিপিলোঁ।

'কি লাগে?' —কৰ্কশ মাত এটা ভাহি আহি মোৰ কাণত পৰিল।

মই সোঁহাতখনত থকা খুচুৰা পইচা তিনিটা জোকাৰি জোকাৰি হাতখন তেওঁৰ পিনে আগবঢ়াই দিলো— 'বাইদেউ সহায় অলপ...'

'নাই নোৱাৰোঁ।' হাজৰিকাই কৈ উঠিল, 'মোৰ অসুবিধা হৈ আছে।'

উঃ, এই যে মাইকী মানুহবোৰ, মানুহক বা ভিক্ষাৰীবোৰক কিবা দিবলগীয়া হ'লে তেওঁলোকৰ মাহেকত ত্ৰিশটা দিনেই অসুবিধা হৈ থাকে। অৱশ্যে অপৰ্ণা হাজৰিকায়ো দেখুৱাব পৰাকৈ এইটো এটা সৰু অজুহাত। তেওঁ আৰু কি কি নাটক দেখুৱায় বা চাব লাগিব।

'বাইদেউ, কালি একো খোৱা নাই, আজিও...। কিবা অলপ খোৱা বস্তু পালে ভাল আছিল।' —মই পুনৰ ভঙা মাতেৰে ক'লোঁ।

'তইঁতে মোৰ ঘৰটোহে পাইনে? মই কিবা ধৰমশালা পাতি ৰাখিছোঁ নে কি? নোৱাৰোঁ একো দিব, গুচি যা।'

'বাইদেউ আপুনিয়েই সিদিনা মাইকত কৈছিল নেকি, চবেই যদি অলপ অলপ সহায়ো আমাক কৰে...'

'আও, ইয়াৰ বাহাদুৰি চাচোন। অ' কৈছিলো আৰু, তাতে কি হ'ল? তই মোৰ লগত চুপতি মাৰিবলৈ আহিছ নেকি? ভালে ভালে কপাউণ্ডৰ বাহিৰ হ, নহ'লে মানুহ মাতি টঙনিয়াই বাহিৰ কৰিম।' —অপৰ্ণা হাজৰিকাই কিছু উষ্মা প্ৰদৰ্শন কৰি ক'লে।

'বাৰু বাৰু, গৈছোঁ বাৰু মিছেছ অপৰ্ণা হাজৰিকা।' মোৰ ভঙা ভঙা মাতটো আগৰ স্বাভাৱিক গলগলীয়া মাতলৈ ৰূপান্তৰ হ'ল। অপৰ্ণা হাজৰিকাই কিছু আচৰিত হৈ মোৰ পিনে চাই ৰ'ল। মই পকেটৰ পৰা মোবাইলটো উলিয়াই ৰেকৰ্ডিং বন্ধ কৰিলোঁ।

'তই... মানে আপুনি...' —হাজৰিকাই বাক্যটো শেষ কৰিবলৈ নাপালেই, লগে লগে মোৰ মোবাইলৰ লাউড স্পীকাৰত বাজি উঠিল অলপ আগতে হৈ যোৱা ঘটনাখিনিৰ ৰেকৰ্ডিং। অপৰ্ণা হাজৰিকাই বিস্ফোৰক নেত্ৰে মোলৈ চাই থাকিল।

'বাৰু আহিছোঁ দিয়ক, মিছেছ হাজৰিকা। আৰু শুনক, অহাবাৰ 'সহায়'ৰ মিটিঙলৈ আহিলে পদত্যাগ-পত্ৰখন লৈ আহিব।'

তেওঁৰ প্ৰতিক্ৰিয়া চাবলৈ মোৰ সময় নহ'ল। জপং-জপংকৈ ঘৰলৈ বুলি খোজ পেলালোঁ। □

● *গল্পকাৰ উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰ।*





# পদাতিক... জীৱন-বাটৰ

ভায়'লেট হাজৰিকা

এলবার্ট আইনষ্টাইনে কৈছিল— Try not to become a success, but rather try to become a man of value. ক্লাছত সোমায়ে স্বভাৱসুলভ ভংগিমাৰে আৰম্ভ কৰিলে সঞ্জীৱ ছাৰে। এয়াই ছাৰৰ বিশেষত্ব। Philosophy পঢ়াবলৈ আহি ছাৰে সিহঁতক জীৱনৰ কথা কয়, আদর্শৰ কথা কয়, নিজে পঢ়া শেহতীয়া গ্রন্থখনৰ কথা কয়। ক্লাছৰুমৰ নির্দিষ্ট সময়কণতেই যেন ছাৰে সিহঁতৰ বাবে পাৰি দিব খোজে জীৱনৰ দীঘল দলিচা, উবুৰিয়াই দিব খোজে নিজৰ জ্ঞানভাণ্ডাৰৰ সমস্ত সঞ্চয়। তন্ময় হৈ যায় সিহঁত। সন্মোহনৰ এক শক্তিয়ে যেন কেন্দ্রীভূত কৰি ৰাখে ক্লাছৰুমৰ ৬০জন ছাত্র-ছাত্রীৰ ধ্যান। 'জীৱনৰ প্রতিটো ক্ষেত্রতে আমি সফল হ'ব লাগিব বুলি কোনো কথা নাই। বিফলতায়ো কেতিয়াবা মহত্বপূর্ণ শিক্ষা দিয়ে। প্রকৃততে সফল ব্যক্তি সেইজন, যিজনে বিফলতাকো সহজভাৱে গ্রহণ কৰিবলৈ শিকে... ।' —ছাৰে অনর্গল কৈ যায়। ছাৰৰ মাতটো গম্ভীৰ। কথাবোৰ বেৰত ঠেকা খাই সিহঁতৰ মনৰ মাজত বৈ যায়হি।

'বিফলতায়ো কেতিয়াবা মহত্বপূর্ণ শিক্ষা দিয়ে।' —সিদ্ধার্থই মনৰ মাজতে আওৰালে। বিফলতাই কেনে শিক্ষা দিয়ে সি অনুভৱ কৰিব নোৱাৰে—সেই বিফলতাত নিৰাশ নহ'বৰ বাবে নে পুনৰ সফল হ'বৰ বাবে। তেতিয়ালৈকে সি অতিক্রম কৰা তাৰ জীৱনৰ সৰু-সৰু বিফলতাবোৰত সি মাথোঁ পৰাজিত সৈনিকৰ দৰে উচুপিহে পাইছে। সৰুতে ভনীয়েকৰ লগত বেলুনৰ কাৰণে কাজিয়া কৰোঁতে সদায়ে হাৰিছিল সি। মাকে বুজাইছিল— 'নাপায় নহয় ভণ্টীক কন্দুৱাব। দি দিয়া বেলুনটো। তোমাক মই কাইলৈ ডাঙৰ ধুনীয়া বেলুন এটা আনি দিম।' মানি লৈছিল সি। তেতিয়া উচুপিবলৈ তাৰ আইতাকৰ কোলাখন আছিল। উচুপনিত জোকাৰ খাই থকা পিঠিখন মোহাৰি মোহাৰি আইতাকে সাধুৰ কুঁকিটো খুলিছিল। আইতাকৰ চুলিৰ চিনাকি গোন্ধটো যেন সাধুৰ লগত মিলি গৈছিল। 'এটা কাছ আৰু এটা শহাৰ নলে-গলে লগা বন্ধু আছিল... ।' আইতাকে আৰম্ভ কৰা সাধুটো শেষ হোৱাৰ আগতেই টোপনিয়ে জোকাইছিল তাক।

'আমি কঠিন বুলি ভবা বহুতো কাম প্ৰকৃততে অলপো কঠিন নহয়। পৰিৱেশ আৰু পৰিস্থিতিভেদে ভিন্ন হয় কঠিনতাৰ সংজ্ঞা।' —ছাৰৰ কথাই ভাব সাগৰৰ পৰা ঘূৰাই আনিলে তাক। প্ৰায়েই এনে হয়। ছাৰৰ একোটা কথাই তাক লৈ যায় বহুত দূৰলৈ, কেতিয়াবা অতীতলৈ, কেতিয়াবা কল্পনাৰ ৰাজ্যলৈ। পৌঢ়ত্বৰ ওচৰত হাৰ নমনা এই ব্যক্তিজনৰ শিক্ষণৰ যাদুকাঠীৰ পৰশে যেন সলনি কৰিছিল কঠিনতাৰ সংজ্ঞা। এল পি স্কুলত পঢ়োঁতে ককায়েকৰ টেবুলৰ পৰা মেপ অঁকা ৰঙা, নীলা দুয়োটা ৰং থকা পেঞ্চিলডাল থপিয়াই অনাটোৱেই আছিল তাৰ বাবে কঠিন কাম। মাক সদায় ককায়েকৰ পক্ষত—'নাপায় নহয়, দাদাক আমনি কৰিব। তুমি তোমাৰ নিজৰ কিতাপ পঢ়াগৈ যোৱা।' কুৰুকি কুৰুকি সোমাই উচুপিবলৈ তেতিয়া আইতাকৰ কোলাখন নাছিল। সঞ্জীৱ ছাৰৰ অলৌকিক, অপাৰ্থিৱ কথাবোৰ শুনি শুনি কোনোবা জগতলৈ গুচি গৈছিল সি। গুচি যোৱা নাছিল মাথোঁ আইতাকৰ চুলিৰ চিনাকি গোন্ধটো আৰু সাধুবোৰ। দৌৰ প্ৰতিযোগিতা কৰা কাছটো আৰু সমৰ্থবান অথচ এলেহুৱা শহাটো। '...শহা আৰু কাছই এদিন দৌৰ প্ৰতিযোগিতা পাতিলে, কোনেনো বেছি বেগাই যাব পাৰে, তাকে পৰীক্ষা কৰিবলৈ আৰু পথাৰৰ সিপাৰৰ গছ এজোপাৰ তললৈকে দৌৰিবলৈ ঠিক কৰিলে। তাৰ পাছত শহা আৰু কাছই আৰম্ভ কৰিলে সিহঁতৰ দৌৰ...।'

সিদ্ধাৰ্থ তীখৰ আছিল। মেট্ৰিকত ষ্টাৰ পাই পাছ কৰি স্কুলৰ ছাৰ-বাইদেউ, মাক-দেউতাক, আত্মীয়-স্বজনৰ আশীৰ্বাদ লৈ কলেজত পঢ়িবলৈ ওলাই আহিল। তাতেই লগ পালে বহুতো ব্যক্তিত্ব, বহুতো আদৰ্শ, সঞ্জীৱ ছাৰ আৰু আন বহুতক। ক্ৰমে নিজৰ অজানিতেই আৰম্ভ হৈ গ'ল দৌৰ প্ৰতিযোগিতা। ইটোৰ পাছত সিটো ডিগ্ৰী, ডিপ্ল'মা। সিদ্ধাৰ্থ দৌৰিয়েই থাকিল, দৌৰিয়েই থাকিল। এইবাৰ আৰম্ভ কৰি দিলে নামৰ পাছত এসোপা বিশেষণ যুক্ত কৰি, হাতত চাৰ্টিফিকেটৰ ফাইল লৈ, অফিচ-কাৰ্যালয়ৰ দুৱাৰে দুৱাৰে, পদূলিয়ে পদূলিয়ে...

'শহাটোৱে অলপ দূৰ দৌৰি পিছলৈ ঘূৰি চাই দেখিলে কাছটো বহুত পিছত লাহে লাহে আহি আছে। সি ভাবিলে কাছ সখী এইখিনি পাইহি মানে মই অলপ পৰ শুয়েই লওঁ। মূৰ্খ শহাটো টোপনি গ'ল আৰু কাছটো লাহে লাহে আহি তাক পাৰ হৈ নিৰ্দিষ্ট গছজোপাৰ তল পালেগৈ। ইফালে শহাটো তেতিয়াও দুৰ্ঘোৰ টোপনিত। সি সাৰ পাই দেখিলে যে সি এলেহুৱা বুলি ভবা কাছটো গছজোপাৰ তলত আৰামত বহি আছে। শহাটোৱে বৰ লাজ পালে আৰু আগলৈ এনে প্ৰতিযোগিতা নকৰোঁ বুলি কাছৰ পৰা বিদায় ল'লে।'

আইতাকৰ সাধুটো বৈ বৈ বাজি থাকে সিদ্ধাৰ্থৰ কাণত। একেবোৰ কথাকেই সঞ্জীৱ ছাৰে কয়, আইতাকেও কয়। আইতাকে সাধু সাধু ভাষাৰে, সঞ্জীৱ ছাৰে দাৰ্শনিক ব্যাখ্যাৰে, বিভিন্ন মনিষীৰ উদ্ধৃতিৰে। তাৰ খেলিমেলি লাগি যায়। সাধুকথাৰ জনকবোৰ দাৰ্শনিক আছিল নেকি? সুধিম সুধিম বুলিও তাৰ সঞ্জীৱ ছাৰক সোধা নহ'ল।

সিদ্ধাৰ্থ দৌৰিয়েই আছিল, ক্লান্তিহীন মানুহৰ দৰে। তাতকৈ নামৰ পাছত কম বিশেষণ থকা বহুত মানুহে লক্ষ্যস্থান পাই জয়ৰ গৌৰৱমালা পিন্ধিছিল। ভিঙিত ডাঙৰ ডাঙৰ মেডেল আঁৰিছিল। সিহঁতে হয়তো জানিছিল দৌৰাৰ কৌশল, জয়ৰ কৌশল!

দৌৰি তাৰ ভাগৰ লাগিছিল নেকি! সি নিৰাশো হৈছিল হয়তো, ক্ষুণ্ণ হৈছিল। কোনেনো এই প্ৰতিযোগিতা উলিয়ালে তাকে ভাবি হয়তো নিজৰ ওপৰতে ধিক্কাৰ উপজিছিল, আৰু এদিন হয়তো অনাকাংক্ষিত বিফলতাবোৰত দিক্‌ভ্ৰষ্ট হৈয়েই জীৱনৰ অন্তিমটি সিদ্ধান্ত লৈ আঁতৰি গুচি গ'ল এক অচিন অজান, দাৰ্শনিক, সাধুকথাৰ জগতলৈ, য'ৰ পৰা আৰু কোনোৱেই উভতি অহা নাই। মাক বাউলী হ'ল। কোনো দিন প্ৰতিবাদৰ কোনো ভাষা ব্যৱহাৰ নকৰা নিমাখিত ল'ৰাটোৰ এই নিষ্ঠুৰ প্ৰতিবাদত যেন স্তব্ধ হৈ গ'ল সকলো। ...বেলি উদয় হ'ল, অস্ত গ'ল, পূৰ্বৰ একেটা দিশতে। ৰ'দজাক যেন চোকা হ'ল আগতকৈও। সিদ্ধাৰ্থই সহ্য কৰিব নোৱাৰা ৰ'দজাক।

সাধুকথাৰ গূঢ়াৰ্থ বিচাৰি ফুৰা, দাৰ্শনিক ব্যাখ্যাৰ বাস্তৱ উদাহৰণ বিচাৰি ফুৰা সিদ্ধাৰ্থ আজি যেন নিজেই এটা বিৰাট প্ৰশ্ন হ'ল, নিজেই এটা সাধু হৈ গ'ল।

...আমাৰ মনত মাথোঁ দোলা দি গ'ল দুটিমান প্ৰশ্নই, সমাধানবিহীন প্ৰশ্ন— একেটা কথাই সকলোকে বেলেগ বেলেগ শিক্ষা দিয়ে কিয়? ...শহাটোৱে আকৌ এবাৰ দৌৰি নিজৰ যোগ্যতা নেদেখুৱালে কিয়? □

● *গল্পকাৰ ৰাজনীতি বিভাগৰ স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰী।*

# ভোক

জুৰি বৰুৱা

ৰ'দজাক লাহে লাহে জামুজোপাৰ কেৰেঙণিত সোমাই পৰিছিল। সময়ৰ হেন্দালি বগাই দুপৰীয়াটো এতিয়া নব্বৈ ডিগ্ৰী কোণত। হাবিখনত এৰাল দি বান্ধি ৰখা সেউজীয়া ছাঁটোৰ ওপৰত কুহমীয়া দৃষ্টি সানি খোজ দিছে উৰ্মিয়ে। ভাগৰে জুৰুলা কৰি পেলাইছে তাইক সময়ে চেপি ৰখা ভৰি দুখন। ৰ'দজাকৰ হেলনীয়া আলিংগনত তাইৰ পিঠিখন চেক্-চেকাবলৈ আৰম্ভ কৰিছে। শৈশৱৰ সেই পুৰি যোৱা কলাকুলত এতিয়াও ট-টকৈ জিলিকি আছে বাঁহৰ এছাৰিৰ কেঁচা দাগ।



জলফাই বৰণীয়া হাবিখনলৈ বেঁকাকৈ চালে তাই। পৰা ৰ'দত হাবিখন যেন জ্বলিবলৈ আৰম্ভ কৰিছে। তাইৰ পেটতো এটা জ্বলন অনুভৱ হ'ল। দীঘল হুমুনিয়াহ এটা উৰ্মিৰ নাকেৰে সৰকি পৰিল। ৰাতিপুৱাৰে পৰা শূন্য তাইৰ পেট। সাঁকো পাৰ হৈ সিপাৰলৈ যাব পৰা হ'লে হাবিখনত লেটেকু-পনিয়লৰ তিতা-কেঁহা স্বাদবোৰ বুটলিব পৰা গ'লহেঁতেন। কিন্তু নৈখনত পানীৰ বিহে কোবাল সোঁত। সাঁকোৰ আধা বুকু চুই সোঁতবোৰ জঁপিয়াই গৈছে। এটা ভয়ে ক্ৰমাৎ কুটি পেলালে তাইৰ কেঁচাপাতৰ দৰে কলিজাখন। আনদিনা হোৱা হ'লে নদীখনৰ সৈতে কথা পাতিলহেঁতেন তাই। লুংলুঙীয়া বাটটোৰেদি উজাই সামৰি ল'লেহেঁতেন। তাইৰ এধানি বুকুত হাবিখনৰ শ্বাস-প্ৰশ্বাস। বাওঁহাতেৰে তাইৰ সৰল গছৰ দৰে কুমলীয়া কঁকালত জেং খৰিৰ মুঠিবোৰ খামোচ মাৰি ধৰি থাকিলহেঁতেন, আৰু শুকান পাতৰ মেৰমেৰণি তুলি ব্যস্ত হ'লহেঁতেন জেং খৰি সংগ্ৰহৰ বিচক্ষণ অভিযানত। ইতিমধ্যে তাইৰ আঙুলিবোৰো জেং খৰি সদৃশ আকৃতিৰ হৈ পৰিছে। চকু দুটাই বাৰিষাৰ দৰে উচুপি উঠিছে আৰু উৰ্মিৰ নীৰৱ ওঁঠ দুটাত খৰালিয়ে ফাঁট মেলিবলৈ আৰম্ভ কৰিছে।

তিনি দিন ধৰি ৰ'দালিৰ নেৰানেপেৰা অনশন বাতিল কৰি আজি নিহালি এৰিছে বৰষুণৰ

সূতাবোৰে। পথাৰখনত এটা ক্ষীণ পৰিভ্ৰমণ কৰি গোটাই আনিছে তাইৰ এটা সংকুচিত খৰিৰ মুঠি। মুঠিটোৰ আয়তনে নিশ্চিত কৰি পেলাইছে তাইৰ শূন্য পেটৰ আৰ্তনাদ আৰু দেহত পীড়নৰ এক স্পষ্ট আগমনৰ হুংকাৰ। পৰিৱেশটোৰ নিশ্চুপ ৰূপক আওকাণ কৰি হঠাৎ এটা গেঙনি বাহিৰ হ'ল তাইৰ নিশ্বাসেৰে। খোজবোৰ ঢিলা হৈ পৰিল আৰু ভাগৰৰ চূড়ান্ত বুঁজখনত পৰাজয় স্বীকাৰ কৰি খৰিৰ মুঠিটো গছজোপাৰ গুৰিতে আওজাই বহি পৰিল তাই জামুজোপাৰ তলত। ভালদৰে চালে ধৰিব পাৰি তাইৰ নাকৰ পাহি দুটা ফুলি উঠিছিল তেতিয়া। বৰ কষ্টৰে এটা সেপ পাৰ হৈ গৈছিল তাইৰ ডিঙিয়েদি।

যোৱা ৰাতিৰ জ্বৰটোৰ উষ্ণতা এতিয়াও তাইৰ দেহৰ ফাঁকে ফাঁকে শুই আছে। কালি আগবেলাটো বৰষুণত তিতি তিতি তাইৰ জেং খৰি যেন আঙুলিকেইটাৰে ঢেঁকীয়াৰ কুমলীয়া আগবোৰ ছিঙিছিল। সেইখিনিকে মুঠি মুঠিকৈ পুলটোৰ ওপৰত সজাই বাট চাইছিল তাই ফিল্ডলৈ যোৱা গাড়ীবোৰলৈ। গাড়ী আহিছিল আৰু ছাটকৈ তাইৰ সন্মুখেৰে পাৰ হৈ গৈছিল। সাঁজ লগা পৰলৈকে তাইৰ হাতৰ মুঠিত গোট খাইছিল মাত্ৰ পোন্ধৰটা টকা। কিন্তু দুৰ্ভাগ্য তেতিয়াও তাইৰ চাৰিসীমাত সক্ৰিয় হৈ আছিল। ঘৰলৈ ওভতাৰ বাটতে মদপী বাপেকে তাইৰ পৰা দুটা চৰৰ বিনিময়ত কাঢ়ি লৈছিল টকাকেইটা। উচুপি উচুপি যেতিয়া তাই ঘৰৰ ভঙা জেওৰাৰে জৰ্জৰিত পদূলি গচকিছিল, তেতিয়া মাহীমাকৰ গালিবোৰ কাঁইট হৈ বৈ আছিল তাইৰ বাবে।

উৰ্মিৰ শুকান বোকোচাত ৰাতিপুৱাৰ ৰ'দবোৰ কোমল আৰু আলসুৱা হৈ থকা নাছিল। আনবোৰো যেন এন্ধাৰেৰে আৰম্ভ হৈছিল। চকু মেলিয়ে তাই দেখা পাইছিল সন্মুখত জহি-খহি নিঃশেষ হ'বলৈ গৈ থকা তাইৰ শৈশৱৰ ছাঁ। পাহৰি গৈছিল তাই হাঁহিবলৈ। অৰণ্যে কান্দোনৰ ইমানবোৰ পৃষ্ঠা পঢ়াৰ পিছত হাঁহিৰ বাবে আৰু জানো কিবা বাকী আছিল। সেই কাৰণে সোনকালে ডাঙৰ হ'বলৈ মন যায় উৰ্মিৰ। অন্ততঃ তেতিয়া বাগিচাত পাত তোলাৰ কামত সোমাব পাৰিব— প্ৰতি শুকুৰবাৰে তাইৰ কষ্টৰ উপাৰ্জন মাহীমাকৰ হাতত তুলি দিলে হ্ৰাস পাব অত্যাচাৰ। ঘূণীয়া শৈশৱৰ বিশৃংখল পৃষ্ঠাবোৰত নহ'লে যে তাই জঁট খাই পৰিছে বাৰে বাৰে।

নিৰ্জন দুপৰীয়াটোৰ বুকু ফালি চুঁচৰি গ'ল নদীখনৰ সোঁতবোৰ সাঁকোডালৰ দুৰ্বল বাহুৰেদি। উৰ্মিৰ বাওঁ হাতখনত আকৌ তীব্ৰ হৈ পৰিল বিষটো। সেইদিনা স্কুলত মাষ্টৰে তাইৰ দুয়োখন হাততে কাঠৰ স্কেলেৰে কোবাইছিল। বাওঁহাতৰ কেঁঞা আঙুলিটোত সেই মাৰ অলপ বেছিকৈয়ে পৰিল। বিষটো হাতৰ পৰা ত্বৰিত গতিৰে তাইৰ কলিজা পালেগৈ। মাকৰ ওচৰত কেতিয়াবা এৰি থৈ আহে উৰ্মিয়ে নিজক। যেমাৰী মাকজনী কেঁকাই কেঁকাই চাঙীসদৃশ বিছনাখনত পৰি আছিল। মাকৰ পুষ্টিহীন দেহটো এডাল জেং খৰিৰ দৰে লাগিছিল উৰ্মিৰ। অথচ সেইজনী মাকৰে শিৰৰ বাটত অহৰহ বৈ আছিল সেন্দুৰৰ এখন গাঢ়, লেহুকা নৈ। মাকেই কৈছিল তাইক হিন্দু তিৰোতাৰ বাবে ৰঙা তিলকৰ বাহিৰে আন কোনো ডাঙৰ কথা থাকিব নোৱাৰে। স্বামীৰ দীৰ্ঘায়ুৰ বাবে ৰঙা নৈখন বৈ থকাটো যেন এক প্ৰাথমিক চৰ্ত। অথচ সেইটো বাপেকেই দৌৰিছিল কেৱল মদৰ পিছে পিছে! উৰ্মিৰ তলৰ দুটা ল'ৰা সন্তান জণ্ডিচ আৰু জ্বৰত মৃত্যু হৈছিল। তাৰ পাছত বাপেকে মাকক মৰিয়াই মৰিয়াই আধা মৰা কৰা দেখি তাইৰো বুকু ফাটি গৈছিল। বাৰে বাৰে তাই দৌৰিছিল মাকৰ অৰ্ধ-উলংগ দেহটোৰ কাষলৈ। সাৱটি ধৰিছিল তাই মাকক। বায়েকে টানি আনিছিল দূৰলৈ, বুজাইছিল উৰ্মিক বনৰীয়া বাপেকৰ পিটনত উৰ্মিও পোত যাব লাগিব মাটিৰ গাতত। মাকৰ হেলনীয়া চকু দুটালৈ চাবলৈ উৰ্মিৰ লাহে লাহে ভয় লাগি আহিছিল। ওৰে ৰাতি তাই কান্দিছিল আৰু মদপী বাপেকৰ অবাইচ মাতৰ বিৰুদ্ধে আৰ্তনাদ। লাহে লাহে বস্তিটোৰ বাবে সিহঁতৰ সেই কান্দোন আৰু বাপেকৰ ঢলং-পলং খোজবোৰ একেবাৰে চিনাকি হৈ পৰিছিল। আৰু সিহঁত হৈ পৰিছিল পুতৌ আৰু অৱহেলাৰ পাত্ৰ।

মাক মৰাৰ পিছত মাহীমাকৰ গৰ্জনেৰে শ্বাসৰুদ্ধ হৈ পৰিল সিহঁতৰ ধ্বংসস্তূপ যেন ঘৰখন। বাঢ়নি পানীৰ দৰে বাঢ়ি আহিল অবাইচ গালিবোৰ। পেটত ভোক আৰু বুকুত যন্ত্ৰণাৰ পোৱা দাগ লৈ তাইৰ সন্মুখেৰে এখন এখনকৈ পাৰ হৈ গ'ল ক্ষয়িষ্ণু ছবিবোৰ। মদপী বাপেকৰ স্বাস্থ্যৰ খৰতকীয়া অৱনতি আৰু শেষত তাইৰ শেষ আশা বায়েকৰ পলায়নে থেকেচি পেলালে উৰ্মিক। শিপা হেৰাই গ'ল তাইৰ ভৰিৰ পৰা? কৰ্ফাল খাই পৰিলগৈ তাই শিলৰ ওখোৰা-মোখোৰাবোৰত। আৰম্ভ হ'ল উৰ্মিৰ ৰুক্ষ জীৱনৰ নিদাৰুণ স্তৰবোৰ। আনৰ ঘৰত বন কৰা, ল'ৰা-ছোৱালীক দিনটো ৰখা, পকী ৰাস্তা সজা কামত শিলৰ বোজা কঢ়িওৱা আদি কামে কোঙা কৰি পেলালে উৰ্মিক। খোজবোৰ দুৰ্বল হৈ পৰিল তাইৰ, উশাহবোৰ চুটি চুটি হ'ল। আৰু আলকাতৰাৰ ক'লা ধোঁৱাৰে কজলা হৈ পৰিল তাইৰ শুকাই যোৱা শিপাৰ দৰে দেহ।

কেইবাজাকো কাঁইটীয়া ধুমুহাই আঁচুৰি যোৱাৰ পিছত লেবাৰ গলিত মৃতৰ তিলক লোৱা বায়েকক চাবলৈ যোৱাটো সহজ নাছিল উৰ্মিৰ বাবে। বায়েকৰ ওপৰত উঠা মাহীমাকৰ

সমস্ত খং উৰ্মিয়ে হজম কৰিছিল আৰু বায়েকৰ ওপৰত উঠা তাইৰ প্ৰচণ্ড খং হিমবাহৰ গৰে গলি গলি নিঃশেষ হৈছিল শেষলৈ। বুজি উঠিছিল উৰ্মিয়ে পেটৰ শূন্যতা আৰু বুকুৰ শূন্যতা উভয়কে পূৰাবলৈ বায়েকৰ এই পলায়ন অতি দৰকাৰী আছিল।

ৰ'দজাকে চেলেকি আছিল জামুজোপাৰ আকাশমুখী ডালকেইটা। উৰ্মিৰ পেটৰ কোলাহল ক্ৰমাৎ বাঢ়িবলৈ আৰম্ভ কৰিছিল। শুকাই যোৱা ওঁঠ দুটা আকৌ এবাৰ চেলেকি ল'লে তাই।

স্কুললৈ যোৱাৰ চৌখিনতা লেবাৰ বস্তিৰ দুই-এটা শিশুৰ জীৱনৰ অৰ্ধাংশ দিনলিপি মাথোঁ। উৰ্মিৰ বাবে সেয়া মৰুভূমিত মৰূদ্যান লগ পোৱাৰ দৰে কথা। এদিন বস্তিৰ সৈতে যোৱা পাতি থকা গাঁওখনৰ পৰা এজন মাষ্টৰ আহিছিল সিহঁতৰ ঘৰলৈ। বাপেকক সন্মুখত লৈ বুজাইছিল তেওঁ— 'ছোৱালীক স্কুললৈ যাবলৈ দিয়া, দুই-এটা আখৰো শিকিব, খাবলৈও পাব।'

উৰ্মিয়ে বুজি পাইছিল তেনেবোৰ প্ৰস্তাৱৰ সপক্ষে মত দিয়াটো সিহঁতৰ মাক-দেউতাকৰ শূন্যৰে উভৈনদী জীৱনত একেবাৰে খাপ নোখোৱা কথা। বাপেকৰ জীৱন চলে মদৰ নিচাৰে আৰু মাইকীমাক ব্যস্ত থাকে কেৱল জাউৰিয়ে জাউৰিয়ে গালিৰ সৌকা কোবোৱাত।

কিন্তু দুৰ্ঘটনাক্ৰমে উৰ্মি সোমাই পৰিল এদিন স্কুল চৌহদৰ অচিনাকি মেপখনত। ভোকৰ আৰ্তনাদ আৰু তাইৰ কান্দোনক মোহাৰি পেলাবলৈ বাপেকে এদিন থৈ গ'লহি তাইক স্কুলৰ বেঞ্চবোৰৰ মাজত। একেবাৰে শেষৰ বেঞ্চত বহি তাই চাই থাকিল ক'লাৰ ওপৰত অঁকা বগা আঁচবোৰলৈ। বুকুৰ নিঃশব্দ গেঙনিবোৰ তাইৰ ওঁঠেদি পিছলি গ'ল। মাষ্টৰ এজনৰ মাতত তাই সাৰ পালে অবুজ চাকনৈয়াৰ পৰা—

—তোৰ নাম?

—উৰ্মিলা কুৰ্মী।

তাইৰ চেপা মাতষাৰত গোটেই শ্ৰেণী কোঠাটো জয়াল হৈ পৰিল। আৰু এটা সময়ত ঘণ্টাৰ সংকেতত আনবোৰৰ পিছে পিছে তায়ো বহিলগৈ সেই মুকলি ঘৰটোৰ মজিয়াত। পাতখিলাৰ হালধীয়া খাদ্যবিধ তাইৰ জড়তাসনা হাতেৰে খৰকৈ সোমাব ধৰিলে মুখৰ ভিতৰলৈ। আৰু তেতিয়াই ঘটিল অঘটনটো। বহি থকা ল'ৰা-ছোৱালীবোৰৰ মাজৰ পৰা স্পষ্ট চিঞৰ এটাই চিৎকাৰ কৰি উঠিল— '...চোৰ, চোৰ...'।

বিলনীয়া বাইদেউজনী বতাহী বেগেৰে দৌৰি আহিল। ল'ৰাটোৰ কথাই তাইৰ কাণত সুমুৱাই দিলে দুখন তীক্ষ্ণ হেংডান— '...তাই কেৰাহীৰ পৰা চুৰ কৰি খাইছে'।

সেই ল'ৰাটোৰ নেতৃত্বতে বেছ কিছু সময় তাইক কেন্দ্ৰ কৰি এটা ৰসাল আড্ডা চলি আছিল ইতিমধ্যে।

স্থানুৰ দৰে ৰৈ থাকিল উৰ্মি। তাইৰ ভৰিত কোনোবাই যেন গজাল মাৰি দিছে। মাটিৰ সৈতে সী দিয়া হৈছে তাইৰ মৃতদেহ যেন শৰীৰ। বিলনীয়া বাইদেউজনীয়ে উৰ্মিৰ বাওঁহাতত ধৰি চোঁচৰাই লৈ গ'ল অফিচ ৰুমলৈ। তেতিয়া তাত বহি আছিল দীঘল মোচৰ মাষ্টৰজন। মাষ্টৰজনে তাইলৈ হীন দৃষ্টিৰে চালে। সেই দৃষ্টিয়ে ফালি চিৰাচিৰ কৰি থৈ গ'ল উৰ্মিৰ কলিজা। ওকালি দিবলৈ মন গ'ল তাইৰ ক্ষন্তেক আগতে খোৱা ভাতখিনি। মাষ্টৰজনে তাইৰ শুকাই যোৱা সোঁহাতখনক আৰু তাৰ পাছত বাওঁহাতখনকো স্কেলেৰে জোকাৰি পেলালে। —'তোক দেখাতেই লাগিছে, পঢ়িবলৈ অহা নাই তই। খাবলৈ আহিছ'! ভোকাতুৰৰ সঁচ, খাবলৈ পোৱা নাই যদি ভিক্ষা কৰিবি। এনেকৈ স্কুলৰ মজিয়াত পাত পাৰি খাবলৈ নাহিবি।'

উৰ্মিৰ চকু তেতিয়া শুকাই যোৱা পুখুৰীৰ দুটা গাঁত মাথোঁ।

******

কথাবোৰ মনত পৰাত আকৌ এবাৰ জিকাৰ খাই উঠিল উৰ্মি। হাত দুখনলৈ এবাৰ ক্ষীণ দৃষ্টিৰে চাই, গছজোপাৰ গাত ভেঁজা দি লাহেকৈ উঠিল তাই। ৰ'দে চেলেকি পেলোৱা তাইৰ ভগ্ন দেহৰ প্ৰতিটো ভাঁজ সুলকি পৰিব যেন। সোলোক-ঢোলোক খোজেৰে তাই আগবাঢ়িল ওভতা বাটেৰে। দুৰ্বল খোজৰ ভাঁজে ভাঁজে স্পষ্ট হৈ পৰিল তাইৰ মুখৰ শেতা চৌবোৰ। লাহে লাহে তাই স্কুলখনৰ সন্মুখ পালেগৈ। ইতিমধ্যে দুপৰীয়াৰ খাদ্য খোৱা হৈ গৈছে আৰু খোৱা পাতবোৰ ৰাস্তাটোৰ সিটো পাৰে দলিয়াই পেলোৱা হৈছে।

উৰ্মিৰ ভোকটো হঠাতে উজাই আহিল। খৰ হৈ পৰিল তাইৰ খোজবোৰ। খোজৰ খৰতকীয়া ভৰত হাতৰ খৰিৰ মুঠিটো আধাতে বাগৰি পৰিল। এখিলা এখিলা পাত তুলি অৱশিষ্টখিনি তাই গো-গ্ৰাসে খাবলৈ ধৰিলে।

দূৰৰ জামুজোপাত তেতিয়া ৰ'দজাক পৰি মৃতদেহৰ দৰে হৈ পৰিছিল।☐

● *গল্পকাৰ ভূগোল বিভাগৰ স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী।*

# Globalization and Its Challenges in Higher Education

Dr. Phunu Das

**Today** globalization has become a hot topic of discussion in the national and international arena. Globalization contributes to a wide diffusion of ideas and values mobilizing international attention to universalistic issues and challenges. Education is crucial for successful integration in a 'Global World'; 'Competencies needed', 'Learning to be', 'Learning to do', 'Learning to learn' and 'Learning to live together'. Even countries of different world, having decades of discrimination are revising their teaching history and geography to "learn to live together". Good education, efficient participation in the process of Globalization, and the capacity to defend and promote human right require 'Fully autonomous' individuals. Thus education for autonomy means building the capacity of individual to participate in Globalization and to protect their rights.

The word globalization is derived from the word 'global' which means 'world wide' i.e. affecting or taking into consideration the whole world. It is the process of integration of economics, politics, and education, culture across the world through cross-border flow of various factors, product and information. It has two components – the globalization of markets and the globalization of production. The process of globalization has increased openness, interdependence and integration among different countries. Education can contribute to the regulation of globalization, the restructuring of curricular, teaching method and governance are equally important to be implemented.



Philiph G. Altabach (2003) examines the impact of globalization on higher education system in the context of developing countries. He observes that in a global market place of higher education, the movement is taking place from the south to the north. The movement of natural person as the scientists, professors,

teachers are also taking place from the south to the north.

Presently, we have noticed that both developing as well as developed countries higher education are at cross roads. Traditionally higher education was considered as creator and diffusion of knowledge. Now expansion of frontiers of knowledge is regarded as the most important function of education. Many societies assigned high value to knowledge for the sake of knowledge as knowledge was considered wealth. Secondly, higher education was viewed as an instrument of personal development of individuals, expanding intellectual horizons of the individuals, their interest and potential and empowering the individuals to have better quality of life. Thirdly, higher education was viewed as an instrument of social engineering, socializing individuals to the values of the society– social, ethical, cultural and political. So those societies become more virtuous with more and higher educated people. Lastly, the role of higher education in transformation of human being into human capital, an instrument of production and economic growth in particular by establishing the conditions for respect of human rights– a requisite for a successful evolution of globalization. Education in general and higher in particular has been seriously affected by these factors.

Higher education now, in the so called age of globalization, is being viewed as a means to employment and playing a crucial role in knowledge generation, absorption and dissemination in the creation of income and wealth. Globalization together with new information technology creates a revolution in the organization of work, the production of goods and services, relations among nations and even local culture. No community is immune from the effects of this revolution. The two main bases of globalization are information and innovation and they in turn, are highly knowledge intensive. Globalization has a profound impact on the transmission of knowledge and its effects are felt throughout the educational system. The countries which can adopt fast to changes and exploit the changes to the most, may take advantage of globalization. Countries, which cannot adapt to changes may feel threatened and may hesitate to initiate any reform. Globalization offers challenges to the national system of higher education to restructure the role of universities, to reformulate domestic regulations in higher education, to think of a new network of universities, research institutions, industry and community and to promote competitiveness both within public system as well as private system of higher education.

Higher education is now a major element on the international agenda. United Nations Educational, Scientific and Cultural Organization (UNESCO), the World Bank and the Organization for Economic Corporation and Development (OECD) acknowledge the crucial role for education in economic development throughout the world. In these reports the role of higher education in economic development, the globalization of the world economy, the development of a knowledge-based society and the education and training of a skilled and flexible workforce are seen as crucial. Higher education, presently is the main contributor to the life long development of responsible global citizens. The declaration on Higher education for the 21st century encompasses certain issues on higher education and it ensure quality of teaching and learning, the ethos of the learning environment and democratic participation of learners and the learning process in higher education. The summaries of declaration can be stated as –

Higher education should be assessable to all merit.

A more student oriented vision of higher education.

Core missions are educating, training and research.

Emphasis on higher education's ethical role, autonomy, responsible and anticipator function.

Disseminate universally accepted values i.e. peace, justice, freedom, equality and solidarity.

Role of service to society, especially in assisting eliminating poverty, intolerance, violence, illiteracy, hunger, environmental degradation and disease.

Developing student's entrepreneurial skills so that they become job creators as well as job seekers.

Greater sharing of knowledge and forming regional and international networks.

The UNESCO declaration also suggests that each institutions of higher education should envisage the creation of an appropriate structure and/or mechanism for promoting and managing international cooperation. Because higher education has the capacity to make on important impact upon interlocking levels (local, national and international) of global society. Tony Blair says at the 53rd UN General Assembly, New York (1998) that 'We share a global environment. We depend on each other for development and prosperity. We can no longer separate what we want to achieve within our borders from what we face across our borders'. Gibbons (1998) argues that if universities are to keep up with the knowledge production system they also need to participate in the knowledge system. He says again, 'Universities of the 21st century will develop many more and different kind of links with surrounding society.' As Lionel Jospin told the 1998 UNESCO gathering, 'Higher Education must adapt to the market but not be governed by it'. The pressures from globalization has raise the quality of education and offers students to work in the 'Knowledge Economy'. Many governments are granting universities, greater autonomy so that they can respond more flexibly to the challenges. Universities should not only responsive. One could see the developement of truely global universities, which would not only compete in the global market place for student, faculty and resources, but also focus on global needs such as public health, environmental sustainability and international development. Beyond that, one could imagine global universities as communally-constructed frameworks, promoting instead of restricting, access to all knowledge, for the purpose of empowering all human kind.

The education challenges raised by globalization in higher education can be summed up as follows—

*1. Rethink about the content, integration of new sources of information :* It has been widely assumed that the new internet technologies, a visible feature of globalization would, of themselves, create a revolution in higher education. The multiplication of sources of information like news-online, T.V., Radio, a wide variety of distance learning, e-learning, the web, CD-Roms etc. not only imply the need to update educational content regularly, but also to review the design of curricula and the teaching of subject in an interdisciplinary manner. This also raises the better cooperation between 'knowledge producers' (Universities) and 'knowledge consumers' (pupils).

*2.Development of skills and competencies:* In most countries, foreign capital and increasingly knowledge intensive capital stimulate to have a ready supply of skilled labor force and it requires new skills from individuals. All educational programmes should be based on competency-based approach which mainly concerns for developing skills for globalization (autonomy, communication and learning to learn).

*3. Curriculum should be based on to the needs of different socio-cultural groups:* Globalization is having impact on knowledge formation because it revalues different types of knowledge by providing need-based curriculum. The social-cultural background of learning is taking into consideration when conceiving and implementing curriculum. Skills for globalization include a better knowledge and

understanding of heterogeneity of our world, including information's, economic inequalities and social injustice.

*4. Focus of learners/individuals:* The main assumption of globalization is that there is a "world market" where all individuals can buy and sell, no matter where they live and how they live. Globalization refers to individuals as they are actors of a 'world market'. Educators believes that it is the learner who ultimately determiners the construction of knowledge and economist promote education vouchers and the freedom of choice of individuals on arguments of market efficiency.

*5. Introducing new subjects :* The widespread concern for global issues, such as population control, urbanization, environment, consumption, citizenship etc. favour their integration in educational programmes. Introduction of new curriculum design by adopting a comprehensive approach, developing more participatory teaching/learning methods enable the students to put what they have learned into practice.

*6. Promotion of social consensus:* The teaching of specific values, such as the acceptance of diversity, fairness, tolerance etc. can help in learning to live together. An emphasis should be put on teamwork and participation and the learning to listen and become informed-learning to learn.

*7. Maintain the national and social cohesion of the country :* The values of pluralism, mutual understanding, peace and a spirit of interdependence allows not only the concept of identity but also ensure develop in understanding/interaction and universality. Supporting the promotion of 'Universalistic values' in education at all levels is a basic condition for a human globalization'.

Quality of higher education institutions for knowledge economy would require internationalization of curricula through continuous updating diversification. It also requires that students should have the flexibility to choose the subjects for a programme. Developing countries require a rapid growth of good quality higher education for their very survival in the highly competitive globalize world. On the other hand, the government must guide, regulate and control the private education providers to exploit the markets as the context of globalization requires private participation to package knowledge and sell through education and training.

**Selected Reference :**

1. Clark, B.R. (1993) The Problem of Complexity in Modern World Education, New York.
2. DEA (1998) The Challenge of Global Society: A Strategy for Development Education in to the Millennium, London.
3. Deepak Nayyar (2006) Governing Globalization- Issues and Institutions', Oxford University Press.
4. Deepak Srivatave (2004) Globalization, Privatization and WTO – With reference to India. Sarup and Sons, Delhi.
5. Indira Madhukar (2005) Impact of Globalization on Education: Learning to live together, New Delhi.
6. North-Eastern region Vision 2020 – A Report of Ministry of Development of North-Eastern region, 2008.
7. UNESCO (1998) declaration on Higher Education, Parris. □

● *Writer is an Assistant Professor of Education Department*

# Need for Counselling in Colleges



Dr. Parijat Borgohain

**Counselling** can be defined as the relationship between the client and the counsellor where the counsellor helps the client to help himself to overcome the problem situation by using his own resources and potentialities within an environment of unconditional acceptance. The two most important factors which necessitate the need for constant counselling in college are: firstly, the student coming to colleges find a totally different environment in the college and as such they may find problems adjusting to the new environment. Secondly, the students have to make a selection of the subjects in which they will pursue their undergraduate as well as post graduate courses.

According to Varsha Rebello, 'Career counselling is the guidance given to a student on the road he/she should take to achieve his/her goals. The advice and counselling provided is based on three deciding factors– personality, aptitude and interest.' The counsellor is trained in administrating test that determine the aptitude and skills of the student, his personality trait and subject of interest. There are three basic types of counselling–

1. Supportive Counselling, where the counsellor provides emotional support to the clients,

2. Educative Counselling, where the counsellor shares relevant concepts that stimulate thinking and understanding, and

3. Reconstruction Counselling, where the counsellor works on deeper personality changes.

There is an urgent need for establishing student counselling centres in all the colleges. Career counselling is needed for choosing the right career. Colleges offer career counselling through aptitude and IQ test and through face-to-face interviews with the career guidance counsellor. The interview provides the student with the opportunity to clear any doubts or queries he/she may have regarding career options and educational courses. It also allows the counsellor to further judge the aptitude of the student, on the basis of the written test or personal interview.

While leaving the home, something rare happened : my father cried (Drama! Mrs. Firewoman told me). After they had left, our home was never at this peace. We enjoyed it. Our family became perfect, like the happy family they show in the movies. At work, I used to be the centre of jokes. They said I behaved oddly. Not really. I just happened to keep a lots of God's idols and photos on the dash board of the fire-engines. Once one of my senior officer told me to remove them, I told him serious things, what would happen if he offended the Gods, but it seemed funny to everyone. Since then...

But at home, I was a handsome husband and a perfect father. I watched Jay's every step closely. I watched him, when he slept at night. Usually mom loves his boy. But I loved him more than her, more than anyone else could. I answered his every silly question with love and care. As he grew up, I provided him with all the best facilities I could afford. I was a proud father. Life was at its best...

Some years rolled by. But like Wordsworth said it– 'A happy mood brings sad thoughts to the mind.' The melody of my near perfect life was interrupted by a tragedy. I have got many promotions, nobody stops me from putting idols of Gods in the fire engines. Ms. Firewoman lost her fire and turned to just Nandita. And jay turned Twenty. He got a Scholarship to Study in Stanford University.

How can I send him to other end of the world, because he was my world! But nobody looses a golden opportunity and I just had to let

him go. However, I made him promise with all the names of Gods I could remember that he will be in touch and contact me at least once a week.

That night, the white coloured monster flying in the sky took my son away. We cried. I and Nandita were crying out loud.

I had a personal belief, since I believed in God, God balances my life. When just some days were left for my retirement and I was worrying how to continue my rounds to foreign exchange for Jay, he called me one day. He told me that he was doing a part time job and I need not send anymore money. There was a four years old calendar in my house (without Jay it wasn't home anymore). I never changed the calendar. The reason : I was doing a countdown on the backside of the calendar. The night Jay left me at the Airport, I wrote the numbers from 1 to 1461.

Countdown day 1460 : Jay left me today. Crying meant drama for Nandita. But tonight we cried a lot...

Countdown day 963 : Joy joined a part time job, he doesn't needs money to be sent.

Countdown day 781 : I retired from my job. My colleagues bade me farewell. And guess what? They gifted me a package full of Hindu deities and devotional music CDs.

Countdown day 632 : My fire-woman left me, she moved to the other world. Jay coulndn't come. He told me he had something called 'Sems'.

At countdown zero he comes, he however returned to me one month later. My eyes were glazing with tears. His eyes had 'Hi, papa' kind of formal look. I surely wasn't waiting for this day. I wanted to speak with him so many things. I had so many things to ask him. But he told me that he had something to 'discuss' something important (now what does discuss means!).

I left him to rest, as he was jet-lagged. At night it wasn't a *'Father meeting his dear son after so many days'* kinds of emotional story, it was just '*A conversation*'.

: How are you dad?

: I missed you Jay.

: I've got a job dad. I need to move to Noida and I'm getting married next month.

: What? How? Who?

: Relax dad! There's no explosion here. She's Anusuya from Kolkata. We met online.

: You didn't feel the need to tell me? And where's this online?

: You wont understand. Its being on the internet.

: Internet! You are marrying through computers?

: Told you, dad. You won't understand.

Silence!

Silence!

: Dad there's something else... actually uh. You know deuta... ah...

(hesitations! I knew something was wrong.)

: I and Anusuya would be moving to Noida. We will settle there. If we could sell this house. It will fetch amount. We will get enough to buy a 2 BHK flat out there...

It was a day of shock for me. I couldn't stand anymore...

: Dad, can we sell? You will uh... stay at *Shantinibir*. That's not at all like other old age homes. Its very homely there and you will met a lot of people of your age.

I couldn't said no, but I didn't. All that I was left with was him. I never left any of his wish unfulfilled. I sold my house, because without jay, it'll never be home again. I moved to *Shantinibir*.

So, when all the old man sit is this park and gossip; I don't join, I daydream about my old days. The days before day zero. I have a beautiful dream. Someday I will wake up seeing my son's face. I am waiting for a call actually, A call from Jay.

Someday he will call me and say, 'Dad, how could I do this to you? Pack your bag. I am coming to take you home.'

I know someday he will call... □

● *Writer is a student of TDC Final year, Deptt. of Botany*

STORY

# Beating Light



**Sailen Patel**

It was the third week of the summer holidays and having passed the first two in glorious idleness, I was beginning to worry about the extremely complicated project set by our Physics teacher, 'Vector' as he was known to the students 'Visualise and design the transportation system of the future keeping in mind the current trend of the automobile industry.'

I sometimes find it impossible to understand why we need better cars (except for the sadistic reason of ruining the holidays of the students by bombarding them with such projects). As we have progressed into the sixth decade of the 20th century, we have in our arsenal extremely luxurious cars with unmatched safety, which are completely computer controlled, can also fly and travel at an average speed about 3000 kmph. These cars can change their shape and sizes to suit the needs of the road and the traffic. They can as easily trudge along the rain forests of the Amazon, as on a deserted champs Elysees. There are extraordinary vehicles which can run on deserts mountain peaks, poles and even the surface of the moon which by the way we have colonialised. And of course all these are completely eco-friendly as they exclusively run on hydrogen with water as the sole by product. But is there any satisfying of human want!

* * *

As I lay pondering over all this, I received a videocall from my great uncle Sid, who announced that he would be coming to our home the next evening and would stay with us for the rest of the summer. My heart gave a giant leap. Uncle Siddharth or Sid as he was called by everyone, right from his grand parents to his two year old grand daughter, was a world famous astrophysicist and nuclear scientist who was awarded the



Nobel Prize for solving one of the greatest problems in Physics. Surely, he would be able to rescue me from this Physics mess.

* * *

Sid duly arrived the next evening and I received him in our modest drawing room. He was a tall, thin, balding man in his late fifties with keen dark eyes and a handsome olive skinned face; a man of pleasant manners but with very little patience for long introductions. So after exchanging a few customary greetings, I set about explaining my niggling worry.

To my disappointment, he seemed to be disinterested, even bored at with my project. When I had finished speaking he replied dejectedly, 'Sorry Krish can't help you on this you have to sort out your Vector yourself.' 'Vector!', I ejaculated, 'How on the earth did you know the teacher's other name is vector.'

'My dear friend', Sid replied chortling, '99 percent teachers who teach in the college are known by the most frequently occurring word in their subject. As this teacher teaches you mechanics, so vector qualifies for the distinction.'

'Yeah, you are of course right, but why can't you help me; this wouldn't even be cheating. 'Vector' permitted us to take help from anyone worth taking.'

'I didn't accuse you of cheating laddie', Sid replied crisply, 'Its just than I don't like the tone of your project.'

'What do you mean', I yelled losing my temper, 'Honestly you are a world famous scientist, you aren't interested in future cars, then tell me, who is?'

'Calm down my young friend.'

Sid told me patiently as he stroked my hair to pacify me.

'What does your project say? It tells you to design future cars, keeping in mind the present. What obsurcity! Listen my friend, in that way you may be able to improvise on the existing system, but you won't be able to do something different. You can't change the system!' He finished triumphantly.

'What are you trying to mean?' I asked confused.

'Let me put it this way. Every new scientific theory is radically different from its predecessor. The Copernican heliocentric model is a departure from the geo-centric model of Aristotle.'

'I get you.' I exclaimed as I jumped off my seat. 'You mean that instead of building cars, we should make something different search for wormholes perhaps.'

* * *

'Yes and no, you have got my point. But I was pointing to a different direction for the future. Take the case of computer memories. When silicon chip was first introduced in the 1970's, it resulted in the first desktop. Also, the memories of the storage devices went up dramatically from the 5 MB hard disk of the first PC to the 10 trillion terabyte hard disk of the late 2020's PC's. However, even that memory space became too little in course of time as the usage of the computer increased. Now, in the mid 2030's a radical departure from the previous thought came. Using nano technology, a group of Cambridge research scholars invented a new type of memory whose storage capacity was unlimited its size was only 10 nanometer. That's one of the reasons why we have reached this point of technological advancement today.

Now we don't differentiate between electrical gadgets on the basis of their memories. In that regard, they are all the same, from an ordinary super phone to the super hi-tech computers.'

* * *

'How does this unlimited data storage concept relate to the future transport system.' I asked keenly.

'Ah, now we are finally reaching our point. You know I unified quantum mechanics with the theory of relativity 10 years ago to finally produce the Ground Unified Theory (GUT). This theory unifies all natural forces into one single

fundamental force. Now there's just this force unlike the four fundamental forces as thought in the beginning of this century.

Every person on this planet expected something wonderful to happen after that unification. But sadly, these rosy dreams have remained dreams to this day, why? Because of our failure to realise our potential. We have all our theories. We only need to apply them.

I have been thinking about travelling with infinite velocity for the last six years. During one of my experiments, I realised that we can apply GUT to solve one of the greatest mysteries of nature!'

'What what's that?' I asked, my excitement was growing every second.

Sid lowered his voice to soft whisper, 'My friend, I believe we have the potential to break the greatest barrier in human progress posed by nature. I fully believe my friend, that we can beat light!'

* * *

'But that impossible', I said.

'Because as our velocity increases our mass also increases. So as our velocity tends to the velocity of light, our mass tends to infinity. $E = mc^2$. That's why we can't beat light.'

'You are both right and wrong.' Sid screamed, 'Einstiens equation is correct, no doubt about it but it is theoretically possible to travel faster than light, but impossible for a body having mass to travel exactly at the speed of light. Once you beat light, GUT shows that the least acceleration would then send us travelling at infinite velocity to our destination, where we will reach at exactly the same time we started our journey.'

'But how would we come to a stop in our destination and what's the process of getting ourselves massless.'

'The first part of your question has a very simple answer. Since the least accleration makes us travel at an infinite velocity, so the least retardation makes us stop immediately in our destination which is course prefixed.

Now, the second part is a bit complicated. I've been experimenting with various ideas, but nothing concrete's come out.

Again, these aren't jobs where you can trust assistants, it is too risky. I shudder to think the state of world affairs, if this technology ever reached the wrong hands. But now in you I seem to find a willing student of science whom I can trust completely. So Krish, we will join hands and beat light together, won't we!' He finished hopefully.

'Of course', I replied enthusiastically, 'I knew it,' he said, his voice too filled with enthusiasm.

'To become massless, we need to change ourselves into energy. For that, using my GUT, I have invented this.' He took out two cubes, one red and the other blue, each of which had a black switch on it. He placed the red cube at side table adjacent to us and pressed the switch. It projected a beam of light which fell on the floor to make a red circle. Then he placed the blue cube on the farside table and activated it too. It made a blue circle on the floor. Then he briefly explained their working formula to me. I could not help wondering at his genius.

At last he said, 'Though it has worked reasonably well with non-living matter. It hadn't worked yet for living matter. The guineapig on which the experiment was carried out was successfully sent from the dispatch centre', he motioned to the red circle with a 3 feet radius on the floor. But it was found dead at the receiving centre (the blue circle with an equal radius).

'Ok, then lets begin working and check for loopholes in the instrument.' I said.

'Right you are my young friend.' Sid murmured excitedly and we began our work.

* * *

We worked day and night for 10 days. We built new machines, improvised the one which we had just built but nothing worked. I was just running out of patience. Sid told me to concentrate, as one brain wasn't enough to make

the mission successful. However I found my concentration levels dipping each passing day. I was extremely worried about my Physics project too as I had done nothing whatsoever about it. I tried my best not to think of 'Vectors' reaction when he found out that my project wasn't even started. I had not voiced these fears to Sid as he might have considered them childish. But now, I felt I could not concentrate if I had that worry in my brain. So, I told it all to Sid.

Releasing, the gravity of my situation, Sid promised to talk to the teacher and sort it out. 'Surely a little coaxing from a Noble prize winner would manage matters', he said with a wink.

I felt immensely grateful to him and voiced my thanks. I felt as if a great burden was off my shoulder.

Now, I could focus completely on the job in hand.

On the eleventh night, we saw flickering of hope. The guineapig was not found dead at the receiving centre but it died an instant later.

'Now, now', I whistled in joy, we are getting there, it's happened.

But Sid wasn't over reacting to this success. He only said that the job wasn't over yet.

In just three days we improvised a great deal on the instrument, and finally on the last afternoon of the holidays. Sid declared the machine ready for human use. We had by then transported dozens of guineapigs from one end to the other, which were as good as ever after the journey. Then we had worked on dogs and cats too and the results were perfect.

So, we reached the final point of our experiment. We were to transport a human at infinite velocity. Now the question was either Sid or me. After a long argument, we settled for a toss and I won. So I was destined to be the first person to beat light!

But was the journey safe? We had our doubts, but I didn't care. Sid tried to compromise with me. 'I am an old man and won't live much longer anyway so please let it be me.' However I told him to be a gentleman and adhere to the decision of the toss. At last he yielded.

* * *

I took a long breath and stepped into the dispatch centre. I motioned to Sid to start the machine. He very unwillingly started punching the start up buttons which would activate the machine. I noticed that his knuckles were white. As for myself, I tried my best not to compare this circle to the scaffolds foot. I heard a click. Looking back, I realised that I was standing not inside the red circle but the blue circle. I had beaten light!

* * *

Sid came running and we lightly embraced each other. Both of us had tears in our eyes. We had done it.

'But the real job stars now, Krish', Sid said, his voice shaking with emotion. 'We've to absolutely make sure that this boon of science always remains a boon.'

'You are of course right', I signed off. □

● *Writer is a student of HS First year (Science)*

# A Lingering Regret

**Jyotirmoi Borah**

I am travelling to you God
After a span of merciless acts,
May father, You forgive me,
My Angles, say death, that I forsee.

Years and years I experienced men,
Experiencing beauty and also cruelty.
From even 'men' can be expected,
But from a child of own, can it be?
Nourished day by day, he grew up
With us and you thee,
For I could not think,
He could disturb my soul.
Yes God, these are my fruits
The seeds, I sourced,
Crushing aspirations of many
Eradicating happiness and
Abating men possessing virtues.

Lord my life, turned to a muck
For I could not think, he yes he,
Could kill me, my soul
A regret that would always linger about
While I travel to you 'O' great Lord
Forgive me and honour me a soul
So pure, so protected and so much
that 'he' can be loved to seek you.□

● *Poet is a student of HS First year (Science)*





# Ultimatum

**Swapnalika Bhuyan**

Hail, thunder, dust
And the spirit's yearning cry
Stranded two rivers, I and infinity
The rivers meet and separate
Roar and calm, still move on
In my heart continues
The relentless, deafening storm
And I know, if this is pain
This is life.

The remnants of a bruised pride
A shattered trust
Fragments of a bleeding heart to nurse
And somewhere in their shadow
Those eyes– doomed forever
In them I find no answer
Only surrender, a prayer
And old time gives me the slip

The rivers close in
Buoy me up to the horizon
Only to ferry me back–
Back to hail thunder, dust...
The rivers still meet and separate
The currents stronger than ever
But I let them be
Life they say goes on...□

● *Poet is a student of HS Final year (Science)*

# What Lies Beneath

Soma Chakraborty

The hundred billion rays
Coming out from the new born star
Never show what lies beneath
The brightness of wonders afar

The gloomy horizon, in golden and red, glow
With some splashes of silver white,
While an unusual cold breeze blow
In the mystical silence of the night

Heavenly wanderers roam around
And travel, out measuring distance and time
While, the mysterious creatures on earth, spellbound,
Sing in chorus to produce an unknown chime.

Miles over miles the deep evergreen spread
and weeds make their way through
Fontain of diamonds sparkle ahead
To give an illusion of the untrue.

The ever asleep universe revolve in a rhythm
Of some music unknown, in a myth,
The mirror of the sleeping river
Never reflects, what lies beneath. □

● *Poet is a student of TDC First year, Deptt. of English*





# A Dream

Hirok Nayan Bhuyan

Between the clouds, beneath the trees
Under the ocean or among the kids
I have seen you somewhere
But I don't know where.
I think of you day and night
As my heart flies like a kite
Searching for you in the deserts
And over the hills and mountains
But I don't know where you are.
I want you in my life
To cut down the miseries like a knife.
But without any pain
How can I think of a gain?
I can't let my dream go in vain;
A dream to get you someday
And I shall work hard for you everyday
Until I get you.
You are my aim in life
Which is in my heart;
An aim to be a successful human,
An aim to have a greener and
Peaceful world,
And thus I have a dream to get you. □

● *Poet is a student of HS First year (Sc.)*

ভিন্ন শিল্প

# তোৰে মোৰে আলোকৰে যাত্ৰা...

(জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱনভিত্তিক সংগীতালেখ্য)

ৰচনা ঃ উৎপল নাৰায়ণ গোস্বামী

'সুন্দৰ যে ফুলাৰ মন্ত্ৰ
অহোৰাত্ৰি মাতে
সেয়েহে আজি ইমান ফুল
প্ৰভাতে প্ৰভাতে।' (কবিতা)

জ্যোতি, জ্যোতি মানেই পোহৰ। সুন্দৰৰ উপাসক ৰূপৰ কোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আমাৰ মাজত উজলি উঠা এচমকা জ্ঞানৰ পোহৰ। যাৰ উজ্জ্বল কিৰণে প্ৰতিভাত কৰি তুলিলে অসমীয়া কলা-সংস্কৃতিৰ মেটমৰা ভঁৰালক। আলোকসন্ধানী জ্যোতিৰ যাত্ৰা আছিল সদায় অব্যৰ্থ।

'তোৰে মোৰে আলোকৰে যাত্ৰা
অব্যৰ্থ অব্যৰ্থ
আমি পালো জীৱনৰ অৰ্থ অভিনৱ
স্বাগত স্বাগত সতীৰ্থ।' (গীত)

সমাজত প্ৰশান্তিৰ নিজৰা বোৱাই ঐক্যৰ বান্ধোনেৰে বান্ধি নৱ নৱ সৃষ্টিৰ আলোড়ন ঘটোৱা প্ৰত্যেকজন বিদ্বানৰে উদ্দেশ্য। সেই আদৰ্শত উদ্বুদ্ধ হৈ জ্যোতিপ্ৰসাদেও আঁকিলে এখন নৱতম সৃষ্টিৰ ৰামধেনু। কৈশোৰ অৱস্থাতে অংকুৰিত হোৱা জ্ঞানৰ বীজ ৰোপণ কৰাৰ বাবে তেওঁ সৃষ্টি কৰিলে সাহিত্য আৰু সংস্কৃতিৰ এক অফুৰন্ত ধাৰা, য'ত নিহিত হৈ আছিল জ্যোতিৰ প্ৰজ্ঞাৰ বহু সাধনা। সেই সাধনা যেন বোধিদ্ৰুমৰ তলত কৰা সুন্দৰৰ সাধনাহে। যাৰ পৰিণতিতে অসমীয়া সাহিত্য-সংস্কৃতিৰ পূজাৰী হৈ ৰ'ল সুন্দৰৰ পূজাৰী।

সুৰৰ প্ৰাণেৰে, সুন্দৰৰ আৱৰণেৰে কৃষ্টিৰ দেউল সাজিছিল তেওঁ—

'মোৰ গান
কৰবীৰে পতালি জীৱনটো...' (গীত)

ওঠৰ শ এঘাৰ চনত সুদূৰ ৰাজস্থানৰ পৰা সোণ-ৰূপৰ খনিৰ অন্বেষণত আহি অসমত সংস্কৃতিৰ খনি পাইছিল জ্যোতিপ্ৰসাদৰ উপৰিপুৰুষসকলে। তাৰ পিছতেই পৰমানন্দ আগৰৱালাৰ ঔৰসত মাতৃ কিৰণময়ীৰ গৰ্ভত প্ৰকৃতিৰ সেউজী বুকুত সোণোৱালী বৰণৰ আভা ছটিয়াবৰ বাবে উনৈশ শ তিনি চনৰ জুনৰ কোনোবা এক মাহেন্দ্ৰক্ষণত জন্ম হৈছিল এইজনা জ্ঞানসন্ধানী সুন্দৰৰ পূজাৰী ৰূপৰ কোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ। সপোনৰ ভাৰতত সংস্কৃতিৰ বীজ ৰোপণ কৰি সেউজীয়া কৰি তোলাৰ আপাহত সৃষ্টিৰ সুধা পান কৰিছিল আৰু চতুৰ্দিশ ছানি ধৰিছিল নৱজীৱনৰ আলোকেৰে—

'মোৰে ভাৰতৰে মোৰে সপোনৰে
চিৰ সুন্দৰ সংস্কৃতি।
সেউজীয়া বনতে, সেউজীয়া মনতে
বিকশি প্ৰকাশি উঠা
নৱ নৱ জীৱনৰ অভিনৱ জ্যোতি।' (গীত)

সৰু কালতেই মাকৰ নিচুকনিৰ মুহূৰ্তত শুনিছিল কৃষ্ণ-বাণ-ঊষা-অনিৰুদ্ধৰ কাহিনী। লাহে লাহে কৈশোৰ অৱস্থাত উন্মেষ হৈছিল সেই কাহিনীবোৰৰ কৰ্ষণৰ বাসনা। কলাৰ এক অনন্য আহিলা হিচাপে হৃদয়ত অহৰহ সৃষ্টিৰ বাসনা জাগি থকা জ্যোতিপ্ৰসাদৰ ভাবৰ উন্মেষণত জিলিকি উঠিল সেই কাহিনীবোৰ। মাকৰ মুখত শুনা কৃষ্ণৰ ৰূপৰ বৰ্ণনা দিছিল গানৰ ভাষাৰে—

'মোৰে জীৱনৰে সখা কৃষ্ণ
তই বজাব কি সুৰে বেণু
কপালতে তোৰ কোনে আঁকি দিলে
ইন্দ্ৰধনু?' (গীত)

শিক্ষাৰ জেউতিৰে ব্যক্তিত্ব উজলাই তোলা তথা এজন প্ৰকৃত মানুহ হিচাপে গঢ়ি তোলাৰ হেঁপাহেৰে পিতৃ পৰমানন্দই ১৯১১ চনৰ জানুৱাৰী মাহত ৭ বছৰ বয়সত জ্যোতিক তেজপুৰত চৰকাৰী হাইস্কুলত নাম লগাই দিয়ে। উনৈশ শ একৈশ চনত প্ৰৱেশিকা চূড়ান্ত পৰীক্ষাৰ বাবে সাজু হোৱাৰ সময়তেই গান্ধীবাদী নীতি-আদৰ্শত উদ্বুদ্ধ হৈ জঁপিয়াই পৰি গাঁৱে গাঁৱে জনতাৰ প্ৰাণত জাগৰণৰ সৃষ্টি কৰিছিল। বুকুত সাহসৰ অনন্ত জোৱাৰ লৈ শিকাইছিল জাতীয়তাৰ জয়গান—

'জননীৰ সন্তান
জাগা শক্তিমান জাগা মুক্তিপ্ৰাণ
মৃত্যু গচকি আনা জয় জিনি
কৰি দুৰ্জেয় অভিমান।

শক্তি গায়ত্ৰী মনত পেলোৱা
হ'বা দুৰ্নিবাৰ।' (গীত)

জ্যোতিপ্ৰসাদৰ বিপ্লৱী আহ্বানক অসমীয়া ডেকা শক্তিয়ে আকোঁৱালি লৈ মুৰ দাঙি উঠিল, কঁকালত বান্ধি ল'লে যুদ্ধৰ টঙালী। সেই আহ্বানে দেশমাতৃৰ প্ৰতি গভীৰ আস্থা প্ৰকাশ কৰি আহ্লাদিত কৰি তুলিলে অসমীয়া ডেকাক। অসমীয়া ডেকাৰ মনত আনি দিলে বিপ্লৱী সাহস। শত্ৰুৰ বিপক্ষে সাজু হোৱাৰ এক নতুন প্ৰচেষ্টা তৈয়াৰ কৰি কৈ উঠে সাজু হ সাজু হ বুলি—

'সাজু হ সাজু হ' নৱ জোৱান
বিশ্ববিজয়ী নৱ জোৱান
শক্তিশালী ভাৰতৰ
ওলাই আহা ওলাই আহা
সন্তান তুমি বিপ্লৱৰ।' (গীত)

তেওঁ লুইতপৰীয়া ডেকাক দিছিল অসমক ৰক্ষা কৰাৰ দায়িত্ব। লুইতপৰীয়া ডেকাৰ বুকুত সাহসৰ জোৱাৰ জাগ্ৰত কৰি কৈছিল— 'লুইতপৰীয়া, কি অটল বিশ্বাস মৃত্যুৰ প্ৰতি ভয়হীন ভাবৰ প্ৰকাশ।' গীতৰ মূৰ্ছনাৰে লুইতপৰীয়া অসমীয়াক জাগ্ৰত কৰি অসমীৰ কপালত জেউতিৰ তিলক পিন্ধোৱাৰ বাবে তেওঁ চেষ্টা কৰিছিল—

'লুইতৰ পাৰৰে আমি ডেকা ল'ৰা
মৰিবলৈ ভয় নাই,
মুকুতি মেধৰ মহান মেজিৰ
তেজাল ফিৰিঙতিৰ ছাঁই।
পুৰোহিতে যদি থিতাতে আঁতৰি
ত্ৰাসতে মূৰ্চ্ছা যায়।
আমি আগবাঢ়ি, ডিঙি পাতি পাতি
তেজেৰে বলিশাল যাবে বোলাই।' (গীত)

সংগ্ৰামময় জীৱনেই যে তেওঁৰ মনত দোলা দি ফুৰিছিল তেনে নহয়, তেওঁৰ হৃদয়ত আছিল প্ৰকৃতিৰ প্ৰতি অফুৰন্ত আকৰ্ষণ বা অনুৰাগ। প্ৰকৃতিৰ ৰূপত উমলি, সৌন্দৰ্যময়ী ৰূপত মুগ্ধ হৈ তেওঁৰ হৃদয়েৰে বনৰীয়া পক্ষীৰ সৈতে মিলিজুলি গাইছিল—

'বনৰীয়া আমি বনৰ চৰাই
বনে বনে ফুৰোঁ অনাই বনাই
অনাই বনাই অ', অনাই বনাই।' (গীত)

গাঁৱৰ চহা জনগণৰ মাজত তেওঁ বিচাৰি পায় সাহস আৰু সত্যৰ জ্ঞানাংকুৰ। একোখন গাঁৱৰ পৰাই যেন ওলাই আহে দেশৰ নতুন নতুন চিন্তাৰ অজস্ৰ সাহসী পুৰুষ। গাঁৱৰ ল'ৰা-ছোৱালীবোৰেই পৰ্বত-পাহাৰৰ হাবি-জংঘল ভাঙি নতুনকৈ প্ৰতিষ্ঠা কৰা অসমীয়া সংস্কৃতিৰ বৰনামঘৰত সোণ-ৰূপৰ দেউল সাজিছে, গীতৰ ভাষাৰে জ্যোতিয়ে গাঁৱৰ ল'ৰা-ছোৱালীৰ মনত থকা অকৃত্ৰিম সতেজ চিন্তাক প্ৰকাশ কৰিছিল আৰু গাঁৱতেই বিচাৰি পাইছিল প্ৰশান্তিৰ এখন বহল পথাৰ—

'গাঁৱৰ ল'ৰা গাঁৱে গাঁৱে
বন্তি জ্বলাই যাওঁ
গাঁৱলীয়া ছোৱালী শেৱালি মই নেৱালী
গাঁৱৰ কোলাৰ হাঁহি মাতি
সোণধানৰ জেউতি চৰাম।' (গীত)

সংস্কৃতিৰ সৰাপাতেৰে জীৱনৰ পাতনি মেলা ৰূপকোঁৱৰে সৃষ্টিশীল মন এটা লৈ ফুৰাৰ বাবেই যেন তেওঁ সাহিত্য-সংস্কৃতিক সঁহাৰি জনাব পাৰিছিল। কৈশোৰ অৱস্থাৰ পৰাই সাহিত্য-সংগীতৰ প্ৰতি মনোনিবেশ কৰি যৌৱনৰ প্ৰাকক্ষণত লিখি উলিয়ালে— 'শোণিত কুঁৱৰী' নামৰ এখন কাব্যময় নাটক। 'শোণিত কুঁৱৰী'ৰ বুকুতেই প্ৰথম সুন্দৰতাৰ আঁচুফুল বাছিলে—

'গছে গছে পাতি দিলে
ফুলৰে শৰাই কি ৰাম ৰাম
কলিয়া ভোমোৰা গুঞ্জৰি আহে
গোন্ধকে বিয়াই
কোনে গোলাপী সখীক এনে হাঁহি দিলে
ৰূপতে ৰঙে চৰাই
ওৰণি তলতে পৰিমল ৰেণু
উৰুৱাই পৱনে দিলেহি বিলাই।' (গীত)

প্ৰথমখন নাটকে সৃজনশীলতাৰ ক্ষেত্ৰত সফল হোৱাৰ ইংগিত দিয়াত আৰু নাটকৰ মাজত বিচাৰি পোৱা পৰিতৃপ্তিয়ে দ্বিতীয়বাৰ নাট ৰচনাত হাত দিবলৈ অনুপ্ৰেৰণা যোগালে— যাৰ বাবেই সৃষ্টি 'কাৰেঙৰ লিগিৰী'। সামাজিক পৰম্পৰাই কেনেদৰে ব্যক্তি হৃদয়ৰ স্বাধীন মনক ধ্বংস কৰি বহু সময়ত জীৱন পংগু কৰি দিয়ে, কেনেকৈ মহত্তম প্ৰেমে মানুহৰ মৃত্যুকো তুচ্ছজ্ঞান কৰিবলৈ শিকায়, সেই কথাকে নাট্যকাৰে কৌশলগতভাৱে ব্যক্ত কৰিছিল—

'যাউতিযুগীয়া ধনে মোৰ অ'
প্ৰাণতে দিলা মোক মৰম কুমলীয়া
মনত সোঁৱৰণী সুৰদীয়া
বুকুত ভালে পোৱা অ' প্ৰাণৰ ধন।' (গীত)

জ্যোতিৰ মেধা, মনীষা, জ্ঞান আৰু প্ৰজ্ঞাৰ অপূৰ্ব সমাহাৰৰ অনবদ্য অভিব্যক্তি হৈছে নাটকসমূহ। 'নিমাতী কইনা'ত মৰমৰ কইনা নিমাতীয়ে নিশ্চুপভাৱে বৈ ঐতিহ্য মাতি আনিলে। অসমীয়া লোকসাহিত্যৰ বীজ বুটলি সন্নিহিত কৰিছিল 'নিমাতী কইনা'ত। নিমাতীজনীৰ কাৰেঙত মনৰ সুবাস মিহলি কৰি গোপন নিমাত ভাবাৰে দিছিল এক অনন্য সজ্জা—

'অ' জোনাকী কাৰেঙত কোনে বীণ বায়
পোহৰে পোহৰে হাঁহি বিলায়?
আমাৰ নিমাতীৰ কোনে মাত কুটাব
ওঁঠতে হাঁহিটি দিব বুলাই।' (গীত)

অসমীয়া জনসাধাৰণক বিয়াল্লিছৰ বিপ্লৱ আৰু দ্বিতীয় মহাসমৰে কিদৰে প্লাৱিত কৰিছিল, সেয়া জ্যোতিপ্ৰসাদে উপলব্ধি কৰিছিল। অসমীয়া জীয়ৰী-বোৱাৰীয়ে মিলিটাৰীৰ হাতত হোৱা ধৰ্ষণ, নিৰ্যাতনক সহ্য কৰিব নোৱাৰিছিল। হৃদয়ত খুন্দ খাই ৰৈছিল অসমীয়াৰ ওপৰত কৰা অত্যাচাৰৰ কিছুমান স্পষ্ট ছবি। তাৰ ফলতে জন্ম হৈছিল 'লভিতা'। সম্পূৰ্ণ বাস্তৱমূলক কাহিনী উপস্থাপনেৰে জ্যোতিপ্ৰসাদে

**...তেওঁ কবিতাৰ দ্বাৰাই পৃথিৱীক সুন্দৰ কৰাৰ সপোন দেখিছিল চকুৰ পানী, বুকুৰ তেজেৰে লিখি উলিয়ায় কবিতাৰ ছন্দ। মৃতপ্ৰায় অসমীয়া সংস্কৃতিয়ে প্ৰাণ পাই উঠে তেওঁৰ মগজু তথা হৃদয়ৰ তীক্ষ্ণ আহ্বানত। সুন্দৰৰ সাধনা ৰূপৰ অধিকাৰী সৃষ্টিপ্ৰয়াসী জ্যোতিপ্ৰসাদক সেয়ে আনন্দ চন্দ্ৰ বৰুৱাই মৰমেৰে দি যায় এটি উপাধি— 'ৰূপকোঁৱৰ'...**



প্ৰকাশ কৰিছিল বিপ্লৱৰ নিচান। ৰূপকোঁৱৰৰ হাতত 'ৰূপালীম', 'সোণপখিলী', 'খনিকৰ', 'কনকলতা' আৰু 'সুন্দৰকোঁৱৰ' নামৰ নাটককেইখনো দীপ্তিমান হৈ উঠিল, লাহে লাহে ওঁঠত ওঁঠ থৈ সুন্দৰৰ কোঁৱৰৰ বেশত কৈ উঠিল—

'শ্ৰেয়াণ দ্ৰব্যময়াদ্ যজ্ঞাজ জ্ঞানযজ্ঞ পৰন্তপ।
সৰ্ব কৰ্মোখিলং পাৰ্থজ্ঞানে পৰিসমাপ্যতে।'

জ্যোতিৰ জ্ঞানৰ জ্যোতিত প্ৰস্ফুটিত হৈ উঠিল তেওঁৰ চলচ্চিত্ৰৰ মহা আলোড়ন। মুম্বাইত শিকি অহা চিনেমাৰ কৌশলক বাস্তৱিক কৰাৰ সপোনেৰে জন্ম দিলে আহোমৰ ৰমণী 'জয়মতী'ক আৰু জীৱন্ত ৰূপত উপস্থাপন কৰি তেওঁৰ কীৰ্তি বিশ্বত বিয়পাই দিয়াৰ হেঁপাহতে লিখিছিল—

'লুইতৰে পানী যাবি অ' বৈ
সন্ধিয়া লুইতৰ পানী সোণোৱালী
চহৰে নগৰে যাবি অ' বৈ
জয়াৰে কিৰিটি দেশে বিদেশে
চহৰে নগৰে ফুৰিবি কৈ।' (গীত)

এইজন সুন্দৰৰ উপাসক আলোকসন্ধানী শিল্পীৰ জীৱন বৃত্তান্ত কৈ শেষ কৰিব নোৱাৰি। তেওঁৰ দৃষ্টিত নিৰৱচ্ছিন্নভাৱে বৈ আছিল জ্ঞানৰ অলেখ সোণ চেকুৰা। তেওঁ খুব কমকৈ লিখিছিল গল্প। স্ৰোতস্বিনী নদীৰ তিৰে তিৰে তেওঁ অবিৰাম দৌৰিয়েই আছিল সৃষ্টিশীল কৰ্মৰ বাবে। তেওঁৰ গদ্যৰ গভীৰতাত বিচাৰি পোৱা যায় তীব্ৰবেগী সোঁতৰ নিচান। সকলো বয়সৰ মানুহৰ হৃদয়ত তেওঁ ঠাই লৈছিল অনায়াসে। সেয়ে অকণমানি মইনাহঁতৰো অন্তৰ জয় কৰিছিল 'অকণমান ল'ৰা', 'অকণমান ছোৱালী', 'কুম্পুৰ সপোন', 'ভূত পোৱালি', 'অকণিৰ ৰামায়ণ' আদি সৃষ্টিৰ দ্বাৰা। কেৱল সেয়াই নহয় কবিতাৰ ভাষাৰে জগত জিনিব বিচৰা জ্যোতিপ্ৰসাদে বয়োজ্যেষ্ঠ-সকলৰো মন-প্ৰাণ জিনিছে কবিতাৰে—

'শক্তিপুত্ৰ মই ভক্তি বুকুত লৈ
মুক্তি প্ৰয়াসী হৈয়ো অৰ্জুন মই গাণ্ডীৱী মই
ময়েই ধনঞ্জয় মৃত্যুক কৰিম জয়।' (কবিতা)

তেওঁ কবিতাৰ দ্বাৰাই পৃথিৱীক সুন্দৰ কৰাৰ সপোন দেখিছিল। চকুৰ পানী, বুকুৰ তেজেৰে লিখি উলিয়াইছিল কবিতাৰ ছন্দ। মৃতপ্ৰায় অসমীয়া সংস্কৃতিয়ে প্ৰাণ পাই উঠে তেওঁৰ মগজু তথা হৃদয়ৰ তীক্ষ্ণ আহ্বানত। সুন্দৰৰ সাধনা ৰূপৰ অধিকাৰী সৃষ্টিপ্ৰয়াসী জ্যোতিপ্ৰসাদক সেয়ে আনন্দ চন্দ্ৰ বৰুৱাই মৰমেৰে দি যায় এটি উপাধি 'ৰূপকোঁৱৰ।'

নিজৰ জীৱনটোক চাহ বাগিচাৰ চাকৰিয়াল, সংবাদসেৱী, আন্দোলনকাৰী, সাহিত্য-সংগীত-নাটক-কথাছবি আদি পৰিচালনা কৰাৰ মাজেৰেই সুখী কৰি তুলিছিল।

কিন্তু মৃত্যুকতো বাধা দিয়াৰ অধিকাৰ কাৰো নাই, কোনে ৰাখিব পাৰে মৃত্যুৰ দুৱাৰডলি। সেয়ে— 'মৃত্যু মা অমৃতং গময়ঃ', মৃত্যুয়েই একমাত্ৰ শান্তিবুলি ক'ব লাগিব। ১৯৫১ চনৰ ১৭ জানুৱাৰী তাৰিখে মাত্ৰ আঠচল্লিছ বছৰ বয়সতে কঠিন ব্যাধিৰ হাতত বন্দী হৈ নিজকে অৰ্পণ কৰিলে মৃত্যুৰ শয্যাত।

জ্যোতিপ্ৰসাদে নিজেই নিজৰ আদৰ্শকি এনেদৰে কৈছে— 'জীৱন কলাক ধুনীয়া কৰি, মানুহকেই মানুহ কৰি থৈ যাবলৈ বাস্তৱৰেই কেন্দ্ৰস্থলীত লৈছোঁ স্থিতি।' এয়া তেওঁৰ কলাসন্মত মনৰ এক অভিব্যক্তি মাথোন। শিল্পীৰ সত্বা থকা বিশ্বপ্ৰতিভাক উচ্চতম শিখৰলৈ লৈ যোৱাৰ যি সপোন দেখিছিল, সেয়া ৰূপকোঁৱৰে বাস্তৱৰ এখন পৃথিৱীত প্ৰতিফলন ঘটালে। তেওঁ দি যোৱা অমৰ সৃষ্টিবোৰ এতিয়াও অমৰ হৈ হীৰাৰ আকৰৰ দৰে জিলিকি আছে। তেওঁৰ সৃষ্টিক আমি যুগে যুগে সুঁৱৰিব লাগিব। এতিয়া বিশ্বত আলোড়ন তোলা কিছুমান কাম জ্যোতিয়ে আগতেই সুৰ-সংগীত আৰু কবিতাৰ ভাষাৰে কৰি গৈছিল। আমিও সুন্দৰকোঁৱৰজনাৰ সৃষ্টিসত্বাক প্ৰণিপাত জনাই তেওঁৰ সৃষ্টিৰ জোনাক বিচাৰি ধাৱমান হৈ জ্যোতিৰ ভাষাৰেই কওঁ—

'শিল্পী মই তিনিও কালৰ
অতীতৰ
বৰ্তমানৰ
অনাগত ভৱিষ্যতৰ।
আদিতেই যাত্ৰা কৰি অনাদিলৈ যাওঁ
ধ্বংসৰ মাজেদি মই
ৰূপান্তৰেদি ৰূপ পাই
নৱতম সৃষ্টিৰ শলিতা জ্বলাওঁ।' (কবিতা) □

(বিঃদ্ৰঃ- পুৰুষ-নাৰী উভয়ে সংলাপ পৰিৱেশন কৰিব পাৰিব।)

*লেখক অসমীয়া বিভাগৰ স্নাতকোত্তৰ তৃতীয় যান্মাসিকৰ ছাত্ৰ।*

**অনুবাদ গল্প**

ভিন্ন শিল্প

# আইনৰ সন্মুখত

**মূল ঃ** 'বিফ'ৰ দ্য ল' (ইংৰাজী), **লেখক ঃ** ফ্ৰান্জ কাফ্কা
**অনুবাদ ঃ** আৰোহণ কৌশিক ডেকা

আইনৰ সন্মুখত থিয় হৈ আছিল এজন দ্বাৰৰক্ষক। গাঁৱৰ পৰা অহা এজন লোকে দ্বাৰৰক্ষকৰ কাষলৈ আহি আইনৰ ওচৰলৈ যাবলৈ অনুমতি বিচাৰিলে। দ্বাৰৰক্ষকজনে জনালে, এই মুহূৰ্তত প্ৰৱেশৰ অনুমতি দিয়া তেওঁৰ পক্ষে সম্ভৱ নহয়। অলপ পৰ ভাবি মানুহজনে জানিবলৈ বিচাৰিলে, পাছত ভিতৰলৈ প্ৰৱেশৰ অনুমতি পোৱা যাবনে নাই? দ্বাৰৰক্ষকে ক'লে— 'যাব, কিন্তু এতিয়া নহয়।' দুৱাৰখন একেদৰেই খোলা আছিল; দ্বাৰৰক্ষকজনে এফালে ৰৈ আছিল, সেই সুযোগতে মানুহজনে অলপ জুমি ভিতৰখন চাবলৈ যত্ন কৰিলে। মানুহজনক লক্ষ্য কৰি দ্বাৰৰক্ষকে হাঁহি ক'লে— 'তোমাৰ যেতিয়া ইমানেই আগ্ৰহ, মোৰ বাধা নামানিও তুমি ভিতৰলৈ যাবলৈ চেষ্টা কৰিব পাৰা। কিন্তু মনত ৰাখিবা, মোৰ প্ৰচুৰ ক্ষমতা। তাকো সকলো দ্বাৰৰক্ষকৰ মাজত মোৰ ক্ষমতাই সকলোতকৈ কম। প্ৰতিটো ঘৰৰ দুৱাৰৰ সন্মুখতেই একোজন দ্বাৰৰক্ষক আছে, যিবোৰৰ প্ৰত্যেকৰে ক্ষমতা আগৰজনতকৈ বেছি। তিনি নম্বৰ দ্বাৰৰক্ষকজনতো এতিয়াই ইমান ভয়ংকৰ হৈ উঠিছে যে মই এইপৰ্যন্ত তেওঁৰ ফালে চাবলৈ ভয় খাওঁ।'

গাঁৱৰ পৰা অহা মানুহজনে এইবোৰ সমস্যাৰ কথা ভাবিব পৰা নাছিল। তেওঁৰ ধাৰণা আছিল আইনৰ ওচৰলৈ যিকোনো সময়তেই যাব পাৰি, যিকোনো মানুহেই যাব পাৰে। কিন্তু এতিয়া এই নোমাল কোট পিন্ধা, তীক্ষ্ণ নাকৰ আৰু লম্বা, ঘন ক'লা, দাড়ি থকা দ্বাৰৰক্ষকজনৰ লগত কথা পাতি তেওঁৰ ভাব হ'ল-- ভিতৰলৈ প্ৰৱেশৰ অনুমতি নোপোৱাপৰ্যন্ত অপেক্ষা কৰাই ভাল। দ্বাৰৰক্ষকজনে তেওঁক এখন টুল দি দুৱাৰৰ একাষে বহিবলৈ দিলে। তাতেই তেওঁ বহি ৰ'ল দিনৰ পিছত দিন। বছৰৰ পিছত বছৰ। ভিতৰলৈ সোমোৱাৰ বাবে বহুবাৰ চেষ্টা কৰিছে তেওঁ। তেওঁৰ নাচোৰবান্দা কাকূতি-মিনতিয়ে ক্লান্ত কৰি তুলিছে দ্বাৰৰক্ষকজনক। দ্বাৰৰক্ষকজনে মাজে-মধ্যে তেওঁৰ লগত কিছু কথা পাতে, তেওঁৰ ঘৰ-বাৰী আৰু আন কথা কিছুমান জানিব বিচাৰে; কিন্তু প্ৰশ্নবোৰ উচ্চাৰণ হয় নিতান্তই নিৰ্লিপ্ত ভংগীত, যিদৰে প্ৰভুবোৰে প্ৰশ্ন কৰে, আৰু প্ৰতিবাৰেই তাৰ কথা শেষ হয় একে আষাৰ বাক্যৰে— ভিতৰলৈ প্ৰৱেশৰ সময় এতিয়াও অহা নাই। ইয়ালৈ অহাৰ সময়ত মানুহজনে ভালেমান বস্তু লগত আনিছিল। দ্বাৰৰক্ষকজনক ঘোচ দি বশ কৰাৰ বাবে তেওঁৰ সমস্ত বস্তুকেই এটা এটাকৈ দি দিছে তেওঁ। আনকি সবাতোকৈ দামী বস্তুবোৰপৰ্যন্ত। দ্বাৰৰক্ষকজনে প্ৰত্যেকটো বস্তুৱেই গ্ৰহণ কৰিছে।

কিন্তু প্ৰতিবাৰেই কৈছে— 'এটা বস্তুও বাদ দিছোঁ বুলি যাতে তুমি ভাবিবলৈ নোপোৱা, সেইবাবেই মই বস্তুবোৰ লৈছোঁ।' ইমান বছৰে মানুহজনৰ যাৱতীয় মনোযোগ প্ৰায় গোটেইখিনি সময়ত দ্বাৰৰক্ষকজনৰ ওপৰতেই কেন্দ্ৰীভূত হৈ আছে।



অন্য দ্বাৰৰক্ষীসকলৰ কথা পাহৰি গৈছে তেওঁ আৰু ভাব হৈছে আইনৰ সন্মুখত হাজিৰ হোৱাৰ পথত এই প্ৰথমজনেই একমাত্ৰ প্ৰতিবন্ধক। প্ৰথম বছৰবোৰত উচ্চ কণ্ঠস্বৰত মানুহজনে নিজৰ দুৰ্ভাগ্যক দোষাৰোপ কৰিছিল। বয়স বঢ়াৰ লগে লগে নিজৰ মনৰ ভিতৰতেই ভোৰ্‌ভোৰাই থাকে। একধৰণৰ শিশুসুলভ আচৰণ দেখা দিছিল তেওঁৰ মাজত। বছৰৰ পিছত বছৰ দ্বাৰৰক্ষীজনক গভীৰভাৱে চাই চাই তেওঁৰ কোটৰ কলাৰত পৰা মাখিটোপৰ্যন্ত চিনাকি হৈ গৈছিল মানুহজনৰ। সেই মাখিবোৰৰ ওচৰত সহায়ৰ বাবে অনুনয় কৰিছে তেওঁ, দ্বাৰৰক্ষীজনৰ হৃদয়ৰ পৰিৱৰ্তন ঘটাবৰ বাবে অনুৰোধ জনাইছে। এটা সময়ত মানুহজনৰ দৃষ্টিশক্তি হেৰাই যাবলৈ ধৰিলে। পৃথিৱীখন সঁচাই অন্ধকাৰে ঢকা নে তেওঁৰ চকুৰেই ভুল দেখিছে— মানুহজনে বুজিব পৰা নাই। কিন্তু সেই অন্ধকাৰৰ মাজতো আইনৰ প্ৰৱেশ পথৰ পৰা অনিৰ্বাণ ভাহি অহা এক উজ্জ্বল আলোকৰশ্মিৰ অস্তিত্ব অনুভৱ কৰে মানুহজনে। তেওঁৰ আয়ুস শেষ হৈ আহিছে। মৃত্যুৰ আগমুহূৰ্তত বহু বছৰৰ যাৱতীয় অভিজ্ঞতা তেওঁৰ মস্তিষ্কত কেন্দ্ৰীভূত হ'ল এটি প্ৰশ্নৰ আকাৰে, যি প্ৰশ্ন তেওঁ কোনো দিনে দ্বাৰৰক্ষকজনক সোধা নাই। তেওঁ যিহেতু জঠৰ হৈ অহা শৰীৰটো লৰচৰ কৰিব নোৱাৰে, হাতেৰে ইংগিত দিয়েই তেওঁ দ্বাৰৰক্ষকজনক কাষলৈ মাতিলে। দ্বাৰৰক্ষকজনে মানুহজনৰ কাণে হাউলিব লগা হ'ল; কাৰণ ইমানদিনে তেওঁলোক দুজনৰ উচ্চতাৰ বিপুল পৰিৱৰ্তন হৈছে। দ্বাৰৰক্ষকজনৰ তুলনাত অনেক খৰ্বকায় হৈ গৈছে মানুহজন। দ্বাৰৰক্ষকজনে ক'লে— 'এতিয়া কি জানিব বিচাৰিছা? দেখিছোঁ তোমাৰ কোনো কথাতেই পৰিপূৰ্ণতা নাই।'

মানুহজনে ক'লে— 'সকলোৱেইতো আইনৰ ওচৰলৈ যাবলৈ চেষ্টা কৰে। তেন্তে অতবছৰে একমাত্ৰ মোৰ বাহিৰে দ্বিতীয় এজনক ভিতৰলৈ সোমাবলৈ অনুমতি বিচৰা কিয় নেদেখিলোঁ?'

দ্বাৰৰক্ষকজনে বুজি পালে যে মানুহজনৰ অন্তিম মুহূৰ্ত আসন্ন। তেওঁৰ বিলীয়মান চেতনাক জগাই তোলাৰ বাবে মানুহজনৰ কাণৰ কাষলৈ মুখখন নি চিৎকাৰ কৰি ক'লে— 'আৰু কোনেও কেতিয়াও ইয়াত প্ৰৱেশ কৰিব পৰা নাই। কাৰণ এই দুৱাৰখন একমাত্ৰ তোমাৰ বাবেই তৈয়াৰ কৰা হৈছিল। এতিয়া সেই দুৱাৰখন বন্ধ কৰি দিওঁ ৰ'বা।' □

● *অনুবাদক ইতিহাস বিভাগৰ স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰ।*

অনুবাদ গল্প



# লেবাননৰ মাৰতা

মূল ঃ 'মাৰতা আল-বানিয়াত' (আৰবী)
লেখক ঃ খলিল জিব্ৰান
অনুবাদ ঃ আমিনুল ইছলান হাজৰিকা

তাই কোলাত থকা অৱস্থাতেই দেউতাকৰ মৃত্যু হ'ল আৰু দহ বছৰ নহওঁতেই মাকৰ মৃত্যু হ'ল। তাইক অনাথ অৱস্থাত জীৱন যাপন কৰিবৰ বাবে এজন দুখীয়া প্ৰতিৱেশীৰ ঘৰত থোৱা হ'ল, যিজনে নিজৰ পত্নী আৰু সন্তানকেইটিৰ সৈতে লেবাননৰ সুন্দৰ উপত্যকাৰ মাজত অৱস্থিত অকলশৰীয়া খেতিপথাৰত বাস কৰিছিল।

দেউতাকে মৃত্যুৰ সময়ত তাইৰ নিজৰ নামটো আৰু গছ-গছনিৰ মাজত অৱস্থিত এটি সামান্য পঁজাঘৰৰ বাহিৰে আন কোনো বস্তু এৰি থৈ যোৱা নাছিল। মাকেও মৃত্যুৰ সময়ত তাইৰ বাবে দুখৰ চকুলো আৰু অনাথ হোৱাৰ কলংকৰ বাহিৰে আন একোৱেই দি যোৱা নাছিল। এনেদৰে এই জন্মস্থানতেই ওখ শিল আৰু জোপোহা গছবোৰৰ মাজত অচিনাকিভাৱে তাই দিন অতিবাহিত কৰিবলৈ ধৰিলে। তাই প্ৰতিদিনে পুৱা ফটা-ছিটা কাপোৰ পিন্ধি খালী ভৰিৰে এজনী খীৰতী গাইৰ পিছে পিছে উপত্যকাৰ ফালে ওলায় যায়, য'ত সেউজীয়া ঘাঁহনিবোৰ আছিল। তাত তাই গছৰ ছাঁত বহি ঘনচিৰিকাৰ সৈতে সুৰ মিলায়, নিজৰাৰ সৈতে কান্দে, গাইজনীয়ে অত্যধিক খোৱাৰ বাবে হিংসা কৰে, লগতে কোমল আৰু লহপহকৈ বাঢ়ি অহা ঘাঁহবোৰৰ বিষয়ে চিন্তা কৰে।

আৰু যেতিয়া সূৰ্য অস্ত যাবৰ সময় হয় আৰু ভোকে কাতৰ কৰি পেলায়, তেতিয়া সেই পঁজাঘৰলৈ উভতি আহে আৰু নিজৰ গৰাকীৰ শিশুকেইটিৰ সৈতে বহি সিদ্ধ তৰকাৰী আৰু শুকান ফলৰ সৈতে মাকৈৰ ৰুটী খায়। তাৰ পিছত শুকান ঘাঁহৰ বিছনাত নিজৰ হাতখনকেই গাৰু কৰি এইটো আশা লৈ শান্তিৰে শুই থাকে যে যদিহে গোটেই জীৱনটো গভীৰ টোপনি হ'লহেঁতেন, যাক কোনো সপোনে ভংগ

কৰিব নোৱাৰে বা কোনেও ব্যাঘাত জন্মাব নোৱাৰে। সূৰ্য উদয়ৰ সময়ত গৰাকীয়ে নিত্যকৰ্ম সম্পন্ন কৰাৰ বাবে জগাই দিয়াৰ লগে লগে তাই গৰাকীৰ খং-ৰাগৰ প্ৰতি শংকিত হৈ খৰধৰকৈ টোপনিৰ পৰা উঠে।

দূৰ উপত্যকা আৰু দাঁতিকাষৰীয়া অঞ্চলবোৰৰ মাজত অভাগী মাৰতাৰ দিনবোৰ এনেদৰে অতিবাহিত হ'বলৈ ধৰিলে। তাই গছৰ ডালৰ দৰে লহপহকৈ বাঢ়ি আহিল। অজানিতে তাইৰ অন্তৰত চিন্তা-ভাবনাবোৰ ফুলৰ গভীৰতাত সুগন্ধি সৃষ্টি হোৱাৰ দৰে জন্ম হ'বলৈ ধৰিলে। তাইৰ অন্তৰত ভাবনাবোৰে ঢৌ খেলিবলৈ ধৰিলে। তাই পবিত্ৰ মাটিৰ দৰে চিন্তাশীল শিশু হৈ উঠিল, যিডৰা মাটিত কোনো বীজ ৰোপণ কৰা হোৱা নাই বা কোনেও ইচ্ছাকৃতভাৱে তাৰ ওপৰত খোজ দিয়া নাই। এনেদৰে ভাগ্যৰ আদেশ অনুযায়ী পবিত্ৰ আত্মাটোৰ দৰে সেই খেতিপথাৰত তাই ডাঙৰ হ'ল, য'ত বছৰৰ ঋতুৰ সৈতে জীৱনৰ পৰিৱৰ্তন ঘটে। যেন তাই আকাশ, পৃথিৱী আৰু সূৰ্যৰ মাজত বহি থকা কোনো অদৃশ্য খোদাৰ ছাঁটোহে।

আমি যিসকল লোকে জীৱনৰ সৰহভাগ সময় ব্যস্ত চহৰত অতিবাহিত কৰোঁ, সেইসকলে লেবাননৰ গাঁৱলীয়া লোকসকলৰ জীৱন আৰু দাঁতিকাষৰীয়া অঞ্চলবোৰৰ বিষয়ে প্ৰায় একেবাৰেই নাজানো। আমি আধুনিক সভ্যতাৰ ঢৌৰ সৈতে বৈ গৈছোঁ, যাৰ ফলত পৰিষ্কাৰ-পৰিত্ৰতাৰে পৰিপূৰ্ণ সহজ-সৰল আৰু সুন্দৰ জীৱন দৰ্শনৰ বিষয়ে পাহৰি গৈছো বা পাহৰিবলৈ বাধ্য হৈছোঁ। আমি গাঁওবাসীতকৈ আৰ্থিক দিশত টনকিয়াল, কিন্তু আত্মীয়তাৰ ক্ষেত্ৰত তেওঁলোক আমাতকৈ শ্ৰেষ্ঠ। আমি লোকৰ গোলাম আৰু তেওঁলোক সন্তুষ্টিৰ পাত্ৰ। আমি হতাশা, আশংকাৰ আৰু দুখ-কষ্টৰে মিশ্ৰিত জীৱন যাপন কৰোঁ আৰু তেওঁলোকে পৰিষ্কাৰ জীৱন অতিবাহিত কৰে।

মাৰতাই ১৬ বছৰত ভৰি দিলে। তাইৰ আত্মা মসৃণ আইনাৰ দৰে হৈ পৰিল, য'ত খেতিপথাৰৰ সুন্দৰ দৃশ্য দেখিবলৈ পোৱা যায়। লগতে তাইৰ হৃদয় উপত্যকাৰ খালী ঠাইৰ দৰে হৈ পৰিল, য'ত প্ৰতিটো শব্দৰ প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়।

বৰ্ষাকালৰ এদিনাখন ভাগৰত ক্লান্ত হৈ পৰা দেহক আৰাম দিবলৈ যেনেদৰে কবি হৃদয়ৰ কল্পনাবোৰ ফুটি উঠে, ঠিক তেনেদৰে মাটিৰ পৰা ফুটি উঠা নিজৰাটোৰ পাৰত তাই বহিল। তাত তাই গছৰ সৰাপাতবোৰে লৰচৰ কৰা আৰু সেইবোৰৰ সৈতে বতাহে খেলা-ধূলা কৰা লক্ষ্য কৰে, যেনেদৰে মৃত্যুৱে মানুহৰ আত্মাৰ সৈতে খেলা কৰে। তাৰ পিছত তাই ফুলবোৰৰ ফালে লক্ষ্য কৰি দেখে যে সেইবোৰ মৰহি গৈছে আৰু মাজভাগ শুকাই যোৱাৰ ফলত ফাটি গৈছে। যাৰ ফলত তাৰ গুটিবোৰ মাটিত সিঁচৰতি হৈ পৰিছিল।

যি সময়ত তাই গছ-গছনি আৰু ফুলবোৰৰ ফালে লক্ষ্য কৰি আছিল, লগতে গ্ৰীষ্ম ঋতুৰ বিৰহৰ বেদনা অনুভৱ কৰি আছিল, ঠিক সেই সময়তে উপত্যকাৰ নিজান ঠাইত ঘোঁৰাৰ খুৰাৰ শব্দ শুনিবলৈ পাই সেইফালে লক্ষ্য কৰি দেখিলে যে এজন অশ্বাৰোহী তাইৰ ফালে ধীৰ গতিত আহি আছে। যেতিয়া সি আহি নিজৰাটোৰ কাষ পালে, তাৰ চেহেৰা-পাতি আৰু পৰিধানে তাৰ সম্ভ্ৰান্ত পৰিয়ালৰ লোক হোৱাৰ পৰিচয় বহন কৰি আছিল। সি ঘোঁৰাৰ পিঠিৰ পৰা নামিল আৰু তাইক এনে ধৰণে চালাম জনালে, যি ধৰণৰ ব্যৱহাৰ ইয়াৰ পূৰ্বতে কোনো লোকৰ পৰা তাই পোৱা নাছিল। তাৰ পিছত সি তাইক সুধিলে— মই সমুদ্ৰৰ পাৰলৈ যোৱা পথটো পাহৰিছোঁ। হে যুৱতী! তুমি মোক সেই পথটোৰ সন্ধান দিব পাৰিবানে? তাই নিজৰাৰ পাৰত গছৰ ডালৰ দৰে থিয় হৈ থাকি উত্তৰত ক'লে— হে মহাশয়! মই নাজানো, আপুনি গৈ মোৰ গৰাকীক সোধক। তেওঁ এই বিষয়ে ভালদৰে জানিব।

তাই এই কথাখিনি অতি পৱিত্ৰ সুৰত ক'লে। ইতিমধ্যে লাজে তাইৰ সৌন্দৰ্য আৰু নম্ৰতা অধিক বৃদ্ধি কৰি তুলিলে। যেতিয়া তাই যাবলৈ ওলাল, তেতিয়া মানুহজনে তাইক বাধা দিলে। ইতিমধ্যে তাৰ শৰীৰত যৌৱনৰ শিহৰণে দৌৰিবলৈ ধৰিলে আৰু তাৰ দৃষ্টি সলনি হৈ পৰিল, আৰু ক'লে— নাই, তুমি নাযাবা! তাই একেঠাইতে আচৰিতভাৱে থিয় হৈ ৰ'ল। তাইৰ এনেকুৱা অনুভৱ হ'ল যে তাৰ মাজত এনে কোনো শক্তি আছে, যিয়ে তাইক লৰচৰ কৰাত বাধা দি আছে। যেতিয়া তাই লাজুকীয়া চাৱনিৰে তাৰ ফালে চালে, তেতিয়া দেখিলে যে সি তাইক এনেদৰে মনোযোগেৰে চাই আছে যাৰ অৰ্থ তাই বুজি নাপালে। সি তাইৰ ফালে চাই এনেদৰে মিচিকিয়াই আছিল যেন তাৰ মধুৰতাই তাইক কন্দুৱাই পেলাব। সি অতি মনোযোগেৰে তাইৰ খালী ভৰি দুখন, কলাফুল দুটি, তাইৰ দীঘল ডিঙি আৰু ঘন আৰু কোমল চুলিবোৰৰ ফালে চাই আছিল। লগতে অতি আগ্ৰহ আৰু উৎকণ্ঠাৰে চিন্তা কৰি আছিল যে সূৰ্যই তাইৰ মুখমণ্ডলক কেনেদৰে উজ্জ্বল কৰি তুলিছে আৰু প্ৰকৃতিয়ে তাইৰ বাহুক শক্তি প্ৰদান কৰিছে। তাৰ বিপৰীতে তাই লাজতে কোঁচমোচ খাই আছিল আৰু যাব খুজিছিল যদিও কোনো অজ্ঞাত কাৰণত তাই যাবলৈ শক্তি পোৱা নাছিল।

সেইদিনা গধূলি খীৰতী গাইজনী গোহালিলৈ অকলে উভতি আহিল। কিন্তু মাৰতা ঘূৰি নাহিল। তাইৰ গৰাকীয়ে

তাইক সেই অঞ্চলত বহুত বিচাৰিলে যদিও কোনো সন্ধান নাপালে। তেওঁ তাইৰ নাম লৈ চিঞৰি চিঞৰি মাতিলে। কিন্তু গছৰ মাজত বতাহৰ চৰ্‌চৰ্‌ শব্দ আৰু নিজৰ মাতৰ প্ৰতিধ্বনিৰ বাহিৰে আন কোনো উত্তৰ নাপালে। তেওঁ দুখিত মনেৰে পঁজাঘৰলৈ উভতি আহিল আৰু নিজৰ পত্নীক খবৰ দিলে। অভাগী তিৰোতাজনীয়ে ওৰেনিশা কান্দিলে। তাই মনে মনে কৈ আছিল— মই এবাৰ সপোনত হিংসুক জন্তুৱে তাইৰ শৰীৰ ফালি-ছিৰি থকা দেখিছিলো আৰু সেই সময়তো তাই মিচিকীয়াই আছিল।

সংক্ষিপ্তকৈ সেই সুন্দৰ খেতিপথাৰত জীৱন যাপন কৰা মাৰতাৰ জীৱনৰ বিষয়ে মই ইমানেই জানিছিলো। মই এজন বৃদ্ধ গাঁওবাসীৰ পৰা তাইৰ বিষয়ে জানিবলৈ পাইছিলো— যিজনে তাইক বাল্যকালৰ পৰা যৌৱন অৱস্থালৈ আৰু তাৰ পিছত সেই ঠাইৰ পৰা নিৰুদ্দেশ হোৱাৰ সময়লৈকে তাইৰ বিষয়ে সকলো কথা জানিছিল। নিৰুদ্দেশৰ সময়ত তাই নিজৰ গৰাকীৰ পত্নীৰ চকুত কিছু চকুলো আৰু সেই উপত্যকাৰ মলয়া বতাহৰ সৈতে উৰি ফুৰা কিছুমান মধুৰ স্মৃতিৰ বাহিৰে আন একোৱেই এৰি থৈ যোৱা নাছিল। তাৰ পিছত সেইবোৰ লাহে লাহে অদৃশ্য হৈ পৰিল।

১৯০০ চনৰ বৰ্ষা ঋতু আহিল আৰু উত্তৰ লেবাননত স্কুলীয়া ছুটী অতিবাহিত কৰাৰ পিছত বৈইৰুতলৈ উভতি আহিলো। স্কুলত প্ৰৱেশ কৰাৰ আগতে সম্পূৰ্ণ এসপ্তাহ মই নিজৰ বন্ধু-বান্ধৱৰ সৈতে স্বাধীনতাৰ আনন্দ উপভোগ কৰি অতিবাহিত কৰিলো, যি স্বাধীনতা যুৱ সমাজে ভাল পায়। এই কালছোৱাত আমি সেই ঘৰচিৰিকাবোৰৰ দৰে আছিলো, যিয়ে সন্মুখত পিঞ্জৰাৰ খোলা দুৱাৰ দেখি গীত গাই তৃপ্তি লভিবলৈ আৰু পৰিৱৰ্তনৰ আনন্দ উপভোগ কৰিবলৈ উৰি গুচি যায়। যুৱ সমাজৰ কিছুমান সপোন আছে, যাৰ মধুৰতাক কিতাপৰ মেৰপাকে অধিক জটিল কৰি তোলে।

এনে এটা দিন আহিবনে, যিদিনা বুদ্ধিজীৱীসকল যুৱকসকলৰ আশা-আকাংক্ষা আৰু জ্ঞানৰ আনন্দৰ মাজত সহমতত উপনীত হ'ব। এনে এটা দিন আহিবনে, যিদিনাখন প্ৰকৃতি হ'ব মানৱ সমাজৰ শিক্ষক, মানৱতা হ'ব তাৰ কিতাপ আৰু জীৱনটো হ'ব শিক্ষানুষ্ঠান! সেই দিনটো আহিবনে? আমি নাজানো, কিন্তু আধ্যাত্মিক দিশৰ ফালে হোৱা আমাৰ মন্থৰ প্ৰগতিৰ জৰিয়তে আমি তাক নিশ্চয় অনুভৱ কৰিব পাৰোঁ। সেই প্ৰগতি হৈছে আমাৰ আত্ম-পৰ্যালোচনা আৰু প্ৰেমৰ জৰিয়তে সৌন্দৰ্য উপভোগ কৰা।

এদিন আবেলি মই ঘৰৰ চোতালত বহি চহৰৰ দাঁতিকাষৰীয়া অঞ্চলৰ ফালে নিছিগা চিঞৰ-বাখৰবোৰৰ বিষয়ে ভবা-গুণা কৰি আছিলো আৰু নিজৰ ওচৰত থকা উৎকৃষ্ট সামগ্ৰী আৰু খাদ্য বস্তু বিক্ৰী কৰাৰ বাবে পথত মাত লগাই ফুৰা মানুহবিলাকৰ চিঞৰ-বাখৰ শুনি আছিলো। এনেতে কান্ধত ফুলৰ মালাৰ টুকুৰি এটা লৈ পাঁচ বছৰীয়া শিশু এটি মোৰ ওচৰ চাপিল আৰু উত্তৰাধিকাৰ সূত্ৰে পোৱা কলংক আৰু বেদনাদায়ক নিঃকিনতাৰ বোজাত দুৰ্বল হৈ পৰা মাতেৰে সুধিলে— হে মহাশয়! আপুনি ফুল কিনিবনে?

মই তাৰ শেঁতা পৰা সৰু মুখখনৰ ফালে চালোঁ আৰু তাৰ ক'লা চকুযুৰিত বেদনা আৰু অভাৱ-অনাটনৰ ভাব অনুভৱ কৰিলো। তাৰ মুখখন অলপ মেল খাই আছিল যেন শোকাকুল অন্তৰত এটুকুৰা ডাঙৰ ঘাঁ বা জখমহে। হাত দুখন খালী আৰু দুৰ্বল। দুৰ্বল শৰীৰটো ফুলৰ মালাৰ ভৰৰ বাবে এনেদৰে বেঁকা হৈ গৈছে, যেন স্বয়ংক্ৰিয়ভাৱে গজি উঠা লতাৰ বোজাত হালি পৰা দুৰ্বল গোলাপৰ ডালহে। এই সকলো কথা ওঁঠত হাঁহিৰ ভাব লৈ ক্ষন্তেকৰ ভিতৰত চিন্তা কৰিলো, যি হাঁহি আমাৰ অন্তৰৰ গভীৰতাৰ পৰা ওলায় আৰু আমাৰ ওঁঠত বিৰিঙি উঠে। আমি যদি তাক তাৰ প্ৰকৃত অৱস্থাত এৰি দিওঁ, তেনেহ'লে সেইবোৰ আমাৰ চকুৰে বৈ পৰিব।

মই তাক সেই সময়ত সুধিলো— তোমাৰ নাম কি?

সি তল ফালে চাই উত্তৰ দিলে— মোৰ নাম ফোৱাদ।

মই সুধিলো— তুমি কাৰ পুত্ৰ আৰু তোমাৰ পৰিয়াল ক'ত?

সি ক'লে— মই মাৰতা আলবানীয়াৰ পুত্ৰ।

মই সুধিলো— তোমাৰ দেউতা ক'ত।

প্ৰত্যুত্তৰত সি সৰু মূৰটো এনেদৰে জোকাৰিলে যেন সি দেউতা শব্দৰ অৰ্থই নাজানে।

মই সুধিলো— ফোৱাদ! তোমাৰ মা ক'ত?

সি ক'লে— ঘৰত, নৰিয়া অৱস্থাত।

শিশুটিৰ মুখৰ পৰা ওলোৱা এই সংক্ষিপ্ত কথাখিনি মোৰ কাণত সোমাই মন-মস্তিষ্কক তাৰ বেদনাদায়ক আৰু অদ্ভুত আকৃতিয়ে খামুচি ধৰিলে। কাৰণ ক্ষন্তেকৰ ভিতৰতে মই উপলব্ধি কৰিলো যে যিজনী অভাগী মাৰতাৰ কাহিনী মই গাঁৱলীয়া লোকজনৰ পৰা শুনিছিলো, সেইজনী এতিয়া নৰিয়া অৱস্থাত বৈইৰুতত আছে। সেই শিশুটি, যিজনী কালিলৈকে সুখে-সন্তোষে উপত্যকাৰ গছ-গছনিৰ মাজত দিনবোৰ অতিবাহিত কৰি আছিল, সেইজনীয়েই আজি চহৰত অভাৱ-অনাটন আৰু ভোক-পিয়াহ সহ্য কৰিবলগীয়া হৈছে। সেই মাউৰাজনী, যিজনীয়ে সুন্দৰ খেতিপথাৰত আনন্দ মনেৰে গাই চৰাই নিজৰ যৌৱন অতিবাহিত কৰিছিল,

সেইজনী আজি চহৰৰ লেতেৰা নলা-নৰ্দমাৰ পানীৰ সৈতে বৈ গৈছে। লগতে দৰিদ্ৰতা আৰু দুখ-কষ্টৰ বলি হৈছে।

মই এই সকলো কথা চিন্তা কৰি আছিলো আৰু শিশুটিয়ে মোৰ ফালে এনেদৰে চাই আছিল যেন সি তাৰ আত্মাৰ পৱিত্ৰ চকুৰে মোৰ অন্তৰৰ কথা বুজি পাইছে। যেতিয়া সি যাব খুজিলে তেতিয়া মই তাৰ হাতত ধৰি ক'লোঁ— মোক তোমাৰ মাৰ ওচৰলৈ লৈ ব'লা। মই তেওঁক চাব বিচাৰোঁ।

সি মোৰ আগে আগে নীৰৱে খোজ ল'লে আৰু মাজে মাজে পিছফালে চাই মই তাক প্ৰকৃততে অনুসৰণ কৰিছো নে নাই লক্ষ্য কৰি গ'ল!

সেই লেতেৰা অঞ্চলত, য'ত বতাহে মৃত্যুৰ সৈতে লুকা-ভাকু খেলে, সেই পুৰণি ঘৰবোৰৰ মাজত য'ত অপৰাধীয়ে অন্ধকাৰৰ আঁৰত লুকাই অপৰাধত লিপ্ত হয়, সেই আঁকোৰা-পকোৰা গলিবোৰেৰে ভয় আৰু আশংকাত মই এজন কম বয়সীয়া শিশুৰ পিছে পিছে গৈ আছিলো। যিজন শিশু কম বয়সীয়া হোৱা সত্ত্বেও সাহসী আছিল আৰু অসামৰিক লোকসকলৰ ষড়যন্ত্ৰৰ বিষয়ে একো নাজানিছিল। এনে এখন চহৰক প্ৰাচ্যৰ লোকসকলে চিৰিয়াৰ ন-কইনা আৰু সম্ৰাটসকলৰ মুকুটৰ হীৰা আখ্যা দিছে। যেতিয়া আমি গৈ চহৰৰ শেষভাগ পালোঁগৈ তেতিয়া শিশুটি এটি সামান্য ঘৰত প্ৰৱেশ কৰিলে, য'ত বহু বছৰ ধৰি কোনো লোকে বাস কৰা নাছিল।

মই তাৰ পিছে পিছে প্ৰৱেশ কৰিলো আৰু যিমানেই মই ওচৰ চাপি গ'লো, মোৰ বুকুৰ ধপ্‌ধপনি ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰিলে। অৱশেষত আমি গৈ এটা সেমেকা কোঠালীৰ মাজভাগত ভৰি দিলোঁ, য'ত সামগ্ৰীৰ নামত এটা দুৰ্বল চাকিৰ হালধীয়া পোহৰে অন্ধকাৰক চেৰ পেলাবলৈ চেষ্টা কৰি আছিল। এখন সৰু খাট আছিল, যিয়ে সিহঁতৰ কঁকাল ভঙা দুখ-দুৰ্দশা আৰু অভাৱ-অনাটনৰ পৰিচয় বহন কৰি আছিল। তাৰ ওপৰত এজনী মহিলা নিদ্ৰাৰত অৱস্থাত পৰি আছিল। মহিলাগৰাকীৰ মুখখন বেৰৰ ফালে আছিল, যেন তাই সংসাৰৰ অত্যাচাৰৰ পৰা তাৰ জৰিয়তে সান্ত্বনা লভিছে বা তাই সেই বেৰবোৰৰ মাজত মানুহৰ অন্তৰতকৈ অধিক নম্ৰ আৰু কোমল এখন হৃদয় বিচাৰি পাইছে। শিশুটিয়ে আম্মা বুলি সম্বোধন কৰি তাইৰ ওচৰ চাপি গ'ল। তাই তাৰ ফালে মনোযোগ দি দেখিলে যে সি মোৰ ফালে ইংগিত দি আছে। তাই আত্মবেদনা আৰু তিতা হুমুনিয়াহমিশ্ৰিত মাতেৰে সুধিলে— তোমাক কি লাগে? তুমি মোৰ অন্তিম জীৱনটো কিনি লৈ নিজৰ কামনা-বাসনাৰে অপৱিত্ৰ কৰিবলৈ আহিছানে? তুমি মোৰ ওচৰৰ পৰা আঁতৰি যোৱা। এই লেতেৰা অঞ্চলত তুমি অনেক মহিলা পাবা, যিসকলে অতি কম মূল্যতে তোমাৰ নিজৰ শৰীৰ আৰু আত্মা বিক্ৰী কৰিব। মোৰ ওচৰত বিক্ৰী কৰিবলৈ বিচ্ছিন্নভাৱে আহি থকা অৱশিষ্ট উশাহকেইটাৰ বাহিৰে একোৱেই নাই, যাক অনতিপলমে মৃত্যুৱে কিনি ল'ব।

মই তাইৰ খাটৰ ওচৰ চাপিলোঁ। ইতিমধ্যে তাইৰ কথাবোৰে মোক দুঃখিত কৰি পেলাইছিল। কাৰণ সেইবোৰ তাইৰ বেদনাদায়ক জীৱনৰ সাৰাংশ আছিল। মই আশা কৰিলো, যদিহে মোৰ ভাবনাবোৰো মোৰ কথাৰ সৈতে প্ৰৱাহিত হ'লহেঁতেন...। তাইক ক'লো— মাৰতা! তুমি মোক ভয় নকৰিবা। মই তোমাৰ ওচৰলৈ ভোকাতুৰ পশু হৈ অহা নাই। এজন শোকাকুল মানুহৰ দৰে আহিছো। মই এজন লেবাননী। মই সেই উপত্যকা আৰু ধান খেতিৰ ওচৰত অৱস্থিত গাঁৱত বহুদিন বাস কৰিছো।

তাই মোৰ কথাবোৰ শুনিলে আৰু অনুভৱ কৰিলে যে সেইবোৰ গভীৰ অন্তৰৰ পৰা ওলাইছে। তাই শীতকালৰ বতাহৰ সন্মুখত পাতবিহীন ডালবোৰে লৰচৰ কৰাৰ দৰে অলপ লৰচৰ কৰিলে আৰু নিজৰ মুখখন হাতেৰে ঢাকি ধৰিলে, যেন তাই অতীতৰ সুমধুৰ স্মৃতিবোৰৰ জৰিয়তে নিজকে সেই ভয়াবহ ঘটনাৱলীৰ পৰা লুকুৱাই ৰাখিব খুজিছে। কিছু সময় ভাগৰমিশ্ৰিত শান্তিৰ পিছত তাইৰ শুকান হাত দুখনৰ ফাঁকেৰে তাইৰ মুখখন দেখা গ'ল। মই দেখিলো যে তাইৰ গাঁতত সোমাই পৰা চকুহালে কোঠালিটোত ৰ লাগি শূন্যত কোনো অদৃশ্য বস্তু লক্ষ্য কৰি আছে। তাইৰ শুকান ওঁঠ দুটিক হতাশাৰ কম্পনে লৰচৰ কৰি আছে। তাইৰ ডিঙিৰ পৰা বিচ্ছিন্নভাৱে মৃত্যুৰ আগমুহূৰ্তৰ গেঙনি ওলাই আছে।

তাই অনুৰোধ আৰু কাকুতিৰ সুৰত দুৰ্বল মাতেৰে ক'লে— তুমি মোৰ ওচৰলৈ হিতাকাংক্ষী আৰু উপকাৰী ৰূপে আহিছা। সেয়েহে আকাশত থকাজনে মোৰ ফালৰ পৰা তোমাক ভাল প্ৰতিদান দিয়ে যেন। মই তোমাক অনুৰোধ কৰিছোঁ— তুমি য'ৰ পৰা আহিছা তালৈ উভতি যোৱা। কাৰণ এই ঠাইত তোমাৰ উপস্থিতিয়ে তোমাক কলংকিত কৰিব আৰু মোৰ প্ৰতি থকা তোমাৰ সহানুভূতিয়ে তোমাক দোষাৰোপ কৰিব। গাহৰিৰ মল-মূত্ৰৰে পৰিপূৰ্ণ এই লেতেৰা কোঠালিত তোমাক কোনোবাই দেখাৰ পূৰ্বতে তুমি ইয়াৰ পৰা উভতি যোৱা। তুমি নিজৰ মুখখন কাপোৰেৰে ঢাকি লৈ অনতিপলমে ইয়াৰ পৰা গুচি যোৱা, যাতে কোনো পথিকে তোমাক চিনি নাপায়।

তোমাৰ অন্তৰত মোৰ প্ৰতি যি সহানুভূতি আছে সেই

সহানুভূতিয়ে মোৰ পৱিত্ৰতা কেতিয়াও ঘূৰাই আনিব নোৱাৰে আৰু মোৰ দুৰ্নাম দূৰ কৰিব নোৱাৰে। লগতে মৃত্যুৰ শক্তিশালী হাত মোৰ অন্তৰৰ পৰা আঁতৰাব নোৱাৰে। মোৰ দৰিদ্ৰতা আৰু পাপৰ প্ৰায়শ্চিত্ত ৰূপে মই অন্ধকাৰৰ গভীৰতাত সোমাই পৰিছো। সেয়েহে তুমি তোমাৰ সহানুভূতিক কলংকৰ ওচৰ চাপিবলৈ নিদিবা। মই কবৰৰ মাজত বাস কৰা এজন কুষ্ঠৰোগী। তুমি মোৰ ওচৰলৈ নাহিবা, নহ'লে সমাজে সমানে তোমাকো দোষাৰোপ কৰিব। তুমি এতিয়া ইয়াৰ পৰা যোৱা আৰু সেই পৱিত্ৰ উপত্যকাত মোৰ নাম কেতিয়াও স্মৰণ নক'ৰিবা। যদি কেতিয়াবা মোক স্মৰণ কৰা, তেতিয়া ক'বা যে মাৰতা আলবানীয়া মৰি গৈছে। তাৰ বাহিৰে আন একোৱেই নক'বা।

তাৰ পিছত নিজৰ পুত্ৰৰ সৰু হাত দুখনত ধৰি চুমা খালে আৰু হুমুনিয়াহ কাঢ়ি ক'লে— মানুহবিলাকে মোৰ ল'ৰাৰ ফালে ঘৃণা আৰু ঠাট্টাৰ চকুৰে চাই ক'ব, এইটো পাপৰ ফল। এইটো ব্যভিচাৰিণী মাৰতাৰ পুত্ৰৰ। এইটো কুকৰ্মৰ ফল। এইটো কলংকৰ পুত্ৰ। সিহঁতে আৰু বহু কথাই ক'ব। কাৰণ সিহঁত দৃষ্টিহীন, বুজি নাপায় যে তাৰ মাৰ বাল্যকাল দুখ-কষ্টৰ মাজতো পৱিত্ৰ আছিল আৰু দৰিদ্ৰ আৰু অভাৱ-অনাটনৰ মাজতো নিজৰ জীৱন সততাৰে পাৰ কৰিছিল। কিন্তু সময়ৰ পিছত মোৰ মৃত্যু হ'ব আৰু মই তাক এই লেতেৰা অঞ্চলৰ শিশুসকলৰ মাজত অনাথ অৱস্থাত কঠিন জীৱন যাপন কৰিবলৈ এৰি থৈ যাম। এনে অৱস্থাই তাক লাঞ্ছিত কৰি তুলিব যদিহে সি ভীৰু বা কাপুৰুষ হয় আৰু তাৰ তেজ গৰম হৈ উঠিব যদিহে সি ন্যায়পৰায়ণ আৰু সাহসী হয়।

মই মোৰ অন্তৰৰ সমৰ্থনেৰে ক'লো— মাৰতা! তুমি কুষ্ঠৰোগী নোহোৱা যদিও তুমি কবৰৰ মাজত বাস কৰি আছা। তুমি পৱিত্ৰ নোহোৱা যদিও তুমি অপৱিত্ৰ লোকসকলৰ মাজত বাস কৰি আছা। তুমি জানা যে পৱিত্ৰ আত্মাই শৰীৰক স্পৰ্শ নকৰে আৰু শিলাবৃষ্টিয়ে জীৱন্ত বীজক মাৰিব নোৱাৰে। এই জীৱনটো এখন খেতিপথাৰৰ দৰে। মাৰতা! তোমাৰ প্ৰতি অত্যাচাৰ কৰা হৈছে আৰু অত্যাচাৰী হৈছে ঠেক মনোবৃত্তিৰ উচ্চ অট্টালিকাত বাস কৰা সমৃদ্ধিশালী লোক। তুমি অত্যাচাৰ আৰু ঘৃণাৰ পাত্ৰী। মানুহৰ বাবে অত্যাচাৰী হোৱাতকৈ অত্যাচাৰৰ বলি হোৱা শ্ৰেয়।

মাৰতা! জীৱনটো ঐশ্বৰিক শিকলিৰ সৈতে জড়িত হৈ থকা সোণৰ শিকলিৰ এটা অংশ, যাক জুয়ে পুৰি তাৰ আকৃতি সলনি কৰি পেলায় আৰু তাৰ সৌন্দৰ্যৰ বিলুপ্তি ঘটায়। কিন্তু সি সেই সোণক অন্য কোনো ধাতুত পৰিণত কৰিব নোৱাৰে। বৰং তাৰ উজ্জ্বলতা আৰু অধিক বৃদ্ধিহে পায়। তাৰ বিপৰীতে শুকান পাতবোৰক জুয়ে পুৰি ছাই কৰি পেলায় আৰু বতাহে মৰুৰ বুকুত ছটিয়াই দিয়ে...। তুমি মানুহৰ আকৃতিত লুকাই থকা পশুৰ ভৰিৰে গচকি পেলোৱা এপাহি ফুল। সিহঁতৰ ভৰিয়ে তোমাক অতি নিষ্ঠুৰতাৰে গচকি পেলাইছে। কিন্তু বিধৱাৰ কান্দোন, অনাথৰ চিঞৰ, দুখীয়া দৰিদ্ৰৰ হা-হুমুনিয়াহে তোমাৰ সুগন্ধৰ বিলুপ্তি ঘটাব পৰা নাই। তুমি এইটোত সন্তুষ্ট হোৱা যে তোমাক গচকা হৈছে আৰু তুমি অন্যায়ভাৱে কোনো এজনকো গচকা নাই।

মই কথাবোৰ কৈ আছিলো আৰু তাই কাণ পাতি শুনি আছিল। মোৰ এই সমবেদনাই তাইৰ হালধীয়া মুখমণ্ডলক এনেদৰে উজ্জ্বল কৰি তুলিলে, যেনেদৰে অস্ত যাব ধৰা সূৰ্যৰ মিহি ৰশ্মিবোৰে মেঘৰ ফাঁকেৰে ভুমুকি মাৰে। তাৰ পিছত তাই মোক খাটৰ একাষত বহিবলৈ ইংগিত দিলে। মই বহিলো আৰু তাইৰ শোকাকুল অন্তৰত লুকাই থকা আত্মবেদনাৰ বিষয়ে সুধিলো। জানিব বিচাৰিলো তাইৰ মনোভাব, যিয়ে জানে যে অনতিপলমে তাইৰ মৃত্যু হ'ব। এটি কম বয়সীয়া শিশুৰ বিষয়ে প্ৰশ্ন কৰিলো। এজনী অৱহেলিত নাৰীৰ মনোভাব, যিয়ে তাইৰ পুৰণি বিছনাৰ চাৰিওফালে মৃত্যুৰ খোজ পৰা অনুভৱ কৰিছে। কালিলৈকে তাই লেবাননৰ সুন্দৰ উপত্যকাৰ মাজত জীৱন আৰু শক্তিৰে পৰিপূৰ্ণ হৈ আছিল। আজি তাই দুৰ্বল হৈ পৰিছে আৰু জীৱনৰ বান্ধোনৰ পৰা মুক্তি লাভ কৰিবলৈ অপেক্ষা কৰি আছে।

কিছু সময় শান্তিৰে অতিবাহিত কৰাৰ পিছত তাই নিজৰ অৱশিষ্ট শক্তিখিনি একত্ৰিত কৰি ক'লে— হয়, মই অত্যাচাৰৰ ভুক্তভোগী। মই মানুহৰ বেশত লুকাই থকা পশুৰ বলি হৈছো। মই ভৰিৰে গচকি পেলোৱা এপাহি ফুল। যি সময়ত এজন অশ্বাৰোহী আহিছিল, সেই সময়ত মই নিজৰাৰ পাৰত বহি আছিলো। সি মোক অতি মৰমীয়াল মাতেৰে সম্বোধন কৰিলে আৰু ক'লে যে মই অতি সুন্দৰ। সি মোৰ প্ৰেমত পৰিছে আৰু মোক এৰি নাযায়। সি এইটোও ক'লে যে এই পৃথিৱীখন হিংসুক জন্তুৰে পৰিপূৰ্ণ আৰু উপত্যকা পক্ষী আৰু শিয়ালৰ বাসস্থান। তাৰ পিছত সি আগবাঢ়িল আৰু মোক সাৱটি চুমা খালে। তেতিয়ালৈকে মই কেতিয়াও চুম্বনৰ সোৱাদ পোৱা নাছিলো। কাৰণ মই এজনী অৱহেলিতা অনাথ ছোৱালী আছিলো। সি মোক নিজৰ ঘোঁৰাৰ পিছত বহুৱাই লৈ এটা সুন্দৰ অকলশৰীয়া ঘৰলৈ লৈ গ'ল। তাৰ পিছত মোৰ বাবে ৰেচমী বস্ত্ৰ, উৎকৃষ্ট সুগন্ধি আৰু সোৱাদ লগা খাদ্যসামগ্ৰী যোগান ধৰিলে। সি নিজৰ পশুত্ব আৰু কামনা-বাসনাক হাঁহিৰে লুকুৱাই ৰাখি মৰমীয়াল মাত আৰু সুন্দৰ ভাব-ভংগিমাৰ জৰিয়তে এই সকলোবোৰ সিদ্ধ

কৰিলে।

ইতিমধ্যে কথাৰ লগে লগে তাইৰ চকুলো বৈ পৰিল।

তাই আকৌ আৰম্ভ কৰিলে— শৰীৰৰ সৈতে তৃপ্তি লাভ কৰি মোক কলংকিত কৰাৰ পিছত মোৰ পেটত জ্বলন্ত জুইৰ শিখা সুমুৱাই থৈ সি মোক এৰি গুচি গ'ল। সেইকুৰা জুয়ে মোৰ কলিজা খাই অতি সোনকালে বাঢ়ি আহিল। তাৰ পিছত মই ভোক-পিয়াহ আৰু জ্বালা-যন্ত্ৰণা ভুগিবলৈ এই অন্ধকাৰৰ মাজলৈ গুচি আহিলো। এনেদৰে মই মোৰ জীৱনটোক দুটা ভাগত বিভক্ত কৰি ল'লো। এটা ভাগ দুৰ্বল আৰু বেদনাদায়ক। আনটো ভাগ চুটি, য'ত আছিল ৰাতিৰ শান্ত পৰিবেশত বৃহত্তৰ মহাকাশলৈ উভতি যোৱাৰ আশা। সেই অকলশৰীয়া ঘৰটোত অত্যাচাৰীয়ে মোক আৰু মোৰ কেঁচুৱাটিক ভোক-পিয়াহ, শীত আৰু অকলশৰীয়া জীৱনৰ যন্ত্ৰণা ভোগ কৰিবলৈ এৰি গুচি গ'ল। য'ত কান্দোন আৰু হা-হুমুনিয়াহৰ বাহিৰে আন কোনো সহায়ক নাছিল আৰু ভয়-আশংকাৰ বাহিৰে আন কোনো সংগী নাছিল।

তাৰ বন্ধুবৰ্গই মোৰ এই ঠাইৰ কথা গম পালে লগতে মোৰ দৰিদ্ৰতা আৰু দুৰ্বলতাৰ বিষয়ে জানি এজনৰ পিছত এজনকৈ আহিবলৈ ধৰিলে। প্ৰত্যেকৰে উদ্দেশ্য আছিল মোৰ শৰীৰ স্পৰ্শ কৰাৰ বিনিময়ত ধন সম্পত্তি আৰু খাদ্যসামগ্ৰী প্ৰদান কৰা...। আহ! মই মোৰ আত্মাক পৰকাললৈ আগুৱাই নিবলৈ কিমান যে দমন কৰিলো। তাৰ পিছত মই কিছু সকাহ পালো। কাৰণ মই অকলে নাছিলো। মোৰ সৈতে এতিয়া মোৰ ল'ৰাটো আছে।

এতিয়া সময় ওচৰ চাপি আহিছে আৰু মোৰ বাবে মৃত্যু বহুদিনৰ বিৰতিত মোক কোমল বিছনালৈ আদৰি নিবলৈ আহি পাইছেহি।

গভীৰ আত্মসন্তুষ্টিৰে তাই মুদি থকা চকু দুটি মেলিলে আৰু প্ৰশান্তিৰে ক'লে— হে গোপন ন্যায়! যাৰ আঁৰত বহুতো ভয়াৱহ আকৃতি লুকাই আছে, তুমিয়েই সেই বিদেহী আত্মা আৰু মোৰ ভাগি পৰা অন্তৰৰ মিনতি শুনোতা। কেৱল তোমাৰ ওচৰতেই মই অনুৰোধ কৰিছোঁ আৰু তোমাৰ ওচৰতেই কান্দিছোঁ। তুমি মোৰ ওপৰত দয়া কৰা। তোমাৰ সোঁহাতেৰে মোৰ ল'ৰাটোক ৰক্ষণাবেক্ষণ দিয়া আৰু বাওঁহাতেৰে মোক মৃত্যু প্ৰদান কৰা।

তাইৰ শক্তি ভাগি পৰিল। তাইৰ উশাহবোৰ দুৰ্বল হৈ আহিল। তাই নিজৰ ল'ৰাটিৰ ফালে এবাৰ দুখ আৰু মৰমৰ চাৱনীৰে চালে। তাৰ পিছত তাইৰ চকু ঢলি পৰিল আৰু শান্তিমিশ্ৰিত মাতেৰে ক'লে— আমাৰ পিতা যিখন স্বৰ্গত আছে..., তোমাৰ নাম পবিত্ৰ কৰি ৰখাৰ উদ্দেশ্য..., যাতে তোমাৰ ওচৰলৈ ফিৰিস্তা আহে..., যাতে আকাশৰ দৰে পৃথিৱীতো তোমাৰ ইচ্ছা সিদ্ধি হয়, আমাৰ পাপবোৰ তুমি ক্ষমা কৰি দিয়া...।

তাইৰ মাত বিচ্ছিন্ন হৈ পৰিল। কেৱল ওঁঠ দুটি কিছু সময়ৰ বাবে লাহে লাহে লৰচৰ কৰি থাকিল। সেই দুটি বৈ যোৱাৰ লগে লগে সকলো অংগ শিথিল আৰু শৰীৰটো ঢেলা আৰু বগা হৈ পৰিল। তাইৰ প্ৰাণবায়ু উৰি গ'ল আৰু তাইৰ চকুযুৰি অদৃশ্য গাঁতত সোমাই পৰিল।

ফজিৰৰ সময়ত মাৰতাৰ মৃত শৰীৰটো কফিনত ৰাখি দুজন দুখীয়া লোকৰ কান্ধত তুলি দিয়া হ'ল আৰু চহৰৰ বাহিৰৰ এটুকুৰা নিৰ্জন আৰু পৰিত্যক্ত ঠাইত সমাধিস্থ কৰা হ'ল। ইতিমধ্যে পাদুৰীসকলে তাইৰ জানাজা পঢ়িবলৈ অস্বীকাৰ কৰিছিল আৰু তাইৰ আত্মাৰ সদগতিৰ বাবে কবৰত দোৱাও কৰা নাছিল। তাইক সেই দূৰণিৰ গাঁতটোত পুতিবলৈও তাইৰ ল'ৰাটো আৰু আন এজন যুৱকৰ (লেখক) বাহিৰে আন কোনো যোৱা নাছিল, যাক এই জীৱনৰ দুখ-কষ্টই সহানুভূতিশীল হ'বলৈ আৰু মৰম-স্নেহ কৰিবলৈ শিকাইছিল। □

● *অনুবাদক আৰবী বিভাগৰ স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ।*

গ্ৰন্থ সমালোচনা

# কল্পবিজ্ঞান সাহিত্য আৰু ড° লক্ষ্মীনন্দন বৰাৰ 'কায়কল্প'

চয়নিকা বৰুৱা

সাহিত্যৰ এটা উল্লেখযোগ্য তথা জনপ্ৰিয় শাখা হ'ল কল্পবিজ্ঞান সাহিত্য। বিজ্ঞান-প্ৰযুক্তিৰ প্ৰভাৱ অতীত, বৰ্তমান আৰু ভৱিষ্যৎ জীৱনত কেনে আছিল আৰু কি ধৰণৰ হ'ব পাৰে, তাক লৈয়ে ৰচিত হয় কল্পবিজ্ঞান সাহিত্য। ১৮১৮ চনত প্ৰকাশিত মেৰী শ্বেলীৰ 'ফ্ৰাংকেনষ্টাইন' হ'ল বিশ্বৰ প্ৰথম কল্পবিজ্ঞান সাহিত্যকৰ্ম। ভাৰতবৰ্ষত জগদীশ চন্দ্ৰ বসুৱে প্ৰথমে কল্পবিজ্ঞান সাহিত্য ৰচনা কৰিছিল বুলি ধৰা হয়। অসমীয়া সাহিত্যত হৰিপ্ৰসাদ বৰুৱা হ'ল প্ৰথমজন কল্পবিজ্ঞান কাহিনীকাৰ আৰু গল্পটো আছিল 'বিৰচতীয়াৰ দেশ' (প্ৰকাশ ঃ আৱাহন আলোচনী)। মূঠৰ ওপৰত বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষাই মানৱ জীৱনৰ ওপৰত পেলোৱা প্ৰভাৱ, পৃথিৱীৰ পৰা অন্য গ্ৰহলৈ যাত্ৰা, অন্য গ্ৰহৰ প্ৰাণীৰ পৃথিৱীত প্ৰৱেশ আদিয়েই হ'ল কল্পবিজ্ঞানৰ (science fiction) মূল আধাৰ।

## কায়কল্প ঃ এক সাৰ্থক সৃষ্টি

ড° লক্ষ্মীনন্দন বৰা অসমীয়া সাহিত্যৰ এজন খ্যাতনামা লেখক। 'কায়কল্প' তেখেতৰ এক অনুপম সৃষ্টি। 'কায়কল্প'ই অসমীয়া সাহিত্যপ্ৰেমীক দিছে এক অনন্য স্বাদ। এক অৰ্থত ই হ'ল এখন ব্যতিক্ৰমধৰ্মী উপন্যাস। কাহিনী, বিষয়বস্তু, চৰিত্ৰ, পটভূমি, ট্ৰীটমেণ্ট সকলোতে নতুনত্ব বহন কৰিছে ড° বৰাদেৱৰ এই গ্ৰন্থখনে। এই গ্ৰন্থখনৰ বাবে কথাশিল্পী ড° বৰাই ২০০৮ চনত 'সৰস্বতী সন্মান' লাভ কৰিছে।



ভাৰতবৰ্ষৰ কৌটিকলীয়া আয়ুৰ্বিজ্ঞান চিকিৎসা, বৰ্তমানৰ উন্নত মানৰ চিকিৎসা প্ৰণালী আৰু বিজ্ঞান-প্ৰযুক্তিৰ সংমিশ্ৰণত ইয়াৰ কাহিনীভাগ ৰচিত হৈছে। কাহিনীৰ মুখ্য চৰিত্ৰ *ড° অনুজ কৃপালনী হ'ল প্ৰখ্যাত ৰসায়ন* বিজ্ঞানী আৰু মলিকুলাৰ বায়'লজিষ্ট। তেওঁ কাম কৰে বিশ্ববিখ্যাত 'ভিভিয়ান ইণ্টাৰনেচনেল'ৰ আণৱিক জীৱবিদ্যাৰ মুৰব্বী হিচাপে। পঢ়া-শুনাত অত্যন্ত চোকা অনুজে প্ৰথমে IITৰ (Indian Institute of Technology) পৰা chemical Engineeringৰ ডিগ্ৰী লৈছিল যদিও পিছত Molecular Biologyৰ প্ৰতি আকৰ্ষিত হৈ নিজকে এজন আণৱিক জীৱবিদ্যা বিশাৰদ হিচাপে প্ৰতিষ্ঠা কৰে। ড° অনুজে বিয়া কৰাই এসময়ৰ তেওঁৰেই ছাত্ৰী




...'কায়কল্প'ই অসমীয়া সাহিত্যপ্ৰেমীক দিছে এক অনন্য স্বাদ। এক অৰ্থত ই হ'ল এখন ব্যতিক্ৰমধৰ্মী উপন্যাস। কাহিনী, বিষয়বস্তু, চৰিত্ৰ, পটভূমি, ট্ৰীটমেণ্ট সকলোতে নতুনত্ব বহন কৰিছে ড° বৰাদেৱৰ এই গ্ৰন্থখনে। এই গ্ৰন্থখনৰ বাবে কথাশিল্পী ড° বৰাই ২০০৮ চনত 'সৰস্বতী সন্মান' লাভ কৰিছে...

অপূৰ্ব সুন্দৰী নয়নাক। বিয়াৰ পিছত আমেৰিকালৈ যোৱাৰ পিছত নয়নাৰ মন ৰসায়ন বিজ্ঞানৰ সলনি ঢাল খালে Mass communicationৰ প্ৰতি আৰু তাই জড়িত হৈ পৰিল বহুকেইটা TV Production সংস্থাৰ লগত। নয়না ভোল গ'ল আমেৰিকাৰ আভিজাত্যৰ চাকচিক্যত। ইতিমধ্যে নিজৰ কেৰিয়াৰত বিশ্বখ্যাতি লাভ কৰিলেও অনুজে বুজিছিল তেওঁ পত্নী নয়নাৰ পৰা সম্পূৰ্ণ উপেক্ষিত। অনুজৰ পঞ্চাশৰ ডেওনা পাৰ কৰা শৰীৰৰ তুলনাত নয়না এতিয়াও ষোড়শী যুৱতীৰ দৰেই চঞ্চল, চপল। ডেকা সহকৰ্মীসকলৰ লগত নয়নাৰ সঘন মিলামিচাই অনুজৰ মনত তুলিছিল ক্ষোভৰ জুই। এই ক্ষোভে অনুজক প্ৰেৰণা যোগালে এটা ঔষধ আৱিষ্কাৰ কৰিবলৈ, যি দিব পাৰে পুনৰ যৌৱন। অনুজ দিন-ৰাতি নিজ লেবৰেটৰীত ব্যস্ত হৈ পৰিল। তেওঁ অধ্যয়ন কৰে ভাৰতৰ পৌৰাণিক আয়ুৰ্বেদ গ্ৰন্থসমূহ, সাক্ষাৎ কৰে বিভিন্ন যোগী-সন্ন্যাসীক। অনুজ ব্যগ্ৰ হৈ পৰে যোগীসকলৰ চিৰযৌৱনময় শৰীৰৰ সৌন্দৰ্যৰ ৰহস্য ভেদ কৰিবলৈ। শেষত হিমালয়ৰ পাদদেশত এজন যোগীৰ পৰা অনুজে উদ্ধাৰ কৰে এজোপা উদ্ভিদ। অনুজে এই উদ্ভিদৰ নামকৰণ কৰে 'হিমালয়াছ অমৰেন্দ্ৰাম' হিচাপে। উদ্ভিদৰ ৰস খুন্দি তেওঁ প্ৰথমে প্ৰয়োগ কৰে এজনী বৃদ্ধা গৰিলাৰ দেহত। ঔষধ খুওৱাৰ পাছত গৰিলাজনীয়ে নৱজীৱন লাভ কৰে। সাফল্যত উৎসাহিত হৈ অনুজে বিভিন্ন হৰ'মন সম্বন্ধীয় পৰীক্ষা-নিৰীক্ষা চলাই এবিধ ঔষধ আৱিষ্কাৰ কৰি নাম দিয়ে 'কায়কল্প-২৫'। বৃদ্ধ জনক কুমাৰ আৰু একালৰ সহপাঠী অজন্তাৰ দেহত প্ৰয়োগ কৰিও সফল হয় ড° অনুজ কৃপালনি। তেওঁ প্ৰমাণ কৰি দেখুৱায় যে পুনৰ যৌৱন লাভ সম্ভৱ আৰু অকাল বাৰ্ধক্যৰ পৰা মুক্তি বিচৰাসকল এই ঔষধৰ দ্বাৰা লাভান্বিত হ'ব। শেষত তেওঁ নিজে ঔষধটো প্ৰয়োগ কৰি এজন ডেকা মানুহৰ চেহেৰা লৈ নয়নাৰ ওচৰ পালেগৈ। কিন্তু সন্মুখীন হ'ল কৰ্কথনাৰ। নয়নাই গালি বৰ্ষণেৰে তেওঁক থকা-সৰকা কৰিলে। অনুজে উপলব্ধি কৰিলে বৰ্তমানৰ ভোগবাদী সমাজত এই নব্য আৱিষ্কৃত ঔষধবিধে অপকাৰহে বেছি কৰিব। পুনৰ যৌৱনপ্ৰাপ্ত মানুহৰ সৎকামৰ প্ৰতি আগ্ৰহ হোৱাতকৈ তেওঁ বেছি কামুকহে হৈ পৰিব আৰু ইয়াৰ বিকৃত প্ৰভাৱে পংগু কৰিব ভৱিষ্যৎ প্ৰজন্মক। ভোগ আৰু কামনাই হৈ পৰিব মানুহৰ একমাত্ৰ লক্ষ্য। সেয়ে অনুজে 'কায়কল্প-২৫'ৰ আৱিষ্কাৰৰ কথা আন কাকো জানিবলৈ নিদিলে আৰু প্ৰকৃতিৰ নিয়মকে শ্ৰেষ্ঠ বুলি সাৱোগত কৰিলে। থূলমূলকৈ 'কায়কল্প-২৫' উপন্যাসখনৰ বিষয়বস্তু এয়াই।

অসমীয়া ভাষাত বৰ্তমানৰ এটি জ্বলন্ত বিষয়ক উপজীব্য হিচাপে লৈ ৰচনা কৰা উপন্যাস 'কায়কল্প'ই নিশ্চয় জিজ্ঞাসু পাঠক সমাজক নতুন চিন্তাৰ সমল যোগাব আৰু কল্পবিজ্ঞান সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত নতুন বাট মুকলি কৰিব। □

● *লেখিকা গণিত বিভাগৰ স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী।*

বড়ো
কবিতা

# नोगोरमा

बिरुपाक्ष गिरि बसुमातारी



सोरगिदिं फोरबोनि लाहार-फाहार
सोरगिदिं लोमसावनाय सुबुं
नखराङव मुथा मुथा बेलुन
सुबुंनि आखाइ आखाइ रंगिना थफ्ला
अननायनि एबा दाय एंगारनायनि
सोरगिदिं मुखुब नोगोरमा
गाननानै रंगिना खसाब
सोराङव खावसे खोमसियाव खावसे
फोरबोआ साग्लोबो बयखौबो
खायसे खुंग्रा खायसे खुंजाग्रा
नोंथाङ हांखायजानाय आलासिब्ला
अश कायाव दं नोंथांनो केबिन
रिभार कुइनाव दं डिनार
नोंथाङ हांखायजानाय नङाब्ला
दाफै बेवहाय :
नङाब्ला नेवसि जागोन
सिख्लानि नागिरै गथ 'सा बादि डाष्टबिनाव
नोंथांनि मिजिङ जागोन उपासना चौधुरी
गोमा लांगोन ड़ेइननि आन्दोआव
नोगोरमाया फोरबो खुडो-
फेन्सि बाजारनि आन्दोआव बेनि बाजेत
जनता भबनाव बिथांखि
नोंथाङ फै एबा दाफै! □

● बिबुंगोरा, बर' बिफान




যুগুতালে উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ (কলা শাখা) ছাত্ৰ চূড়ামণি শইকীয়াই

মানুহক বৌদ্ধিক, মানসিকভাৱে সবল কৰি অজ্ঞানতা, সামাজিক বিশৃংখলতা দূৰ কৰি সমাজৰ উন্নতি কৰাই লিখা-পঢ়াৰ মূল উদ্দেশ্য। লেখকে তেওঁৰ সৃষ্টিয়ে সমাজৰ প্ৰতি কি অৱদান আগবঢ়ালে, তালৈ সদায় লক্ষ্য ৰাখে। সাম্প্ৰতিক সময়ৰ ৰাজনৈতিক, আৰ্থ-সামাজিক পৰিস্থিতিলৈ তেওঁৰ সৃষ্টিৰ অৱদান কি?

ঐতিহ্যমণ্ডিত কটন কলেজৰ বিভিন্ন বিভাগৰ উপৰি ছাত্ৰাবাস-ছাত্ৰী নিবাসসমূহৰ প্ৰাচীৰ পত্ৰিকাত প্ৰকাশিত গল্প, প্ৰবন্ধ আদি ক্ষুদ্ৰ আকাৰৰ হোৱাৰ বাবে প্ৰাচীৰ পত্ৰিকাসমূহ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। প্ৰাচীৰ পত্ৰিকাসমূহৰ বিষয়বস্তুৰ আধাৰত অংকিত ছবিসমূহে প্ৰাচীৰ পত্ৰিকাসমূহক আৰু অধিক চকুত লগা কৰি তোলে। কটন কলেজতো বিভিন্ন ছাত্ৰ-ছাত্ৰীৰ কলা-কুশল, চিন্তা, কষ্ট আৰু একাগ্ৰতাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক, মানসিক চিন্তাৰাজিৰ বিকাশ ঘটাবলৈ সাহিত্যিক জীৱনৰ প্ৰথম খোজ হিচাপে সৃষ্টি হয় কেইখনমান প্ৰাচীৰ পত্ৰিকা।

এই প্ৰবন্ধটোৰ জৰিয়তে কটন মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকাসমূহৰ এটি আভাস একেলগে দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে।

## প্ৰথম খণ্ড ঃ ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা

২০১০ বৰ্ষত কটন কলেজৰ ছাত্ৰাবাসসমূহৰ পৰা মুঠ আঠখন প্ৰাচীৰ পত্ৰিকা প্ৰকাশ হৈছিল। কৃষ্ণকান্ত সন্দিকৈ স্নাতকোত্তৰ ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'দেৱালৰ স্বৰ'; ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাসৰ 'সাৰ্বজনীন'; শ্বহীদ ৰঞ্জিত বৰপূজাৰী ছাত্ৰাবাসৰ 'ৰ'দ কাঁচলি'; সীতানাথ ব্ৰহ্মচৌধুৰী ছাত্ৰাবাসৰ 'ৰ'দালি'; শ্বহীদ মোজাম্মিল হক ছাত্ৰাবাসৰ 'সৌৰভ'; মহেন্দ্ৰনাথ ডেকা ফুকন ছাত্ৰাবাসৰ 'প্ৰাচীৰৰ ৰেঙনি', নলিনীবালা দেৱী ছাত্ৰী নিবাসৰ 'শাশ্বত' আৰু শ্বহীদ কনকলতা ছাত্ৰী নিবাসৰ 'অন্বীক্ষা'ত প্ৰকাশিত লেখাসমূহৰ খতিয়ান এই প্ৰবন্ধত দিয়া হৈছে।

### সাৰ্বজনীন

ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাসৰ পৰা প্ৰকাশিত এই প্ৰাচীৰ পত্ৰিকাখন সম্পাদনা কৰিছে দিবাকৰ দাসে। প্ৰাচীৰ পত্ৰিকাখনৰ বেটুপাত আৰু অনুলেখন ক্ৰমে ৰিবুল চেতিয়া আৰু দিবাকৰ দাসৰ। বিশ্বায়নৰ যুগত বৰ্তমান সমাজত আগৰ ঐতিহ্য-পৰম্পৰা আদি কেনেদৰে হেৰাই গৈছে, সেই কথা সম্পাদকীয়ত প্ৰকাশ পাইছে। প্ৰাচীৰ পত্ৰিকাখনত গণেশ দাসৰ 'অনুভূতি', ত্ৰিদীপ লহৰিঙৰ 'হয়কলী চৰাইটি নদীৰ প্ৰেমত পৰিছে', বুদ্ধ ডেকাবৰুৱাৰ 'এদিন তুমি মোক হেৰুৱাই পেলাবা', দীপাংকৰ পায়েঙৰ 'তুমি', বেৰকান্ত পাতিৰৰ 'আত্মন্তৰক' পত্ৰিকাখনৰ কেইটামান চকুত লগা কবিতা। প্ৰাচীৰ পত্ৰিকাখনত শচীন বড়ো চৌধুৰীৰ একমাত্ৰ প্ৰবন্ধ 'The Menare of Erosion in Assam' প্ৰকাশ পাইছে।

### প্ৰাচীৰৰ ৰেঙনি

মহেন্দ্ৰনাথ ডেকা ফুকন ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰাচীৰৰ ৰেঙনি'ৰ সম্পাদক ডিউক মহন্তই সম্পাদকীয়ত প্ৰকাশ কৰিছে যে বৰ্তমান কটন কলেজৰ আগৰ ঐতিহ্য নাই। আজিৰ কটনিয়ানে যি ভাবে, কাইলৈ অসমে সেয়াই ভাবে। এই কথাষাৰ বৰ্তমান কটনিয়ানৰ ক্ষেত্ৰত যে প্ৰযোজ্য নহয়, সেই কথাও সম্পাদকীয়ত প্ৰকাশ কৰিছে। প্ৰকাশিত লেখাসমূহৰ প্ৰায়বোৰেই মনোগ্ৰাহী। তাৰ ভিতৰত নয়ন জ্যোতি বৰুৱাৰ 'India and Indians', জ্যোতিৰ্ময় তালুকদাৰৰ 'পাইলট প্ৰজেক্ট বাতিল ঃ কিছু চিন্তা আৰু হতাশা' দুটা



উল্লেখযোগ্য প্ৰবন্ধ। সংখ্যাটোত প্ৰকাশ পোৱা কবিতা দুটা হৈছে তন্ময় গগৈৰ 'তুমি সেউজীয়া বৰবুণ এজাক' আৰু অভিষেক চান্দৰ 'Stand Alone'। অঞ্জন কলিতাৰ 'এখন খিৰিকী' একমাত্ৰ লেখত ল'বলগীয়া গল্প। সংখ্যাটোৰ অলংকৰণ সৌৰভ, বাপুকণ, ডেভিদ, অভিষেক আৰু চিৰঞ্জীৱৰ।

## দেৱালৰ স্বৰ

কৃষ্ণকান্ত সন্দিকৈ স্নাতকোত্তৰ ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'দেৱালৰ স্বৰ'ৰ সম্পাদকীয়ত সম্পাদকদ্বয় বুবু দত্ত আৰু প্ৰশান্ত শইকীয়াই আশা কৰিছে যে তেওঁলোকৰ দেৱালৰ স্বৰ সমগ্ৰ অসমৰ স্বৰ হওক, জগতৰ স্বৰ হওক। প্ৰাচীৰ পত্ৰিকাখনত প্ৰসেনজিৎ নাৰায়ণ বৰুৱাৰ 'গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ ওপৰত অত্যাচাৰ', শিক্ষা আৰু ৰাজনীতিক মূল বিষয় হিচাপে লৈ নৱজ্যোতি বৰ্মনে লেখা 'শিক্ষানুষ্ঠান আৰু ৰাজনীতি' দুটা উল্লেখযোগ্য প্ৰবন্ধ। কবিতা শিতানত প্ৰকাশ পোৱ নিৰুপম বৰুৱাৰ 'ইয়াতো তুমি তাতো তুমি', মনজ্যোতি চেতিয়াৰ 'জোনাক শ্বপিং মল আৰু জীৱনৰ গদ্য', হৰিপ্ৰসাদ দলেৰ 'Ode to Childhood' কেইটামান মনোগ্ৰাহী কবিতা। মনজ্যোতি চেতিয়াৰ 'এজাক বৰবকুণৰ অপেক্ষাত' নামৰ গল্পটো এই সংখ্যাৰ একমাত্ৰ গল্প। বিভিন্ন প্ৰকাৰৰ চিত্ৰ, কৌতুক আদিয়ে প্ৰাচীৰ পত্ৰিকাখনক অধিক মনোগ্ৰাহী কৰি তুলিছে।

## সৌৰভ

শ্বহীদ মোজাম্মিল হক ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিক 'সৌৰভ'ৰ এইবাৰৰ সংখ্যাটি সম্পাদনা কৰিছে ভাৰ্গৱ শইকীয়াই। জনসংখ্যা বঢ়াৰ সমান্তৰালভাৱে যে প্ৰতিযোগিতাৰ মনোভাব বাঢ়ি গৈছে এই কথা সম্পাদকীয়ত প্ৰকাশ পাইছে। সাম্প্ৰতিক পৰিস্থিতিত সমাজখনক সত্যনিষ্ঠা আৰু অধ্যৱসায়ৰ যোগেদি সমাজৰ কাণ্ডাৰীসকলে শৃংখল ৰূপ দিব লাগিব। অন্যথা আকাশত উৰিব খোজা মুক্ত মন কাৰখানাৰ উত্তাপৰ মাজত সোমাই যাব। সেই কথাও সম্পাদকীয়ত ফুটি উঠিছে। 'সৌৰভ'ৰ প্ৰবন্ধসমূহত বৰ্তমান পৰিস্থিতিৰ প্ৰভাৱ দেখা পোৱা যায়। তাৰ ভিতৰত ভাৰ্গৱ




শইকীয়াৰ 'Global Warming' উল্লেখযোগ্য প্ৰবন্ধ। 'সৌৰভ'ত পাৰ্থপ্ৰতিম শইকীয়াৰ 'বৰষুণ' আৰু অমৰজ্যোতি বৰাৰ 'আৰোহণৰ এটি লেণ্ডস্কেপ' নামৰ দুটা উচ্চ মানৰ কবিতা প্ৰকাশ পাইছে। সংখ্যাটোৰ অলংকৰণ শিৱাণু, শৰত, স্বৰূপজ্যোতিৰ; অক্ষৰ বিন্যাস ধীৰাজ, সমৰ আৰু মিল্টনৰ।

## ৰ'দ কাঁচলি

প্ৰাঞ্জল প্ৰতিম, কাশ্যপ পাল আৰু অপূৰ্ব ৰাজবংশীৰ দ্বাৰা সম্পাদিত শ্বহীদ ৰঞ্জিত বৰপূজাৰী ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'ৰ'দ কাঁচলি'ত বৰ্তমান পৰিস্থিতিত সমাজখন যে মূল সুঁতিৰ পৰা আঁতৰি গৈ এখন দুৰ্নীতিগ্ৰস্ত, ব্যভিচাৰী সমাজত পৰিণত হ'ব খুজিছে, সেই কথা সম্পাদকীয়ত প্ৰকাশ কৰিছে। সংখ্যাটোৰ অলংকৰণ প্ৰাঞ্জল, হিমালয়, হিতেন্দ্ৰ, মৃদুলৰ; বেটুপাত সম্পাদকৰ নিজা সৃষ্টি আৰু স্কেচ্ হিমালয় বৰাৰ। সংখ্যাটোত হিমালয় বৰাই বৰ্তমান অসমত খিলঞ্জীয়াৰ অৱস্থাৰ ওপৰত ভিত্তি কৰি 'খিলঞ্জীয়াৰ অস্তিত্বক লৈ ৰাজনীতি কিমান দিনলৈ' বুলি এটা প্ৰবন্ধ প্ৰকাশ কৰিছে। তদুপৰি প্ৰাঞ্জল প্ৰতিম কাশ্যপৰ 'Tigers under Threat' নামেৰে আন এটা প্ৰবন্ধ প্ৰকাশ পাইছে। সংখ্যাটোত কেইবাটাও কবিতা প্ৰকাশ পাইছে। তাৰ ভিতৰত মৃদুল দাসৰ 'তুমি মোৰ সপোনৰ আশ্ৰয়', হিতেন্দ্ৰ সৰকাৰৰ 'এজাক বৰষুণৰ সন্ধানত', আচমাউল ইছলামৰ 'Memories Close to my heart' কেইটামান মনোগ্ৰাহী কবিতা।

## ৰ'দালি

সীতানাথ ব্ৰহ্মচৌধুৰী ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'ৰ'দালি'ৰ এইবাৰৰ সংখ্যাটো সম্পাদনা কৰিছে পাৰ্থপ্ৰতিম বৰুৱাই। সংখ্যাটোৰ বেটুপাত অঞ্জন নাথ আৰু অংগসজ্জা মুস্তাফা আৰু ৰূপান্ত ডেকাৰ। সম্পাদকীয়ত প্ৰকাশ পাইছে যে সাহিত্যই জাতিৰ বুনিয়াদ। প্ৰাচীৰ পত্ৰিকাৰ জৰিয়তে যে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক, মানসিক উত্তৰণ হয় এই কথা সম্পাদকীয়ত ফুটি উঠিছে। সংখ্যাটোত ৰূপান্ত ডেকাৰ 'তুমি আহিবানে' আৰু জিতু বড়োৰ 'প্ৰস্তুত আৰু জীৱন' নামেৰে দুটা কবিতা প্ৰকাশ পাইছে। হত্যা, হিংসা আদিয়ে শিশুৰ মানসিক অৱস্থাৰ কেনেদৰে পৰিৱৰ্তন ঘটাই তাৰ আধাৰত নীলোৎপল মহন্তই 'পাৰ চৰাই উৰি গ'ল পালে নদীৰ পাৰ, ঘৰৰ মূধত পৰি থাকিল গোটেই শুকুৰবাৰ' নামকৰণৰে মনোগ্ৰাহী চুটিগল্প এটা লিখিছে। সংখ্যাটোত ঋতুৰাজ বৰাৰ 'কৰ্মশালা, মানুহ গঢ়াৰ' নামৰ একমাত্ৰ প্ৰবন্ধটো প্ৰকাশ পাইছে। পত্ৰিকাখনৰ অপৰূপ উপস্থাপনে পৰিচয় দিয়ে প্ৰত্যেকজন আবাসীৰ কলাসুলভ মন আৰু সাহিত্য-কৃতিৰ প্ৰতি থকা অনুৰাগ।

## অন্বীক্ষা

শ্বহীদ কনকলতা ছাত্ৰী নিবাসৰ পৰা প্ৰকাশিত এই প্ৰাচীৰ

পত্ৰিকাখন সম্পাদনা কৰিছে জুৰি বৰুৱা আৰু গীতামণি ডেকাই। সম্পাদকীয়ত সম্পাদকদ্বয়ে সংকল্প গ্ৰহণ কৰিছে যে ৰঙাফিটাৰ মেৰপাকত সোমাই যোৱা অসমৰ ৰাজনীতি, নিস্তব্ধ সোৱণশিৰি, অশান্ত চৰাইপুং আদি সাম্প্ৰতিক সময়ৰ জ্বলন্ত সমস্যাৰ মাজতো কলমৰ সততা আৰু সাহসেৰে আগুৱাই যোৱাৰ। গাৰ্গী ঘোষ, জয়শ্ৰী বাংথ'ৰ বেটুপাত আৰু অলংকৰণে সংখ্যাটোক অতি মনোগ্ৰাহী কৰি তুলিছে। সংখ্যাটোত মায়ুমী শইকীয়াৰ 'মাজুলী মোৰ হেঁপাহ', ইন্দ্ৰাণী দাসৰ 'সোৱণশিৰি প্ৰকল্প ঃ এক চমু আলোকপাত', মীনাক্ষী লিম্বুৰ 'United nation Conference on trade and development' নামৰ কেইটামান উচ্চ মানৰ প্ৰবন্ধ প্ৰকাশ পাইছে। ফ্ৰেংকী বড়োৰ 'আকাশ আৰু এক একাকী ভাবনা', দীপ্তিৰাণী দেউৰীৰ 'কনকলতা তই' আৰু গীতামণি ডেকাৰ 'অপেক্ষা' প্ৰাচীৰ পত্ৰিকাখনৰ কেইটামান চকুত লগা কবিতা। প্ৰীতিমা গগৈয়ে হোষ্টেলৰ অভিজ্ঞতাৰ আধাৰত 'কনকলতাত মোৰ এমহীয়া অভিজ্ঞতা' নামৰ এটা প্ৰবন্ধ প্ৰকাশ কৰিছে।



**শাশ্বত**

বৰ্ণিল ৰূপ আৰু নান্দনিক চিন্তা-চৰ্চাৰে নলিনীবালা দেৱী ছাত্ৰী নিবাসৰ প্ৰাচীৰ পত্ৰিকা 'শাশ্বত' সম্পাদনা কৰিছে পৰী টেৰাংপীয়ে। পত্ৰিকাখনত তৃষ্ণা দেৱীৰ 'স্মৃতিৰ বেদনা', প্ৰীতিৰেখা ভূঞাৰ 'বিদায়' নামৰ দুটা কবিতা প্ৰকাশ পাইছে। পত্ৰিকাখনত বৰ্তমান সমাজত নাৰীৰ সংস্থাপনক লৈ লিখা এটি প্ৰবন্ধ প্ৰকাশ পাইছে।

## মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ প্ৰাচীৰ পত্ৰিকা

প্ৰাচীৰ পত্ৰিকাসমূহে ছাত্ৰ-ছাত্ৰীৰ সাহিত্য সৃষ্টিৰ সুপ্ত প্ৰতিভা বিকাশৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগাই আহিছে। কটন কলেজৰ প্ৰতিটো বিভাগৰ একোখন প্ৰাচীৰ পত্ৰিকা আছে। ইয়াৰ ভিতৰত আছে অসমীয়া বিভাগৰ 'ঋতুৰে ঋতুৰে', অৰ্থনীতি বিভাগৰ 'Economic Buzz', গণিত বিভাগৰ 'গণিত প্ৰবাহ', পৰিসংখ্যা বিভাগৰ 'প্ৰত্যুৰ', সংস্কৃত বিভাগৰ 'শাশ্বতী', ৰসায়ন বিজ্ঞান বিভাগৰ 'The Clarion' উদ্ভিদ বিজ্ঞান বিভাগৰ 'গুলঞ্চ', শিক্ষা বিভাগৰ 'অনুৰণন', পদাৰ্থ বিজ্ঞান বিভাগৰ 'La Phylite', ভূ-তত্ত্ব বিজ্ঞান বিভাগৰ 'প্ৰবাহ', প্ৰাণী বিজ্ঞান বিভাগৰ 'Zonic info', নৃতত্ত্ব বিভাগৰ 'চৰাচৰ', ইতিহাস বিভাগৰ 'শব্দ প্ৰপাত', ইংৰাজী বিভাগৰ 'Graphiti', ভূগোল বিভাগৰ 'ধৰিত্ৰী', বাংলা বিভাগৰ 'উদয়ন', দৰ্শন বিভাগৰ 'দৰ্শনজ্যোতি' আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ 'সাময়িকী'। কটন কলেজৰ কেন্টিনৰ পৰা এই বৰ্ষত ব্যতিক্ৰমভাৱে 'সমকাল' নামৰ এখন প্ৰাচীৰ পত্ৰিকা প্ৰকাশ পাইছে। তলত এই প্ৰাচীৰ পত্ৰিকাসমূহৰ সম্যক খতিয়ান আগবঢ়োৱা হ'ল।

### শব্দ প্ৰপাত

ইতিহাস বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'শব্দ প্ৰপাত'ৰ সম্পাদক মৃগাংক ডেকা। পত্ৰিকাখনৰ বেটুপাত আৰু স্কেচ্চ ক্ৰমে ৰঞ্জন আৰু অভিষেকৰ। সম্পাদকীয়ত প্ৰকাশ পাইছে যে বৰ্তমান গোটেই শিক্ষা ব্যৱস্থা ৰাষ্ট্ৰীয়কৰণ হৈছে যদিও ইতিহাস, ভূগোল আদি বিষয় পাঠ্যক্ৰমত অন্তৰ্ভুক্ত নোহোৱাত বৰ্তমান ছাত্ৰ-ছাত্ৰী পূৰ্ণ শিক্ষাৰে শিক্ষিত হোৱা নাই। পত্ৰিকাখনত তৃষ্ণা দেৱীয়ে 'অনুভৱৰ কল্পজত তছলিমা নাছৰিন' নামৰ এটা প্ৰবন্ধ লিখিছে। পত্ৰিকাখনত দুটা কবিতা প্ৰকাশ পোৱাৰ লগতে ক্ষিপ্ৰক্ষেত্ৰ নেওগৰ 'প্ৰেমৰ গল্প' নামেৰে এটা গল্প প্ৰকাশ পাইছে।

### ধৰিত্ৰী

ভূগোল বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'ধৰিত্ৰী'ৰ এইবাৰৰ সংখ্যাটো সম্পাদনা কৰিছে পল্লৱী বৰা আৰু দীপিকা পাটৰে। পত্ৰিকাখনত এক সুন্দৰ প্ৰাকৃতিক পৰিৱেশৰ চিত্ৰ অংকন কৰা হৈছে। সম্পাদকীয়ত সম্পাদকদ্বয়ে বন্দুক-বাৰুদক বাদ দি কলমেৰে বৰ অসমৰ সোণালী দিনবোৰ ঘূৰাই অনাৰ আশা কৰিছে। পত্ৰিকাখনত আব্দুল আহমেদৰ 'Envriomental Threats' নামৰ একমাত্ৰ প্ৰবন্ধটো প্ৰকাশ পাইছে। পূজা, দীপিকা, পল্লৱীৰ হস্তাক্ষৰেৰে পত্ৰিকাখন চালে চকুৰোৱা হৈছে।

### ঋতুৰে ঋতুৰে

অসমীয়া বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'ঋতুৰে ঋতুৰে' এইবাৰ প্ৰকাশ পাইছে ৰাজতৰংগিনীৰ সম্পাদনাত। আজি অসমীয়া জাতি, ভাষা, সমাজখনে যে সংকটত ভুগি অস্তিত্ব হেৰুওৱাৰ উপক্ৰম হৈছে, সেই কথা সম্পাদকীয়ত প্ৰকাশ কৰিছে। প্ৰবন্ধবোৰৰ ভিতৰত ছায়া গোস্বামীৰ 'ঢোপ খেল ঃ ৰঙালী বিহুৰ এটি ঐতিহ্য' এটা উল্লেখযোগ্য প্ৰবন্ধ। সাদিনীয়া বিহুটিত অন্য

পৰম্পৰাৰ দৰে ঢোপ খেলৰ ঐতিহ্য-পৰম্পৰা অসমীয়া সমাজত কেনেদৰে বৰ্তি আছে, সেই কথা ইয়াত প্ৰকাশ পাইছে। কবিতা শিতানত লংকেশ্বৰ পাতিৰৰ 'ক্ৰমশঃ তোমাৰ প্ৰেমত পৰিছো', বৰ্ণালী বুঢ়াগোহাঞিৰ 'আশাৰ স্বপ্ন' আদি উল্লেখযোগ্য কবিতা। পত্ৰিকাখনত নিৰুপমা বৰুৱাৰ 'নালাগে' নামেৰে এটি হৃদয়স্পৰ্শী গল্প প্ৰকাশ পাইছে।

## সাময়িকী

ভাস্বতী শৰ্মাৰ সম্পাদনাৰে প্ৰকাশিত ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'সাময়িকী'ৰ হস্তাক্ষৰ চিন্ময়ী, উপাসনা, পলাশীৰ আৰু অলংকৰণ বাপুকণ শইকীয়াৰ। প্ৰবন্ধ শিতানত বিনীতা ডেকাৰ 'Cultural Invasion in New genaration' আৰু তৰুণ গগৈৰ 'The United Nation' দুটা উল্লেখযোগ্য প্ৰবন্ধ। কবিতা শিতানত প্ৰকাশ পোৱা পুলকিতা কুমাৰৰ 'অনসূয়া', দীপাঞ্জলি ৰাভাৰ 'তোমাৰ অনুপ্ৰেৰণাত', ত্ৰিবেণী চুতীয়াৰ 'জীয়া সপোনৰ যন্ত্ৰণা', ৰশ্মি শৰ্মাৰ 'Loves Labour Lor' কেইটামান মনোগ্ৰাহী কবিতা।

## প্ৰত্যুষ

দৰ্শনা বৰঠাকুৰৰ সম্পাদনা আৰু সঞ্জু বড়ো-বেদান্তৰ হস্তাক্ষৰেৰে পৰিসংখ্যা বিভাগৰ এইবাৰৰ সংখ্যাৰ 'প্ৰত্যুষ' প্ৰকাশ পাইছে। সম্পাদকে 'নষ্টাল্‌জিয়া' নামৰ এটা কবিতাৰে নৱাগতসকলক অভিনন্দন আৰু পুৰণিসকলক ধন্যবাদ জনাইছে। পত্ৰিকাখনত জ্যেষ্ঠ অধ্যাপক বন্দনা শৰ্মাৰ '২০০১ চনৰ লোকপিয়লৰ আভাস' নামেৰে এটা প্ৰবন্ধ প্ৰকাশ পাইছে। নৃম্ময়ী বৰাই 'এইখনেই মোৰ দেশ আমাৰ দেশ', উদ্দীপ্ত প্ৰতিম হাজৰিকাৰ 'বন্ধ্যা' দুটা উল্লেখযোগ্য মনোগ্ৰাহী কবিতা। পত্ৰিকাখনত প্ৰকাশ পোৱা বিভিন্ন লোকৰ জীৱনী, কৌতুক আৰু অপৰূপ উপস্থাপনে পত্ৰিকাখনৰ সোণত সুৱগা চৰাইছে।






## Zoonic Info

প্ৰাণী বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'Zoonic Info' সম্পাদনা কৰিছে সংযুক্তা কাশ্যপে। বেটুপাতৰ শিল্পী চয়নিকা শৰ্মা আৰু মেঘা লেখাৰুৰ। পত্ৰিকাখনক প্ৰাণী বিজ্ঞান বিষয়ক কিছুমান চিত্ৰই বৰ্ণিল ৰূপ প্ৰদান কৰিছে।

## গুলঞ্চ

উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকাখনৰ নাম 'গুলঞ্চ'। পত্ৰিকাখন সম্পাদনা কৰিছে বিনোদ শৰ্মাই। পাঠ্যপুথিৰ জ্ঞানৰ মাজতে আবদ্ধ নাথাকি ছাত্ৰ-ছাত্ৰীৰ মানসিক উৎকৰ্ষ সাধনৰ বাবে বাহিৰা জ্ঞান যে অতি আৱশ্যকীয় সেই কথাই সম্পাদকীয়ত প্ৰকাশ পাইছে। উদ্ভিদ বিজ্ঞানৰ কেইবাটাও উল্লেখযোগ্য প্ৰবন্ধৰে পত্ৰিকাখন উজলি উঠিছে।

## অনুৰণন

শিক্ষা বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'অনুৰণনে' কলা-বিজ্ঞানৰ সমন্বয় ঘটাই নতুন ধাৰা বোৱাই অনাৰ প্ৰয়াস কৰিছে। পত্ৰিকাখন প্ৰকাশ পাইছে গীতামণি ডেকাৰ সম্পাদনাত। স্বাধীনতাৰ ৬০ বছৰৰ পাছতো যে ভাৰত তথা সমাজখনে পূৰ্ণ গতিত বিকাশ লাভ কৰা নাই সেই কথা সম্পাদকীয়ত প্ৰকাশ পাইছে। 'অনুৰণন'ত প্ৰকাশিত প্ৰবন্ধকেইটা হৈছে স্বপ্নালী ভূঞাৰ 'শিক্ষাত আধুনিকীকৰণ', ৰুপা দাসৰ 'Friendship Pshycology' জ্যেষ্ঠ অধ্যাপিকা চিত্ৰা শৰ্মাৰ 'Women and Education' আৰু ছবিনা ছিদ্দিকৰ 'The Girl Child'। কবিতা শিতানত অজন্তা ডেকাৰ 'সংগ্ৰাম', গীতামণি ডেকাৰ 'অনুৰণন', গীতিকা তালুকদাৰৰ 'জীৱন' আৰু পল্লৱী ডেকাৰ 'পুৰুষত্ব কি?' কবিতাকেইটা প্ৰকাশ পাইছে। পত্ৰিকাখনৰ হস্তাক্ষৰ সম্পাদিকা আৰু তেওঁৰ সহযোগীসকলৰ।

## উদয়ন

বাংলা বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'উদয়ন'ৰ এইবাৰৰ সংখ্যাটিৰ সম্পাদিকা মুনমুন ভট্টাচাৰ্যই সম্পাদকীয়ত প্ৰকাশ কৰিছে যে লেখাৰ জৰিয়তে আমাৰ সুপ্ত প্ৰতিভা বিকশিত হৈ উঠে। পত্ৰিকাখন বিভিন্ন প্ৰকাৰৰ বাংলা প্ৰবন্ধ, গল্প, কবিতা, ৰস-ৰচনা আদিৰে সজাই তোলা হৈছে।

## চৰাচৰ

নৃতত্ত্ব বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'চৰাচৰ'ৰ এইবাৰৰ সংখ্যাটো সম্পাদনা কৰিছে ড° তিলোত্তমা বৰুৱাই। ২০১০-১১ বৰ্ষত ষষ্ঠ সংস্কৰণ হোৱা 'চৰাচৰ'ৰ বেটুপাত অংকন কৰিছে প্ৰিয়াশা ডেকাই। স্কেচ্ছ, হস্তাক্ষৰ জ্যোতিস্মিতা ৰাণী আৰু উদেষ্ণাৰ। প্ৰাচীৰ পত্ৰিকাৰ জৰিয়তে কেনেদৰে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক আৰু মানসিক বিকাশ হয়, সেই কথা সম্পাদকীয়ত প্ৰকাশ পাইছে। পত্ৰিকাখনত বৰ্তমান সমাজলৈ সাহিত্যৰ অৱদানৰ ওপৰত ভিত্তি কৰি ৰাণী শইকীয়াই লিখা 'সাহিত্য আৰু সমাজ' নামৰ একমাত্ৰ প্ৰবন্ধটো প্ৰকাশ হৈছে। কেইবাটাও আকৰ্ষণীয় প্ৰবন্ধ, কবিতা, গল্প, কৌতুক আদিৰ সমাহাৰেৰে প্ৰাচীৰ পত্ৰিকাখনে ছাত্ৰ-ছাত্ৰীৰ সৃষ্টি প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে।

## দৰ্শনজ্যোতি

দৰ্শন বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'দৰ্শনজ্যোতি'ৰ সম্পাদনা মৃণাল দাসৰ। সাহিত্য অবিহনে যে এটা জাতিৰ পৰিচয় অস্তিত্বহীন, এই কথা সম্পাদকীয়ত স্পষ্টভাৱে প্ৰকাশ পাইছে। পল্লৱী দেৱীৰ 'স্মৃতি', ৰশ্মিৰেখা ডেকাৰ 'নিষ্ঠুৰ সময়' পত্ৰিকাখনৰ দুটা মনোগ্ৰাহী কবিতা। বৰ্ণালী শৰ্মাৰ 'নাৰীৰ স্বাতন্ত্ৰ্য' সংখ্যাটোৰ একমাত্ৰ তথা আকৰ্ষণীয় প্ৰবন্ধ।

## Clarion

ৰসায়ন বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'Clarion' ৰ





সম্পাদনা ঋতুৰাজ কলিতাৰ আৰু বেটুপাত গৌৰাংগী গগৈ আৰু পূৰ্ণিমা বৰুৱাৰ। শিক্ষাৰ্থীৰ প্ৰতিভা বিকাশৰ এক ক্ষেত্ৰ প্ৰাচীৰ পত্ৰিকাখনৰ লেখত ল'বলগীয়া প্ৰবন্ধৰ ভিতৰত ৰেখামণি দাসৰ 'Discovery of Animal's Man Link', ৰাজকমলৰ 'প্লাষ্টিক'। কবিতা শিতানত আছে সীমা কোঁৱৰৰ 'স্মৃতিৰ শ্মশান' বিদিশা বৈদ্যৰ 'ল'ৰালি' আৰু পূৰ্ণিমা বৰুৱাৰ 'হে মহানগৰ'। জয়শ্ৰী মহন্তই 'ছোৱাইন-ফ্লুৰ সংক্ৰমণৰ ভয়াৱহতা'ক লৈ এটা বিশেষ লেখা আগবঢ়াইছে।

## সমকাল

বাপুকণ শইকীয়াৰ সম্পাদনা আৰু অভিবেক চান্দৰ পৰিকল্পনাৰে কটন কলেজৰ কেণ্টিনত 'সমকাল' নামে এখন প্ৰাচীৰ পত্ৰিকা প্ৰকাশ পাইছে। কেণ্টিনত হোৱা বিভিন্ন আড্ডাৰ মাজতো যে এটা অধ্যয়নৰ পৰিৱেশ গঢ়ি তুলিব পাৰি, সেই কথাই সম্পাদকে প্ৰাচীৰ পত্ৰিকাখনৰ জৰিয়তে প্ৰকাশ কৰিব বিচাৰিছে। পত্ৰিকাখনত কেইবাটাও প্ৰবন্ধ প্ৰকাশ পাইছে। তাৰ ভিতৰত তৃষ্ণা দেৱীৰ 'কটনিয়ানসকলক নিৰ্দশন দেখুওৱাৰ প্ৰয়োজন আহি পৰিছে' শীৰ্ষক প্ৰবন্ধটোত কটন কলেজত কেনেদৰে ছাত্ৰৰ নিকৃষ্ট ৰাজনীতি দকৈ শিপাবলৈ ধৰিছে, সেই কথা উল্লেখ কৰিছে। অৰূপ কলিতাৰ 'চৰকাৰে অসমবাসীক বলিৰ পঠা সজাইছে' শীৰ্ষক প্ৰবন্ধটোত সোৱণশিৰি নদীবান্ধ নিৰ্মাণক কেন্দ্ৰ কৰি চৰকাৰে অসমৰ ৰাইজৰ জীৱনক লৈ কেনেদৰে হেতালি খেলিছে, সেই কথা স্পষ্টভাৱে উল্লেখ কৰিছে। 'আমাক নতুন প্ৰতিনিধি লাগে' শীৰ্ষক নামেৰে দীপজ্যোতি ডেকাৰ আন এটা প্ৰবন্ধ প্ৰকাশ পাইছে। পত্ৰিকাখনত মহেন্দ্ৰ মোহন দাসৰ 'ৰং' নামেৰে একমাত্ৰ গল্পটো প্ৰকাশ পাইছে। কবিতা শিতানত প্ৰকাশ পোৱা ভাস্বতী দাসৰ 'অন্ধকূপ', বাপুকণ শইকীয়াৰ 'তোমাৰ বাবে', নীলাক্ষী বৈশ্যৰ 'আই অলপ গালি দেচোন' উল্লেখযোগ্য কবিতা। পত্ৰিকাখনৰ পৰাই উপলব্ধি কৰিব পাৰি ছাত্ৰ-ছাত্ৰীৰ ঐকান্তিকতা, মনৰ ভিতৰত লুকাই থকা শিল্পী সত্বা আৰু সূক্ষ্মানুভূতি। □

# ছাত্ৰ একতা সভাৰ প্ৰতিনিধিসকলৰ প্ৰতিবেদন

## উপ-সভাপতিৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল মহান ব্যক্তিক সুঁৱৰিছোঁ, যাৰ অপৰিসীম ত্যাগ আৰু শ্ৰমৰ বিনিময়ত ঐতিহ্যমণ্ডিত কটন কলেজে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকশত অৰিহণা যোগাই ছে। লগতে কটন কলেজৰ সেইসকল কটনিয়ান, যাৰ সহায় তথা আস্থাৰ ফলত মই কটন কলেজ ছাত্ৰ একতা সভাৰ ২০০৯-২০১০ বৰ্ষৰ উপ-সভাপতি পদত অধিষ্ঠিত হ'লো, তেওঁলোককো শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

২০০৯-১০ বৰ্ষৰ কটন কলেজ একতা সভাৰ শপত গ্ৰহণৰ পাছৰ কাৰ্যসূচী আছিল মহাবিদ্যালয় সপ্তাহ। মহাবিদ্যালয় সপ্তাহত ছাত্ৰ উপ-সভাপতিৰ বিশেষ কৰণীয় নাথাকিলেও একতা সভাৰ প্ৰতিজন বিষয়ববীয়াকে দায়িত্বসহকাৰে সহায় আগবঢ়াইছিলো। এই মহাবিদ্যালয় সপ্তাহতে অনুষ্ঠিত হৈছিল সাধাৰণ সভা আৰু সাংস্কৃতিক সন্ধিয়া, দুয়োক্ষেত্ৰতে আমি লাভ কৰিছিলো আশাপ্ৰদ সঁহাৰি।

২০০৯-১০ বৰ্ষৰ কটন কলেজ ছাত্ৰ একতা সভাৰ কাৰ্যকালতেই মহাবিদ্যালয়ৰ 'প্ৰফেছাৰ কলনী'ৰ এগৰাকী জ্যেষ্ঠ অধ্যাপিকাক নৃশংসভাৱে হত্যা কৰাৰ প্ৰতিবাদত আমি মৌন সমদল উলিয়াইছিলো। তাতো কটনিয়ান তথা কটন কলেজৰ অধ্যাপকসকলৰ অভূতপূৰ্ব সঁহাৰি পাইছিলো। লগতে সেই হত্যাকাণ্ডৰ উচ্চ স্তৰীয় তদন্তৰ বাবে কটন কলেজ শিক্ষক গোটৰ লগত ছাত্ৰ একতা সভাৰ হৈ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক স্মাৰক-পত্ৰ প্ৰদান কৰিছিলো।

আমাৰ কাৰ্যকালৰ শেষৰ ফালে ২০১০-১১ বৰ্ষৰ নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। সদৌ শেষত আমাৰ কাৰ্যকালত বিভিন্ন দিহা-পৰামৰ্শৰে আমাক সহায় আগবঢ়োৱা মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া উপাধ্যক্ষ মহোদয়াৰ লগতে সমূহ শিক্ষাগুৰু তথা কটনিয়ানসকললৈ সশ্ৰদ্ধ সেৱা আগবঢ়ালো।

সদৌ শেষত আমাৰ কাৰ্যকালত জ্ঞাতে-অজ্ঞাতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছোঁ। শেষত কটন কলেজৰ সৰ্বাংগীণ উন্নতি কামনাৰে প্ৰতিবেদন সামৰিলোঁ।

জয়তু কটন কলেজ।

জয়তু কটন কলেজ ছাত্ৰ একতা সভা।

**প্ৰণৱ প্ৰকাশ গগৈ**

## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



জয়জয়তে ঐতিহ্যমণ্ডিত কটন কলেজৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক শ্ৰদ্ধা যাচিছোঁ। লগতে যিসকলৰ অহো-পুৰুষাৰ্থৰ বলত মহাবিদ্যালয়খনে আজিৰ অৱস্থা লাভ কৰিছে, সেই-সকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

এশ দহ বছৰ গৰকা কটন মহাবিদ্যালয় উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে এক ঐতিহ্যমণ্ডিত আৰু উল্লেখনীয় শিক্ষাকেন্দ্ৰ। এই শৈক্ষিক কেন্দ্ৰটিৰ ছাত্ৰ সমাজৰ নেতৃত্বৰ ভাৰ লৈ অনুষ্ঠানটিক সাধ্য অনুসৰি উন্নতি আৰু প্ৰগতিৰ পথত আগবঢ়াই নিবলৈ কোনো ক্ষেত্ৰতে পিছহুঁহকি দিয়া নাছিলো। অসমীয়া জাতিৰ গৌৰৱ কটন মহাবিদ্যালয়ৰ বৃহৎ পৰিয়ালটিৰ হৈ সমস্যাৰ মোকাবিলা কৰিবলৈ বিভিন্ন কাৰ্যপন্থা হাতত লৈছিলো। বিভিন্ন অনুষ্ঠানৰ জৰিয়তে উচ্চ মানৱীয় প্ৰমূল্যৰ বিকাশৰ নিমিত্তে প্ৰচেষ্টা চলাইছিলো।

ঐতিহ্যমণ্ডিত কটন মহাবিদ্যালয়ত এতিয়াও বিভিন্ন সমস্যাই মূৰ তুলি উঠে। এনে অৱস্থাত সকলোৱে এই মহান শিক্ষানুষ্ঠানটোৰ উন্নতিৰ বাবে চিন্তা কৰা উচিত। এইক্ষেত্ৰত আমি বিভিন্ন ব্যক্তি, বুদ্ধিজীৱী, কলেজ কৰ্তৃপক্ষৰ লগত আলোচনা কৰিছিলো।

আমাৰ কাৰ্যকালত কলেজৰ বিভিন্ন অনুষ্ঠান যথাবিহিতভাৱে আৰু সফলতাৰে পালন কৰা হয়। এইক্ষেত্ৰত যিসকলে উৎসাহ-উদ্দীপনা, আন্তৰিকতা আৰু মহানুভৱতাৰে সহায়-সহযোগ কৰিলে, তেওঁলোকৰ অৱদান চিৰস্মৰণীয় হৈ ৰ'ব। মুঠতে সকলো ক্ষেত্ৰতে সফলভাৱে আমাৰ কাৰ্যকালৰ অন্ত পেলাব পাৰিছিলো বুলি আমি অনুভৱ কৰিছোঁ।

আমাৰ কাৰ্যকালত সৰ্বতোপ্ৰকাৰে সহায়-সহযোগ আগবঢ়োৱা অধ্যক্ষ মহোদয় প্ৰমুখ্যে মহাবিদ্যালয়ৰ সকলো শিক্ষকৰ ওচৰত মই কৃতজ্ঞ। লগতে সমূহ কৰ্মচাৰী, ছাত্ৰ একতা সভাৰ বিষয়ববীয়া, সতীৰ্থ বন্ধু-বান্ধৱী তথা অগ্ৰজ আৰু অনুজসকললৈ মোৰ কৃতজ্ঞতা, শ্ৰদ্ধা আৰু মৰম-স্নেহ জ্ঞাপন কৰিলোঁ। লগতে কটন মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰৰ উন্নতি-প্ৰগতি কামনা কৰি আমাৰ এই প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু কটন কলেজ। জয় আই অসম।

**গৌৰৱ গগৈ**

# সহকাৰী সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল ব্যক্তিলৈ কৃতজ্ঞতা জ্ঞাপন কৰিব বিচাৰিছোঁ, যিসকলে মোক কটন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদিকাৰ দায়িত্ব পালন কৰিবলৈ সুযোগ দিলে তথা মোৰ সকলো পদক্ষেপতে সহযোগিতাৰ হাত আগবঢ়ালে। এনে এটা গধুৰ দায়িত্ব সুচাৰুৰূপে পালন কৰা নিশ্চয় সহজ কথা নহয়। তথাপি মই চেষ্টাৰ ত্ৰুটি কৰা নাছিলো।

মই দায়িত্ব গ্ৰহণ কৰাৰ পাছতে প্ৰথম কাম আছিল বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ আৰম্ভ কৰা। মহাবিদ্যালয় সপ্তাহ সুচাৰুৰূপে পালন কৰাত আটাইকেইটা আবাসৰ আবাসীসকলৰ লগতে সমূহ কটনিয়ানে যি সহায়-সহযোগিতা আগবঢ়ালে, তাৰ বাবে তেওঁলোক ধন্যবাদৰ পাত্ৰ। শ্ৰীশ্ৰীসৰস্বতী পূজা বিগত বৰ্ষৰ দৰে এইবছৰো ২০ জানুৱাৰী, ২০১০ তাৰিখে অতি আড়ম্বৰেৰে পালন কৰা হয়। সৰস্বতী পূজাভাগ সুচাৰুৰূপে সম্পন্ন কৰাত যিসকল কটনিয়ানে সহায়-সহযোগিতা আগবঢ়ালে, তেওঁলোকক কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে ধন্যবাদ জনাইছোঁ। প্ৰতিবছৰে আয়োজন কৰা 'মাণিক চন্দ্ৰ বৰুৱা সোঁৱৰণী ৰাষ্ট্ৰীয় পৰ্যায়ৰ তৰ্ক প্ৰতিযোগিতা'খন এইবছৰো সুকলমে অনুষ্ঠিত কৰা হয়। ২৭ মে' ২০১০ত কটন মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসটি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। বিগত বৰ্ষৰ দৰে এইবছৰো সদৌ অসম আন্তঃমহাবিদ্যালয় নাটক প্ৰতিযোগিতাখনি অতি উলহ-মালহেৰে আৰু সম্পূৰ্ণ সফলতাৰে ৰূপায়ণ কৰা হয়। তদুপৰি এইবছৰ কটন কলেজত ছাত্ৰ একতা সভাৰ উদ্যোগত উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলক গ্ৰীষ্মৰ বন্ধত বিনামূলীয়া পাঠদানৰ ব্যৱস্থা কৰি যথেষ্ট সফল হৈছিলো।

শেষত মোৰ এই কাৰ্যকালত বিভিন্ন প্ৰকাৰৰ উপদেশ আৰু পৰামৰ্শৰে সহায় কৰা মাননীয় অধ্যক্ষ ড° ইন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য মহাশয়, নলিনীবালা দেৱী ছাত্ৰী নিবাসৰ অধীক্ষিকা মঞ্জু দেউৰী বাইদেউ, পদাৰ্থ বিজ্ঞান বিভাগৰ সমূহ অধ্যাপকৰ লগতে সমূহ কটনিয়ানক ধন্যবাদ জনাইছোঁ। আমাৰ এই কাৰ্যকালত হৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে মই সকলোৰে ওচৰত ক্ষমাপ্ৰাৰ্থী।

সদৌ শেষত লুইতপৰীয়া চিৰযৌৱনা কটন কলেজত 'হাইতাল বৰণৰ স্বপ্নাতুৰ চৰাইজাক সদায়েই উৰি থাকক' বোধিবৃক্ষৰ ছাঁ বিচাৰি, সাৰ পাই উঠক হাজাৰ তেজাল স্বপ্ন —তাৰেই কামনাৰে মোৰ প্ৰতিবেদন সামৰিছোঁ। 'জয়তু কটন কলেজ।'

**অংকিতা ভূঞা**

# 'কটনিয়ান'ৰ সম্পাদকৰ প্ৰতিবেদন



এশ দহটা গৌৰৱোজ্জ্বল বছৰ গৰকা কটন কলেজৰ এক গুৰুত্বপূৰ্ণ অংগ 'কটন কলেজ ছাত্ৰ একতা সভা'ৰ এক গুৰুদায়িত্বৰ বাবে উপযুক্ত বুলি নিৰ্বাচিত কৰাৰ বাবে সমূহ কটনিয়ানক ধন্যবাদ জ্ঞাপন কৰিছোঁ। কাৰ্যকালৰ আৰম্ভণিৰ পৰা 'কটনিয়ান' সম্পাদনাৰ অন্তিম ক্ষণলৈ এছোৱা দীৰ্ঘ সময়ত কিমান সফল হৈছোঁ সেয়া বিবেচনা কৰিব প্ৰতিজন কটনিয়ান আৰু সদাশয় পাঠকে।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে মহাবিদ্যালয় সপ্তাহ উপলক্ষে কেইটামান প্ৰতিযোগিতাৰ আয়োজন কৰিছিলো। স্বৰচিত কবিতা, গল্প, প্ৰবন্ধ, ভ্ৰমণ কাহিনী আদি বিভিন্ন প্ৰতিযোগিতাত পৰিদৰ্শিতা দেখুৱাই ইতিহাস বিভাগৰ স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ জাহ্নু ভৰদ্বাজে বৰ্ষশ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগীৰ সন্মান লাভ কৰিছিল। মহাবিদ্যালয় সপ্তাহত যথেষ্টসংখ্যক প্ৰতিযোগীৰ যোগদানে উৎসাহিত কৰিছিল যদিও 'কটনিয়ান' সম্পাদনাৰ কাম হাতত লোৱাৰে পৰা বিবেকবান কটনিয়ানৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰিছিলো। বিশেষকৈ 'কটনিয়ান'ৰ বাবে উন্নত মানৰ লেখাৰ অভাৱ, নিৰ্দিষ্ট সময়ত সম্পাদনা সমিতিৰ হাতলৈ লেখা নহা ইত্যাদি সম্পাদনা সমিতিৰ চিন্তাৰ বিষয় হৈছিল।

এখন কলেজৰ বাৰ্ষিক মুখপত্ৰই মহাবিদ্যালয়খনৰ পৰিচয় বহন কৰে আৰু মহাবিদ্যালয়ৰ এক সজাগ বৌদ্ধিক মহলে মুখপত্ৰ সম্পাদনাত সাৰ-পানী যোগায়, যাক গঢ়িবলৈ আৰু সাহিত্য অনুৰাগীসকলক

সাহিত্য চৰ্চাৰ প্ৰতি আগ্ৰহ বঢ়াবলৈ বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিব পাৰি যদিও পুঁজি আৰু নিচেই কম সময়ে আমাক নিৰাশ কৰিছিল। আমাৰ পিছত আহিব লগাসকলে হয়তো একেটা খোজতে খোজ নিদি আগ্ৰহ আৰু আন্তৰিকতাৰে দায়িত্ব স্বীকাৰ কৰিব।

কাৰ্যকালৰ মাজভাগত কটন কলেজ 'নবীন গোট'ৰ সৌজন্যত এখন কবিতা পুথি 'আমোলমোল কটনৰ গোন্ধ' আৰু কটন কলেজ 'নবীন গোট'ৰ বাৰ্ষিক মহোৎসৱৰ মুখপত্ৰ 'ন-সতীৰ্থ' প্ৰকাশ পাইছিল। কটন কলেজৰ নবীন লেখক-লেখিকাৰ লেখাৰে দুয়োখন পুথিয়েই উন্নত মানৰ হৈছিল। এইছেগতে কটন কলেজৰ নবীন লেখক-লেখিকা আৰু শিল্পী সমিতিৰ সমূহ 'নবীন-প্ৰবীণ'ক আন্তৰিক ধন্যবাদ জনাইছোঁ, যিসকলে বিভিন্ন কাৰ্যসূচীৰ মাধ্যমেৰে স্বকীয়তা অক্ষুণ্ণ ৰাখিছে আৰু সময়ে সময়ে সাহিত্য-সংস্কৃতিকে ধৰি পাঠ্যক্ৰম বহিৰ্ভূত বিষয়সমূহৰ গুৰুত্ব বঢ়াই তুলিছে।

দ্বিতীয়তে 'মাণিক চন্দ্ৰ বৰুৱা ৰাষ্ট্ৰীয় পৰ্যায়ৰ তৰ্ক প্ৰতিযোগিতা'ৰ বিষয়ৰ লগত সংগতি ৰাখি এখন স্মৰণিকা সম্পাদনাৰ কামো বিগত কাৰ্যকালতে হাতত লৈছিলো। উত্তৰ-পূৰ্বাঞ্চলৰ নদীবান্ধ বিতৰ্কক বিষয় হিচাপে লৈ প্ৰকাশ কৰা স্মৰণিকাখনত ভাৰত তথা অসমৰ বিভিন্ন লেখক-সাহিত্যিক, শিক্ষক, বিজ্ঞানী তথা বান্ধবিৰোধী সমাজকৰ্মীৰ লেখাই স্থান পাইছিল। Dams, Ecology and Developement নামকৰণেৰে প্ৰকাশ পোৱা স্মৰণিকাখনে বিভিন্ন মহলত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল, যাৰ বাবে স্মৰণিকাখনৰ উপদেষ্টা তথা তত্ত্বাৱধায়ক দিলীপ গগৈদেৱক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

কাৰ্যকালৰ আৰম্ভণিৰ পৰা শেষলৈ নিৰৱচ্ছিন্নভাৱে সহায়-সহযোগিতা আৰু পৰামৰ্শ আগবঢ়োৱা এই বিভাগৰ তত্ত্বাৱধায়ক ড° মহেশ্বৰ কলিতাদেৱলৈও আন্তৰিক শ্ৰদ্ধা তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

অৱশেষত সুচাৰুৰূপে কাৰ্যভাৰ চলাই নিয়াত পৰামৰ্শ আৰু সহায় কৰা ড° ইন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য ছাৰ, ড° দিলীপ কুমাৰ শৰ্মা ছাৰ, সুৰেশ কুমাৰ নাথ ছাৰ, মেৰী বৰুৱা বাইদেউ, মঞ্জু দেৱী পেগু বাইদেউ, ড° ভৱেন কলিতা ছাৰ আৰু ড° প্ৰদীপ শৰ্মা ছাৰৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

লগতে মোৰ প্ৰতিটো খোজতে ছাঁটোৰ দৰে লাগি থকা এছ এন বি চি ছাত্ৰাবাসৰ সমূহ আবাসী, পৰামৰ্শ আৰু সহায়ৰ হাত আগবঢ়োৱা সদৌ অসম ছাত্ৰ সন্থাৰ কটন কলেজ গোটৰ সদস্যবৰ্গ, সম্পাদনা সমিতিৰ সমূহ সদস্যবৃন্দ তথা প্ৰকাশক গোষ্ঠীলৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল।

**ভাৰ্গৱজ্যোতি কছাৰী**

## তৰ্ক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



বিভাগীয় প্ৰতিবেদনৰ আৰম্ভণিতে কটন কলেজ পৰিয়ালৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ পৰা আৰম্ভ কৰি সম্মানীয় অধ্যক্ষ মহোদয়লৈকে— -সকলোকে জনাইছোঁ মোৰ সশ্ৰদ্ধ প্ৰণাম। অশ্ৰুৰ অঞ্জলি যাচিছোঁ কটন মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা ফুলে-পাতে জাতিস্কাৰ হোৱালৈকে যিসকল ব্যক্তিয়ে আজীৱন সেৱা আগবঢ়াইছিল কটনৰ উন্নয়নৰ বাবে।

আমি দায়িত্ব লোৱাৰ পিছতে মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগত আছিল তিনিটা প্ৰতিযোগিতা— (১) তৰ্ক, (২) বক্তৃতা আৰু (৩) কুইজ।

তত্ত্বাৱধায়িকা বাইদেউ ড° ৰাশী কলিতা মৰল বাইদেউৰ দিহা-পৰামৰ্শ, শুভেচ্ছা তথা আশিস শিৰত লৈ অনুষ্ঠান আয়োজন কৰিলো। কটন পৰিয়ালৰ সকলোৰে শ্ৰদ্ধাৰ প্ৰাক্তন অধ্যক্ষ দিলীপ বৰুৱা ছাৰক নিমন্ত্ৰণ কৰি আনিছিলো কুইজ প্ৰতিযোগিতা পৰিচালনাৰ বাবে।

মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতাত সিদ্ধাৰ্থ ভট্টাচাৰ্য্যই শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল

অসমৰ বিভিন্ন প্ৰান্তত হোৱা সদৌ অসমভিত্তিক তৰ্ক প্ৰতিযোগিতাত আমাৰ কলেজৰ প্ৰতিযোগী দলসমূহক অংশগ্ৰহণ কৰাৰ সকলো বন্দোবস্ত আমি কৰি দিছিলো। সিদ্ধাৰ্থ দা, কৌস্তুভ কাশ্যপ আদিয়ে আমাৰ কাৰ্যকালতে অসমৰ বিভিন্ন ঠাইত শ্ৰেষ্ঠ তাৰ্কিক হৈ শ্ৰেষ্ঠ দলৰো সন্মান লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছিল। উত্তৰ লক্ষীমপুৰ মহাবিদ্যালয়ৰ গোলাপ শৰ্মা সোঁৱৰণী উত্তৰ-পূৰ্বাঞ্চল ভিত্তিক

তৰ্ক প্ৰতিযোগিতাত আমি শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছিলো।

বিগত বছৰবোৰৰ দৰে এইবাৰো মাণিক চন্দ্ৰ বৰুৱা ৰাষ্ট্ৰীয় তৰ্ক প্ৰতিযোগিতাখনি আমি উলহ-মালহেৰে তেওঁৰ জন্মদিন ৭ ছেপ্টেম্বৰত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰিছিলো। ভাৰতৰ ৩০খন অগ্ৰণী শিক্ষানুষ্ঠানৰ প্ৰতিযোগীয়ে উক্ত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়, উত্তৰ পূৰ্বাঞ্চলৰ St. Edmunds College, Lady Kean College, Shillong Foreign Language University, NEHU ইত্যাদি অগ্ৰণী শিক্ষানুষ্ঠানে যোগদান কৰি অনুষ্ঠানটো সফল কৰি তুলিছিল। উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি আমি 'Dams, Ecology and Development' শীৰ্ষক এখন স্মৃতিগ্ৰন্থও প্ৰকাশ পাইছিল। ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাখন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত সহায় আগবঢ়োৱা অভিজিত দা, বিতোপন দা, তিৱাৰী দা, ইশ্বান-উল হুছেইন, উদ্দীপ্ত, ঋতুৰাজ আৰু মোজাম্মিল হক ছাত্ৰাবাসৰ সমূহ আবাসীলৈ কৃতজ্ঞতা যাঁচিলো। সশ্ৰদ্ধ প্ৰণাম আগবঢ়াইছোঁ দিলীপ গগৈ ছাৰ আৰু অৰূপজ্যোতি চৌধুৰী ছাৰলৈ, যাৰ দিহা-পৰামৰ্শ অবিহনে সফল হৈ নুঠিলহেঁতেন মাণিক চন্দ্ৰ বৰুৱা তৰ্ক প্ৰতিযোগিতাখনি।

তৰ্ক আৰু আলোচনা-চক্ৰ বিভাগৰ সম্পাদক হিচাপে মোৰ একবছৰীয়া কাৰ্যকালৰ প্ৰতিটো পদক্ষেপতে উৎসাহ আৰু অনুপ্ৰেৰণা দিয়া শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, ড° ৰাশী কলিতা মৰল বাইদেউ, ড° প্ৰদীপ শৰ্মা ছাৰ, ড° সীতানাথ লহকৰ ছাৰ, ড° প্ৰহাস শৰ্মা ছাৰ, ড° অৰূপ কুমাৰ হাজৰিকা ছাৰলৈ প্ৰতিবেদনৰ সামৰণিত পুনৰ শ্ৰদ্ধা যাঁচিছো।

শেষত কটন মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰিলোঁ।

ত্ৰিবেদী চুতীয়া

# সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল কটনিয়ানলৈ আন্তৰিক কৃতজ্ঞতা তথা ধন্যবাদ জনাইছোঁ, যিসকলে মোক কটন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সংগীত বিভাগৰ সম্পাদকৰ দায়িত্ব পালন কৰিবলৈ সুযোগ দিলে তথা মোৰ সকলো পদক্ষেপতে সহযোগিতাৰ হাত আগবঢ়ালে।

বিগত বছৰৰ অভিজ্ঞতাই মোক এটা কথা সোঁৱৰাই দিছে যে কটন কলেজত সংগীত অনুৰাগী কটনিয়ানৰ অভাৱ নাই। মাত্ৰ কটনিয়ানৰ উপযুক্ত প্ৰশিক্ষণ আৰু চৰ্চাই যে কটন কলেজৰ সংগীত ক্ষেত্ৰখনক আৰু অধিক উজ্জ্বল কৰি তুলিব তাত কোনো সন্দেহ নাই।

আমি দায়িত্ব গ্ৰহণ কৰাৰ পিছতে প্ৰথম কাম আছিল মহাবিদ্যালয় সপ্তাহ আয়োজন কৰা। এই আয়োজনৰ লগত সংগতি ৰাখি বিভিন্ন সংগীত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। কটনিয়ানৰ উচ্ছাসভৰা সহযোগিতা তথা যোগদানে আমাক আহ্লাদিত কৰিছিল। এই প্ৰতিযোগিতাত কটন কলেজৰ ২০০৯ বৰ্ষৰ শ্ৰেষ্ঠ গায়িকা হিচাপে বিবেচিত হৈছিল ৰীতিমণি দাস। লগতে যূথিকা বৰ্মন আৰু অৰুণজোতি হাজৰিকা ক্ৰমে দ্বিতীয় আৰু তৃতীয় শ্ৰেষ্ঠ গায়ক হিচাপে বিবেচিত হৈছিল।

গুৱাহাটী বিশ্ববিদ্যালয়ে অনুষ্ঠিত কৰা 'আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ'ৰ সংগীত বিভাগৰ প্ৰতিটো প্ৰতিযোগিতাতে আমি সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিলো, য'ত সম্প্ৰীতি গোস্বামী, অংকিতা ডেকা আৰু ৰীতিমণি দাসে ক্ৰমে খেয়াল, ৰবীন্দ্ৰ সংগীত আৰু ভূপেন্দ্ৰ সংগীতত সোণৰ পদক লাভ কৰিবলৈ সক্ষম হয়।

আমাৰ কাৰ্যকালত কটন মহাবিদ্যালয়ত পোনপ্ৰথমবাৰৰ বাবে বিষ্ণু ৰাভা দিৱসৰ লগত সংগতি ৰাখি ২০ জুনত 'আন্তঃগুৱাহাটী আন্তঃমহাবিদ্যালয় ৰাভা সংগীত' প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। এই প্ৰতিযোগিতাত গুৱাহাটীৰ বিভিন্ন মহাবিদ্যালয়ে অংশগ্ৰহণ কৰিছিল, য'ত নিশান্ত বৰা (কটন কলেজ) প্ৰথম, ইন্দ্ৰাণী তালুকদাৰ (কটন কলেজ) দ্বিতীয় আৰু পূজা দাসে (গুৱাহাটী কলেজ) তৃতীয় পুৰস্কাৰ লাভ কৰিছিল।

ভাৰত বিকাশ পৰিষদৰ দ্বাৰা অনুষ্ঠিত সমবেত সংগীত প্ৰতিযোগিতাৰ হিন্দী আৰু সংস্কৃত বিভাগৰ সমবেত সংগীতত কটন কলেজৰ শিল্পীয়ে দ্বিতীয় স্থান পাবলৈ সক্ষম হয়।

এইবোৰৰ উপৰি মহাবিদ্যালয় সপ্তাহ, কটন মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস, নৱাগত আদৰণী সভা আদিত অনুষ্ঠিত কৰা সাংস্কৃতিক অনুষ্ঠান সফলভাৱে আয়োজন কৰাত আমি সফল হৈছিলো।

আমাৰ কাৰ্যকালত সহায়-সহযোগিতাৰে তথা দিহা-পৰামৰ্শৰে উৎসাহিত কৰা তত্ত্বাৱধায়ক ড° সুৰেশ চন্দ্ৰ বৰা ছাৰ, ড° প্ৰদীপ শৰ্মা ছাৰ তথা আন ছাৰ-বাইদেউসকল, ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক গৌৰৱ গগৈকে ধৰি আন বিষয়ববীয়াসকল, মোৰ বন্ধু ত্বৰিৎ, আৰ কে বি হোষ্টেলৰ সমূহ আবাসী তথা সমূহ কটনিয়ানক আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। জ্ঞাতে-অজ্ঞাতে হৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে প্ৰাৰ্থনা বিচাৰি তথা চিৰসেউজীয়া কটন কলেজৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু কটন কলেজ।

নয়নজ্যোতি গোস্বামী

## সাধাৰণ ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল কটনিয়ান সতীৰ্থক ধন্যবাদ জনাইছোঁ, যিসকলে ২০০৯-১০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত আমাক ঐতিহ্যমণ্ডিত কটন কলেজৰ সাধাৰণ ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি এটি গুৰু দায়িত্ব পালনৰ সুযোগ প্ৰদান কৰিলে। দায়িত্ব গ্ৰহণ কৰাৰ পাছত আমাৰ প্ৰথমটো কাম আছিল বাৰ্ষিক কলেজ সপ্তাহ আয়োজন কৰা। শতবৰ্ষ গৰকা কলেজখনত নিজৰ বুলিবলৈ এখন খেলপথাৰ নথকাৰ বাবে আমাৰ অধীনৰ খেলসমূহ SAI field ত অনুষ্ঠিত কৰিছিলো।

সাধাৰণ ক্ৰীড়া বিভাগৰ অন্তৰ্গত খেলৰ ফলাফলসমূহ আছিল—

| | | | |
|---|---|---|---|
| Kabadee | (Boy's) | – | Winner team – SNBC Hostel |
| | | – | Runner up – RKB Hostel |
| | (Girl's) | – | Winner team – NBD Hostel |
| | | – | Runner up – SKL Hostel |
| Best Kabadee player | (Boy's) | – | Biswajit Choudhury |
| | (Girl's) | – | Sampriya Bhuyan |
| Best Athlete | (boy's) | – | Nabajit Rabha |
| | (Girl's) | – | Semi Borgohain |

আমাৰ কাৰ্যকালত প্ৰতিটো সময়ত সহায় আগবঢ়োৱা ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাসৰ সমূহ আবাসীৰ লগতে অৰুণাভ ফুকন, ত্বৰিৎ কাকতি, আৰোহণ কৌশিক ডেকা, গৌৰৱ গগৈ, নয়নজ্যোতি গোস্বামী, তিৱাৰী দা, প্ৰণৱ দা, ৰজনী দা আৰু কটন কলেজ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াক ধন্যবাদ জনাইছোঁ।

শেষত আমাৰ কাৰ্যকালৰ প্ৰতিটো খোজতে সহায় তথা পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ অধ্যক্ষ ড° ইন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য ছাৰ, প্ৰবক্তা ড° ৰাতুল চন্দ্ৰ ৰাজখোৱা ছাৰ, ড° প্ৰদীপ শৰ্মা ছাৰ, খেল বিভাগৰ উপদেষ্টা ড° মনোজ হাজৰিকা ছাৰলৈ কৃতজ্ঞতা থাকিল।

জয়তু কটন কলেজ।

বুদ্ধ ডেকাবৰুৱা

## Secretary, Minor Games Section



I still remember my first day in Cotton College, and I can't forget the jouney which transpired, that has changes my life for good. I would like to take opportunity to thank and congratulate all my hostel mates and every supporters, voters and well wishers of mine for making my victory a reality. Truly, it has been a great journey and the victory. But I must admit that I was entrusted with a very big responsililiy and I have been very fortunate to have stood tall to my duty. I am very happy to have successfuly conducted the volleyball, basket-

ball and badminton matches during the annual college week 2009-2010.

The names of the winning teams & indivisual are hereby :

**Basketball (boys)**

Champion– SNBC hostel

Runner up –MNDP hostel

**Volleyball (boys)**

Champion— SNBC hostel

Runner up — SMH hostel

**Volleyboll (Girls)**

Champion— SKL hostel

Runner up— NBD hostel

**Badminton**

Boys :

Champion– Abhishek Phukan

Runner up– Bornil Jonak Phukan

Girls :

Champion– Enajori Medhi

My heartiest congratulations to all the winners and also to all the participants for their high level competition.

LONG LIVE COTTON COLLEGE.

**Amlan Dutta**

# Secretary, Boys' Common Room Section



At the very outset, I render my sincere thanks to my Prof.-In-Charge Dilip Gogoi, my bellow SNBCians and to my dear cottonians for their support all through out my tenure. To be the BCR secretary of Cotton College was a great honour for me. It was also a learning experience. But it is a shame that only few Cottonians participated in the College Week and this is a very excruciating scenario for an exemplary institution like Cotton College. However, the few handful Cottonians succeeded in illuminating the Cotton College by winning some prizes.

**The result of the aforesaid competitions are as follows—**

**1. Table Tennis**

Single : Elsayeed Hussain

Doubles : Amlan Dutta, Arpan Kumar Deori

**2. Carom**

Single : Arif Md. Hussain

Doubles : Arif Md. Hussain, Dhiraj Sharma

**3. Chess** : Kamal Deka

Long Live Cottonians ! Long live Cotton College.

**Manash Jyoti Deka**

## Secretary, Swimming, Rowing and Gymnasium



At the very outset, I solemnly thank all the Cottonians and especially to all the hostel boarders of ARB and SRB hostel for electing me as the secretary of Swimming, Rowing and Gymnasium Section for the year 2009-2010. I also convey my heartful gratitude to my Prof.-In-Change Dr. Manoranjan Borgohain, physical instructor of our college, Kulen Das. At last but not least, I offer my thanks to some ex-Cottonians, all my elder brothers of KKH Hostel and all my class mates of Higher Secondary second year. It was great honour being a part of the CCUS for running events related to my section and I will never forget my experience during the session.

**List of winners in various competitions under my section held during College Week :**

**Power lifting**
Weight Category- 65 kg and above
1st – Ghanashyam Doley
2nd – Solomon Luphenge
3rd – Nabajit Rabha

**Body Show**
A. Weight Category – 60 to 70 kg
1st – Bhaskar Pathak
2nd – Budda Deka Baruah.
B. Weight Category – 50 to 59 kg
1st – Nabajit Rabha
2nd – Shyam Prasad
MR. COTTON- Bhaskar Pathak

**Boys Arm Wrestling**
A. Category – 45 to 55 kg
1st – Bodan Hazarika
2nd – Nilutpal Mahanta
3rd – Hridoy Rabha
B. Category – 55 to 64 kg
1st – Chandan Rajkhowa
2nd – Guatam Borah
3rd – Dharani Nath
C. Category – 65 kg & above
1st – Anup Gogoi
2nd – Bhisma Doley
3rd – Raja Baishya
**Champion of the Champion** : Anupam Gogoi

**Girls Arm Wrestling**
A. Category – 45 to 55 kg
1st – Rajashree Kashyap
2nd – Subhadra Doley
3rd – Bhupali Rani Baishya
B. Category – Above 55 kg
1st – Rima Kashyap
2nd – Silpishikha Sharma
3rd – Leena Pegu
**Champion of the champion** : Rajshree Kashyap

**Boys Swimming**
**A. Free style (100 meters)**
1st – Nayan Moni Baruah
2nd – Sonnison Hansei
3rd – Himalay Boro
**B. Free style (50 meters)**
1st – Nayan Moni Baruah
2nd – Sonnison Hansei
3rd – Himalay Boro
**C. Back stroke (100 meters)**
1st – Nayan Moni Baruah
2nd – Sonnison Hansei
3rd – Himalay Boro
**D. Breast stroke (50 meters)**
1st – Nayan Moni Baruah
2nd – Sonnison Hansei
3rd – Aminul Islam
**Girls Swimming**
**Free Breast stroke, Back stroke (100 meters)**
1st – Sumi Buragohain
2nd – Riza Mahanta
3rd – Sanyukta Kashyap
**Best Swimmer:** Nayan Moni Baruah

I wish that the sports scenario of Cotton College will improve more and more as time passes by.

Thanking you all.

**Dhiram Kuli**

# ক্ৰিকেট বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকলক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছোঁ, যিসকলে আমাক কটন কলেজ ছাত্ৰ একতা সভাৰ সদস্য ৰূপে কটন কলেজৰ হকে সেৱা আগবঢ়োৱাৰ সুযোগ অৰ্পণ কৰিলে। এই গুৰু দায়িত্ব পালন কৰিবলৈ পাই মই সঁচাকৈ গৌৰৱান্বিত।

কাৰ্যকালৰ আৰম্ভণিতে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হৈছিল। কিন্তু প্ৰস্তুতিৰ বাবে হাতত নিচেই কম সময় পোৱাৰ বাবে বহু সমস্যাই দেখা দিছিল। বিশেষকৈ ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ খেলপথাৰৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰিছিলো। অৱশেষত দিছপুৰৰ চিটী ক্ৰিকেট ক'চিং চেণ্টাৰৰ খেলপথাৰত প্ৰতিযোগিতাখন অনুষ্ঠিত কৰিছিলো। প্ৰতিযোগিতাত সমূহ আৱাসৰ বাহিৰেও দুটা দলে অংশগ্ৰহণ কৰিছিল। প্ৰতিযোগিতাখনৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহে আমাক অনুপ্ৰাণিত কৰিছিল। ল'ৰাৰ শাখাত শ্বহীদ মোজাম্মিল হক ছাত্ৰাবাস চূড়ান্ত বিজয়ী হোৱাৰ লগতে আবাসৰ বাহিৰৰ উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিকৰ এটা দল ফাইনেলত পৰাস্ত হৈছিল। শ্বহীদ মোজাম্মিল হক ছাত্ৰাবাসৰ ভাৰ্গৱ শইকীয়াই শ্ৰেষ্ঠ ক্ৰিকেট খেলুৱৈৰ সন্মান লাভ কৰিছিল। ছোৱালীৰ শাখাত শ্বহীদ কনকলতা ছাত্ৰী নিবাস চূড়ান্ত বিজয়ী হৈছিল। শ্বহীদ কনকলতা ছাত্ৰী নিবাসৰ অৰ্চিতা বৰুৱাই শ্ৰেষ্ঠা ক্ৰিকেট খেলুৱৈৰ সন্মান লাভ কৰিছিল। মহাবিদ্যালয় সপ্তাহৰ শেষৰ দিনা অধ্যক্ষ একাদশ আৰু কটন কলেজ একতা সভা একাদশৰ মাজত এখন প্ৰীতি ক্ৰিকেট খেল অনুষ্ঠিত হৈছিল। খেলখনত অধ্যক্ষ একাদশ বিজয়ী হৈছিল আৰু কটন কলেজ একতা সভাৰ খেল বিভাগৰ উপ-সভাপতি ড° প্ৰদীপ শৰ্মা ছাৰে মেন অব্ দি মেচ সন্মান লাভ কৰিছিল।

ক্রিকেটৰ ক্ষেত্ৰখনত কটন কলেজক আগুৱাই লৈ যাবলৈ আৰু বহুতো কৰণীয় আছে। ইয়াৰে বাবে প্ৰয়োজন নিষ্ঠা, সততা আৰু কৰ্মদক্ষতাৰ। আশাকৰো উত্তৰসূৰী কটনিয়ানসকলে এইক্ষেত্ৰত চেষ্টাৰ ত্ৰুটি নকৰিব।

শেষত আমাক দিহা-পৰামৰ্শ দি উপকৃত কৰাৰ বাবে তত্ত্বাৱধায়ক মাধুৰ্য চক্ৰৱৰ্তী ছাৰক ধন্যবাদ জ্ঞাপন কৰিলোঁ। লগতে আমাক সকলো ক্ষেত্ৰত সহায় কৰি এই দায়িত্ব সুচাৰুৰূপে পালনত সহায় কৰা আনন্দৰাম বৰুৱা ছাত্ৰাবাসৰ সমূহ আবাসী তথা সহপাঠীসকলক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

জয়তু কটন কলেজ একতা সভা। জয়তু কটন কলেজ।

**চিৰঞ্জীৱ চেতিয়া**

# ফুটবল সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ বাটচ'ৰাত মই আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ সেইসকল মহানুভৱ মনীষীক, যিসকলে নিজৰ ত্যাগ আৰু ত্ৰুটিবিহীন সাধ্যসাধনৰ দ্বাৰা আমাৰ অতি চেনেহৰ কটন কলেজখন প্ৰতিষ্ঠা কৰিছিল। জ্ঞানৰ জ্যোতিৰে উদ্ভাসিত তথা অসমীয়া সাহিত্য-সংস্কৃতিৰে অভ্যুত্থানৰ কেন্দ্ৰস্থল স্বৰূপ ঐতিহ্যমণ্ডিত কটন কলেজত অধ্যয়নৰ সুযোগ লাভ কৰি আমি অতিশয় গৌৰৱান্বিত।

কাৰ্যকালৰ আৰম্ভণিতে মহাবিদ্যালয় সপ্তাহ উপলক্ষে ফুটবল প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। প্ৰতিযোগিতাখন জজ ফিল্ডত অনুষ্ঠিত কৰা হৈছিল। চূড়ান্ত প্ৰতিযোগিতা মহেন্দ্ৰনাথ ডেকা ফুকন ছাত্ৰাবাস আৰু শ্বহীদ মোজাম্মিল হক ছাত্ৰাবাসৰ মাজত অনুষ্ঠিত হৈছিল। মহেন্দ্ৰনাথ ডেকা ফুকন ছাত্ৰাবাসে শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰে। বছৰটোৰ শ্ৰেষ্ঠ ফুটবল খেলুৱৈ হিচাপে বিবেচিত হয় এছ ছলোমন লুপেং (এম এন ডি পি হোষ্টেল)।

আমাৰ কাৰ্যকালত অধ্যক্ষ একাদশ আৰু ছাত্ৰ একতা সভা একাদশৰ মাজত এখন প্ৰীতি মেচ আয়োজন কৰা হৈছিল। কাৰ্যকালৰ সীমিত সময়ছোৱাত এই প্ৰীতি মেচখন অনুষ্ঠিত কৰি এক অগতানুগতিকতা আৰু নতুনত্ব আনিবলৈ প্ৰয়াস কৰিছিলো। মেচখনত অধ্যক্ষ একাদশ বিজয়ী দল ৰূপে নিৰ্বাচিত হয়।

ফুটবল বিভাগৰ সম্পাদক হিচাপে মূলতঃ দুটা ক্ষেত্ৰত যথেষ্ট অভাৱ অনুভৱ কৰিছিলো। প্ৰথমতে, কটন কলেজৰ দৰে মহাবিদ্যালয় এখনৰ নিজা খেলপথাৰ নাই। দ্বিতীয়তে, খেলুৱৈসকলক প্ৰশিক্ষণ প্ৰদান কৰিবলৈ ফুটবল প্ৰশিক্ষকৰ অভাৱ। দায়িত্বশীল কটনিয়ান ৰূপে কলেজ কৰ্তৃপক্ষক এই দুটা দিশত পদক্ষেপ ল'বলৈ অনুৰোধ জনালোঁ।

দায়িত্ব ৰূপায়ণত কিমানদূৰ সফল হ'লোঁ সেয়া কটনিয়ানসকলৰ বিচাৰ্য বিষয়। কটন কলেজৰ দৰে এখন মহাবিদ্যালয়খনত কৰিবলগীয়া বহুতো কাম আছে, যাৰ বাবে যথেষ্ট সময় আৰু সমূহীয়া প্ৰচেষ্টাৰ প্ৰয়োজন। আমাৰ পূৰ্ণ বিশ্বাস যে আমাৰ উত্তৰসূৰীসকলে এই দিশবোৰ ফহিয়াই চাই কটন মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নয়নৰ বাবে প্ৰচেষ্টা অটুট ৰাখিব। এইছেগতে আমাৰ কাৰ্যকালত সহায়-সহযোগিতা আৰু মূল্যৱান দিহা-পৰামৰ্শ আগবঢ়োৱা তত্ত্বাৱধায়ক অধ্যাপক পৱন চহৰীয়া ছাৰলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। বিভিন্ন দিশত অৰিহণা যোগোৱা শ্বহীদ ৰঞ্জিত বৰপূজাৰী ছাত্ৰাবাসৰ সমূহ আবাসীলৈও সহৃদয় অভিনন্দন যাচিলো। লগতে আনন্দৰাম বৰুৱা ছাত্ৰাবাস আৰু মহেন্দ্ৰনাথ ডেকা ফুকন ছাত্ৰাবাসৰ সমূহ আবাসীলৈও ধন্যবাদ জনালো— তেওঁলোকৰ বন্ধুত্বপূৰ্ণ সহায়-সহযোগিতাৰ বাবে।

শেষত আমাৰ কাৰ্যকালত অনিচ্ছাকৃতভাৱে হোৱা ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰিলো আৰু কটন মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল পৰম্পৰাৰ চিৰপ্ৰৱহমান বোৱঁতী সুঁতিটো আৰু অধিক খৰস্ৰোতা হওক, প্ৰগতিশীল ধ্যান-ধাৰণাৰ জাগৰণেৰে কটন মহাবিদ্যালয় উজ্জীৱিত হওক —এই শুভকামনাৰে প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু কটন মহাবিদ্যালয়। জয়তু কটন মহাবিদ্যালয় ছাত্ৰ একতা সভা।

**বাপুকণ শইকীয়া**

# টেনিছ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে সমূহ কটনিয়ানলৈ আন্তৰিক ধন্যবাদ থাকিল— বিনাপ্ৰতিদ্বন্দ্বিতাৰে টেনিছ বিভাগৰ সম্পাদকৰ পদত নিৰ্বাচিত কৰি দায়িত্ব পালন কৰাৰ সুবিধা দিয়াৰ বাবে।

কলেজ সপ্তাহৰ লগত সংগতি ৰাখি অনুষ্ঠিত টেনিছ প্ৰতিযোগিতাত সম্পূৰ্ণ সহায়-সহযোগিতা আগবঢ়োৱা সীতানাথ ব্ৰহ্মচৌধুৰী ছাত্ৰাবাসৰ সমূহ ছাত্ৰলৈ অশেষ ধন্যবাদ যাচিলোঁ। লগতে উজ্জ্বল, জাহ্নু, জ্যোতি, গৌৰৱ, পুলিন, হিমশেখৰ, চন্দন, খাউণ্ড দা, ৰাজা দা, জ্যোতিষ, ক্ষিপ্ৰ, আকাশ আদিলৈ আন্তৰিক ধন্যবাদ থাকিল। বিভাগীয় তত্ত্বাৱধায়ক ছাৰলৈও বিনম্ৰ শ্ৰদ্ধা থাকিল, তেওঁৰ কৰ্মনিষ্ঠা তথা বন্ধুসুলভ সহায়-সহযোগিতাৰ বাবে।

তলত ২০০৯-২০১০ বৰ্ষৰ কলেজ সপ্তাহৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা লন টেনিছ প্ৰতিযোগিতাৰ বিজয়ীসকলৰ নাম উল্লেখ কৰা হ'ল—

ল'ৰাৰ একক চেম্পিয়ন ঃ জ্যোতিষ দত্ত, ৰানাৰ আপ ঃ গৌৰৱ গগৈ
ল'ৰাৰ দ্বৈত চেম্পিয়ন ঃ জ্যোতিষ দত্ত, বিকাশ পাংগিং;
ৰানাৰ্ছ আপ ঃ মানসজ্যোতি গোহাঁই, ক্ষিপ্ৰক্ষেত্ৰ নেওগ।
ছোৱালীৰ একক চেম্পিয়ন ঃ কংকনা শৰ্মা, ৰানাৰ আপ ঃ ময়ূৰী বৰা
ছোৱালীৰ দ্বৈত চেম্পিয়ন ঃ ময়ূৰী বৰা, কংকনা তালুকদাৰ
ৰানাৰ্ছ আপ ঃ কংকনা শৰ্মা, ঊৰ্মিলা বৰুৱা

শেষত কটন কলেজৰ উত্তৰোত্তৰ কামনা কৰিলোঁ।

জয়তু কটন মহাবিদ্যালয়।

**বিশাল কুমাৰ গুপ্তা**

# Secretary, Hocky Section



At the very outset I take this opportunity to feel myself proud of being a Cottonian and extend my gratitude to the stalwarts of learning whose sincere efforts lead to the beginning of an academic era of excellence in this part of our century. And the saga still confines!

Cotton College is a nourishing platform for the youths of our region in academic as well as in the sporting arena. In every academic year it constitutes a student body, CCUS to look after the cultural and sporting events under respective secretaries, as well as for the over all development of the students. I was blessed to be the Secretary, Hockey Section of CCUS for the session 2009-2010. That was one of the most thrilling experiences on my part. My Prof.-in-Charge was Dr. Shantanu Chakravarty. The Hokey matches were scheduled to be played at the SAI field. The Knock out matches went peacefully where MNDP and SRB hostels managed to took their place for the final encounter. The final match went Goal less till the full time and force the teams to go for the till breaker.

A pulsating flick and the champions decided. The Young Guns deed that again. SRB Hostel are the Hockey Champions, 2009-10. Well fought MNDP, the Runners Up, 2009-10. Gyan Jyoti Pegu the Best Player.

Hearty congratulations to all the teams who participated with true sportsmanship

spirit to show the presence of our National Game in the Annual Sporting event of our Glorious College.

Last but not the least, I thank my Prof.-In-Charge, Shantanu Sir, our Gym Instructor/Sport In-Charge, Mr. Kulen Das, Director SAI for their valuable support and help through out, my beloved SNBCian, as well as all the teaching and non-teaching staffs of our college.

**Chandan Borgohain**

## Secretary, Social Service Section



First and foremost, I would like to thank the father of all and sundry for giving me their opportunity to serve alma matter historic Cotton College as Social Service secretary. And I would like to convey my heartful gratitude to all Cottonians and my hostel mates of NBD hostel for their support and co-operation throughout the session.

I would also like to thank my Prof.-In-Change Dr. Nripendra Kumar Deka, who guided me in accomplishing my responsibilities.

The Best Clean Hostel (2009-10) was —

1) S.N.B.C. Hostel (Boy's)

2) S.K.L. Hostel (Girl's)

Lastly, I would again like to salute the Almighty for providing me an opportunity to study in Cotton College, which is a matter of great pride for a child born in the soil of Assam. So, lets take the pride in saying, 'Once a Cottonian always a Cottonian.'

Long Live Cotton College.

**Anushua Singha**



H.S. 2010

# TOPPERS

## Arts



Tapashi Bordoloi
7th position



Tamasa Das
8th position

## Science



Gunjan Jyoti Bhuyan
2nd position



Spandan Jyoti Das
3rd position



Utpal Kalita
4th position



Namrata Das
6th position



Abhisekh Barman
8th position



Nibedita Baruah
8th position



Palash Jyoti Borah
10th position



Suraj Jyoti Kakati
10th position

Photo not found

Supratim Endow
8th position

# TOPPERS T.D.C. 2010

1st class 1st

## Arts



Jintu Dutta
History



Nirmali Kakati
Pol. Science

## Science



lahmuda Khannam
Chemistry



Jinia Sikdar
Geology



sita Bhattacharjee
Botany



Sanghamitra Baruah
Economics



Bijita Sarma
Physics



Sahana Bhattacharjee
Statistics



Preeti Nath
Geography



Polymoni Das
Anthropology



Anindita Deka
Zoology

## WINNERS

# College Week and G.U. Youth Festival



Satyajit Gogoi
Best Actor



Siddhartha Bhattacharyya
Best Debetor



Jyotshna Rani
Best Actress



Ritimoni Das
Best Singer



Enajori Medhi
Badminton Champion



Purnima Baruah
Gold Medelist
Self composed poem recitation
G.U. Youth Fest.



Anupam Gogoi
Arm Wrestling Champion



Ujjal Pratim Dutta
Best Player (Volleyball)



Eliyas Borgoyari
Best Player (Basketball)



Bhargab Saikia
Best Player (Cricket)



Jyotish Dutta
Champion Lawn Tennis
(Single)



Jyotish Dutta
Bikash Pangging
Champion Lawn Tennis
(Double)

# Moments to Cherish



Scrutiny, NAAC



The learning heart (MCB)



The plateform of discernment



Globally exquisite



We learn we do



The moment of questions

2

# Moments to Cherish


The new generation of Non-violence


Amusing culture



Showcasing the talent


Best drama team


Deligates from Abroad


We shall over come

3

# Moments to Cherish



Cultural procession



A post election scene



Through discipline we excel



Here we go




Courage in our heart




Spreading a word